# Jcian

## জাগীৰোড মহাবিদ্যালয় আলোচনী

**২০২৪-২৫ বৰ্ষ**

Jagiroad College Magazine
2024-25



তত্ত্বাৱধায়ক
ড° কণিমা পাঠক
ড° ক্লিৰণি তেৰাংপী

সম্পাদক
টুনু জ্যোতি মেধি

**JCian :** Annual Magazine of Jagiroad College, Edited by Tunu Jyoti Medhi and Published by Jagiroad College Students Union, Jagiroad College, Morigaon (Assam) for the Session 2024-2025.

# জাগীৰোড মহাবিদ্যালয় আলোচনী

২০২৪-২০২৫ বৰ্ষ

## সম্পাদনা সমিতি

সভাপতি

ড° [illegible]

তত্বাৱধায়ক

ড° [illegible]

ড° [illegible]

[illegible]

ড° [illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

সম্পাদক

[illegible]

বেটুপাতৰ পৰিকল্পনা

সম্পাদনা সমিতি

বেটুপাতৰ ছবি

[illegible]

([illegible])

([illegible])

## মহাবিদ্যালয় সংগীত

[illegible]

Printed at : Sri Ganesh Printers
[illegible] Market, Noonmati, Guwahati-78 [illegible]
Phone: [illegible]
E-mail: [illegible]

Shri Pijush Hazarika
Minister, Assam

Water Resources, Information & Public Relations,
Printing and Stationery and Social Justice
& Empowerment Departments

Dated Dispur, the 4th February 2026



# MESSAGE

It gives me great pleasure to learn that Jagiroad College (Autonomous) is publishing its annual magazine 'JCIAN' for the 2024-25 session. As a NAAC A+ grade institution, the college continues to set high standards for academic and creative excellence in our state. This magazine serves as a vital platform for students to showcase their intellectual depth and artistic talents.

A college magazine is more than just a collection of articles; it is a vibrant chronicle of the intellectual growth, creative spirit and collective achievements of the student community. In today's rapidly evolving world, education must transcend the boundaries of textbooks. Our youth are the architects of a developed Assam and platforms like 'JCIAN' play a crucial role in nurturing critical thinking and self-expression. I commend the Jagiroad College Student Union and the editorial team for their efforts in documenting the vibrant life of the college. I hope this publication inspires the students to express themselves boldly and prepares them for the responsibilities of the future.

I extend my warmest congratulations to the faculty, and the students on this occasion. My best wishes go out to the entire college fraternity for the successful publication of this edition of 'JCIAN'. May it be a source of pride and inspiration for years to come.

(Pijush Hazarika)

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত হান্দিকী ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় : [illegible]

আঞ্চলিক কাৰ্যালয়
[illegible]

প্ৰসংগ নং : ..........................

তাৰিখ : ২১-১১-২০২২



## শুভেচ্ছা বাৰ্তা

অসমৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান জাগীৰোড মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ এইবাৰৰ সংখ্যাটি প্ৰকাশৰ দিহা কৰা বতৰাত সন্তোষ পাইছোঁ।

শিক্ষানুষ্ঠানৰ আলোচনীসমূহ সমাজৰ ভৱিষ্যৎ নাগৰিকসকলৰ সুস্থ প্ৰতিভা বিকাশৰ আৰু চিন্তা-চেতনা অংকুৰণৰ সাৰুৱা পথাৰস্বৰূপ। উপযুক্ত সাৰ-পানী আৰু সুপৰিবেশ পালে সেই অংকুৰ সমহত পত্ৰ-পুষ্পে ভৰপূৰ এজোপা বৃক্ষত পৰিণত হয়। জাগীৰোড মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, বৌদ্ধিক বিকাশ সাধন আৰু প্ৰতিভাৰ উন্মেষত সহায়ক হ'ব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° বসন্ত কুমাৰ গোস্বামী)
সভাপতি, অসম সাহিত্য সভা

ঘৰৰ ঠিকনা : [illegible]
ই-মেইল : drbkgoswami3@gmail.co

**ANAMIKA TEWARI, ACS**
District Commissioner
Morigaon (Assam)

**OFFICE OF THE DISTRICT COMMISSIONER**
MORIGAON (ASSAM)
Tel : 03678-240225 (O)
9435028394 (M)
Email : dc-morigaon@nic.in

দিনাংক ২৩ জানুৱাৰী, ২০২৬



# শুভেচ্ছা বাণী

মৰিগাঁও জিলাৰ উচ্চ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ, জাগীৰোড মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ তত্ত্বাৱধানত ২০২৪-২৫ শিক্ষা বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ আলোচনী 'JCIAN' (জেচিয়ান) প্ৰকাশৰ দিহা কৰা বুলি জানিবলৈ পাই মই অতি আনন্দিত আৰু উৎফুল্লিত হৈছোঁ।

এখন মহাবিদ্যালয়ৰ আলোচনী কেৱল কিছুমান লেখাৰ সমষ্টিয়েই নহয়, ই হৈছে মহাবিদ্যালয়খনৰ সামগ্ৰিক বৌদ্ধিক, সাংস্কৃতিক আৰু শৈক্ষিক জীৱনৰ এক উজ্জ্বল দাপোণ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্নিহিত সুপ্ত সৃজনীশীল প্ৰতিভা, মননশীল চিন্তা-চৰ্চা আৰু সাহিত্য অনুৰাগ প্ৰকাশৰ এক শক্তিশালী মঞ্চ। মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে 'JCIAN' -ৰ এই নতুন সংখ্যাটিয়ে ছাত্ৰ ছাত্ৰীসকলৰ চিন্তাশীলতাৰ নতুন দিগন্ত উন্মোচন কৰিব আৰু তেওঁলোকক ভৱিষ্যতে সাহিত্য সাংস্কৃতিক পথাৰসমূহত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰিব।

মই আশা ৰাখিছোঁ, 'JCIAN' (জেচিয়ান)-ৰ এই সংখ্যাটিয়ে মহাবিদ্যালয়খনৰ গৰিমা অক্ষুণ্ণ ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মননশীল চিন্তা-চৰ্চাত এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হ'ব।

আলোচনীখনৰ সৰ্বাংগীণ সফলতা কামনা কৰিছোঁ। লগতে, জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাবৃন্দ, কৰ্মচাৰীসকল আৰু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকললৈ আগন্তুক সময়ৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা আৰু শুভকামনা জ্ঞাপন কৰিলোঁ।

(অনামিকা তেৱাৰী) এচিএচ
জিলা আয়ুক্ত, মৰিগাঁও

**ডাঃ পুনিৰাম পাতৰ**
সভাপতি, পৰিচালনা সমিতি
জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)




# শুভেচ্ছাবাণী

স্বগৃহে পূজ্যতে মূৰ্খঃ স্বগ্ৰামে পূজ্যতে প্ৰভুঃ।
স্বদেশে পূজ্যতে ৰাজা, বিদ্বান পূজ্যতে সৰ্বত্ৰ।। চাণক্য নীতি

অৰ্থাৎ নিজৰ ঘৰখনত নিজৰ মূৰ্খ-অজ্ঞান, লেঠা-লেচা বা অন্ধ সন্তানটিয়েও আদৰ পায়, গাঁওখনৰ গাঁওপ্ৰধান বা বুদ্ধিমান লোকেও সন্মান পায়, নিজৰ ৰাজ্যত ৰজা অৰ্থাৎ আদৰ পায়, কিন্তু বিদ্বানজনে সকলো ঠাইত, কালতে সন্মান, মান-সন্মান পায়। পৃথিৱীৰ সকলো ক্ষেত্ৰতে বিদ্বান জনৰ মান-সন্মান অতুলনীয়। অৰ্থাৎ এইটোৱেই ঠিক যে কেৱল বিদ্যাৰ অধিকাৰী হলেও নহ'ব, তেওঁ প্ৰকৃততে বিনয়ী, গুণী, জ্ঞানী, অমায়িক, সত্যবাদী, সহনশীল হ'ব লাগিব। সেইজন বিদ্বান পুৰুষহে সকলোৰে পূজ্য আৰু শ্ৰদ্ধেয়। পৌৰাণিক কালৰ গুৰু গৃহৰ শিক্ষা ব্যৱস্থাৰ পৰা আৰম্ভ কৰি আধুনিক কালৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে সকলোতে শিক্ষাৰ উদ্দেশ্য হৈছে প্ৰকৃত মানৱ সম্পদ তথা উচ্চ শিক্ষিত গুণ-বিশিষ্ট ব্যক্তি সৃষ্টি কৰা।

তেনে মহৎ উদ্দেশ্য লৈ আগবাঢ়ি থকা এখন মহাবিদ্যালয় হিচাপে পূৰ্বৰ [illegible] আঞ্চলিক মহাবিদ্যালয় তথা বৰ্তমানৰ জাগীৰোড মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব লাভ কৰিছোঁ [illegible] নিজকে সৌভাগ্য বুলি ভাবোঁ। কেৱল পৰিচালনা সমিতিৰ সভাপতি বুলিয়েই নহয়, এজন সচেতন নাগৰিক হিচাপে, এজন শিক্ষানুৰাগী হিচাপে, এজন সমাজ সচেতন ব্যক্তি হিচাপে, এজন সমাজৰ হিতৰ কাৰণে কাম কৰি ভাল পোৱা লোক হিচাপে জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে শিক্ষাগুৰুসকল, অন্য শিক্ষক-কৰ্মচাৰীসকল, ছাত্ৰ-ছাত্ৰী, বন্ধুসকলৰ সামূহিক সমন্বয় আৰু সহযোগিতাৰে সততাৰে আগবাঢ়ি, হাতে হাত ধৰি মহাবিদ্যালয়খনক আগলৈ তিৰবিৰাই তুলিব [illegible] ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

"জয়তু জাগীৰোড মহাবিদ্যালয়।"

দিনাংক ঃ ০২.০২.২০২৫

**ডাঃ পুনিৰাম পাতৰ**
সভাপতি, পৰিচালনা সমিতি
জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)

**Dr. Bhaben Chandra Neog,** MSc, MPhil, PhD.
Principal & Secretary
Jagiroad College (Autonomous)
Jagiroad, Morigaon, Assam
Contact: 8500398322
E-mail: jagiroadcollege12@gmail.com



# অধ্যক্ষৰ একলম

এক দীৰ্ঘ বিৰতিৰ অন্তত যোৱা দুই তিনি বছৰত জাগীৰোড মহাবিদ্যালয়ত পত্ৰিকা প্ৰকাশ এক সোপানৰ পৰিৱেশে বিদায় লোৱা পৰিলক্ষিত হৈছে। বিগত কেইবছৰমান বছৰত মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰা হোৱা নাছিল বিভিন্ন কাৰণত অত্যন্ত বাধিত হৈ আছিল। কিন্তু বৰ্তমান 'জেউতি'ৰ প্ৰকাশৰ খাতত ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ পদক্ষেপ হাতত লোৱাৰ বাবে এই সংখ্যাৰ আলোচনীখনৰ তত্বাৱধায়ক ড° কণিকা পাঠক আৰু ড° ত্ৰিবেণী ভেটনৰে লগতে আলোচনী সম্পাদক ... সকলোকে শলাগ লৈছো।

এই বছৰৰ আলোচনীখন কেইবাটাও নতুন শিক্ষা সমলৰ ৰচনাৰে সমৃদ্ধ হোৱাৰ বাবে সম্পাদনা সমিতিৰ বিশেষকৈ কণিকা আৰু ত্ৰিবেণীক বিশেষ অভিনন্দন আৰু ধন্যবাদ জনাইছো। আশা কৰিছো আলোচনীখন পঢ়ুৱৈসকলে আদৰি ল'ব আৰু নতুন লিখক সৃষ্টিত অবিহণা আগবঢ়াব।

২০২৫ বৰ্ষৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদনক্ৰমে জাগীৰোড মহাবিদ্যালয় (স্বায়ত্ত) ই ইয়াৰ ইতিহাস নতুনকৈ লিখাৰ আৰম্ভণি কৰিছে। আগন্তুক দিনত মহাবিদ্যালয়খনৰ স্বায়ত্তশাসন ... সুফল প্ৰসাৰী হওক এই কামনা ব্যক্ত কৰিলো।

দিনাংক ঃ ০২-০২-২০২৬

ড° ভবেন চন্দ্ৰ নেওগ
অধ্যক্ষ,
জাগীৰোড মহাবিদ্যালয় (স্বায়ত্ত)

**Dr.Chitta Ranjan Sarkar**
Coordinator, IQAC
Jagiroad College (Autonomous)



## Message from the IQAC Coordinator

The Internal Quality Assurance Cell (IQAC) of the college functions as a driving force for ensuring quality enhancement and continuous improvement in academic and administrative processes. It strives to create a learner-centric environment by promoting innovation, inclusiveness, and excellence in higher education. With a vision to uplift the academic standard of students, IQAC has taken several initiatives such as organizing orientation programmes, skill development workshops, career guidance and counselling sessions, soft-skill and communication training, awareness programmes on cyber security, health, environment, energy conservation, and constitutional values. Special focus has been given to student-centric teaching methodologies to prepare learners for higher studies, competitive examinations, and employability. IQAC has also been actively involved in student welfare initiatives by coordinating mental health counselling programmes, health awareness camps, safety and first-aid awareness sessions, and programmes on social responsibility and civic sense. Supportive measures like academic mentoring, grievance redressal, and promotion of inclusive practices have helped create a safe and motivating academic atmosphere for students.The College Magazine stands as a mirror of the institution's intellectual vibrancy and creative energy. It provides a meaningful platform for students and faculty to showcase their literary, artistic, and scholarly pursuits, thereby encouraging holistic development beyond the classroom.I sincerely appreciate the efforts of the editorial board, contributors, and all stakeholders who have contributed to this publication. I urge our students to continue striving for excellence with integrity, creativity, and social commitment.

I extend my best wishes to the entire college fraternity for continued progress and success.

**Dr. Chitta Ranjan Sarkar**
Coordinator, IQAC
Jagiroad College (Autonomous)




মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি



অধ্যক্ষ মাননীয় ড° হৰেন চন্দ্ৰ ডেকাৰ সৈতে
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু তত্ত্বাৱধায়কসকল



# তত্ত্বাৱধায়কৰ

## একাষাৰ...

সাহিত্য মানৱ জীৱনৰ অবিচ্ছেদ্য অংশ। পৃথিৱীত মানুহৰ জন্মৰ লগে লগেই সাহিত্যৰো সৃষ্টি হৈছে। লিপিৰ আৱিস্কাৰৰ বহুত আগতেই সাহিত্যৰ প্ৰচলন আছিল। পৰৱৰ্তী সময়ত লিপিৰ আৱিস্কাৰৰ বহুত পাছতহে সাহিত্যৰ লিখিত ৰূপত সংৰক্ষিত হ'বলৈ উপক্ৰম হৈছে। সাহিত্যৰ জৰিয়তে মানুহৰ ভাৱ-অনুভূতি, অভিজ্ঞতা তথা বৌদ্ধিক উৎকৰ্ষতাৰ নিঃসৰণ হয়। মানুহে মৌলিক প্ৰয়োজন অন্ন, বস্ত্ৰ, বাসস্থানৰ ওপৰি মানসিক প্ৰয়োজনৰো পোষকতা কৰে। মানসিক শান্তি, মানসিক তৃপ্তি তথা আত্মাৰ তৃপ্তিৰ বাবে মানুহে সাহিত্যৰ সাধনা কৰে, সাহিত্য ৰচে আৰু পঢ়ে। মানুহৰ জগত-জীৱন বা সমাজৰ প্ৰতি অন্তৰ আত্মাৰ বৌদ্ধিক চিন্তা-চেতনাৰ প্ৰকাশেই হৈছে সাহিত্য। গতিকে, সাহিত্যক আমি মানৱৰ অভিজ্ঞতা আৰু চিন্তা-চৰ্চা, বৌদ্ধিকতাৰ বহিঃ প্ৰকাশৰ মাধ্যম বুলি ক'ব পাৰোঁ। আত্মাৰ পৰিপুষ্টি তথা মানসিক উৎকৰ্ষ সাধনৰ বাবে সাহিত্যৰ চৰ্চা আৰু সাহিত্য পঢ়াতো অতিকৈ প্ৰয়োজন।

ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত পঢ়ি থকা সময়খিনিতে নিজক সকলো দিশৰ পৰা বিকাশ কৰাৰ এক সুন্দৰ মঞ্চ পায়। এই সময়ছোৱাত যদি তেওঁলোকে নিজক সকলো দিশৰ পৰা পূৰ্ণাংগ কৰাৰ মনোভাৱৰ গঢ় নিদিয়ে, পৰৱৰ্তী সময়ত কিন্তু পূৰ্ণ ৰূপত বিকশিত হোৱাৰ সুবিধা নাথাকে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাৰ লগতে জীৱনৰ অন্যান্য দিশবোৰত গুৰুত্ব দি 'মহাবিদ্যালয় সপ্তাহ' ৰ আয়োজন কৰা হয়। য'ত ছাত্ৰ-ছাত্ৰীসকলৰ আৰ্জিত জ্ঞান অভিজ্ঞতাৰ লগতে বৌদ্ধিক চিন্তা আৰু কল্পনাৰে উমাল হৈ থকা মনটো সাহিত্যৰ বিভিন্ন বিধা যেনে— গল্প, কবিতা, প্ৰবন্ধ, চিন্তাশীল লেখা আদিৰ মাজেদি প্ৰকাশ কৰিব পাৰে। এজন ছাত্ৰ বা ছাত্ৰীক শাৰীৰিক, মানসিক আৰু বৌদ্ধিক আটাইকেইটা দিশতে পৈণত হ'লেহে এগৰাকী সু-নাগৰিক তথা কল্যাণকামী মানুহ হিচাপে পৰিগণিত কৰিব পাৰি। এই প্ৰয়াসকে জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)-এও অব্যাহত ৰাখিছে।

জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ ২০২৪-২০২৫ বৰ্ষৰ আলোচনী বিভাগৰ তত্ত্বাৱধায়কৰ গুৰু দায়িত্বভাগ মহাবিদ্যালয়খনৰ সন্মানীয় অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগদেৱে আন্তৰিকতাৰে আমাক অৰ্পণ কৰে। ছাৰে আলোচনীখনৰ কৰ্মভাগ সাফল্যমণ্ডিত কৰাৰ বাবে দিহা পৰামৰ্শৰে মূল্যৱান সময় দিয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে নিজেও লিখিছে। ইয়াৰ বাবে শ্ৰদ্ধাৰ ছাৰক জনাইছোঁ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। বৰ্তমান সময়ত বিভিন্ন কাৰণবশতঃ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ প্ৰতি, লেখা-মেলাৰ প্ৰতি অমনোযোগী। অধ্যয়ন আৰু লিখা-মেলাৰ প্ৰতি অনীহাৰ বাবেই লেখা পোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। তেনে ধৰণৰ পৰিস্থিতি ছাত্ৰ-ছাত্ৰী তথা সমাজৰ বাবে শুভ লক্ষণ নহয়। তেনে ক্ষেত্ৰতো আলোচনী প্ৰকাশৰ আশা কৰা আলোচনী সম্পাদকগৰাকীৰ ঐকান্তিক প্ৰচেষ্টাৰ শলাগ আমি ল'বই লাগিব। আলোচনী সম্পাদনা সমিতিৰ সকলো সদস্যৰ আশাশুধীয়া প্ৰচেষ্টা আৰু সহযোগিতাত 'জেচিয়ান' (JCian) ন ৰূপে প্ৰকাশৰ দিশে অগ্ৰসৰ হ'ল। সাম্প্ৰতিক ডিজিটেল জগতখনৰ সমান্তৰালভাৱে সাহিত্যৰ ন ন তথ্য আৰু সৃষ্টিৰ কৌশলেৰে ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিয়াটো শিক্ষকসকলৰ দায়িত্ব যিমান, সমানে ছাত্ৰ-ছাত্ৰীসকলৰো নিজস্ব কৰ্তব্য আছে। ছাত্ৰ-ছাত্ৰীসকলেও শিক্ষকসকলৰ শিক্ষণখিনিক গ্ৰহণ কৰি জীৱনত ব্যৱহাৰ কৰাৰ যত্ন কৰিব লাগিব। চিন্তাক সৃষ্টিলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ সমানেই দায়িত্ব আৰু কৰ্তব্য আছে। শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ যৌথ প্ৰচেষ্টাতহে 'জেচিয়ান'ও যে সদায় সজীৱ হৈ থাকিব, তাত কোনো সন্দেহ নাই; ইয়াৰ বাবে আমিও সদায় প্ৰত্যাশী।

'জেচিয়ান' (JCian) প্ৰকাশত সৰ্বতো দিশত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰক পুনৰবাৰ কৃতজ্ঞতা জনাইছোঁ। আলোচনীখনলৈ শুভেচ্ছা বাণী প্ৰদান কৰি শুভাশীষ দিয়া সন্মানীয় ব্যক্তিসকলৰ প্ৰতিও কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে এটা বিশেষ সাক্ষাৎকাৰ প্ৰদান কৰি সমৃদ্ধ কৰা অসম চৰকাৰৰ শিক্ষা আৰু উচ্চ শিক্ষা বিভাগৰ সচিব আই.এ.এছ শ্ৰদ্ধাৰ শ্ৰীযুত নাৰায়ণ কোঁৱৰ ছাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। নিজৰ নিজৰ লেখাৰে আলোচনীখন সমৃদ্ধ কৰা শ্ৰদ্ধাৰ জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাবৃন্দ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল আৰু বৰ্তমানৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা জনাইছোঁ; আপোনাসবৰ লেখা অবিহনে 'জেচিয়ান' (JCian) প্ৰকাশ কৰিবপৰা নগ'লহেঁতেন। ইংৰাজী বৰ্ণাশুদ্ধিখিনি কৰি আমাক কৃতাৰ্থ কৰা ড° ক্লিৰ্ণি তেৰাংপি, ড° অনিন্দিতা কৰ বাইদেউ আৰু আলোচনীখনৰ সৈতে জড়িত প্ৰত্যেকগৰাকী সদস্যক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ কামখিনি সুন্দৰকৈ কৰি দিয়াৰ বাবে শ্ৰীগণেশ প্ৰিণ্টাৰ্ছৰ শ্ৰদ্ধাৰ শ্ৰী প্ৰতুল ভট্টাচাৰ্যদেৱ আৰু সমূহ কৰ্ম কৰ্তাক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ক্ৰুটীৰ বাবে মাৰ্জনা বিছাৰিছোঁ। আলোচনীখন সকলোৱে আদৰি ল'ব বুলি আশা ৰাখিলোঁ।

শ্ৰদ্ধাৰে...

কণিমা পাঠক

**(ড° কণিমা পাঠক)**

তত্বাৱধায়ক, 'জেচিয়ান' (JCian)



# *Message from a Faculty Adviser*

(English Section)

Education is often measured by grades, credits, and certificates. But as I sat down to curate the pages of this year's magazine, I was reminded of a deeper truth ; the truest sign of a good education is the flourishing of creativity. Knowledge tells us what is while creativity imagines what could be. When a student finds the courage to share a poem, or a teacher takes the time to pen a reflection, they are doing more than filling pages. They are demonstrating that our institution has succeeded in its highest calling - fostering an environment where the mind is free to explore, play, and express.

Being a part of this year's editorial team has been an honor I don't take lightly. It is a rare privilege to be a custodian of so many voices and to witness the "aha!" moments of our campus community captured in print.

I offer my sincere gratitude to all our contributors for trusting us with your work. You have turned a collection of papers into a living, breathing testament to our collective intellect and spirit.

As you flip through these pages, I hope you feel the same pulse of inspiration that I felt while putting them together. May we never stop creating, for it is in our creation that we truly find ourselves.

Klirni Terangpi

**(Dr. Klirni Terangpi)**
Faculty Adviser, JCian



# সম্পাদকীয়...



নমস্কাৰ আৰু শুভেচ্ছা গ্ৰহণ কৰিব।

জ্ঞানৰ মন্দিৰস্বৰূপ আমাৰ এই জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ বাৰ্ষিক মুখপত্ৰ 'JCian' ৰ ২০২৪-২৫ বৰ্ষৰ সংখ্যাটি আপোনালোকৰ হাতত অৰ্পণ কৰিবলৈ পাই নথৈ আনন্দিত হৈছোঁ। এখন মহাবিদ্যালয়ৰ সমষ্টি কেৱল কাগজেই নহয়। ই হ'ল শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা, সৃষ্টিশীল চেষ্টা আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ এক দাপোণ।

'সাহিত্য' হ'ল মানৰ সমাজৰ দাপোণ ইয়াৰ জৰিয়তে মানুহৰ মনৰ গভীৰ অনুভৱ, চিন্তা, সংস্কৃতি আৰু সভ্যতাৰ প্ৰতিফলন ঘটে। যি সৃষ্টিয়ে সমাজৰ মংগল সাধন কৰে আৰু মানুহক আনন্দ প্ৰদান কৰে, তাকে সাহিত্য বোলে। সাহিত্য কেৱল তথ্যৰ সমাহাৰ নহয়, ই এক কলাত্মক প্ৰকাশ। কবিতা, গল্প, উপন্যাস, নাটক আদি বিভিন্ন মাধ্যমৰ সাহিত্যই মানৰ জীৱনৰ বৈচিত্ৰ ধৰি ৰাখে। সমাজে সাহিত্যক সমল যোগায় আৰু সাহিত্যই সমাজক সঠিক পথৰ নিৰ্দেশ দিয়ে, সাহিত্যই আমাক সহানুভূতিশীল হ'বলৈ শিকায় আৰু সংকীৰ্ণতাৰ পৰা আঁতৰাই এক বিশাল মানৱীয় দৃষ্টিভংগী গঢ়ি তোলাত সহায় কৰে।

আলোচনীখনৰ যোগেদি শিক্ষাৰ্থীৰ বৈচিত্ৰ্যময় চিন্তাৰ উমান পাব। ইয়াত থকা গভীৰ সামাজিক সমস্যাৰ বিশ্লেষণ, কবিতাৰ কোমল অনুভৱ, চুটি গল্পৰ কাল্পনিক পৃথিৱী আৰু তথ্যসমৃদ্ধ প্ৰবন্ধ এই প্ৰতিটো লেখাই শিক্ষাৰ্থীসকলৰ সমাজ সচেতনতা জ্ঞান-অভিজ্ঞতা, চিন্তা, বৌদ্ধিকতা আৰু সাহিত্যিক অনুৰাগৰ পৰিচয় দাঙি ধৰিছে।

বৰ্তমান দ্ৰুত পৰিৱৰ্তনশীল বিশ্বত শিক্ষাৰ সংজ্ঞাকে পাঠ্যপুথিৰ মাজেৰে সীমাবদ্ধ হৈ থকা নাই শৈক্ষিক অৰ্হতাৰ সমান্তৰালভাৱে এজন ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশত সৃষ্টিশীল মননৰ প্ৰসাৰ ঘটোৱাটোৱেই আধুনিক শিক্ষাৰ মূল লক্ষ্য, আমাৰ এই আলোচনীখনে শিক্ষাৰ্থীসকলক তেওঁলোকৰ মনৰ ভাববোৰ শব্দ জৰিয়তে প্ৰকাশ কৰিবলৈ এক সুন্দৰ মঞ্চ প্ৰদান কৰি আহিছে।

ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ অধ্যক্ষ সন্মানীয় ড° ভবেন চন্দ্ৰ নেওগ ছাৰক; ছাৰে আলোচনীখন সম্পাদনা কৰাৰ ক্ষেত্ৰত আলোচনী সম্পাদনা সমিতিৰ সভাপতি হিচাপে সম্পূৰ্ণ সহযোগিতা কৰাৰ উপৰি ব্যক্তিগতভাৱেও সু-পৰামৰ্শ আৰু মূল্যৱান লেখাৰে সমৃদ্ধ কৰিছে। ছাৰক জনাইছোঁ পুনৰ আন্তৰিক কৃতজ্ঞতা।

ধন্যবাদ জনাইছোঁ আলোচনীখনৰ তত্ত্বৱধায়ক দুয়োগৰাকী বাইদেউক। তেখেত দুয়োগৰাকীৰ সহায় অবিহনে আমাৰ এই কৰ্মভাগ সম্পূৰ্ণ কৰা সম্ভৱ নহ'লহেঁতেন। ড° কণিমা পাঠক বাইদেউৱে আৰম্ভণিৰপৰা শেষলৈ নিজৰ কৰ্তব্য আৰু ব্যক্তিগত কৰ্ম-ব্যস্ততাৰ মাজতো সম্পূৰ্ণ সহযোগিতাৰে আমাক সহায় কৰিছে। ক্লিৰ্ণি তেৰাংপি বাইদেউৱে ব্যক্তিগত অসুবিধাৰ বাবে ছুটীত থকা সত্বেও ইংৰাজী লেখাসমূহ নিজ হাতেৰে টাইপ কৰিছে, বেটুপাতটো সংশোধন কৰিছে আৰু ম'বাইলৰ যোগেদি আমাক সম্পূৰ্ণ সহায়-সহযোগ কৰিছে। এই ছেগতে দুয়োগৰাকী বাইদেউক পুনৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যান্ত্ৰিকতাৰ এই যুগত ছাত্ৰ-ছাত্ৰীসকলে যাতে কেৱল ছ'চিয়েল মিডিয়াৰ গণ্ডীত আবদ্ধ হৈ নাথাকে, তাৰ বাবে সাহিত্য চৰ্চা এক উৎকৃষ্ট মাধ্যম। শ্ৰদ্ধাৰ শিক্ষাগুৰুৱে মূল্যৱান আৰু তত্ত্বগধুৰ লেখাৰে সমৃদ্ধ কৰাৰ লগতে পৰামৰ্শ আৰু শুভেচ্ছা প্ৰদান কৰিছে, তেওঁলোকক জনাইছোঁ আমাৰ আন্তৰিক ধন্যবাদ-কৃতজ্ঞতা। পঢ়া-শুনাৰ ব্যস্ততাৰ মাজতো যিসকল শিক্ষাৰ্থীয়ে আলোচনীখনত লিখাৰ আগ্ৰহ প্ৰকাশ কৰিলে তেওঁলোকো প্ৰশংসাৰ পাত্ৰ। লগতে যিসকল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে আলোচনীখনত একলম প্ৰদান কৰি আমাক উৎসাহিত কৰিলে তেখেতসকললৈও আমাৰ স্নেহভৰা কৃতজ্ঞতা জনালোঁ।

আলোচনী সম্পাদনা সমিতিৰ সমূহ সদস্য, আলোচনীখনত সহায়-সহযোগ কৰা মোৰ বন্ধু-বান্ধৱী বিশেষকৈ অভিজিত কোঁৱৰ, সুস্মিতা সুত্ৰধৰ, প্ৰাঞ্জল ক্ৰ, বেতুপাত অংকন কৰা ছয়নিকা মেধি আৰু ছাত্ৰ-একতা সভাৰ সমূহ সদস্যক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

শেষত, আমাৰ এই প্ৰচেষ্টাৰ মাজত কিবা ভুল-ত্ৰুটী ৰৈ গ'লে আপোনালোকে ক্ষমা দৃষ্টিৰে চাব বুলি আশা ৰাখিলোঁ। আপোনালোকৰ গঠনমূলক পৰামৰ্শই আমাক ভৱিষ্যতে আৰু উৎসাহ যোগাব।

ধন্যবাদেৰে...

**(টুনু জ্যোতি মেধি)**
আলোচনী সম্পাদক ২০২৪-২৫ বৰ্ষ

# সূচীপত্ৰ


- সাক্ষাৎকাৰ ⏭ ড° কণিমা পাঠক /৯


## প্ৰবন্ধ




- জাগীৰোড মহাবিদ্যালয় সংযুক্ত(এফিলিয়েটেড)ৰ পৰা জাগীৰোড মহাবিদ্যালয় স্বতন্ত্ৰ (অট’ন’মাছ)লৈ উত্তৰণ ঃ এক গভীৰ আত্মবিশ্বাসৰ স্বাভিমানী যাত্ৰা ⏭ ড° ভবেন চন্দ্ৰ নেওগ/২১
- গ্ৰন্থমেলা এক অনন্য বৌদ্ধিক আন্দোলন হ’ব পাৰে ⏭ ডাঃ পুনিৰাম পাতৰ/২৭
- জয়ন্ত হাজৰিকা আৰু সুৰৰ পৃথিৱী স্বপ্নভৰা ⏭ ড° পবন চন্দ্ৰ গগৈ/৩২
- মৰিগাঁও জিলাৰ সোনাইকুছি পাহাৰ ⏭ ড° খগেন শৰ্মা/৩৫
- ইমিউনিটী ⏭ ড° উৎপল ৰাজগুৰু/৩৭
- শৈলধৰ ৰাজখোৱাৰ ‘পাষাণ প্ৰতিমা’ এক জাতীয় উদ্দীপক কবিতা ⏭ অদিতি দাস বৰুৱা/৩৯
- ড° ভূপেন হাজৰিকাৰ গীতত জাতীয়তাবাদী চিন্তা ঃ এটি অধ্যয়ন ⏭ ড° মীৰা বৈশ্য /৪১
- জামুগুৰিহাটৰ সাংস্কৃতিক সমল বাৰেচহৰীয়া ভাওনা ⏭ ড° পল্লৱী দেৱী/৪৪
- অসমৰ বিদ্যালয় শিক্ষাৰ উত্তৰণত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ভূমিকা ⏭ ৰঞ্জন কুমাৰ ডেকা/৪৬
- জেন জেদৰ এক মাৰাত্মক ব্যাধি ‘ব্ৰেইন ৰট’ ⏭ ডাঃ উৎপল শৰ্মা/৪৮
- ‘শ্ৰীমদ্ভগৱদ্‌গীতা’ত পৰিৱেশ সংৰক্ষণৰ জ্ঞান ঃ এটি অধ্যয়ন ⏭ ড° কণিমা পাঠক/৫০
- ভূমিকা ⏭ বিজিত কুমাৰ দাস /৫৫
- মহাপুৰুষ শংকৰদেৱৰ অনুপম সৃষ্টি *‘কীৰ্ত্তন-ঘোষা’*ৰ এক আলোচনা ⏭ অপৰ্ণা ৰাজা/৫৬
- দক্ষতা শিক্ষা আৰু যুৱ সমাজৰ ভৱিষ্যৎ ⏭ অসীম ডেকা/৫৯
- ছাত্ৰ-ছাত্ৰীৰ বাবে জ্ঞানামৃত ⏭ ড° কণিমা পাঠক/৬০
- তিৰা গোভাৰাজ্যৰ বিষয়ে জানো আহক ⏭ সুস্মিতা সূত্ৰধৰ/৬২
- মাই পখলা ⏭ চুম্পী দাস/৬৩
- জংকাং পূজা ⏭ বন্দিতা দৈমাৰী/৬৩
- অসমীয়া লোক সংস্কৃতিত মাছৰ সৈতে জড়িত লোক বিশ্বাস ⏭ ভনীতা কোঁৱৰ/৬৪
- प्रतियोगी परीक्षाओं का बढ़ता दबाव और छात्र जीवन ⏭ पूजा देवी/६५




## গল্প


- সেন্দুৰীয়া আবেলিৰ কথকতা ⏭ মৌচুমী হাজৰিকা /৬৯
- পোতাশ্ৰয় ⏭ ড° নিশিগন্ধা তালুকদাৰ/৭১
- মূল্যায়ন ⏭ ড° শেষাদ্ৰী গোস্বামী/৭৮
- অপ্ৰাপ্তি ⏭ সবিতা মেধি /৭৯




## অণুগল্প


- সম্পৰ্কৰ ওজন ⏭ বিস্মৃতা বৈশ্য/৮১
- সময়ৰ পাকচক্ৰ ⏭ সাগৰিকা ডেকা/৮১
- মই কোন আছিলোঁ? ⏭ নিশিতা দাস/৮২
- সিদ্ধান্ত ⏭ ধিৰু পৱন বৰদলৈ /৮২
- অন্ধকাৰ ⏭ প্ৰণৱ জ্যোতি দাস/৮২


## কবিতা


- জুবিন গাৰ্গৰ তিনিটা স্তৱক ⏭ ওম প্ৰকাশ ডেকা/৮৫
- মোৰ মৃত্যুত কোনে কান্দিব? ⏭ ড° লভিতা শৰ্মা/৮৬
- জুবিন দাৰ স্মৃতিত ⏭ টুনু জ্যোতি মেধি /৮৬
- প্ৰাণৰ জুবিন দা ⏭ পৰিস্মিতা ডেকা/৮৭
- জুবিন দা ⏭ দীক্ষিতা ডেকা/৮৭
- তুমি বিহীন ⏭ পম্পী বৰা/৮৮
- মৰমৰ জুবিন দা ⏭ চামিনা খাতুন/৮৮
- জুবিনৰ মৃত্যু ⏭ দিশা মণি বৰা /৮৮
- ইতি আমাৰ জুবিন দা ⏭ দীপশিখা বৰা /৮৯
- মৰমৰ জুবিন দা ⏭ মিদুচমিতা চৰকাৰ/৯০
- জুবিন এক অনুভৱ ⏭ চয়নিকা মেধী/৯০
- মৰমৰ গ’ল্ডী ⏭ চুমি ডেকা/৯০
- তুমি বিহীন জীৱন ⏭ ভৱেশ ডেকা/৯১
- জুবিনদালৈ মোৰ অনুভৱ ⏭ ৰূপা ঘোষ/৯২
- তুমি মোক এটা সপোন উপহাৰ দিয়াৰ কথা আছিল ⏭ ড° হাবীবুৰ ৰহমান/৯৩
- স্তৱকত স্তব্ধ সময় ⏭ ওম প্ৰকাশ ডেকা/৯৪
- শব্দ ব্ৰহ্ম ⏭ বিপুল পাটৰ /৯৫
- প্ৰত্যাশা ⏭ অবন্তি কুমাৰ বৰা/৯৬
- সময় ⏭ বিষ্ণু ডেকা /৯৬
- জীৱনৰ আলিদোমোজা ⏭ বৰ্ণা শৰ্মা/৯৬
- জোনাক ⏭ নন্দিতা গোস্বামী/৯৭
- প্ৰকৃতি ⏭ সুব্ৰত দাস/৯৭
- মনৰ নিজানত তই ⏭ সাগৰিকা ডেকা/৯৭
- বিনাশ ⏭ ৰিকু বৰদলৈ/৯৮
- দেউতা ⏭ সাগৰীকা ডেকা/৯৮

- গুৰু ⏭ বৰষা সেনাপতি/৯৮
- সোণালী সময় ⏭ অনিষা চৌধুৰী/৯৯
- স্মৃতিৰ এখিলা পাত ⏭ লিজা ডেকা/৯৯
- অভাগিনী ⏭ অমৃতা ডেকা/১০০
- নিৰোগী ⏭ পিণ্টু শীল/১০০
- প্রকৃতি ৰাণী ⏭ জিনী মেধী/১০০
- আত্মবিশ্বাস ⏭ মাধৱ পাতৰ /১০০
- শৈশৱ ⏭ বিতু পাঠক/১০১
- সময় ⏭ সমীৰ দাস/১০১
- তুমি ⏭ সুস্মিতা সূত্রধৰ/১০১
- জীৱন ⏭ কাজল সৰকাৰ/১০২
- নিসংগতা ⏭ চেলিনা চুলতান/১০২
- সপোনবোৰ ⏭ হিমাশ্রী বসুমতাৰী/১০২
- আজি হৃদয়ৰ চুকে-কোণে ⏭ প্রাঞ্জল ক্র /১০৩
- বতাহ জাকি ⏭ উপাসনা দেউৰী /১০৩
- আকৌ লগ পাম ⏭ গায়ত্রী দাস /১০৩
- জোন তুমি ঠিকনা বিহীন ⏭ চুমি ডেকা /১০৩
- ৰঙীন পখিলা ⏭ সুদিপ্তা বৰা /১০৪
- শেৱালি ⏭ লিজা ডেকা /১০৪
- আমাৰ জন্মভূমি ⏭ শিল্পা বৰা /১০৪
- নাৰী মহান ⏭ নৱনীতা দাস /১০৫
- তল সৰা শেৱালি ⏭ চয়নিকা বড়ো /১০৫
- মা মোৰ মৰমৰ ⏭ মুনমী ডেকা /১০৫
- আন্ধাৰ ৰাতিৰ নীৰৱতা ⏭ পৰিস্মিতা ডেকা /১০৬
- पिता ⏭ निक्कु काकती /१०६
- वीरों की शान ⏭ प्रस्तुति कुंवर /१०६


# উপন্যাসিকা


- আৰোহী ⏭ গীতাৰ্থ প্ৰিয়ম/১০৭


# অনুভৱ


- মৰমৰ পিংকু কুশলে থাকা ⏭ ড° গাৰ্গী ফুকন/১২৯
- মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় ⏭ ধিৰু পৱন বৰদলৈ/১৩১
- মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় ঃ এক প্ৰত্যাশা ⏭ নৰোত্তম দাস /১৩৪
- মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় ঃ এক গভীৰ অনুভৱ ⏭ ছয়নিকা মেধি/১৩৭
- জাগীৰোড মহাবিদ্যালয় মোৰ প্ৰিয় শিক্ষানুষ্ঠান ⏭ জেবিন চুলতানা /১৩৯
- জাগীৰোড মহাবিদ্যালয় ঃ এটি অনুভৱ ⏭ সুব্ৰত দাস /১৪০
- মহাবিদ্যালয়ৰ অনুভৱ স্মৃতিৰ টুকুৰা ⏭ মন্দিৰা (হৰ্ষিতা) ডেকা/১৪১
- জাগীৰোড মহাবিদ্যালয় ঃ মোৰ অনুভৱৰ সপোন যাত্ৰা ⏭ মৌচম কোঁৱৰ/১৪৩
- মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় ঃ মোৰ অনুভৱ প্ৰত্যাশা ⏭ দেৱজানী খাছাৰ/১৪৪
- তুমি অনন্যা সেইবাবে তুমি নাৰী ⏭ মিঠু হাজৰিকা /১৪৫


# চিঠি


- নীলা খামৰ চিঠি ⏭ অসীম/১৪৬
- নীলা খামৰ চিঠি ⏭ চয়নিকা মেধি (মানু)/১৪৬


# অনুবাদ


- शुभदिन ⏭ डॉ. कणिमा पाठक /१४७


# English Section

## Articles


- Why We See Colours: The Chemistry Behind Pigments and Dyes ⏭ Dr. Chiranjita Goswami/157
- Book Vs. Kindle: The Surprising Winner for Your Brain ⏭ Dr. Gitumoni Rajbongshi/159
- Tourism Development in North East India: The Role of Marketing and Government Initiatives ⏭ Sangeeta Deka/161
- Balancing Mental Health and Academics ⏭ Sneha Dey/163
- Jagiroad College: Past, Present and Vision for the Future ⏭ Roshan Khatun /165
- Movie Review : The Boy in the *Striped Pyjamas* ⏭ Isha Balmiki /166
- For All Women and Girls : Rights, Equality and Empowerment ⏭ Ritom Kr. Patar /167
- When the Heart Creates ⏭ Sristi Bhowmick /169


## Poetry


- Breathing Through the Air of Life ⏭ Nafija Rahman/170
- The Wonder Beyond the Night ⏭ Madhusmita Medhi/170
- Ode to Assam ⏭ Geetanjali Boro /171
- Hostel and the Home ⏭ Sermelin Beypi/171
- The Weight of Unseen Stars ⏭ Parismita Devi /172


## Translation


- Toadstool ⏭ Anindita Kar/173


## Anecdotes


- The Great WhatsApp Birthday Blunder : A Case Study in Nephewly Diplomacy ⏭ Dr Sangeeta Sarma/179
- My Experience as a Hostel Prefect ⏭ Hanalisa Engtipi/180


## Flash Fiction


- A Glimpse of Light ⏭ Madhusmita Medhi/181

- **প্ৰতিবেদন**/১৮২-১৮৩
- **ৰঙীন ফটো**/১৯৭

পৃথিৱীত যিমান শক্তিশালী জাতি আছে, তেওঁলোকৰ মূল হাথিয়াৰটোৱেই হৈছে উদ্যমিতা (Enterpreneurship)। এইটো আমাৰ কম আছে, কম থাকিলেও কিন্তু আমাৰ ইয়াত সুবিধা (scope) ও বহুত আছে। গতিকে, আমি এইটো সমস্যা হিচাপে নেভাৱি সুবিধা হিচাপে ল'ব লাগে; কাম কৰাৰো যিহেতু আমাৰ বহুত সুবিধা আছে, আমি সকলোৱে তেনেদৰে এদিন আগবাঢ়ি গ'লে নিশ্চয় সফল হ'ম আৰু আমিও শক্তিশালী (powerfull) জাতি হিচাপে সদায় উজলি থাকিম।



মৰিগাঁও জিলাৰ পৰা প্ৰথমগৰাকী আই.এ.এছ (IAS) বিষয়া

# শ্ৰদ্ধাৰ শ্ৰীযুত নাৰায়ণ কোঁৱৰদেৱৰ

# বি শে ষ সা ক্ষা ৎ কা ৰ

**সাক্ষাৎ গ্ৰহণ ঃ ⏭ ড° কণিমা পাঠক**

মৰিগাঁও জিলাৰ পৰা প্ৰথমগৰাকী আই.এ.এছ (IAS) বিষয়া হৈছে শ্ৰদ্ধাৰ শ্ৰীযুত নাৰায়ণ কোঁৱৰ। তেখেতে মৰিগাঁও জিলাৰ যাতায়াতৰ শোচনীয়, বানপীড়িত এখন ভিতৰুৱা গাঁৱৰ পৰা যথেষ্ট প্ৰত্যাহ্বানকো নেওচি সংগ্ৰামৰ মাজেদি ২০১০ চনত সৰ্ব ভাৰতীয় লোকসেৱা আয়োগৰ পৰীক্ষাত আই.এ.এছ পাছ কৰি মৰিগাঁও জিলাৰ লগতে অসম তথা ভাৰতবৰ্ষৰ বাবে গৌৰৱ অৰ্জন কৰি আনিছে। অসম মাতৃৰ সুযোগ্য সন্তান শ্ৰদ্ধাৰ নাৰায়ণ কোঁৱৰদেৱ বৰ্তমান অসমৰ বিদ্যালয় আৰু উচ্চ শিক্ষা বিভাগৰ সচিব। তেখেতৰ সংগ্ৰামী জীৱন-কৰ্মৰাজি প্ৰশংসনীয় আৰু শিক্ষাৰ্থীৰ বাবে প্ৰেৰণাৰ উৎস হ'ব পাৰে। এই বিশেষ সাক্ষাৎকাৰটোৱে নৱ প্ৰজন্ম তথা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহী আৰু অধ্যৱসায়ী কৰি তুলিব পাৰিব বুলি আমি অতিকৈ প্ৰত্যাশী।

**প্ৰশ্ন** ঃ নমস্কাৰ ছাৰ। আপুনি আমাৰ বাবে প্ৰেৰণাৰ উৎস। আপোনাৰ কৰ্ম, জীৱন যাত্ৰা তথা কৰ্মৰ উৎস সম্পৰ্কে আজি আপোনাৰ পৰা জানিব বিছাৰিছোঁ।

**উত্তৰ** ঃ মোৰ জীৱন বুলি ক'লে, শৈশৱত মই বুলিয়েই নহয় আমাৰ সমগ্ৰ অঞ্চলটোৱে যথেষ্ট দৈন্য আৰু সমস্যাৰ মাজেৰে পাৰ কৰিছোঁ। তেনে দৈন্য আৰু সমস্যাত জৰ্জৰিত হৈ থকা মানুহখিনি এতিয়াও আছে, হয়তো আগতকৈ অলপ উন্নত হৈছে, কিন্তু একেবাৰে নাইকিয়া হৈ যোৱা নাই। যিটো জীৱন মই কটালোঁ, সেইটো জীৱন যিসকলে এতিয়াও কটায় আছে, সেইখিনি মানুহক বহল অৰ্থত সহায় কৰিব পৰাকৈ প্ৰশাসনিক সেৱাটো এটা সুবিধাজনক বৃত্তি বুলি মই সৰুৰেপৰা ভাৱিছিলোঁ। সেই চিন্তাটো মনত থকা বাবে কলেজৰ চাকৰি পোৱাৰ পিছতো তেনেধৰণৰ সেৱাৰ প্ৰতি ধাউতি আছিল। কলেজত থাকিলে কলেজৰ ল'ৰা-ছোৱালীক ভাল মানুহ কৰিব পৰা যাব; কিন্তু প্ৰশাসনিক সেৱালৈ আহিলে মানুহক তাতকৈ বহল পৰিসৰত সহায় কৰিব পৰা যাব বুলি



ভাৰিছিলোঁ। মোৰ শৈশৱৰ সমস্যা জৰ্জৰিত জীৱনটোৰ দৰে যিসকল লোকে এতিয়াও তেনেকৈ আছে; তেনে লোকক সহায় কৰিব পৰাকৈ থকা মোৰ মনোবৃত্তিখিনিয়েই হৈছে মোৰ বাবে কৰ্মৰ অনুপ্ৰেৰণা। ইয়াৰ বাবেই মই জীৱনত আগবাঢ়িবলৈ শক্তি পাইছোঁ।

**প্ৰশ্ন** ঃ আপোনাৰ শৈশৱ আৰু কৈশোৰৰ শিক্ষা জীৱন কেনেধৰণৰ আছিল?

**উত্তৰ** ঃ মোৰ শৈশৱটো ভালেই আছিল। মোৰ দেউতা শিক্ষক আছিল। মোৰ পঞ্চম শ্ৰেণীত দেউতা ঢুকাইছিল, সেইখিনি সময়ত আমি চাৰিটা ল'ৰা-ছোৱালী আৰু মা। মোৰ দেউতাৰ চাকৰিটো হোৱা বেছি দিন হোৱা নাছিল; তেখেতৰ জীৱনৰ দৰ্শন আছিল কান্দিব জানিলে কান্দোতেও সুখ পায়; তেওঁ সৰহভাগ সময়তেই যিখিনি টকা উপাৰ্জন কৰিছিল, বেছিভাগেই মানুহকে বিলাই দিছিল। দেউতা যিদিনাই নাইকিয়া হৈ গৈছিল পিছদিনাৰ পৰা আমাৰ হাতত জমা বুলিবলৈ একো নাছিল, আমাক সমস্যাই আগুৰি ধৰিছিল। দেউতাৰ চাকৰিৰ পেন্সনটো আমি ১০ বছৰ মানৰ পিছতহে পাইছিলোঁ। আমাৰ পৰিয়ালৰ মুৰব্বী নোহোৱা হ'ল, লগতে আমাৰ বানপানীৰ জৰ্জৰিত এটা অঞ্চল; গতিকে শৈশৱটো যথেষ্ট কষ্টকৰ আছিল। মানুহে নাখায়- নবৈ থকা যিটো জীৱন আৰু তৰা দেখা ঘৰ; বাস্তৱতে আমাৰ লগত হৈছে।

**প্ৰশ্ন** ঃ ছাৰ, আপুনি অধ্যয়ন কৰা শিক্ষানুষ্ঠানসমূহ কি কি আছিল?

**উত্তৰ** ঃ চামকটা প্ৰাথমিক বিদ্যালয়, বটাবাৰী এম.ই আৰু হাইস্কুল। ২০১৩ চনলৈকে সেই স্কুলখন ভেন্সাৰে আছিল, ছাৰসকলে দৰমহা পোৱা নাছিল। তাৰ পিছত মৰিগাঁও হায়াৰ ছেকেণ্ডাৰী স্কুল, মৰিগাঁৱৰ ঘনকান্ত বৰুৱা কলেজ (আমি পঢ়ি থাকোঁতে ভেন্সাৰ আছিল)। মোৰ স্কুল আৰু কলেজ দুয়োখনে ভেন্সাৰ আছিল। তাৰ পিছত স্নাতকোত্তৰ গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিষয়ত কৰিছিলোঁ।

**প্ৰশ্ন** ঃ প্ৰশাসনিক বিষয়া হোৱাটো জীৱনৰ লক্ষ্য হিচাপে আপুনি কেতিয়া নিৰ্ধাৰণ কৰিছিল?

**উত্তৰ** ঃ যিহেতু মই এটা সমস্যাৰ মাজেৰে জীৱন পাৰ কৰি আহিছিলোঁ; গতিকে মোৰ প্ৰথম কথাটো আছিল মই ঘৰত আৰ্থিক দিশত সকাহ দিব লাগে; মোৰ তলত তিনিটা ভাইটি-ভন্টী আছে। মোৰ প্ৰয়োজনীয় কথাটো আছিল কেনেবাকৈ এটা চৰকাৰী চাকৰি যোগাৰ কৰাটো। যিটো কথাত মই খুব গুৰুত্ব দিছিলোঁ। সেইখিনি সময়ত মেধাৰ ভিত্তিত চাকৰি দিয়াৰ বৰ বেছি ব্যৱস্থা নাছিল। মোৰ বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে এটা চিন্তা আছিল, (তেতিয়া নেটটো বাধ্যতামূলক হৈছিল) যে কেনেকৈ মই নেট পৰীক্ষা পাছ কৰি মহাবিদ্যালয়ৰ চাকৰিটো ল'ব পাৰোঁ।

যেতিয়া নেট পাইছিলোঁ, তেতিয়া মহাবিদ্যালয়ৰ চাকৰিটোৰ বাবে নিশ্চয়তা আহিছিল। যিদিনাই মই মহাবিদ্যালয়ৰ চাকৰিটো পাইছোঁ, সেইদিনাৰ পৰাই সৰুৰে পৰা মনত পুহি ৰখা সমস্যাৰে জৰ্জৰিত মানুহক সহায় কৰাৰ উদ্দেশ্যে প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিলোঁ। নগাঁও জিলাৰ এডিপি কলেজত লিয়েন প'ষ্টত যোগদান কৰি শিক্ষাদানো কৰি আছিলোঁ আৰু সমানে সমানে মোৰ পৰীক্ষাৰ বাবেও প্ৰস্তুতিও চলাই আছিলোঁ। অৰ্থাৎ যিদিনাৰ পৰা চাকৰি পালোঁ সেইদিনাৰ পৰাই মই প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ বাবে পঢ়াৰ আৰম্ভও কৰিছোঁ।

**প্ৰশ্ন** ঃ আপোনাৰ জীৱনৰ আদৰ্শ ব্যক্তি হিচাপে আপুনি কাক ভাবে ছাৰ?

**উত্তৰ** ঃ আদৰ্শ ব্যক্তি বহুখিনি আছে। জীৱন যিদৰে আগবাঢ়ি গৈ আছে তেনেদৰে সময়ে সময়ে বহুত মানুহ লগ পাইছোঁ, বহুত শিকিছোঁ। আদৰ্শ ব্যক্তি হ'ব লাগিলে বহুত বিখ্যাত বা মহান হ'ব লাগিব বুলি তেনে কোনো কথা নাই। আমাৰ জীৱনত এনে কিছুমান মানুহ আছে যিসমূহ বিখ্যাত নহয়, কিন্তু তেনেলোকৰ পৰাও বহুত কথা শিকিব পাৰিছোঁ। মই ভাৱোঁ- যিজন মানুহে জীৱনক খুব ওচৰৰ পৰা দেখিছে; সেইজন মানুহৰ পৰা বহুত শিকিব পাৰি। গতিকে, যিসকল মানুহে নিজৰ জীৱনটোক বহুত ওচৰৰ পৰা দেখাৰ সুযোগ পাইছে বা দেখিবলৈ বাধ্য হৈছে; কোনোবাই বাধ্য বা সুযোগ পাই দেখিছে। যেতিয়া জীৱনটোক মানুহে ওচৰৰ পৰা দেখে তেতিয়া জীৱনটো সম্পৰ্কে মানুহে বহুত কথা শিকে। সেই মানুহৰ লগত কথা পাতিলে বা সেই মানুহৰ সংস্পৰ্শলৈ আহিলে জীৱনৰ বহু কথা জনা যায়; যিটো বাস্তৱ বুলি ক'ব পাৰি। গতিকে, তেনে বহু মানুহ আছে, জীৱন যিমানে আগুৱাই আহি আছে, বিশেষকৈ এইটো (বৰ্তমান) চাকৰিত থাকিলে, বহু বেছি মানুহ লগ পোৱা যায়, বিভিন্ন ক্ষেত্ৰৰ মানুহ লগ পোৱা যায় আৰু ক'বলৈ গ'লে প্ৰতি দিনে প্ৰতি মাহে এজন এজন নতুন নতুন আদৰ্শৰ ব্যক্তিক লগ পোৱা যায়। গতিকে, মই লগ পোৱা তেনে ব্যক্তিৰ সংখ্যা বহুত বেছি; এজন বুলি ঠিককৈ ক'ব নোৱাৰি। হয় ছাত্ৰাৱস্থাত শিক্ষাগুৰুসকল, মোৰ মা যিগৰাকীয়ে নিজৰ নামটোও লিখিব নেজানে মোৰ মা মোৰ গুৰু। দেউতা ঢুকুৱাৰ পিছত মোৰ গুৰুসকল, গতিকে মই আজি যি হৈছোঁ মোৰ শিক্ষকসকলৰ কাৰণে, তেখেতসকলৰ অৰিহণা আছে আৰু তেখেতসকলৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে। কিন্তু আদৰ্শ ব্যক্তি বা শিকিবলগীয়া ব্যক্তি বুলিলে আগবাঢ়ি গৈ থকাৰ লগে লগে বহুত মানুহ লগ পাইছোঁ। মোৰ কাৰণে সেই মানুহজন সদায় গুৰুত্বপূৰ্ণ হৈ থাকে, যিজন মানুহক মই ভাৱোঁ তেওঁ জীৱনটো বা ক্ষেত্ৰখন ওচৰৰ পৰা গৈ বা সংপৃক্ত হৈ দেখিছে; তেওঁলোকৰ পৰা বহুত কথা শিকিব পাৰি।

**প্ৰশ্ন** ঃ সৰুৰেপৰা আপুনি যথেষ্ট সংগ্ৰামৰ মাজেৰে শিক্ষা জীৱনটো আগবঢ়াই নিছে, প্ৰত্যাহ্বানকো নেওচি আপুনি কিদৰে আগবাঢ়িছে; সেই সম্পৰ্কে আপোনাৰ অনুজসকলক উদ্দ্যেশি কি ক'ব ছাৰ?

**উত্তৰ** ঃ এটা কথা ঠিক যে, মই নিজে শিক্ষা বিভাগত আছোঁ। মই কৈও থাকোঁ, আমাৰ জীৱনত যিবোৰ কথা সপোনৰো অগোচৰ আছিল, সেইবোৰ কিন্তু আজিৰ ছাত্ৰ-ছাত্ৰীসকলে পাইছে। চাইকেল দিয়াই হওক বা ইউনিফৰ্ম দিয়াই হওক। কাৰণ মোৰ এতিয়াও মনত আছে মই ক্লাচ নাইনত স্কুললৈ যাব পৰা নাছিলোঁ, স্কুল বাদ দিছিলোঁ, drop out বুলি যিটো কয়। তাৰ মূল কাৰণ আছিল, মোৰ পিন্ধিবলৈ পোছাক নাছিল, আমাৰ ঘৰত খাবলৈ ভাত নাছিল। কিন্তু আজিকালি স্কুলত মিদডে মিল (Mid Day meal) বা ইউনিফৰ্ম চৰকাৰে দিয়ে; ক্লাচ নাইনত এতিয়া চাইকেল দিছে, মেট্ৰিক দিয়া ল'ৰা- ছোৱালীক পইচা দিছে। এনেদৰে চৰকাৰে ছাত্ৰ-ছাত্ৰীক আগৰ তুলনাত বহুতখিনি সুবিধা দিছে। ৰাস্তা-পদূলিৰ কথা কওঁ যদি, বাৰিষা হ'লে আমি চাৰি-পাঁচডোখৰ ছিঙা আলি পাৰ হৈ বিদ্যালয়লৈ যাব লাগে। আজিকালি চৰকাৰে প্ৰায়বোৰ ৰাস্তা-পদূলি মোটামুটিভাৱে ধুনীয়া কৰি দিছে। গতিকে, সুযোগ-সুবিধাৰ ক্ষেত্ৰত আমাৰ দিনতকৈ বহুতখিনি পাইছে। কিন্তু মানুহ বা ছাত্ৰ এজনে সুবিধা পোৱা- নোপোৱাতকৈ, তেওঁৰ নিজৰ ডিটাৰমিনেচন (Ditermination) টো বা সংকল্পটো কি, তেওঁ কি হ'ব বিচাৰিছে! তেওঁৰ সংকল্পটো যদি

দৃঢ় হয়; অৰ্থাৎ দৃঢ় সংকল্প (Strong ditermination) থাকিলে মানুহক সুবিধা-অসুবিধাই বৰ- বেছি বাধা দিব নোৱাৰে। মানুহৰ সংকল্পটো যদি দৃঢ় নহয় তেতিয়া বিভিন্ন সা-সুবিধা পালেও আগবাঢ়িব নোৱাৰিব। সেইবাবে নতুন ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ এটাই অনুৰোধ থাকিল— যে জীৱনত যিয়ে হ'ব বিচাৰিছে; আই.এ.এছ হ'ব লাগিবই বুলি কথা নাই; আমাক বিভিন্ন ক্ষেত্ৰৰ মানুহ লাগে। যিটো কাম কৰিব বিচৰা হয়, সেই কৰ্মৰ প্ৰতি দৃঢ় হৈ, কামটো কৰিমেই বুলি, পৰিস্থিতি যিয়েই নহওক, বাধা নেওচি আগবাঢ়িমেই বুলি মনোবল দৃঢ় কৰিলেই সফল হ'ব পাৰে। সুবিধা-অসুবিধাবোৰ মানুহৰ এটা অজুহাতহে; গতিকে, দৃঢ় সংকল্পৰ দ্বাৰা অজুহাতবোৰ নাইকিয়া কৰিব পাৰি। আমাৰ দিনত সুবিধা-অসুবিধাৰ বহুত অজুহাত আছিল; বৰ্তমান সেইবোৰ অজুহাত এতিয়া নাইকিয়া হৈছে, বহুত সুবিধা হৈছে। আমাৰ নতুন প্ৰজন্মই এই সুবিধাসমূহ লৈ সংকল্প দৃঢ় কৰি মন স্থিৰ কৰি নিজৰ নিজৰ কৰ্ম কৰিলে, সকলোৱে নিজৰ নিজৰ গন্তব্য স্থানত উপনীত হ'ব পাৰিব।

**প্ৰশ্ন** ঃ আপোনাৰ শিক্ষকতাৰ পৰা প্ৰশাসনিক বিষয়াৰ দিশলৈ বৰ্ণিল যাত্ৰাটো কেনে আছিল, সেই বিষয়ে জানিব বিচাৰিম, এই বিষয়ৰ পৰীক্ষাৰ বাবে আপুনি প্ৰস্তুতি কেনেকৈ চলাইছিল ছাৰ? কিয়নো আমাৰো বহুতখিনি ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়ৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি কৰি আছে; ছাত্ৰ-ছাত্ৰীসকলৰ উপকৃত হোৱাকৈ আপোনাৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বিষয়ে ক'ব নেকি?

**উত্তৰ** ঃ দুটা কথা বহুত ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ আৰু বহুতে ক'চিং কৰিও পাইছে। গতিকে মই এইটো নকওঁ যে নিজেই কৰিব লাগিব বা ক'চিঙেই কৰিব লাগিব। তেনে কোনো ধৰা বন্ধা কথা নাই। যেতিয়া আমি যিকোনো প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে মন বান্ধি লওঁ; তেতিয়া আমি নিজকে এবাৰ মূল্যায়ন কৰি চাব লাগে। তাৰ এটা উপায় হ'ল সেই পৰীক্ষাটোৰ যোৱা পাঁচ বছৰত কেনেকুৱা প্ৰশ্ন আহিছে; সেইখিনি চালে মোটামুটিভাৱে আমি নিজৰ এটা আভাস পাই যাওঁ। প্ৰাৰ্থীসকলে যদি ভাবে যে বিষয়টোত মোৰ দখল আছে, পৰীক্ষাটো অতিক্ৰম কৰিব পাৰিব, তেতিয়া হ'লে কোনো ক'চিঙলৈ যাব নেলাগে; আৰু যদি কোনোৱে ভাবে যে পাঁচ বছৰৰ প্ৰশ্নসমূহ চোৱাৰ পিছতো নিজে বলে নোৱাৰিব বা ক'চিঙৰ প্ৰয়োজন আছে; তেনে ক্ষেত্ৰত ভাল ক'চিং এটালৈ যোৱাটোত কোনো আপত্তি থাকিব নোৱাৰে। আজিকালি গুৱাহাটীটো বহুখিনি হৈছে; অৱশ্যে মই মানদণ্ডটোৰ কথা নেজানোঁ কেনেধৰণ হয় আৰু অনলাইনো বহুখিনি আহিছে। আমাৰ দিনত সেই সুবিধাখিনি নাছিল। গতিকে প্ৰস্তুতি দুই ধৰণৰ আছে নিজাববীয়া আৰু ক'চিং লৈ; তাৰ কাৰণে নিজক এবাৰ মূল্যায়ন কৰি ল'ব লাগিব, যে কোনটো সুবিধা হ'ব। সাধাৰণতে নিজেই গম পায় যায়। এতিয়া এইখিনিলৈকে হ'ল মনটো বান্ধিলে কি কৰিব! সমস্যাটো মূলতঃ অসমৰ ছাত্ৰ-ছাত্ৰীৰ এইটো যে মোৰ দহ-এঘাৰ বছৰৰ অভিজ্ঞতাৰে ক'ব বিচাৰোঁ প্ৰতিযোগিতামূলক পৰীক্ষাবোৰ মেট্ৰিক-হাইয়াৰ ছেকেণ্ডাৰীৰ পৰীক্ষাৰ দৰে নহয়। এই পৰীক্ষাসমূহত বহুত ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমবাৰ ফেইল কৰে, খুব কম ছাত্ৰ-ছাত্ৰীয়েহে এবাৰতে বা প্ৰথমবাৰতে পাছ কৰে। আমি যেতিয়া প্ৰতিযোগিতামূলক পৰীক্ষা এটাৰ বাবে পঢ়োঁ, তেতিয়া বিভিন্ন বিষয়ৰ ওপৰত প্ৰস্তুতি কৰিব লাগে। আমি যেতিয়া কলেজত থাকোঁ, তেতিয়া অসমীয়া বা ৰাজনীতি বা যিকোনো এটা বিষয়হে পঢ়োঁ; যেতিয়া প্ৰতিযোগিতামূলক পৰীক্ষালৈ অহাৰ লগে লগে আমি বহুখিনি বিষয় পঢ়িব লাগে। সেইখিনি আয়ত্ব কৰিবলৈ কাৰোবাক এবছৰ লাগে আৰু কাৰোবাক দুবছৰ লাগে। অসমীয়া ছাত্ৰ-ছাত্ৰীৰ মূল সমস্যাটো হৈছে, সেই এবছৰীয়া দুবছৰীয়া ধৈৰ্য্যটো তেওঁলোকৰ নাই। প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিটোৰ এটা কথা, ধাৰাবাহিক প্ৰস্তুতিৰ বহুত বেছি প্ৰয়োজন, continuity টো যদি নাথাকে প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হ'ব নোৱাৰে। গতিকে, যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতামূলক পৰীক্ষা দিবলৈ বিচাৰে তেওঁলোকৰ প্ৰতি মোৰ এটাই অনুৰোধ যে প্ৰথমতে তেওঁলোকে কোনটো বিষয়ত যাব বিছাৰিছে? কাৰণ প্ৰতিযোগিতামূলক পৰীক্ষা বিভিন্ন আছে; যেনে— Railway, SSC, Civil Service আদিত যাব পাৰে, ভাৰত চৰকাৰৰ বহুতো এনে

পৰীক্ষা আছে, অসম চৰকাৰৰো ভালেমান আছে; আজিকালি অসম চৰকাৰৰ বহুকেইটা পৰীক্ষা প্ৰতিযোগিতামূলকেই হয়; পিয়ন হ'ব লগা হ'লেও প্ৰতিযোগিতামূলক পৰীক্ষা দিব লগীয়া হয়। এইটো ভালো হয় অৱশ্যে; গতিকে তেওঁলোকে কোনটো কৰিব বিচাৰিছে, সেইটো চিনাক্ত কৰি, তেনেকৈ কৰিব? নিজে পাৰিব নে; বেলেগৰ সহযোগ লাগিব, যদি সহযোগ লাগে ল'ব পাৰে। কিন্তু মূল কথাটো হ'ল কোনো Coaching Institute -এ কাকো পাছ কৰাই দিব নোৱাৰে। Coaching Institute এ Guidance টো দিব। কিন্তু ধাৰাবাহিকভাৱে প্ৰস্তুতি কৰা যিটো মানসিকতা আৰু এবাৰতে নহ'লে ভাগি পৰা যিটো বেমাৰ আমাৰ আছে, সেই বেমাৰৰ পৰা আমি নিজকে মুক্ত কৰিব লাগে। গতিকে, এইখিনি যেতিয়া আমাৰ অসমৰ ছাত্ৰ-ছাত্ৰীয়ে কৰিব পাৰিব, তেতিয়া নিশ্চয় সফল হ'ব। মেধাৰ ক্ষেত্ৰত- মই যিহেতু মহাবিদ্যালয়ত পঢ়ুৱাই আহিছোঁ, গতিকে জানো যে মেধাৰ আমাৰ অসমত সমস্যা বেছি নাই। কেৱল এই ধৈৰ্য্যটো আৰু ধাৰাবাহিকভাৱে প্ৰস্তুতি কৰি থকাৰ যিটো অভ্যাসৰ সংস্কৃতি আমাৰ মাজৰ আনিব লাগিব। আমাৰ অসমৰ মই ১০-১২ বছৰ ধৰি বিভিন্ন প্ৰাৰ্থীৰ লগত কথা পাতি গম পাইছোঁ যে এইটোৱে সমস্যা। গতিকে সেইখিনি যদি ঠিক কৰিব পাৰে আৰু যিয়ে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে মন বান্ধে তেওঁ ভাবি ল'ব লাগিব যে তেওঁ পিছৰ বাৰত পাছ বা ফেইল কৰিলেও একো নেভাৰি সদায় আকৌ বাবে বাৰে improve কৰিম বুলিহে ভাবিব লাগিব। ইয়াত মেট্ৰিক-হায়াৰ ছেকেণ্ডাৰীৰ দৰে ফেইল বুলি একো নাই, কেবল চেষ্টাহে কৰি যাব লাগে। মনটো হতাশ কৰিব নেলাগে, কেৱল অভ্যাস কৰি থাকিব লাগে। অন্ততঃ তিনি বছৰ মান মানসিকভাৱে শক্তিশালি হৈ ধাৰাবাহিকভাৱে যদি প্ৰস্তুতি চলায়, তেতিয়া ছাত্ৰ-ছাত্ৰীসকল সফল নিশ্চয় হ'ব।

**প্ৰশ্ন** ঃ আপোনাৰ এই যাত্ৰাৰ পথত কেতিয়াবা হতাশাৰ সম্মুখীন হৈছিল নে? তেনে পৰিস্থিত আপুনি নিজকে কেনেদৰে আগবঢ়াই নিছিল ছাৰ?

**উত্তৰ** ঃ সকলো প্ৰতিযোগিতামূলক পৰিক্ষাৰ্থীৰে কম-বেছি পৰিমাণে প্ৰত্যাহ্বান আহেই। মোৰ ক্ষেত্ৰত বেলেগ আছিল; কাৰণ মোৰ হাতত চাকৰি আছিল। গতিকে এটা নিশ্চয়তা মোৰ হাতত আছিল। অন্যহাতে, বিশেষকৈ মই UPSC কৰা ছাত্ৰ-ছাত্ৰীসকলৰ কথা কৈছোঁ, তেওঁলোকৰ মাজত সদায় অনিশ্চয়তা এটা থাকেই যে ইমান ডাঙৰ পৰীক্ষা এটাৰ কাৰণে আহিছে, কি হ'ব, কি নহ'ব! সেই অনিশ্চয়তাটো সকলোৰে থাকে। কিন্তু সেই অনিশ্চয়তাটো থাকিলেও এটা কথাত নিশ্চিত হৈ থকাটো ভাল যে বিশেষকৈ UPSCৰ নিচিনা পৰীক্ষাৰ প্ৰস্তুতি যেতিয়া কৰা যায়, প্ৰস্তুতি যদি অতি মনোযোগেৰে কৰা হয় তেতিয়া অথলে কেতিয়াও নেযায়। হয়তো তেওঁ IAS Officer নহ'ব পাৰে; যিকোনো ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাতে তেওঁ সফল হ'ব পাৰিব। আমাৰ লগত যিমান বিলাক আছিল, যিসকলে মনোযোগেৰে প্ৰস্তুতি কৰিছিল, কিছুমানে IAS হোৱা নাই; কিন্তু ক'ৰবাত নহয় ক'ৰবাত সংস্থাপন পাইছে। সেইকাৰণে হতাশ হোৱাৰ একো প্ৰয়োজন নাই। IAS Officer ভাল, যদি নহয়, ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ বহুখিনি চাকৰি আছে; য'ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে নিৰ্বাচন কৰা হয়; ক'ৰবাত নহয় ক'ৰবাত সফল হ'বই। গতিকে ইমান ডাঙৰ প্ৰস্তুতি এটা যেতিয়া কৰি থকা হয়, ক'ৰবাত নহয় ক'ৰবাত মনত এটা শংকা থাকে। শংকাটো থকাটো স্বাভাৱিক। investment বা কষ্টখিনি অতি মনোযোগেৰে যদি কৰি থকা যায় তেতিয়াহ'লে সেইখিনি কেতিয়াও অথলে নাযায় আৰু ক'ৰবাত নহয় ক'ৰবাত লাগিবই।

**প্ৰশ্ন** ঃ ছাৰ! আপুনি মৰিগাঁও জিলাৰ পৰা চাগে প্ৰথম IAS?

**উত্তৰ** ঃ হয়। মৰিগাঁও জিলাৰ পৰা UPSC পোৱা আৰু আছে, IAS ত পোৱা চাগে ময়েইয়ে প্ৰথম।

**প্ৰশ্ন** ঃ আপুনি যেতিয়া এনে এটা প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে আগবাঢ়িল; আপোনাৰ সন্মুখত কোনো আৰ্হি নাছিল; সৰু সৰু প্ৰত্যাহ্বানবোৰ আপুনি কেনেকৈ পাৰ কৰিছিল? মই বিশেষকৈ কৈছোঁ আমাৰ ছাত্ৰ-ছাত্ৰীৰ কথা, তেওঁলোকে কিছুমান সৰু সমস্যা পালেই হয়তো নিজৰ কৰ্তব্যৰ পৰা পিছুৱাই যায়।

তেনে ক্ষেত্ৰত আপুনি কি ক'ব ছাৰ?

**উত্তৰ** ঃ দৃঢ় সংকল্প (strong ditermination) এটা থাকিলে এই কথাবিলাক গৌণ হৈ পৰে। অসমত এইটো থাকিবই, কাৰণ অসমত এই উদাহৰণ খুব কম আছে। অসমতেই থাকি অসমতেই পঢ়া-শুনা কৰি এই দিশত চাকৰি কৰা খুব কম আছে, কিন্তু অসমৰ পৰা অসমৰ বাহিৰত আছে। গতিকে আমাৰ সন্মুখত তেনে মানুহ কম আৰু আমাৰ সময়ত আৰু কম আছিল। এতিয়া বাৰু প্ৰতি বছৰে আমাৰ অসমীয়া ল'ৰা-ছোৱালীয়ে এই পৰীক্ষাত উত্তীৰ্ণ হয়। কাৰোবাক নহয় কাৰোবাক যোগাযোগ কৰিব পাৰি বা গম পায়। আমাৰ সময়ততো উদাহৰণ দিবলৈও কোনো নাছিল। কিন্তু দৃঢ় সংকল্প এটা থাকিলে এই কথাবিলাক গৌণ হয়। মই কওঁ যিসকল ছাত্ৰ-ছাত্ৰীয়ে এনে পৰীক্ষা দিম বুলি ভাবিছে; তেওঁলোকে মনত এটা সংকল্প ল'লে হ'ল। এতিয়াটো বহুত সুবিধা হৈছে। যোগাযোগৰ ফালৰপৰাই হওঁক, কথা পাতিব পৰা মানুহৰ ফালৰ পৰাই হওঁক, সকলো ফালৰ পৰাই সুবিধা হৈছে।

**প্ৰশ্ন** ঃ আজিৰ যুৱ প্ৰজন্মই জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ যেতিয়া বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হয়, বিপথে পৰিচালিত হয়; তেওঁলোক সুপথে অহাৰ বাবে তেওঁলোকক উদ্দেশ্য কৰি আপুনি কি পৰামৰ্শ আগবঢ়াব ছাৰ?

**উত্তৰ** ঃ প্ৰত্যাহ্বানটো সদায় আছে মানুহৰ জীৱনত। বিশেষকৈ যিসকল মানুহে জীৱনত কিবা কৰিছে বা কৰিব বিচাৰিছে। যিয়ে আহিছে মানুহ গৈছে মানুহ কৰি জীৱন কটাব বিছাৰিছে তেওঁলোকৰতো একো নাই। পদপথ বা ফুটপাথত গৈ শুই থাকিলেও হ'ল। কিন্তু যদি আমি জীৱনত কিবা এটা কৰিব বিছাৰিছোঁ, তেতিয়া হ'লে প্ৰত্যাহ্বান থাকিবই। অৱশ্যে প্ৰত্যাহ্বান থকাটো মোৰ বোধেৰে ভাল কথা। কাৰণ মানুহে বস্তু এটা যেতিয়া সহজে পায়, সহজে পোৱা বস্তুটোৰ মূল্য বুজি নাপায়। কিন্তু প্ৰত্যাহ্বানৰ মাজেৰে যেতিয়া মানুহে সফলতা অৰ্জন কৰে সেইটোৰ মূল্য বেছি। আজি তোমালোকে মোৰ ওচৰলৈ কিয় আহিছা? মোৰ জীৱনটো দৰিদ্ৰ আছিল, এই সমস্যাবিলাক মই অতিক্ৰম কৰি অহাৰ বাবেহে আহিছা। মই সেইকাৰণে কওঁ, যিখিনি নতুন প্ৰজন্ম বা যাৰেই হওক মানুহৰ সমস্যা থকাটো ভাল। সমস্যা অতিক্ৰম কৰি যেতিয়া মানুহে জীৱনত সফলতা অৰ্জন কৰে, তেতিয়া মানুহৰ জীৱনত ক'বলৈ কাহিনী থাকিব। যদি সমস্যা নেথাকে তেতিয়া কি কাহিনী ক'বগৈ? ক'ব যে মোৰ দেউতাই পইচা দিলে, মায়ে পইচা দিলে, ঘৰতে সহজতে চাকৰিটো পালোঁ। কিন্তু যেতিয়া ক'ব মোৰ আৰ্থিক অৱস্থা বেয়া, খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, যথেষ্ট কষ্ট কৰিছোঁ, সেইটো কাহিনীহে মানুহে শুনিব। সংগ্ৰাম আৰু প্ৰত্যাহ্বানৰ লগত যুঁজি যুঁজি সফল হোৱা কাহিনীহে মানুহে শুনিব। সেই কাৰণে জীৱনত প্ৰত্যাহ্বান বা সমস্যা থকাটো মোৰ বোধেৰে ভাল আৰু থাকিব লাগে। সমস্যা অতিক্ৰম কৰি সফল হ'লে মানুহৰ ভৱিষ্যতে ক'বলৈ কাহিনী থাকিব আৰু সেই কাহিনীটো মানুহে শুনিব। সেইকাৰণে নিজকে কেতিয়াও ভাবিব নেলাগে যে মোৰ জীৱনত সমস্যা আছে। সমস্যাটো সকলো মানুহৰে আছে। যিসকল পৃথিৱীৰ আটাইতকৈ ধনী মানুহ তেওঁলোকৰ জীৱনতো সমস্যা আছে। তেওঁলোকৰ সমস্যা এই কাৰণে আছে যে তেওঁলোকে তাতকৈ আৰু বেছি কিবা পাব বিচাৰে। মানুহে যেতিয়া কিবা পাবলৈ বিচাৰিব তেতিয়া সমস্যা আহিবই, যদি একো নিবিচাৰে তেতিয়া একো সমস্যাও নাই। পদপথত শুই থকা মানুহটোৰ কোনো সমস্যা নাই, প্ৰত্যাহ্বান নাই। আচলতে আমি জীৱনটো কিদৰে যাপন কৰিব বিচাৰিছোঁ, জীৱনত যদি কিবা সফলতা লাভ কৰিব বিচাৰোঁ, তেতিয়া প্ৰত্যাহ্বান থাকিবই। মোৰ বোধেৰে সেইটো ভালহে। প্ৰত্যাহ্বান নেওচি লাভ কৰা সফলতাই একোটা ধুনীয়া কাহিনী হ'ব আৰু মানুহে সেইটো শুনিব। আজি যিদৰে তোমালোক মোৰ ওচৰলৈ আহিছা, তেনে কাহিনী শুনিছা আৰু তেনেকৈ মানুহ আহিব; নহ'লে কোনো নাহিব। সেইবাবে আমি সমস্যাবোৰক জীৱনত আদৰি ল'ব লাগে আৰু সাহসেৰে জীৱনত যুঁজিব লাগে। সফলতা-বিফলতা জীৱনত থাকিবই। পৃথিৱীত যিমান মানুহ সফল হৈছে, কিন্তু তাতকৈ বেছিভাগ মানুহ হয়তো বিফলো হৈছে। বিফলতাৰ কাহিনীবোৰটো আমি বেছি শুনা নেপাওঁ। গতিকে সফলতা-বিফলতা জীৱনত থকাতো স্বাভাৱিক, কিন্তু

সমস্যা আহিলে আমি আদৰিহে ল'ব লাগে আৰু সাহসেৰে যুঁজি আমি আগবাঢ়িব লাগে। সেইয়ে এটা সুন্দৰ কাহিনী হ'ব, যি কাহিনী মানুহে ভৱিষ্যতেও শুনিব।

**প্ৰশ্ন** ঃ ছাৰ! এতিয়া অসমৰ উচ্চ শিক্ষা বিভাগৰ যি এক গুৰুত্বপূৰ্ণ দায়িত্বত আপুনি আছে, অসমৰ শিক্ষা তথা উচ্চ শিক্ষা বিভাগৰ কোনকেইটা দিশত সংশোধনৰ আৱশ্যকতা আছে বুলি আপুনি ভাবে?

**উত্তৰ** ঃ আমাৰ অসমৰ শিক্ষাৰ দিশত বিশেষকৈ 'নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০' (NEP 2020) প্ৰৱৰ্তন হোৱাৰ পিছত যথেষ্ট flexiblility (সহজ) হৈছে। গতিকে শিক্ষাৰ নীতিৰ ফালৰ পৰা যিটো সংস্কাৰ লাগে বুলি আমি কৈছোঁ মোটামুটিভাৱে NEP 2020 -এ আমাক সেইখিনি আনি দিছে। কিন্তু ইয়াক বাস্তৱ অৰ্থত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত আমাৰ শিক্ষক সমাজ, ছাত্ৰ-ছাত্ৰী আৰু আমি সকলোৱে এই কথাটো আদৰি ল'ব লাগিব। নীতিৰ সংস্কাৰটো হৈছে, কিন্তু নীতিৰ ৰূপায়ণ কৰা মানুহখিনিৰ মানসিক সংস্কাৰ, মানসিক প্ৰস্তুতি আৰু সমাজে তাক আদৰি লোৱাটো, সেই কামখিনি আমি কৰি থাকিব লগা হৈছে। সেই কামখিনি কৰি থাকোঁতে অৱশ্যে সময় লাগিব, একে দিনাই নহয়। NEP 2020 ৰূপায়ণ কৰা মাত্ৰ তিনি বছৰ (২০২৩ চনৰ পৰা) হৈছেহে। সমাজে অনুধাৱন কৰি এই সংস্কাৰটো আদৰি লোৱা আটাইতকৈ ডাঙৰ কথাটো হৈছে সমাজে আদৰি লোৱাটো খুব প্ৰয়োজন। এইখিনি যেতিয়া আদৰি লোৱা হ'ব, তেতিয়া আমাৰ সৰ্ব ক্ষেত্ৰতে, তেতিয়া আমাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত যিখিনি পৰিৱৰ্তন আহিব লাগে সেইখিনি আহিব। আমাৰ শিক্ষা ব্যৱস্থাৰ মূলতে এটা উদ্দেশ্যৰ কথা আমি সদায় কৈ থাকোঁ যে, আমি সকলোকে পঢ়াই-শুনাই চৰকাৰী চাকৰিয়াল বনাম। কিন্তু শিক্ষাৰ উদ্দেশ্য সেইটো নহয়। আমি যেতিয়া ছাত্ৰ-ছাত্ৰীসকলক চাওঁ আমি মূলতঃ দুই ধৰণৰ ছাত্ৰ-ছাত্ৰী দেখিবলৈ পাওঁ; কিছুমান অতি মেধাৱী, যিসকলে জীৱনত বহু কিবা কিবি কৰিব বিচাৰে আৰু এক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী ইমান মেধাৱী নহয়। গতিকে শিক্ষা ব্যৱস্থাত এই দুইখিনি ছাত্ৰ-ছাত্ৰীৰ কাৰণে ব্যৱস্থা থাকিব লাগে । এতিয়া NEP 2020 ত সেইটো আহিছে। under graduate level ত গৱেষণাটো দিয়া হৈছে। অতি মেধাৱীখিনিয়ে গৱেষণা কৰিব পাৰিব। বাকী কম মেধাৱীখিনিৰ বাবে আমি skill course কিছুমান আৰম্ভ কৰিছোঁ। যাতে তেওঁলোকে ওলাই গৈ চাকৰি নাপালেও জীৱনত কিবা এটা নিজে কৰি খাব পাৰে। গতিকে, সেই ফালৰ পৰা প্ৰয়োজনীয় শিক্ষা নীতিত যি লাগে সেইখিনি আহিছে। কিন্তু সেইখিনিক আমি বাস্তৱ অৰ্থত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এটা প্ৰত্যাহ্বান আছে। সকলোৱে কাম কৰিয়েই আছে , NEP 2020 (২০২৩ চনৰ পৰা) মাত্ৰ আৰম্ভ হৈছে হে । কিন্তু মূল যিখিনি মানুহে আমি ইয়াক ৰূপায়ণ কৰি আছোঁ, তাক অন্তৰৰ পৰা ৰূপায়ণ কৰিব লাগিব আৰু সমাজত ইয়াক আদৰি ল'ব লাগিব।

**প্ৰশ্ন** ঃ পুৰণি শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে বৰ্তমান 'নতুন শিক্ষা নীতি ২০২০' (NEP 2020) শিক্ষা ব্যৱস্থা প্ৰচলিত হৈছে। এই নতুন শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰসকলৰ কিমান পৰিমাণে উপকৃত হ'ব পাৰে? বা নিয়োগৰ ক্ষেত্ৰত তেওঁলোক কিমান লাভৱান হ'ব পাৰে বুলি আপুনি ভাবে ছাৰ?

**উত্তৰ** ঃ নিয়োগৰ ক্ষেত্ৰত, এটা কথা হ'ল যিহেতু আমি skill course সমূহ কৰিছোঁ, সেইকাৰণে সেইখিনি আমি ভালদৰে চাইও আছোঁ; এইসমূহ যদি আমি সঁচা অৰ্থত কৰোঁ... নিয়োগ মানে কেনেকুৱা? চৰকাৰী চাকৰিটো কোনো চৰকাৰে ইমান চাকৰি দিব নোৱাৰে। ভাৰত চৰকাৰে হওক বা অসম চৰকাৰে হওক কোনেও নোৱাৰে, আমেৰিকা চৰকাৰেও ইমান চাকৰি দিব নোৱাৰে। গতিকে নিয়োগটো ক'ৰ পৰা ওলাব? এই নিয়োগটো ওলাব মূলতঃ স্ব-নিয়োগৰ জৰিয়তে। স্ব-নিয়োগৰ বাবে আমি ছাত্ৰ-ছাত্ৰীক কিমান প্ৰস্তুত কৰিব পাৰোঁ, সেই কাৰণে আমি skill course সমূহ কৰিছোঁ। যাতে তেওঁ ওলাই গৈ নিজেই কিবা এটা কৰিব পাৰে। কাৰণ আমাৰ অসম চৰকাৰৰ ৪.৫০ লাখ চাকৰি আছে; আমাৰ মেট্ৰিক-হায়াৰ ছেকেণ্ডাৰী পাছ কৰা ল'ৰা- ছোৱালীয়ে ৭ লাখ আছে। গতিকে তাততো নাপায়। মুঠতে পাছ কৰি অহা গোটেইখিনিয়ে চাকৰি নোপোৱাটো খাটাং, আধাইহে পাব। এইটো অকল অসমৰে কথা নহয়,

পৃথিৱীৰ আটাইতকৈ ধনী দেশ এখনতো এই একেই অৱস্থা। তেওঁলোকৰটো চৰকাৰী চাকৰি আৰু বেছি কম। সেয়ে চাকৰিৰ সম্ভাৱনা নেথাকিলে স্ব-নিয়োজনৰ ফালে যাব লাগে। গতিকে স্ব-নিয়োজনৰ বাবে যাবলৈ আমি শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কিমানখিনি প্ৰস্তুত কৰিছোঁ? সেই প্ৰস্তুতিটো এতিয়া আমাৰ বৰ্তমান শিক্ষা ব্যৱস্থাত আৰম্ভ হৈছে। গতিকে আমি এতিয়া আশা কৰিছোঁ, এই শিক্ষা ব্যৱস্থাৰ এতিয়া এটা ঘূৰণ (Circle) -এ সম্পূৰ্ণ হোৱা নাই, দুই-তিনিটা ঘূৰণ সম্পূৰ্ণ হ'লে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলেও মানসিকভাৱে বেছি প্ৰস্তুত হৈ পৰিব। যেতিয়া তেওঁলোক সেই দিশত যাব, তেতিয়া আমাৰ ছাত্ৰ-ছাত্ৰীসমূহ চাকৰি বিচৰা মানুহ নহৈ চাকৰি দিব পৰা মানুহহে হ'ব। যিদিনা সেইটো হ'ব সেইদিনা আমি সফল হ'ম।

**প্ৰশ্ন** ঃ অসমৰ উচ্চ শিক্ষা ব্যৱস্থাক আগবঢ়াই নিয়াৰ বাবে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আপোনাৰ কিবা পৰামৰ্শ থাকিব নেকি ছাৰ? যদি আছে...

**উত্তৰ** ঃ পৰামৰ্শ বুলি নহয়, মোৰ অনুৰোধহে। যে আমি এতিয়া NEP 2020 ৰূপায়ণ কৰিছোঁ। ইয়াৰ বাবে আমি মানসিকভাৱে নিজকে যথেষ্ট পৰিৱৰ্তন কৰিব লাগিব। আগতে যিদৰে পাঠদান কৰি আছিলোঁ, সেই পাঠদান পদ্ধতি নচলিব বা ছাত্ৰ-ছাত্ৰীসকলে আগতে মহাবিদ্যালয়লৈ যিটো আশা কৰি আহিছিল সেইটো পৰিৱৰ্তন হ'ব। গতিকে ছাত্ৰ-ছাত্ৰীসকলেও মানসিকভাৱে প্ৰস্তুত হ'ব লাগিব। মই যদি এজন ছাত্ৰ, মোৰ যদি মেধা ইমান নাই, এইটো মোৰ বাবে বাস্তৱ, কাৰণ সমাজততো সকলো মানুহ সমান নহয়। গতিকে ভাবিব লাগিব তেওঁৰ বাবে কলেজখনে আগবঢ়োৱা কোনটো ভাল skill course লৈ তেওঁ কলেজৰ পৰা যাব পাৰিব, যাতে ওলাই গৈ কিবা এটা কৰিব পাৰি; সেইটো ভাবিব লাগে। নিজৰ মেধাখিনিক নিজেই accept কৰি সেইমতে নিজৰ skill course সমূহ বাছি লৈ আগবাঢ়িব লাগিব আৰু নিজক প্ৰস্তুত কৰিব লাগিব। ঠিক সেইদৰে যিখিনি মেধাৱী ছাত্ৰ-ছাত্ৰী আছে, তেওঁলোকৰ বাবে আমি গৱেষণাৰ ব্যৱস্থা কৰি দিছোঁ। গৱেষণা এটা দিশ যিটো আমি বহুত পিছ পৰি আছোঁ উচ্চ শিক্ষাত। মই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক সেইটো অনুৰোধ কৰিম; মানে গৱেষণা যদিও আমি কওঁ যে academic exercise. Actually গৱেষণাটো academic exercise নহয়; গৱেষণাটো হৈছে soft power, যিবিলাক দেশে গৱেষণাত কাম কৰে, সেইবিলাক দেশ শক্তিশালী হয়। এতিয়া ইজৰাইল দেশ আজি কিয় ইমান শক্তিশালী? কাৰণ ইজৰাইল দেশ গৱেষণাত বহুত আগবঢ়া। চীন দেশো আজি কিয় ইমান শক্তিশালী? আমাৰ দেশৰ ৬ শতাংশ জিডিপি আমি গৱেষণাত খৰচ কৰিছোঁ, চীন দেশে প্ৰায় ৩৫ শতাংশ গৱেষণাত খৰচ কৰিছে। গতিকে যিমানে গৱেষণা ভাল হ'ব সিমানেই এখন দেশ শক্তিশালী হৈ গৈ থাকিব। সেইকাৰণে যিসকল মেধাৱী ছাত্ৰ-ছাত্ৰী আছে; তেওঁলোকে তেনেধৰণৰ মন বান্ধি আহিব লাগিব। যে তেওঁ এটা ডিগ্ৰী লৈ নহয়, তেওঁৰ মেধাখিনি সম্পূৰ্ণভাৱে প্ৰয়োগ কৰি নিজৰ ভাল শিক্ষাৰ জৰিয়তে দেশখনক শক্তিশালী কৰিম বুলি ভাবিব লাগে। শিক্ষকসকলে সেই পৰিৱেশটো সৃষ্টি কৰি দিব। তাৰবাবে যিখিনি guideship লাগে, mentorship লাগে, guidance লাগে, সেইখিনি যেতিয়া শিক্ষকলে দিয়া আৰম্ভ কৰিব তেতিয়া ভাল হ'ব। শিক্ষকসকলে যিসকল skill course কৰা ছাত্ৰ-ছাত্ৰী, তেওঁলোকক ভাল skill কৰা মানুহৰ লগত লগ লগাই দিব ; যাতে তেওঁলোকে এটা skill লৈ যাব পাৰে; সেইটো শিক্ষকজনে সহায় কৰি দিব লাগে। ঠিক সেইদৰে গৱেষণা কৰিব বিচৰা মেধাৱী ছাত্ৰ-ছাত্ৰী জনকো যিখিনি guideship, mentorship ৰ প্ৰয়োজন হয়, সেইখিনি দিব লাগে এটা গৱেষণাৰ পৰিৱেশ সৃষ্টি কৰি দিব লাগে। শিক্ষকসকলে তেনে কৰিলেহে আমাৰ উচ্চ শিক্ষাটো প্ৰকৃতাৰ্থত উচ্চ শিক্ষা হ'ব; নহ'লে কেৱল certificate দিয়া উচ্চ শিক্ষাহে হ'ব। বৰ্তমান সময়ত certificate দিয়া উচ্চ শিক্ষাৰ কোনো মূল্য নাই। আমি যদি certificate দিয়া উচ্চ শিক্ষাৰ দিশে ধাৱমান হৈ থাকোঁ, তেতিয়া বিশ্ব বেলেগে লৈ গুচি যাব, আমি ক'ৰ'বাতে থাকি যাম। কিন্তু, এই যে মই ক'লোঁ ছাত্ৰজনক বুজি লৈ তেওঁ কোনটো দিশত আগবাঢ়িব, সেইটো যদি আমি দিব পাৰোঁ; কাৰণ এটা ল'ৰাক আমি certificate দিলে

তেওঁতো Unemployed হৈ বহি থাকিল; যদি skill education দিয়া হয়, তেওঁতো পিছদিনাৰ পৰাই employee হ'ব দেশৰ অৰ্থনীতিৰ লগতে নিজৰ ঘৰখনলৈও অৰিহণা যোগোৱা আৰম্ভ কৰিব। certificate খন লৈ বহিহে থাকিবগৈ, Unemployed হ'ব, tentsion হ'ব, অসামাজিক কামতো লিপ্ত হ'ব পাৰে। সেই কাৰণে আমি শিক্ষা সমাজ বা উচ্চ শিক্ষা বিভাগ, সকলোৱে লগ লাগি ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ মেধা অনুসৰি তেওঁলোকক কামত লগাই সহায় কৰিব পাৰিলে সেই ছাত্ৰ-ছাত্ৰীসকলে দেশৰ অৰ্থনীতি আৰু যিটো মই কৈছোঁ soft power ৰ প্ৰতি অৰিহণা যোগাব পাৰিব। আমি এতিয়া তেনে দৃষ্টিভংগীৰে এতিয়া উচ্চ শিক্ষাটোক আগবঢ়াই নিব লাগিব। তেতিয়াহে আমাৰ উচ্চ শিক্ষাটোৱে প্ৰকৃতাৰ্থত কামত দিব, নহ'লে কামত নিদিব।

**প্ৰশ্ন** ঃ শেষত, এটাই কথা যে 'কৰ্মকে জীৱনৰ ধৰ্ম' বুলি আপুনি মানি আহিছে, 'সফলতাৰ মাপকাঠী হৈছে মনোবল আৰু অধ্যৱসায়' আপোনাৰ কথাখিনিৰ পৰা আমি সেইখিনিয়েই বুজিলোঁ, সফল হ'বলৈ হ'লে মনোবল থাকিবই লাগিব আৰু অধ্যাৰসায় কৰিবই লাগিব; তাৰ প্ৰমাণ স্বয়ং আপুনি। আমি আপোনাৰ অনুজ তথা অনুগামী, গতিকে পৰৱৰ্তী প্ৰজন্মৰ বাবে আপুনি কি মতামত আগবঢ়াব ছাৰ?

**উত্তৰ** ঃ মই প্ৰায়খিনি কৈছোঁৱেই। কি কৰিব লাগে বা নেলাগে। অকল মই Higher Education ত থকা বা IAS Officer বুলিয়েই নহয়, আমি সকলোৱে এই কামটো কৰিব লাগে। আমি সদায় কৈ থাকোঁ যে অসমীয়া জাতিয়ে বহুত আন্দোলন কৰিছোঁ। কিন্তু আৰু আন্দোলন কৰিলেও আমাৰ একো নহয়। কিন্তু যিদিনা আমি প্ৰত্যেকজনে যি য'ত যেনেকৈ যোগ্য তেনেকৈ কাম কৰিবলৈ মন বান্ধি ল'ম আৰু সমাজলৈ অৰিহণা যোগাম। সেই দিনাৰ পিছত আমাক আন্দোলনো নেলাগে। কোনোবাই যদি কেৰাণী হিচাপে কাম কৰিব বিচাৰে, কোনোৱাই খেতিয়ক হিচাপে কৰিব বিচাৰে; যেতিয়া সকলোৱে সমাজত নিজৰ নিজৰ যোগ্যতাটো বুজি অৰিহণা যোগোৱা আৰম্ভ কৰিব, সেইদিনাই সমাজখন আগবাঢ়ি যাব। মই সদায় এটা কথাই কৈ থাকোঁ অসমীয়া যুৱক-যুৱতীৰ চাকৰিটো বাৰু ঠিকেই আছে; তাতকৈ বেছি প্ৰয়োজন আছে, যিটো মই কওঁ উদ্যমিতাৰ (Enterpreneurship) মানসিকতা, সেইটো অতি বেছি প্ৰয়োজন। কাৰণ এটা জাতি তেতিয়াহে আগবাঢ়ি যাব পাৰে, যেতিয়া যুৱ প্ৰজন্ম বা নৱপ্ৰজন্মৰ মাজত উদ্যমিতাৰ মনোভাৱটো প্ৰবল হয়। আজি যিসকল মাৰোৱাৰী আছে, গুজৰাটী আছে, তেওঁলোকক বিশ্বৰ তথা ভাৰতৰ সকলো ঠাইতে পাওঁ, কাৰণ তেওঁলোকৰ উদ্যমিতাৰ মনোভাৱটো আছে। গতিকে, অসমীয়া জাতি বা যুৱ প্ৰজন্মই যিদিনাই ভাবি ল'ব যে আমি প্ৰতিজনে এটা উদ্যমিতাৰ কাম কৰিম, সেইদিনা আমি ক'ৰ'বাত গুচি



শ্ৰদ্ধাৰ নাৰায়ণ কোঁৱৰ ছাৰ
আৰু
ছাত্ৰ বন্ধু ক্ৰমে
প্ৰাঞ্জল ক্ৰ
টুনু জ্যোতি মেধি আৰু
সুস্মিতা সূত্ৰধৰ।

যামগৈ। আৰু যদি নহয় বুলি আমি কেৱল জিন্দাবাদ, মুৰ্দাবাদ কৰি থাকোঁ; তেতিয়া একো নহ'ব। হয়তো কেতিয়াবা জিন্দাবাদ, মুৰ্দাবাদ লাগিব পাৰে, আন্দোলন লাগিব পাৰে; মই তো নকওঁ যে আন্দোলন মানেই বেয়া। কিন্তু এই আন্দোলনটো বেছি প্ৰয়োজনীয় যিটো উদ্যমিতাৰ আন্দোলন। গতিকে মোক যদি কোৱা যায় নতুন প্ৰজন্মৰ প্ৰতি মোৰ কি আহ্বান? মোৰ এইটোৱে আহ্বান থাকিল যে আমি সকলোৱে উদ্যমিতাৰ ফালে আগবাঢ়িব লাগে। কাৰণ, আমি দেখিছোঁ পৃথিৱীৰ যিমানবিলাক জাতি শক্তিশালী হৈছে সেইটো উদ্যমিতাৰ বাবেহে হ'ব পাৰিছে। বৃটিছে ২০০ বছৰ কেনেকৈ শাসন কৰিব পাৰিলে? তেওঁলোকৰ উদ্যমিতাৰ মনোভাৱৰ কাৰণে পাৰিছে। গতিকে পৃথিৱীত সেইসকল মানুহেই শক্তিশালী হ'ব পাৰিছে যিসকলৰ মনত উদ্যমিতাৰ মনোভাৱটো আছে। এইটো ঐতিসাহিকভাৱে প্ৰমাণিত। পৃথিৱীত যিমান শক্তিশালী জাতি আছে, তেওঁলোকৰ মূল হাথিয়াৰটোৱেই হৈছে উদ্যমিতা (Enterpren-eurship)। এইটো আমাৰ কম আছে, কম থাকিলেও কিন্তু আমাৰ ইয়াত সুবিধা (scope) ও বহুত আছে। গতিকে, আমি এইটো সমস্যা হিচাপে নেভাৰি সুবিধা হিচাপে ল'ব লাগে; কাম কৰাৰো যিহেতু আমাৰ বহুত সুবিধা আছে, আমি সকলোৱে তেনেদৰে এদিন আগবাঢ়ি গ'লে নিশ্চয় সফল হ'ম আৰু আমিও শক্তিশালী (powerfull) জাতি হিচাপে সদায় উজলি থাকিম।

**কৃতজ্ঞতা** ঃ ধন্যবাদ ছাৰ। সাৰুৱা কথাৰে আজি আপোনাৰ বহুমূলীয়া সময়খিনিৰ উপহাৰেৰে আমাক কৃতাৰ্থ কৰাৰ বাবে, আাপোনাক জনাইছোঁ অন্তৰিক কৃতজ্ঞতা।

●●●

**মৰমৰ ছাত্ৰ-ছাত্ৰীসকল ....**

কৰ্মই মানৱ জীৱনৰ ধৰ্ম। আমি সকলোৱে সদায় লোক মংগলৰ কাৰণেই নিজৰ কৰ্তব্যখিনি ভালদৰে পালন কৰিব লাগে। পৃথিৱীত সম্ভৱ বা অসম্ভৱ বুলি একোৱেই নাই। মনোবল আৰু অধ্যৱসায়ৰ জৰিয়তে সকলোৱে এদিন সফল হ'ব পাৰে। এই ক্ষেত্ৰত শ্ৰদ্ধাৰ নাৰায়ণ কোঁৱৰ ছাৰৰ জীৱনটো আমাৰ বাবে নিশ্চয় প্ৰেৰণাৰ উৎস হ'ব পাৰে।



# প্ৰবন্ধ

এগৰাকী মালীয়ে বিভিন্ন ৰঙৰ ফুলক নিজস্ব শৈলীৰে একত্ৰিত কৰি এধাৰী
সুন্দৰ মালাৰ সৃষ্টি কৰাৰ দৰে প্ৰবন্ধকাৰে মূল বিষয়বস্তুক ধৰি ৰাখি
মৌলিক চিন্তাধাৰাৰে
আৰু অধিক উজ্বল কৰাই হ'ল প্ৰবন্ধৰ মূল কথা...



Art by Jimi Medhi, 4th Sem



# জাগীৰোড মহাবিদ্যালয় সংযুক্ত(এফিলিয়েটেড)ৰ পৰা জাগীৰোড মহাবিদ্যালয় স্বতন্ত্ৰ (অট'ন'মাচ)লৈ উত্তৰণ ঃ

# এক গভীৰ আত্মবিশ্বাসৰ স্বাভিমানী যাত্ৰা

**ড° ভবেন চন্দ্ৰ নেওগ**
অধ্যক্ষ আৰু সদস্য সচিব
জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)

জাগীৰোড মহাবিদ্যালয় বৃহত্তৰ জাগীৰোড অঞ্চলৰ ৰাইজৰ হেঁপাহৰ এক অনন্য উচ্চ শিক্ষাৰ অনুষ্ঠান। ৰাইজে প্ৰতিষ্ঠা কৰাৰ বাবেই এই মহাবিদ্যালয়খন সকলোৰে মৰমৰ, আশা-আকাংক্ষা তথা গৌৰৱৰ প্ৰতীক। অসম তথা উত্তৰ-পূৱ ভাৰতৰ প্ৰথমখন বিশ্ববিদ্যালয় হিচাপে লুইতৰ দুয়োপাৰ জিলিকোৱাৰ প্ৰতিশ্ৰুতিৰে স্থাপিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত এখন সংযুক্ত (এফিলিয়েটেড) মহাবিদ্যালয় হিচাপে ১৯৭৯ চনত আত্ম প্ৰকাশ কৰা কপিলী আঞ্চলিক মহাবিদ্যালয়খনিৰ নাম পৰৱৰ্তী সময়ত জাগীৰোড মহাবিদ্যালয় কৰা হৈছিল। তেনেই চালুকীয়া অনুষ্ঠানখনিক প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ মহেন্দ্ৰ আহোম ছাৰে তেখেতৰ অন্তিম কাৰ্যকাল ১৯৯৭ চনলৈ ইয়াক এখন লেখত ল'বলগীয়া উচ্চশিক্ষাৰ অনুষ্ঠান হিচাপে গঢ়ি থৈ যায়। আহি আহি মহাবিদ্যালয়খনে ইয়াৰ প্ৰতিষ্ঠাৰ পঞ্চাশ বছৰত উপনীত হোৱাৰ সময় হ'লহি। আৰু এটা বৰ্ষৰ পিছতেই ইয়াৰ সোণালী জয়ন্তী উদযাপন আয়োজনৰ ক্ষণ সমাগত।

জাগীৰোডৰ সমাজ খনিকৰ অগ্ৰগণী ব্যক্তিসকলৰ অন্যতম জনপ্ৰিয় ব্যক্তি পৰম শ্ৰদ্ধাৰ স্বৰ্গীয় নন্দলাল উপাধ্যায় মহাশয়, সীতাজখলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰম শ্ৰদ্ধাৰ স্বৰ্গীয় প্ৰবীণ কুমাৰ বৰঠাকুৰ দেৱকে ধৰি অন্যান্য গণ্য-মান্য স্বৰ্গগত আৰু জীৱিত নমস্য ব্যক্তি সকলে যি সপোন আগত লৈ সেই সময়ত কপিলী আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল, সেই অনুষ্ঠান আগবঢ়াই লৈ যোৱাৰ দায়িত্ব আমি লৈছিলোঁ তিনিজন অধ্যক্ষৰ কাৰ্যকালৰ শেষত, ২০১২ চনত ভোগালী বিহুৰ উৰুকাৰ দিনটোত। এইখন মহাবিদ্যালয়তে ১৯৯৪ চনৰ পৰা প্ৰায় ১৭ বছৰ কাল গণিত বিভাগত অধ্যাপনা কৰাৰ অন্তত অধ্যক্ষৰ পদত যোগদান কৰিয়েই মনত সংকল্প গ্ৰহণ

কৰিছিলোঁ জাগীৰোড মহাবিদ্যালয়ক ৰাজ্যখনৰ এক মৰ্য্যদা সম্পন্ন উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰাৰ, যাক লৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, অভিভাৱক তথা স্থানীয় জনগণে গৌৰৱ অনুভৱ কৰিব পাৰে।

২০২৬ চনৰ আৰম্ভণিৰ দিন কেইটাত উপনীত হৈ মন কৰিছোঁ যে ২০১২ চনৰ সেই জানুৱাৰীৰ পৰা ২০২৫ চন শেষ হৈ ২০২৬ চন আৰম্ভ হোৱালৈকে অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা মোৰ কাৰ্যকালে ১৪ বছৰ অতিক্ৰম কৰি ১৫ বছৰত সোমাল। আজি ২০২৬ চনৰ ভোগালী বিহুৰ উৰুকাৰ এই দিনটোত অতীতলৈ উভতি চাই মন কৰিছোঁ যে বিগত বছৰৰ দিনসমূহ মোৰ বাবে আছিল অত্যন্ত প্ৰত্যাহ্বানেৰে ভৰা। প্ৰতিটো দিনেই আছিল হিমালয় পৰ্বতৰ শিখৰত আৰোহণ কৰাৰ দুৰ্বাৰ বাসনাৰে ভৰা। সপোন বহুত, লক্ষ্য বহুদূৰ, সময় নিচেই কম, আটাইতকৈ অভাৱ আছিল উপযুক্ত মসৃণ পথৰ। পদে পদে কণ্টক ভৰা এক উৎকণ্ঠিত যাত্ৰা। এতিয়া সেই কণ্টকাকীৰ্ণ পথৰ পৰ্যালোচনা কৰিলে মনত গভীৰ প্ৰত্যয় ভৰা সন্তুষ্টিৰ ভাব প্ৰতিফলিত হয়। এক গভীৰ আত্মবিশ্বসী মনৰ উৎসাহেৰে তথা অনিৰুদ্ধ গতিৰে আগবাঢ়ি যোৱা ১৪ টাকৈ বছৰ, ১৪ টা সপ্তাহ পাৰ হৈ যোৱা যেনহে এতিয়া অনুভৱ হয়। বিগত বছৰসমূহৰ এটা দিনো অবাবত নষ্ট কৰাৰ অৱকাশ নাছিল। কাম, কাম আৰু কেৱল কাম। মনত বহু আঁচনি, হাতত মূলধনৰ নাটনি, তাৰ মাজতো সপোনে সৰগ ৰচে।

প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ মহেন্দ্ৰ আহোম ছাৰে গঢ়ি থৈ যোৱা মহাবিদ্যালয়খনক ১৯৯৭ চনৰ পৰা তত্ত্বাৱধায়ক অধ্যক্ষ উৎপলমনি ফুকন ডাঙৰীয়াই চম্ভালি লোৱাৰ তিনি বছৰৰ পাছত ড° আলটাফুৰ ৰহমান ছাৰে আঠ বছৰৰ বাবে ইয়াৰ পৰিচালনা কৰিলে। ড° ৰহমান ছাৰে তেখেতৰ কাৰ্যকালত গতিশীল নেতৃত্ব দিবলৈ সমৰ্থ হৈছিল। তেখেতে নতুন-নতুন পাঠ্যক্ৰমৰ শুভাৰম্ভণি কৰাৰ উপৰি মহাবিদ্যালয়ৰ চৌহদৰ আন্তঃগাঁঠনি বঢ়োৱাৰ লগতে দক্ষিণ-পূব দিশৰ চৌহদৰ বেৰা নিৰ্মাণৰ আপদীয়া সমস্যা সমাধান কৰাত বিশেষভাৱে অৰিহণা আগবঢ়াইছিল। তেখেতে শিক্ষাৰ মান উন্নত কৰাৰ বাবেও যৎপৰোণাস্তি চেষ্টা চলাইছিল আৰু বহুপৰিমাণে সফল হৈছিল।

ড° ৰহমান ছাৰৰ দিনত হোৱা কামসমূহৰ ভিতৰত দুটা কাম উল্লেখযোগ্য আছিল। তাৰে এটা আছিল মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী অনুষ্ঠানৰ উদ্‌যাপন কৰা আৰু NAAC ৰ দ্বাৰা প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ পৰিদৰ্শন আৰু মূল্যায়ন কৰোৱা। যি সময়ত দেশৰ বহুতো শিক্ষানুষ্ঠানে NAAC ৰ মূল্যায়নৰ পৰা আঁতৰত অৱস্থান কৰিছিল সেই সময়ত অসম মূলুকত NAAC ৰ মূল্যায়নৰ সপক্ষে নিজকে সাজু কৰি মূল্যায়নৰ পৰীক্ষাত বহিছিল আৰু সফলতাৰে B Grade লাভ কৰি মহাবিদ্যালয়খনিয়ে ইয়াৰ সীমিত সুবিধাৰ মাজতো যে নিজৰ গুণগত মান বৰ্তাই ৰাখিছিল তাক ইয়াৰ জৰিয়তে প্ৰতীয়মান কৰিছিল। আৰু এই গুণ মানৰ পৰীক্ষাত ইয়াৰ শিক্ষক-কৰ্মচাৰী তথা স্থানীয় নাগৰিকৰ সহযোগ আছিল বিশেষভাৱে উল্লেখযোগ্য।

২০০৮ চনত ৰহমান ছাৰৰ অৱসৰৰ পিছত পুনৰ তত্ত্বাৱধায়ক অধ্যক্ষ হিচাপে উৎপলমনি ফুকন ডাঙৰীয়াই তিনি বছৰৰ বাবে দায়িত্ব গ্ৰহণ কৰে। এই তিনিটা বছৰ মহাবিদ্যালয় পৰিয়ালৰ বাবে আছিল মহা আৰামৰ সময়। সাধাৰণতে এবাৰ NAAC ৰ মূল্যায়ন হোৱাৰ পিছত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে পুনঃ পুনঃ NAAC ৰ মূল্যায়ন হোৱাটো বাধ্যতামূলক চৰ্ত আছিল। কাৰ্যতঃ গুণগত কামৰ বাবে যি ধৰণৰ তৎপৰতাৰ প্ৰয়োজন আছিল এই তিনিটা বছৰত তাৰ অভাৱ আছিল। সেয়েহে এই তিনি বছৰত মহাবিদ্যালয়খনিয়ে ইতিমধ্যে ইয়াৰ পূৰ্বৰ গৰিমা ক্ৰমান্বয়ে হেৰুৱাবলৈ ধৰা বুলি বিভিন্ন মহলে অভিযোগ কৰা পৰিলক্ষিত হৈছিল।

প্ৰথম অৱস্থাতে ক'ৰ পৰা আৰম্ভ কৰিম, কেনেধৰণৰ কাম কৰিলে লক্ষ্য প্ৰাপ্তি হ'ব তাৰ বাবে যথেষ্ট চিন্তা-চৰ্চা কৰিবলগীয়া হৈছিল। মহাবিদ্যালয়খনি মনে বিচৰা ধৰণে আগুৱাই নিবলৈ পৰ্যাপ্ত ধনৰ অভাৱ। ধন অহাৰ মূল উৎস ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ সামান্য মাচুল। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ তুলনাত ইয়াৰ মাচুলৰ পৰিমাণ নিচেই নগণ্য। তাৰে সিংহ ভাগ খৰচ হয় অস্থায়ী শিক্ষক-কৰ্মচাৰীক দিব লগীয়া মাহিলি দৰমহাৰ বাবদ। আগৰ বছৰসমূহত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা বছৰি দিয়া অনুদানেৰে দেশৰ উচ্চশিক্ষাৰ অনুষ্ঠানবোৰৰ উন্নয়ন কৰা হৈ আহিছিল। আমাৰ কাৰ্যকালত কেৱল এটা কাৰ্যকালৰ বাবে তেনে সাধাৰণ উন্নয়ন গ্ৰাণ্ট লাভ কৰাৰ পিছত সমগ্ৰ দেশতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অনুদান দিয়া বন্ধ কৰা হ'ল। গতিকে উন্নয়নৰ মূল চালিকা শক্তি আৰ্থিক অনুদানৰ পূৰ্বনিৰ্ধাৰিত উৎসৰ সীমাবদ্ধতাত যতি পৰিল। প্ৰাৰম্ভিক সময়ছোৱাত বৰ বেছি সমস্যা নহ'লেও পৰৱৰ্তী সময়ছোৱাত মহাবিদ্যালয়খনিৰ উন্নয়নৰ বাবে বিকল্প অৰ্থৰ উৎসৰ সন্ধান কৰাটো মোৰ বাবে প্ৰধান চিন্তাৰ কাৰণ হৈ থাকিল। তাৰ মাজে মাজে বিভিন্ন সময়ত অগতানুগতিক তথা আঁচনি বহিৰ্ভূতভাৱে অহা চৰকাৰী নাইবা বিশ্ববিদ্যালয়

অনুদান আয়োগৰ অন্যান্য বিভিন্ন আঁচনিৰ সুযোগৰ সদ্ব্যৱহাৰ কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিছিলোঁ।

যথা সময়ত বিভিন্ন দিশ চালিজাৰি চাই মহাবিদ্যালয়খনিৰ উন্নয়নৰ ৰূপৰেখা প্ৰস্তুত কৰি এক আঁচনি প্ৰাৰম্ভিকভাৱে যুগুত কৰি উলিয়াইছিলোঁ। কাজেই সহকৰ্মী শিক্ষক আৰু কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ লগত পৃথকে পৃথকে সভা অনুষ্ঠিত কৰি আলোচনা কৰিছিলোঁ। মোৰ মনত জুকিয়াই লোৱা হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনিৰ আভাস দিয়াৰ চেষ্টা কৰিছিলোঁ আৰু সকলোৰে সহায় সহযোগিতা আৰু দিহা-পৰামৰ্শ বিচাৰিছিলোঁ। অগ্ৰাধিকাৰ ভিত্তিত হাতত লোৱা প্ৰথম কামটোৱেই আছিল ইতিমধ্যে ২০০৪ চনৰ NAAC ৰ প্ৰথম চক্ৰৰ পৰা ৫ বছৰ সময়ৰ ভিতৰত ২০০৯ চনত কৰিবলগীয়া নিৰ্ধাৰিত কাৰ্যকাল কাহানিবাই উকলি যোৱা NAAC ৰ ২য় পৰিদৰ্শনৰ বাবে প্ৰস্তুতি চলোৱা।

কাম হাতত লৈ অনুভৱ কৰিছিলোঁ প্ৰথমবাৰ NAAC ৰ মূল্যায়নৰ পিছত আমি যে কিমান পিছ পৰি গ'লোঁ। NAACৰ মুখ্যালয়লৈ বাৰ্ষিক প্ৰতিবেদনৰ বাবদ যিমান তথ্য দিব লাগে সেয়া পৰ্যাপ্ত জমা নথকাৰ বাবদ আৰু অন্য কিছু বেমেজালিৰ বাবদ ২০০৪ চনৰ পৰা ৫ বছৰ অতিক্ৰম কৰাৰ অন্তত ২০০৯ চনত মহাবিদ্যালয়খনত NAAC ৰ পৰিদৰ্শন কৰোৱা নহ'ল আৰু ইয়াৰ ধাৰাবাহিকতা বৰ্তাই ৰাখিবলৈ সক্ষম নোহোৱাৰ বাবদ তথা উপযুক্ত তথ্যৰ অভাৱত ২০১৪ চনত কৰাবলগীয়া NAAC ৰ তৃতীয় পৰিদৰ্শন আৰু মূল্যায়ন কৰা নহ'ল। বহু প্ৰচেষ্টাৰ অন্তত বিভিন্ন ধৰণৰ অসুবিধা আঁতৰাই ২০১৬ চনত আমি NAAC ৰ ২য় চক্ৰৰ পৰিদৰ্শন আৰু মূল্যায়ন কৰাইছিলোঁ। সেইবাৰ আমি B Plus Grade পাবলৈ সক্ষম হ'লোঁ যদিও তেতিয়াও আমাৰ একাংশৰ স্থিতি জড়তাৰ বিশেষ উত্তৰণ নহৈছিল যিটোৰ বিষয়ে NAAC ৰ পৰিদৰ্শক সকলে প্ৰত্যক্ষ কৰিছিল আৰু শেষৰ দিনা সভাত NAAC ৰ সমন্বয়ক গৰাকীয়ে মুকলিকৈয়ে প্ৰকাশ কৰিছিল।

তেতিয়াই NAAC ৰ তৃতীয় পৰিদৰ্শনত অতি কমেও A Grade পোৱাৰ সংকল্প লৈছিলোঁ। আৰু অৱশেষত সম্পূৰ্ণ পৰিকল্পনা অনুসৰি জেষ্ঠ সহকৰ্মী ড° উৎপল ৰাজগুৰুক IQAC ৰ Coordinator ৰ পদত অধিষ্ঠিত কৰি আমি NAAC ৰ পৰিদৰ্শনৰ প্ৰস্তুতিৰ বাবে ৰণক্ষেত্ৰত নামি পৰিছিলোঁ। এই বছৰকেইটাত বহু ৰাতি অনিদ্ৰাৰে পাৰ কৰিছিলোঁ। মহাবিদ্যালয়খনত মাজে মাজে একাংশই কৰা কিছু আচৰিত কৰ্মকাণ্ডই আমাক বিচলিত কৰিব বিচাৰিছিল আৰু গুণগতভাৱে সম্পাদন কৰিবলগীয়া সমগ্ৰ কামবোৰত বিধিপথালিৰে এনে ক্ৰিয়াবোৰে অগাডেৰা কৰিছিল যদিও মনত পণ লৈ আগবাঢ়িছিলোঁ। অৱশেষত ২০২৩ চনত NAAC ৰ পৰিদৰ্শনৰ মুখামুখি হৈ 'A Grade' ৰ বাবে চলোৱা প্ৰস্তুতিৰে বহুখিনি আগবাঢ়ি গৈ A Plus Grade পাবলৈ সক্ষম হ'লোঁ। আমাৰ যোগাত্মক মানসিকতাৰ সহকৰ্মী সকলৰ মাজত এক প্ৰচণ্ড আত্মবিশ্বাস গঢ়ি উঠিল। আমাৰ মাজত বিশ্বাস জন্মিল যে হাজাৰটা প্ৰতিবন্ধকতা থাকিলেও মনৰ দৃঢ়তা আৰু একাগ্ৰতা থাকিলে ভাল কামৰ ফলাফল সদায়ে ভালেই হয়। মনলৈ শক্তি আহিল, সেয়ে এইবাৰ অট'ন'মাচৰ সপোন আৰম্ভ কৰিলোঁ। এই সপোনে আচলতে আমাৰ NAAC ৰ ৩য় চক্ৰৰ পৰিদৰ্শনৰ বাবে চলোৱা প্ৰস্তুতিৰ সময়তে মনত স্থিতি লাভ কৰিছিল। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি সন্মানীয় ডাঃ পুণিৰাম পাতৰ মহাশয়ৰ আগ্ৰহে এই ক্ষেত্ৰত এক সবল আৰু যোগাত্মক অনুঘটক হিচাপে ক্ৰিয়া কৰিছিলে। সেয়ে পৰিচালনা সমিতিৰ অনুমোদন সাপেক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অট'ন'মাচৰ বাবে অনুমতি লৈ বিশ্ববিদ্যালয় অনুদান আয়োগলৈ আবেদন দাখিল কৰিলোঁ। ইয়াৰ বাবেও একাংশৰ অগাডেৰাৰ বাবে কিছু হেঙাৰ অতিক্ৰম কৰিবলগীয়া হৈছিল যাৰ ফলত ২০২৩ চনতে বিশ্ববিদ্যালয় অনুদান আয়োগলৈ আবেদন প্ৰেৰণ কৰাৰ পৰিৱৰ্তে এটা বছৰ পলমকৈ ২০২৪ চনতহে জমা দিয়া হৈছিল। অৱশেষত ২০২৫ চনৰ মে' মাহত সু-খবৰটো আহিল। জাগীৰোড মহাবিদ্যালয় অট'ন'মাচ কৰাৰ সপোন পূৰণ হ'ল।

অধ্যক্ষৰ দায়িত্ব লোৱাৰ দিনৰে পৰা প্ৰতিমুহূৰ্তত মনত কঢ়িয়াই ৰাখিছিলোঁ প্ৰতিষ্ঠা কালৰ বৰেণ্য ব্যক্তিসকলৰ ত্যাগৰ কথা। কিমান প্ৰতিকূলতাৰ সন্মুখীন হৈও তেখেতসকলে নিস্বাৰ্থভাৱে ত্যাগ স্বীকাৰ কৰি তেতিয়াৰ কপিলী আঞ্চলিক মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিছিল। সেই মহানসকলৰ পৰিয়ালৰ কোনো এগৰাকী সদস্যই এই মহাবিদ্যালয়ত আগতেও কেতিয়াও চাকৰি কৰা নাছিল বা এতিয়াও কৰি থকা নাই। আৰু কেতিয়াও সৰু-বৰ কোনো চাকৰিত যোগদানৰ বাবে কোনো ধৰণৰ পদক্ষেপ লোৱা বা চাপ দিয়া আজিলৈকে দেখা নগ'ল। কিমান নিস্বাৰ্থভাৱে তেখেতসকলে সেই কাম কৰিছিল আজিৰ স্বাৰ্থপৰতাৰ যুগত সেই কথা ভাবিলে আচৰিত লাগে।

বিগত বৰ্ষসমূহত মহাবিদ্যালয়খনক সময়ৰ লগে লগে ইয়াৰ পৰিসৰ বৃদ্ধি কৰিবলৈ পাৰ্য্যমানে প্ৰচেষ্টা অব্যাহত ৰাখিছিলোঁ। সেয়েহে বিদ্যায়তনিক ক্ষেত্ৰত ইয়াৰ শ্ৰীবৃদ্ধিৰ লগে

লগে ইয়াৰ আন্তঃগাঁথনি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছোঁ। এই সময়ছোৱাত বিদ্যায়তনিক দিশত মহাবিদ্যালয়খনৰ শ্ৰীবৃদ্ধি যথেষ্ট আশাব্যঞ্জক বুলিব পাৰি। এখন গৱেষণা আলোচনীৰ প্ৰকাশ, বহুকেইখন গ্ৰন্থৰ প্ৰকাশ আৰু বাৰ্ষিক খবৰ-পত্ৰিকা (Annual Newsletter) প্ৰকাশ কৰি বিগত বৰ্ষসমূহত মহাবিদ্যালয়ত হৈ থকা কামসমূহ লিপিৱদ্ধভাৱে সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা কৰি থকা হৈছে।

শৈক্ষিক ক্ষেত্ৰত সম্প্ৰসাৰণো আছিল এই বছৰ কেইটাৰ ভিতৰত হোৱা উল্লেখযোগ্য কাম। ১৯৭৯ চনত কেৱল কলা বিভাগেৰে আৰম্ভ কৰা মহাবিদ্যালয়খনে ১৯৮৬ চনত বিজ্ঞান শাখা আৰম্ভ কৰে। আমি অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে ২০১৩ চনত ইয়াত বাণিজ্য শাখাৰ আৰম্ভ কৰা হয়। ইয়াৰ পিছতে মহাবিদ্যালয়খনৰ লগত উদ্যোগক্ষেত্ৰ সংলগ্ন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হয়। জাগীৰোডত থকা হিন্দুস্তান পেপাৰ কৰ্প'ৰেচন লিমিটেড অৰ্থাৎ জাগীৰোড পেপাৰ মিলৰ বিষয়া আৰু অভিযন্তাসকলৰ সৈতে কেইবালানি আলোচনাৰ অন্তত ২০১৪ চনৰ পৰা কাগজ প্ৰযুক্তি বিষয়ক Pulp and Paper Technology নামৰ এক Advance Diploma পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। এই বিষয়টো বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক অনুদানেৰে ছাত্ৰ-ছাত্ৰীসকলক জলপানি সহ UGC ৰ Community College Scheme ৰ অধীনত আৰম্ভ কৰা হৈছিল। তিনিটা বেট্‌চৰ পাঠ্যক্ৰম শেষ কৰা হৈছিল যদিও আকস্মিকভাৱে পেপাৰ মিলটো বন্ধ হৈ পৰাত পাঠ্যক্ৰমৰ বাবে জৰুৰী হোৱা ব্যৱহাৰিক পৰীক্ষা অনুষ্ঠিত কৰাত হোৱা অসুবিধাৰ বাবে এই পাঠ্যক্ৰমৰ যতি পৰে। একে লগে আৰম্ভ কৰা ফেশ্বন টেকন'লজিৰ পাঠ্যক্ৰমটোও ইউ জি চিৰ একেটা scheme ৰ অধীনত থকাৰ বাবে তাকো বন্ধ কৰিব লগীয়া হৈছিল।

আনহাতে, বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত অন্য তিনিটা দক্ষতা বৃদ্ধি বিষয়ক তিনি বছৰীয়া স্নাতক ডিগ্ৰী পাঠ্যক্ৰম আৰম্ভ কৰা হয়। এই কেইটা হৈছে অভিনয়ৰ পাঠ্যক্ৰম, খুচুৰা ব্যৱস্থাপনা পাঠ্যক্ৰম আৰু পৰ্য্যটন আৰু আতিথ্য ব্যৱস্থাপনা পাঠ্যক্ৰম। নিজাববীয়াকৈ ধন খৰচ কৰি অধ্যয়ন কৰিবলগীয়া এই আটাইকেইটা বিষয় সুচাৰু ৰূপে পৰিচালনা হৈ আহিছিল যদিও অসম চৰকাৰৰ বিনামূলীয়া নামভৰ্তিৰ অধীনত এপইচাও নিদিয়াকৈ অন্য বিষয়সমূহ পঢ়িব পৰাৰ ব্যৱস্থা আৰম্ভ হোৱাৰ লগে লগেই এই পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বিগত দুই তিনিটামান বছৰত কমি অহা পৰিলক্ষিত হয়।

আনহাতে, শিক্ষা ব্যৱস্থাৰ ব্যাপক সালসলনি এই সময় ছোৱাত আছিল উল্লেখযোগ্য। প্ৰথম অৱস্থাত বাৰ্ষিক পৰীক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে ষাণ্মাসিক পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ল। আগতে তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ প্ৰতি বছৰে বছৰে অনুষ্ঠিত হোৱা পৰীক্ষা পদ্ধতিৰ সংশোধন ঘটাই প্ৰতি ছয় মাহৰ ভিতৰত একোটা পৰীক্ষা অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হ'ল। মাৰ্কশ্বীটত নম্বৰৰ পৰিৱৰ্তে গ্ৰেড প্ৰদানৰ ব্যৱস্থা কৰা হ'ল। গ্ৰেড প্ৰদান কৰাত বিতৰ্ক আৰু সমালোচনা দুয়োটাই হোৱাত পৰৱৰ্তী সময়ত গ্ৰেড আৰু নম্বৰ দুয়োটা সংলগ্ন কৰা হ'ল। দুই তিনি বছৰৰ পিছত CBCS অৰ্থাৎ চইচ্ বেচড্ ক্ৰেডিট চিষ্টেম (choice based credit system) ৰ আৰম্ভণি কৰা হ'ল। আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত (NEP 2020) ৰ ২০২৩ চনৰ পৰা বহুপ্ৰতিক্ষিত FYUGP অৰ্থাৎ Four Year Undergraduate Programme বা চাৰি বছৰীয়া স্নাতক ডিগ্ৰী পাঠ্যক্ৰমৰ আৰম্ভণি কৰা হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ২০২৩ আৰু ২০২৪ শিক্ষা বৰ্ষ দুটা এই ব্যৱস্থাৰে চলাই থকাৰ পিছত ২০২৪-২৫ শিক্ষা বৰ্ষৰ পৰা জাগীৰোড মহাবিদ্যালয় স্বতন্ত্ৰৰ অধীনত নিজা ববীয়াকৈ FYUGP ৰ প্ৰথমটো বেট্‌ছৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ইয়াৰ প্ৰথমটো ষাণ্মাসিক পৰীক্ষা ইতিমধ্যে সুকলমে সম্পন্ন হৈ গৈছে আৰু সোনকালে ইয়াৰ ফলাফল ঘোষণা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আমাৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা হৈ আহিছে। ২০১২ চনলৈকে এটা গাৰ্লছ হোষ্টেল আৰু লাইব্ৰেৰী ভৱনৰ বাদে সকলোবোৰ ভৱন অসম আৰ্হিৰ আছিল। পৰ্যাপ্ত শ্ৰেণীকোঠাৰ অভাৱৰ উপৰিও আধুনিক শিক্ষা প্ৰদানৰ বাবে প্ৰয়োজনীয় ডিজিটেল শ্ৰেণীকোঠা নাইবা আলোচনা গৃহৰ ব্যৱস্থাৰ অভাৱ আছিল। ক্ৰমান্বয়ে বৃদ্ধি হোৱা ছাত্ৰ-ছাত্ৰী আৰু বৰ্ধিত পাঠ্যক্ৰমৰ বাবে নতুন ভৱন নিৰ্মাণ অত্যন্ত জৰুৰী হৈ পৰিছিল।

আমাৰ কাৰ্যকালতে ২০১৪ চনৰ ডিচেম্বৰ মাহত মহাবিদ্যালয়ৰ প্ৰথমটো আৰ চি চি ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হয়। বৰ্তমান চাৰি নম্বৰ মহলাৰ কাম চলি থকা পবিতৰা ব্লক নামৰ (PTB) এই ভৱনটোত মহাবিদ্যালয়ৰ আটক ধুনীয়া আৰু আধুনিক সকলো সুবিধাযুক্ত এটা অডিট'ৰিয়াম, এটা ডিজিটেল চেমিনাৰ হ'ল আৰু এটা ভিডিঅ' কনফাৰেন্সিং তথা মিটিং ৰুম, 50 টা কম্পিউটাৰযুক্ত এটা কম্পিউটাৰ লেব'ৰেটৰী আৰু IQAC

ৰ কাৰ্যালয় আছে। এই PTB ভৱনটোৱে মহাবিদ্যালয়খনৰ উত্তৰণত অন্যতম বিশেষ অৰিহণা যোগাই আহিছে। ইয়াৰ IQAC কক্ষটোত মহাবিদ্যালয়ৰ বিগত NAAC ৰ তৃতীয় চক্র পৰিদৰ্শনৰ প্ৰস্তুতিৰ war room হিচাপে IQAC দলৰ সদস্যসকলে কাৰ্যনিৰ্বাহ কৰিছিল। NAAC ৰ তৃতীয় চক্ৰ পৰিদৰ্শনৰ সমস্ত পৰিকল্পনা ইয়াৰ পৰাই পৰিচালিত হৈ আহিছিল। যিটো শেহতীয়াকৈ স্বতন্ত্ৰ মহাবিদ্যালয়ৰ অধীনৰ প্ৰথম যাণ্মাসিক পৰীক্ষাৰ মূল কেন্দ্ৰও আছিল।

ইফালে ২০১৪-১৫ বৰ্ষতেই বালিৰাম দাস ভৱন (BDB) টোৰ পুৰণা ষ্ট্ৰাকচাৰটোৰ সালসলনি ঘটাই (renovation কৰি) ওপৰত নতুনকৈ দুটা মহলাৰ সংযোজন কৰা হৈছিল। য'ত বৰ্তমান শিক্ষা বিভাগৰ লেব'ৰেটৰী সহ এটা চেমিনাৰ হলৰ ব্যৱস্থা কৰা হৈছে। ২০১৫ চনৰ শেষৰ ফালে বিজ্ঞান ভৱনৰ কাষতে অন্য এটা তিনি মহলীয়া ভৱনৰ নিৰ্মাণ কৰা হৈছিল। ইয়াৰ নিৰ্মাণ কাৰ্য ২০২১ চনত সম্পূৰ্ণ কৰা হয়। আনহাতে, RUSA2.0 আঁচনিৰ অধীনত বৰ্তমান অধ্যক্ষৰ আৰু কাৰ্যালয় সহায়কৰ কোঠা থকা সন্মুখৰ মূল কপিলী (KLB বা RUSA) ভৱনটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হয় ২০১৯ চনত। কৰ'ণা ভাইৰাছৰ অতি সংক্ৰমণৰ ঠিক আগে আগে আধাৰশিলা স্থাপন কৰা এই ভৱনৰ নিৰ্মাণ কাৰ্য লক্ ডাউন ঘোষণা কৰাৰ বাবে কিছুদিন থমকি ৰৈছিল যদিও ইয়াক ২০২২ চনত সম্পূৰ্ণ কৰা হৈছিল।

মহাবিদ্যালয়ত থকা ছোৱালী হোষ্টেলটোৰ আসনৰ সংখ্যা ১২০ টা আছিল যদিও হোষ্টেলৰ আসন বিচৰা ছাত্ৰীৰ সংখ্যাধিক্যৰ বাবে বাবু জগ জীৱনৰাম ছাত্ৰাবাস আঁচনিৰ অধীনত ২০২০ চনত অন্য এটা ছোৱালীৰ হোষ্টেলৰ নিৰ্মাণ কৰা হয়। ইয়াৰ সমান্তৰালভাৱে ল'ৰা হোষ্টেলৰ প্ৰথম মহলাটো ২০২৩ চনত নতুনকৈ নিৰ্মাণ কৰা হয় আৰু ছাত্ৰৰ বাবেও হোষ্টেলত আসনৰ সংখ্যা বৃদ্ধি কৰা হয়।

তদুপৰি মহাবিদ্যালয়ৰ চৌহদৰ সন্মুখত দুটাকৈ ওলোৱা-সোমোৱা পথযুক্ত মূল তোৰণখনৰ নিৰ্মাণ কৰা, RUSA আৰু PTB ভৱন সংলগ্ন কৰি এখন সংযোগী সাঁকো নিৰ্মাণ কৰা, মূল চৌহদটোত সম্পূৰ্ণ ৰঙীণ ব্লক লগাই সৌন্দৰ্য্যবৰ্দ্ধন কৰা, কেণ্টিন নিৰ্মাণ কৰা, পতাকা উত্তোলনৰ বেদী নিৰ্মাণ কৰা, বহিঃখেল অনুষ্ঠিত কৰাৰ বাবে চৌহদত সংযুক্ত ফুটবল ফিল্ড নিৰ্মাণ, বেডমিণ্টন, বাস্কেটবল আৰু ভলীবল খেলৰ বাবে অত্যাধুনিক বাস্কেটবল কৰ্ট নিৰ্মাণ কৰা, 50 kw solar power ষ্টেচন স্থাপন, 120 kw ৰ নতুন ট্ৰান্সফৰ্মাৰ স্থাপন কৰা, খোৱা পানীৰ বাবে পাঁচটাকৈ গভীৰ নলী-নাদৰ ব্যৱস্থা কৰা আদি কামৰ জৰিয়তে মহাবিদ্যালয়খনক এক নব্যৰূপ প্ৰদান কৰা হয়।

আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ৰূপালী জয়ন্তী পালন কৰা, ইউজি চিৰ অনুদানেৰে তিনি-চাৰিখন ৰাষ্ট্ৰীয় আৰু আই চি এছ্ এছ্ আৰৰ অনুদানেৰে এখন আন্তৰ্জাতিক আলোচনা চক্ৰ অনুষ্ঠিত কৰা, দুবাৰকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত কৰা, ছেমিকণ্ডাক্টৰ বিষয়ত এখন আন্তৰ্জাতিক ভব্য কৰ্মশালা আৰু প্ৰদৰ্শনী অনুষ্ঠিত কৰা, গুৱাহাটী আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অনুদানেৰে শিক্ষকৰ দক্ষতা বিকাশৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰা উপৰি অলেখ অন্যান্য বিষয়ৰ আলোচনা সভা, গ্ৰন্থমেলা আৰু বিজ্ঞান প্ৰদৰ্শনী অনুষ্ঠিত কৰি মহাবিদ্যালয়খনিক বিদ্যায়তনিক দায়বদ্ধতাৰে এক সঠিক দিশত আগবঢ়াই লৈ যোৱাৰ ফলত জাগীৰোড মহাবিদ্যালয়ে আজিৰ দিনত এক সম্ভ্ৰান্ত পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। এই সকলোবোৰ কৰিবৰ বাবে লগা প্ৰয়োজনীয় ইচ্ছাশক্তি, আন্তৰিকতাৰ লগতে সহকৰ্মীৰ উৎসাহ আৰু সহযোগিতাই কামসমূহক নিয়াৰিকৈ সমাপন কৰাত যথেষ্ট অৰদান আগবঢ়াইছিল।

এই সমগ্ৰ উন্নয়নমূলক কাম কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিচালনাৰ সমিতিৰ প্ৰতিগৰাকী সভাপতি আৰু সন্মানীয় সদস্যৰ উপৰি মহাবিদ্যালয়ৰ সহকৰ্মী আৰু স্থানীয় ৰাইজৰ সহায় সহযোগ দিহা পৰামৰ্শৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ অধ্যক্ষৰ কাৰ্যকালত স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী সন্মানীয় পীযুষ হাজৰিকা ডাঙৰীয়াই মহাবিদ্যালয়লৈ আৰ্থিক অনুদানৰ লগতে তেখেতৰ যি অকুণ্ঠ সহায় আৰু সমৰ্থন আগবঢ়ালে তাৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ থাকিম।

শেহতীয়াকৈ তেখেতে মহাবিদ্যালয়ৰ অধ্যক্ষৰ পুৰণি কাৰ্য্যলয় ভাঙি এটা নতুন ভৱন নিৰ্মাণৰ বাবে প্ৰায় এক কোটি টকাৰ অনুমোদন লাভ কৰাত সহায় কৰাৰ উপৰিও মৰিগাঁৱত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা অসম চৰকাৰৰ কেবিনেট বৈঠকত লোৱা এক সিদ্ধান্ত অনুসৰি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আমাৰ মহাবিদ্যালয়লৈ পাঁচ কোটি টকাৰ অনুমোদন আগবঢ়াইছিল, আৰু এই ধন ৰাশিৰে ইতিমধ্যে নতুন আৰু আধুনিক সুবিধাযুক্ত চাৰি মহলৰ আটকধুনীয়া বিজ্ঞান ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছে।

মোৰ কাৰ্যকালৰ বিগত ১৪ টা বছৰৰ ভিতৰত

মহাবিদ্যালয়খনলৈ অহা পৰিৱৰ্তন আৰু সামগ্ৰিক উত্তৰণত আজি মই অত্যন্ত সন্তুষ্ট। UGC ৰ স্বতন্ত্ৰ সংস্থা NAAC ৰ দ্বাৰা দুটাকৈ ৰাষ্ট্ৰীয় পৰ্যায়ত কৰোৱা মূল্যায়নত পূৰ্বৰ B Grade ৰ পৰা ২০১৬ চনত B Plus Grade আৰু ২০১৬ চনৰ B Plus Grade ৰ পৰা ২০২৩ চনত A Plus Grade লৈ উত্তৰণ ঘটোৱাবলৈ সক্ষম হোৱাৰ লগতে মহাবিদ্যালয়খনিক এখন আগশাৰীৰ NAAC ৰ A+ Grade প্ৰাপ্ত মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাবলৈ পাই মই আহ্লাদিত।

তদুপৰি বিগত বৰ্ষসমূহত ধাৰাবাহিকভাৱে ইণ্ডিয়া টুডেৰ দ্বাৰা চলোৱা ৰাষ্ট্ৰীয় ৰেংকিং সমীক্ষাত দেশৰ শ্ৰেষ্ঠ মহাবিদ্যালয় সমূহৰ লগত ৰাষ্ট্ৰীয় পৰ্যায়ত জাগীৰোড মহাবিদ্যালয়ৰ নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হোৱাৰ বাবে মই অত্যন্ত সন্তোষ অনুভৱ কৰোঁ।

সোণত সুৱগা চৰাই গুণগত মানৰ উত্তৰণৰ অকাট্য প্ৰমাণ হিচাপেই ২০২৫ বৰ্ষত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC)ৰ পৰা মহাবিদ্যালয়খনে Autonomous College ৰ স্বীকৃতি পোৱাটো মহাবিদ্যালয়খনত মোৰ শৈক্ষিক প্ৰশাসনৰ কাৰ্যকালৰ অন্যতম এক বিশেষ প্ৰাপ্তি বুলি বিবেচনা কৰোঁ।

অহা ২০২৬-২৭ শিক্ষা বৰ্ষৰ পৰা Integrated B.A. B.Ed. আৰু B.Sc. B.Ed. পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে NCTE অৰ্থাৎ 'ৰাষ্ট্ৰীয় শিক্ষক প্ৰশিক্ষণ পৰিষদ' ৰ পৰা ২০২৫ চনৰ ১৪ জুলাইত অনুমতি পত্ৰ প্ৰদান কৰিছে। ইয়াৰ ফলত জাগীৰোড মহাবিদ্যালয়ৰ পৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত প্ৰশিক্ষিত শিক্ষক সৃষ্টিৰ ব্যৱস্থা নিশ্চিত হ'ল, যিটো NEP 2020 ৰ অন্যতম এক বিশেষ ধাৰা হিচাপে বিবেচিত।

এই কেউটা সফলতাই মহাবিদ্যালয় পৰিয়ালৰ লগতে সমগ্ৰ জাগীৰোডবাসী ৰাইজৰ স্বাভিমান উজলাই তুলিলে। জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে সেয়ে আজি মই সুখী। গাঁৱত থাকিও (জাগীৰোড এতিয়াও টাউন হোৱা নাই) উৰ্ধমুখী চিন্তা-চৰ্চা অব্যাহত ৰাখি জাগীৰোড মহাবিদ্যালয়ৰ জৰিয়তে অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰখনক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ আন্তৰিক প্ৰচেষ্টাৰ ফলত আজি মহাবিদ্যালয়খনে আগন্তুক দিনত বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাৰ সংকল্পৰে ক্ৰমশঃ ধাৱমান হৈছে।

১৯৭৯ চনৰ জাগীৰোড মহাবিদ্যালয় সংযুক্ত (এফিলিয়েটেড)ৰ পৰা ২০২৬ চনত অত্যন্ত সম্ভ্ৰমেৰে জাগীৰোড মহাবিদ্যালয় স্বতন্ত্ৰ (অট'ন'মাচ)-লৈ উন্নীত হ'ল। জাগীৰোড মহাবিদ্যালয়ত এক নৱযুগৰ সৃষ্টি হ'ল। সকলো ঠিকে থাকিলে 'জাগীৰোড মহাবিদ্যালয় স্বতন্ত্ৰ' ৰ পৰা 'জাগীৰোড বিশ্ববিদ্যালয়' 'Jagiroad University' লৈ উন্নীত হোৱাৰ পথ মসৃণ হৈ আছে। যিটো কথা আমাৰ সন্মানীয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰিকা ডাঙৰীয়াই ২০২৫ চনৰ জুন মাহত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু প্ৰাক্তন ছাত্ৰ সন্মিলনৰ উদ্যোগত স্বতন্ত্ৰ মহাবিদ্যালয়ৰ স্বীকৃতি পোৱা উপলক্ষে অনুষ্ঠিত কৰা ৰাজহুৱা সভাত ইতিমধ্যে ব্যক্ত কৰিছে।

মহাবিদ্যালয়খনিৰ ভৱিষ্যৎ ইয়াতকৈও অধিক উজ্জ্বল হোৱা সম্ভাৱনাৰ দুৱাৰৰ চাবিকাঠী বৰ্তমানৰ নতুন প্ৰজন্মৰ সহকৰ্মীৰ হাতত ন্যস্ত। আমি দুটা বছৰৰ পিছত ইয়াৰ পৰা অৱসৰ গ্ৰহণ কৰি যাবগৈ লাগিব। সমুজ্জ্বল ভৱিষ্যতৰ সপোন কঢ়িয়াই বৰ্তমানক স্বকীয়তাৰে গঢ়াৰ পণ ল'বলৈ সকলোকে বিশেষকৈ নতুন প্ৰজন্মক আন্তৰিক আহ্বান জনালোঁ। আমি আশাবাদী এইবাবেই যে নৱাগত সহকৰ্মীসকলে অতি আগ্ৰহেৰে অনুষ্ঠানটোৰ বিভিন্ন দায়িত্বত মনোনিৱেশ কৰাটো প্ৰত্যক্ষ কৰিছোঁ। গতিকে চৰৈৱেতী চৰৈৱেতী.. জয়তু জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)।

●●●

### সাঁথৰ

- প্ৰশ্ন ঃ নেখাওতেই টেঁটুত ধৰে
  উত্তৰ ঃ ঘটি
- প্ৰশ্ন ঃ ঘৰৰ তলত ঘৰ তাতে পৰি মৰ
  উত্তৰ ঃ আঁঠুৱা



*প্ৰথম দৃষ্টিত গ্ৰন্থমেলাৰ উদ্দেশ্য হৈছে -গ্ৰন্থৰ বিক্ৰী, গ্ৰন্থকাৰৰ প্ৰচাৰ আৰু তেওঁলোকক প্ৰেৰণা যোগোৱা আৰু আৰ্থিক উপাৰ্জন কৰা। কিন্তু অন্তৰ্নিহিত উদ্দেশ্য মহান, যাৰ দ্বাৰা গ্ৰন্থৰ প্ৰচাৰ আৰু বিক্ৰীৰ জৰিয়তে পাঠক সৃষ্টি কৰা আৰু অধ্যয়নৰ যোগেদি জ্ঞান বিস্তাৰ কৰি বৌদ্ধিক বিকাশেৰে বৌদ্ধিক লোকসমাজ এখন গঠন কৰা।*

# গ্ৰন্থমেলা এক অনন্য বৌদ্ধিক আন্দোলন হ'ব পাৰে

**⏭ ডাঃ পুনিৰাম পাতৰ**
সভাপতি, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)

হয়, গ্ৰন্থমেলা এক অনন্য বৌদ্ধিক আন্দোলন হ'ব পাৰে - এয়া আমাৰো অভিমত। নিজৰ অভিমত প্ৰকাশি উপৰিউক্ত শিৰোনাম বিষয়ত দুআষাৰ লিখিবলৈ প্ৰয়াস কৰা হৈছে। গ্ৰন্থমেলা বুলি কওঁতে আমি সকলোৱেই বুজোঁ যে-বিভিন্ন লেখকৰ বিভিন্ন ধৰণৰ গ্ৰন্থৰ সমাহাৰ। কেতিয়াবা স্থান বিশেষে ইয়াৰ আকাৰ সৰু হ'ব পাৰে, কিন্তু গুৰুত্ব একে। কেতিয়াবা কম পৰিসৰত হ'লেও উপকাৰিতা কম বুলি ক'ব নোৱাৰি। বৃহৎ মেলাত বিস্তৰ গ্ৰন্থৰ সমাহাৰ, সেই অনুক্ৰমে দৰ্শক, ক্ৰেতাৰ উপস্থিতিৰ লগতে অধিক পৰিমাণৰ গ্ৰন্থ বিক্ৰীৰ সুবিধা থাকে। সেই অনুপাতে কম পৰিসৰ গ্ৰন্থ মেলাত গ্ৰন্থৰ পৰিমাণকে ধৰি দৰ্শক আৰু ক্ৰেতাৰ উপস্থিতি কম হোৱাটো স্বাভাৱিক।

**গ্ৰন্থমেলাৰ উদ্দেশ্য ঃ**

প্ৰথম দৃষ্টিত গ্ৰন্থমেলাৰ উদ্দেশ্য হৈছে -গ্ৰন্থৰ বিক্ৰী, গ্ৰন্থকাৰৰ প্ৰচাৰ আৰু তেওঁলোকক প্ৰেৰণা যোগোৱা আৰু আৰ্থিক উপাৰ্জন কৰা। কিন্তু অন্তৰ্নিহিত উদ্দেশ্য মহান, যাৰ দ্বাৰা গ্ৰন্থৰ প্ৰচাৰ আৰু বিক্ৰীৰ জৰিয়তে পাঠক সৃষ্টি কৰা আৰু অধ্যয়নৰ যোগেদি জ্ঞান বিস্তাৰ কৰি বৌদ্ধিক বিকাশেৰে বৌদ্ধিক লোকসমাজ এখন গঠন কৰা। তেনে প্ৰকৃত চিন্তা আৰু প্ৰয়াস নিশ্চয় প্ৰশংসনীয়। গ্ৰন্থ মেলাৰ জৰিয়তে পৰ্যাপ্ত গ্ৰন্থ বিক্ৰী আৰু পঢুৱৈ সৃষ্টি কৰাৰ স্থল আছে। এনেদৰে জ্ঞান বিস্তাৰৰ দ্বাৰা গ্ৰন্থমেলা আয়োজনৰ উদ্দেশ্য সফল কৰিব পাৰি।

**বৌদ্ধিক শব্দৰ অৰ্থ ঃ**

বৌদ্ধিক মানে জ্ঞান, বুদ্ধি, ধীশক্তিযুক্ত অৱস্থা যুক্তিপূৰ্ণ মানসিকতা সম্পন্ন relating to the intellect আৰু তেনে অৰ্থৰে ব্যক্তি বিশেষত Intellectual elite,বুদ্ধিজীৱী, বুদ্ধিদীপ্ত, জ্ঞানী বুলি অভিহিত কৰা হয়। সহজ অৰ্থত মানসিক উৎকৰ্ষ সাধন। গ্ৰন্থ জ্ঞানৰ ভঁৰাল, একাকী জীৱনৰ সঙ্গী, জীৱন বাটৰ বন্ধু আৰু আনন্দ ৰসৰ সুমধুৰ একোটি ফল।

**বৌদ্ধিক আন্দোলন ঃ**

আন্দোলনৰ অৰ্থ হৈছে কোনো উদ্দেশ্য সিদ্ধিৰ বাবে কৰা

এক প্ৰকাৰৰ আলোড়ন। ঠিক তেনেদৰে গ্ৰন্থমেলা আয়োজনৰ দ্বাৰা ইয়াক বৌদ্ধিক আন্দোলনলৈ উত্তৰণ ঘটাব পাৰিলেহে গ্ৰন্থমেলাৰ উদ্দেশ্য সফল হ'ব বুলি ক'ব পাৰি। বিভিন্ন লেখকৰ ভিন্ন ধৰ্মীগ্ৰন্থৰ সমাহাৰেৰে পঢ়ুৱৈৰ সৃষ্টি আৰু জ্ঞান বিস্তাৰৰ দ্বাৰা বৌদ্ধিক সমাজ সৃষ্টি কৰিবলৈ জনসাধাৰণৰ মাজত আগ্ৰহ আৰু আলোড়ন সৃষ্টি কৰিব পৰাটোহে একোখন গ্ৰন্থমেলা আয়োজনৰ প্ৰকৃত মাপকাঠী হোৱাটো বাঞ্ছনীয়। সহজ অৰ্থত বৌদ্ধিক আন্দোলনৰ অৰ্থ মানসিক বিকাশ সাধন।

সমাজক প্ৰভাৱিত কৰা কিছু গ্ৰন্থ আমি মাত্ৰ সমাজত প্ৰভাৱ সৃষ্টি কৰা কিছু গ্ৰন্থৰহে আলোচনা কৰিব খুজিছোঁ। বৈদিক যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান আধুনিক যুগলৈকে অনেক আৰু অলেখ বহু মূল্যৱান গ্ৰন্থ ৰচনা কৰা হৈছে। তাৰে অনেক গ্ৰন্থই সমাজত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছে। সেইবোৰ বেদ, উপনিষদৰ পৰা বৰ্তমানৰ আধুনিক গল্প, উপন্যাস, নাটক, সাধুকথা, ভ্ৰমণ কাহিনী, প্ৰবন্ধ, কবিতা আৰু সমাজ সচেতন কৰা ব্যঙ্গ সাহিত্য আদি বিভিন্ন লেখকৰ ভিন্ন ধৰ্মীগ্ৰন্থই সমাজত আলোড়ন সৃষ্টি কৰি আহিছে। যেনে- কেইটিমান উদাহৰণ —

**১। বৈদিক সাহিত্য ঃ** বৈদিক সাহিত্য বোলোতে চাৰি বেদৰ প্ৰভাৱ আজি আধুনিক যুগতো ম্লান হোৱা দেখা নাই। বেদৰ নিয়ম-নীতিৰে আজিৰ আধুনিক সমাজো প্ৰবৰ্তি আছে।

**২। উপনিষদ ঃ** উপনিষদ তথা বেদান্ত শাস্ত্ৰই বেদৰ পূৰ্ব মীমাংসাৰ ধাৰণাৰ কিছু পৰিৱৰ্তন সাধি জ্ঞান কাণ্ড অৰ্থাৎ ব্ৰহ্ম জিজ্ঞাসা জ্ঞান প্ৰদান কৰিছে। দেখা যায় বৰ্তমান ভাৰতীয় হিন্দু সমাজত উপনিষদৰ প্ৰভাৱ অপৰিসীম।

**৩। মহাকাব্য ঃ** মহাকাব্য বোলোতে আমি *ৰামায়ণ* আৰু *মহাভাৰত*কে বুজো। এই দুয়োখন মহাকাব্যৰ কাহিনীয়ে হিন্দুসকলক মোহাচ্ছন্ন কৰি ৰাখিছে। ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় সকলো দিশতে এই দুই মহাকাব্যৰ প্ৰভাৱ বিদ্যমান। সংস্কৃতৰ *ৰামায়ণ, মহাভাৰত* ভাৰতীয় বিভিন্ন ভাষালৈ অনুদিত হৈছে। মহাভাৰতৰ অসমীয়া ভাঙনি হিন্দী কথা *মহাভাৰত*, মূল ৰচনা- চক্ৰৱৰ্তী ৰাজা গোপালাচাৰী -অসমীয়া অনুবাদ -মহাদেৱ শৰ্মা। ৰামায়ণৰ কাহিনী হিন্দীত প্ৰকাশ হৈছে। ৰাম চৰিত মানস- তুলসী দাস। অসমীয়াত *ৰামায়ণ*ৰ মাধৱ কন্দলী ৫ টা কাণ্ড আৰু আদিকাণ্ড মাধৱদেৱ আৰু উত্তৰা কাণ্ড শঙ্কৰদেৱে অসমীয়ালৈ ভাঙনি কৰিছে। যি ভাষাতে ৰচিত বা অনুদিত নহওক কিয় ভাৰতীয় সমাজৰ সকলো স্তৰতে ইয়াৰ প্ৰভাৱ অবৰ্ণনীয়।

**৪। গীতাশাস্ত্ৰ বা *শ্ৰীমদ্ভাগৱত গীতা* ঃ** সংস্কৃত ভাষাৰ পৰা বিশ্বৰ প্ৰায় ৮০ (আশী) টা ভাষালৈ এই শাস্ত্ৰখন অনুদিত হৈছে - তাৰ ভিতৰত ইংৰাজী, ফৰাচী, জাৰ্মান আদি উল্লেখযোগ্য। ইচ্কন নামৰ অনুষ্ঠানটোৱেও সংস্কৃতৰ পৰা ইংৰাজী আৰু বাংলা ভাষালৈ অনুবাদ কৰিছে। গীতা শাস্ত্ৰৰ যথাযথ সংস্কৰণ এটাও অসমীয়া ভাষালৈ অনুবাদ কৰিছে ড° মুকুন্দ মাধৱ শৰ্মাই। অসমীয়ালৈ অনুবাদ কৰিছে গোৱিন্দ মিশ্ৰই।

**৫। *শ্ৰীমদ্ভাগৱত শাস্ত্ৰ* (ভাগৱত) ঃ** ভাগৱত শাস্ত্ৰখনো ইংৰাজী, জাৰ্মান, ফৰাচী, বঙলা আৰু লগতে অসমীয়া ভাষালৈও অনুদিত হৈছে। অসমৰ বাহিৰে ভাৰতবৰ্ষৰ অন্য ৰাজ্যত হিন্দী ভাষাৰ ভাগৱতৰ প্ৰচলন অধিক, পশ্চিমবংগত বাংলা ভাষাত আৰু অসমত অসমীয়া ভাগৱতৰ আদৰ, শ্ৰদ্ধা অধিক। বিশেষকৈ অসমত শঙ্কৰদেৱৰ অনুদিত ভাগৱত শাস্ত্ৰৰ মান্যতা সৰ্বাধিক। অৱশ্যে উল্লেখযোগ্য যে অসমীয়া ভাগৱতখনি শঙ্কৰদেৱৰ লগতে অনন্ত কন্দলী, গোপাল চৰণ দ্বিজ, আদি ভালেকেইগৰাকী পণ্ডিতেও কেইটামান স্কন্ধ অনুবাদ কৰিছে। ভাৰতীয় সমাজ ব্যৱস্থাত সৰ্বাধিক গঠিত, আলোচিত আধ্যাত্মিক তথা শাস্ত্ৰ হৈছে - *গীতা* আৰু *ভাগৱত* শাস্ত্ৰ। এই দুই শাস্ত্ৰৰ প্ৰভাৱ কিমান গভীৰ আৰু সুদূৰপ্ৰসাৰী তাক বৰ্ণনা কৰাটো ধৃষ্টতা মাথোঁ।

**৬। শঙ্কৰদেৱ বিৰচিত *কীৰ্ত্তন পুথি* ঃ** কীৰ্ত্তন পুথি অসমীয়া সমাজত সৰ্বজনৰ আদৰণীয়। সৰ্বতোভাৱে পঠিত আলোচিত, কীৰ্ত্তন (নাম-প্ৰসঙ্গকে ধৰি) কৰা শঙ্কৰদেৱৰ মহান সৃষ্টি।

**৭। শঙ্কৰদেৱ বিৰচিত *গুণমালা* পুথি ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা বিৰচিত গুণমালা পুথিখন তেৰাৰ জীৱনৰ উৎকৃষ্টতম ৰচনা। গুণমালা পুথি আধ্যাত্মিকতাৰ উচ্চতম ভেঁটি বুলিব পাৰি।

**৮। মাধৱদেৱ বিৰচিত *নামঘোষা* শাস্ত্ৰ ঃ** অসমীয়া সমাজত *নামঘোষা*ৰ প্ৰভাৱ বৰ্ণনা কৰি শেষ কৰিব পৰা নাযায়। সকলো ধৰ্মীয় অনুষ্ঠানতে ঘোষাৰ উচ্চাৰণ বা গায়ন দেখা যায়। সেয়া আৰম্ভণি হ'ব পাৰে, অপৰাধ মাৰ্জনা হ'ব পাৰে, স্তুতি হ'ব পাৰে আৰু অনুষ্ঠানৰ সামৰণিও হ'ব পাৰে।

**৯। নাটক ঃ** সংস্কৃত নাটকৰ ভিতৰত মহাকবি কালিদাসৰ *অভিজ্ঞান শকুন্তলম্* উল্লেখযোগ্য নাটক। শঙ্কৰদেৱৰ অঙ্কীয়া নাটকৰ ভিতৰত আটাইতকৈ অধিক প্ৰভাৱশালী নাটকখন হৈছে *কেলি গোপাল* (ৰাসক্ৰীড়া) আৰু তাৰ পিছতে *পাৰিজাত হৰণ, ৰাম বিজয়* আদি।

আধুনিক যুগৰ লেখক-সাহিত্যিকসকলৰ সাহিত্যৰাজি—

১। অসমীয়া কবিসকলৰ কেইখনমান প্ৰভাৱশালী কাব্য গ্ৰন্থ—

**ক) নৰকান্ত বৰুৱাৰ ঃ** *মোৰ আৰু পৃথিৱীৰ* (১৯৭৮)।

**খ) হীৰেন ভট্টাচাৰ্যৰ ঃ** *সুগন্ধি পখিলা* (১৯৮১)। আৰু অনেক জন।

**২। গল্পকাৰ—**

**ক) সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ঃ** যাক ৰসৰাজ, গল্পৰ জনক অভিধাৰেৰে পৰিচিত কৰিছে। যেনে -*জোনবিৰি* (১৯১৩), *কেহোঁকলি, সুৰভি, সাধুকথাৰ কুঁকি।*

**খ) চৈয়দ আব্দুল মালিক ঃ** *অন্য আকাশ, অন্য তৰা* (১৯৬২)।

**(গ) মামণি ৰয়ছম গোস্বামী ঃ** *হৃদয় এক নদীৰ নাম*।

**৩। বেজবৰুৱাৰ ৰম্য ৰচনা ঃ** *কৃপাবৰ বৰুৱা, মোৰ জীৱন সোঁৱৰণ* আদি।

**৪। বেজবৰুৱাৰ সাধু কথা ঃ** *ককাদেউতা আৰু নাতি ল'ৰা, বুঢ়ী আইৰ সাধু* ইত্যাদি।

**৫। অসমীয়া উপন্যাস—**

**ক) লক্ষীনন্দন বৰা ঃ** *গঙ্গা চিলনীৰ পাখি, পাতাল ভৈৰবী* আদি।

**খ) চৈয়দ আব্দুল মালিক ঃ** *সুৰুযমুখী স্বপ্ন, অঘৰী আত্মাৰ কাহিনী, ধন্য নৰতনু ভাল* আদি।

**গ) হোমেন বৰগোহাঞি ঃ** *পিতাপুত্ৰ, মৎস্যগন্ধা, হালধীয়া চৰাইয়ে বাওধান খায়* আদি।

**ঘ) মামণি ৰয়ছম গোস্বামী ঃ** *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, মামৰে ধৰা তাৰোৱাল* আদি।

**ঙ) ৰীতা চৌধুৰী ঃ** *দেও লাংখুই, মাকাম, জল-পদ্ম* আদি।

**চ) অনুৰাধা শৰ্মা পূজাৰী ঃ** *মেৰেং, নাহৰৰ নিৰিবিলি ছাঁ, ইয়াত এখন অৰণ্য আছিল* আদি।

**জ) জয়ন্ত মাধৱ বৰা ঃ** *মৰিয়াহোলা, জলপ্ৰপাত, মায়াং,* -ইত্যাদি। এয়া মাত্ৰ কিছু উদাহৰণহে।

জোনাকী যুগৰ পৰা বৰ্তমানলৈকে অনেকজন অসমীয়া প্ৰথিতযশা কবি, গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰৰ সৃষ্টি হৈছে। প্ৰবন্ধৰ কলেৱৰৰ প্ৰতি লক্ষ্য ৰাখি সকলোৰে কৰ্মৰাজি উল্লেখ কৰিব পৰা নহ'ল।

**কেইটিমান বৌদ্ধিক বিকাশ আন্দোলন ঃ**

**১। ড° ভীমৰাও আম্বেদাকাৰৰ বৌদ্ধিক আন্দোলন ঃ** তেখেতে The Annihilation of Caste (জাতিভেদৰ বিলুপ্তি), The problems of the Ruppee (ভাৰতীয় মুদ্ৰা সমস্যা, Who were the shudras (শূদ্ৰ কোন আছিল) আদি অতি গভীৰ মননশীল গ্ৰন্থৰে সমাজৰ সমস্যা সমূহ ধৰাই নহয়, এই সমস্যাসমূহ দূৰীকৰণৰো ব্যৱস্থা আগবঢ়াইছিল। তেখেত বুদ্ধদেৱৰ দয়া, অহিংসা নীতিৰ প্ৰতি আকৰ্ষিত হৈ সমাজৰ পৰা জাতি, ভেদ, হিংসা, অসূয়া দূৰ কৰি এখন শান্তিপূৰ্ণ সমন্বয়ৰ সমাজৰ সপোন ৰচিছিল।

**২। বুদ্ধদেৱৰ বৌদ্ধিক আন্দোলন ঃ** বুদ্ধদেৱৰ আন্দোলন আছিল বৈপ্লৱিক। তেওঁ চাৰি আৰ্যসত্য যেনে- জীৱনৰ দুঃখ আছে, দুখৰ কাৰণ আছে, দুখ নিবাৰণ কৰিব পাৰি আৰু দুখ নিবাৰণৰ পথ আছে - এই দৃষ্টিৰে অহিংস নীতি লৈ মোক্ষৰ সন্ধান দিছিল।

**৩। মহাবীৰৰ বৌদ্ধিক আন্দোলন ঃ** জৈন ধৰ্ম পুনৰ উদ্ধাৰৰ বাবে ভূমিকা লোৱা ২৪ জন তীৰ্থঙ্কৰৰ ভিতৰত শেষৰজন আছিল মহাবীৰ। জৈনধৰ্মৰ মূল বাণী আছিল- জীৱনৰ প্ৰতি দয়া, অহিংসা আৰু সমাজত শান্তি স্থাপন কৰা । ধৰ্ম অনুশীলনৰ দ্বাৰা আত্মাৰ উন্নতি সাধন কৰা। আত্মাৰ উন্নতি সাধনৰ অৰ্থ হৈছে - সকলোকে আত্মসম দেখা।

**৪। শঙ্কৰদেৱৰ বৌদ্ধিক আন্দোলন ঃ** শঙ্কৰদেৱৰ বৌদ্ধিক আন্দোলন যাক সাধাৰণতে কোৱা হয় ভক্তি আন্দোলন, আৰু এই আন্দোলনৰ মূল ভেটি ভাগৱত শাস্ত্ৰ আৰু মূলমন্ত্ৰ ভাগৱত শাস্ত্ৰ নিৰ্দেশিত সত্য, শৌচ, তপ আৰু দয়া। এই মূলমন্ত্ৰক প্ৰতিষ্ঠা কৰি সমাজ সংস্কাৰ কৰাৰ বাবেই তেৰাৰ সাহিত্য-সংস্কৃতি, নৃত্য, গীত, ভাওনা আদিৰ সৃষ্টি। তেৰাৰ বৌদ্ধিক আন্দোলনক চাৰিওফালে বিস্তাৰিত কৰিবলৈ মাধৱদেৱক মূল সাৰথি কৰি লৈ কৰ্মত অগ্ৰসৰ হৈ পৰিছিল। গুৰুজনাৰ আন্দোলনৰ অংশ আছিল গীত, নৃত্য ভাওনাৰ লগতে ভাগৱত চৰ্চা। অসমীয়া সমাজত শঙ্কৰদেৱৰ প্ৰভাৱ কিমান সুদূৰপ্ৰসাৰী মাত্ৰ দুটামান নমুনা দাঙি ধৰিব খুজিছোঁ। যতীন্দ্ৰনাথ দুৱৰাই লিখিছে—

"মধুৰ ঝঙ্কাৰ তাৰ গভীৰ উদাৰ সুৰে।
আজিও উঠিছে বাজি অসমৰ ঘৰে ঘৰে।।
তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ।
গোটেই অসমভূমি বিস্তৃত জীৱনী যাৰ।"

আন এগৰাকী আখ্যাত কবিয়ে লিখিছে—

"ভাৰত পুৰাণ চালো নোহে একো সম।
কোনবা অমৃতে তুমি লিখিলা দশম।।"

মহাপুৰুষ মাধৱদেৱে লিখিলে—

"গীত কবিত্ব গুণ শঙ্কৰদেৱৰ কীৰিতি গৈয়ো বহুদূৰ।"

**সামৰণি ঃ**

সামৰণিত আমি ইয়াকে ক'ব খোজোঁ যে - গ্ৰন্থমেলাৰ আয়োজনটোৱেই এক মহান পৱিত্ৰ কৰ্ম। পৱিত্ৰ বুলি এই কাৰণেই

কোৱা হৈছে যে- য'ত সজ বাক্য আলাপ হয়, য'ত সজ আদৰ্শ প্ৰদৰ্শন হয় আৰু যি কৰ্মৰ দ্বাৰা জনগণৰ মঙ্গল সাধনৰ বাবে চেষ্টা কৰা হয় - সেয়ে মহৎ আৰু পৱিত্ৰ কৰ্ম। বৌদ্ধিক চিন্তা-চৰ্চাটোও মহৎ কৰ্ম। গতিকে গ্ৰন্থমেলাক বৌদ্ধিক আন্দোলনৰ ৰূপ দিবলৈ হ'লে উল্লিখিত গ্ৰন্থৰ উপৰি শিশু সাহিত্য, সদাগৰ মূলক নীতি শাস্ত্ৰ, মহৎ লোকৰ জীৱনী, মহৎ লোকৰ বাণী সম্বন্ধীয়, ভক্তিমূলক গ্ৰন্থ, বিজ্ঞান, ভূগোল, ইতিহাস জাতীয়, ভ্ৰমণ কাহিনী, জনগোষ্ঠীয় সাহিত্য সংস্কৃতিমূলক গ্ৰন্থ, সমাজ বিজ্ঞান, বৰ্তমান সামাজিক পৰিস্থিতি বিষয়ক গ্ৰন্থ আদি অসমীয়া, হিন্দী, ইংৰাজী, বাংলা ইত্যাদি ভাষাৰ বিভিন্ন লেখকৰ ভিন্নধৰ্মী গ্ৰন্থৰ সমাহাৰ হোৱাটো মঙ্গলদায়ক বুলি বিবেচনা কৰোঁ। আধুনিক বিজ্ঞানৰ যুগ বুলি পৌৰাণিক সাহিত্যৰাজিক একাষৰীয়া কৰিলে অনেক জানিবলগীয়া কথাও ৰৈ যাব। গতিকে অতীজৰ পৰা বৰ্তমানৰ যুৱ লেখক-লেখিকালৈ, পুৰাণ সাহিত্যৰপৰা বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ গ্ৰন্থলৈকে উপলব্ধ হ'লে নিশ্চয় পাঠক-পাঠিকা, লেখক-লেখিকা সকলোৱেই লাভান্বিত হ'ব আৰু নতুন চাম লেখক-লেখিকাই প্ৰেৰণাও লাভ কৰিব। এনেধৰণৰ চিন্তা-চৰ্চাৰে আয়োজিত গ্ৰন্থমেলাই নিশ্চয় এক অনন্য বৌদ্ধিক আন্দোলনৰ ৰূপলৈ গতি কৰিব আৰু এদিন এই আন্দোলনে সফলতা লাভ কৰিব। এনে আন্দোলন এদিন মানসিক সংস্কাৰৰ আধাৰ হৈ উঠিব।

●●●

## মহৎ লোকৰ বাণী

❒ তোমাৰ শিক্ষা মূল্যহীন বুলি ভাবিবা, যদিহে ই সত্য আৰু পৱিত্ৰতাৰ ভেটিত সু-প্ৰতিষ্ঠিত নহয়।

**— মহাত্মা গান্ধী**

❒ আমাক সেই শিক্ষা লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শক্তি বাঢ়ে, মেধা বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিত থিয় দিব পাৰে।

**— স্বামী বিবেকানন্দ**

❒ কিতাপৰ যি শক্তি আছে ই আমাক মাটিৰ সৈতে চিনাকি কৰাই দিয়ে আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগত মানুহৰ সম্পৰ্ক প্ৰসাৰিত কৰে। কিতাপ নপঢ়া জাতি সময়ৰ সোঁতত উছন হৈ যায়।

**— প্ৰাক্তন উপাচাৰ্য অমৰজ্যোতি চৌধুৰী**

❒ শিক্ষকসকল জন্মদাতা পিতৃ-মাতৃতকৈ বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে সন্তানক জন্মহে দিয়ে, জীৱন-যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে।

**— এৰিষ্ট'টল**

জয়ন্ত হাজৰিকাৰ গোটেই সংগীত চৰ্চ্চাৰ ভিতৰত যেন লুকাই আছিল এখন বিশাল হৃদয় - - মানুহক ভালপোৱা, মানুহৰ বাবে সেৱা আগবঢ়োৱা আৰু মানুহৰে ৰূপান্তৰ তথা উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰা। সংগীত আছিল যেন এক বিশ্বজনীন সৰগীয় মাধ্যম। এই প্ৰৱল আৰু সীমাহীন ধাউতি অথবা প্ৰেমৰ ঐশ্বৰ্য্যই জয়ন্তদাক দিছিল সত্য অন্বেষণৰ জীৱন দৰ্শন আৰু দিছিল জীৱন জগোৱা, জীৱন জয়ৰ কল্পনা অথবা মাদকতা ভৰা উন্মাদনা। সুৰ আৰু গান আছিল তাৰ বহিঃপ্ৰকাশ মাথোন।



# জয়ন্ত হাজৰিকা

## আৰু সুৰৰ পৃথিৱী স্বপ্নভৰা

**ড° পবন চন্দ্ৰ গগৈ**
প্ৰাক্তন উপাধ্যক্ষ, জাগীৰোড মহাবিদ্যালয়

অসমৰ অনন্য সুৰকাৰ, গায়ক, সংগীত পৰিচালক শিল্পী জয়ন্ত হাজৰিকাৰ সুৰ, গায়কী আৰু সংগীত চৰ্চাৰ অন্তৰালত লুকাই থকা জীৱনবীক্ষা তথা সত্য অন্বেষণৰ প্ৰৱল অনুভৱ-উপলব্ধি সম্পৰ্কে এবাৰ যেন জুমি চাবলৈ মন গ'ল। ৰত্ন ওজা ৰচিত '*লুইতৰ সোঁতত লিখা ৰ'ব*' গীতটিৰ মাজৰ শাৰী দুটামান 'মোৰো যে যৌৱন প্ৰাণেৰে উপচা, সুৰুযৰ জুই সনা /ব্যেথা বালিঘৰ নাচাও উভতি নিদিও অশ্ৰুকণা, সোঁতৰ দৰেই মোৰো যে জীৱন সঁচা/' ইমান হৃদয়স্পৰ্শীকৈ গাইছে যে ক'বলৈ ভাষা নাই। (জয়ন্তদাৰ সুৰৰ মাজত লুইত আৰু দুপাৰৰ মানুহৰ আশা-আকাঙ্খা লুকাই থাকে। তেখেত নিজেই অসমীয়াৰ প্ৰাণৰ লুইতৰ যেন এটি অনন্ত অনাবিল গতিময়তাৰে ভৰা নিৰ্মল স্ৰোতধাৰা।) হেমন্ত দত্তৰ 'মোৰ এই নাওঁ' শীৰ্ষক গীতটিৰ মাজৰ 'পালোঁ আশা মই, তাতেই তৰি বাই, লয় পালোঁ তাত, গতি আছে য'ত' শাৰীটিৰ সুৰত আশাৰ তৰি বাই গতিত বিলীন হোৱাৰ কি যে প্ৰৱল হেঁপাহ দুটি উঠিছে। জয়ন্তদাৰ সুৰৰ সাগৰত জিলিকি থকা মহা গীতিকাৰ হেমন্ত দত্ত ৰচিত আন এটি গীত হ'ল 'মই যি বাটেৰে ওলালোঁ আজি নাহোঁ ওলটি'। এই গীতটিৰ মাজৰ শাৰী দুটা মন কৰকচোন। 'মই ন সাহেৰে সাহসী আজি নাহোঁ উলটি /মই ন আশাৰে ফুলনি সাজি ফুৰো উমলি, মই ন পথেৰে জ্যোতিৰে পখী ফুৰো বিচাৰি'। বহুতে জয়ন্তদাই অসময়ত এই বিনন্দীয়া পৃথিৱী এৰি সৰগলৈ গুচি যোৱাৰ লগত 'মই যি বাটেৰে ওলালোঁ

আজি নাহোঁ উভতি' শাৰীটিক মিলাই ক'ব খোজে যে তেখেতে এই গীতটিৰ জৰিয়তে পৃথিৱীৰ পৰা বিদায় লোৱাৰ আগজাননীহে যেন দি থৈ গ'ল। আনকি এক সাক্ষাৎকাৰ প্ৰসংগত গীতটিৰ ৰচক হেমন্ত দত্তইও এই গীতটিৰে তেখেতৰ মৃত্যু মাতি আনিলোঁ নেকি বুলি ভাবি নিজকে অপৰাধী বোধ কৰি দুখ প্ৰকাশ কৰে। কাৰণ এই যুগমীয়া গীতটি গোৱাৰ কিছুদিনৰ পিছত জয়ন্তদাই অসমৰ সকলোকে কন্দুৱাই পৃথিৱীৰ পৰা বিদায় ল'লে। আচলতে সেইটো কেতিয়াও নহয়। 'মই ন সাহেৰে সাহসী আজি' বা 'মই ন আশাৰে জ্যোতিৰে পখী ফুৰোঁ বিচাৰি' শাৰীকেইটাৰ সুৰ-গায়কীৰ মাজত লুকাই থকা যোগাত্মক জীৱন বীক্ষা, সংগীতপ্ৰেমী মাত্ৰেই অনুপ্ৰেৰণাৰ উৎস। এদিন কথা প্ৰসংগত মনীষা হাজৰিকাইও এই গীতটিৰ মাজত থকা প্ৰবল যোগাত্মক দিশটোৰ কথা উনুকিয়াইছিল। হেমন্ত দত্তৰ আন এটি প্ৰতিশ্ৰুতিপূৰ্ণ ৰচনা 'সময় গতিশীল' গীতটিৰ মাজৰ 'ওচৰ হয় গতিতে সুদূৰ দূৰণি' আৰু 'ৰচিম মই সময় পাততে সাহৰ ন কাহিনী' অথবা 'ৰাখিম ধৰি মোৰ সুৰেৰে নতুন আৰু পুৰণি, সাজিম মই এই দুয়োৰে নতুন সুৰ বাহিনী' কথাকেইটিত জয়ন্তদাই কি যে অমিয়া আৰু প্ৰতিশ্ৰুতিপূৰ্ণ সুৰ ঢালি দিছে।

অসমৰ মানুহৰ অতিকৈ মৰমৰ 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্য্যৰ ভাষাত 'সুৰ গানৰ প্ৰথম প্ৰয়োজন'। (জয়ন্তদাই হীৰুদাৰ ৩টা গীততো সুৰ দিছে আৰু গাইছে। কিন্তু সেই অতি জনপ্ৰিয় গীতকেইটি মনীষা হাজৰিকাইহে বাণীবদ্ধ কৰিছে।) এনেকৈয়ে ক'ব পাৰি যে গীতিকাৰৰো এটা নিজস্ব সুৰ থাকে। সুৰকাৰে সেই সুৰত প্ৰাণ প্ৰতিষ্ঠা কৰে অথবা সুৰকাৰে নিজস্ব সুৰেৰে সজাওতে গীতিকাৰৰ সুৰৰ লগত একাত্ম হ'ব পাৰিলে সফল গীত হৈ জিলিকি উঠে। ৰত্ন ওজাৰ গীতটি আৰু হেমন্ত দত্তৰ গীতকেইটিতো এই কথাটো খাপ খাই পৰা যেন লাগে। হেমন্ত দত্তৰ ওচৰলৈ জয়ন্তদাই গীত বিচাৰি যায় বা হেমন্ত দত্ত জয়ন্তদাৰ ঘৰলৈ আহে। কেতিয়াবা জয়ন্তদাই সুৰটো কৰাৰ পিছত জয়ন্তদাৰ ঘৰলৈ আহি হেমন্ত দত্তই গীতটি লিখে। এনে মণিকাঞ্চন সংযোগ জয়ন্তদাৰ নিৰ্মলপ্ৰভা বৰদলৈৰ লগতো আছিল। জয়ন্তদাই সম্ভৱ নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচিত গীতেই গাইছে আটাইতকৈ বেছি। 'আগলি বতাহে কঁপালে কলৰে পাত'ৰ পৰা আৰম্ভ কৰি (জয়ন্তদাৰ প্ৰথম ব্যৱসায়িক ৰেকৰ্ডিঙৰ গীত) 'মোৰ নাম অনিৰুদ্ধ', 'নিবিড় বনে যে মাতিছে যা' আদি গীতবোৰ বাইদেউৰ ৰচনা আৰু জয়ন্তদাৰ সুৰ আৰু গায়কীৰে অমৰত্ব লাভ কৰা। কেতিয়াবা জয়ন্তদাই সুৰটো দি থয়, বাইদেৱে লিখে। কেতিয়াবা লিখি থাকোঁতে সুৰ দি থাকে বা গাই থাকে। ৱাহ ! কেনে অপৰূপ সৃষ্টিকলা! জয়ন্তদাই আনৰ সুৰত গোৱা গীতৰ সংখ্যা কম যদিও সুগায়ক, সুৰকাৰ জ্যোতি প্ৰকাশ দাসৰ সুৰত গোৱা 'কেতিয়াবা বেজাৰতে', 'সন্ধিয়াৰ আকাশত এহালি তৰাই', 'মোৰ মিনতি' আৰু তমসা অ' তমসা' আৰু সুৰকাৰ জনী জোচেফৰ সুৰত গোৱা 'মায়াময় ৰূপালী জোনাক' আৰু 'দূৰ সুদূৰ বনে বনে' গীতবোৰ উল্লেখযোগ্য আৰু গীতবোৰে প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰে। জগদীশ বৰুৱাৰ সুৰত গোৱা 'তোমাৰ কথা যেতিয়া ভাৱো' আৰু 'শৰতৰে তুমি জোন যেন' গীতকেইটিৰ সুৰ আৰু গায়কী অতি মন পৰশা। এইখিনি গীত জয়ন্তদাই আনৰ সুৰতহে যে গাইছিল কৈ নিদিলে বিশ্বাস নহ'ব। গীতৰ কথাত ইমান মগন হৈ গভীৰ আন্তৰিকতা, নিষ্ঠা, প্ৰত্যয়েৰে সুৰকাৰক সন্মান কৰি গাইছে যে নিজে সুৰ কৰি গোৱা যেন লাগে।

'সুৰ বাহিনী' (হেমন্ত দত্তৰ গীতৰ পৰা লোৱা শব্দ) জয়ন্তদাৰ জীৱনৰ এক মধুৰতম আৰু আদৰ্শনীয় সৃষ্টি। অসমৰ বানপীড়িত, দুখিত আৰু শোষিত জনৰ আৰ্তনাদৰ প্ৰতি গীতেৰে সুৰেৰে সঁহাৰি জনাবলৈ জয়ন্তদাই ১৯৭৭ চনত বাৰিষাৰ সময়ত গোলাঘাটৰ পৰা আৰম্ভ কৰিছিল এই অমিত অমোঘ যাত্ৰা। সেই বছৰে আগষ্ট মাহত ডিব্ৰুগড়ত গৈ উপস্থিত হোৱা 'সুৰ বাহিনী'ক তেখেতে প্ৰখ্যাত ঢোলবাদক, মহান অসমীয়া মঘাই ওজাৰ চিকিৎসাৰ পুঁজি সংগ্ৰহৰ বাবে ব্যৱহাৰ কৰিব খুজিছিল। উল্লেখ নকৰি নোৱাৰি যে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ৰচিত 'লুইতৰ বলীয়া বান তই ক'লৈনো ঢাপলি মেলিছ' শীৰ্ষক গীতটিৰ মাজৰ 'লুইতৰ পাৰতেই জনম আমাৰ, পানীয়েই পিতৃ শক্তি আমাৰ /সেই শক্তিৰেই বানক ৰোধিম, সহস্ৰ হাতেৰে দুপাৰ বান্ধিম /তোৰেই শক্তিক কাঢ়ি কাঢ়ি আনি তোকেই আমাৰ ভৃত্য কৰিম' বুলি কি যে বলিষ্ঠ আৰু প্ৰতিবাদী ধৰণৰ সুৰ দিছিল জয়ন্তদাই ! (জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপান্তৰ' তত্ত্বকথাৰ আন দুটা দিশৰ লগতে মানুহৰ এটা 'প্ৰতিবাদী সত্তা' থাকিব লাগিব বুলি কোৱা কথাটো এই মুহূৰ্তত মনলৈ আহিল।) জয়ন্তদাৰ নিজৰ ভাষাত "সংস্কৃতিৰ নামত দুস্কৃতিৰ পোহাৰ মেলাসকলক সুৰ বাহিনীয়ে বাধা দিব সুৰেৰে গীতেৰে"। শিল্পীৰ বাবে ইয়াতকৈ ডাঙৰ প্ৰতিশ্ৰুতি আৰু নতুন প্ৰজন্মৰ বাবে সেন্দুৰীয়া বাট আন এটা কি হ'ব পাৰে? 'সুৰবাহিনী' অভিযানৰ সেই চুটি সময়তে জয়ন্তদাই সুৰ কৰি পেলাইছিল আঠোটাকৈ জীৱন জগোৱা গীত। তাৰে এটা আছিল নিৰ্মল প্ৰভা বৰদলৈ ৰচিত 'আজি প্ৰাণৰ মেলা পাতিছোঁ, নতুন নাটক মেলিছোঁ /সুৰৰ বন্তি নাচৰ শিখা আকাশ ধিয়াই জ্বলিছোঁ'। আচলতে জয়ন্তদাৰ ক্ষেত্ৰত শব্দৰ উচ্চাৰণ,

উপস্থাপন, অধ্যয়ন, সৃষ্টিশীলতা আৰু বিশেষভাৱে মিঠা অনন্য কণ্ঠৰ উপৰি হৃদয়ৰ গভীৰতা, উপলব্ধিহে গীত সুৰ কৰা আৰু গোৱাৰ আধাৰ যেন লাগে।

জয়ন্ত হাজৰিকাৰ সুৰ পৰিক্ৰমা তথা সংগীত চৰ্চাৰ আঁৰত আৰু কেইটামান দিশৰ প্ৰভাৱ আছে যেন লাগে। প্ৰথম তেখেতৰ পৰিয়াল আৰু জ্যেষ্ঠ ভাতৃ ড° ভূপেন হাজৰিকাৰ সাংগীতিক মহাজীৱনৰ প্ৰভাৱ। তাৰ পিছতে নিশ্চয় বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগতে ভাৰতীয় 'গণনাট্য সংঘ'ৰ বিশাল ব্যক্তিত্বৰ অধিকাৰীসকল তথা সংগীত শিল্পীসকলৰ সান্নিধ্য। সেইসকলৰ ভিতৰত সংগীত শিল্পী হেমাংগ বিশ্বাস, সলিল চৌধুৰী, বলৰাজ চাহানী, ব্ৰজেন বৰুৱা (ব্ৰজদা), সুমিত্ৰা মিত্ৰ, দেৱব্ৰত বিশ্বাস আদিৰ দৰে বৰণীয় ব্যক্তিসকলৰ পৰা পোৱা অনুপ্ৰেৰণাৰ কথা জয়ন্তদাই বিশিষ্ট অনাতাঁৰ ব্যক্তিত্ব কমল শৰ্ম্মাৰ লগত হোৱা সাক্ষাৎকাৰ প্ৰসংগত (শব্দফুল) নিজেই উল্লেখ কৰি গৈছে। ইয়াৰোপৰি ১৯৬৩ চনত ভূপেনদাৰ লগত সহযোগী সংগীত পৰিচালক হিচাপে ছাঁৰ দৰে থাকি 'মণিৰাম দেৱান' বোলছবিত বংগৰ শ্যামল মিত্ৰৰ সৈতে দ্বৈত কণ্ঠত গোৱা প্ৰথম নেপথ্য গীত 'সোণাৰ বৰণ পাখীৰে তোৰ হেঙুল বৰণ আখি'ৰ অভিজ্ঞতা-উপলব্ধিয়ে জয়ন্তদাৰ বাবে নিশ্চয় নতুন গতিময়তা আনি দিছিল। গীটাৰ, ডোম্বৰা, একৰডিয়ান, তবলা আৰু মেন্দোলীন বজোৱাত সিদ্ধহস্ত জয়ন্তদাৰ গীটাৰ আৰু হাৰমণিয়ামত সুন্দৰ দখল আছিল। বাৰ্লিনলৈ দ্বিতীয়বাৰ যাওঁতে এগৰাকী কানাডীয়ান শিল্পীয়ে জয়ন্তদাক তেওঁৰ গীতত হাৰমণিয়াম সংগত কৰিবলৈ অনুৰোধ কৰিছিল এটা দূৰদৰ্শনৰ অনুষ্ঠানত। শিল্পী গৰাকীয়ে হেনো গীতৰ লগত নিজে কেৱল বেঞ্জু এখনহে লৈ বজাইছিল আৰু গাইছিল! উল্লেখ্য যে জয়ন্তদাই ভূপেনদাৰ 'অ' মিচিং ডেকাটি', 'মিলনৰে এই শুভক্ষণ' আদি ভালেমান গীতত গীটাৰ আৰু ডোম্বৰা বাদ্যত Prelude আৰু Interlude বজাইছিল। কলিকতাৰ হিমাংশু বিশ্বাসৰ সংগীত গোষ্ঠীৰ এগৰাকী সদস্য হিচাপে নানা অনুষ্ঠানত গীটাৰ আৰু একৰডিয়ান বজাইছিল। অসমৰ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত জয়ন্তদাই গোৱা প্ৰথম গীতটি আছিল 'অ অসমৰে ৰাইজ, মুকুতিৰ সেনানী আজি সাজ'।

জয়ন্তদাই ভূপেনদাৰ সংগীত পৰিচালনাত 'লটি ঘটি', 'চিকমিক বিজুলী' আদি চিনেমাত গীত পৰিৱেশন কৰিছিল। তেখেতৰ নিজৰ সংগীত পৰিচালনাৰ ছবি কেইখন আছিল 'বনৰীয়া ফুল', 'নিয়তি', 'বৃষ্টি', 'ধৰ্মকাই' আৰু 'নতুন আশা'। জয়ন্তদাৰ অকাল আৰু সকৰুণ মৃত্যুৰ পিছত পত্নী শিল্পী মনীষা হাজৰিকাই 'নতুন আশা'ৰ সংগীত পৰিচালনাৰ কাম সম্পূৰ্ণ কৰে। লগতে উল্লেখ্য যে অসমীয়া অতি জনপ্ৰিয় বোলছবি 'ফাগুনী'ত শিল্পী উপেন কাকতিৰ পৰিচালনাত কেইবাটাও মন পৰশা গীত গোৱাৰ উপৰি জয়ন্তদাই 'উপপথ' বোলছবিৰ সংগীত পৰিচালনা আধৰুৱা কৰি থৈ যায়। পিছত জয়ন্তদাৰ সুৰতে ভাতৃ সমৰ হাজৰিকাই মনীষা হাজৰিকাৰ লগত গোৱা অসমীয়া বোলছবিৰ এক অনন্য আৰু অদ্বিতীয় বুলি ক'ব পৰা ধৰণৰ 'নদী তোৰে বুকুতে, সোঁত আছে গুপুতে, নিচিনো, নাজানো' -- গীতটি জয়ন্তদাৰ অনন্য সুৰৰ চানেকি বুলি ক'ব পাৰি।

এইবোৰৰ উপৰি জয়ন্তদাৰ অতি প্ৰিয় আছিল মঞ্চ নাটৰ সংগীত পৰিচালনা। কম সময়ৰ ভিতৰতে মানুহক কোনো কাহিনী বা ঘটনা বুজোৱা আৰু এটা বাৰ্তা দিব পৰা তথ্যচিত্ৰৰ প্ৰতিও আছিল জয়ন্তদাৰ অতি আকৰ্ষণ। গুৱাহাটীৰ বিখ্যাত 'প্ৰগতি শিল্পী সংঘ'ত নাটকৰ সংগীত পৰিচালক আছিল জয়ন্তদা। তেখেতে গোৱালপাৰাৰ 'লখিমী' থিয়েটাৰ দলৰ সংগীত পৰিচালক হোৱাৰ উপৰি ফণী শৰ্ম্মাৰ 'চিৰাজ' আৰু নাট্যকাৰ প্ৰফুল্ল বৰাৰ 'বান' আদি নাটকত নেপথ্য সংগীত সংযোজনা কৰিছিল। অসমৰ বৰেণ্য বোলছবি পৰিচালক ব্ৰজেন বৰুৱাৰ লগত বয়সত সৰু হ'লেও সংগীত প্ৰিয় জয়ন্তদাৰ আছিল মধুৰ সম্পৰ্ক। নিচেই ডেকা কালতে তেনে পৰিৱেশত গাইছিল ভূপেনদাৰ 'নামি আহা সুন্দৰৰে সেনা শিল্পীদল, এৰা সপোন ধেমালি / বাধা যদি নিদিয়া অসুন্দৰ এন্ধাৰক ধৰা হ'ব ৰণেৰে ৰাঙলী'। পিছৰবাৰ গাওঁতে 'অসুন্দৰ এন্ধাৰৰ' ঠাইত গাইছিল 'পিশাচী এন্ধাৰ'!

জয়ন্ত হাজৰিকাৰ সুৰ আৰু গায়কীৰ আন এটা বিশেষত্ব হ'ল দ্বৈত কণ্ঠৰ গীতবোৰ। বিশেষকৈ তেখেতৰ সুৰত নীলিমা খাতুনৰ লগত গোৱা 'মোৰে দুচকুলে চোৱা ঘনে ঘনে' গীতটি, নিৰ্মলা মিশ্ৰৰ সৈতে গোৱা 'সঁচাকে কোৱা কথাটি কোৱা, ভালজানো মোক পোৱা', 'যদি মিলো মই আকাশতে গৈ', মনীষা হাজৰিকা আৰু মালবিকা বৰাৰ লগত গোৱা দ্বৈত কণ্ঠৰ গীতবোৰৰ নান্দনিক সুৰ আৰু গায়কীৰ আমেজ সুকীয়া আৰু অনুপম। ইয়াৰোপৰি ভূপেনদাৰ লগত গোৱা 'শ্বিলঙৰে মনালিচা', 'চিত্ৰলেখা চিত্ৰলেখা', 'অট'ৰিক্সা চলাওঁ' আৰু 'নতুন পুৰুষ নতুন পুৰুষ'ৰ দৰে গীত অসমীয়া সংগীতৰ ক্ষেত্ৰখনত বিৰল বুলিব পাৰি।

জয়ন্ত হাজৰিকাৰ সুৰ সংযোজনাৰ ক্ষেত্ৰত ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাদেৰৰ দৰে পশ্চিমীয়া সুৰ কৌশল, ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ৰিণি ৰিণি প্ৰভাৱ, অসমৰ কেঁচা মাটিৰ

থলুৱা সুৰৰ ভিত্তি অনুভৱ কৰিব পাৰি। জয়ন্তদাৰ ভালেকেইটা গীতত বিহুগীত আৰু বিয়া নামৰ প্ৰভাৱ লক্ষ্য কৰা যায়। এইখিনিৰ পিছতো ‘চিকমিক বিজুলী’ বোলছবিত ভূপেনদাৰ ৰচিত গীত ‘মৃত্যুক সাৱটি সমাধি তলিত’ আৰু ‘আনৰ কাৰণে কলিজাৰ তেজ কিমান ঢালিবা’ শীৰ্ষক গীত দুটিৰ অনন্য সুৰ আৰু গায়কীৰ কথা উল্লেখ নকৰিলে যেন এই আলোচনাই অসম্পূৰ্ণ হৈ ৰ’ব। জীৱন জোৰা শিল্পী পুৰুষোত্তম দাস বিৰচিত আৰু জিতেন দেৱ সুৰাৰোপিত জয়ন্তদাই গোৱা ‘কাৰ ৰাতিৰ পৃথিৱী স্বপ্নভৰা, জীৱন জয়ৰ কল্পনা’ আৰু মাজৰ ‘শান্ত নিবিড় পৃথিৱীৰ বুকুত জাগি উঠে প্ৰাণ মূৰ্চ্ছনা, আৰু জাগে তাতে বাধা নমনা মাদকতা ভৰা উন্মনা/ মন ময়ূৰীৰ মিঠা মিঠা লগা মেঘলৈ বুলি বন্দনা’ আদি শব্দবোৰৰ সুমধুৰ উপস্থাপন আৰু গায়কী অতি হৃদয়স্পৰ্শী। একে সময়তে গীতটিৰ মাজত শিল্পীসত্তাৰ যেন কি এক সুগন্ধি সনা জীৱন বীক্ষা জিলিকি উঠিছে! গীতটি মনীষা হাজৰিকাইও প্ৰায় সমান মৰ্য্যদা সহকাৰে পৰিৱেশন কৰা বুলি ক’ব পাৰি।

জয়ন্ত হাজৰিকাৰ গোটেই সংগীত চৰ্চ্চাৰ ভিতৰত যেন লুকাই আছিল এখন বিশাল হৃদয় -- মানুহক ভালপোৱা, মানুহৰ বাবে সেৱা আগবঢ়োৱা আৰু মানুহৰে ৰূপান্তৰ তথা উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰা। সংগীত আছিল যেন এক বিশ্বজনীন সৰগীয় মাধ্যম। এই প্ৰৱল আৰু সীমাহীন ধাউতি অথবা প্ৰেমৰ ঐশ্বৰ্য্যই জয়ন্তদাক দিছিল সত্য অন্বেষণৰ জীৱন দৰ্শন আৰু দিছিল জীৱন জগোৱা, জীৱন জয়ৰ কল্পনা অথবা মাদকতা ভৰা উন্মাদনা। সুৰ আৰু গান আছিল তাৰ বৰ্হিঃ প্ৰকাশ মাথোন। আজিৰ নতুন প্ৰজন্মৰ শিল্পীৰ বাবে জয়ন্ত হাজৰিকা সঁচা অৰ্থত এগৰাকী বাটকটীয়া অথবা পথ প্ৰদৰ্শক। আজিৰ নতুন প্ৰজন্মৰ বহুতে জয়ন্ত হাজৰিকাৰ গীত গালেও, ভাল মিঠা কণ্ঠৰ অধিকাৰী হ’লেও হৃদয়ত সেই উদাৰ মানবীয়তা, বিশ্বজনীনতা, সৃষ্টিশীলতা, প্ৰতিবাদী সত্তা, ত্যাগ, পৰিশ্ৰম আৰু জীৱন জয়ৰ কল্পনা শক্তিৰ ক’ৰবাত যেন অভাৱ অনুভৱ হয়। জয়ন্তদাৰ সংগীত জীৱনৰ এই দাৰ্শনিক সত্তা প্ৰজন্মৰ পিছত প্ৰজন্মৰ বুকুত অনুপ্ৰেৰণাৰ উৎস হৈ ৰওক। জয়ন্তদাৰ সংগীত সাধনাৰ চিৰ উজ্জ্বল পোহৰে নতুন আশাৰ ঢল বোৱাওক।

●●●

## মহৎ লোকৰ বাণী

আত্মত্যাগ আৰু নিস্বাৰ্থ সেৱাইহে মুক্তি আৰু আনন্দৰ সন্ধান দিয়ে বুলি সেই চিৰন্তন সত্য উপলব্ধি কৰি যেতিয়ালৈকে কামত নালাগে, তেতিয়ালৈকে পৰাধীনতাৰ শিকলিডালে আপোনালোকৰ ডিঙিত দুখ দিবই।

— চন্দ্ৰকুমাৰ আগৰৱালা

খং নকৰিবা নিজৰে সৰ্বনাশ হ’ব, অহংকাৰ নকৰিবা পতন হ’ব। কাকো ঘৃণা নকৰিবা, নিজেই ঘৃণিত হ’বা। ফাকি নিদিবা, ফাকিত পৰিবা।

— স্বামী বিবেকানন্দ

সত্যক কেতিয়াও লুকাই ৰাখিব নালাগে কাৰণ সত্যই অন্ধকাৰ ঘৃণা কৰে।

— মহাত্মা গান্ধী

মুৰ্খ তিনিজন- যি আত্মৰক্ষালৈ যত্নহীন, যি যত্নহীনতাৰ প্ৰতিপোষক আৰু যি আত্মবুদ্ধিৰ অতীত বিষয়ে বাক্য কৰে, এওঁলোকেই মূৰ্খ।

— বঙ্কিমচন্দ্ৰ

জাগীৰোড নগৰৰ একেবাৰে গাতে লাগি থকা বাবে আৰু জনবসতিৰ একেবাৰে লগতে সোনাইকুছি পাহাৰখন অৱস্থিত হোৱা বাবে পাহাৰৰ ওপৰত অত্যধিক চাপ পৰিছে।



# মৰিগাঁও জিলাৰ সোনাইকুছি পাহাৰ


▸▸ **ড° খগেন শৰ্মা,** অৱসৰী অধ্যাপক

জাগীৰোড মহাবিদ্যালয়


প্রাকৃতিক অৱয়বসমূহে পৃথিৱীখন সুজলা সুফলা কৰি ৰাখিছে। পৰ্বত-পাহাৰ, নদ-নদী, জান-জুৰি, জলপ্ৰপাত খৰস্ৰোতা এইবোৰে পৃথিৱীখন অপূৰ্ব সুন্দৰ কৰি ৰাখিছে। এইবিলাকে পৃথিৱীখন বিনন্দীয়া কৰি হৈছে। প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপ চাবলৈ প্ৰকৃতিপ্ৰেমী লোকসকলে পৃথিৱীৰ বিভিন্ন ঠাইলৈ গৈ প্ৰাকৃতিক দৃশ্য উপভোগ কৰি সান্ত্বনা লাভ কৰে হৃদয় শাঁত পেলায়। পৰ্বততকৈ চাপৰ ঠাইক পাহাৰ বোলে। সাধাৰণতে পৰ্বত-পাহাৰ বুলিলে, গছ-গছনিৰে ভৰপূৰ ওখ ঠাইৰ কথা মনলৈ আহে যদিও গছ-গছনি নথকা পাহাৰো আছে। আমাৰ অসমখনো পাহাৰেৰে ভৰপূৰ।

জাগীৰোড টাউনৰ দক্ষিণ দিশে গাতে লাগি আছে সোনাইকুছি পাহাৰ। ই মৰিগাঁও জিলাৰ দক্ষিণ-পশ্চিম দিশত অৱস্থিত। মেঘালয় ৰাজ্যৰ পাহাৰৰ লগত মিলি গৈছেগৈ। দক্ষিণ দিশত কিলিং নদীখনে মেঘালয় আৰু অসমৰ সীমাৰেখা নিৰ্ণয় কৰিছে। দক্ষিণ সীমাৰ কিলিঙৰ পাৰত অৱস্থিত কুঠৰী, গোভা, সোনাইকুছি অঞ্চলেদি কিলিঙৰ পাৰে পাৰে আহি আমলি ঘাট অঞ্চলত ই পশ্চিম দিশলৈ বেঁকা হৈ ৰাষ্ট্ৰীয় ঘাইপথৰ সমান্তৰালকৈ, জাগীৰোড টাউনৰ কাষে কাষে পশ্চিম নগাঁও অঞ্চল পাৰহৈ টোপাতলিত শেষ হৈছেগৈ নদীঘাট অঞ্চলত। ই অসমৰ তিনিখন জিলা আৰু মেঘালয়ৰ দক্ষিণ অংশত বিৰাজমান হৈ আছে।

পূবে কাৰ্বি আংলঙৰ লঘৰ ডুবিৰ পৰা উৎপত্তি হৈ উত্তৰমুৰা হৈ আমলিঘাটৰ পৰা পশ্চিম মুৰা হৈছে। ই এটা বৃহৎ অঞ্চল আৱৰি আছে পূবৰ পৰা পশ্চিমলৈ ইয়াৰ দৈৰ্ঘ্য প্ৰায় ১২কি. মি. হ'ব। ইয়াৰ মুঠ মাটিকালি ৫২১৬ হেক্টৰ। গড়ে ই ৫কি.মি. বহল। ই মাজে মাজে যথেষ্ট ওখ। সৰ্বোচ্চ উচ্চ শৃংগ প্ৰায় ১০০ফুট মান হ'ব।

আগতেই উল্লেখ কৰা হৈছে যে সোনাইকুছিৰ দক্ষিণফালে কুঠৰী, গোভা, সোনাইকুছি

গাঁও আদি 'ফৰেষ্ট ভিলেজ' আছে। ইয়াত কেইবাটাও জান-জুৰি আছে। ইয়াৰ ভিতৰত 'স্বপ্না মজিকা' প্ৰধান। জাগীৰোডৰ নিজৰাপাৰ অঞ্চলত স্বপ্না মজিকা জুৰিটো শিলৰ মাজেদি আদি ওখ পাহাৰৰ পৰা নামনিত পৰাৰ বাবে সৰু এটি মনোমোহা জলপ্ৰপাতৰ সৃষ্টি হৈছে। বাৰিষা পানীৰে হৰহৰাই থাকে; খৰালি অৱশ্যে শুকাই যায়, --ফাগুন, চ'ত মাহত। নিজৰাপাৰৰ এই অঞ্চলটোৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিবলৈ বহু দূৰৰপৰা প্ৰকৃতিপ্ৰেমীসকল আহে। অসমীয়া চিনেমাৰ দৃশ্যগ্ৰহণৰ বাবেও আহে; তেনেকৈ দূৰদৰ্শনৰ ধাৰাবাহিক আৰু কোনো কোনো গীতৰ দৃশ্য গ্ৰহণৰ বাবেও আহে। বৰ্তমান ইয়াত এখন শিশু উদ্যান নিৰ্মাণ কৰিছে। ই এক আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে। বৰ্তমান ই এটা জনপ্ৰিয় বনভোজ থলীলৈ ৰূপান্তৰিত হৈছে। শীতকালত বিশেষকৈ বন্ধৰ দিনত লোকে লোকাকাৰ হৈ থাকে। মৰিগাঁও জিলাৰ উপৰি গুৱাহাটী, নগাঁও আদি বাটৰ পৰাও লোক আহে।

জাগীৰোড নগৰৰ একেবাৰে গাতে লাগি থকা বাবে আৰু জনবসতিৰ একেবাৰে লগতে সোনাইকুছি পাহাৰখন অৱস্থিত হোৱাৰ বাবে পাহাৰৰ ওপৰত অত্যধিক চাপ পৰিছে। নেপালী সম্প্ৰদায়ৰ লোকসকলে জাৰ্চী গৰু পোহাৰ কাৰণে এই পাহাৰৰ বাঁহ গছৰ ওপৰতে ঘাঁহৰ বাবে নিৰ্ভৰ কৰিছিল। আবেলি সময়ত বাঁহৰ বোজা লৈ ঘৰমুখী হোৱা লোকসকলৰ দৃশ্য সহজলভ্য আছিল। বৰ্তমান ঘাঁহৰ (বাঁহ) পৰিমাণ কমি যোৱাত এই সুলভ দৃশ্য অদৃশ্য হৈ পৰিল কাৎচিত এজন বা দুজনৰ পিঠিত ঘাঁহৰ হোৱা নিয়া দেখা যায়। এই পাহাৰৰ গছৰ ওপৰত অত্যধিক হেঁচা পৰিছিল। বছৰ বছৰদিন ধৰি। এইটো অপ্ৰিয় সত্য যে ওচৰৰ কিছু সংখ্যক লোকৰ জীৱিকাৰ প্ৰধান বৃত্তিত এই পাহাৰে প্ৰচুৰ বৰঙণি আগবঢ়াইছিল। অৰ্থাৎ গছ কাটি খৰি হিচাপে, টক্তা হিচাপে বাটাম হিচাবে বিক্ৰী কৰি পোহপাল গৈছিল। বন বিভাগ কঠোৰ নোহোৱাৰ বাবে ঘন বনাঞ্চল শেষ হ'ল। বনবিভাগক সুধিলে ৰাজনৈতিক হস্তক্ষেপৰ কাৰণে বন বিভাগে কঠোৰ পদক্ষেপ লৈ গছ কটা লোকসকলক ধৰি আনিলেও প্ৰভাৱশালী ৰাজনৈতিক ব্যক্তিৰ ফোনকলত মুক্তি দিব লগা হোৱাত মনোবল ভাঙি যোৱাৰ কথা অসহায়ভাৱে ব্যক্ত কৰে। এই লেখক ১৯৮৮ চনত জাগীৰোডলৈ অহাৰ পৰাই মোৰ বাসস্থান সোনাইকুছি পাহাৰৰ দাঁতিতে পাহাৰৰ পৰা সন্ধিয়া টক্তা, বাটাম আদি লৈ অহা লোকৰ লানি প্ৰত্যক্ষ কৰিছোঁ। তেওঁলোকে জাগীৰোডৰ জনা-বুজা মানুহকে চোৰাংকৈ টক্তা দিয়ে বজাৰৰ দামতকে বহু-কমত পাহাৰৰ বক্ষ উদং কৰি। দিনৰ ভাগত বিশেষকৈ পুৱাৰভাগত বিশেষ শ্ৰেণীৰ তিৰোতাৰ লানি দেখা যায় পাহাৰ অভিমুখে; আবেলি ঘূৰি আহে মূৰত একোচা খৰি লয়। তেনেদৰে পুৱাভাগত তিৰাকে ধৰি সকলো সম্প্ৰদায়ৰ পুৰুষসকল যায় পাহাৰ অভিমুখে, আবেলি ঘূৰি আহে কান্ধত এভাৰ খৰি লৈ। বজাৰত বিক্ৰী কৰি দিনটোৰ হাজিৰা যোগাৰ কৰে। এনে ধৰণেই পাহাৰৰ কাঠ নাইকীয়া হৈ গ'ল। কিছু কিছু অংশত বন বিভাগে চেগুন গছ লগাইছে। এই লেখকৰ ঘৰৰ সমীপত ৰক্ষণাৰেক্ষণ দিয়াৰ বাবেই চেগুন গছৰ এটা মনোমোহা দৃশ্যই পাহাৰৰ জেউতি চৰাই আছে।

এই পাহাৰৰ ওপৰত ভিত্তি কৰিয়েই দেওশাল মন্দিৰ, আখলিঘাটৰ সীতাদেৱীৰ মন্দিৰ, নিজৰাপাৰৰ স্বপ্নাদেং শিশু উদ্যান আদি গঢ় লৈ উঠিছে। সম্প্ৰতি এই পাহাৰতে নিজৰা পাৰ এলেকাতে এটি তিৱা সাংস্কৃতিক প্ৰকল্পও নিৰ্মাণ হৈছে। ছাগ্ৰাচাল নামকৰণ কৰি বনভোজথলী ৰূপেও উন্নত কৰা দেখা গৈছে। সোনাইকুছি পাহাৰত এসময়ত বিভিন্ন জীৱ-জন্তু আছিল। হাতী, হৰিণ, ছাগলী, বান্দৰ অজগৰ সাপ আৰু বিভিন্ন প্ৰজাতিৰ চৰাই ইত্যাদি।

মানুহে পাহাৰ দখল কৰাৰ পিছত এতিয়া তাত থকা হাতীৰ খাদ্য সংকট হৈছে। হাতীয়ে কেতিয়াবা জাক পাতি, কেতিয়াবা অকলে এটাই নিজৰাপাৰ, নতুনগাঁও, চাৰাংকুছি, পাহাৰতল আদিত তহল দিয়ে। পকীদেৱাল ভাঙি, কলগছ ভাঙি তহিলং কৰে। ৰাইজে বোমা ফুটাই। জোৰ লৈ হৈ হাল্লা কৰি হাতী খেদে। এই পাহাৰক কেন্দ্ৰ কৰি কেইবা ঠাইতো বনভোজথলী গঢ় লৈ উঠা দেখ গৈছে। নদীঘাট, নিজৰাপাৰ, আমলিঘাট, ছগ্ৰাচাল ইত্যাদি। দেওশাল নিজৰাপাৰ নদীঘাট অঞ্চলটোত পৰ্য্যটনৰ সুভৱিষ্যৎ দেখা যায়। পাহাৰখন ৰক্ষা কৰিবৰ বাবে বৃহৎ পৰিমাণৰ গছপুলি ৰোপণ আৰু ইয়াৰ ৰক্ষণাৰেক্ষণৰ প্ৰয়োজন। ইয়াৰ বাবে বন বিভাগে ৰাইজৰ সহযোগত ফলপ্ৰসূ আঁচনি ল'ব লাগিব।

(প্ৰবন্ধটো যুগুত কৰোঁতে কিছু তথ্য পাতি দি সহায় কৰাৰ বাবে প্ৰাক্তন বন বিষয়া শ্ৰীযুত ভূৱনেশ্বৰ পাটৰক কৃতজ্ঞতা জনালোঁ।)

●●●

# ইমিউনিটী

(ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি)

**ড° উৎপল ৰাজগুৰু**
সহযোগী অধ্যাপক, জীৱ বিজ্ঞান বিভাগ



ইমিউনিটী' (Immunity), আজিৰ তাৰিখত এটা অতি পৰিচিত শব্দ। বিশেষকৈ কৰ'ণা মহামাৰীৰ সেই ভয়াবহ দিনবোৰত ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিব লগা সময়ৰে পৰা, যেতিয়া দূৰদৰ্শন নামৰ বাকচটোৰ সন্মুখত বহি দেশ-বিদেশৰ বাতৰি চাই সময় পাৰ কৰাৰ বাহিৰে আন সকলো কাম গৌণ হৈ পৰিছিল, তেতিয়াৰে পৰা এই শব্দটোৰ লগত যেন সকলোৰে পৰিচয় ঘটিল। বহুদেশীয় কোম্পানীবোৰেও খাদ্যসামগ্ৰীৰ সকলো বিজ্ঞাপনতে তেওঁলোকৰ সামগ্ৰী বিধৰ ব্যৱহাৰে ইমিউনিটী বঢ়াই বুলি প্ৰচাৰ কৰিবলৈ ধৰিলে। গতিকে লিখা-পঢ়া নজনাজনেও এই শব্দটোৰ লগত পৰিচিত হৈ পৰিল আৰু ভাবিবলৈ বাধ্য হৈছিল যে ই এনে এটা শক্তি যি অতি অপৰিহাৰ্য্য।

আচলতে ইমিউনিটী হৈছে শৰীৰৰ এনে এক শক্তি যি শক্তিয়ে আমাক কোনো ঔষধ অবিহনেই আমি ক'ব নোৱাৰাকৈয়ে অসংখ্য ৰোগৰ বিৰুদ্ধে যুঁজিবৰ বাবে শৰীৰটোক সদা সক্ষম কৰি ৰাখে। স্বাস্থ্যবিজ্ঞানৰ যিটো বিভাগত এই সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয় সেই বিভাগ টোক ইমিউন'ল'জী বোলা হয়। যদিওবা এই বিভাগটো তুলনামূলকভাৱে নতুন তথাপিও ইয়াৰ ধাৰণাটো কিন্তু বহুদিনীয়া। এক তথ্য অনুসৰি ইমিউনিটীৰ প্ৰথম ধাৰণাটো চীন দেশত আৰম্ভ হৈছিল। তাত পৰম্পৰা অনুসৰি বসন্ত ৰোগৰ পৰা আৰোগ্য লাভ কৰা ব্যক্তিৰ ছালৰ ঘাঁ শুকাই যোৱা অংশৰ ওপৰত সৃষ্টি হোৱা পাউদাৰ জাতীয় পদাৰ্থ সুস্থ মানুহে নাকেৰে শুহি লোৱাৰ এক প্ৰথা আছিল আৰু এনে কৰিলে সুস্থ ব্যক্তিজনে বসন্তৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পৰা হাত সাৰিব পাৰে বুলি বিশ্বাস কৰিছিল। ১৭৯৬ত Edward Jenner নামৰ আমেৰিকান শৈলচিকিৎসক বিজ্ঞানী জনে গো-বসন্ত ৰোগৰ ছিটা আৱিষ্কাৰৰ লগে লগে ইমিউন'ল'জীৰ ধাৰণাটো দৃঢ় হৈ পৰে আৰু ইয়াৰ গৱেষণাত নতুন মাত্ৰা আহি পৰে। ১৮৮১ চনত মানুহৰ বাবে লুইছ পাষ্টিউৰে প্ৰথম এনথ্ৰা' ছিটা আৰু ১৮৮৮ চনত ৰেবিছ ছিটা আৱিষ্কাৰ কৰে।

ক্ৰমবিৱৰ্তনৰ ফলত সৃষ্টি হোৱা এই মানৱ শৰীৰটোক ইমিউনিটী প্ৰদানৰ বাবে অতি কৌশলগত কিছুমান পন্থা আছে। দেশ এখনৰ প্ৰতিৰক্ষাৰ বাবে যিদৰে কেইবাটাও সুৰক্ষা বেষ্টু থাকে তেনেদৰে মানৱ শৰীৰটোৰ প্ৰতিৰক্ষাৰ বাবেও বহুকেইটা সুৰক্ষা চক্ৰ থাকে। দেহৰ চাৰিওফালে থকা বহু স্তৰযুক্ত ছাল খন প্ৰথম সুৰক্ষা চক্ৰ (দেশৰ সীমান্তত থকা সীমান্ত সুৰক্ষা বাহিনী BSF ৰ দৰে) কাম কৰে। ই প্ৰায় সমগ্ৰ শৰীৰটো আৱৰি ধৰি বেক্টেৰিয়া আদি অনুজীৱৰ প্ৰৱেশত বাধা দিয়ে। দেহত থকা ছিদ্ৰ যেনে মুখ, নাক, চকু, কাণ আদিৰেও বীজাণু প্ৰৱেশ কৰিব নোৱাৰে। কাৰণ, মুখেৰে প্ৰৱেশ কৰিলে লালটিত থকা লাইছ'জাইম নামৰ পাচক ৰসে বীজাণুবোৰ নাশ কৰে। কেনেবাকৈ যদি মুখ পাৰহৈ পেট পায়গৈও, পেট বা পাকস্থলীৰ বেৰে ক্ষৰণ কৰা হাইড্ৰ'ক্লুৰিক এচিড আৰু পেপ্‌চিণ নামৰ পাচক ৰসে বীজাণুবোৰ ধ্বংস কৰি পেলায়। নাকেৰে প্ৰৱেশ কৰিলে নাকৰ বেৰত থকা মিউকাচ নামৰ তেলেতীয়া পদাৰ্থ আৰু নোমবিলাকে সোমোৱাত বাধা দিয়ে। কাণেৰে প্ৰৱেশ কৰিলেও কৰ্ণগহ্বৰৰ বেৰৰ চেৰুমেণ নামৰ পদাৰ্থই আগুৰি ধৰি কনামাকৰি হিচাপে বাহিৰ কৰি দিয়ে। চকুৰে

প্ৰৱেশ কৰিলে চকুৰ লেক্ৰিমেল নামৰ গ্ৰন্থিৰ বেক্টেৰিয়া বিনাশী এনজাইমে বীজাণু মাৰি পেলায়। পায়ু বা যোনি পথেৰেও মিউকাচ আৰু আম্লিক ক্ষৰণৰ বাবে বীজাণুৰ প্ৰৱেশৰ পথ প্ৰায় ৰুদ্ধ।

প্ৰথম সুৰক্ষা চক্ৰ ভেদ কৰি যদি কিবা প্ৰকাৰে বীজাণু দেহত প্ৰৱেশ কৰে তেতিয়া হ'লে বীজাণুবোৰ দ্বিতীয় সুৰক্ষা চক্ৰৰ সন্মুখীন হয়। এই চক্ৰটো তেজত থকা শ্বেতৰক্ত কণিকা(WBC)ৰে গঠিত, য'ত মেক্ৰ'ফেজ নামৰ কিছুমান বিশেষ কোষে এমিবাৰ দৰে ঠেং বা কূটপ'দ সৃষ্টি কৰি বীজাণুবোৰক ধৰি ধৰি ধ্বংস কৰে। এই কোষবোৰ দেখাত বাৰিৰ পৰা খান্দি অনা আদা এডোখৰৰ নিচিনা, ঠেং-ভৰি মেলা আৰু ইয়াৰ ঠাল-ঠেঙুলি (কূটপ'দ) বোৰৰ সহায়ত বীজাণুবোৰক আগুৰি ধৰি মাৰি পেলায়। প্ৰক্ৰিয়াটোক ফেগছাইটঅ'চিছ বোলে। এই কোষবিলাকে তেজৰ সোঁতৰ লগত আক্ৰান্ত অঞ্চললৈ গতি কৰে আৰু বীজাণুসমূহ ভক্ষণ কৰে। শ্বেতৰক্ত কণিকাৰ নিউট্ৰ'ফিল আৰু মন'ছাইট নামৰ কোষবিলাকেও অনুৰূপ কাম কৰে। তদুপৰি নিউট্ৰ'ফিলবোৰে প্ৰয়োজনত বীজাণু ধ্বংসৰ বাবে কৈশিক জালিকা (অতি সূক্ষ্ম ৰক্ত নলিকা) ৰ বেৰৰ ছিদ্ৰৰে চেপেটা লাগি পাৰ হৈ কলাৰ মাজৰ খালী স্থানসমূহলৈও যাব পাৰে।

এই প্ৰথম আৰু দ্বিতীয় সুৰক্ষা চক্ৰটো সকলো মানুহেই জন্মগতভাৱে লাভ কৰে আৰু ই কোনো বাছ-বিচাৰ নকৰাকৈ সকলো বহিৰাগত কাৰককেই প্ৰতিহত কৰিবৰ বাবে সক্ষম। যদি কোনো ৰোগজনক ওপৰোক্ত দুয়োটা সুৰক্ষা চক্ৰ অতিক্ৰম কৰি দেহৰ ভিতৰলৈ সোমাবলৈ সক্ষম হয় তেতিয়া হ'লে দেহৰ এটা তৃতীয় সুৰক্ষা চক্ৰ সক্ৰিয় হৈ পৰে। এই চক্ৰটো কিন্তু নিৰ্দিষ্ট ৰোগজনকৰ বাবেহে বিশেষভাৱে সক্ৰিয় হয়। বাহিৰৰ পৰা প্ৰৱেশ কৰা সকলো ৰোগজনকেই প্ৰ'টিন জাতীয় আৰু এইবিলাকক সাধাৰণভাৱে প্ৰতিজনক (Antigen) বোলা হয়। তৃতীয় সুৰক্ষা চক্ৰটোৱে বেলেগ বেলেগ প্ৰতিজনকক ধ্বংস কৰিবৰ বাবে বেলেগ বেলেগ প্ৰ'টিন অণুৰ সৃষ্টি কৰিব পাৰে, যিবোৰক প্ৰতিদেহ (Antibody) বোলে। অৰ্থাৎ এই সুৰক্ষা চক্ৰটোৱে প্ৰথম আৰু দ্বিতীয় চক্ৰটোৰ দৰে দেহটোক সাধাৰণ সুৰক্ষা (Non-specific immunity) নিদিয়ে, বৰং নিৰ্দিষ্ট প্ৰতিজনৰ বিৰুদ্ধে নিৰ্দিষ্ট প্ৰতিদেহ গঠন কৰি সুনিৰ্দিষ্ট (Specific immunity) সুৰক্ষা প্ৰদান কৰে। ই অতি কাৰ্য্যকৰী। তদুপৰি ইয়াৰ দুটা অতি তাৎপৰ্য্যপূৰ্ণ চৰিত্ৰ হ'ল যে- ই লাহে লাহেকৈ সক্ৰিয় হয়, গতিকে প্ৰায় বিলাক ক্ষেত্ৰতে প্ৰতিদেহৰ গঠন হয়গৈ মানে ব্যক্তিজন প্ৰথম বাৰলৈ ৰোগত আক্ৰান্ত হৈ পৰে। প্ৰতিদেহ গঠনৰ সময়ত কিছুমান কোষে যিটো প্ৰতিজনকৰ বিৰুদ্ধে প্ৰতিদেহ গঠন হয় তাৰ স্বাদ আজীৱন মনত ৰাখে (স্মৃতিকোষ -Memory Cell) আৰু ব্যক্তিজন যদি পুনৰ একে ৰোগজনকৰ দ্বাৰা আক্ৰান্ত হয় তেনেহ'লে তৎক্ষণাত প্ৰতিদেহ গঠন কৰি ব্যক্তিজনক ক্ষিপ্ৰভাৱে প্ৰতিৰক্ষা প্ৰদান কৰে।

কোনো ৰোগজনকৰ বিৰুদ্ধে প্ৰতিদেহ ব্যক্তি এজনৰ দেহত আপোনা-আপুনি গঠন হয় আৰু প্ৰতিৰক্ষা দিয়ে। যিহেতু প্ৰক্ৰিয়াটো মন্থৰ গতিত সম্পন্ন হয়, গতিকে ক্ষিপ্ৰভাৱে ফলাফল পাবৰ বাবে চিকিৎসা বিজ্ঞানত আন ব্যক্তিৰ দেহত পৰিকল্পিতভাৱে সৃষ্টি কৰা প্ৰতিদেহ সুমুৱাই দিয়া পদ্ধতি অৱলম্বন কৰা হয়। এনে পদ্ধতিয়ে কিন্তু ব্যক্তিজনক আজীৱন সুৰক্ষা দিব নোৱাৰে। সেইবাবে এনে ইমিউনিটীক নিষ্ক্ৰিয় ইমিউনিটী বোলে। অন্যহাতেদি প্ৰথমটোক সক্ৰিয় ইমিউনিটী বুলি কোৱা হয়, কাৰণ সেই প্ৰক্ৰিয়াত স্মৃতিকোষ সক্ৰিয় হয় আৰু প্ৰয়োজন সাপেক্ষে জীৱনৰ যিকোনো মুহূৰ্তত ক্ষিপ্ৰভাৱে প্ৰতিদেহ গঠন কৰিব পাৰে।

দেহৰ ইমিউন প্ৰক্ৰিয়াটোৰ আটাইতকৈ তাৎপৰ্য্যপূৰ্ণ বৈশিষ্ট্য হ'ল যে ই নিজৰ আৰু আনৰ কোষ বা কলা চিনি পায়। বিদেশী পদাৰ্থৰ দেহত প্ৰৱেশ ঘটিলেই তাক নিষ্ক্ৰিয় কৰিবৰ বাবে চেষ্টা চলায়। T আৰু B লিম্ফ'চাইট নামৰ দুবিধ কোষে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। B লিম্ফ'চাইটবিলাকে প্ৰতিদেহ বনায়। T লিম্ফ'চাইটবিলাকে ফেগচাইটিক কাৰ্য্যৰ উপৰি B লিম্ফ'চাইট বিলাকক নিয়ন্ত্ৰণ কৰে। কিছুমান বিশেষ পৰিস্থিতিত ইমিউন' প্ৰক্ৰিয়াটোৱে নিজৰ আৰু আনৰ মাজত পাৰ্থক্য ধৰিব নোৱাৰা হৈ পৰে আৰু তেনে পৰিস্থিতিত ই নিজ দেহৰ কলাকেই ধ্বংস কৰিবলৈ লয়। ইয়াক স্ব-ইমিউনিটী বোলে।

অংগ সংৰোপণৰ বেলিকা সকলোবোৰ পেৰামিটাৰ পৰীক্ষা-নিৰীক্ষাৰ যোগেদি নিশ্চিত কৰিহে সংৰোপণ কৰা হয় যদিও আনৰ অংগ হোৱাৰ বাবেই দেহটোৱে গ্ৰহণ কৰিব নিবিচাৰে। ইয়াক ইমিউন প্ৰত্যাখান (Immune rejection) বোলে। এই পৰিস্থিতিৰ লগত মোকাবিলা কৰিবৰ বাবে ইমিউন প্ৰত্যাখান প্ৰক্ৰিয়াটো সাময়িকভাৱে শান্ত কৰিবৰ বাবে কিছুমান ঔষধ প্ৰয়োগ কৰা হয়। এনেদৰে কিছুদিন থকাৰ পিছত দেহে অংগটো গ্ৰহণ কৰে।

মুঠৰ ওপৰত দেহৰ ইমিউনিটী প্ৰক্ৰিয়াটো অতি জটিল, বহুতো কোষ, প্ৰ'টিন অণু আৰু বিক্ৰিয়া ইয়াৰ লগত জড়িত। ইয়াৰ ওপৰত বিভিন্ন ধৰণৰ গৱেষণা চলি আছে। গতিকে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে ইয়াৰ বিষয়ে অধ্যয়ন কৰি নিজৰ ভৱিষ্যত গঢ়াৰ প্ৰচুৰ সম্ভাৱনা আছে।

●●●

অসমৰ জাতীয় জীৱনত শৈলধৰ ৰাজখোৱাৰ জাতীয় উদ্দীপক --- 'পাষাণ প্ৰতিমা' কবিতাৰ যথেষ্ট প্ৰাসংগিকতা আছে। কমলাকান্ত ভট্টাচাৰ্যৰ 'পাহৰণি' বেজবৰুৱাৰ 'অসম সংগীত' কবিতাত অতীত অসমৰ যশৰাশি বৰ্ণনা হোৱাৰ দৰে ৰাজখোৱাৰ কবিতাত অতীতপ্ৰীতি আন এক ধৰণে মূৰ্তমান হৈ উঠিছে।

# শৈলধৰ ৰাজখোৱাৰ 'পাষাণ প্ৰতিমা' এক জাতীয় উদ্দীপক কবিতা

**অদিতি দাস বৰুৱা**
অৱসৰী অধ্যাপিকা, অসমীয়া বিভাগ

শৈলধৰ ৰাজখোৱা ৰোমাণ্টিক কবিতাৰ নৱন্যাসৰ বাৰ্তাবাহী এজন সফল কবি। ঊনবিংশ শতিকাৰ তৃতীয় আৰু চতুৰ্থ দশকত কবিতা লিখি পাঠকৰ হৃদয় জয় কৰিবলৈ সক্ষম হোৱা কবিৰ 'বিষাণ দৈ আলি', 'বৰপেটা', 'পাষাণ-প্ৰতিমা' উল্লেখযোগ্য দেশপ্ৰেমমূলক কবিতা।

পৰাধীন ভাৰতবৰ্ষক স্বাধীন কৰাৰ প্ৰয়াসেৰে মণিৰাম, পিয়লি আদিয়ে প্ৰত্যক্ষভাৱে ইংৰাজ বিৰোধী আন্দোলনত যোগ দি ৰাজনৈতিক জাতীয়তাবাদৰ সূচনা কৰিছিল। আনফালে আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদি সাহিত্যিকসকলে সমাজ জীৱনক উদ্দীপিত কৰিব পৰাকৈ দেশপ্ৰেমমূলক সাহিত্য ৰচনা কৰি সাংস্কৃতিক জাতীয়বাদৰ সৃষ্টি কৰিছিল। পৰৱৰ্তী কালত মহাত্মা গান্ধীৰ ত্যাগৰ দৰ্শন আৰু হৰিজন আন্দোলনৰ সংস্পৰ্শত নতুন অৰ্থ ব্যঞ্জনাৰে অসমীয়া সাহিত্য মুখৰিত হৈ পৰিছিল। ৱৰ্ডছৱৰ্থীয় ধাৰণাৰ লগতে শ্যেলী, কীট্‌চ, টেনিচন্ আদি ইংৰাজ কবি, সাহিত্যিকৰ সৃষ্টি সংস্পৰ্শই এই ধাৰণাক স্পষ্ট ৰূপে প্ৰকাশ কৰাত সহায় কৰিছিল। কবিতা, নাটক, ৰম্য ৰচনা, প্ৰবন্ধ আদিৰে জাতিক উদ্দীপিত কৰিব পৰা সাহিত্যিকসকলৰ ভিতৰত শৈলধৰ ৰাজখোৱা অন্যতম। ড° সূৰ্যকুমাৰ ভূঞাৰ মতে, কবি শৈলধৰ ৰাজখোৱাই, 'অসমৰ প্ৰতি আলি, প্ৰতি পুখুৰী, প্ৰতি নৈ, প্ৰতি গাঁও অতীত স্মৃতিৰে জড়িত তাক দেখিলে ভাবুকৰ মনত নানান ভাৱৰ উদয় হয়, কিন্তু অসমীয়া অতি কম সংখ্যক কবিয়েহে সেইবোৰ ঠাইত নিহিত কবিত্ব উদ্ভাসিত কৰি তুলিছে। 'বৰপেটা', 'বিষাণ দৈ অলি', 'পাষাণ প্ৰতিমা' এই তিনিটা কবিতাই অসমৰ অতীত যুগৰ স্মৃতি সোঁৱৰাই দিছে। এই তিনিটা কবিতাৰ ভাষা কোবাল আৰু উদ্দীপক, কাৰণ কবিৰ অনুপ্ৰেৰণাৰ উৎস হৈছে দেশপ্ৰেম আৰু অসমীয়া নামধাৰী সকলো বস্তুৰে প্ৰতি এটি হিল-দল ভাঙ্গি যোৱা প্ৰচণ্ড চেনেহ।'[১]

অসমৰ জাতীয় জীৱনত শৈলধৰ ৰাজখোৱাৰ জাতীয় উদ্দীপক --- 'পাষণ প্ৰতিমা' কবিতাৰ যথেষ্ট প্ৰাসংগিকতা আছে। কমলাকান্ত ভট্টাচাৰ্যৰ 'পাহৰণি' বেজবৰুৱাৰ 'অসম সংগীত' কবিতাত অতীত অসমৰ যশৰাশি বৰ্ণনা হোৱাৰ দৰে ৰাজখোৱাৰ কবিতাত অতীতপ্ৰীতি আন এক ধৰণে মূৰ্ত্তমান হৈ উঠিছে। সাধাৰণ এটি জনশ্ৰুতিক নিজৰ অন্তৰত ঠাই দি অনুভৱী কল্পনা শক্তিৰে কবিতাটিক বিশিষ্টতা প্ৰদান কৰিছে। বৰপেটাৰ ওচৰৰ বগৰীবাৰী মৌজাৰ অন্তৰ্গত বুৰঞ্জী বিখ্যাত হাদিৰা চকীৰ ৰণত (১৮২২ চন) মান সৈন্যৰ হাতত আহোম সৈন্য পৰাস্ত হৈছিল। এই হাদিৰা চকী নামৰ ঠাইখনৰ কাষতে থকা দুটি সৰু পাহাৰ ফুলৰা আৰু চতনা। কবিয়ে অসমৰ শেষ স্বাধীনতা ৰণৰ লগতে পাহাৰ দুখনৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি কল্পনা শক্তিৰে বিখ্যাত কবিতা 'পাষাণ প্ৰতিমা' ৰচনা কৰে। কবিৰ কল্পনা--- পাহাৰ দুটি কোনোবা শাপভ্ৰষ্টা দেৱকন্যাহে। ৰণত অসীম বীৰত্ব দেখুওৱা আহোম সেনাপতি দুগৰাকীক দুয়ো বাই-ভনীয়ে স্বামী ৰূপে বৰণ কৰা কথাই, বীৰক দিয়া সন্মানৰ কথাকে সূচাইছে। স্বদেশ ৰক্ষাৰ বাবে যুঁজ দি মৃত্যুক আঁকোৱালি লোৱাৰ লগে লগেই যেন নিৰ্বাপিত হৈ গ'ল দুয়োগৰাকী গাভৰুৰে পুহি ৰখা

মনৰ আশা। দুয়ো বাই-ভনীয়ে শোকত ম্ৰিয়মাণ হৈ শিলালৈ ৰূপান্তৰিত হোৱা কাৰ্যই পতিপ্ৰেম আৰু দেশপ্ৰেমৰ উজ্জ্বল চানেকি দাঙি ধৰিছে। কবিতাটিত প্ৰতিফলিত অন্তৰ্নিহিত ভাবলৈ চাই ইয়াক ৰূপকল্পৰ শাৰীত পেলাব পাৰি।

"সিদিনা আছিল ২১ জুন ১৮২২ খৃষ্টাব্দ, পুৰা পাঁচ বাজিবলৈ পাঁচমিনিট সময় বাকী। মিঙ্গিমাহা বান্দুলাই উজনি অসম আৰু গুৱাহাটী অধিকাৰ কৰাত অসমৰ স্বৰ্গদেউ চন্দ্ৰকান্ত মহাৰাজে সসৈন্যৰে আহি হাদিৰাচকীত থানা পাতি থাকে। তাতে মান সেনাপতি মিঙ্গিমাহা তিলোৱাই অসমীয়া সৈন্যক পুৱতি নিশা আক্ৰমণ কৰে। প্ৰায় তিনি মিনিটমান সময়ত দুয়োদলৰ তুমুল সংগ্ৰাম হয়। ব্ৰহ্মপুত্ৰৰ সিপাৰে থকা গোৱালপাৰালৈকে হিলৈৰ গুৰুম্ গুৰুম্ শব্দ শুনা গৈছিল। কিছুপৰ টলকা মাৰি থকাৰ পাছত পুনৰ গুলিয়াগুলি চলিবলৈ ধৰিলে। তাৰ পিছত সকলো নিমাত নিস্তব্ধ। এই ৰণত চন্দ্ৰকান্ত সিংহৰ পৰাজয় হ'ল, আৰু বাৰ্ম্মা সৈন্যই হাদিৰাচকী অধিকাৰ কৰিলে। ১৮২২ চনত ২১ জুন তাৰিখেই হৈছে অসমৰ স্বাধীনতাৰ শেষ দিন। ... ইতিহাসৰ এনে সমলক লৈ কাল্পনিক, বীৰ-বীৰঙ্গনাৰ চিত্ৰ অংকন কৰি শৈলধৰ ৰাজখোৱাই 'পাষাণ প্ৰতিমা' কবিতাটি ৰচনা কৰিছিল।

প্ৰকৃতি চিত্ৰণ 'পাষাণ-প্ৰতিমা' কবিতাৰ অনা এক দিশে। কবিৰ কলমত সতী ফুলৰা আৰু চতলাৰ চৰণ স্পৰ্শ কৰি বৈ যোৱা লুইত আৰু মানাহে যেন নিজে ধন্য মানিছে। ৰূপহী চতলাৰ ৰূপত মুগ্ধ বাঘবৰেই যেন তপস্যাত মন বহুৱাব পৰা নাই। 'ভগু যোগী সউ/গিৰি বাঘবৰ/বহিছে ধ্যানত/নবহে মন।' আকৌ ফুলৰা আৰু চতলাৰ উন্মুক্ত ৰূপটোক প্ৰকৃতিয়ে সেউজীয়া বননিৰে ঢাকি ৰখাৰ বৰ্ণনাই কবিতাটিক অধিক সজীৱতা প্ৰদান কৰিছে। কবিতাটি প্ৰতিফলিত এটি ইতিবাচক দিশ হ'ল --- অনন্ত কন্দলিৰ 'কুমৰ হৰণ'ৰ নিচিনা প্ৰাচীন কাব্যত থকাৰ দৰে যুদ্ধত পৰাজিত হ'লে তিৰোতাসকলে দিগম্বৰী শিলালৈ ৰূপান্তৰিত হৈছে। এনেদৰে শিলালৈ ৰূপান্তৰিত হোৱা অনেক কবিতা ৰোমাণ্টিক যুগত ৰচনা হৈছিল। সেইবোৰৰ ভিতৰত কলমাকান্ত ভট্টাচাৰ্যৰ 'পাহৰণি', ৰঘুনাথ চৌধাৰীৰ 'উৰ্বশী', বশিষ্ঠাশ্ৰম' আদিত শিলালৈ ৰূপান্তৰ হোৱা ৰূপকল্পৰ কল্পনা কৰা দেখিবলৈ পোৱা যায়। কবিতাটিত মন কৰিবলগীয়া আন এটি কথা হৈছে ধৰ্মনিৰপেক্ষভাৱ। জনমভূমি ৰক্ষাৰ বাবে শিখ, মোগল, পাঠান, কামৰূপী বীৰে একেলগে যুদ্ধ কৰা কথাই সাম্য, মৈত্ৰী আৰু ভ্ৰাতৃত্বভাৱৰ উজ্জ্বল ছবি এখন প্ৰকাশ কৰিছে। বাণ, ভগদত্ত, চুকাফা আদি বীৰসকলৰ কথা উল্লেখ কৰি বৰ্তমান প্ৰজন্মক স্বদেশপ্ৰেমী হ'বলৈ অনুপ্ৰেৰণা যোগাইছে। কবিৰ আশাবাদী মনে সুপ্তপ্ৰায় স্বাধীনতাৰ সাক্ষীৰূপে শতেক বছৰ শিলহৈ থকা ফুলৰা আৰু চতলা পুনৰ সাৰ পাই উঠক, কবিয়ে যেন এনেদৰেই আওঁপাকে অসমীয়া জাতিক জাগ্ৰত হোৱাৰ বাবে আহ্বান জনাইছে।

'পাষাণ প্ৰতিমা' কবিতাটিত ৰাজখোৱাৰ কল্পনা দক্ষতাই এক উচ্চ স্থান দখল কৰিছে। স্বদেশপ্ৰেমৰ ঢৌৱে কবিক ইমান আকুল কৰিছিল যে কবিতাটিত চূড়ান্ত কবি প্ৰতিভাৰ স্বাক্ষৰ প্ৰতিফলিত হৈছে। মাধুৰ্য্য গুণসম্পন্ন কোমল বৰ্ণৰ প্ৰয়োগ, অনুকাৰ শব্দ, উপমা, ৰূপক, অনুপ্ৰাস আদি অলঙ্কাৰৰ প্ৰয়োগে কবিতাটিক অধিক হৃদয়-গ্ৰাহী কৰি তুলিছেঃ 'ভগু যোগী সউ/গিৰি বাঘবৰ/বহিছে ধ্যানত/নবহে মন' -- উপমা অলঙ্কাৰ, 'বিষাদৰ ৰেখা অসম' --- ৰূপক অলঙ্কাৰ, 'কুলু-কুলু, গুৰুম-গুৰুম্' আদি অনুকাৰ শব্দৰ প্ৰয়োগ বিশেষ মনকৰিবলগীয়া ।

কবিতাটিত ছন্দৰ ক্ষেত্ৰত যৌগিক ৰীতিৰ পৰা মাত্ৰা বৃত্ত ৰীতি তথা পৰ্ব, অনুপৰ্ব আৰু যতিৰ ন-ন সম্পৰীক্ষা চলোৱা দেখা যায়। পুৰণি অসমীয়া কবিতাত ত্ৰিপৰ্বক ছন্দসজ্জাৰ দুলড়ী আৰু ছবি ছন্দৰ সংযোগত 'পাষাণ প্ৰতিমা' কবিতাটিৰ ছন্দসজ্জা নিৰ্মাণ হৈছে। এইফালৰ পৰা দুলড়ী ছন্দসজ্জাৰ প্ৰথম আৰু দ্বিতীয় পৰ্ব আৰু ছবি সজ্জাৰ তৃতীয় পৰ্বৰ মিশ্ৰণত কবিতাটিৰ প্ৰথম স্তৱকটি ৰচিত হৈছে। তাৰ পিছতেই ৬+৬ মাত্ৰাৰ দুটাকৈ শাৰী কবিতাটিৰ প্ৰায় প্ৰতি আঠশাৰীৰ অন্তৰে অন্তৰে ৰচনা কৰিছে। কবিতাটিত উদাত্ত নাটকীয় ভঙ্গীৰ বাবে কবিতাটি আবৃত্তিধৰ্মী হৈ পৰাত কবিতাটিৰ জনপ্ৰিয়তা আজিও ম্লান পৰা নাই। 'পাষাণ প্ৰতিমা' কবিতাটি অকল অসমীয়া সাহিত্যতে নহয় ভাৰতীয় সাহিত্যৰ দেশপ্ৰেমমূলক কবিতাৰ ভিতৰতো অন্যতম।

**প্ৰসংগ টীকা ঃ**

১. শৈলধৰ ৰাজখোৱা, নিজৰা, পৃ ১০

২. সূৰ্যকুমাৰ ভূঞা, বুৰঞ্জীৰ বাণী, পৃ. ১৮২

**সহায়ক গ্ৰন্থ**


- ৰাজখোৱা, শৈলধৰ ঃ নিজৰা, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, ৪ৰ্থ সংস্কৰণ, ১৯৯০ চন।
- দাস, মঞ্জুমালা (সম্পা.) ঃ শৈলধৰ ৰাজখোৱাৰ ৰচনাৱলী, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১ম সং, ১৯৯২ চন।
- কটকী, চন্দ্ৰ ঃ অসমীয়া কবিতাৰ বৰ্ণালী, মণিকা প্ৰকাশন, যোৰহাট, ১ম সং, ১৯৯৪ চন।
- বৰুৱা, নৰকান্ত ঃ অসমীয়া ছন্দ শিল্পৰ ভূমিকা, ষ্টুডেণ্টচ্ ষ্টৰচ্, গুৱাহাটী ৩ য় সংস্কৰণ, ২০০১ চন
- ভূঞা, সূৰ্যকুমাৰ ঃ বুৰঞ্জীৰ বাণী, লয়াৰ্ছ বুকষ্টল, গুৱাহাটী ৩ য় সংস্কৰণ, ১৯৫৬ চন।


●●●

বহুমুখী প্ৰতিভাসম্পন্ন আৰু বৰ্ণিল ব্যক্তিত্বৰ অধিকাৰী ড° ভূপেন হাজৰিকা প্ৰকৃতাৰ্থত অসমী আইৰ সুযোগ্য সন্তান। এইজন চিৰ যাযাবৰ শিল্পীৰ জীৱনজোৰা সাধনাৰ ফলত প্ৰায় তিনিশৰো অধিক গীতৰ মাজত প্ৰতিভাত হৈ উঠিছে জাতীয় চিন্তা-চেতনাৰ এখনি উজ্জ্বল ছবি।



# ড° ভূপেন হাজৰিকাৰ গীতত জাতীয়তাবাদী চিন্তা ঃ এটি অধ্যয়ন

**ড° মীৰা বৈশ্য**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
জাগীৰোড মহাবিদ্যালয়

অসমীয়া জাতিৰ সু-সন্তান সংগীতসূৰ্য ড° ভূপেন হাজৰিকা আছিল একাধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, সংগীত পৰিচালক, ৰাজনীতিবিদ, সাহিত্যিক, সাংবাদিক, অধ্যাপক, মানৱতাৰ পূজাৰী আদি অনেক গুণেৰে বিভূষিত এজন ব্যক্তিত্বশীল ব্যক্তি। সূৰ্য্য হাজৰিকাৰ ভাষাত ক'বলৈ হ'লে - অসমৰ সঙ্গীত জগতত সূৰ্য্যসম শক্তিৰে পৰিব্যাপ্ত, যাৰ কিৰণ সমগ্ৰ ভাৰতবৰ্ষসহ পৃথিৱীৰ চৌপ্ৰান্তৰলৈকে বিকশিত হৈছে, সেইজন বিশ্ববিশ্ৰুত শিল্পী, গীতিকাৰ, সুৰকাৰ, গায়ক, সঙ্গীত-পৰিচালক, চলচ্চিত্ৰ পৰিচালক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সভাৰ দ্বাৰা 'সাহিত্যাচাৰ্য' সন্মানেৰে সন্মানিত সাহিত্যৰ সাধক, 'সঙ্গীত সূৰ্য্য' বিভূষণেৰে স্বীকৃত সংস্কৃতিৰ সাধক, ভাৰতীয় চলচ্চিত্ৰ জগতৰ সৰ্ব্বোচ্চ সন্মান 'দাদা চাহেব ফাল্কে' বঁটাৰে সন্মানিত ভাৰতীয় বোলছবি জগতৰ প্ৰবাদপুৰুষ ৰূপে মান্য, ভাৰত চৰকাৰৰ সৰ্ব্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন', 'পদ্মশ্ৰী' আৰু 'পদ্মভূষণ' সন্মানেৰে বিভূষিত, ভাৰতীয় সঙ্গীত নাটক একাডেমী বঁটাৰে সন্মানিত তথা একাডেমীৰ প্ৰাক্তন অধ্যক্ষ, দেশ-বিদেশৰ বিভিন্ন মঞ্চত বিশ্ববিশ্ৰুত শিল্পীৰূপে সৰ্ব্বজনমান্য, অসম গৌৰৱ, অসম চৰকাৰৰ সৰ্ব্বোচ্চ সন্মান 'শ্ৰীমন্ত শঙ্কদেৱ বঁটা' আৰু 'অসম ৰত্ন' বঁটাৰে বিভূষিত ড° ভূপেন হাজৰিকা। (সূৰ্য্য হাজৰিকা। *ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ*। পাতনি, ২০১৫) তেওঁ অসমীয়া তথা ভাৰতীয় সঙ্গীতৰ প্ৰতি বিশেষকৈ জাতীয়তাবাদৰ ক্ষেত্ৰখনত আগবঢ়োৱা অৱদানৰ বাবে চিৰ পৰিচিত। তেওঁৰ গীতসমূহে প্ৰায়ে দেশপ্ৰেম, সাংস্কৃতিক পৰিচয় আৰু সামাজিক ন্যায়ৰ বিষয়বস্তু স্পৰ্শ কৰে, সমগ্ৰ দেশৰ শ্ৰোতাৰ মাজত অনুৰণন ঘটায়।

১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াত জন্ম গ্ৰহণ কৰা এইজনা শিল্পীয়ে কৈশোৰ কালতে 'কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে ধৰিছিল নামৰে তান' শীৰ্ষক গীতেৰে তেওঁৰ প্ৰথম গীতি-সাহিত্য জীৱনৰ পাতনি মেলিছিল। লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভাৰ দৰে মহান জীৱন দৰ্শন আৰু ব্যক্তিত্বৰ সান্নিধ্যই ড° হাজৰিকাক এক বিশেষ বাট দেখুৱালে, এই বাট হ'ল জনতাৰ হৃদয়ত প্ৰৱেশ কৰাৰ বাট। বেনাৰসত আয়ত্ত কৰা সংগীতৰ জ্ঞানে তেওঁক জীৱনৰ প্ৰতিটো মুহূৰ্তৰ যাত্ৰা, সংগ্ৰাম আৰু সংঘাতে মানুহৰ বাবে লিখাৰ প্ৰেৰণা

যোগালে। অসম আন্দোলনৰ সময়ত অসমীয়া লোকৰ মাজত জাতীয় চেতনাক উদ্বুদ্ধ কৰি নিজ দেশ নিজ মাতৃভূমিৰ স্বাৰ্থ ৰক্ষাৰ্থে ৰচনা কৰা চিৰন্তন গীতসমূহ সংগ্ৰামী জনতাৰ মুখে মুখে পৰিৱেশিত হৈছিল। একো একোটা গীতে যেন একো একোটা জাতিক এটা পৰ্যায়ৰ পৰা আন এটা পৰ্যায়লৈ লৈ যাব পাৰে তাৰ প্ৰমাণ ড° ভূপেন হাজৰিকাৰ গীতসমূহ।

তেওঁৰ গীতৰ এক সুকীয়া বৈশিষ্ট্য আছে । তেওঁৰ গীতৰ মাজেৰে সমাজৰ আৰ্তজনৰ দুখ-দুৰ্দশাৰ ছবি ফুটি উঠিছে। নিজৰ লগতে আনৰ ব্যক্তিগত অনুভূতিক বিশ্লেষণ কৰি তেওঁ সমাজ সচেতকভাৱে গীতসমূহ ৰচনা কৰিছিল । দেশ-জাতিৰ সমূহীয়া বিপ্লৱী মনৰ বিশ্লেষণ কৰি দেশ আৰু সমাজৰ সমস্যাৱাজিৰ সমাধানেৰে ৰাইজক গীতৰ মাজেৰে জাগ্ৰত কৰি তোলাই তেওঁৰ গীতৰ প্ৰধান লক্ষ্য আছিল ।

বহুমুখী প্ৰতিভাসম্পন্ন আৰু বৰ্ণিল ব্যক্তিত্বৰ অধিকাৰী ড° ভূপেন হাজৰিকা প্ৰকৃতাৰ্থত অসমী আইৰ সুযোগ্য সন্তান। এইজন চিৰ যাযাবৰ শিল্পীৰ জীৱনজোৰা সাধনাৰ ফলত প্ৰায় তিনিশৰো অধিক গীতৰ মাজত প্ৰতিভাত হৈ উঠিছে জাতীয় চিন্তা-চেতনাৰ এখনি উজ্জ্বল ছবি। বিভিন্ন উপলক্ষ্যত আৰু বিভিন্ন পৰিৱেশ, পৰিস্থিতিত তেওঁৰ কলমৰ পৰা নিগৰিছিল জাতীয় ভাবাপন্ন অসংখ্য গীত। অসমী আইৰ প্ৰতি সদা সচেতন এইজনা মহান মণীষীৰ মন-প্ৰাণ নিমজ্জিত কেৱল দেশানুৰাগত।

প্ৰতিপল, প্ৰতিক্ষণ অসমী আইক সেৱা কৰিবলৈ প্ৰস্তুত ভূপেন হাজৰিকাৰ কলমৰ পৰা যেন স্বতঃস্ফূৰ্তভাৱেই নিগৰিছিল-

"মোৰ দেশখন যদি আজি আই হৈ যায়
আৰু আয়ে যদি কান্দি কান্দি বাৰে বাৰে কয়
তই বাৰু মোৰ বাবে কি কৰিলি
মই ক'ম কি?"

ভূপেন হাজৰিকাৰ প্ৰতিটো গীতেই যেন জাতীয় চেতনাৰ প্ৰতিভূ। তেওঁৰ গীতত প্ৰকাশ পাইছে জাতীয় সমন্বয়ৰ গভীৰ চেতনা -

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।"

ভূপেন হাজৰিকাই মানুহৰ মাজত আত্মিক চেতনাবোধ জাগ্ৰত কৰাৰ মানসেৰে লিখিছিল-

"মানুহে মানুহৰ বাবে
যদিহে অকনো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা - সমনীয়া।।"

তেখেতে নিজে এঠাইত কৈছে - "মোৰ সকলো গীতৰ ৰচনাৰ মূল উদ্দেশ্য হ'ল - গানবোৰ মানুহৰ গান হ'ব লাগিব।" (উক্ত গ্ৰন্থ, পাতনি)

জাতীয়তাবোধ যেন ভূপেন হাজৰিকাৰ আত্মাৰ উপলব্ধি। সেয়ে তেওঁ মুক্তকণ্ঠে কৈছে -

"অসম আমাৰ ৰূপহী গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।
পাহাৰ ভৈয়াম একে কৰা ৰামধেনুৰে দৰে;
তোমাৰ ভাষাৰ মৰমবোৰে মিলন সেতু গঢ়ে।
গোটেই জীৱন বিচাৰিলেও অলেখ দিৱস ৰাতি
অসম দেশৰ দৰে নেপাওঁ, ইমান ৰসাল মাটি।।"

ড° ভূপেন হাজৰিকাই জাতীয়তাবাদ, আন্তৰ্জাতিকতা, স্বদেশপ্ৰেম আৰু বিশ্বপ্ৰেমৰ মাজত গীতৰ মাধ্যমত সমন্বয় স্থাপন কৰিছে। তেওঁৰ মতে বিশ্বখনৰ সকলো ৰাষ্ট্ৰই সমানে শক্তিশালী হ'ব। পৃথিৱীৰ বুকুত কোনো এটি জাতি পংগু হৈ থাকিলে বিশ্বই ভাল নাপায়। নিজ দেশৰ প্ৰতি কৰ্তব্য পালন কৰিলেহে বিশ্বৰ প্ৰতিও কৰ্তব্য পালন কৰা হয়। নিজ মাতৃক ভালপোৱাৰ লগতে আনৰ মাতৃকো ভাল পাব লাগিব। ইতিবাচক আৰু প্ৰগতিশীলতাৰ উদাহৰণেৰে সমৃদ্ধ জাতীয়তাবাদক বিশ্বমুখী কৰাৰ প্ৰয়াস তেওঁৰ গীতৰ আঁহে আঁহে বিদ্যমান -

"বিশ্বপ্ৰেম বিনন্দীয়া বুলি
অনুভৱ কৰা প্ৰতিজন অসমীয়া
তুমিওতো জানা এটি কথা
আপোন মাতৃৰ অশ্ৰু নমচিলে
বিশ্বপ্ৰেম হ'ব বৃথা
তুমি বিশ্বৰ শৰীৰত পংগু অংগ হ'লে
বিশ্বই জানো ভাল পাব?"

ড° ভূপেন হাজৰিকাৰ জাতীয়তাবাদৰ গীতসমূহক সামাজিক আৰু ৰাজনৈতিক ধাৰাভাষ্যৰ এক শক্তিশালী আহিলা হিচাপে চাব পাৰি। ই ভাৰতীয় জনসাধাৰণৰ সংগ্ৰাম আৰু আকাংক্ষাক প্ৰতিফলিত কৰি তুলিছে। তেওঁৰ কালজয়ী গীত যেনে - 'বিস্তীৰ্ণ পাৰৰে', 'মানুহে মানুহৰ বাবে', 'দিল হুম্ হুম্ কৰে' আদি আত্মাক আলোড়িত কৰা গীতৰ সুৰৰ বাবে শ্ৰোতাৰ মাজত অনুৰণন ঘটে। তেওঁৰ সংগীতৰ জৰিয়তে হাজৰিকাই ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্যক উদ্‌যাপন কৰাৰ লগতে জাতিটোৱে সন্মুখীন হোৱা আৰ্থ-ৰাজনৈতিক প্ৰত্যাহ্বানসমূহৰ ওপৰতো আলোকপাত কৰে।

প্ৰকৃততে, ভূপেন হাজৰিকাৰ গীতসমূহে প্ৰায়ে স্বাধীনতা,

ঐক্য, ন্যায়, সমতা আদি বিষয়ক সম্বোধন কৰি অসম তথা ভাৰতৰ বাকী অংশৰ বৈচিত্র্যপূর্ণ সাংস্কৃতিক দৃশ্যপটৰ পৰা প্ৰেৰণা লাভ কৰে। তেওঁৰ গৃহভুমি আৰু ইয়াৰ জনসাধাৰণৰ সৈতে গভীৰভাৱে শিপাই থকা সংযোগ তেওঁৰ ৰচনাসমূহত স্পষ্ট হৈ পৰে; যিবোৰে প্ৰান্তীয় সম্প্ৰদায়ৰ সংগ্ৰামৰ কথা কয় আৰু সামাজিক পৰিৱৰ্তনৰ পোষকতা কৰে। তদুপৰি, হাজৰিকাৰ গীতত আঞ্চলিক ভাষা আৰু পৰম্পৰাগত বাদ্যযন্ত্ৰৰ ব্যৱহাৰে তেওঁৰ গীতত এক অনন্য সোৱাদ প্ৰদান কৰিবলৈ সক্ষম হৈছে। ভূপেন হাজৰিকাৰ সংগীতে ব্যক্তিৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়, তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্যত গৌৰৱ আৰু নিজৰ বুলি ভবাৰ ভাব জগাই তোলে। ভাষিক আৰু সাংস্কৃতিক বাধাসমূহ অতিক্ৰম কৰি সমগ্ৰ দেশৰ শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰা হাজৰিকাৰ সংগীতৰ আৱেগিক অনুৰণন মনকৰিবলগীয়া। সমালোচকৰ ভাষাত -

"তেওঁ আছিল শংকৰদেৱ, মাধৱদেৱ, আজানপীৰ, বেজবৰুৱা, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা এইসকলে প্ৰতিষ্ঠা কৰি থৈ যোৱা অসমৰ জাতীয় ঐতিহ্যৰ উত্তৰাধিকাৰী। আনহাতে অসমৰ লোক-জীৱনৰ আৰু লোক সংস্কৃতিৰো প্ৰাণৰ উত্তাপ তেওঁ নিজৰ হৃদয়ত ধাৰণ কৰিছিল। তেওঁৰ গীতৰ সুৰত, তেওঁৰ কথাত সেই উত্তাপ ফুটি উঠিছিল। তেওঁৰ কণ্ঠও আছিল অমৃতময়। সেইবাবেই তেওঁ 'সুধাকণ্ঠ'। তেওঁৰ এই কণ্ঠক প্ৰাণৰ উত্তাপ দিছিল তেওঁৰ গভীৰ হৃদয়ানুভূতিয়ে। হৃদয়ৰ উত্তাপ ঢালি নোগোৱাকৈ থকা তেওঁৰ এটিও গীত নাই। সেইবাবেই তেওঁৰ প্ৰতিটো গীতেই ৰসোত্তীৰ্ণ হৈ উঠিছিল। সংবেদনশীল, স্পৰ্শকাতৰ অন্তৰৰ শিল্পী নহ'লে গীতৰ সুৰক এনেভাৱে উত্তাপ দি প্ৰাণৱন্ত কৰি তুলিব পৰা কাৰো বাবে সম্ভৱ নহয়। ভূপেন হাজৰিকা সেই প্ৰতিভাৰ অধিকাৰী আছিল।" (ৰবীন ভূঞা (সম্পা.)ঃ *ড° ভূপেন হাজৰিকা সৃষ্টি আৰু দৃষ্টি*। পৃ. ৪, ২০১১)

ড° ভূপেন হাজৰিকাৰ জাতীয়তাবাদৰ গীতে সময়ৰ পৰীক্ষাত থিয় দিছে, নিজৰ শক্তিশালী বাৰ্তা আৰু উদাত্ত সুৰেৰে সংগীতপ্ৰেমী প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। পৰম্পৰাগত লোকসংগীতক আধুনিক সংবেদনশীলতাৰ সৈতে মিহলাই দিয়াৰ ক্ষমতাই তেওঁক ভাৰতীয় সংগীতৰ বুৰঞ্জীত এক অনন্য স্থান লাভ কৰি সাংস্কৃতিক পুৰোধা হিচাপে পৰিচিত কৰিছে। গীতৰ জৰিয়তে হাজৰিকাই ভাৰতৰ বৈচিত্ৰ্যক উদ্‌যাপন কৰাই নহয়, ইয়াৰ জনসাধাৰণৰ মাজত ঐক্য আৰু সংহতিৰ আহ্বান জনাই জাতীয় সংহতি আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

তেওঁৰ সংগীতত উপস্থিত জাতীয়তাবাদ আৰু সাংস্কৃতিক পৰিচয়ৰ বিষয়বস্তুৱে ভাষা-ধৰ্ম, পৰম্পৰাৰ চহকী ঐতিহ্যৰ বাবে গৌৰৱ কৰা ভাৰতীয় সমাজৰ নীতি-নিয়মৰ সৈতে প্ৰবলভাৱে সংপৃক্ত কৰায়। গীতত অসমীয়া, হিন্দী, আৰু অন্যান্য আঞ্চলিক ভাষাৰ উপাদানসমূহ একেলগে বোঁৱাই হাজৰিকাই জাতিটোৰ ঐতিহ্যৰ কথা কোৱা সাংস্কৃতিক প্ৰকাশভংগীৰ এক সুষম মিশ্ৰণৰ সৃষ্টি কৰিছে। জনসাধাৰণৰ নীতি-নিয়ম প্ৰতিফলিত কৰা গীতৰ কথা ৰচনা কৰাৰ নিখুঁত মনোযোগে তেওঁক সংগীতৰ সীমা অতিক্ৰম কৰা এজন দূৰদৰ্শী শিল্পী হিচাপে পৃথক কৰি তুলিছে।

ড° ভূপেন হাজৰিকাৰ জাতীয়তাবাদৰ উদ্‌গনিদায়ক গীতৰ কথা, আত্মাক আলোড়িত কৰা সুৰ, সামাজিক ন্যায়ৰ প্ৰতি অদম্য দায়বদ্ধতাৰ জৰিয়তে হাজৰিকাই ভাৰতীয় সংগীত জগতত এক চিৰস্থায়ী চিন ৰাখিছে, অগণন ব্যক্তিক নিজৰ সাংস্কৃতিক ঐতিহ্যক আকোঁৱালি লৈ উন্নত ভৱিষ্যতৰ বাবে চেষ্টা কৰিবলৈ অনুপ্ৰাণিত কৰিছে। তেওঁৰ গীতসমূহ কালজয়ী আবেদন আৰু প্ৰেম, শান্তি আৰু ঐক্যৰ সাৰ্বজনীন বাৰ্তাৰ বাবে দৰ্শকৰ মাজত প্ৰতিধ্বনিত হৈয়েই আছে, যাৰ ফলত তেওঁক ভাৰতীয় জাতীয়তাবাদৰ এজন প্ৰকৃত প্ৰতিনিধিত্বকাৰী বুলি বিনা দ্বিধাই ক'ব পাৰি । ভূপেন হাজৰিকাৰ সংগীতে ভাষিক, সাংস্কৃতিক, ভৌগোলিক সীমা অতিক্ৰম কৰি সমগ্ৰ ভাৰত আৰু ইয়াৰ বাহিৰৰ শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰে। জাতীয়তাবাদৰ ওপৰত ৰচিত তেওঁৰ গীতসমূহে দেশৰ বৈচিত্ৰ্যক উদ্‌যাপন কৰাৰ লগতে ইয়াৰ জনসাধাৰণৰ মাজত পাৰস্পৰিক সন্মান, বুজাবুজি, আৰু সমন্বয়ৰ আহ্বান জনাইছে। হাজৰিকাৰ সংগীতৰ বিষয়বস্তু আৰু লক্ষ্যসমূহ অন্বেষণ কৰি ভাৰতীয় জাতীয়তাবাদৰ প্ৰতি তেওঁৰ অৱদান আৰু সামাজিক পৰিৱৰ্তন আৰু সাংস্কৃতিক ঐক্যৰ প্ৰেৰণা যোগোৱা তেওঁৰ সংগীতৰ চিৰস্থায়ী শক্তিৰ বাবে অসমীয়া তথা ভাৰতীয় জাতিয়ে সৰ্বদাই তেওঁক স্মৰণ কৰিব লাগিব।

**গ্ৰন্থপঞ্জী ঃ**


- দাস, হিৰণ্য কুমাৰ। মহাকাশ, মহাসাগৰ আৰু ভূপেন হাজৰিকা। গাজিয়াবাদ ঃ মনো পাব্লিকেছনচ, ২০০৪।
- পূজাৰী, অৰ্চনা। ড° ভূপেন হাজৰিকাৰ গীতৰ মূল্যায়ন। গুৱাহাটী ঃ বাণী মন্দিৰ, ২০০২।
- ভূঞা, ৰবীন (সম্পা.)। ড° ভূপেন হাজৰিকা সৃষ্টি আৰু দৃষ্টি। গুৱাহাটী ঃ বনলতা, ২০১১।
- শইকীয়া, মনোজ কুমাৰ। সৃষ্টিৰ দৃষ্টিৰে ভূপেন হাজৰিকা। গুৱাহাটী ঃ ভৱানী প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনচ্, ২০১১।
- হাজৰিকা, সূৰ্য্য (সম্পা.)। ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ। গুৱাহাটী ঃ এছ. এইচ শৈক্ষিক ন্যাস, ২০১৫।

বাৰেচহৰীয়া ভাওনাৰ মূল তাৎপৰ্য্যই হৈছে সম্ভাৰ সম্প্ৰীতি, ঐক্য-সংহতিৰ বতৰা বিলোৱা। সামাজিক ভেদ-ভাৱ, ৰাজনীতিয়ে আনি দিয়া কলুষিত মনবোৰ ধুই নিকা কৰি হৃদয়ৰ পৰা হৃদয়লৈ মৰম-চেনেহ আন্তৰিকতাৰ সমন্বয়ৰ বৰসাঁকো গঢ়ে।

# জামুগুৰিহাটৰ সাংস্কৃতিক সমল বাৰেচহৰীয়া ভাওনা

**ড° পল্লৱী দেৱী**
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

অসমৰ সাংস্কৃতিক মানচিত্ৰত এক সুকীয়া স্থান গ্ৰহণ কৰা শোণিতপুৰ জিলাৰ জামুগুৰিহাট এশখনৰো অধিক শস্য শ্যামলা গাঁৱেৰে সমৃদ্ধ শিক্ষা সংস্কৃতিৰে উজ্জীৱিত এক বিশাল গ্ৰামাঞ্চল মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ প্ৰসিদ্ধ ভূমি বৃহত্তৰ নদুৱাৰৰ একাংশই হ'ল বৰ্তমানৰ জামুগুৰিহাট অঞ্চল। অঞ্চলটোৰ কেন্দ্ৰস্থলত থকা এজোপা বৃহৎ জামুগছৰ তলত বহা এখন সাপ্তাহিক হাটৰ লগত অঞ্চলটোৰ বেপাৰ-বাণিজ্য ঘনিষ্ঠ হৈ পৰাত সমগ্ৰ অঞ্চলটো জামুগুৰিহাট হৈছে বুলি জনা যায়।

জামুগুৰিহাট অঞ্চল ঘাইকৈ ভৰলী আৰু বৰদিকৰাই নদীয়ে ভঙা-গঢ়া ঠাই। প্ৰকৃতাৰ্থত এই দুয়োখন নদীৰেই অৱদান ইয়াৰ ধ্বংস আৰু সৃষ্টিয়েই জামুগুৰিহাটৰ ইতিহাস। ইয়াৰ য'ত-ত'ত সিঁচৰতি হৈ থকা পুৰণি দল দেৱালয় সত্ৰ, মঠ-মন্দিৰ আদিয়ে ঠাইখনৰ প্ৰাচীন আভিজাত্য আজিও সগৌৰৱে ঘোষণা কৰি আহিছে।

এই লেখাত জামুগুৰিহাট অঞ্চলটিত উৎযাপন কৰা বাৰেচহৰীয়া ভাওনা সম্পৰ্কত কিঞ্চিৎ আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। শংকৰী কলা-সংস্কৃতিৰে মহিমামণ্ডিত এই ভাওনাৰ মাজত নিহিত থকা সংহতি আৰু সমন্বয়ৰ আদৰ্শ উদ্বুদ্ধ শোণিতপুৰ জিলাৰ ঐতিহাসিক জামুগুৰিহাটৰ ৰাইজে প্ৰায় দুশ বছৰ পূৰ্বেই সাংস্কৃতিক জীৱনধাৰাৰ অনুপম ৰূপৰেখা বুলি চিহ্নিত বাৰেচহৰীয়া ভাওনাৰ পুলি ৰোপণ কৰিছিল।

১৭৯৭ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা জামুগুৰিহাটৰ গ্ৰাম্য জীৱনৰ প্ৰাণৰ উৎসৱ জামুগুৰিহাটৰ স্বকীয় পৰিচয় বিশ্ববাসীৰ আগত দাঙি ধৰা 'বাৰেচহৰীয়া ভাওনা' ই বিভিন্ন সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক উত্থান-পতনৰ মাজেদি আহি একবিংশ শতিকাৰ আজিৰ আধুনিক জীৱনযাত্ৰাত যি যোগাত্মক, বৰঙণি আগবঢ়াই আহিছে সেয়া এক গুৰুত্বপূৰ্ণ দিশ।

২২৫ বছৰীয়া স্বৰ্ণময় ঐতিহ্যৰে সমুজ্জ্বল এই অনুষ্ঠান সমাজৰ ধৰ্মচৰ্চা, আধ্যাত্মিকতা আৰু সামাজিক সম্প্ৰীতিৰ এক অপূৰ্ব নিদৰ্শন। প্ৰতি পাঁচ বচৰৰ বিৰতিত অনুষ্ঠিত এই



'বাৰেচহৰীয়া ভাওনাৰ অৰ্থ হ'ল বাৰে বহু চহৰ গাঁও বা অঞ্চল। অৰ্থাৎ বহু গাঁও লগ লাগি একে ঠাইতে পতা ভাওনা। বাৰেচহৰীয়া ভাওনা শব্দটোৰ কোনো আভিধানিক অৰ্থ পোৱা নাযায়। ১৭৯৭ চনত আৰম্ভ হোৱা এই ভাওনাভাগ বৰ্তমানলৈ মুঠ ২৭ বাৰ অনুষ্ঠিত হৈছে। ৰঘুদলানী পথাৰত পাতনি মেলা এই ভাওনাৰ স্থায়ী স্থান হিচাপে নিৰ্বাচিত কৰা হৈছিল পকা মুৰা পথাৰ। বাৰেচহৰীয়া ভাওনাৰ বিশাল মণ্ডপৰ সৌন্দৰ্য্য আদিৰ অনন্য ৰূপে ইয়াক সমগ্ৰ বিশ্ব দৰবাৰত পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে। বাৰেচহৰীয়া ভাওনাৰ এই ৰূপ প্ৰদানত শোণিত কোঁৱৰ গজেন বৰুৱাৰ অৱদান চিৰস্মৰণীয়। পদুম ফুলৰ আৰ্হিৰ বিশাল মণ্ডপ, থাপনাক কেন্দ্ৰ কৰি বাইছৰ পৰা চৌব্বিছখন পৰ্যন্ত খলা, দৰ্শক, বহাৰ বিশেষ ব্যৱস্থা নিৰ্দিষ্ট খলাত বহি থাকি সকলো খলাৰেই ভাৱৰীয়াসকলক চাব পৰাৰ অনন্য কৌশল, এয়া গ্ৰাম্য শিল্পীৰ স্থাপত্য কলাৰ অনন্য প্ৰকাশ। একে সময়তে সকলো খলাতে সমান্তৰালভাৱে ভাওনা চলি থকাৰ যি মাদকতা, সহস্ৰ সহস্ৰ জনগণৰ সমাৱেশ কেৱল দেখা সকলেহে অনুভৱ কৰিব পাৰে।

মাঘ মাহৰ পৱিত্ৰ মাঘী পূৰ্ণিমা তিথিৰ বাৰেচহৰীয়া ভাওনাৰ ধ্বজা স্থাপনৰ পাছৰ পৰাই ৰাইজে অত্যন্ত শ্ৰম আৰু ত্যাগেৰে বাৰেচহৰীয়া ভাওনাৰ মণ্ডপ আৰু ৰভাঘৰ নিৰ্মাণত ব্যস্ত হৈ পৰে। প্ৰতিখন খলাৰ লগত সংযোগ হয় মূল সিংহাসন। এই সিংহাসনৰ ওপৰ অংশত পথাৰৰ 'নৰা' অথবা উলুখেৰ, বাঁহ-বেতেৰে নিৰ্মাণ কৰা হয়। 'দ'ল' বা 'গম্বুজ আৰু গম্বুজৰ ওপৰত সোণালী ৰঙৰ কলচী। বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী লোকৰ বসতিস্থল জামুগুৰিহাটৰ এই বাৰেচহৰীয়া ভাওনা মহোৎসৱে বৰ্তমান সীমাৰ পৰিধি ভাঙি আন্তৰ্জাতিক মৰ্য্যাদা লাভ কৰাটো অঞ্চলটোৰ বাবে সুখদায়ক বিষয়।

বাৰেচহৰীয়া ভাওনাৰ মূল তাৎপৰ্য্যই হৈছে সম্ভাৱ-সম্প্ৰীতি, ঐক্য-সংহতিৰ বতৰা বিলোৱা। সামাজিক ভেদভাৱ, ৰাজনীতিয়ে আনি দিয়া কলুষিত মনবোৰ ধুই নিকা কৰি হৃদয়ৰ পৰা হৃদয়লৈ মৰম-চেনেহ আন্তৰিকতাৰ সম্বন্ধয়ৰ বৰসাঁকো গঢ়ে, বাৰেচহৰীয়া ভাওনাই। জাতি, ধৰ্ম, বৰ্ণ, ভাষা, উচ্চ-নীচ, সৰু-বৰ ভেদাভেদ পাহৰি সকলো শ্ৰেণীৰ ৰাইজ সমবেত হয় একেখনি চন্দ্ৰাতপৰ তলত। এই বাৰেচহৰীয়া ভাওনা দেখাৰ যাৰ সৌভাগ্য হৈছে, তেওঁহে উপলব্ধি কৰিব পাৰিব প্ৰকৃতাৰ্থত অসমীয়া সংস্কৃতি কিমান মহান আৰু ঐতিহ্যপূৰ্ণ।

●●●

উচ্চ শিক্ষানুষ্ঠানৰ পৰা মাধ্যমিক শিক্ষাক সংযোগ কৰাৰ পাৰস্পৰিক সম্পৰ্কটো অধিক দৃঢ় কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। কলেজ আৰু মহাবিদ্যালয় আৰু বিদ্যালয়ৰ মাজৰ সু-সম্পৰ্কটোৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি হৈছে (Lead College) বা প্ৰশাসনিক সমন্বয়কাৰী মহাবিদ্যালয়।



# অসমৰ বিদ্যালয় শিক্ষাৰ উত্তৰণত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ভূমিকা


**ৰঞ্জন কুমাৰ ডেকা**
প্ৰাক্তন ছাত্ৰ


কলেজত পঢ়ি থকা অৱস্থাত মাজে মাজে বিভিন্ন বিভাগ বোৰে অনুষ্ঠিত কৰা আলোচনা চক্ৰবোৰত ছাত্ৰ হিচাপে উপস্থিতি থকাৰ সৌভাগ্য হৈছিল। নিজৰ ইংৰাজী বিভাগৰ বাহিৰেও আন আন বিভাগবোৰৰ মনোজ্ঞ আলোচনা চক্ৰবোৰত যেতিয়া কলেজ, বিশ্ববিদ্যালয়ৰ বিভিন্ন বিশেষজ্ঞ, শিক্ষাবিদ পণ্ডিত, অধ্যাপক আদিৰ বিষয়বস্তুৰ সম্পৰ্কত জ্ঞান গৰ্ভ ভাষণ শুনিবলৈ পাইছিলোঁ তেতিয়া প্ৰচুৰ লাভান্বিত হোৱাৰ লগতে নিজ বিভাগৰ উপৰি আন বিভাগবোৰৰ বিষয়ে বহু সাৰমৰ্ম কথা জনাৰ বাট মুকলি হৈছিল। এই আলোচনা চক্ৰৰ পৰিৱেশেই বেলেগ হৈ আছিল। চাৰিওফালৰ পৰিৱেশটো বৌদ্ধিক হৈ উঠে। এতিয়াও মনত পৰে যে তেতিয়া জাগীৰোড কলেজৰ চেমিনাৰ হলত দেশৰ বিভিন্ন অধ্যাপক, পণ্ডিত যেনেঃ প্ৰয়াত লক্ষ্মীনন্দন বৰা, প্ৰয়াত হীতেশ ডেকা, অধ্যাপক উদয়াদিত্য ভৰালী, ড° অৰনী কুমাৰ ভাগবতী, ড° উমেশ ডেকা, প্ৰয়াত অধ্যাপক প্ৰজন্ম বৰুৱা প্ৰখ্যাত মনোবিজ্ঞানী ড° জয়ন্ত দাস ইত্যাদি গুৱাহাটী বিশ্ববিদ্যালয়ৰ, কটন কলেজ আদিৰ প্ৰতিষ্ঠানৰ পৰা সমাগত বিভিন্ন দিশত উল্লেখযোগ্য বৰঙনি আগবঢ়োৱা ব্যক্তিৰ জ্ঞান গৰ্ভ ভাষণ শুনিবলৈ পাই তেতিয়া বুজিছিলোঁ আচলতে জ্ঞান বোলা বস্তুটো কিমান গভীৰ আৰু আমোদজনক।

সেই আলোচনা চক্ৰবোৰৰ মাজত প্ৰায়ে আলোচিত হোৱা এটা গুৰুত্বপূৰ্ণ বিষয় আছিল কলেজ আৰু বিশ্ববিদ্যালয়ৰ মাজত পাৰস্পৰিক সম্পৰ্ক। দুই এজন বক্তাই প্ৰকাশ কৰিছিল কলেজ আৰু বিশ্ববিদ্যালয়ৰ সম্পৰ্কৰ কথা। কলেজ আৰু বিশ্ববিদ্যালয়ৰ সম্পৰ্ক যদি কেৱল ফলাফল দিয়া, কলেজবোৰত পৰীক্ষাৰ পৰিচালনা কৰা, পৰীক্ষা অনুষ্ঠিত কৰা আদিৰ মাজতে আবদ্ধ থাকে তেতিয়া কলেজবোৰৰ কোনো বিশেষ উন্নতি নহয় যিটো আগৰ দিনত হোৱা কথা। আজিৰ কলেজ-বিশ্ববিদ্যালয়ৰ সম্পৰ্ক কেনে তাৰ বিষয়ে সঠিক কৈ আমি ক'ব নোৱাৰিম। যিকোনো অনুষ্ঠানৰ পাৰস্পৰিক সম্পৰ্কই যিদৰে যিকোনো অনুষ্ঠানৰ শ্ৰী বৃদ্ধি সাধন কৰে তেনেদৰে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাৰস্পৰিক সম্পৰ্কই দুয়োটা অনুষ্ঠানৰ পাৰস্পৰিক উন্নতি আৰু প্ৰগতিৰ দিশত অতি জৰুৰী।

এতিয়া আহোঁ মহাবিদ্যালয় আৰু বিদ্যালয়ৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে কিছু আলোচনালৈ। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সম্পৰ্কৰ দৰে কলেজ আৰু বিদ্যালয়ৰ পাৰস্পৰিক সম্পৰ্কটোত বহুকেইটা ইতিবাচক দিশ আছে। এখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাজৰ সুসম্পৰ্কৰ ফলত এখন বিদ্যালয়ত শিক্ষাৰ দিশৰ উন্নতি হোৱাই নহয় বিদ্যালয়বোৰৰ ছাত্ৰ-ছাত্ৰীৰ

মনতো উচ্চ শিক্ষাৰ স্বপ্নবোৰ অধিক দৃঢ় হয়।

মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সৈতে বিদ্যালয়ৰ সম্পৰ্ক বিষয়ত তলতৰ কথাখিনি উল্লেখ কৰিব পাৰি।

প্ৰত্যেকখন মহাবিদ্যালয়ৰ কিছু সংখ্যক অধ্যাপক আৰু অধ্যাপিকাই মাজে মাজে নিৰ্দিষ্ট সময় উলিয়াই বিভিন্ন বিভাগৰ পৰা বিদ্যালয়লৈ গৈ পাঠদান কৰিব পাৰে। যিহেতু আজিকালি দেখা গৈছে যে প্ৰায়বোৰ বিদ্যালয়ত পৰ্যাপ্ত পৰিমাণৰ শিক্ষকৰ অভাৱ। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ কথা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ পৰা প্ৰয়োজনীয় দিহা পৰামৰ্শ পালে বেচৰকাৰী বিদ্যালয়বোৰৰ উন্নতি হোৱাৰ নিশ্চয় অৱকাশ থাকে।

কলেজ আৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে জিলাৰ বিভিন্ন চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় বা চিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয়ত মাজে মাজে দুই এখন উচ্চ মানৰ চেমিনাৰ, আলোচনা চক্ৰ আয়োজন কৰাৰ স্থল আছে। যিহেতু কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষকসকল বিষয় বস্তুৰ ক্ষেত্ৰত অধিক অভিজ্ঞপুষ্ট আৰু জ্ঞান, এই ক্ষেত্ৰত তেওঁলোকৰ অভিজ্ঞতা যে বিশেষ সহায়ক হ'ব তাত কোনো সন্দেহ নাই।

বিভিন্ন কলেজৰ অধ্যাপকসকলে বিভিন্ন বিদ্যালয়ৰ শিক্ষকসকলৰ সৈতে শিক্ষণ কৌশল, শিক্ষণ কলা আৰু প্ৰশিক্ষণ কাৰ্যসূচীত সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰে। তাৰ বাহিৰেও মাজে মাজে মহাবিদ্যালয়বোৰে তেওঁলোকৰ মহাবিদ্যালয়বোৰৰ বিভিন্ন আঁচনি যেনে বিজ্ঞান পৰীক্ষাগাৰ, পুথিভঁৰাল, অত্যাধুনিক প্ৰেক্ষাগৃহ, খেল পথাৰ, বিভিন্ন বিভাগ আদিক প্ৰত্যক্ষ প্ৰদৰ্শনৰ জৰিয়তে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞানৰ এক অভূতপূৰ্ব বিপ্লৱ আনিব। অৱশ্যে এইটো ঠিক যে এই সমগ্ৰ কাৰ্য্য কোনো নিয়ম মাফিক হ'ব নালাগে। নিয়মিতভাৱে নিৰ্দিষ্ট সময়ৰ অন্তৰালে অন্তৰালে হ'ব লাগিব।

আজিকালি চৰকাৰৰ শিক্ষা বিভাগে মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু বিদ্যালয় তথা গুৱাহাটী তথ্য প্ৰযুক্তি (IIT)ৰ মাজত সু-সম্পৰ্ক গঢ়াতো যথেষ্ট গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। বিদ্যালয়ে বিদ্যালয়ে উচ্চ মানদণ্ডৰ গৃহ, পুথিভঁৰাল, বিজ্ঞানাগাৰ আদি নিৰ্মাণৰ বাহিৰেও NEP-2020 অনুসৰি প্ৰত্যেকটো উচ্চ শিক্ষানুষ্ঠানৰ পৰা মাধ্যমিক শিক্ষাক সংযোগ কৰাৰ পাৰস্পৰিক সম্পৰ্কটো অধিক দৃঢ় কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। কলেজ আৰু মহাবিদ্যালয় আৰু বিদ্যালয়ৰ মাজৰ সু-সম্পৰ্কটোৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি হৈছে (Lead College) বা প্ৰশাসনিক সমন্বয়কাৰী মহাবিদ্যালয়।

এই অনুসৰি বৰ্তমান উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ আৰু চূড়ান্ত পৰীক্ষাৰ পৰা আৰম্ভ কৰি বিভিন্ন উচ্চতৰ মাধ্যমিকৰ প্ৰশ্ন কাকতৰ লগতে দ্বিতীয় বৰ্ষৰ বিভিন্ন পৰীক্ষা (District Level Inrternal Examination Committee) জিলা পৰ্য্যায়ৰ আভ্যন্তৰীণ পৰীক্ষা কমিটীৰ জৰিয়তে অনুষ্ঠিত হৈ থাকে আৰু ইয়াৰ অন্যতম এজন সদস্য হ'ল প্ৰশাসনিক সমন্বয়কাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ জন (Lead College Principal)। তাৰ বাহিৰেও আমি জানি থোৱা ভাল যে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা আৰু উচ্চ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা পৰিচালনাৰ বাবে যিখন জিলা পৰ্যায়ৰ পৰীক্ষা-নিৰীক্ষণ কমিটী গঠন কৰা হয়, তাৰো অন্যতম সদস্য হ'ল প্ৰশাসনিক সমন্বয়কাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ জন। আকৌ ঠিক তেনেদৰে উচ্চ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাত নম্বৰ বা Mark Sheet ৰ তালিকাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ স্বাক্ষৰ প্ৰয়োজন হয়। তেনেদৰে বিভিন্ন ব্যক্তিগত খণ্ডৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিদৰ্শন বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা প্ৰশাসনিক সমন্বয়কাৰী মহাবিদ্যালয়ৰ অধ্যক্ষই মিলি কৰিব লাগে।

তদুপৰি বিভিন্ন উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনৰ বিভিন্ন মহাবিদ্যালয়, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অতিৰিক্ত শাখা বা নতুন শাখাৰ পৰিদৰ্শন বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ জৰিয়তে হয়। লগতে উল্লেখ কৰিব পাৰি আজিকালি অনুষ্ঠিত হোৱা শিক্ষা বিভাগৰ গুণোৎসৱত বহুত কলেজ বা মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাসকলে সক্ৰিয় অংশ গ্ৰহণ কৰে। তেনেদৰে আজিকালি গুৱাহাটী তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান (IIT) গুৱাহাটীয়ে বিদ্যালয় বোৰৰ বিভিন্ন দিশ যেনে শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ, বিজ্ঞান শাখা পৰিচালনা, কিদৰে নতুন নতুন ক'ৰ্ছ লোৱা ইত্যাদি ওপৰত প্ৰত্যক্ষ সহযোগিতা কৰা দেখা গৈছে যাৰ ফলত মাধ্যমিক বিদ্যালয় শিক্ষা বিশেষকৈ ব্যৱহাৰিক শিক্ষাই এক বিশেষ গুৰুত্ব লাভ কৰা দেখা গৈছে।

শেষত আমি প্ৰত্যক্ষ কৰিছোঁ যে বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয় তথা তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান আদিয়ে যদি প্ৰত্যক্ষ ভাৱে আমাৰ বিদ্যালয় শিক্ষাৰ উন্নতিৰ দিশত ভূমিকা গ্ৰহণ কৰে তেন্তে অনাগত দিনত আমাৰ বিদ্যালয়ৰ শিক্ষাই এক ন উদ্যমেৰে নিজৰ লক্ষ্যত আগবাঢ়ি যাব পাৰিব।

●●●



# জেন জেদৰ এক মাৰাত্মক ব্যাধি 'ব্ৰেইন ৰট'


**ডাঃ উৎপল শৰ্মা**

প্ৰাক্তন ছাত্ৰ


সাম্প্ৰতিক যুগ  ডিজিটেল যুগ। কাৰণ এই যুগত প্ৰযুক্তি, বিশেষকৈ ইণ্টাৰনেট, স্মাৰ্টফোন আৰু কৃত্ৰিম বুদ্ধিমত্তাই (AI) শিক্ষা, যোগাযোগ, স্বাস্থ্য, ব্যৱসায়কে ধৰি সকলো ক্ষেত্ৰত বিপ্লৱ আনিছে, যাৰ ফলত আমাৰ জীৱনশৈলী আৰু বিশ্বৰ সৈতে সংযোগৰ ধৰণ অভূতপূৰ্বভাৱে সলনি হৈছে।

ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া আৰু স্মাৰ্টফোনৰ সহায়ত তথ্যৰ আদান-প্ৰদান অতি দ্ৰুত আৰু সহজ হৈছে।

অনলাইন শিক্ষাৰ বিস্তাৰ, ডিজিটেল দক্ষতাৰ প্ৰয়োজনীয়তা বৃদ্ধি আৰু ফ্ৰিলান্সিঙৰ দৰে নতুন কৰ্মসংস্থানৰ সৃষ্টি হৈছে।

টেলিমেডিচিন আৰু ৰ'ব'টিক চাৰ্জাৰীৰ দৰে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ বাঢ়িছে। শিল্প, ব্যৱসায় আৰু ঘৰুৱা কামত স্ব-চালিত প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰে দক্ষতা আৰু কাৰ্যক্ষমতা বৃদ্ধি কৰিছে। বিশ্বব্যাপী যোগাযোগ সহজ, সেৱাৰ মান উন্নয়ন, আৰু নতুন ব্যৱসায়িক সুযোগৰ সৃষ্টি হৈছে। সামগ্ৰিকভাৱে, ডিজিটেল প্ৰযুক্তিয়ে সাম্প্ৰতিক যুগৰ সমাজ আৰু জীৱনৰ প্ৰতিটো দিশেই প্ৰভাৱিত কৰিছে, সেয়েহে এই যুগক ডিজিটেল যুগ বুলি অভিহিত কৰা হয়।

প্ৰত্যেক বস্তুৰে সুবিধা যেনেকৈ থাকে অসুবিধাও থাকে। ইয়াৰ ভাল-বেয়া নিৰ্ভৰ কৰে ব্যৱহাৰৰ ওপৰত। ভালকৈ জানি বুজি পৰিমিতভাৱে ব্যৱহাৰ কৰিলে সুফল আৰু ভালকৈ নজনাকৈ জধেমধে ব্যৱহাৰ কৰিলে ইয়াৰ পৰা অভাবনীয় ক্ষতি হয়। তেনে এবিধ অভাৱনীয় ক্ষতিয়েই হৈছে 'ব্ৰেইন ৰট' বা 'মগজুৰ পচন'। আজিৰ বিশ্বৰ লোক সকলে গড়ে প্ৰায় ৬ ঘন্টা ডিজিটেল মাধ্যমত ব্যয় কৰে। যুৱক যুৱতীসকলৰ ক্ষেত্ৰত এই সময় প্ৰায় ৯ ঘন্টা। বেছি সংখ্যক লোকেই এই মূল্যবান সময়ৰ বেছি ভাগেই খৰচ কৰো নিম্নমানৰ ৰুচি বোধৰ বিষয়বস্তু  চোৱাত, যিবোৰ আজিৰ যুগৰ জাংক ফুডৰ দৰে হয়। ডাঃ জন হোটনৰ মতে যিসমূহ লোকে ডিজিটেল মাধ্যমত বেছি সময় কটাই, তেওঁলোকৰ অধ্যয়ন ভাষাজ্ঞান আৰু সিদ্ধান্ত ল'ব পৰা ক্ষমতা ক্ষিপ্ৰ গতিত হ্ৰাস পায়। ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষণাৰ মতে ইয়াৰ কাৰণ হৈছে ড'পামিন হৰ্মন, যি আমাৰ মগজুৰ বাবে বৰ প্ৰয়োজনীয়। যিয়ে আমাৰ সস্তীয়া সুখ ল'বলৈ এলগৰিথিমৰ দ্বাৰা প্ৰস্তুত কৰা সৰু সৰু ৰীল আৰু তথ্য যুক্ত ভিডিঅ'বোৰ চাই যাওঁ তাৰ ফলত আমাৰ মন সঘনাই সলনি হৈ থাকে আৰু এই কাৰ্যৰ দ্বাৰা মগজুৰ  প্ৰিফ্ৰন্টেল কৰ্টেক্সত আঘাত কৰে যি অংশই

নিয়মানুৱৰ্তিতা, চিন্তা আৰু মনসংযোগ কৰাত সহায় কৰে। সেই অংশ এনে কাৰ্যৰ দ্বাৰা ড'পামিনৰে অভাৰলোড হৈ পৰে আৰু স্নায়ুতন্ত্ৰই ভাৰসাম্য ৰক্ষাৰ বাবে ড'পামিনৰ গড় ৰেখা (Baseline) বৃদ্ধি কৰে। সেই বাবেই আমাৰ জীৱনৰ সুন্দৰ ঘটনাসমূহো ভাল নলগা হয়। ইয়াৰ উপৰি আন এটা ডাঙৰ অসুবিধা হয় যাক 'Cognitive offloading or The Google Effect' বুলি কোৱা হয়। মানে এয়ে যে যেতিয়া আমাৰ স্নায়ুতন্ত্ৰই এই কথা জানে যে যিহেতু আমি সকলো তথ্যই গোগোলত ছাৰ্চ কৰিলেই পাম গতিকে মনত ৰখাৰনো কি প্ৰয়োজন? ফলত আমাৰ স্মৰণ-শক্তিৰ লগতে উদ্ভাৱনী শক্তিও দিনক দিনে কমি গৈছে।

কিছু গবেষণাৰ মতে অত্যধিক সামাজিক মাধ্যম ব্যৱহাৰৰ ফলত চেৰিব্ৰেল কৰ্টেৰ ক্ষতি কৰে মগজুৰ যি অংশই আমাক স্থায়ী সিদ্ধান্ত লোৱাত সহায় কৰে। মগজুৰ পচন্দ হোৱা অত্যধিক ডিজিটেল মাধ্যম ব্যৱহাৰকাৰী লোকৰ নিম্নোল্লিখিত ধৰণৰ লক্ষণ সাধাৰণতে দেখা যায়। প্ৰথমটো হ'ল জ্ঞানমূলক ক্ষমতা হ্ৰাস। ব্যৱহাৰকাৰীসকলে যিকোনো কথাতেই মনোসংযোগ কৰিব নোৱাৰে। স্মৃতিশক্তিৰ দ্ৰুত অৱনতি আৰু নতুন তথ্য প্ৰক্ৰিয়াকৰণ কৰাত যথেষ্ট অসুবিধা বোধ কৰে। দ্বিতীয় লক্ষণটো হ'ল উৎপাদনশীলতা হ্ৰাস , কাম সম্পূৰ্ণ কৰাত প্ৰত্যাহ্বান আৰু বিলম্ব হয়। তৃতীয় লক্ষণটো হ'ল অলসতা আৰু প্ৰেৰণাহীনতা। ব্যৱহাৰকাৰীসকলে বিৰক্তি শাৰীৰিক আৰু মানসিক শক্তিৰ অভাৱ অনুভৱ কৰে। চতুৰ্থতে, ব্যৱহাৰকাৰীসকলে টোপনিৰ অসুবিধাৰ সন্মুখীন হ'ব পাৰে, যাৰ ফলত টোপনিৰ মানদণ্ড বেয়া হ'ব পাৰে আৰু লাহে লাহে শাৰীৰিক স্বাস্থ্যৰো অৱনতি হয়। মগজুৰ পচনৰ কেইবাটাও সূচক আছে। প্ৰথমটো হ'ল গভীৰ মনোযোগেৰে পঢ়াৰ ক্ষমতা হ্ৰাস। মগজুৰ পচনৰ ফলত মগজুৱে গভীৰভাৱে অধ্যয়ন কৰাতকৈ দ্ৰুত আৰু উপৰুৱাকৈ পঢ়াৰ গঢ় লৈ উঠে, যাৰ ফলত জটিল তথ্য বুজি পোৱাৰ ক্ষমতাত ব্যাঘাত জন্মে। দ্বিতীয়টো সূচক হ'ল মাল্টিটাস্কিং (কেইবাটাও কাম একেলগে কৰা) অভ্যাসৰ বাবে মনোযোগৰ খণ্ডিতকৰণ হ'ব পাৰে, যাৰ ফলত মগজুৱে দীৰ্ঘ সময়ৰ বাবে এটা কামত মনোনিৱেশ কৰাত অসুবিধা পায়। এতিয়া আহোঁ এই ব্ৰেইন ৰটৰ পৰা কিদৰে পৰিত্ৰাণ পাব পাৰি।

অৱধাৰিত মতেই প্ৰধান উপায় হৈছে স্ক্ৰীণ টাইম বা ম'বাইল, কম্পিউটাৰ আদিৰ সন্মুখত যথা সম্ভৱ কম সময় অতিবাহিত কৰা। বিশেষ প্ৰয়োজন সাপেক্ষেহে এই মাধ্যমসমূহ ব্যৱহাৰ কৰিব লাগে।

মানসিক ব্যায়াম যেনে ওলোটা হাতখনৰে লিখা, চুডুকু, পাজল, ৰুব্ৰিক কিউব আদি সমাধান কৰা ওলোটা হাতখনত ঘড়ী পিন্ধা, ওলোটা হাতেৰে ব্ৰাছ কৰা আদি অভ্যাস কৰা। নিতৌ শাৰীৰিক ব্যায়াম যেনে দৈনিক কমেও অধাঘন্টা খোজকঢ়া, শৰীৰ চৰ্চা, বিভিন্ন খেল খেলা আদি কৰিব লাগে।

সদায় ছয়ৰ পৰা ন ঘন্টা শুব লাগে।

দৈনিক ধ্যান কৰাৰ লাগতে লগ বন্ধু, পৰিয়ালৰ লোকসকলৰ লগত সময় অতিবাহিত কৰিব লাগে। সামাজিক কৰ্মৰ লগত জড়িত হ'ব লাগে।

দিনটোৰ এঘন্টা সময় কেৱল নিজৰ লগত অতিবাহিত কৰিব লাগে।

সদায় সৃষ্টিশীল কামৰ লগত নিজকে জড়িত কৰিব লাগে।

মগজুৰ বাবে প্ৰয়োজনীয় আহাৰ যেনে বাদাম, ৱেলনাট, পালেং শাক, ওমেগা ফেটি এডিদযুক্ত আহাৰ আদি খাব লাগে, লগতে দৈনিক প্ৰায় ২ লিটাৰ পানী খাব লাগে। এনেদৰে এটি শৃংখলাবদ্ধ জীৱন যাপন আৰু পৰিমিত আহাৰৰ সৈতে এই মহাব্যাধিৰ পৰা হাত সাৰিব পাৰি।

ইউনাইটেড নেচনচ্ ড্ৰাগ এণ্ড ক্ৰাইমৰ সমীক্ষা মতে সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বৰ প্ৰায় ২৯২ বিলিয়ন লোক ড্ৰাগচৰ দ্বাৰা আসক্ত আৰু সামাজিক মাধ্যমৰ দ্বাৰা বৰ্তমান সময়ত ২১০ মিলিয়ন লোক আসক্ত। এতিয়া চাওক সৌ সিদিনা আবিষ্কাৰ হোৱা সামাজিক মাধ্যমৰ দ্বাৰা কিমান ক্ষিপ্ৰ গতিত আজিৰ প্ৰজন্ম আসক্ত হৈ পাৰিছে। যাৰ পৰিণাম অতি ভয়াবহ। ২০২৪ চনৰ অক্সফৰ্ড ইউনিভাৰচিটিয়ে বৰ্ষশ্ৰেষ্ঠ শব্দ হিচাপে 'ব্ৰেইন ৰট'ক ঘোষণা কৰোঁতে অক্সফৰ্ড লেংগুৱেজ বিভাগৰ সভাপতি কেছপাৰ গ্ৰেথৱেলে কৈছিল- 'মই ইয়াক আকৰ্ষণীয় বুলি বিবেচনা কৰোঁ যে 'ব্ৰেইন ৰট' শব্দটো জেন জেড আৰু জেন আলফাই গ্ৰহণ কৰিছে, যিবোৰ লোক এই শব্দটোৱে বুজাই দিয়া ডিজিটেল কন্টেন্টৰ ব্যৱহাৰ আৰু সৃষ্টিৰ বাবে বহুলাংশে দায়বদ্ধ। আমি কওঁ কেৱল কন্টেন্ট ব্যবহাৰ বা সৃষ্টি কৰিলেই নহ'ব, ইয়াৰ আসক্তিৰ পৰা পৰিত্ৰাণৰ বিধিসমূহো মানি চলিব লাগিব। তেহে এক সুস্থ মনৰ সৃষ্টি হ'ব আৰু সুস্থ মনৰ পৰাহে এখন সুস্থ সমাজ বা দেশ গঠন হ'ব।

●●●

‘শ্ৰীমদ্ভগৱদ্‌গীতা’ৰ জ্ঞানক মনোবিজ্ঞান, সমাজবিজ্ঞান, পৰিৱেশ বিজ্ঞান, প্ৰাণীবিজ্ঞান, ভূ-বিজ্ঞান ইত্যাদি সমস্ত জ্ঞানৰ চাবি-কাঠী বুলি ক’ব পাৰি।



# ‘শ্ৰীমদ্ভগৱদ্‌গীতা’ত পৰিৱেশ সংৰক্ষণৰ জ্ঞান ঃ এটি অধ্যয়ন


**ড° কণিমা পাঠক**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ


‘শ্ৰীমদ্ভগৱদ্‌গীতা’ ‘মহাভাৰত’ৰ এটা অংশ য’ত কুৰুক্ষেত্ৰ যুদ্ধত অৰ্জুনে নিজধৰ্ম পালন নকৰাত স্বয়ং ভগৱান কৃষ্ণই অৰ্জুনক জ্ঞান দিছিল। সেই জ্ঞানেই হৈছে গীতাজ্ঞান। ১৮ টা অধ্যায়ত সৰ্বমুঠ ৭০০ টা শ্লোকত প্ৰকাশিত সম্পূৰ্ণ ‘গীতা’খন মানৱ জীৱনৰ এখন মহত্ত্বপূৰ্ণ গ্ৰন্থ। মানৱ জীৱনৰ প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ‘গীতা’ত সন্নিৱিষ্ট হৈ আছে। ইয়াত শ্ৰীকৃষ্ণ অৰ্থাৎ পৰমব্ৰহ্ম হৈছে গুৰু আৰু অৰ্জুন শিষ্য অথবা সমগ্ৰ মানৱ জাতিৰূপে প্ৰতিপন্ন হৈছে বুলি ক’ব পাৰি। অৰ্জুনৰ প্ৰতিটো প্ৰশ্নই সমগ্ৰ মানৱ জাতিক প্ৰতিনিধিত্ব কৰা প্ৰশ্ন আৰু কৃষ্ণই দিয়া প্ৰতিটো উত্তৰ পৰমব্ৰহ্মই মানৱ জাতিলৈ দিয়া জীৱনৰ সকলো সমস্যা আৰু অনুসন্ধিৎসু প্ৰশ্নৰ উত্তৰ বুলি গণ্য কৰিব পাৰি। ‘শ্ৰীমদ্ভগৱদ্‌গীতা’ জ্ঞান-বিজ্ঞান, বিশ্বাস সকলো দিশৰ পৰাই গুৰুত্বপূৰ্ণ। গতিকে সকলো মানুহৰ বাবে ইয়াৰ জ্ঞান অতিকৈ গুৰুত্বপূৰ্ণ। পৃথিৱীৰ সৃষ্টি সম্পৰ্কীয় বিভিন্ন তত্ত্ব আৰু পৰিৱেশ সংৰক্ষণ, পৰিৱেশৰ বহনক্ষম উন্নয়ন ইত্যাদি সম্পৰ্কীয় বিভিন্ন চিন্তা হাজাৰ হাজাৰ বছৰৰ আগতে ‘শ্ৰীমদ্ভগৱদ্‌গীতা’ত উল্লেখ আছে।

‘শ্ৰীমদ্ভগৱদ্‌গীতা’ পৃথিৱীৰ শ্ৰেষ্ঠতম গ্ৰন্থৰ ভিতৰত অন্যতম। বিশ্বৰ এখন মহান মহাকাব্য ‘মহাভাৰত’ৰ এটা অংশ য’ত শ্ৰীকৃষ্ণই অৰ্জুনক নিজৰ কৰ্ম পালন কৰিবলৈ উপদেশ দিছিল। ‘শ্ৰীমদ্ভগৱদ্‌গীতা’ শব্দটোৰ অৰ্থ হৈছে স্বয়ং ভগৱানৰদ্বাৰা প্ৰদত্ত জ্ঞান। এই উপদেশ শ্ৰীকৃষ্ণই অৰ্জুনৰ জড়িয়তে সমগ্ৰ মানৱ জাতিৰ বাবে আগবঢ়াইছিল।

মহাভাৰতৰ যুদ্ধত অৰ্জুনে যুদ্ধ কৰিবলৈ অমান্তি হোৱাত কৃষ্ণই, নিজ ধৰ্ম তথা স্ব-ধৰ্ম পালন কৰিবলৈ উপদেশ দিছে। 'মহাভাৰত'ৰ ভীষ্মপৰ্বৰ অন্তৰ্গত 'গীতা'ৰ ১৮ টা অধ্যায়ত ৭০০ টা শ্লোক আছে। ইয়াৰে ১ টা ধৃতৰাষ্ট্ৰৰ, অৰ্জুনৰ ৮৫ টা, সঞ্জয়ৰ ৪০ টা আৰু কৃষ্ণৰ ৫৭৪ টা শ্লোক আছে। এই গীতা জ্ঞান আধ্যাত্মিক -দাৰ্শনিক হ'লেও সাম্প্ৰতিক সময়ত ইয়াৰ বিভিন্ন আধুনিক দৃষ্টিকোণেৰে প্ৰাসংগিক আলোচনা কৰিব পাৰি।

'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ জ্ঞানক মনোবিজ্ঞান, সমাজবিজ্ঞান, পৰিৱেশ বিজ্ঞান, প্ৰাণীবিজ্ঞান, ভূ-বিজ্ঞান ইত্যাদি সমস্ত জ্ঞানৰ চাবি-কাঠী বুলি ক'ব পাৰি। কোনো বিষয়, প্ৰাণী বা বস্তুৰ বিশিষ্ট বা সুসংগঠিত জ্ঞানেই হৈছে বিজ্ঞান। ভাৰতীয় পৰম্পৰা অনুসৰি প্ৰাকৃতিক ঘটনাৰ অধ্যয়ন তথা ইয়াৰ পাৰস্পৰিক সম্বন্ধে জ্ঞাত হোৱাই হৈছে বিজ্ঞান। 'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ অধ্যয়নে বিজ্ঞান আৰু আধ্যাত্মিকতাক এক বিন্দু জড়িত কৰি মানৱৰ সৰ্বতো প্ৰকাৰৰ মংগল সাধন কৰিব পাৰে।

বিজ্ঞানৰ বিভিন্ন শাখাৰ যেনে, ভৌতিক বিজ্ঞান, ৰসায়ন বিজ্ঞান, ভূগোল বিজ্ঞান, অন্তৰীক্ষ বিজ্ঞান, মনোবিজ্ঞান, অণুবিজ্ঞান, জীৱবিজ্ঞান, নীতিশাস্ত্ৰ ইত্যাদি যিকোনো বিষয়ৰ অধ্যয়নাৰ্থীয়ে 'শ্ৰীমদ্ভগৱদ্‌গীতা'ত সেই বিষয়সমূহৰ দৃষ্টিকোণেৰে আলোচনা, গৱেষণা কৰিব পাৰে। ইয়াত প্ৰকাশিত শ্ৰীকৃষ্ণৰ উপদেশ সম্পূৰ্ণ স্বয়ংসিদ্ধ আৰু বিজ্ঞানৰো বহুত ওপৰত। বিজ্ঞানৰ যি উচ্চ স্তৰ সম্পৰ্কে ইয়াত পোৱা যায়, সেই স্তৰ সাম্প্ৰতিক আধুনিক বিজ্ঞানৰ ক্ষেত্ৰত বহুত উচ্চস্তৰৰ বুলি ক'ব পাৰি। গতিকে শ্ৰীকৃষ্ণক বিশ্বৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী বুলিও ক'ব পাৰি।

'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ অধ্যয়ন বিভিন্ন দৃষ্টিৰে কৰিব পাৰি। আমাৰ আলোচনাত কেৱল ইয়াত প্ৰকাশিত পৰিৱেশৰ বিভিন্ন তত্ত্বৰ জ্ঞান, পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় চিন্তা শ্লোকসমূহৰ মাজেৰে কিদৰে প্ৰকাশ পাইছে; তাকে আলোচনা কৰা হৈছে।

সাম্প্ৰতিক পৰিৱেশ সংৰক্ষণ এটা অতি গুৰুত্বপূৰ্ণ বিষয়। হাজাৰ হাজাৰ বছৰৰ আগতে ৰচনা হোৱা 'শ্ৰীমদ্ভগৱদ্‌গীতা'ত শ্ৰীকৃষ্ণই অৰ্জুনৰ জৰিয়তে মানৱ জাতিক জ্ঞান দিছিল। ইয়াত পৰিৱেশ সংৰক্ষণ তথা পৰিৱেশ, প্ৰকৃতিক আধ্যাত্মিক দৃষ্টিৰে উত্তৰণ ঘটাই মানৱ জীৱনৰ কল্যাণ সাধন কৰিছে। সাম্প্ৰতিক মানৱ জাতিৰ বাবে লাভদায়ক এনে বিষয়ৰ অধ্যয়ন অত্যন্ত গুৰুত্বপূৰ্ণ বুলি ক'ব পাৰি।

ভাৰতীয় সংস্কৃতিক পৰম্পৰা আৰু জ্ঞান অমূল্য সম্পদ। 'শ্ৰীমদ্ভগৱদ্‌গীতা' ভাৰতীয় সংস্কৃতিৰ এনে এখন গ্ৰন্থ য'ত ইহলোকৰপৰা পৰলোকলৈকে বিদ্যা আৰু জ্ঞানৰ ভাণ্ডাৰ সঞ্চিত হৈ আছে। এই জ্ঞান ভাণ্ডাৰৰ মৰ্ম কেৱল ভাৰতীয়সকলেই নহয়, সমগ্ৰ বিশ্বৰ মহান মনীষীসকলেও স্বীকাৰ কৰিছে।

**প্ৰকৃতি বা পৰিৱেশৰ ভাৰসাম্যতা বৰ্তাই ৰাখিবলৈ শ্ৰীকৃষ্ণই অৰ্জুনক গীতা জ্ঞানৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ তথা পৰিৱেশ বিজ্ঞানৰো জ্ঞান প্ৰদান কৰিছিল। 'শ্ৰীমদ্ভগৱদ্‌গীতা' কেৱল আধ্যাত্মিক আৰু দাৰ্শনিক জ্ঞানৰ উৎস নহয়; ইয়াত পৰিৱেশ বিজ্ঞানৰ বিভিন্ন তত্ত্বৰ কথা অতি সূক্ষ্মভাৱে সন্নিৱিষ্ট হৈ আছে।**

'বিজ্ঞান' শব্দটো 'বি' উপসৰ্গৰ লগত 'জ্ঞান' শব্দটো সংযোগৰ ফলত সৃষ্টি হৈছে। 'বি' উপসৰ্গৰ অৰ্থ হৈছে 'বিশেষ' বা 'বিশিষ্ট'। অৰ্থাৎ কোনো বিষয়, বস্তু, প্ৰাণী আদিৰ বিষয়ে বিশিষ্ট বা সুসংগঠিত, সুপৰিকল্পিত জ্ঞানকেই বিজ্ঞান বুলিব পাৰি। ভাৰতীয় পৰম্পৰা অনুসৰি প্ৰাকৃতিক ঘটনাৰ অধ্যয়ন তথা ইয়াৰ সৃষ্টি আৰু পাৰস্পৰিক সম্বন্ধৰ বিষয়ে জ্ঞাত হোৱাকে বিজ্ঞান বুলি কৈছে। বিজ্ঞান অধ্যয়ন বা বিজ্ঞানসন্মত অধ্যয়নত সুনিশ্চিত আৰু ক্ৰমবদ্ধ অধ্যয়ন হৈছে প্ৰমুখ্য অংশ। এই দৃষ্টিৰে 'গীতা'ত বিজ্ঞানৰ বিভিন্ন তত্ত্ব, যেনে- পৰিৱেশ বিজ্ঞান, প্ৰাণী বিজ্ঞান আদিৰ যথাযথ অধ্যয়ন নহ'লেও, ইয়াৰ সংকেত আৰু উল্লেখ স্পষ্টভাৱে পোৱা যায়। ভাৰতীয় পৰম্পৰা মতে বিজ্ঞান বা কলা অধ্যয়ন আৰু অভ্যাসৰ জৰিয়তে জ্ঞানৰ শীৰ্ষ বা সিদ্ধি লাভ কৰিব পাৰি। পশ্চিমীয়া বৈজ্ঞানিক সিদ্ধান্ত অনুসৰি অণু-পৰমাণু, পৃথিৱীৰ গতি প্ৰকৃতিৰ বিভিন্ন যন্ত্ৰ-পাতিৰ পৰীক্ষা কৰা আনহাতে, অধ্যয়ন পদ্ধতি বেলেগ হ'লেও ভাৰতীয় পৰম্পৰাৰ বেদান্ত অধ্যয়নো সত্যৰ অন্বেষণেই হয়।

'পৰিৱেশ' শব্দটোৱে চাৰিওফালে আৱৰি থকা অৰ্থাৎ চৌপাশকে বুজায়। যুদ্ধ-বিগ্ৰহে সমাজ তথা চৌপাশত প্ৰভাৱ পেলায়; গতিকে মহাভাৰতৰ যুদ্ধখন ৰখাবলৈ শ্ৰীকৃষ্ণই বহুত যত্নও কৰিছিল। প্ৰকৃতি বা পৰিৱেশৰ ভাৰসাম্যতা বৰ্তাই ৰাখিবলৈ শ্ৰীকৃষ্ণই অৰ্জুনক গীতা জ্ঞানৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ তথা পৰিৱেশ বিজ্ঞানৰো জ্ঞান প্ৰদান কৰিছিল।

‘শ্ৰীমদ্ভগৱদ্গীতা’ কেৱল আধ্যাত্মিক আৰু দাৰ্শনিক জ্ঞানৰ উৎস নহয়; ইয়াত পৰিৱেশ বিজ্ঞানৰ বিভিন্ন তত্ত্বৰ কথা অতি সূক্ষ্মভাৱে সন্নিবিষ্ট হৈ আছে। ইয়াত কৃষ্ণৰ দ্বাৰা অৰ্জুনক দিয়া জ্ঞানত প্ৰকৃতি, পৰিৱেশৰ আৰু মানৱ জীৱনৰ পাৰস্পৰিক সম্পৰ্ক, পৰিৱেশৰ ভাৰসাম্যতা আদিৰ বিষয়ে গভীৰভাৱে বুজাইছে। প্ৰকৃতিৰ লগত মানৱৰ সামঞ্জস্যতা, পৰিৱেশ সংৰক্ষণ, প্ৰকৃতিৰ সম্পদবোৰৰ সদ্ব্যৱহাৰ, সন্মান প্ৰদৰ্শন, প্ৰকৃতিৰ ভাৰসাম্যতা ইত্যাদি আধুনিক পৰিৱেশ বিজ্ঞান তথা পৰিৱেশ সংৰক্ষণৰ জ্ঞান সাম্প্ৰতিক সময়ত অত্যন্ত গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিক।

‘শ্ৰীমদ্ভগৱদ্গীতা’ৰ জ্ঞানক বিজ্ঞান সহিত জ্ঞান বুলি ইয়াৰ বক্তা স্বয়ং শ্ৰীকৃষ্ণই কৈছে।

“জ্ঞানং তেহ্হং সৱিজ্ঞানমিদং ৰক্ষ্যাম্যশেষতঃ।
য়জজ্ঞাত্বা নেহ ভূয়োহ্ন্যজ্জ্ঞাতব্যৱশিষ্যতে।।” (৭/২)

(অৰ্থাৎ তোমাৰ বাবে মই এই বিজ্ঞান সহ জ্ঞানৰ বিষয়ে সম্পূৰ্ণৰূপে ক’ম, যিটো জানিলে অন্য জানিবৰ অৱশিষ্ট নাথাকিব)

ইয়াত শ্ৰীকৃষ্ণই জ্ঞান আৰু বিজ্ঞানৰ বিষয়ে বিস্তৃত বৰ্ণনা কৰাৰ কথা কৈছে। অৰ্থাৎ জ্ঞান হৈছে শাস্ত্ৰৰপৰা প্ৰাপ্ত আত্মা আৰু পৰমাত্মা বোধ। বিজ্ঞান হৈছে সেই জ্ঞানৰ প্ৰত্যক্ষ অনুভৱ বা আত্মসাক্ষাৎকাৰ।

‘শ্ৰীমদ্ভগৱদ্গীতা’ত পৰিৱেশ শব্দটোৰ অৰ্থ প্ৰকৃতি (পৃথিৱী, জল, বায়ু, আকাশ) আৰু সমগ্ৰ জীৱন চক্ৰ যাৰ উৎপত্তি স্বয়ং ভগৱানৰ দিব্য শক্তি ৰূপে সকলো প্ৰাণী বা জীৱ অন্তৰ্নিহিত হৈ আছে বুলি কৈছে। ভগৱানৰ সমগ্ৰ ৰচনাক ‘অপৰা’ আৰু ‘পৰা’ মূল দুটা ভাগত ভাগ কৰিছে। ‘শ্ৰীমদ্ভগৱদ্গীতা’ৰ ৭/৪ শ্লোকত আঠ প্ৰকাৰৰ ‘অপৰা’ প্ৰকৃতিৰ নাম পোৱা গৈছে। যেনে — ভূমি, জল, অগ্নি, বায়ু, আকাশ, মন, বুদ্ধি আৰু অহংকাৰ ইত্যাদি।

“ভূমিৰাপোহ্নলো ৱায়ুঃ খং মনো বুদ্ধিৰেৱ চ।
অহংকাৰ ইতীয়ং মে ভিন্না প্ৰকৃতিৰষ্টধা।।”

(অৰ্থাৎ পৃথিৱী, জল, অগ্নি, বায়ু, আকাশ, মন, বুদ্ধি, অহংকাৰ এই আঠ প্ৰকাৰ মোৰ অপৰা প্ৰকৃতি)

এনেদৰে ভগৱানৰ ভৌতিক প্ৰকৃতি বা পৰিৱেশ (অপৰা)ৰ সম্পৰ্কে বৰ্ণনা পোৱা যায়। ভগৱানৰ সৃষ্টিৰাজিৰ আনটো ভাগ হৈছে ‘পৰা প্ৰকৃতি’, যিটো চেতন তথা জীৱাত্মা প্ৰকৃতি; যিয়ে জড় বা ‘অপৰা প্ৰকৃতি’ক চলায়। ‘শ্ৰীমদ্ভগৱদ্গীতা’ৰ ৭/৫ নং শ্লোকত ‘পৰা প্ৰকৃতি’ৰ কথা উল্লেখ পোৱা যায়। ৭/৬ শ্লোকত কৈছে ‘অপৰা’, ‘পৰা’ প্ৰকৃতিৰ সংযোগেই সকলো প্ৰাণীৰ উৎপত্তিৰ কাৰণ আৰু সমগ্ৰ সৃষ্টি, স্থিতি, প্ৰভৱ, প্ৰলয়ৰ কাৰণ শ্ৰীকৃষ্ণ স্বয়ং বুলি কৈছে।

“এতদ্যোনীনি ভূতানি সৰ্বাণীত্যুপধাৰয়।
অহং কৃৎস্নস্য জগতঃ প্ৰভৱ প্ৰলয়স্তথা।।” ৭/৬

[অৰ্থাৎ এই (অপৰা, পৰা) দুয়ো প্ৰকৃতিৰ সংযোগেই সকলো প্ৰাণীৰ উৎপত্তিৰ কাৰণ, এই বুলি জানিবা: মই সমস্ত জগতৰ প্ৰভৱ (উৎপত্তি) আৰু প্ৰলয়ৰ কাৰণ]

ভগৱানৰ সৃষ্টিৰ এই ‘অপৰা’, ‘পৰা’ প্ৰকৃতিৰ সমগ্ৰ ৰচনা ভগৱানৰপৰাই উৎপত্তি আৰু ভগৱানতে সমাপ্তি হৈ সকলোবোৰ ভগৱানতে এডাল মালাত মণিৰ দৰে একাকাৰ হৈ আছে বুলি প্ৰকাশ কৰিছে।

“মত্তঃ পৰতৰং নান্যৎকিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্বমিদং প্ৰোতং সূত্ৰে মণিগণা ইৱ।।” ৭/৭

অৰ্থাৎ হে ধনঞ্জয় মোতকৈ সত্য আৰু একো নাই। সকলো সূতাৰে মণি গঁথাৰ দৰে এডাল মালাত লগ লাগি আছে বুলি প্ৰকাশ কৰিছে।

সেইদৰে ১৩ নং অধ্যায় (ক্ষেত্ৰক্ষেত্ৰজ্ঞ যোগ)ৰ ১ আৰু ২ নং শ্লোকত প্ৰকাশিত ‘ক্ষেত্ৰ’ (শৰীৰ) আৰু ‘ক্ষেত্ৰজ্ঞ’ (আত্মা) শব্দ দুটাইও ক্ৰমে ‘অপৰা’ (শৰীৰ বা জড়) আৰু ‘পৰা’ (আত্মা বা জীৱাত্মা) প্ৰকৃতিকে বুজাইছে। প্ৰকৃতি বা পৰিৱেশক জড়, ‘ক্ষেত্ৰ’ বা ‘অপৰা’ আৰু আত্মা-জীৱাত্মাক ‘ক্ষেত্ৰজ্ঞ’ বা ‘পৰা প্ৰকৃতি’ বুলি ইয়াক বৈজ্ঞানিক দৃষ্টিৰে সুন্দৰকৈ বুজাই দিছে।

“ক্ষেত্ৰজ্ঞং চাপি মাং ৱিদ্ধি সৰ্বক্ষেত্ৰেষু ভাৰত।
ক্ষেত্ৰক্ষেত্ৰজ্ঞয়োৰ্জ্ঞানং য়ত্তজ্জ্ঞানং মতং মম।।” ১৩/২

অৰ্থাৎ হে ভাৰতবংশী (অৰ্জুন)! তুমি সমস্ত ক্ষেত্ৰ (জড়)ত ক্ষেত্ৰজ্ঞ (জীৱাত্মা) বুলি মোকেই ভাবিবা আৰু এই ‘ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ’ৰ যি জ্ঞান, সেয়া মোৰ মতে যথাৰ্থ জ্ঞান।

গতিকে, ক’ব পাৰি যে সমগ্ৰ ব্ৰহ্মাণ্ড বা সমগ্ৰ সৃষ্টি ভগৱানৰ ৰচনা। সমগ্ৰ সৃষ্টিৰ দুটা ভাগ ‘ক্ষেত্ৰ বা অপৰা’ আৰু ‘ক্ষেত্ৰজ্ঞ বা পৰা’ ই হৈছে স্বয়ং ব্ৰহ্ম। সেয়ে ইয়াক শ্ৰদ্ধা, সন্মান জনালে ভগৱানকে শ্ৰদ্ধা ভক্তি কৰাটো বুজাব। ‘শ্ৰীমদ্ভগৱদ্গীতা’ত পঞ্চমহাভূত (পৃথিৱী, জল, বায়ু, অগ্নি, আকাশ)ক ভৌতিক পৰিৱেশৰ মূল আধাৰ অৰ্থাৎ পৰিৱেশ, প্ৰকৃতিৰ মূল তত্ত্ব হিচাপে ধৰা হৈছে। ঈশ্বৰৰ এই (অপৰা বা ক্ষেত্ৰ) অজ্ঞান শক্তিৰপৰা উদ্ভূত তত্ত্বসমূহৰ ভাৰসাম্যহীনভাৱে অপব্যৱহাৰ হ’লে পৰিৱেশলৈ সংকট নামি আহিব। গতিকে ইয়াক সদ্ব্যৱহাৰ কৰাটো নিতান্তই প্ৰয়োজন। ‘শ্ৰীমদ্ভগৱদ্গীতা’ত পৰিৱেশ সংৰক্ষণৰ বিভিন্ন দিশসমূহ তলত দিয়া ধৰণেৰে আলোচনা কৰিব পাৰি।

‘শ্ৰীমদ্ভগৱদ্গীতা’ত যজ্ঞ ব্যৱস্থাৰ মাধ্যমেৰে পৰিৱেশ

আৰু মানৱৰ সহাৱস্থানৰ বা সহ অস্তিত্বৰ বিষয়ে ভগৱানে জ্ঞান দিছে। ৩/১৪ শ্লোকত কৈছে যে সমস্ত প্ৰাণী জগত অন্নৰপৰা উৎপন্ন হৈছে, অন্ন বৃষ্টিৰপৰা উৎপন্ন হৈছে, বৃষ্টি যজ্ঞৰপৰা উৎপন্ন হৈছে, যজ্ঞ বিহিত কৰ্মৰ দ্বাৰা সম্পন্ন হৈছে। ইয়াত বিহিত কৰ্ম বুলি প্ৰকৃতিক তথা পৰিৱেশক সংৰক্ষণ তথা সদ্ব্যৱহাৰ কৰা কথাকে ইংগিত দিছে বুলি ক'ব পাৰি।

"অন্নাদ্‌ভৱন্তি ভূতানি পৰ্জন্যাদন্নসম্ভৱঃ।
যজ্ঞাদ্‌ভৱতি প্ৰজন্যো য়জ্ঞঃ কৰ্মসমুদ্ভৱঃ।।" ৩/১৪

(অৰ্থ—সমস্ত প্ৰাণী জগত অন্নৰপৰা উৎপন্ন হৈছে, অন্ন বৃষ্টিৰপৰা উৎপন্ন হৈছে, বৃষ্টি যজ্ঞৰপৰা উৎপন্ন হৈছে, যজ্ঞ বিহিত কৰ্মৰ দ্বাৰা সম্পন্ন হয়)

"দেৱান্ ভাৱয়তানেন তে দেৱা ভাৱয়ন্তুৱঃ।
পৰস্পৰং ভাৱয়ন্তঃ শ্ৰেয়ঃ পৰমৱাপ্স্যথ।।" ৩/১১

অৰ্থাৎ যজ্ঞৰ দ্বাৰা দেৱতাক পোষণ কৰা, তেওঁলোকে তোমাক পোষণ কৰিব। এনেদৰে দেৱতা আৰু মানৱৰ পৰস্পৰৰ পোষণে জগতৰ কল্যাণ কৰিব।

ইয়াত দেৱতা বুলি প্ৰকৃতিৰ তত্ত্ব (আকাশ, সূৰ্য, বৰ্ষা, বায়ু, জল, পৃথিৱী, ইত্যাদি)ৰ পূজা তথা সন্মান, সদ্ব্যৱহাৰ কৰা কথাকে বুজোৱা হৈছে। যজ্ঞ বা বিহিত কৰ্মৰ মাধ্যমেৰে অৰ্থাৎ গছপুলি ৰোপণ, জল সংৰক্ষণ, প্ৰদূষণ নিয়ন্ত্ৰণ আদি হৈছে পৰিৱেশৰ প্ৰতি আধুনিক যজ্ঞ স্বৰূপ। এই যজ্ঞৰ দ্বাৰা পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাৰ কথাকে ভগৱানে উপদেশ দিছে।

'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ সপ্তম অধ্যায়ত (জ্ঞানবিজ্ঞানযোগ) 'অপৰা প্ৰকৃতি' আৰু ত্ৰয়োদশ অধ্যায়ত (ক্ষেত্ৰক্ষেত্ৰজ্ঞযোগ) 'ক্ষেত্ৰ' বুলি প্ৰকৃতি, জড় বা পৰিৱেশকে বুজোৱা হৈছে। তদুপৰি দশম অধ্যায়ত (বিভূতিযোগ) পৰিৱেশ বা প্ৰকৃতিৰ তত্ত্ব বা আহিলাসমূহক ভগৱানৰ বিভূতিৰূপে দেখুওৱাইছে। শ্ৰীকৃষ্ণই নিজকে সূৰ্য, চন্দ্ৰ, বায়ু, জল, পৰ্বত আদিৰ মূল উৎস বুলি কৈছে। ইয়াৰ জৰিয়তে পৰিৱেশ, প্ৰকৃতিৰ প্ৰতি আদৰ জনোৱা কথাকে ইংগিত প্ৰদান কৰিছে।

"আদিত্যনামহং বিষ্ণু জ্যোতিষাং ৰৱিৰংশুমান্।
মৰীচিৰ্মৰুতামস্মি নক্ষত্ৰাণামহং শশী।।" ১০/২১

অৰ্থাৎ অদিতিৰ পুত্ৰৰ ভিতৰত মই বিষ্ণু (বামণ), জ্যোতিৰ্ময় বস্তুৰ ভিতৰত মই ৰশ্মিযুক্ত সূৰ্য, মৰুতৰ ভিতৰত মই তেজ (মৰীচি), নক্ষত্ৰবোৰৰ ভিতৰত মই অধিপতি চন্দ্ৰ।

এই শ্লোকৰ জৰিয়তে প্ৰকৃতিৰ বিভিন্ন তত্ত্বক ভগৱানৰ অভিব্যক্তি ৰূপে দেখুওৱা হৈছে। সূৰ্য, চন্দ্ৰ, বায়ু আদি প্ৰকৃতিৰ তত্ত্ববোৰ কেৱল জীৱৰ বাবে আৱশ্যকেই নহয়; বৰঞ্চ এইবোৰ ঈশ্বৰৰ দিব্যশক্তিৰ প্ৰতীক। এইসমূহক শ্ৰদ্ধা জনোৱাৰ বাবে শ্ৰীকৃষ্ণই মানৱ জাতিক উৎসাহিত কৰিছে।

শ্ৰীকৃষ্ণই প্ৰকৃতিৰ বিভিন্ন তত্ত্বসমূহক নিজৰে বিভূতিৰূপে দেখুওৱাৰ বাবে এইসমূহৰ মহত্ত্ব অত্যন্ত গুৰুত্বপূৰ্ণ।

"পৱনঃ পৱতামস্মি ৰামঃ শস্ত্ৰভৃতামহম্।
ঝযাণাং মকৰাশ্চাস্মি শ্ৰোতসামস্মি জাহ্নৱী।।" ১০/৩১

অৰ্থাৎ "পৱিত্ৰকাৰীসকলৰ ভিতৰত মই বায়ু, শস্ত্ৰধাৰীসকলৰ ভিতৰত মই ৰাম, জলজ প্ৰাণীৰ ভিতৰত মই ঘঁৰিয়াল (মকৰ) আৰু নদীৰ ভিতৰত পৱিত্ৰ গংগা।" এই শ্লোকৰ জৰিয়তে পৰিৱেশৰ তত্ত্বৰ (বায়ু আৰু জল) মহত্ত্ব দেখুওৱা হৈছে। গংগা নদীক পৱিত্ৰ আৰু জীৱন দায়িনীৰূপে গণ্য কৰা হৈছে; ইয়াত জল সংৰক্ষণ আৰু নদীবোৰৰ স্বচ্ছতাৰ প্ৰতি সজাগতা আৰু জাগৰুকতা প্ৰদান কৰিছে। বায়ুক পৱিত্ৰকাৰী বুলি কোৱা কথাটোৱে বায়ু প্ৰদূষণ ৰোধ কৰাৰ বাবে ইংগিত দিছে বুলি ক'ব পাৰি।

প্ৰকৃতিৰ বিভিন্ন প্ৰাণী আৰু বনস্পতিবোৰকো শ্ৰীকৃষ্ণই স্বয়ং বিভূতি হিচাপে দেখুৱাইছে।

"অশ্বত্থঃ সৰ্ববৃক্ষাণাং দেৱৰ্ষিণাং চ নাৰদঃ।
গন্ধৰ্ৱাণাং চিত্ৰৰথঃ সিদ্ধনাং কপিলো মুনিঃ।।" (১০/২৬)

(সমস্ত বৃক্ষৰ ভিতৰত মই আঁহত/বট গছ (ডাঙৰ গছ), দেৱৰ্ষিসকলৰ ভিতৰত নাৰদ, গন্ধৰ্বসকলৰ ভিতৰত চিত্ৰৰথ আৰু সিদ্ধসকলৰ ভিতৰত কপিল মুনি মই)

ইয়াত আঁহত/বট গছক বা গছ-গছনিবোৰক গুৰুত্ব দিয়া হৈছে, কিয়নো গছে অক্সিজেন প্ৰদান কৰি পৰিৱেশক বিশুদ্ধ কৰি ৰাখে। গছ-গছনি, বন, সকলো জীৱ-জন্তুক ভগৱানে নিজৰ বিভূতিৰূপে দেখুওৱাৰ উদ্দেশ্য হৈছে , সেইবোৰৰ প্ৰতি সন্মান জনোৱা; অৰ্থাৎ এইবোৰৰ (বন সংৰক্ষণ, গছপুলি ৰোপণ, প্ৰাণী সংৰক্ষণ কৰা) সংৰক্ষণ কৰাৰ ইংগিত পোৱা যায়।

"যদ্যদ্বিভূতিমৎসত্ত্বং শ্ৰীমদূৰ্জিত্মেৱ ৱা।
তত্তদেৱাৱগচ্ছ ত্বং মম তেজোংহশসম্ভৱম্।।" (১০/৪১)

(অৰ্থাৎ যিমান ঐশ্বৰ্যযুক্ত, শোভাযুক্ত আৰু বলযুক্ত প্ৰাণী তথা পদাৰ্থ আছে, সেই সকলোবোৰ মোৰেই তেজ (যোগ, সামৰ্থ্য)ৰ অংশৰ পৰা উৎপন্ন হোৱা বুলি ভাবা)

এই শ্লোকটোৰ জৰিয়তে শ্ৰীকৃষ্ণই প্ৰকৃতিৰ সকলো বস্তুক সদ্ব্যৱহাৰ আৰু প্ৰাকৃতিক অমূল্য সম্পদবোৰ ভাৰসাম্যভাৱে ব্যৱহাৰ কৰাৰ বাবে উপদেশ দিছে। সেয়ে ইয়াক সাম্প্ৰতিক বহনক্ষম বিকাশ (Sustainable Development) তত্ত্বৰ সৈতে সামঞ্জস্য কৰি প্ৰাকৃতিক সম্পদৰ ভাৰসাম্যভাৱে ব্যৱহাৰ আৰু ভৱিষ্যতৰ বাবে সংৰক্ষণৰ দিশত উপদেশ দিয়াৰ ইংগিত প্ৰদান কৰিছে।

'শ্ৰীমদ্ভগৱদ্‌গীতা'ত কৰ্মযোগৰ মাধ্যমেৰে পৃথিৱী

ভাৰসাম্য, নীতিৰ পালন তথা সকলো নৈতিকতাৰ সম্পৰ্কে কৰ্মযোগক সামৰিব পাৰি। সেইদৰে পৰিৱেশ সংৰক্ষণৰ দিশতো কৰ্মযোগক সংযোগ কৰি পৰিৱেশৰ প্ৰতি নৈতিকতা প্ৰদৰ্শনৰ জ্ঞান মনুষ্যই পাব পাৰে।

"কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেযু কদাচন।
মাকৰ্মফলহেতুৰ্ভূৰ্মাতে সংগোহস্ত্ব কৰ্মণি।।" (২/৪৭)

(অৰ্থাৎ কৰ্তব্য-কৰ্ম কৰি যোৱাতহে তোমাৰ অধিকাৰ আছে, কৰ্মফলত নহয়; সেয়ে কৰ্মফলৰ কথা নেভাবি কেৱল কৰ্ম কৰাৰ প্ৰতিহে আসক্ত হ'ব লাগে)

এই শ্লোকটোৰ পৰা পৰিৱেশ সংৰক্ষণ সম্পৰ্কত এনে জ্ঞান পাব পাৰি যে মানুহে পৰিৱেশৰ লগত নিঃস্বাৰ্থ আৰু সমভাব ৰাখিব লাগে। প্ৰকৃতিৰ প্ৰতি নৈতিকতা ভাব ৰাখি প্ৰকৃতিৰ সম্পদসমূহ ভাৰসাম্যভাৱে ব্যৱহাৰ কৰিব লাগে। সম্পদৰ ব্যৱহাৰ কেৱল নিজৰ বাবে নহয়; বৰঞ্চ সমস্ত প্ৰাণীৰ কল্যাণৰ বাবে কৰিব লাগে। যেনে—অযথা বন ধ্বংস কৰা, পানীৰ দুস্প্ৰয়োগ ইত্যাদি কৰিব নেলাগে। 'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ কৰ্মযোগে পৰিৱেশৰ প্ৰতিও নৈতিকতা প্ৰকাশৰ বাবে এনেদৰে উপদেশ প্ৰদান কৰে। দশম অধ্যায়ৰ ১০ নং. (১০/১০) শ্লোকত ভগৱানে কৈছে যে, যি ভক্তই মোকেই প্ৰাপ্ত কৰিছে, তেওঁক মই বুদ্ধিযোগ প্ৰদান কৰোঁ। গতিকে এই বুদ্ধিযোগ পৰিৱেশৰ বাবে নৈতিকতাৰ ক্ষেত্ৰত ৰিজাই চাব পাৰি। যেনে—অহিংসা কেৱল মানুহৰ বাবে নহয়, বৰঞ্চ সমস্ত প্ৰাণী আৰু প্ৰকৃতিৰ ক্ষেত্ৰতো প্ৰযোজ্য। প্ৰদূষণ, বন ধ্বংস, জলবায়ু পৰিৱৰ্তনৰ দৰে কৰ্ম, প্ৰকৃতিৰ প্ৰতি হিংসা আদিৰ সকলো উপায় 'শ্ৰীমদ্ভগৱদ্‌গীতা'ত নিহিত হৈ আছে।

আধুনিক পৰিৱেশ বিজ্ঞান সন্দৰ্ভত জলবায়ু পৰিৱৰ্তন, জৈৱ বিবিধতা হ্ৰাস, প্ৰাকৃতিক সম্পদৰ সংকটৰ দৰে মহত্বপূৰ্ণ দিশত 'শ্ৰীমদ্ভগৱদ্‌গীতা'ই গুৰুত্ব আৰোপ কৰিছে। এই জ্ঞান তথা উপদেশসমূহে পৰিৱেশৰ সমস্যাৰ সমাধানৰ মাৰ্গদৰ্শিকা হিচাপে কাম কৰিব। 'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ যজ্ঞ উপদেশে আধুনিক পুনঃনৱীকৰণ (Recycling) আৰু নৱীকৰণীয় দিশটোৰ প্ৰতি দৃষ্টিগোচৰ কৰে বুলি ক'ব পাৰি। সেইদৰে কৰ্মযোগৰ সিদ্ধান্তই (উপদেশ) পৰিৱেশৰ ভাৰসাম্য ৰক্ষা বা পৰিৱেশ সংৰক্ষণৰ প্ৰতি সক্ৰিয়তা, জাগৰুকতাৰ প্ৰতি উৎসাহিত কৰে।

শেষত ক'ব পাৰি যে 'শ্ৰীমদ্ভগৱদ্‌গীতা'ত পৰিৱেশ বিজ্ঞানৰ তত্ত্বসমূহক আধ্যাত্মিক আৰু দাৰ্শনিক ক্ষেত্ৰত জড়িত কৰিছে। পৰিৱেশ বা প্ৰকৃতিক ঈশ্বৰৰ বিভূতি হিচাপে দেখুৱাই গীতা জ্ঞানৰ জৰিয়তে মানুহক পৰিৱেশৰ প্ৰতি আদৰ, সন্মান, সংৰক্ষণ, সম্পদৰ সদ্‌প্ৰয়োগ ইত্যাদিৰ প্ৰতি উৎসাহিত কৰিছে। সাম্প্ৰতিক পৰিৱেশ সংৰক্ষণৰ বাবে 'শ্ৰীমদ্ভগৱদ্‌গীতা'ত পোৱা যজ্ঞ, কৰ্মযোগ, অহিংসা আদি উপদেশ বা জ্ঞান অতি প্ৰাসংগিক। আধ্যাত্মিক, দাৰ্শনিক দৃষ্টিৰে পৰিৱেশ সংৰক্ষণৰ চিন্তাত উৎসাহ যোগোৱাৰ উপৰি এই জ্ঞানে মানুহক প্ৰকৃতিৰ গভীৰ সম্বন্ধ বা সামঞ্জস্য স্থাপন কৰাতো সহায় কৰে।

**প্ৰসংগ গ্ৰন্থ ঃ**

**অসমীয়া গ্ৰন্থ ঃ**

- স্বামী ৰামসুখদাস ঃ **গীতা-প্ৰবোধনী**। দ্বিতীয় প্ৰকাশ ঃ গৌৰখপুৰ ঃ গীতা প্ৰেছ, ২০১৬। প্ৰকাশিত।

**হিন্দী গ্ৰন্থ ঃ**

- অগ্ৰৱাল, মদনমোহন ঃ **শ্ৰীমদ্ভাগৱদ্‌গীতা**। হিন্দী ভাষ্যানুবাদ।পুনঃ মুদ্ৰণ ঃ দিল্লী ঃ চৌখম্বা সংস্কৃত প্ৰতিষ্ঠান, ভাৰতীয় সংস্কৃতি আৰু সাহিত্য পৰিষদ, ২০২১। প্ৰকাশিত।
- গৌয়ন্দকা, শ্ৰীহৰিকৃষ্ণদাস ঃ **শ্ৰীমদ্ভাগৱদ্‌গীতা**। শংকৰাচাৰ্যৰ হিন্দী ভাষ্যানুবাদ। ৪৪তম সংস্কৰণ। গৌৰখপুৰ ঃ গীতা প্ৰেছ, ২০১৮। প্ৰকাশিত।
- স্বামী ৰামসুখদাস ঃ **শ্ৰীমদ্ভাগৱদ্‌গীতা সাধক সঞ্জীৱনী**। ভাষ্যানুবাদ। নৱম সংস্কৰণ। ঃ গৌৰখপুৰ ঃ গীতা প্ৰেছ, ২০১৮। প্ৰকাশিত।

●●●

# ভূমিকা

⏭ **বিজিত কুমাৰ দাস**
সহকাৰী অধ্যাপক, অভিনয় বিভাগ



অভিনয়ৰ অনুশীলন অনুপ্ৰাণিত অভিজ্ঞতা...
অজান অন্তহীন অনুপ্ৰেৰণা....

মোৰ মতে অভিনয়ৰ বাবে অনুশীলনে হৈছে মূল মন্ত্ৰ, যিয়ে আইনাৰ সন্মুখত বা মানুহৰ আগত নিজৰ ভুলবোৰ শুধৰাবলৈ সহায় কৰে। অভিনয়, ইয়াক এক কলা বুলিয়েই জানো সামৰি থ'ব পাৰি! কল্পনাক নিজৰ মাজত ধাৰণ কৰি, চৰিত্ৰক জীৱন্ত কৰি তুলিব পৰা ই এক বিশেষ কলা। কাল্পনিক আৱেগ, অনুভূতিক নিজৰ হৃদয়ত থাপিত কৰাই আপুনি চৰিত্ৰটিক হঁহুৱাইছে অথবা কন্দুৱাইছে। অথচ মানুহে দেখিছে সঁচা অৰ্থত আপুনি হাঁহিছে, আপুনি কান্দিছে। ঈশ্বৰৰ নাট-ঘৰত জীৱনটোও এক অভিনয় বুলি যদি ক'বলৈ যাওঁ তেনেহ'লে ইয়াৰ পৰিসৰ হ'ব অতি ব্যাপক। তেনে আভ্যন্তৰিকতাক অগ্ৰাহ্য কৰি যদি আমি অভিনয়ৰ এক চিধা বাটেৰে গতি কৰোঁ তেন্তে তাতো অসংখ্য খলা বমা। এটি চৰিত্ৰক ধাৰণ কৰি যদি অভিনেতাই চৰিত্ৰটিৰ লগে লগেই দৰ্শককো হঁহুৱাইছে অথবা কন্দুৱাইছে তেনেহ'লে ঠিক সেইখিনিতেই হয়তো অভিনেতাজনৰ সাফল্যই পূৰ্ণ ৰূপ পাইছে।

অভিনেতা বা অভিনেত্ৰী অথবা যিকোনো চৰিত্ৰকে যদি আমি ধৰি লওঁযে তেখেতলোক এনেকুৱা এটা মাধ্যম যিয়ে এখন চলচ্চিত্ৰ বা নাটকত চৰিত্ৰ হিচাপে কাম কৰি অনুমান কৰোৱাই, উপলব্ধি কৰোৱাই, বিশ্বাস জগোৱাই দৰ্শকৰ মাজত এটা সম্পূৰ্ণ কাল্পনিক কাহিনীও উপস্থাপন কৰে; যিয়ে দৰ্শকসকলৰ বাবে এখন মঞ্চৰ জৰিয়তে (চলচ্চিত্ৰ, নাটক, ৰেডিঅ') প্ৰদত্ত ভূমিকা উপস্থাপন কৰে। আচলতে নাটক অথবা চলচ্চিত্ৰ, ধাৰাবাহিক সাহিত্যৰ এটি বিশেষ ধৰণ। সাধাৰণতে এটি লিখিত পাণ্ডুলিপি অনুসৰণ কৰি অভিনয় কৰি নাটক অথবা চলচ্চিত্ৰ, ধাৰাবাহিকত পৰিৱেশন কৰা হয়। নাটক অথবা চলচ্চিত্ৰ, ধাৰাবাহিক লিখা হয় অভিনয় কৰাৰ কাৰণে। গতিকে এখন পাণ্ডুলিপি লিখাৰ আগতেই অভিনয়ৰ যোগ্যতা থকা বাঞ্ছনীয়। পাণ্ডুলিপিত স্থান, সময় আৰু পৰিবেশৰ বৰ্ণনা থকাৰ উপৰি সংলাপো থাকে। সংলাপৰ মাজেদিয়ে একোজন অভিনেতাই নাটক অথবা চলচ্চিত্ৰ, ধাৰাবাহিকৰ বিভিন্ন বিষয় উপস্থাপন কৰে। তথাপি সংলাপেই শেষ কথা নহয়। সংলাপবিহীন অভিনয়ো নাটকৰ অংশ। অৰ্থাৎ কোনো এটা চৰিত্ৰ যদি কিছু সময়ৰ বাবে ওলাই , তেখেতৰ যদি কোনো সংলাপ নাথাকে, তেন্তে সেই চৰিত্ৰটোও নাটক অথবা চলচ্চিত্ৰ, ধাৰাবাহিকৰ অংশত পৰে।

ঠিক তেনেকুৱাই এক কলা মূকাভিনয়। মূকাভিনয়ৰ অৰ্থ হৈছে মুখৰে শব্দ উচ্চাৰণ নকৰাকৈ বা সংলাপ নোকোৱাকৈ মনৰ ভাব প্ৰকাশ কৰা। নাট্যশিল্পৰ এক বিশেষ দিশ হৈছে এই মূকাভিনয়। এই পদ্ধতিৰ জৰিয়তে কোনো অভিনেতাই কোনো সংলাপ ব্যৱহাৰ নকৰাকৈ কেৱল দেহৰ ভঙ্গিমা আৰু মুখৰ অভিব্যক্তিৰ ওপৰত নিৰ্ভৰ কৰি অভিনয় কৰে। আচলতে যিকোনো অভিনেতাই কিছু পৰিমাণে মূকাভিনয় কৰিব লগা হয়, তেওঁলোকৰ অঙ্গী-ভঙ্গীৰ সহায়ত। আন কথাত মূকাভিনয় থিয়েটাৰৰ ৰস বিতৰণৰ এক মাধ্যম। মুকাভিনয়ক এটা স্বতন্ত্ৰ প্ৰদৰ্শন কলা হিচাপেও ব্যৱহাৰ কৰা হয়। ইয়াৰ আবিৰ্ভাৱ হৈছিল প্ৰাচীন গ্ৰীচত। জাক্‌ছ লেককে তেওঁৰ প্ৰশিক্ষণ পদ্ধতিৰে আধুনিক যুগত মূকাভিনয়ৰ বিকাশত প্ৰভূত বৰঙণি যোগাইছিল।

●●●



# মহাপুৰুষ শংকৰদেৱৰ অনুপম সৃষ্টি *'কীৰ্ত্তন-ঘোষা'*ৰ এক আলোচনা


**অপৰ্ণা ৰাজা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ


অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ ভিতৰত শংকৰদেৱৰ *'কীৰ্ত্তন-ঘোষা'* এখনি অন্যতম প্ৰধান গ্ৰন্থ। নাম প্ৰসঙ্গৰ উপযোগীকৈ ৰচনা কৰা এই পুথিখন যেনেদৰে বৈষ্ণৱ সম্প্ৰদায়ৰ এৰিব নোৱাৰা হাতপুথি, তেনেদৰেই শংকৰদেৱৰ কাব্য প্ৰতিভাৰো শ্ৰেষ্ঠ নিদৰ্শন। শংকৰদেৱে অসমত যি নৱ-বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰিছিল *'কীৰ্ত্তন-ঘোষা'* আছিল তাৰ মুখপত্ৰ স্বৰূপ। বৈষ্ণৱ আন্দোলনৰ মূল আধাৰ ভক্তিবাদ। এই ভক্তিবাদ বা ভক্তিৰ শ্ৰেষ্ঠত্ব কীৰ্ত্তনত সন্নিৱিষ্ট হৈ আছে।

জনপ্ৰিয়তা বা প্ৰভাৱ বিস্তাৰৰ ফালৰপৰা প্ৰাদেশিক ভাষাসমূহৰ ভিতৰত তুলসীদাসৰ 'ৰামচৰিত' মানসে উত্তৰ ভাৰতৰ হিন্দী প্ৰধান অঞ্চলতে যি প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰি আছে, শংকৰদেৱৰ *'কীৰ্ত্তন-ঘোষা'* পুথিখনিয়েও অসমীয়া জনজীৱনত অনুৰূপ প্ৰভাৱ বিস্তাৰ কৰি আছে।

বিভিন্ন দৃষ্টিৰে বিচাৰ-বিশ্লেষণ কৰি সমালোচকসকলে *'কীৰ্তন-ঘোষা'* খনক অকল শংকৰদেৱৰ লেখাৰ ভিতৰতে নহয় অসমৰ বৈষ্ণৱ যুগৰে এখন শ্ৰেষ্ঠ গ্ৰন্থ বুলি মন্তব্য কৰিছে। বৈষ্ণৱ ধৰ্মৰ যি চাৰিপুথিৰ কথা কোৱা হয় তাৰ ভিতৰত *'কীৰ্ত্তন-ঘোষা'*খনো অন্যতম। বাকী তিনিখন হ'ল শংকৰদেৱৰে 'দশম' আৰু মাধৱদেৱৰ *'নামঘোষা'* আৰু *'ভক্তি ৰত্নাৱলী'*। স্বৰ্গীয় জ্ঞাননাথ বৰাদেৱে তেখেতৰ *'কীৰ্ত্তন-ঘোষা'* নামৰ প্ৰবন্ধটোৰ মাজেৰে মন্তব্য কৰিছিল যে শিশুৰ পৰা বুঢ়ীলৈ শিক্ষিতৰ পৰা শিক্ষিতালৈ, নাস্তিকৰ পৰালৈ নৈষ্ঠিকলৈ সকলো শ্ৰেণীৰ লোককে কীৰ্তনে আনন্দ দিব পাৰিছিল। আৰু বৰ্তমানেও অসমৰ সমাজত সেই আদৰ চলিয়ে আছে। প্ৰস্তাৱিত আলোচনাত কীৰ্ত্তনৰ সকলো দিশ সামৰিব খোজা নাই, মাথোঁ পুথিখনৰ বিভিন্ন আখ্যান নাইবা খণ্ডৰ মাজেৰে প্ৰকাশ পোৱা ভক্তি সম্পৰ্কে বিশ্লেষণ কৰা হ'ব। *'কীৰ্ত্তন-ঘোষা'*ৰ সমল *'গড়ুৰ পুৰাণ'*, *'ব্ৰহ্ম পুৰাণ'* আৰু *'পদ্ম পুৰাণ'*ৰ পৰা দুই তিনিটা খণ্ডৰ বাবে লোৱা যদিও মুখ্যতঃ প্ৰায় সকলোবোৰ খণ্ডৰ সমল *'শ্ৰীমদ্ভগৱত পুৰাণ'*ৰ পৰা লোৱা। *'কীৰ্ত্তন-ঘোষা'* 'ভাগৱত'ৰ নৱনীত প্ৰকাশ সদৃশ।

শংকৰদেৱে *'কীৰ্তন-ঘোষা'* পুথিখন একেখন ঠাইতে থাকি ৰচনা কৰা নাছিল। ভ্ৰাম্যমান শংকৰদেৱে বৰদোৱা হাজো, বৰনগৰ, কালজাৰ, বৰপেটা আদি বিভিন্ন ঠাইত *'কীৰ্ত্তন-ঘোষা'ৰ* খণ্ডবোৰ ৰচনা কৰিছিল আৰু ভিন্ন ভিন্ন ঠাইত সেইবোৰ সিঁচৰতি হৈ আছিল। শংকৰদেৱৰ বৈকুণ্ঠ পয়াণৰ পিছত মাধৱদেৱৰ ইচ্ছানুসৰি ভাগিন ৰামচৰণ ঠাকুৰে বিভিন্ন ঠাইৰ পৰা সাঁচিপাতবোৰ সংগ্ৰহ কৰি আনি এক সুচিন্তিত ক্ৰমত একত্ৰিত কৰি সংকলন কৰে। অসমৰ বিভিন্ন সত্ৰ আৰু নামঘৰত সাঁচিপতীয়া পুথিৰহে প্ৰচলন আছিল। সৈনিক শিল্পী জ্যোতি প্ৰসাদ আগৰৱালাৰ পিতৃ হৰিবিলাস আগৰৱালাই প্ৰথমতে এই সাঁচিপতীয়া পুথিৰ পৰা *'কীৰ্তন-ঘোষা'*খন ছপা কৰি উলিয়ায়।

ভক্তি বা উপদেশমূলক, কাহিনীমূলক আৰু আৱেগমূলক --- এই ত্ৰিধাৰাৰ ভিতৰত *'কীৰ্ত্তন-ঘোষা'* পুথিখনিয়ে দ্বিতীয় ধাৰাটোৰ প্ৰতিনিধিত্ব কৰে। অৰ্থাৎ *'কীৰ্ত্তন-ঘোষা'* এখনি কাহিনী বা আখ্যানমূলক ভক্তি কাব্য। শংকৰদেৱে 'ভাগৱত পুৰাণ'ৰ বিভিন্ন অধ্যায়ৰ কাহিনীকলৈ *'কীৰ্ত্তন-ঘোষা'* ৰচনা কৰে।

*'কীৰ্ত্তন-ঘোষা'ৰ* প্ৰতিটো কাহিনীৰ মাজতে শংকৰদেৱে প্ৰচাৰ কৰিছে উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ লীলা মাহাত্ম্য। মনোৰঞ্জক আখ্যানৰ মাজত পৰম কৌশলেৰে সৰ্বসাধাৰণে বুজি পোৱাকৈ গুৰুজনাই প্ৰকাশ কৰিছে অনাদি অনন্ত ভগৱন্তৰ প্ৰকৃত স্বৰূপ। আখৰৰ সৈতে পৰিচয় নথকা সৰ্বসাধাৰণ ৰাইজৰ মাজত ভাগৱতী ধৰ্মৰ আদৰ্শ পানীৰ দৰে সহজ কৰি বুজাই দিয়াটোৱেই আছিল এই আখ্যানসমূহৰ মূল লক্ষ্য। সেইবাবে অতি কম পৰিসৰৰ ভিতৰতে একোটা আখ্যানৰ সমাপ্তিৰে শ্ৰোতা-পাঠকক হৃদয় সংবাদী কৰিবলৈ যত্ন কৰিছিল। গঠনৰ ৰীতিৰফালৰ পৰা *'কীৰ্ত্তন-ঘোষা'* এক স্বতন্ত্ৰ শ্ৰেণীৰ সাহিত্য।

*'কীৰ্ত্তন-ঘোষা'*ত সৰ্বমুঠ ২৭টা খণ্ড সন্নিৱিষ্ট হৈছে। ইয়াৰ প্ৰত্যেকটো খণ্ডতে একোটি স্বয়ংসম্পূৰ্ণ আখ্যান বিবৃত হৈছে। একোটি খণ্ড দুইৰ পৰা কুৰিমানলৈকে কেইবাটাও কীৰ্তনৰ সমষ্টি। প্ৰত্যেকটো কীৰ্তন একোটি খণ্ড কবিতাৰ দৰে। ইয়াত সন্নিৱিষ্ট খণ্ডসমূহৰ একনা কাব্য বৈশিষ্ট্যৰ বাবেই ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই মন্তব্য কৰিছে-- ই এখন কাব্য নহয়, সৰু বৰ ডেৰকুৰিমান কাব্যৰ এখনি অপূৰ্ব কাব্য কোষ। ভাৰতীয় ধৰ্ম সাহিত্যত *গীতা* আৰু *ভাগৱতে* স্মৰণাতীত কালৰে পৰা যি অপ্ৰতিহত প্ৰস্তাৱ সাব্যস্ত কৰিছে, কীৰ্ত্তনো তাৰ অন্যথা নহয়। জনপ্ৰিয়তা বা প্ৰভাৱ বিস্তাৰৰ ফালৰপৰা প্ৰাদেশিক ভাষাসমূহৰ ভিতৰত তুলসীদাসৰ 'ৰামচৰিত মানসে' উত্তৰ ভাৰতৰ হিন্দী প্ৰধান অঞ্চলতে যি প্ৰভূত প্ৰস্তাৱ বিস্তাৰ কৰি আছে, শংকৰদেৱৰ

*'কীৰ্ত্তন-ঘোষা'* পুথিখন যদিও বিভিন্ন খণ্ডত খণ্ডিত আৰু মহাপুৰুষ শংকৰদেৱে জীৱনৰ বিভিন্ন সময় আৰু বিভিন্ন স্থানত থাকোঁতে ৰচনা কৰা তথাপি সকলো বিলাক খণ্ডৰ মাজেদি ঐক্যসূত্ৰ বিচাৰি পোৱা সমগ্ৰ *কীৰ্ত্তন-ঘোষা* খনকে কৃষ্ণ ভক্তিৰ এধাৰি মালা বুলি ধৰিলে প্ৰতিটো খণ্ড হ'ল ইয়াৰ একোপাহ সুগন্ধি ফুল, ভক্তি মাহাত্ম্য মালাৰ সৌৰভ আৰু কৃষ্ণভক্তিৰ অদৃশ্য সূতাধাৰি বিচাৰিব জানিলে অৰ্থাৎ জিজ্ঞাসু ৰসিকে *'কীৰ্ত্তন-ঘোষা'*ৰ সকলো বৰ্ণনা আৰু সৌৰভৰ মাজেদি নববিধ সাহিত্যৰ ৰস উপলব্ধি কৰিব পাৰে।

*'কীৰ্ত্তন-ঘোষা'* পুথিখনিয়েও অসমীয়া জনজীৱনত অনুৰূপ প্ৰভাৱ বিস্তাৰ কৰি আছে।

কীৰ্ত্তনত সন্নিৱিষ্ট বিভিন্ন আখ্যানৰ মাজেৰে ভক্তিবাদৰ মূল আদৰ্শ বা মতসমূহ সহজ-সৰলভাৱে মানুহৰ আগত উপস্থাপন কৰিছে আৰু ভক্তসকলৰ বাবে নীতি আৰু নৈতিক বিধানসমূহ দাঙি ধৰিছে। ভগৱান যে ভক্তিতহে সন্তুষ্ট হয়, ভক্তিৰ ক্ষেত্ৰত কোনো জাতি, ধৰ্ম, লিঙ্গ ভেদৰ স্থান নাই জীৱমাত্ৰেই ভক্তিৰ অধিকাৰী আৰু ইয়াৰ বাবে ঐশ্বৰ্য বিভূতিৰ আৰু কোনো প্ৰয়োজন নাই। সেই সকলো বিষয়ে *'কীৰ্ত্তন-ঘোষা'ৰ* বিভিন্ন খণ্ডত বাৰে বাৰে উল্লেখ কৰা হৈছে। নৱধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তন যে উৎকৃষ্ট সেই কথাও প্ৰকাশ কৰিছে। হৰিনাম নিৰন্তৰ শ্ৰৱণ-কীৰ্ত্তন কৰি থাকিলে মনলৈ ভক্তিৰ বাকীকেইটা অৱস্থাও অনায়াসে আহিব। ভগৱানৰ নাম কথা শ্ৰৱণত মন শুদ্ধ হ'ব, শুদ্ধ মনেৰে তেওঁৰ গুণানুকীৰ্তন কৰি তেওঁক চিন্তা বা স্মৰণ কৰোঁতে সমস্ত প্ৰাণীৰ মাজত তেওঁক দেখিব। ভগৱানে সদায় ভক্তক সঙ্গ দিয়ে আৰু ভগৱানৰ সঙ্গই ভক্ত জীৱন মুক্ত কৰে।

ভক্তই যেতিয়া ভক্তিৰ যোগেদি বিষ্ণুজ্ঞান লাভ কৰে তেতিয়া সেই ভক্তিকে জ্ঞানময়ী ভক্তি বা নিৰ্গুণা ভক্তি বুলি কোৱা হয় এই বিষ্ণুজ্ঞানৰ অৰ্থ হ'ল যি পুৰুযোত্তম পৰমবহ্ম বিশ্বব্ৰহ্মাণ্ডৰ

গৰাকী, যি অমিল বিশ্বব্যাপি আছে আকৌ সেইজনেই সকলো প্ৰাণীৰ মাজেৰে প্ৰতিফলিত হৈছে। বিশ্বব্ৰহ্মাণ্ডৰ অধিষ্ঠাতা বাবে তেওঁ পুৰুষোত্তম আৰু দেহৰ মাজত থকা বাবে তেওঁ পুৰুষ। এই দুই পুৰুষ একেজনেই। একে সময়তে একেজনেই দুই ভূমিকাৰে অভিনয় কৰিছে। এই দুই ৰূপ বিযুক্ত একে ৰূপে উপলব্ধি কৰাই বিষ্ণুজ্ঞানে। শ্ৰৱণ-কীৰ্ত্তন ভক্তিকে শ্ৰেষ্ঠ স্থান দিলেও নৱধা ভক্তিৰ বাকীকেইটাৰো নিদৰ্শন গুৰুত্ব সহাকাৰে গ্ৰন্থৰ বিভিন্ন আখ্যানৰ মাজেৰে উপস্থাপন কৰিছে। এই প্ৰসঙ্গতে উল্লেখ কৰি যোৱাটো ভাল হ'ব যে কীৰ্ত্তনত সন্নিৱিষ্ট কৰা আখ্যান বা খণ্ডসমূহ বিভিন্ন সময়ত ৰচনা কৰা আৰু প্ৰত্যেকটোৱে স্বতন্তৰীয়া অথবা স্বয়ংসম্পূৰ্ণ। শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত মাধৱদেৱৰ নিৰ্দেশক্ৰমে ৰামচৰণ ঠাকুৰে এই সমূহ একগোট কৰি গ্ৰন্থৰ আকাৰত প্ৰস্তুত কৰি উলিয়াইছে। কিন্তু তথাপি সকলোবিলাক খণ্ডৰ মাজেৰে সামগ্ৰিকভাৱে বৈষ্ণৱ ভক্তিবাদ আৰু ইয়াৰ সাধন পদ্ধতিৰ নীতি-নিৰ্দেশনা দাঙি ধৰিছে।

মহাপুৰুষজনাৰ কীৰ্তন পুথিত সন্নিৱিষ্ট থকা ২৭টা স্বয়ং সম্পূৰ্ণ খণ্ড বা কাহিনী হ'ল -চতুৰ্বিংশতি অৱতাৰ বৰ্ণন, নাম অপৰাধ বৰ্ণন, পাষণ্ড মৰ্দন, ধ্যান কোন, অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত, গজেন্দ্ৰ উপাখ্যান, হৰমোহন, বলিচলন, শিশুলীলা, ৰাসক্ৰীড়া, গোপী উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছাপূৰণ, জৰাসন্ধ বধ, কালযৱন বধ, মুচুকুণ্ড স্তুতি, স্যমন্ত হৰণ, নাৰদৰ দ্বাৰকা দৰ্শন, বিপ্ৰপুত্ৰ আনয়ন, বিপ্ৰ দামোদৰ আখ্যান, বেদস্তুতি, দৈৱকীৰ পুত্ৰ আনয়ন, লীলা মালা কৃষ্ণৰ বৈকুণ্ঠ পয়াণ, ওৰেষা বৰ্ণন, সহস্ৰ নাম বৃত্তান্ত আৰু ঘুনুচা কীৰ্তন। এই ২৭ টা কাহিনীৰ ভিতৰত নাম অপৰাধ বৰ্ণন, পাষণ্ড মৰ্দন আৰু ওৰেষা বৰ্ণনৰ বাহিৰে বাকী ২১ টা কাহিনীৰ উৎস শংকৰদেৱে ভাগৱত পুৰাণৰ পৰা সংগ্ৰহ কৰিছে। বাকী তিনিটাৰ ভিতৰত নাম অপৰাধ আৰু পাষণ্ড মৰ্দনৰ মূল পথ পুৰাণ আৰু ওৰেষা বৰ্ণনৰ মূল হৈছে 'ব্ৰহ্মপুৰাণ'।

*'কীৰ্ত্তন-ঘোষা'* পুথিখন যদিও বিভিন্ন খণ্ডত খণ্ডিত আৰু মহাপুৰুষ শংকৰদেৱে জীৱনৰ বিভিন্ন সময় আৰু বিভিন্ন স্থানত থাকোঁতে ৰচনা কৰে তথাপি আটাইখিনি খণ্ডৰ মাজেদি ঐক্যসূত্ৰ বিচাৰি পোৱা সমগ্ৰ *'কীৰ্ত্তন-ঘোষা'* খনকে কৃষ্ণ ভক্তিৰ এধাৰি মালা বুলি ধৰিলে প্ৰতিটো খণ্ড হ'ল ইয়াৰ একোপাহ সুগন্ধি ফুল, ভক্তি মাহাত্ম্য মালাৰ সৌৰভ আৰু কৃষ্ণভক্তি অদৃশ্য সূতাধাৰি বিচাৰিব জানিলে অৰ্থাৎ জিজ্ঞাসু ৰসিকে *'কীৰ্ত্তন-ঘোষা'*ৰ সকলো বৰ্ণনা আৰু সৌৰভৰ মাজেদি নৱবিধ সাহিত্যৰ ৰস উপলব্ধি কৰিব পাৰে। মৌলিক জীৱনৰ পৰমসত্য মানুহস্নেহ বা বাৎসল্য স্নেহ স্বৰ্গ-মৰ্ত্য পাতাল নদ-নদী, পশু-পক্ষী, তৰু-তৃণ, দেৱতা-মানুহ, যথা-নথা, অসুৰ গন্ধৰ্ব প্ৰভৃতি সকলো বিলাক বিশ্ব চৰাচৰৰ সমাৱেশ ইয়াত ঘটিছে। যথাযৰ্থৰে *'কীৰ্ত্তন-ঘোষা'*ৰ স্বৰ্গ-মৰ্ত্য আৰু পাতাল এই ত্ৰিলোকৰ সকলো প্ৰাণী সৌন্দৰ্য আৰু সম্প্ৰীতিৰ সমাহাৰ। যদিও বীৰ, কৰুণ, হাস্য, শৃঙ্গাৰ, বীভৎস, ভয়ানক, অদ্ভুত আৰু বাৎসল্য ৰসৰ সমাহাৰ ঘটিছে, ইয়াত আন্তঃলীলা কলাগুৰুৰ দৰে ভক্তিৰসহে প্ৰবাহিত হৈ আছে।

অলংকাৰৰ ক্ষেত্ৰত অনুপ্ৰাস, উপমা, ৰূপক আদি বিবিধ অলংকাৰৰ সমাহাৰ দেখা পোৱা যায়। তদুপৰি দুলড়ী, লেছাৰী, পদ, ঝুমুৰা, ঝুনা আদি ছন্দ কীৰ্তনৰ খণ্ডবোৰত সুন্দৰভাৱে প্ৰয়োগ হোৱা দেখা যায়। অলংকাৰ, ছন্দ, ৰস, যিয়েই নহওঁক কীৰ্তনৰ মুখ্য বিষয় হৈছে ভক্তি। ভক্ত প্ৰহ্লাদ প্ৰভৃতি মহত্বপূৰ্ণ চৰিত্ৰৰ সমাৱেশো কীৰ্তনত ঘটিছে। সেয়েহে সকলো বিলাক সাহিত্যিক গুণেৰে বিভূষিত কীৰ্তনক ধৰ্মীয় গ্ৰন্থ হোৱা স্বত্বেও মহাকাব্য বুলি অভিহিত কৰিব পাৰি। *'কীৰ্ত্তন-ঘোষা'* মূল্য মানৱতাৰ কাৰণে বা মানৱ সমাজত চিৰকাল অনুপম ভক্তি ৰসৰ সাহিত্য হিচাপেহে নিৰ্মিত হৈ থাকিব।

●●●

## সোণসেৰীয়া বচন

গুৰু লাগে মই শিক্ষিত শিষ্য
জগতত জাননী দিলোঁ।
জগতৰ গুৰু শংকৰ ঘৰতেই
অন্ধলাই নেদেখিলোঁ।।

- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

# দক্ষতা শিক্ষা আৰু যুৱ সমাজৰ ভৱিষ্যত



⏭ **অসীম ডেকা**
প্ৰাক্তন ছাত্ৰ

"যুৱ সমাজৰ শক্তি সঠিক দিশত প্ৰৱাহিত হ'লেই এটা জাতিৰ ভৱিষ্যৎ সোণালীময় হৈ উঠে।"

একবিংশ শতিকাৰ দ্ৰুতগামী আৰু প্ৰতিযোগিতামূলক বিশ্বত শিক্ষা কেৱল পাঠ্যপুথিৰ সীমাৰ মাজতে আবদ্ধ হৈ থাকিব নোৱাৰে। বৰ্তমান সময়ত যুৱ সমাজৰ সাফল্য কেৱল ডিগ্ৰী বা গতানুগতিক শিক্ষাৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ তেওঁলোকে জীৱনৰ বাস্তৱ ক্ষেত্ৰত কিমানখিনি দক্ষতা প্ৰয়োগ কৰিব পাৰে, সেয়াই মুখ্য হৈ উঠিছে। এই পৰিৱৰ্তিত বাস্তৱতাৰ প্ৰেক্ষাপটত দক্ষতা শিক্ষা যুৱ সমাজৰ ভৱিষ্যৎ নিৰ্মাণৰ এক অপৰিহাৰ্য আধাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

দক্ষতা শিক্ষাই যুৱক-যুৱতীক কেৱল চাকৰি লাভৰ বাবে প্ৰস্তুত কৰাতেই সীমাবদ্ধ নাথাকে। ই তেওঁলোকৰ ভিতৰত আত্মনিৰ্ভৰ, আত্মবিশ্বাস আৰু সৃজনশীল চিন্তাধাৰা বিকশিত কৰে। প্ৰযুক্তিগত দক্ষতা, ডিজিটেল জ্ঞান, যোগাযোগ ক্ষমতা, নেতৃত্ব গুণ আৰু সমস্যা সমাধানৰ কৌশল আয়ত্ত কৰাৰ জৰিয়তে যুৱ সমাজে জীৱনৰ জটিল প্ৰত্যাহ্বানসমূহ দৃঢ় মনোবলৰে সন্মুখীন হ'বলৈ সক্ষম হয়।

আজিৰ সময়ত বহু শিক্ষিত যুৱক-যুৱতীয়ে উচ্চ শিক্ষা লাভ কৰাৰ পিছতো কৰ্ম সংস্থাপনৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাটো এক উদ্বেগজনক বাস্তৱতা। ইয়াৰ মূল কাৰণ হৈছে শিক্ষানুষ্ঠানত প্ৰাপ্ত জ্ঞান আৰু কৰ্মক্ষেত্ৰৰ প্ৰয়োজনীয় দক্ষতাৰ মাজত থকা ব্যৱধান। দক্ষতা শিক্ষাই এই ব্যৱধান হ্ৰাস কৰি শিক্ষাক অধিক কৰ্মমুখী ব্যৱহাৰিক আৰু জীৱনমুখী কৰি তোলে। ফলস্বৰূপে যুৱ সমাজ অধিক নিয়োগযোগ্য হৈ উঠে আৰু কৰ্মসংস্কৃতিৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি উঠে।

দক্ষতা শিক্ষাৰ গুৰুত্ব কেৱল নগৰীয়া পৰিৱেশতে সীমাবদ্ধ নহয়। গ্ৰাম্যাঞ্চলৰ যুৱ সমাজেও কৃষি-ভিত্তিক প্ৰযুক্তি, ক্ষুদ্ৰ উদ্যোগ, হস্তশিল্প আৰু স্ব-উদ্যোগৰ জৰিয়তে আত্মনিৰ্ভৰ হোৱাৰ সুযোগ লাভ কৰে। ইয়াৰ ফলত কেৱল ব্যক্তিগত উন্নতিয়েই নহয়, সামগ্ৰিকভাৱে সমাজ আৰু অৰ্থনীতিৰো সুস্থ বিকাশ সাধন হয়।

দক্ষতা শিক্ষাই উদ্যোগশীল মানসিকতা বিকাশ কৰাতো বিশেষ ভূমিকা পালন কৰে। এজন দক্ষ যুৱক কেৱল চাকৰি প্ৰত্যাশী নহয়, বৰঞ্চ নতুন সম্ভাৱনা সৃষ্টিকাৰী হিচাপেও নিজকে প্ৰতিষ্ঠা কৰিব পাৰে। স্ব-উদ্যোগ আৰু নতুন চিন্তাধাৰাৰ জৰিয়তে যুৱ সমাজে দেশৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰে।

এই প্ৰসংগত উল্লেখযোগ্য যে ভাৰতৰ নতুন শিক্ষা নীতি (NEP-2020)- এ দক্ষতা শিক্ষা বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰিছে। শিক্ষাক অধিক ব্যৱহাৰিক, বহুমুখী আৰু জীৱনমুখী কৰি তোলাৰ লক্ষ্যৰে এই নীতিয়ে যুৱ সমাজক আগন্তুক বিশ্বৰ সৈতে সজাগভাৱে খাপ খুৱাবলৈ সহায় কৰে।

ইয়াৰ উপৰি, দক্ষতা শিক্ষাই যুৱ সমাজক জীৱন জুৰি শিকাৰ মনোভাৱ প্ৰদান কৰে। দ্ৰুত পৰিৱৰ্তনশীল প্ৰযুক্তি আৰু বিশ্বায়নৰ যুগত নতুন দক্ষতা আয়ত্ত কৰাৰ ক্ষমতাই এজন যুৱকৰ ভৱিষ্যত সুৰক্ষিত কৰে। আত্ম উন্নয়নৰ প্ৰতি আগ্ৰহ আৰু অভিযোজন ক্ষমতাই যুৱ সমাজক সময়ৰ সৈতে আগবঢ়াই নিয়ে।

শেষত ক'ব পাৰি যে দক্ষতা শিক্ষা যুৱ সমাজৰ ভৱিষ্যত নিৰ্মাণৰ এক শক্তিশালী মাধ্যম। এখন আত্মনিৰ্ভৰ, সচেতন আৰু প্ৰগতিশীল দেশ গঢ়িবলৈ হ'লে যুৱ সমাজক দক্ষতা-ভিত্তিক শিক্ষাৰে সুদৃঢ় কৰাটো অতি প্ৰয়োজনীয়। কিয়নো দক্ষ আৰু উদ্যমী যুৱ সমাজেই এটা জাতিৰ উজ্জ্বল আৰু সুৰক্ষিত ভৱিষ্যত গঢ়ি তোলে।

●●●

বিদ্যাৰ্থী জীৱনৰ কেইটামান গুৰুত্বপূৰ্ণ গুণ হৈছে অধ্যয়ন, জিজ্ঞাসু অনুশাসন, একাগ্ৰতা, অভ্যাস, অধ্যৱসায়, দৃঢ় সংকল্প, উদ্যমিতা, পৰিশ্ৰম, আত্ম-সংযম ইত্যাদি। এই গুণসমূহ প্ৰয়োগ কৰি সদায় সমাজৰ মংগলৰ বাবে কাম কৰিম বুলি ভাবি নিজৰ অধ্যয়ন কৰ্মক আন্তৰিকতাৰে কৰিব লাগে। বিদ্যাৰ্থী জীৱনটোৱেই হৈছে শাৰীৰিক, মানসিক ভাৱে সুস্থ-সৱল হৈ ভৱিষ্যতৰ বাবে জ্ঞানৰ অন্বেষণ কৰি সামাজিক দায়িত্ব গ্ৰহণৰ বাবে প্ৰস্তুতি চলোৱাৰ সময়।



# ছাত্ৰ-ছাত্ৰীৰ বাবে জ্ঞানামৃত

**ড° কণিমা পাঠক**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু মূল্যৱান সময়খিনিয়েই হৈছে অধ্যয়ন কৰি থকা সময়খিনি। এটি মানৱ শিশুৱে জন্মৰ পৰা জ্ঞান আহৰণ কৰি মৃত্যুৰ আগদিনালৈকে জ্ঞান লাভ কৰিয়েই থাকে। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ গুৰু শ্ৰীকৃষ্ণই পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ শিষ্য অৰ্জুনক 'শ্ৰীমদ্ভগৱদ্গীতা'ত কৈছে জ্ঞানৰ সমান পৱিত্ৰ বস্তু পৃথিৱীত একো নাই আৰু যিয়ে জ্ঞানক শ্ৰদ্ধা কৰে তেওঁহে জ্ঞান লাভ কবিব পাৰে, আৰু সমাজৰ মংগল সাধন কৰিব পাৰে। পৃথিৱীৰ জীৱৰ সৰ্বশ্ৰেষ্ঠ প্ৰাণী হিচাপে মানৱৰ উদ্দেশ্যই হৈছে জীৱ-জগত, সমাজ তথা লোক কল্যাণৰ গভীৰ দায়িত্ব গ্ৰহণ কৰা। গতিকে, ভৱিষ্যতে সমাজৰ কল্যাণৰ তথা লোক মংগলৰ দায়িত্ব বাস্তৱত গ্ৰহণ কৰিবলৈ বিদ্যাৰ্থী জীৱনেই প্ৰশিক্ষণৰ উত্তম সময়। বিদ্যাৰ্থী জীৱনৰ কেইটামান গুৰুত্বপূৰ্ণ গুণ হৈছে অধ্যয়ন, জিজ্ঞাসা অনুশাসন, একাগ্ৰতা, অভ্যাস, অধ্যৱসায়, দৃঢ় সংকল্প, উদ্যমিতা, পৰিশ্ৰম, আত্ম-সংযম ইত্যাদি। এই গুণসমূহ প্ৰয়োগ কৰি সদায় সমাজৰ মংগলৰ বাবে কাম কৰিম বুলি ভাবি নিজৰ অধ্যয়ন কৰ্মক আন্তৰিকতাৰে কৰিব লাগে। বিদ্যাৰ্থী জীৱনটোৱেই হৈছে শাৰীৰিক, মানসিকভাৱে সুস্থ-সৱল হৈ ভৱিষ্যতৰ বাবে জ্ঞানৰ অন্বেষণ কৰি সামাজিক দায়িত্ব গ্ৰহণৰ বাবে প্ৰস্তুতি চলোৱাৰ সময়। গতিকে, ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন, জ্ঞান অন্বেষণৰ উপৰি স্বাস্থ্য ভালে ৰাখিবৰ বাবে খেলা-ধূলা কৰিব লাগে। মনৰ পৰিপুষ্টি আৰু অন্তৰাত্মাৰ তৃপ্তিৰ বাবে সাহিত্য-চৰ্চা আৰু সাধনা কৰিব লাগে। গতিকে মৰমৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি ক'ব খুজিছোঁ যে আমি জীৱনত সফল হ'বলৈ হ'লে নিজৰ কৰ্ম-কৰ্তব্যৰ প্ৰতি দৃঢ় সংকল্প কৰিব লাগে, 'যোগ' কৰিব লাগে। 'যোগ' শব্দৰ অৰ্থ হৈছে মন বুদ্ধি-আত্মাক একত্ৰ কৰা। *'শ্ৰীমদ্ভগৱদ্গীতা'*ৰো দৰ্শন হৈছে মন বুদ্ধি আত্মাক একত্ৰ কৰি লোক মঙ্গলৰ বাবে নিঃস্বাৰ্থ কৰ্ম কৰা। গতিকে, আমি যি কৰোঁ (পঢ়া-লিখা-খেলা) তাক মন-বুদ্ধি-আত্মাক একত্ৰিত কৰি

লোক কল্যাণৰ মনোভাৱেৰে নিজক সমৰ্পিত কৰি নিঃস্বাৰ্থভাৱে কৰ্ম কৰা উচিত। তেনে কৰিলে আটায়েই এদিন সফল হ'বাই। তোমালোকৰ মনত এটা প্ৰশ্ন হ'ব পাৰে, কাম কৰি ফলৰ ইচ্ছা কিয় নকৰিম ? 'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ চতুৰ্থ অধ্যায়ৰ ১৩ আৰু ১৪ নং শ্লোকত শ্ৰীকৃষ্ণই প্ৰিয় শিষ্য অৰ্জুনক ইয়াৰ উত্তৰো সুন্দৰকৈ দিছে; যে গুণ আৰু কৰ্ম অনুসৰি সকলোৰে বাবে ফলৰ ব্যৱস্থা কৰা হৈছে। যিয়ে যেনেকৈ কৰ্ম কৰে তাৰ ফল নিশ্চিতভাৱে পায়। গতিকে, যিয়ে অধ্যৱসায় কৰে তেওঁলোক এদিন নহয় এদিন সফল হয়েই। অৰ্জুন হৈছে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ শিষ্য আৰু শ্ৰীকৃষ্ণ হৈছে সৰ্বশ্ৰেষ্ঠ গুৰু। কিয়নো 'শ্ৰীমদ্ভগৱদ্‌গীতা'ৰ জ্ঞান দ্বিতীয় অধ্যায়ৰ ৭২ নং শ্লোকতে সমাপ্ত হৈছে; কিন্তু অৰ্জুনৰ জিজ্ঞাসাই প্ৰশ্ন সুধি সুধি ৭২ টা শ্লোকৰ পৰিৱৰ্তে ৭০০ টা শ্লোক হৈছে। শ্ৰীকৃষ্ণইও অৰ্জুনৰ উত্তৰসমূহ সুন্দৰকৈ দি গৈছে। গতিকে ক'ব পাৰি উত্তম ছাত্ৰ হ'বলৈ হ'লে অৰ্জুনৰ দৰে জিজ্ঞাসু গুণো থাকিব লাগিব।

সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত 'নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০'ৰ ২০২৩ চনৰ পৰা ৰূপায়ণ কৰা হৈছে। এই শিক্ষা নীতিৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীক সামগ্ৰিক শিক্ষা (Holistic Education) প্ৰদান কৰা। সামগ্ৰিক শিক্ষা হৈছে শিক্ষাৰ্থীৰ সৰ্বাংগীণ বিকাশৰ শিক্ষা। যেনে — বৌদ্ধিক, নৈতিক, মূল্যবোধ, আত্মনিৰ্ভৰ, ভাৱনাত্মক, প্ৰশাসন, নেতৃত্ব, নাগৰিক চেতনা, সামাজিক সেৱা, দক্ষতা বিকাশ, বৃত্তিমূলক শিক্ষা ইত্যাদি। এই শিক্ষা নীতিৰ উদ্দেশ্য হৈছে যে ছাত্ৰ-ছাত্ৰীক জ্ঞানী, চিন্তাশীল, দক্ষ, আত্মনিৰ্ভৰশীল, সৃজনীশীল আদি সকলো দিশৰ শিক্ষা দানৰ জৰিয়তে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক দক্ষ, আত্ম-নিৰ্ভৰশীল, চিন্তাশীল, দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলা। সেইবাবে একেটা সময়তে ছাত্ৰ-ছাত্ৰীক বহু বিষয়ক শিক্ষা (multidisciplinary) ল'ব পৰা ব্যৱস্থা কৰিছে। ভাৰতীয় জ্ঞান পৰম্পৰা (Indian Knowledge System, চমুকৈ IKS) ক গুৰুত্ব দিছে; যাতে ছাত্ৰ-ছাত্ৰীসকলে ভাৰতীয় প্ৰাচীন গ্ৰন্থসমূহ (শ্ৰীমদ্ভগৱদ্‌গীতা, ৰামায়ণ, মহাভাৰত, বেদ-উপনিষদ, পুৰাণ) অধ্যয়ন কৰি ভাৰতীয় সংস্কৃতি, মূল্যবোধ আৰু জ্ঞান পৰম্পৰা সংৰক্ষণ আৰু প্ৰচাৰ কৰিব পাৰে। মনোবল আৰু আত্ম-বিশ্বাসৰ বৃদ্ধিৰ বাবে সহজে বুজিবলৈ মাতৃভাষাৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে, শিক্ষাৰ ক্ষেত্ৰত অধ্যয়নৰ সহজতা (flexibility), ABC (Academic Bank Credit) ৰ ব্যৱস্থা কৰিছে। যেতিয়াই-তেতিয়াই ইচ্ছা কৰিলে মহাবিদ্যালয়ৰ পাঠ্যক্ৰম পঢ়াৰ সুবিধা ছাত্ৰ-ছাত্ৰীয়ে ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীৰ মেধাৰ ভিত্তিত শিক্ষা ব্যৱস্থা কৰিছে, শিক্ষাৰ অন্তত ছাত্ৰ-ছাত্ৰীক Certificate দিয়াৰ উপৰি নিবনুৱা ৰোধৰ বাবে ভাল ভাল দক্ষতামূলক পাঠ্যক্ৰম ( Skill Course) ৰ ব্যৱস্থা কৰিছে; যাতে কম মেধাৰ ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ উপাৰ্জন কৰি ঘৰখনৰ লগতে দেশখনৰ বাবে অৰিহণা যোগাব পাৰে। সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ সৰ্বাংগীণ বিকাশৰ দিশত গুৰুত্ব দি সুন্দৰ সুন্দৰ পাঠ্যক্ৰমৰ ৰূপায়ণ কৰিছে। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব আৰু আমাৰ দেশখনো ছাত্ৰ-ছাত্ৰীসকলৰ জৰিয়তে বিশ্বৰ দেশসমূহৰ মাজত উজলি থাকিব বুলি আশা কৰিব পাৰি।

●●●

## সাঁথৰ

- প্ৰশ্ন ঃ গছৰ ওপৰত গুটি, গুটিৰ ওপৰত গছ ইটো কি নিলাজৰ সঁচ
  উত্তৰ ঃ আনাৰস
- প্ৰশ্ন ঃ এৰালি তলত বৰালি সোমাল বৌৱে ঘপাঘপ কৰে, ফণীকৰ ৰজাক বন্দী কৰি ৰাখিছে তাতে অহা-যোৱা কৰে
  উত্তৰ ঃ তাঁতশাল



# তিৰা গোভাৰাজ্যৰ বিষয়ে জানো আহক

▸▸ সুস্মিতা সূত্ৰধৰ
স্নাতক ষষ্ঠ যাণ্মাসিক

তিৰা জনগোষ্ঠীৰ বিভিন্ন ফৈদ আৰু ৰাজ্য পোৱা যায়। তাৰ ভিতৰত গোভাৰাজ্য অন্যতম। তিৰাসকল তিব্বতবৰ্মী ভাষা গোটৰ অন্তৰ্গত। শ শ বছৰ আগতে তেওঁলোকৰ পূৰ্বপুৰুষসকলে উৰ্বৰ সাৰুৱা মাটি বিচাৰি সুৰক্ষিত উপত্যকাৰ সন্ধানত শীতল তিব্বতীয় পাহাৰ এৰি দক্ষিণলৈ প্ৰব্ৰজন কৰিছিল আৰু তেওঁলোকে আহি প্ৰধানকৈ অসম আৰু মেঘালয়ত বসতি স্থাপন কৰিছিল। অসমৰ মৰিগাঁও, কামৰূপ, কাৰ্বি আংলং আৰু কিছুসংখ্যাকে ধেমাজি আৰু লখিমপুৰত বসবাস কৰা দেখিবলৈ পোৱা যায়। তদুপৰি মেঘালয়ৰ ৰি-ভই জিলাত আন এটা গোটৰ বসতি আছে।

ভৌগোলিক অৱস্থান অনুসৰি তিৰাসকলক দুটা প্ৰধান ভাগত ভাগ কৰা হৈছে --

(১) সমভূমিত বাস কৰা ভৈয়ামৰ তিৰা

(২) পাহাৰত বাস কৰা পাহাৰীয়া তিৰাসকল আৰু এই অনুসৰি তেওঁলোকৰ মাজত দুটা ভিন্ন জীৱন শৈলী দেখা পোৱা যায়।

সমভূমিত বাস কৰা তিৰাসকল মূলতঃ জড়বাদী আৰু হিন্দু ৰীতি-নীতি গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। আনহাতে, পাহাৰীয়া তিৰাসকলে কাৰ্বি পৰম্পৰাৰ প্ৰতি ঢাল খোৱা দেখিবলৈ পোৱা যায়। সেইদৰে তিৰাসকলৰ কিছুমান পৰিয়াল পিতৃতান্ত্ৰিক আৰু আন কিছুমান মাতৃতান্ত্ৰিক হৈ পৰে। সময়ৰ লগে লগে তিৰাসকলৰ মাজত পৰিৱৰ্তন আহি পৰিছে। তিৰাসকলক যদিও লালুং বুলি কোৱা হয়, কিন্তু এই নামটো তেওঁলোকে গ্ৰহণ নকৰে।

আজি যুগৰ গোলকীকৰণে তিৰা সমাজত এক নতুন পৰিৱৰ্তনৰ সূচনা কৰিছে। কিছু ক্ষেত্ৰত এই কথা ভাল যদিও কিন্তু বহুক্ষেত্ৰত ই এক শংকা কঢ়িয়াই আনিছে যে এই জনগোষ্ঠীৰ লোকসকলে আজিৰ দিনতো বহু সমস্যাত ভুগিবলগীয়া হৈছে। বৰ্তমান সময়ত যুৱক-যুৱতীসকল নিজৰ শিপাৰ পৰা আঁতৰি যাবলৈ আৰম্ভ কৰাত এতিয়া এটা বৰ ডাঙৰ শংকা আহিছে যে এনেকুৱা এটা দিন আহিব যেতিয়া তেওঁলোকৰ মাজৰপৰা পুৰণি গীত-মাত, কল্প কাহিনী প্ৰাৰ্থনা আদিকে ধৰি বহুখিনি সংস্কৃতি নাইকীয়া হৈ যাব। সেয়েহে তেওঁলোকৰ বাবে এতিয়া পূৰ্বতকৈয়ো অধিক নিজৰ ঐতিহ্য ধৰি ৰখাটো আৱশ্যক হৈ পৰিছে।

ভাষা আৰু সাহিত্য সংৰক্ষণৰ বাবে তিৰাসকলে সংগ্ৰাম কৰিবলগীয়া হৈছে কিয়নো বহু শতিকা ধৰি এই ভাষা কেৱল কথিত ভাৱেহে জীয়াই আছিল। ইয়াৰ সংৰক্ষণ কৰিবলৈ কোনো লিপি নাছিল বা কোনো পাণ্ডুলিপি নাছিল। গৱেষকসকলে সতৰ্ক কৰি দিছে যে তিৰাসকলৰ মাজত খুব কম সংখ্যাকেহে নিজৰ মাতৃ ভাষাত কথা কয়। তাই-আহোম বুৰঞ্জীত গোভা ৰাজ্যৰ কথা উল্লেখ আছিল। এই গোভা ৰজা তিৰা জনগোষ্ঠীৰ আছিল। গোভা ৰজাৰ উপস্থিতিয়ে ইংগিত দিয়ে যে তিৰাসকল কোনো কালে এটা নিৰ্দিষ্ট পৰিধিত সীমাবদ্ধ হৈ থকা জনজাতি নাছিল বৰঞ্চ এসময়ত আঞ্চলিক ৰাজনৈতিক ক্ষেত্ৰখনত সৰলভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল।

তিৰা জনগোষ্ঠীৰ প্ৰধান উৎসৱসমূহৰ ভিতৰত আছে

(কিছু) বোকা নাচ আৰু জোৰা তোলাৰ দৰে নৃত্য এই উৎসৱত পৰিৱেশন কৰা দেখা যায়। জোনবিল মেলাৰ কথা হয়তো আপোনালোকে শুনিছে বৰ্তমান সময়ত প্ৰায় অবিশ্বাস্য লগা যেন এটা প্ৰথা হৈছে এই মেলাত বিনিময় প্ৰথাৰে সামগ্ৰী বিনিময় কৰা হয়। এই মেলালৈ পাহাৰ-ভৈয়ামৰ পৰা বিভিন্ন জনজাতি, ভিন্ন সম্প্ৰদায়ৰ মানুহ আহি সমাগত হয় আৰু সামগ্ৰী বিনিময় কৰে। প্ৰায় জোনবিল মেলা তিনি দিনলৈ অনুষ্ঠিত কৰা হয়। আন এটা উৎসৱ হ'ল ওৱানচুৱা। এই উৎসৱত শস্য চপাই গোটেই গাঁওখনে এজনে আনজনক ধন্যবাদ জ্ঞাপন কৰে। তাৰ পিছত আহে বৰত উৎসৱ। এই উৎসৱ বন্য প্ৰাণী, ৰোগ আৰু অদৃশ্য শক্তিৰ পৰা সুৰক্ষা প্ৰদান কৰিবৰ বাবে উদ্‌যাপন কৰা হয়। তদুপৰি বছৰত দুবাৰকৈ গীত মাতৰ সৈতে লাংখন পূজাৰ দৰে আকৰ্ষণীয় উৎসৱৰ উদ্‌যাপন কৰা হয়। তেওঁলোকৰ এই ৰঙীন জীৱন শৈলীৰ আঁৰত এক কঠোৰ বাস্তৱো নিহিত হৈ আছে। তিৱাসকল দীৰ্ঘদিন ধৰি নিজৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে অহৰহ সমস্যাৰ সন্মুখীন হৈ আছিল বা আহিছে। যেনে নিজৰ ভূমিৰ পৰা বিচ্ছিন্ন হোৱা, অৰ্থনৈতিক সমস্যা, সাংস্কৃতিক ক্ষয় ইত্যাদি।

বহু দশক জুৰি আলোচনাৰ প্ৰতিবাদ আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ দাবী জনাই শেষত সহ শাসনৰ বাবে ১৯৮৫ চনত স্বায়ত্ত শাসিত লালুং জিলা দাবী সমিতি গঠন কৰা হয়। ৰাজনৈতিক ইতিহাসৰ এক সন্ধিক্ষণত লালুং (তিৱা) চুক্তি, ১৯৯৫ চনত স্বাক্ষৰ কৰা হয়। এই চুক্তিৰ দ্বাৰা তিৱা স্বায়ত্ত শাসিত পৰিষদ প্ৰতিষ্ঠা কৰা হৈছিল। এই পৰিষদত বৰ্তমান ৪০জন সদস্য আছে।

●●●

# মাই পখলা
## (মৰণা মৰা নৃত্য)

**চুম্পী দাস**
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

মাই পখলা অনুষ্ঠানটো তিৱা লোকসকলৰ মাজত চলি অহা পৰম্পৰাগত অনুষ্ঠান। তিৱা লোকসকলৰ মৰণা মৰা প্ৰক্ৰিয়াটোকে মাই পখলা বুলি কোৱা হয়। আজিৰ যান্ত্ৰিকতাৰ যুগতো ট্ৰেক্টৰ বা কোনো ধৰণৰ যান্ত্ৰিক মেচিন ব্যৱহাৰ নকৰি তিৱা লোকসকলে নিজৰ পৰম্পৰা ৰক্ষা কৰি লক্ষ্মীক আদৰাৰ প্ৰস্তুতি চলাই আহিছে মাই পখলা অনুষ্ঠানৰ দ্বাৰা। এই অনুষ্ঠানত পুৰুষ-মহিলা উভয়ে তিৱাসকলৰ পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি হাতত এডাল এডাল লাঠী লৈ মৰণা মৰা প্ৰক্ৰিয়াটো সম্পন্ন কৰে।

●●●

# জংকাং পূজা

**বন্দিতা দৈমাৰী**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

তিৱাসকলৰ অন্য এটা পূজা হ'ল জংকাং পূজা। পৰম্পৰাগতভাৱে বহাগ বিহুৰ পিছত এই পূজা অনুষ্ঠিত কৰা হয়। এই পূজাক ছংখং পূজা বুলিও কোৱা হয়। এই পূজাটি নকৰাকৈ কোনো লোকেও পথাৰত হাল বাব নাপায়। যদি কোনো ব্যক্তিয়ে এই নিয়ম ভংগ কৰে, তেওঁ সামাজিক ৰীতি-নীতি ভংগ কৰাৰ অপৰাধত জৰিমনা দিব লাগে। ছংখং পূজাত দুটা মতা কুকুৰা চৰাই আৰু দুজনী মাইকী চৰাই লাগে। সাতডাল লেকেচি বাঁহ কাটি শাৰী শাৰীকৈ পুতিব লাগে। বাঁহৰ খুঁটিৰ সন্মুখত লাউত মদ ৰখা হয়। তৰাপাত খিনিৰ সন্মুখত আৰৈ চাউল দিয়ে। এটা ৰূপৰ আঙঠিৰ ওপৰত চৰাই কণী এটা ৰখা হয়। পানী পৰা তুলসী দুৰবীৰে পানী ছটিয়াই দেউৰীয়ে সকলোকে শুদ্ধ কৰে। এনেদৰে পূজাভাগ আগবঢ়ায়।

●●●



# অসমীয়া লোক সংস্কৃতিত মাছৰ সৈতে জড়িত লোক বিশ্বাস

⏭ ভনীতা কোঁৱৰ
স্নাতক, চতুৰ্থ যাণ্মাসিক (কলা শাখা)

মাছ অসমীয়া লোক সমাজৰ এবিধ অন্যতম খাদ্য। সেইবাবেই অসমীয়া সাংস্কৃতিক জীৱনৰ লগত মাছ এৰাব নোৱৰাকৈ সাঙোৰ খাই আছে। মাছ খোৱা আৰু মাছ ধৰা অজস্ৰ জন বিশ্বাস আৰু অনুষ্ঠান অসমত প্ৰচলিত। কোনো বিশেষ ক্ষেত্ৰত অসমীয়া লোকসকলে মাছলৈ যোৱাৰ আগতে কিছুমান আচাৰ-অনুষ্ঠান পালন কৰে। চ'ত মাহৰ ভাল দিন এটা চাই আৰু মাঘ বিহুৰ উৰুকাৰ দিনা গোটেই ৰাইজে পুৰুষ-তিৰোতা, ল'ৰা-ছোৱালী আটায়ে আনুষ্ঠানিকভাৱে ওচৰৰ নৈ বা বিলত মাছ মাৰিবলৈ যায়। পানীত নমাৰ আগেয়ে পাৰত জলদেৱতাৰ নামত পূজা উছৰ্গা কৰে। জালত ভালদৰে মাছ পৰিবলৈ সেই পূজাত মন্ত্ৰাদিও উচ্চাৰণ কৰা হয়। মাছক মন্ত্ৰমুগ্ধ কৰা আৰু সৰহকৈ মাছ ধৰিব পৰা বহুতো অসমীয়া মন্ত্ৰ আছে।

জাল মৰাৰ বাহিৰেও অসমীয়া মানুহে মাছ ধৰাৰ নানা সঁজুলি ব্যৱহাৰ কৰে। চেপা, খোকা, জুলুকি, পল, দলঙা, ডিঙৰা, ভেৰ, পাউৰী, চৈক আদি সৰ্বসাধাৰণে ব্যৱহাৰ কৰা সঁজুলি। ইয়াৰ বেছিভাগেই বাঁহৰ কাঠীৰে সজা হয়। মাছ মৰা এই সঁজুলিবোৰৰ লগত বিবিধ বিশ্বাস জড়িত হৈ আছে। শনি বা মংগলবাৰে মকৰাৰ জালত লাগি ধৰা ফৰিং অথবা পোক-পৰুৱা মাছ জালত গাঁঠি ল'লে অধিক মাছ জালত উঠে বুলি কছাৰীসকলৰ বিশ্বাস। অসমীয়া বিয়াত জোৰণ বা তেল-ভাৰৰ দিনা জোৰণৰ কাপোৰ-কানি, আ-অলংকাৰ, তামোল-পাণ আদিৰ লগতে দৰাঘৰৰ পৰা মাছ এটাও দিব লাগে। শুভ কাৰ্যত মাছক পৱিত্ৰ বুলি ধৰা হয়।



●●●

# प्रतियोगी परीक्षाओं का बढ़ता दबाव और छात्र जीवन

⏭ **पूजा देवी**
सहायक प्राध्यापक, हिन्दी विभाग

**भुमिका**

आधुनिक भारत में प्रतियोगी परीक्षाएँ शिक्षा और करियर का एक अहम पड़ाव बन चुकी हैं। UPSC, SSC, बैंकिंग, रेलवे, NEET, JEE, CUET, NET राज्य स्तरीय परीक्षाएँ हैं जिनके माध्यम से लाखों छात्र अपने भविष्य को सुरक्षित करने का सपना देखते हैं। इन परीक्षाओं को सफलता की कुँजी माना जाने लगा है। परिणामसवरूप, प्रतियोगी परीक्षाओं का दबाव दिन-प्रतिदिन बढ़ता जा रहा है, जिसका सीधा प्रभाव छात्र जीवन पर पड़ रहा है। यह दबाव केवल पढ़ाई तक सीमित नहीं है, बल्कि मानसिक, सामाजिक, भावनात्मक और पारिवारिक स्तर पर भी छात्रों को प्रभावित कर रहा है।



**प्रतियोगी परीक्षाओं की बढ़ती संख्या और प्रतिस्पर्धा**

आज प्रतियोगी परीक्षाओं में उम्मीदवारों की संख्या लगातार बढ़ रही है, जबकि अवसर अपेक्षाकृत सीमित हैं। उदाहरण के लिए, एक ही पद के लिए लाखों आवेदन आते हैं और चयन कुछ सौ या कुछ हजार का ही होता है। इस असमानता ने प्रतिस्पर्धा के लिए एक ही पट के लिए आवेदन आते हैं और चयन कुछ सौ या कुछ हजार का ही होता है। इस असामनता ने प्रतिस्पर्धा को अत्यंत कठोर बना दिया है। हर छात्र खुद को दुसरों से बैहतर साबित करने की होड़ में लग जाता है। यह स्थिति छात्रों में भय, असुरक्षा और निरंतर (तनाव) को जन्म देती है।

**सफलता की सामाजिक परिभाषा और दबाव**

हमारे समाज में सफलता की एक संकीर्ण परिभाषा बन गई है। अच्छे अंक, प्रतिष्टित नौकरी और सरकारी सेवा को ही जीवन की सबसे बड़ी उपलब्धि माना जाता है। माता-पिता, रिश्तेदार और समाज अनजाने में ही छात्रों पर उपेक्षाओं का बोझ डाल देता हैं। "इस बार नहीं तो कभी नही" "इतनी मेहनत के बाद भी चयन नहीं हुआ?" जैसे वाक्य छात्रों की मानसिक स्थिति को गहराई से प्रभावित करते हैं। धीरे-धीरे छात्र यह मानने लगते हैं कि प्रतियोगी परीक्षा में सफलता ही उनके जीवन का मूल्य तय करेगी।

**कोचिंग संस्कृति का प्रभाव**

प्रतियोगी परीक्षाओं के बढ़ते दबाव के साथ-साथ कोचिंग संस्कृति का भी तेजी से विस्तार हुआ है। बड़े शरहो में कोचिंग सब विकसित हो गए हैं जहाँ छात्र वर्षो तक तैयारी करते हैं। कई बार छात्र स्कुल या कँालेज की पढ़ाइ से अधिक समय कोचिंग को देते हैं। लगातार टेस्ट, रैकिंग सिस्टम और तुलना की प्रक्रिया छात्रों को मानसिक रूप से थका देती है। जो छात्र अपेक्षित प्रदर्शन नही कर पाते, वे खुद को अयोग्य समझने लगते हैं, जिससे आत्मविश्वास में कमी आती है।

**मानसिक स्वास्थ्य पर प्रभाव**

प्रतियोगी परीक्षाओं का सबसे गंभीर प्रभाव छात्रों के मानसिक स्वास्थ्य पर पड़ता है। लगातार तनाव, चिंता, नींद की कमी, अवसाद और आत्मग्लानि जैसी समस्याएँ आम हो गई हैं। कई छात्र असफलता के डर से अपने मन की बात किसी से साझा नही कर पाते। कुछ मामलों में यह दबाव ईतना बढ़

जाता है कि छात्र आत्महत्या जैसे कठोर कदम उठा लेते हैं, जो हमारे समाज और शिक्षा व्यवस्था के लिए अत्यंत चिंताजनक है।

**शारीरिक स्वास्थ्य की अनदेखी**

लंबे समय तक पढ़ाई, अनियमित दिनचर्या और शारीरिक गतिविधियों की कमी से छात्रों का शारीरिक स्वास्थ्य भी प्रभावित होता है। सिरदर्द, आंखों में दर्द, पीठ दर्द, मोटापा या अत्यधिक कमजोरी जैसी समस्याएँ आम हो गई हैं। कई छात्र भोजन और नींद को प्राथमिकता नहीं दैते, जिससे उनका संपूर्ण स्वास्थ्य बिगड़ने लगता है। प्रतियोगी परीक्षा की तैयारी में शरीर और मन दोनों की उपेक्षा भविष्य में गंभीर समस्याओं को जन्म दे सकती है।

**सामाजिक जीवन का सीमित होना**

प्रतिगोगी परीक्षा की तैयारी के दौरान छात्र अक्सर अपने सामाजिक जीवन से कट जाते हैं। दोस्तों से मिलना-जुलना, पारिवारिक समारोहों में भाग लेना या मनोंरंजन के लिए समय निकालना उन्हे ''समय की बर्बदी'' लगने लगता है। धीरे-धीरे छात्र अकेलेपन का शिकार हो जाते हैं। यह सामाजिक अलगाव उनके व्यक्तित्व विकास में बाधा बनता है और भावनात्मक असंतुलन को बढ़ाता है।

**असफलता का भय और आत्मसम्मान**

प्रतियोगी परीक्षाओं में असफलता को हमारे समाज में नकारात्मक दृष्टि से देखा जाता है। जबकि असफलता सीखने की पक्रिया का स्वाभाविक हिस्सा है। बार-बार असफल होने पर छात्र खुद को दोषी मानने लगते हैं। उनका आत्मसम्मान गिरने लगता है और वे अपनी क्षमताओं पर संदेह करने लगते हैं। यह स्थिति उन्हें आगे प्रयास करने से भी रोक सकती है।

**आर्थिक दबाव**

प्रतिगोगी परीक्षा की तैयारी केवल मानसिक नहीं, बल्कि आर्थिक दबाव भी उत्पन्न करती है। कोचिंग फीस, अध्ययन सामग्री, रहने-खाने का खर्च ---ये सभी मध्यम और निम्न वर्गीय परिवारों के लिए बड़ा बोझ बन जाते हैं। छात्र इस आर्थिक निवेश का भार अपने कंधों पर महसूस करते हैं और सोचते हैं कि यदि वे सफल नहीं हुए तो परिवार की मेहनत व्यर्थ हो जाएगी। यह सोच दबाव को और बढ़ा देती है।

**छात्र जीवन का असंतुलन**

छात्र जीवन का अद्देश्य केवल परीक्षा पास करना नहीं, बल्कि समग्र विकास है। लेकिन प्रतियोगी परीक्षाओं के दबाव में छात्र रचनात्मकता, खेल, कला, साहित्य और सामाजिक गतिबिधियों से दूर हो जाते हैं। उनका जीवन एक सीमित दायरे में सिमट जाता है --- सिर्फ सिलेवस, टेस्ट और परिणाम। इससे उनका व्यक्तित्व एकांगी हो जाता है और जीवन के अन्य महत्वपूर्ण पहलु उपेक्षित रह जाते हैं।

**माता-पिता और शिक्षक की भुमिका**

प्रतियोगी परीक्षाओं के दबाव को संतुलित करने में माता-पिता और शिक्षकों की भूमिका अत्यंत महत्वपूर्ण है। माता-पिता को चाहिए कि वे बच्चों पर अपनी अधूरी इच्छाएँ न थोपें, बल्कि उनकी रूचियों और क्षमताओं को समझों। शिक्षको को भी केवल परिणाम पर नहीं, बल्कि प्रयास और सीख की पक्रिया पर ध्यान देना चाहिए। सकारात्मक मार्गदर्शन छात्रों में आत्मविश्वास पैदा कर सकता है।

**वैकल्पिक करियर विकल्पों की समझ**

आज के समय में करियर के अनेक विकल्प उपलब्ध हैं। केवल कुछ चुनिंदा प्रतियोगी परीक्षा को ही सफलता का मापदंड मानना उचित नहीं है। कौशल आधारित शिक्षा, उद्यमिता, शोध, कला, खेल और तकनीकी क्षेत्र में भी उज्ज्वल भविष्य संभव है। यदि छात्रों को प्रारंभ से ही विभिन्न विकल्पों की जानकारी दी जाए, तो प्रतियोगी परीक्षाओं का दबाव काफी हद तक कम हो सकता है।

**मानसिक स्वास्थ्य सहायता और परामर्श**

शिक्षण संस्थानों और कोचिंग केंद्रों में मानसिक स्वास्थ्य सहायता ओर परामर्श की व्यवस्था आवश्यक है। छात्रों को यह सिखाया जाना चाहिए कि तनाव से कैसे निपटें, समय प्रबंधन कैसे करें और असफलता को कैसे स्वीकार करें। खुला संवाद और सहयोगी वातावरण छात्रों को मानसिक रूप से मजबुत बना सकता है।

**निष्कर्ष**

प्रतियोगी परीक्षाएँ जीवन का एक महत्वपूर्ण हिस्सा हो सकती हैं, लेकिन वे जीवन का एकमात्र उद्देश्य नहीं होनी चाहिए। बढ़ता हुआ दबाव छात्र जीवन को असंतुलित कर रहा है, जिसका प्रभाव मानसिक, शारीरिक और सामाजिक स्तर पर स्पष्ट दिखाई दिखाई देता है। आवश्यकता इस बात की है कि हम शिक्षा और सफलता की परिभाषा को व्यापक बनाएँ। छात्रों को यह समझाना जरुरी है कि उनका मुल्य केवल परीक्षा परिणाम से नहीं तय होता। संतुलित दृष्टिकोण, सहायक वातावरण और सही मार्गदर्शन के माध्यम से ही हम प्रतियोगी परीक्षाओं के दबाव को कम कर सकते हैं और एक स्वस्थ, सकारात्मक तथा सशक्त छात्र जीवन का निर्माण कर सकते हैं।

●●●

# গল্প



কোনো এটা কাল্পনিক বা বাস্তৱ ঘটনাক কম সংখ্যক চৰিত্ৰৰ যোগেদি
এক নিৰ্দিষ্ট গতিৰে আগুৱাই নি
পাঠকৰ হৃদয়ত কৌতুহল, উৎকণ্ঠা আৰু আত্মতুষ্টি প্ৰদানেই
গল্পৰ মূল কথা...



Art by Abhijit Konwar



নৈখন ইমান মৰম লগা,
ইমান শান্ত, কিন্তু তাতেই
লুকাই আছে তেওঁৰ অতীত
যন্ত্ৰণা... অন্তৰৰ বেদনা... ।
কিছু সময় আগতে এই
পানীত নিজৰ মুখখনেই
দেখিছিল, কিন্তু এতিয়া
হয়তো সেই প্ৰতিচ্ছবিখনো
যেন পাহৰিব খুজিছে তাই।

## গল্প

# সেন্দুৰীয়া আবেলিৰ কথকতা

▸▸ **মৌচুমী হাজৰিকা**
প্ৰাক্তন ছাত্ৰী

সদায় অহাৰ দৰেই আজিও আহি নৈখনৰ পানী যুঁৱলীত প্ৰৱহমান জলৰাশিৰে উমলি থকা নাওখনত অনুসূয়া বহি পৰিল। এইখিনি তাইৰ একান্ত নিজৰ সময়। আচলতে দৈনন্দিন ব্যস্ততাৰ সময়ৰ কিছুপৰ সকলোৰে পৰা নিলগাই ৰাখি অকলে নিজক জানিব খোজে তাই। নীড়মুখী এইকণ মুহূৰ্ততে নাওখনত বহি তাই, তাই হৈ ৰোৱাৰ একান্ত বাসনাত নিমগ্ন হয়। প্ৰজ্ঞানৰ সৈতে পাৰ কৰা অতীতৰ মধুৰ স্মৃতিবোৰৰ মাজত নিজক নিমজ্জিত কৰাৰ প্ৰয়াস কৰে। সম্ভ্ৰান্ত ঘৰখনৰ উচ্চাত্মিকাৰ চিকাৰ হৈ হেৰুৱাবলগীয়া হোৱা তাইৰ সপোনবোৰৰ মাজত নিজক সন্ধান কৰে।

নাওখনত বহি থাকোঁতেই অনুসূয়াৰ ভাব হ'ল আজি তাই নিজকে আন দিনাতকৈ বেলেগ ধৰণে সন্ধান কৰাৰ চেষ্টা কৰিছে নেকি? নিজকে সুধিলে কালি মুখামুখি হোৱা এটা সৰু মুহূৰ্তৰ পিছৰে পৰা তাইক অলপ বেলেগ ভাৱনাই ঢৌৱাইছে নেকি...? তাই অনুমান কৰিলে, এই নৈখনে যেনেকৈ ইয়াৰ বুকু ভৰাই নীৰৱে বৈ গৈ আছে, জীৱনেও তেনেকৈয়ে সপোনবোৰক আগুৱাই নি থাকে। প্ৰৱহমান সময়ৰ সোঁতত বৈ যায় মাথোঁ কিছু স্মৃতি, আশা আৰু কিছু অভিমান, যি পানীৰ ঢৌৰ দৰে মনত দোদুল্যমান হৈ ৰয়।

আচলতে কালিৰ ঘটনাটো তাইৰ কাৰণে অত্যন্ত দ্বিধাগ্ৰস্ত হৈ পৰাৰ কথাই। পাৰ্থিৱৰ তাইৰ প্ৰতি আগ্ৰহখিনি আৰু কালি মুখামুখি হোৱা পৰিৱেশটোৱো যেন কোনোবাখিনি সময়ৰে কিছু স্মৃতিৰ অনুৰণন!

অফিচৰ কেণ্টিনৰ আবেলিৰ চাহ কাপৰ লগত বেলিৰ বৰণ এক হোৱাৰ মুহূৰ্তত তাইৰ হাতখন ধৰি, "...একেলগে বাটটি বুলিব খুজিছোঁ।" বুলি ক'ব পৰাৰ সাহসখিনি গোটাওঁতেই সহকৰ্মী পাৰ্থিৱৰ বহুদিন লাগিল।

কেণ্টিনৰ সেই মুহূৰ্তৰ কথা মনলৈ অহাত এক অজান অনুভৱৰ শিহৰণে জোকাৰি পেলালে তাইক!

পিছে আজি এইখিনি সময় তাই বেলেগৰ চিন্তাত নিমগ্ন হ'ব খোজা নাই। সূৰ্যাস্তৰ সমাহিত ৰশ্মিৰ আভা চকুৰে মুখে পৰি তাইক যেন আজি এক অজান পথলৈ আমন্ত্ৰণ জনাইছে।

পাৰ্থিৱ!... নামটোৰে এক শিহৰণ অনুভৱ কৰিলে তাই। গাটোত এক অপাৰ্থিৱ চেঁচা অনুভূতিয়ে ক্ৰিয়া কৰি উঠিল।

যোৱা ওঠৰ বছৰে বুকুত কঢ়িয়াই ফুৰিছে প্ৰজ্ঞানৰ সেই অপাৰ্থিৱ অনুভৱ। যোৱা ওঠৰ বছৰে তাইৰ এই নৈ যাত্ৰা কোনোদিনে এৰাখোৱা নাই।

সেই ওঠৰ বছৰ আগেয়ে প্ৰথম অনুভূতিৰে ক্ৰিয়া কৰা মুহূৰ্তত হোৱা বুকুখনৰ অনুভৱে আৰু কেতিয়াও তেনে ধৰণৰ ক্ৰিয়া কৰাৰ অৱকাশ নাই। আচলতে কাকোৰে ক্ৰিয়া কৰিবলৈ দিয়াও নাই তাই। সেই সময়খিনি কোনোবা এটা মুহূৰ্তৰ পৰা সেইখিনিতে বৈ গ'ল তাইৰ। মিঠা অনুভৱ কেতিয়ানো বিষ এটা হৈ তাইৰ সৈতে সহাৱস্থান কৰি গৈ থাকিল সেয়াও গম ধৰিব নোৱাৰিলে। মাথোঁ নিজক সামৰি গৈ থাকিল তাই।

...সপোনবোৰ জানোঁ তেনে হোৱাৰ কথা নাছিল?

... "সপোনবোৰ নো কেনে হোৱাৰ কথা আছিল?"

সংগোপনে তাইক অনুসৰণ কৰি নাওখনত তাইৰ কাষত বৈ থকা পাৰ্থিৱে সুধিছিল। পিছলৈ নোচোৱাকৈয়ে কৈছিল-

"ঠিক এই ৰান্ধনী বেলিৰ সেন্দুৰীয়া বৰণৰ দৰেই হোৱাৰ কথা আছিল। এই যে মোৰ শাৰীখন দেখিছা এইখনেই সেইখন শাৰী... যি এদিন মোৰ সূৰ্যাস্তৰ উপহাৰ আছিল। ৰঙা মিহলি গেৰুৱা বৰ পছন্দৰ আছিল তাৰ। মোৰ বুকুত সেন্দুৰী বৰণৰ সপোন এটি গুজি দিয়াৰ কথাৰে সপোনবোৰ হোৱাৰ কথা আছিল।"

'কথাবোৰ হৈছিল নে তেনে?' পাৰ্থিৱ যেন উদগ্ৰীৱ হৈ পৰিছে।

আমি সদায়েই ইয়ালৈ আহি বহাৰ কথা আছিল। মই সেই কথা ৰাখিলোঁ।"

"...আৰু তেওঁ...?

"প্ৰজ্ঞানেতো তেওঁৰ কথা আগেয়েই ৰাখিছিল। তেওঁ সদায়েই আহে।"

"আহে? ক'ত?" ... ক'লৈ আহে?"

"এয়া ..." বুকুখনৰ ভাঁজ লগা অংশটোলৈ শাৰীখনৰ সেন্দুৰী আঁচলটো বোঁৱাই দি কৈছিল তাই। বৰফ শীতল হাতখনেৰে পাৰ্থিৱৰ হাতখন আনি বুকুখনত লগাই দিছিল তাই।

জিকাৰ খাই উঠিছিল পাৰ্থিৱ!

বুকুখনো দেখোন তাইৰ হাতখনৰ দৰেই সমানেই চেঁচা! "সেইদিনা আমি দুয়ো এক হৈ পৰাৰ কথা আছিল। আৰু কথা মতেই এইখিনি যুঁৰলীতেই বৈ আছিলোঁহি। সম্ভ্ৰান্ত ঘৰখনৰ সম্ভ্ৰান্ত কথাবিলাকে বান্ধি ৰাখিব পৰা নাছিল মোক।"

"তেওঁ আহিল নে? আহিল নে তেওঁ?"

"আহিল ... পিছদিনা আহিল তেওঁ... বাতৰি কাকতৰ এটি ক্ষুদ্ৰ বাতৰি হৈ। আটাইতকৈ ৰহস্যৰ কথাটো কি আছিল জানা? যি সময়ত মই এইখিনিতে বৈ সন্মুখলৈ চাই চাই তেওঁলৈ বাট চাই আছিলোঁ, তেওঁ সন্মুখৰ সেই কঁহুৱাডৰাতেই মোলৈ চাই চাইয়ে বুকুখনৰ অন্তিমটো উশাহ এৰিছিল সম্ভ্ৰান্ত ঘৰৰ নিষ্ঠুৰতাৰ বলি হৈ। আৰু সেই অন্তিম উশাহৰ সংপৃক্ত বতাহখিনি ময়ো উশাহত উজাই আছিলোঁ অজানিতে। ... সেয়া আছিল সম্ভ্ৰান্ত ঘৰখনৰ সম্ভ্ৰান্ত সময়ৰ কথকতাৰ কথা।"

"সময়খিনি আজিও বৈ আছে তাতেই ...। আচলতে আমি সম্ভ্ৰমেৰে জীয়াই থকাৰ কথা আছিল যিহেতু... সেয়ে মই মোৰ কথা ৰাখিছোঁ। কথা এটা কওঁ নে?"

"কোৱা"।

"এই নাওখন পৰি ৰোৱা ঠাইখিনিতে তেওঁ এটি খবৰ হৈ পৰি ৰৈছিল পিছদিনা। নৈখনে তেওঁৰ তেজখিনি সামৰি লৈছিল। সম্ভ্ৰান্ত ঘৰখনত সেই খবৰৰ টুকুৰা এটাওটো কোনোপধ্যেই পৰাৰ অৱকাশ নাছিল!

...পিছে কুঁৱৰীয়ে জানো প্ৰিয়জনৰ খবৰ পোৱা নাছিল! ভজনকাকাৰ সেইদিনা ভাতসাঁজ লঘোন আছিল। চকুহাল নমনীয় হৈ আছিল। জোৰকৈ সোধোতেহে ....

একেই সেন্দুৰী আবেলিয়ে আছিল তেতিয়া। সেইদিনা নৈৰ পানী যুঁৰলিত গিজখাই থকা মানুহৰ ভিৰ ফালি সোমাবলৈ ভজনকাকাই লৈ নোযোৱা হ'লে ...

সম্ভ্ৰান্ত ঘৰখন সেইদিনাই ত্যাগ কৰি আহিছিলোঁ লগত আছিল ভজনকাকা। ঘৰখনৰ কোনেও বিচাৰি অহা নাছিল"।

নাওখনৰ দাঁতিত বহি অনুসূয়াই ভাবিলে---"কেতিয়াবা মানুহে যাক নিজৰ বুলি ভাবে, সিহঁত আচলতে সময়ৰ সৈতে আঁতৰি যায়।"

সান্ধ্য গধূলিৰ কোমল বতাহে অনুসূয়াৰ কঁকালত পৰি থকা শাৰীখনৰ আঁচলটো পানীলৈ বোঁৱাই নিলে। যেন পানীখিনিৰে একাত্ম হোৱাৰ এটা প্ৰয়াস...।

...নৈখন ইমান মৰম লগা, ইমান শান্ত, কিন্তু তাতেই লুকাই আছে তেওঁৰ অতীত যন্ত্ৰণা, অন্তৰৰ বেদনা...।

কিছু সময় আগেয়ে এই পানীত নিজৰ মুখখনেই দেখিছিল, কিন্তু এতিয়া সেই প্ৰতিচ্ছবিখনো যেন পাহৰিব খুজিছে তাই।

নাই, এনেকৈ বিস্মৃতি হ'বলৈ পাৰ্থিৱ অহা নাই! ভালপোৱা, প্ৰেম, ভাল লগা এই সকলোৰে উৰ্দ্ধত অনুসূয়ালৈ অহা তাৰ এই অনুভৱক এটা বাস্তৱ ৰূপ দিব খুজিছে পাৰ্থিৱে। ইমান বছৰে তাই নিজক সামৰি নীৰৱে অকলে আগবাঢ়িছিল। এতিয়া সি তাইৰ বাটটো পুনৰ সেন্দুৰীয়া কৰিব খুজিছে।

নৈৰ পানীত সূৰ্যটো ধীৰে ধীৰে বিলীন হ'বলৈ ধৰিছে। ঠিক যেন অনুসূয়াৰ চকুলোও পানীৰ সৈতে মিলি গৈ আছে। কিন্তু জীৱন নৈৰ দৰে, সোঁতত আগবাঢ়ি যাবই লাগিব।

...পাৰ্থিৱে অনুসূয়াৰ হাতখন আলফুলকৈ মুঠিয়াই ধৰিলে। কেৰেছিয়াকৈ আঙুলিকেইটাৰে ইটোৱে সিটোৰ ভাঁজত সোমাই পৰিল।

অনুসূয়াই আজি একো নকৰাকৈ বহি থাকিল। হাতখন এৰুৱাই দিয়াৰ প্ৰয়াস আজি আৰু নকৰিলে তাই। প্ৰজ্ঞানৰ সুগন্ধি আজি তাইৰ বুকুত উজাই ল'লে। শেষ বাৰৰ বাবে... পিছফালে থাকি আহিল অতীতৰ তেজৰঙা এটি আবেলি।

...আগত যেন এটি নতুন সূৰ্যোদয়ৰ সেন্দুৰীয়া আশা...।

●●●

# গল্প

নৈখনে এতিয়া যৌৱন হেৰুৱাইছে -- শীৰ্ণকাই। চাপৰিৰ মাজে মাজে জিৰ্ জিৰকৈ পানী বাগৰিছে। উদং বুকু। নাই তাহানিৰ মেটেকা-জাঁজী। পথাৰখন সৰু হ'ল। আশে-পাশে কেইবাটাও নতুনকৈ বন্ধা ঘৰ। আঁহতজোপা এতিয়াও আছে। গাত শীতৰ আঁচোৰ। এটা-দুটা হালধীয়া পাত সৰি আহি মোৰ গাতে পৰিল। অনুভৱত দুহাত মেলি মই লাহে লাহে বেলি লহিওৱাৰ পৰত উদং পথাৰেৰে খোজ দিলোঁ। এক অনিশ্চিত যাত্ৰা, অশান্ত মন। ক'লৈ যাম। ক'ত শান্তি বিচাৰি পাম।

# পোতাশ্ৰয়


**⏭ ড° নিশিগন্ধা তালুকদাৰ**
প্ৰাক্তন ছাত্ৰী


চাওঁতে চাওঁতে ৰ'দৰ উত্তাপ ক্ৰমশঃ বাঢ়ি আহিল। দহ বাজিবৰ হ'ল। ফেব্ৰুৱাৰী মাহৰ ৰ'দ-- অলপ চোকা। পুখুৰীটোৰ পাৰৰ বেঞ্চ এখনত বৰুৱা ছাৰ আৰু দত্ত ছাৰ বহি আছে। নিশ্চুপ। কিমান সময় এনেকৈ বহি আছে নিজেই নাজানে। হঠাৎ পুখুৰীটোলৈ বৰুৱা ছাৰে দলি এটা মাৰি নিস্তব্ধতা ভংগ কৰি ক'লে, "বুজিছ শান্তনু। (শান্তনু মানে শান্তনু দত্ত, ইংৰাজী বিভাগৰ অধ্যাপক) বহু দিন আগেয়ে কবিতা এটা পঢ়িছিলোঁ -- কাৰ কিন্তু আজি মোৰ মনত নাই। কোনো বিখ্যাত কবিও নহয়। আলোচনীৰ পাতত পোৱা এটি সৰু কবিতা।" দত্ত ছাৰে বৰুৱা ছাৰৰ চকুলৈ চালে --

বতাহত দোঁ খাই আহিছে ফাগুন
মৰ্মৰ ধ্বনি পলাশ বনত
থোপা থোপে সৰে শিমলু-পলাশ
মুখত আবিৰ সানি গুচি যায় পছোৱা
দুহাতেৰে মুখ ঢাকি ভাবোঁ
উলংগ যাতনাত প্ৰাণৰ মমতা।
নাঙলৰ সীৰলুত পুনৰ গজেনে
সৃষ্টিৰ কঠীয়া।

'কবিতাটো আজি মোৰ বৰ প্ৰাসংগিক যেন লাগিছে। ভৰালী ছাৰ যোৱা কথাটো মই দেখোন ভাবিবই নোৱাৰোঁ। আমাৰ বাবে এক বিৰাট শূন্যতা। আজি বিদায় সভা।'




লাহে লাহে কলেজৰ প্ৰায় সকলো ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা গোট খাইছে। গেটৰ মুখত কলপুলি, ফুলৰ মালা। ১১ বজাত সভা। আয়োজন ঠিকেই চলিছে। মাথোঁ কাৰো মুখত হাঁহি-মাত নাই। পৰিৱেশ সামান্য গোমা।

কলিতা ছাৰে ব্যস্তভাৱে ইফালে-সিফালে ঘূৰি ফুৰিছে। ইজনে সিজনক কামৰ নিৰ্দেশ দিছে। লগত দীপালী বাইদেউ আৰু বৰকটকী ছাৰ। নবীন শইকীয়া আৰু চিত্তৰঞ্জন হাজৰিকাই ইতিমধ্যে ছাৰক আনিবলৈ গৈছে। অডিট'ৰিয়ামৰ গ্ৰীণ ৰুমত তেতিয়া গীতৰ আখৰাত ব্যস্ত মালাকাৰ ছাৰৰ সৈতে কেইগৰাকীমান ছাত্ৰ-ছাত্ৰী। সভালৈ আৰু এঘন্টা বাকী। বেলিটো মূৰৰ ওপৰত। বৰকটকী ছাৰে ল'ৰা-ছোৱালীখিনিক ৰাস্তাৰ দুয়োকাষে শাৰী পাতিবলৈ ক'লে। সিহঁতৰ হাতত ফুলৰ থোপা। আৰ্টছ বিল্ডিঙৰ বাৰাণ্ডাৰ এচুকত ৰামু নিশ্চুপ হৈ বহি আছে। পৰাহেঁতেন সি হুক্‌হুকাই কান্দিলে হয়।

ভৰালী ছাৰ মানে পলাশগুৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ চন্দ্ৰজ্যোতি ভৰালী। তেত্ৰিশ বছৰ চাকৰি কৰাৰ পাছত আজি যাবগৈ আমাৰ মাজৰ পৰা। অকল প্ৰতিষ্ঠাপক অধ্যক্ষ বুলি ক'লেই মহাবিদ্যালয়ৰ প্ৰতি থকা তেখেতৰ কৰ্তব্য আৰু নিষ্ঠাক সীমিত কৰা হ'ব। বহুজনৰ ভাষাত ক'বলৈ হ'লে পলাশগুৰি মহাবিদ্যালয় আৰু চন্দ্ৰজ্যোতি ভৰালী বা চন্দ্ৰজ্যোতি ভৰালী আৰু পলাশগুৰি মহাবিদ্যালয়। অধ্যক্ষ ভৰালী ছাৰ মহাবিদ্যালয়খনৰ এজন অধ্যক্ষই নহয়, তেওঁ এটি অনুষ্ঠান। ঘূৰণীয়া মুখ, দীঘল নাক, বগা ৰংটোৰ সৈতে ভৰালী ছাৰক মই লগ পাইছিলোঁ আজিৰ পৰা দহ বছৰ আগেয়ে এইখন মহাবিদ্যালয়তে। ছাৰে আমাক মাজে মাজে ইংৰাজী পঢ়ুৱাইছিল। 'টু এ স্কাইলাৰ্ক' কবিতাটো পঢ়ুৱাওঁতে ছাৰৰ কথনভংগীত, প্ৰকাশভংগীত মই ইমানে তন্ময় হৈছিলোঁ যে মনটোৱে চোঁ মাৰি ক্লাছৰ পৰা উৰা মাৰিছিল আকাশৰ বহু ওপৰলৈ। ভৰালী ছাৰ আছিল আমাৰ অভিভাৱক, পথ প্ৰদৰ্শক। এবাৰ শিক্ষক দিৱসত ডিপাৰ্টমেন্টেল মিটিঙত মই গোৱা কবিতা এটা শুনি ছাৰে পাছদিনাই মোক তেখেতৰ কোঠালৈ মাতি নি কৈছিল -- "নিশি, কালি তোমাৰ কবিতাটো মই ভাল পাইছোঁ। মই ভাবোঁ, কবিতাত তুমি কৃতকাৰ্যতা লাভ পৰিব পাৰিবা। চেষ্টা কৰা।" ভৰালী ছাৰৰ কথাষাৰে মোৰ বাৰে বাৰে ভবাই তুলিছিল। ভিতৰে ভিতৰে পুলকিতও হৈছিলোঁ, ভয়ো লাগিছিল -- সঁচাকৈ হ'ব পাৰিমনে! তাৰ পাছত মহাবিদ্যালয়ৰ আলোচনীত মোৰ এটি কবিতা প্ৰকাশ পালে --

চন পৰা মাটিত মুখ গুঁজি
গোটেই ৰাতি সপোন দেখে সিহঁতে
ৰাতি পুৱালে বৰষুণ আহিব এজাক
উৰুখা পঁজাৰে মজিয়ালৈ নামি আহিব
সোণালী শস্যৰ বাট।

পাছত ভৰালী ছাৰৰ কথামতে মই এইখন মহাবিদ্যালয়তে শিক্ষকতা কৰিবলৈ আৰম্ভ কৰোঁ। কথাখিনি ভাবি তন্ময় হৈ থাকোঁতে পিছফালৰ পৰা কলিতা ছাৰে মাত দিলে -- "কি কৰি আছাহে নিশি, অকলে অকলে।"

"নাই মানে ছাৰ -- এনেয়ে।" (কলিতা ছাৰ আমাৰ মহাবিদ্যালয়ৰ এজন জ্যেষ্ঠ অধ্যাপক, ভৰালী ছাৰৰ পিছতে। আমাক পঢ়ুৱাইছিল।)

"এনেয়ে মানে -- ১০ বাজি গ'ল। এঘাৰ বজাত সভা। এতিয়াও যা-যোগাৰবিলাক সম্পূৰ্ণ হোৱাই নাই। কিতাপখিনি আহি পোৱাই নাই। সৌৱা মালাকাৰে ল'ৰা-ছোৱালীক গান শিকায়েই আছে। মৰাৰ সময়ত মকৰধ্বজ। ইফালে বৰুৱা আৰু দত্ত বা ক'ত আছে?"

"ছাৰ, পুখুৰীৰ পাৰত।"

"কিয়? পুখুৰীৰ পাৰত বহি আছে কিয়? কিবা কবিতা-চবিতা লিখি আছে নেকি? কাৰো যেন একো দায়িত্বই নাই।" কলিতা ছাৰে ভোৰভোৰাই পুখুৰীৰ পাৰলৈ খোজ দিলে। ছাৰক দেখি দত্ত আৰু বৰুৱা ছাৰ থিয় হ'ল। কলিতা ছাৰৰ মুখ দেখিয়েই গম পালে ছাৰৰ খং উঠিছে -- "আমি ছাৰ যাবলৈ ওলাইছোৱেই।"

"নালাগে বহি থাকা।" খঙত ছাৰৰ মুখখন ৰঙা পৰিল। "অ'ত ত'ত মানুহবিলাক পিয়াপি দি ফুৰিলে মিটিংখন হ'ব কেনেকৈ? কাৰো যেন একো কৰিবলগীয়া নাই। সিফালে চন্দনা-পূৰবীও কেন্টিনত। দুদিন পাছত ইয়াৰ পৰা ময়ো যাম। কষ্ট পোৱা যদি মোক বিদায় দিব নালাগেহে।" কলিতা ছাৰৰ খং দেখি দত্ত আৰু বৰুৱা ছাৰে তলমূৰ কৰিলে। ফেব্ৰুৱাৰী মাহৰ এজাক পছোৱা বতাহে তেওঁলোকক কোবাই গ'ল। তাৰ মাজতে আখৰাৰ পৰা ভাহি আহিল গীতৰ সুৰ। অধ্যাপক-অধ্যাপিকাসকল এখোজ-দুখোজকৈ মহাবিদ্যালয়ৰ গে'টৰ মুখলৈ আগবাঢ়িল। সময়বোৰ দ্ৰুতগতিত পাৰ হ'ল। ১০-৪৫, ১১-১৫, ১১-৩০ মিনিট -- অসহ্য হৈ ঘড়ীটোলৈ কলিতা ছাৰে, আকৌ এবাৰ চালে -- "কি হ'ল ইমান পলম কৰিছে কিয়? ভৰালীক আনিবলৈ গৈ চিত্তৰঞ্জন আৰু নবীনৰো দেখোন একো খবৰ নাই। শাৰীত থিয় থৈ থকা ল'ৰা-ছোৱালী দুই-চাৰিয়ে অসহ্য হৈ উচ্‌পিচাবলৈ ধৰিলে। মহাবিদ্যালয়ৰ পৰা কিছু দূৰত ভৰালী ছাৰৰ ঘৰ। লগত বন কৰা ল'ৰা মধু। ছাৰৰ বাইদেউ ঢুকোৱা আজি প্ৰায় পোন্ধৰ বছৰেই হ'ল। ল'ৰা-ছোৱালী দুটা বাংগালোৰ আৰু পুণেত থাকে। হঠাৎ গাড়ী এখন আহি কলিতা ছাৰৰ ওচৰত ৰ'ল। গাড়ীৰ পৰা নামিয়েই নবীন শইকীয়াই কলিতা ছাৰক কিবা

এটা ক'লে। বাকী অধ্যাপকসকলো নবীন শইকীয়া আৰু চিত্তৰঞ্জন হাজৰিকাৰ কাষ চাপিল। কথাখিনি ইকাণ-সিকাণকৈ বাগৰি গ'ল। অস্পষ্ট কথাবোৰ গুঞ্জন হৈ বতাহত ঘূৰি ফুৰিবলৈ ধৰিলে মহাবিদ্যালয়ৰ কেম্পাছত। অ'ত ত'ত সিঁচৰতি হৈ থকা ছাত্ৰ-ছাত্ৰী, অধ্যাপকসকলেও কলিতা ছাৰৰ ওচৰত জুম বান্ধিলে। এতিয়া সকলোৰে চকুত উদ্বিগ্নতা। জুমৰ মাজৰ পৰা কলিতা ছাৰে ডাঙৰকৈ ক'লে, "কিন্তু গ'ল ক'লৈ?"

চিত্তৰঞ্জন হাজৰিকাই ক'লে, "ছাৰে কালিয়েই গাড়ীখন লৈ যি ওলাই গৈছে এতিয়াও ঘূৰি অহা নাই। বন কৰা ল'ৰা মধুও নাই।"

"ফোন কৰিছে নে নাই।" -- বৰুৱা ছাৰে সুধিলে।

"ছুইচ্ অফ্।" -- চিত্তৰঞ্জন হাজৰিকাৰ কথাত সকলো চিন্তিত হ'ল। ক'লৈ যাব পাৰে একো খবৰ নিদিয়াকৈ।

"ক'লৈ যাব আৰু, গুৱাহাটীলৈ গৈছে চাগে। মিটিং আছে বুলি তেখেতে নাজানে নেকি? তেওঁৰে যদি গুৰুত্ব নাই, আমাৰ কি গৰজ পৰিছে।"

"ৰ'বহে অলপ, মনে মনে থাককচোন।" কলিতা ছাৰৰ ধমক শুনি বৰা ছাৰে দুগুণ জোৰেৰে ক'লে, কিয় মনে মনে থাকিম? কিয় মনে মনে থাকিম? আপোনালোকৰ মনততো ভৰালী ছাৰ ভগৱান। চান্স পোৱা হ'লে আমিও এনেকুৱা মহাবিদ্যালয় গঢ়িলোঁ হয়। অ', মই কিন্তু ইয়াত থকাত নাই। আহিলোঁ।' কথাখিনি কৈয়ে খঙত ছাৰ ফোঁ-ফোঁৱাই আঁতৰি গ'ল। বৰা ছাৰৰ কথাখিনিয়ে কাৰ মনত কেনেকুৱা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে তাক ধৰিব নোৱাৰি যদিও পৰিৱেশটো কিন্তু অলপ সময়ৰ কাৰণে গোমা হৈ পৰিল। কোনেও একো ভাবি উলিয়াব পৰা নাই। কি কৰিব এতিয়া...।

সময় আগ বাঢ়ি গৈ থাকিল। পশ্চিমৰ বেলিটো পাহাৰৰ কাষেৰে নামি জিৰণি ল'বলৈ আৰু মাথোঁ অলপ সময়হে বাকী। গেটৰ মুখ, অডিট'ৰিয়াম, পুখুৰীৰ পাৰ সকলোতে নিস্তব্ধতা। ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাসকল ইতিমধ্যে ঘৰা-ঘৰি গ'ল। পৰিভ্ৰমী চৰাইৰ দৰে ভাগৰুৱা দেহ লৈ অলস হৈ বহি আছে কলিতা ছাৰ, বৰকটকী ছাৰ, দীপালী বাইদেউ অসমীয়া বিভাগত। মই ওচৰলৈ গৈ ছাৰক সুধিলোঁ, "চাহ একাপ খাব নেকি? খায় যদি বনাই দিওঁ।"

কলিতা ছাৰে ক'লে, "নালাগে।"

লাহে লাহে এন্ধাৰ নামি আহিল। সেই মুহূৰ্তত বৰুৱা ছাৰ আৰু দত্ত ছাৰো বিভাগলৈ সোমাই আহিল। "মধুক পালোঁ। তাৰ হাততে ছাৰে এখন চিঠি দিছে আপোনালৈ।" -- এইবুলি বৰুৱা ছাৰে কলিতা ছাৰলৈ চিঠিখন আগবঢ়াই দিলে। ছাৰে খপ্‌জপ্‌কৈ চিঠিখন লৈ পঢ়াত লাগিল।

শ্ৰদ্ধেয় কলিতা,

নমস্কাৰ ল'ব। বহু চেষ্টা কৰিও মই আজি বিদায় সভাখনলৈ যাব নোৱাৰিলোঁ। তাৰ বাবে আপোনালোকে মোক ক্ষমা কৰি দিব। আচলতে কি জানে আজি কেইবাদিনো ধৰি মই নিজৰ মনৰ লগত যুঁজিছোঁ। মহাবিদ্যালয়খনৰ লগত মোৰ দীৰ্ঘ জীৱনৰ আত্মীয়তাৰ বিচ্ছেদত ছট্‌ফটাইছোঁ। অশান্ত মনটোৱে শান্তি বিচাৰি হাবাথুৰি খাইছে। বাৰে বাৰে মনলৈ প্ৰশ্ন আহিছে -- "শান্তি মই ক'ত পাম।" সেয়ে মই আপোনালোকক কাকো নজনোৱাকৈ কালি দুপৰীয়া মোৰ বাল্যকালৰ গৰখীয়া পাহাৰটোলৈ গ'লো। মনৰ ভিতৰতে আকুহি-বাকুহি বিচাৰিলোঁ যদু, দীন, ৰমেন আৰু অকণহঁতক। মোৰ মনটো উৰি গ'ল আঢ়ৈ কুৰি বছৰ পুৰণি তাহানিৰ দিনলৈ। ইয়াতেতো খেলিছিলোঁ আমি শৈশৱৰ লুকা-ভাকু, কাতিৰ কাঁচিয়লি ৰ'দ লৈছিলোঁ আৰু পথাৰত ৰবাব টেঙাৰ সোৱাদ।

আকাশৰ শুকুলা মেঘৰ ছাঁত আঘোণৰ পথাৰত লখিমী আদৰিছিলোঁ ইয়াতে। নৈখনে এতিয়া যৌৱন হেৰুৱাইছে -- শীৰ্ণকাই। চাপৰিৰ মাজে মাজে জিৰ্ জিৰকৈ পানী বাগৰিছে। উদং বুকু। নাই তাহানিৰ মেটেকা-জাঁজী। পথাৰখন সৰু হ'ল। আশে-পাশে কেইবাটাও নতুনকৈ বন্ধা ঘৰ। আঁহতজোপা এতিয়াও আছে। গাত শীতৰ আঁচোৰ। এটা-দুটা হালধীয়া পাত সৰি আহি মোৰ গাতে পৰিল। অনুভৱত দুহাত মেলি মই লাহে লাহে বেলি লহিওৱাৰ পৰত উদং পথাৰেৰে খোজ দিলোঁ। এক অনিশ্চিত যাত্ৰা, অশান্ত মন। ক'লৈ যাম; ক'ত শান্তি বিচাৰি পাম! সন্ধিয়া ভনীজনীৰ ঘৰলৈ গ'লোঁ। বৰ জোৰকৈ ধৰিছিল তাই ৰাতিটো থাকিবলৈ। নাথাকিলোঁ। পুৱা দোকমোকালিতে এওঁ, মানে জানকীৰ ওচৰত থিয় হ'লোঁ। সূৰ্যটো তেতিয়া পূব আকাশত উদয় হৈছে ৰক্তিম হৈ। সমাধিৰ কাষত থিয় হৈ মই ক'লোঁ, "মোৰ চাকৰিৰ কাল শেষ হ'ল জানকী। আজি বিদায় সভা।"

চিঠিখন পঢ়ি থকাৰ মাজতে দত্ত ছাৰে মাত লগালে -- "যি হ'লেও ছাৰে কিন্তু এনেকৈ আঁতৰি যাব নালাগিছিল। এইটোতো আমাৰ জীৱনৰ গতানুগতিক প্ৰক্ৰিয়া। আজি তেখেত গৈছে, কাইলৈ কলিতা ছাৰ যাব আৰু এদিন আমিও যাম।"

দত্ত ছাৰৰ কথাত বৰকটকী ছাৰৰ খং উঠিল, "তোৰ-

মোৰ বিদায়ৰ লগত ছাৰৰ বিদায়ৰ তুলনা নকৰিবি। আমি ইয়াত চাকৰি কৰিছোঁ। কেতিয়াবা প্ৰয়োজনৰ তাগিদাত মহাবিদ্যালয়খনলৈ সহায়ৰ হাত আগবঢ়াইছোঁ। কিন্তু ভৰালী ছাৰে পলাশগুৰিৰ দৰে এখন পিছপৰা ঠাইত মহাবিদ্যালয় গঢ়িবলৈ আহি জীৱনৰ প্ৰায় তেত্ৰিশটা বছৰে দেহ-মন উছৰ্গা কৰিলে। শূন্যৰ পৰা আৰম্ভ কৰা মহাবিদ্যালয়খনৰ আজি ৰূপ চা। আজিতো পলাশগুৰি মহাবিদ্যালয় বহুতৰে গৌৰৱ, বহুতৰে ঈৰ্ষাৰ অনুষ্ঠান।"

"মহাবিদ্যালয়খন ভেন্সাৰ অৱস্থাত ময়ো ভৰালী ছাৰৰ লগত বহু দিন ঘূৰিছোঁ।" -- হাতৰ চোলাৰ বুটাম দুটা মাৰি মাৰি এইবাৰ কলিতা ছাৰে আৰম্ভ কৰিলে। -- "এবাৰতো চান্দা বিচাৰি গৈ অৰঙে-দৰঙে ঘূৰি ফুৰোঁতে দুদিন-দুৰাতি পাৰ কৰিলোঁ। ইফালে ঘৰত হাহাকাৰ। মই তেতিয়া বিয়া পতা নাছিলোঁ। ভৰালীৰ ঘৰতো কন্দা-কটা। তেতিয়াতো আজিকালিৰ দৰে ফোনৰ ব্যৱস্থা নাছিল। আৰু এবাৰ মাঘৰ বিহুৰ সময়ত আমাক পইচা দিব নোৱাৰি ভৰালীৰ চকু দুটা সেমেকিছিল। কেতিয়াবা তেখেতৰ মানুহজনীৰ সাঁচতীয়া ধনকেইটা আনি আমাক বিশ-পঁচিশ টকাকৈ গুঁজি দি কৈছিল, "পৰাহ'লে মই আপোনালোকক .... নাই, নালাগে দিয়ক। আপোনালোক আছে, মহাবিদ্যালয়খনৰ হৈ চৰম ত্যাগ কৰিছে। তাকতো মই প্ৰশংসাৰে পূৰাব নোৱাৰোঁ আৰু প্ৰশংসা কৰি আপোনালোকক লঘু কৰিবও নিবিচাৰোঁ।" ভৰালীৰ কথাবোৰ শুনি শ্ৰদ্ধাত আমাৰ মূৰ দোঁ খাইছিল। কথাখিনি শেষ কৰিয়ে কলিতা ছাৰে পুনৰ চিঠিখন আৰম্ভ কৰিলে -- "জানকীৰ সহযোগ মই সকলো সময়তে পাইছিলোঁ যদিও কেতিয়াবা কেতিয়াবা তেওঁ কিন্তু মোৰ কাৰ্যত বিৰক্ত হৈছিল, অভিযোগ কৰিছিল। মই হেনো ঘৰখনলৈ একেবাৰে পিঠি দিছোঁ, ল'ৰা-ছোৱালীহালৰ পঢ়াৰ কথা চিন্তা নকৰা হৈছোঁ। মাজে মাজে আক্ষেপ কৰিছিল এখন চৰকাৰী মহাবিদ্যালয়ৰ চাকৰি এৰি অহাৰ বাবে। আফ্চোচ কৰিবই দিয়কচোন -- বিহু বুলিও এযোৰ ভাল কাপোৰ তেওঁক দিব নোৱাৰিছিলোঁ। লাজতে বহু বিয়া-সভালৈ নগৈছিল। কেতিয়াবা ধেমালিতে কৈছিলোঁ -- "সাজ-পোছাক লৈ কিয় ইমান আক্ষেপ কৰাহে? আফ্টাৰ অল তুমিতো প্ৰিন্সিপালৰ পত্নী। সেইটো জানো তোমাৰ বাবে ডাঙৰ অলংকাৰ নহয়।"

"হৈছে হৈছে, আপুনি মোক ঠাট্টা কৰিব নালাগে। কথাৰে যে আপুনি মানুহক মুহিব পাৰে সেই কথা সকলোৱে জানে।"

আপুনিতো জানে কলিতা, মহাবিদ্যালয়খন ভেন্সাৰ হৈ থকা অৱস্থাত পাৰ কৰা দুৰ্যোগবোৰৰ কথা। আগেয়ে অভাৱ-অনাটন আছিল ব্যক্তিগত। কিন্তু এতিয়া ঘৰখন, মহাবিদ্যালয়ৰ প্ৰত্যেকটো পৰিয়ালৰ অভাৱৰ মই স্বত্বাধিকাৰী হ'লোঁ। কেতিয়াবা ল'ৰা-ছোৱালীৰ বহিবলৈ ঠাই নাই। কি কৰিম? বেণুধৰ ডেকাক লৈ মেধি, হালৈহঁতৰ ঘৰে ঘৰে ঘূৰি ফুৰোঁ টিনপাত, ডেক্স-বেঞ্চ বিচাৰি। তথাপি মনটো ভাগি পৰা নাছিল। সন্মুখত এক দুৰ্বাৰ সপোন। যিকোনো উপায়েৰে মহাবিদ্যালয়খন গঢ়িম। লগত সাৰথি বেণুধৰ ডেকা, সহযোগ পাইছিলোঁ আপোনালোকৰ দৰে কেইজনমান ব্যক্তিৰ। পলাশগুৰিৰ কিছুসংখ্যক ব্যক্তিয়ে মহাবিদ্যালয়খন গঢ়াত যথেষ্ট সহায়ো কৰিছিল। কেতিয়াবা কেতিয়াবা জানকীৰ ভাগি পৰা মনটোক মই সান্ত্বনা দিছিলোঁ। তুমি ভাগি পৰিলে মই কেনেকৈ মহাবিদ্যালয়খন গঢ়িম। তেওঁ মোৰ দুখ বুজি পাইছিল। বহু সময়ত নিজৰ দুখবোৰ পাতলাই ৰাখি মোক আগবাঢ়ি যোৱাৰ সাহস দিছিল -- 'আপুনি আগবাঢ়ি গৈ থাকক। এদিন হ'লেও ভগৱানে চকু মেলি চাব নহয়...।'

বুজিছে কলিতা, এজন সাধাৰণ খেতিয়কৰ ল'ৰা মই। অভাৱ-অনাটনৰ মাজেৰে পিতায়ে আমাক ডাঙৰ কৰিছিল। ঘৰৰ শাক-পাচলি, ভঁৰালৰ ধান, গুৰ বিক্ৰী কৰি পঢ়িছিলোঁ।

কিন্তু যুদ্ধততো সেনাপতি হৈ
পিছ হুঁহকি থাকিলে নহ'ব
বহু দিন বহু ৰাতি দাইল ভাতৰ খিচিৰি খাই
ঘূৰি ফুৰোঁ
পলাশগুৰিৰ অলিয়ে-গলিয়ে
ভাগৰুৱা দেহেৰে এপলক জিৰণি লওঁ
তাৰ পাছত ৰামুৰ হাতৰ একাপ চাহ খাই
আৰম্ভ কৰোঁ -- প্ৰাত্যহিক যাত্ৰা
সন্মুখত এক বিশাল অৰণ্য

তথাপি দৌৰে মোৰ ঘোঁৰা -- হাবি ফালি অদম্য উৎসাহ। এদিন আমাৰ মহাবিদ্যালয়খন চৰকাৰে গ্ৰহণ কৰিলে। আমি যেন পাৰ বিচাৰি পালোঁ। মনত পৰেনে কলিতা, সিদিনা গধূলি আপুনি, মই, মেধি, বেণুধৰ ডেকা আৰু দুই-চাৰিজন বহু ৰাতিলৈকে মহাবিদ্যালয়ত বহিছিলোঁ। শাওণৰ পথাৰৰ দৰে জীপাল হৈছিল প্ৰত্যেকৰে মুখবোৰ। তথাপি কিন্তু সন্তুষ্ট হ'ব পৰা নাছিলোঁ। এখন ভাল মহাবিদ্যালয়, আশ্ৰম আশ্ৰম যেন লগা এক পৰিৱেশ, নতুন নতুন বিভাগ, বহুতো ল'ৰা-ছোৱালী, গাৰ্লছ হোষ্টেল, বয়জ হোষ্টেল, এটি সুন্দৰ অডিট'ৰিয়াম,

লাইব্ৰেৰী আৰু যে কিমান কি...! মোৰ সপোন অকল অসমৰ ভিতৰতে নহয়, পলাশগুৰি মহাবিদ্যালয়ে ভাৰতৰ, বিশ্বৰ ভিতৰতে স্থান পাওঁক। তাৰ বাবে যদি প্ৰয়োজন হয় মোৰ গোটেই জীৱনটোক নিপাত কৰিম। মাজে মাজে জানকীক কথাবিলাক কওঁতে তেওঁৰ চকু দুটা উজ্জ্বল হৈছিল। কলিতা, জানকীৰ উৎসাহ অবিহনে এই মহাবিদ্যালয়খনক ইমান দূৰ হয়তো আগুৱাই নিব নোৱাৰিলোহেঁতেন। এদিন তেওঁক মই কৈছিলোঁ, 'হেৰা, আক্ষেপ নকৰিবাহে। মহাবিদ্যালয়খনৰ পৰা যিদিনাখন বিদায় ল'ম, সেইদিনা তোমাকো মোৰ কাষতে বহুৱাম। মই সকলোকে ক'ম পলাশগুৰি মহাবিদ্যালয়খন গঢ়া অধ্যক্ষ এই চন্দ্ৰজ্যোতি ভৰালীৰ আঁৰৰ ব্যক্তিগৰাকী কোন। সিদিনা জানকীয়ে মোৰ কথা শুনি হাঁহিছিল। হয়তো মনতে ভাবিছিল, এদিন তেওঁ এই স্বীকৃতি পাব সমজুৱাভাৱে। জানকী কিন্তু আজিৰ দিনটোলৈ জীয়াই নাথাকিল। মই নভবাকৈ হঠাৎ তেওঁ মোক আৰু আমাৰ ল'ৰা-ছোৱালীহালক এৰি চিৰদিনৰ বাবে গুচি গ'ল।

জানেনে কলিতা, মই যেতিয়া চৰকাৰী মহাবিদ্যালয়ৰ চাকৰিটো এৰি পলাশগুৰিলৈ অহাৰ সিদ্ধান্ত লৈছিলোঁ, তেতিয়া কেৱল জানকীয়ে আপত্তি কৰা নাছিল, মোৰ বন্ধুবৰ্গ, সহকৰ্মী, পৰিয়ালবৰ্গয়ো ভীষণ আপত্তি কৰিছিল। খুৰাইতো মোৰ এই মূৰ্খামিৰ কাৰণে বহু দিনলৈ মাত-বোলেই কৰা নাছিল। কিন্তু পলাশগুৰিৰ দৰে পিছ পৰা ঠাই এডোখৰত এখন জাকত-জিলিকা মহাবিদ্যালয় গঢ়াৰ মোৰ যি সপোন সেয়া মই ইয়াত আহি অধ্যক্ষ পদ গ্ৰহণ কৰাৰ সময়ৰ সপোন নহয়, তাৰো আগৰ।

আমাৰ গাঁৱৰ পূৰ্ণকান্ত হালৈ মোৰ ল'ৰালিৰ দিনৰ বন্ধু, সহপাঠী। আজি দুবছৰ হ'ল সি ঢুকোৱা। তাক মই পূৰ্ণ বুলিয়েই মাতিছিলোঁ। বিধৱা মাকৰ ল'ৰা, বৰ কষ্টত ডাঙৰ হৈছিল। মোৰ পিতায়ে অন্ততঃ হাল বাই হ'লেও দুবেলা দুমুঠি যোগাৰ কৰি মোক পঢ়ুওৱাৰ কথা ভাবিব পাৰিছিল। কিন্তু পূৰ্ণৰ মাকে আৰ ঘৰ, তাৰ ঘৰত কাম কৰিও তাক সেই যোগাৰখিনি ভালকৈ ধৰিব নোৱাৰিছিল। পূৰ্ণ কিন্তু পঢ়াত সাংঘাতিক চোকা গাঁৱৰ ভিতৰতে। ক শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ সি সদায় প্ৰথম আৰু মই দ্বিতীয়। মাজে মাজে নিজৰ ওপৰতে খং উঠিছিল তাক কোনো দিনে পিছ পেলাব নোৱাৰাৰ বাবে। মেট্ৰিকতো সেই একেই কাহিনী। মোতকৈ তাৰ ৰিজাল্ট বেছি ভাল। ৰিজাল্ট পাই পিতায়ে মোক যথেষ্ট গালিও পাৰিলে। তাৰ পাছত মই কটন মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ। কিন্তু পূৰ্ণ গাঁৱতে ৰ'ল। পাছলৈ গুৱাহাটীৰ পৰা যেতিয়াই গাঁৱলৈ আহো তাক প্ৰায়ে মই পথাৰতে পাওঁ। প্ৰথম কিছুদিন সি মোক দেখিলেই মাত দিয়ে। কটনত পঢ়ি কেনেকুৱা লাগিছে, তাৰ অধ্যাপক-অধ্যাপিকাসকলে কেনেকুৱা পঢ়ুৱায়, হোষ্টেল লাইফত এড্‌জাষ্ট হৈছোঁ নে নাই ইত্যাদি বিভিন্ন খবৰ সি মোক সোধে। এবাৰ বিহুত ঘৰলৈ যাওঁতে তাৰ লগতে পথাৰত বহু সময় বহিলোঁ। কথাৰ মাজতে সি ক'লে, 'বুজিছ চন্দ্ৰ, মই এই জীৱনত একোৱে হ'ব নোৱাৰিলোঁ অ'। গাঁৱতে স্কুলখন থকাৰ কাৰণে ঘৰৰ ভাতকেইটা খাই মেট্ৰিকটো পাছ কৰিলো। তোৰ পৰাতো একো লুকাই থকা নাই। উচ্চ শিক্ষা লোৱাৰ ইচ্ছা আছিল যদিও গুৱাহাটী হেন ঠাইত পঢ়ুওৱাৰ সামৰ্থ্য আইৰ নাই। হ'ল বুলিনো আইক আৰু কিমান জোৰ দিম। অৱশেষত মই নিজেই নপঢ়াৰ সিদ্ধান্ত ল'লোঁ। গাঁৱতে মহাবিদ্যালয় এখন থকা হ'লে...। কথাখিনি কৈয়ে পূৰ্ণই মোৰ আগত হুক্ হুকাই কান্দিলে। সেই মুহূৰ্ততে মই পূৰ্ণৰ মুখখনলৈ চোৱাৰ সাহসো গোটাব নোৱাৰিলোঁ। নিজকে বৰ দুৰ্বল অনুভৱ কৰিছিলোঁ তেতিয়া। কিবা এটা কৰিব পৰা হ'লে। তাৰ পাছত পূৰ্ণই মোক নমতা হ'ল, দেখিও নেদেখাৰ ভাও জোৰে। কেতিয়াবা চকুৰ চকুৰে পৰিলেহে মাতটো দিয়ে। পূৰ্ণৰ অৱস্থাটোৱে মোক আমাৰ প্ৰধান শিক্ষক শ্ৰদ্ধাৰ কৃষ্ণ বৰা ছাৰে বিদায় সভাৰ ভাষণত কোৱা কথাষাৰলৈ মনত পেলাই দিলে - - 'এইখন পৃথিৱীত আমি জন্ম লওঁ। নিজৰ কৰণীয় কামবোৰ কৰি এদিন ইয়াৰ পৰা গুচিও যাম। কিন্তু মানুহ হিচাপে নিজৰ পৰিচয় দি যাব পৰাটোহে প্ৰকৃত অৰ্থত মানুহ।'

পূৰ্ণৰ মানসিক অৱস্থা, কৃষ্ণ বৰা ছাৰৰ ভাষণে মোক প্ৰেৰণা দিলে, সমাজত মানুহ হিচাপে নিজৰ পৰিচয় দাঙি ধৰাৰ। তাৰ লগে লগে মনৰ ভিতৰত জন্ম হ'ল এটি সপোনৰ। পিছ পৰা অঞ্চলত এখন সুন্দৰ মহাবিদ্যালয় গঢ়াৰ। আৰু যেতিয়াই পলাশগুৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হোৱাৰ প্ৰস্তাৱ মোলৈ আগবঢ়ালে, এক মুহূৰ্তও পলম নকৰাকৈ প্ৰস্তাৱটোত সন্মতি জনালোঁ। তাৰ পাছত জীৱনৰ তেত্ৰিশটা বছৰ পাৰ কৰিলোঁ এইখন মহাবিদ্যালয় গঢ়াৰ নামত। এইখন গঢ়োঁতেই সেই ডেকা চন্দ্ৰজ্যোতি ভৰালী কেতিয়া বুঢ়া হ'লোঁ গমকে নাপালোঁ দেখোন। ইয়াৰ প্ৰত্যেকখন দেৱালৰ ইতিহাস মই জানো। চাকৰিৰ শেষ দিনকেইটাত নষ্টাল্‌জিক হৈ বহু স্মৃতিয়ে মোক বাৰে বাৰে আমনি কৰিছে। মনত পৰিছে এইখনত মোৰ প্ৰথম দিনা নিজ হাতে ৰোৱা পুখুৰীপাৰৰ সেই নাৰিকল কেইজোপাৰ কথা, মই ভাবিছোঁ মোৰ লগতে একেলগে চকীদাৰ চাকৰি কৰিব অহা ৰামুৰ কথা, বেণুধৰ ডেকাৰ স্কুটাৰত উঠি চান্দা

বিচাৰি ফুৰাৰ কথা, আৰু আপোনালোকৰ কথা। আজি যিমানেই সেইবোৰ কথা ভাবিছোঁ, সিমানেই মই অশান্তিত ভুগিছোঁ। সেয়ে বিদায় সভাখনলৈ নোযোৱাটোকে থিৰাং কৰিলোঁ। মই জানো, আপোনালোকে মোলৈ অধীৰ আগ্ৰহেৰে বাট চাই থাকিব। তাৰ বাবে মই দুঃখিত।

পুনৰ ক্ষমা প্ৰাৰ্থনাৰে ---

ইতি -

চন্দ্ৰজ্যোতি ভৰালী

চিঠিখন পঢ়াৰ পাছত অলপ সময়লৈ কাৰো মুখত মাত-বোল নাই। মই কলিতা ছাৰৰ মুখলৈ চালো। ছাৰে দুহাতেৰে মুখখন ঢাকি চকুপানীখিনিক লুকুৱাবলৈ যত্ন কৰিছে। আমাৰ মনবিলাক সেমেকি উঠিল। পূৰ্ণিমাৰ জোনটো তেতিয়া মেঘৰ মাজেৰে ওলাই চাইন্স বিল্ডিঙৰ নাৰিকলজোপাৰ পাতত এখন্তেক বহিল। ইয়াত এতিয়া সকলো নিস্তব্ধ, পাহাৰত বগাইছে এজাক জোনাকী পৰুৱা, ডাল-পাতে, গছে গছে বতাহৰ কেৰল...। খিৰিকীৰ মুখলৈ উঠি আহিল কলিতা ছাৰ। হঠাৎ চাইন্স বিল্ডিঙৰ বাৰাণ্ডাত ছায়ামূৰ্তি এটা দেখি ছাৰে আমাক মাতিলে। কোন হ'ব পাৰে এই মুহূৰ্তত? ৰামু! ৰামুতো বাহিৰৰ বাৰাণ্ডাতে আছে। তেতিয়াহ'লে? খৰখেদাকৈ ছাৰে তললৈ নামি আহিল। ছাৰৰ পিছে পিছে আমিও বেগা বেগীকৈ খোজ ল'লোঁ। মানুহজন তেতিয়া বিল্ডিঙৰ বাৰাণ্ডাত অস্থিৰভাৱে ঘূৰি ফুৰিছে, বেৰ আৰু খুঁটাত হাত বুলাইছে। তাৰ পাছত মানুহজন ছিৰিৰে নামি শিৰীষ জোপাৰ তলত খন্তেক ৰ'ল। আমি ওচৰলৈ গ'লোঁ। কিন্তু সেয়া কি দেখিলোঁ -- ভৰালী ছাৰ। কলিতা ছাৰে ওচৰলৈ গৈ মাত লগালে -- "ভৰালী।" ভৰালী ছাৰ নিজৰ চিন্তাত নিমজ্জিত। ছাৰে পুনৰায় মাতিলে -- ভৰালী।

এইবাৰ ভৰালী ছাৰে কলিতা ছাৰলৈ ঘূৰি চালে। "ভৰালী, আপুনি ইয়াত এতিয়া? আপোনাৰ বিদায় সভাখন আছিল আজি -- ক'ত আছিল?" কোনো উত্তৰ নিদিয়াকৈ ভৰালী ছাৰে দুখোজ আগুৱাই গৈ বাগানৰ সন্মুখৰ বেঞ্চখনত বহিল -- বহক কলিতা। কলিতা ছাৰ ভৰালী ছাৰৰ কাষতে বহিল। আমি ছাৰৰ ওচৰত থিয় হ'লোঁ। তাৰ পাছত ভৰালী ছাৰে তেখেতৰ স্বাভাৱিক কথনভংগীৰে লাহে লাহে আৰম্ভ কৰিলে -- "কলিতা, কিছুমান বস্তুৰ পৰা, কিছুমান সম্পৰ্কৰ পৰা আমি ইচ্ছা কৰিও বিদায় ল'ব নোৱাৰোঁ।" কলিতা ছাৰে নুবুজাৰ ভাবত ভৰালী ছাৰৰ মুখলৈ চালে।

"ধৰি লওক, মোৰ মা-দেউতা। মই মোৰ মা-দেউতাৰ পৰা আজিও বিদায় ল'ব পৰা নাই; অথচ মা-দেউতা মোৰ জীৱনৰ পৰা আঁতৰি যোৱা বহু বছৰেই হ'ল। মই জানকীৰ পৰা বিদায় ল'ব পৰা নাই। সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তলৈ জানকীৰ স্মৃতি বগাই ফুৰে মোৰ হৃদয়ৰ বাহিৰে-ভিতৰে। হাজাৰ চেষ্টা কৰিলেও জানো সূৰ্যটোৰ পৰা, জোনটোৰ পৰা বা এই পৃথিৱীখনৰ পৰা বিচ্ছেদ হ'ব পাৰিম। আজি আপোনালোকে মোৰ বিদায় সভাখনৰ আয়োজন কৰিছিল। কিন্তু আপুনিয়ে কওঁকচোন, মই প্ৰকৃততে বিদায় ল'ম কাৰ পৰা? প্ৰথম আহি পুখুৰী পাৰত ৰোৱা নাৰিকলকেইজোপাৰ পৰা, পুখুৰীত ফুলি থকা পদুমকেইপাহৰ পৰা, ৰামুৰ পৰা, আৰ্টছ বিল্ডিং, চাইন্স বিল্ডিং, লাইব্ৰেৰী, অডিট'ৰিয়াম, কেন্টিন নে আপোনালোকৰ পৰা? মহাবিদ্যালয়খন মোৰ আত্মা -- মোৰ প্ৰাণ। গতিকে বিদায় এটি আনুষ্ঠানিকতা। ইয়াৰ প্ৰয়োজন নাই বুলি ভাবিছোঁ। কলিতা, এইকেইদিন মনৰ অস্থিৰতাত ঘূৰিছোঁ, মানসিক অশান্তিত ভুগিছোঁ। হঠাৎ আজি সন্ধিয়া মই এটা সিদ্ধান্ত উপনীত হ'লোঁ, এটা সত্য আৱিষ্কাৰ কৰিলোঁ। পলাশগুৰিত মই মহাবিদ্যালয়খন গঢ়িলোঁ। গঢ়াৰ আনন্দ, সৃষ্টিৰ আনন্দই মোক কি দিব পাৰে? প্ৰেৰণা! এৰা প্ৰেৰণা! দুৰ্জেয় সাগৰ অতিক্ৰম কৰি কলম্বাছে এদিন আমেৰিকা আৱিষ্কাৰ কৰিলে। আমেৰিকাখন তেওঁ শাসন কৰা নাছিল। দেশৰ বাবে, জাতিৰ বাবে এই আৱিষ্কাৰ অতি মূল্যৱান। হয়তো তাতেই চৰম তৃপ্তি আছিল কলম্বাছৰ। বুজিছে কলিতা, পলাশগুৰি মহাবিদ্যালয়খন মোৰ বাবে প্ৰেৰণাৰ উৎস হওক। এই প্ৰেৰণাকে লৈ মই ভৱিষ্যতৰ দিনকেইটাত আৰু নতুন সৃষ্টিৰ সমল বিচাৰি যাম। এতিয়া মোৰ এইখন মহাবিদ্যালয় ত্যাগ কৰাৰ কোনো দুখ নাই। মই পৰম আনন্দিত, আহ্লাদিত। যদি পাৰে এই কথাখিনি মোৰ সহকৰ্মীসকলক জনাব। মই এতিয়া আহোঁ। কথাখিনি কৈয়ে ভৰালী ছাৰ বেগেৰে ওলাই গ'ল। দীপালী বাইদেৱে পিছফালৰ পৰা মাত দিলে, "ছাৰ, আপুনি মাজে মাজে আহি থাকিব।" ভৰালী ছাৰে আমালৈ ঘূৰি নাচালে -- হয়তো প্ৰয়োজনবোধ নকৰিলে। ছাৰৰ গাড়ীখন গেটৰ মুখৰ পৰা তীব্ৰ বেগেৰে আঁতৰি গ'ল। আমি জড় হৈ পৰিলোঁ শিৰীষজোপাৰ তলত, ছাঁ-পোহৰত। বুজাব নোৱাৰা বেদনাই আমাক হেঁচা মাৰি ধৰিলে। তেতিয়া মোৰ ভাব হৈছিল ভৰালী ছাৰক ৰাখিব পৰা হ'লে এইখন মহাবিদ্যালয়তে বহু দিন, বহু কাল -- এটি জোনাক নিশাৰ দৰে নতুবা মধ্যাহ্ন সূৰ্যৰ দৰে আমাৰ আশাৰ সেউজ দলিচাত। ইচ্ছা হৈছিল পৰাহেঁতেন ধৰি ৰাখিব সময়ৰ নিষ্ঠুৰ ডেউকাক। মনতে ভাবিলোঁ -- ছাৰক জানো আমি

আকৌ পাম ? আহিবনে ভাগৰুৱা দেহ-মন ধুই জিৰাবলৈ শান্তিৰ পোতাশ্ৰয়ত! মই মনে মনে ক'লোঁ ছাৰ, স্মৃতিৰ বকিয়াইদি আমি আপোনাক আকৌ বিচাৰি যাম--

গৰখীয়া পথাৰখনত
আঁহতৰ ডালত। জুৰি হৈ পাতেৰে বগাই অহা ৰ'দ-
কাঁচিয়লিত
আপোনাক বিচাৰি যাম যৌৱনৰ নৈখনত--
কপিলীপাৰত
জাউৰী মাছে গীত গাব সময়ৰ বসন্তত
আপোনাক বিচাৰি যাম
মিলন হাইস্কুলৰ প্ৰথম বেঞ্চত
ইউনিভাৰ্ছিটীৰ আৰ্টছ কেন্টিনত
ব'হাগৰ ৰঙে ধোৱা কৃষ্ণচূড়াৰ আকাশত।
বিচাৰি যাম আপোনাক বেণুধৰ ডেকাৰ সৈতে।
চান্দাৰ বহীৰ পাত শুকান বতাহত উৰে
সপোন ভাঙে অচিন চৰাইৰ কৰ্কশ আৰাৱত।
আপোনাক বিচাৰিম
অডিট'ৰিয়ামৰ বক্তৃতা মঞ্চত, স্কাইলাৰ্কৰ কবিতাৰ
আকাশত...
ছাৰ এদিন আপুনি আহিব ইয়ালৈ
আহিব আকৌ পৰিভ্ৰমী চৰাই হৈ
শিৰীষৰ ডালত বহি গাব---
ইয়াতে আছে সূৰ্যৰ নৈখন
বিশ্বাস-উচ্ছ্বাস আৰু ঋতুৰ বৰ্ণিল পোছাক।

●●●




Art by Abhijit Konwar

# গল্প

# মূল্যায়ন

⏭ ড° শেষাদ্ৰী গোস্বামী
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ



(১)

“চাহ একাপ দিবিচোন। কাগজৰ কাপত দিবি। ক'ৰণাৰ পিছৰ পৰা গ্লাছৰ কাপত খাবই ভয় লাগে। ক'ত বা আকৌ কি বেমাৰে লম্ভে।”

কেৰাচিনৰ ষ্টোভত কেটলিটো ৰাখি চাহদোকানীজনে নেমু চাহকাপ বাকী অনিৰ্বাণৰ হাতত আগবঢ়াই দিলে। চাহ খাই খাই অনিৰ্বাণে আকৌ ক'লে -- ‘বন্ধৰ দিন। মানুহজনীক ক'লো আৰু একাপ চাহ বনাই দিয়া। তাই টপৰাই উত্তৰ দিলে- মাইকী মানুহৰ বন্ধ বুলি বেলেগ কাম নাই নেকি? ঐ, তোৰ বন্ধ আছে নে নাই?”

চাহ দোকানীজনে খেকাৰি মাৰি ক'লে -- “দাদা, ভোকৰ বন্ধ আছে জানো? দিন মজুৰি কৰি ঘৰখন চলোৱা মানুহৰ কেতিয়াও বন্ধ নাথাকে।”

“তই জাননে? আজি এক মে'?”

‘নেজানিম কিয় দাদা?’ মই গ্ৰেজুৱেট হয়।”

ষ্টোভত আকৌ চাহ বহাই দোকানীজনে একান্তমনে নিজৰ কাম কৰিব ধৰিলে, কেৱল সেইদিনা বন্ধ উপভোগ কৰিব নোৱাৰিলে অনিৰ্বানে।

(২)

“ঐ ইউনিভাৰ্চিটীলৈ যাবি নে?”

“অ' ছাৰ, বহক।”

“কিমান ল'বি?”

“বিশ টকা দিব ছাৰ। বহক, ৰাতিপুৱাৰ বহনি কৰোঁ।”

“বিশ টকা । কৈলাসপুৰৰ পৰা টমটমত দহ টকা লয়। চা, পোন্ধৰ টকা হ'লে হয়।’

অপুৰে চিটটো মচি ক'লে, বহক ছাৰ।” অঞ্জনে ওচৰৰ দোকানৰ পৰা এক পেকেট চিগাৰেট কিনি এটা জ্বলাই চিটত বহি ক'লে, “ব'ল, ব'ল ... অলপ সোনকালে চলা। ক্লাছটো ল'বলৈ দেৰি হৈ যাব।”

ঘামত তিতি থকা শৰীৰেৰে প্যাডেল ঘূৰাই ঘূৰাই অপু হাজিৰ হয় ইউনিভাৰ্চিটী গেটত। নামি পঞ্চাশ টকা দিয়াত অঞ্জনক ত্ৰিশটা টকা ঘূৰাই দি ক'লে - “ছাৰ, পাঁচ টকা খুচুৰা নাই, কালি ল'ৰাৰ হাতত দি পঠাম, সিও ৰাজনীতি বিভাগৰ ছাত্ৰ। ময়ো স্নাতক। আপোনাৰ নামটো ছাৰ?’

(৩)

বাৰ বছৰীয়া পুত্ৰ আবিৰক লৈ আমাৰ গাঁৱৰ দাদা এজনৰ টমটমত উঠি বজাৰ লৈ গৈ আছিল। কলেজ চ'কৰপৰা এজন চল্লিছ বছৰীয়া ভদ্ৰলোকে টমটমখন হাত দেখুৱাই ৰখালে। টমটম ৰখাৰ ভদ্ৰলোকজনে সুধিলে, “ঐ তই কুশলনগৰ যাবি?” টমটম চালকে সন্মতি জনোৱাত তেওঁ ক'লে -- “কিমান ল'বি?”

‘বিশ টকা দিব দাদা।”

“ঠিক আছে ব'ল।” কৈ টমটমত বহোঁতে মোৰ পুত্ৰ আবিৰ -- “এক্সকিউজ মি আঙ্কেল, আপোনাৰ এজ কি চিক্সটীপ্লাছ।

“নহয় ফ'ৰটী, কিয় সুধিলা?”

“নহয় মানে বিমল বৰদেউতাতো (টমটম চালক) চিক্সটীপ্লাছ। আপোনাতকৈ বয়সত ডাঙৰ। তেতিয়া হ'লে আপুনি বৰ দেউতাক কিয় আপুনি বুলি নকই তই বুলি সম্বোধন কৰিছে। ডাঙৰকতো সন্মান কৰা উচিত। উত্তৰত ভদ্ৰলোকজনে কি ক'ব বুজিব নোৱাৰি মুখ ঘূৰাই দিলে। বৰ ভাল লাগিল। মোৰ পুত্ৰ আবিৰৰ বিবেকবোধ, লগতে বিমলদাৰ বিবেক বোধ আৰু শিক্ষা দেখি। যি হয়তো পুথিগত শিক্ষাত শিক্ষিত, ধনী সেই ভদ্ৰলোক জনতকৈ বহুগুণে বেছি।

●●●




গল্প

নিঃশব্দে কেবিনট অলংকিতাই বহি আছিল। কিন্তু হঠাৎ তাইৰ কেবিনত কেইজনমান মানুহ সোমাই আহিল। অলংকিতাই সুধিলে -- "কোন তোমালোক?

# অপ্ৰাপ্তি


**সবিতা মেধি**

প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ


আবেলি ৫ বাজিবৰ হৈছে। অলংকিতা নৈৰ পাৰত। তাই প্ৰায়ে নৈৰ পাৰলৈ যায়। গাঁওখনৰ সেই সন্ধিয়াৰ সময়কণ অলংকিতাৰ খুবেই প্ৰিয়। সন্ধিয়াৰ আকাশত সূৰ্য্য অস্ত যাওঁ যাওঁ। সেউজীয়া পথাৰৰ ওপৰত ৰঙা সোণালী পোহৰে যেন চৌদিশ আৱৰি ধৰিছে। চাৰিওফালে এক অনন্য শান্তি আৰু এই শান্তিৰ মাজতেই যেন প্ৰাণ পাই উঠে অলংকিতাৰ সপোনবোৰেও।

অলংকিতাই নিজে নিজক কৈছে--- "এই সেউজীয়া গাঁওখনক মোৰ সপোনেৰে ৰক্ষা কৰিব লাগিব। মানুহে টকাৰ অভাৱত দুখ পাই চিকিৎসালয়ত নিজৰ আপোনজনক হেৰুৱাব নালাগে।"

অলংকিতাৰ দেউতাক তাই বহু সৰু থাকোঁতে ঢুকাইছে। অলংকিতাৰ মাকে বহু কষ্টেৰে আৰ তাৰ ঘৰত কাম বন কৰি ঘৰখন চলায়। সন্ধিয়া কামৰ পৰা আহি মাকে অলংকিতাৰ সৈতে চাহৰ কাপটো লৈ বাহিৰতে বহি দিনটোৰ বিভিন্ন কথা পাতি আছে আৰু তেতিয়াই হঠাৎ অলংকিতাই মাকক ক'লে--

**অলংকিতা** ঃ- মা জানা, মোৰ এটা বহু ডাঙৰ আশা আছে।

**মাক** ঃ- কোৱা মাজনী, কি আশা?

**অলংকিতা** ঃ- মা, মই চিকিৎসক হ'ম, কিন্তু কেৱল নাম বা টকাৰ বাবে নহয়। মই দৰিদ্ৰ লোকৰ সহায়ৰ বাবে চিকিৎসক হ'ম।

**মাক** ঃ- (মূৰত হাতখন ফুৰাই কয়) মোৰ ছোৱালী
এদিন তোৰ হাতত অসংখ্য জীৱন জীয়াই উঠিব।

**অলংকিতা** ঃ- জানা মা, মোৰ কেতিয়াবা বৰ ভয় লাগে, মই নোৱাৰিম নেকি?

**মাক** ঃ- মাজনী, নোৱাৰিম বুলি ভবাটো ঠিক নে?

**অলংকিতা** ঃ- মোৰ ভয় হয়। কাৰণ মই মানুহৰ বেদনা সহ্য কৰিব নোৱাৰোঁ। ৰোগীক দেখিলে মোৰ চকুত

চকুপানী ওলায়। তেতিয়া মই কেনেকৈ কৰিম?

**মাক ঃ-** (এটি হাঁহি মাৰি কয়) চোৰা মাজনী, যিজনৰ চকুত আনৰ দুখৰ বাবে চকুপানী ওলায়, তেওঁ তেজেৰে নহয়, মৰমেৰে চিকিৎসা কৰে আৰু তেওঁ প্ৰকৃত অৰ্থত চিকিৎসক।

**অলংকিতা ঃ-**

মা, মই জানো, যদি তুমি দেউতাৰ সময়ত চিকিৎসা কৰিব পাৰিলাহেঁতেন, তেতিয়া তেওঁ আমাৰ সৈতে থাকিলেহেঁতেন। সেইকাৰণে মই চিকিৎসক হ'ম, যাতে আন কোনো শিশুৰ তেনে বেদনাদায়ক ঘটনা নহয়।

**মাকঃ-** তুমি সদায় মৰম আৰু সহানুভূতিৰ সৈতে আগবাঢ়া।

**অলংকিতা ঃ-** মানুহে যেতিয়া ব্যথাত চিঞৰি উঠিব। মই তেওঁলোকৰ মুখত হাঁহি আনিম।

**মাকঃ-** তোমাৰ সপোনে এদিন আমাৰ গাঁওখন উজলাই তুলিব।

দুখ-কষ্টত জীৱন কটোৱা তাইৰ মনত সদায় আছিল এটা সপোন-- চিকিৎসক হোৱাৰ সপোন। তাই গাঁওখনৰ পৰা চহৰলৈ গ'ল। চহৰত দিনে-ৰাতিয়ে অধ্যয়ন কৰিলে। দুখেৰে গঢ়া জীৱনৰ পৰা তাইৰ সপোনবোৰলৈ আগবাঢ়ি গৈছিল। তাই চহৰৰ এখন হাস্পতালত Internship কৰিবলৈ ল'লে।

অলংকিতাৰ দৰিদ্ৰ ৰোগীৰ কষ্ট দেখিলে চকুত চকুপানী নিগৰে। এদিন হাস্পতালৰ ওচৰতে এটি দৰিদ্ৰ শিশু জ্বৰত কঁপি থকা দৃশ্য দেখি অলংকিতাৰ চকুপানী ওলাল আৰু তাই নিজৰ বুকুত হাতখন থৈ ক'লে ---

"মই সপোন দেখি আছোঁ, জন দৰিদ্ৰ মানুহক টকাৰ অভাৱত মৰিব দিব নোৱাৰোঁ। মই নিজেই হাস্পতাল খুলিম।"

অলংকিতাৰ বন্ধু-বান্ধৱীসকলে তাইক বহু প্ৰশংসা কৰে। তাইৰ বন্ধু-বান্ধৱীসকলে তাইক কয় ---

**ৰীমা ঃ-** অলংকিতা, তোৰ dedication দেখি মই বহুত উৎসাহ পাঁও। ইমান ৰাতি উজাগৰে থাকি তই হাস্পতালৰ Notes পঢ়।

**অলংকিতা ঃ** (হাঁহি মাৰি কয়) উজাগৰে কটাওঁ কাৰণ মোৰ সপোনৰ প্ৰতিটো পৃষ্ঠাৰ পিছত কাৰোবাৰ জীৱনে আশাৰ ৰেঙনি আনিব।

অলংকিতাৰ দিনবোৰ সদায় অধ্যয়ন আৰু দুখীয়া মানুহক সহায় কৰাৰ ভাৱনাৰে পাৰ হৈছিল। প্ৰত্যেকটো ৰাতি তাই ডায়েৰীৰ পাতত লিখিছিল-- অসহায় পৰিয়ালৰ কাহিনী, তাইৰ ভৱিষ্যতৰ সপোন।

কেতিয়াবা তাইৰ বন্ধু-বান্ধৱীয়েও তাইক হাঁহি কৈছিল--- "অলংকিতা, তই একেবাৰে সপোনৰ মানুহ। বাস্তৱতকৈ সপোনক বেছি বিশ্বাস কৰ।" কিন্তু অলংকিতাৰ মনত এটা কথা স্পষ্ট আছিল --- সপোন মাত্ৰ কল্পনা নহয়, সপোন এদিন নহয় এদিন বাস্তৱ হ'ব পাৰে আৰু সেই বিশ্বাসেই তাইক আগবঢ়াইছিল।

সকলোবোৰ ঠিকে চলি আছিল। কিন্তু এদিন হঠাৎ অলংকিতাৰ জীৱনত এক অমানিশা নামি আহিল। সপোনৰ পোহৰে উজলি থকা অলংকিতাৰ জীৱনত এক নীৰৱ অন্ধকাৰ ৰাতি Staff ৰ সকলো গ'ল। নিঃশব্দে কেবিনট অলংকিতাই বহি আছিল। কিন্তু হঠাৎ তাইৰ কেবিনত কেইজনমান মানুহ সোমাই আহিল। অলংকিতাই সুধিলে -- "কোন তোমালোক? এনেকৈ সোমাই আহিছা যে?" কোনো উত্তৰ নাহিল। বৰঞ্চ তাইৰ ওপৰত আঘাত হে কৰিলে। প্ৰথমে তাইৰ মুখ বন্ধ কৰিলে, তাৰ পিছত তাইৰ কাপোৰ ছিঙে, শৰীৰৰ প্ৰতিটো অংগৰ ওপৰত আক্ৰমণ।

অলংকিতাই কঁপা কঁপা মাতেৰে চিঞৰি উঠিছে কিন্তু তাইৰ চিঞৰ যে কেবিনৰ কাষত থকা ডিউটী ৰুমৰ মানুহেও শুনা নাই।

ঘণ্টাৰ পাছত ঘণ্টা তাই অসহায় হৈ পৰিছিল। যিয়ে আনৰ জীৱন বচোৱাৰ শপত লৈছিল আজি তাইয়ে মৃতদেহলৈ নামি আহিল? দানৱকেইটাই তাইক বেহুশ কৰি এৰি দিলে। অলংকিতাৰ মুখত ৰক্ত। তথাপিও যেন তাই অসম্পূৰ্ণ শব্দৰে কৈছে--

"মই মই...............চিকিৎসক ----------হ'ম"

পিছদিনাখন পৰিয়ালৰ মাজত বেদনা আৰু অসহায়তা যেন একেলগে। মাকে হিয়া উজাৰি কান্দিছে আৰু কৈছে ---

"মোৰ অলংকিতা, তই আৰু ঘৰলৈ নাহিলি? তোৰ সপোনবোৰ ক'ত গ'ল? মানুহৰ জীৱন ৰক্ষা কৰিবলৈ ওলাইছিলি, কিন্তু আজিচোন নিজেই অন্যায়ৰ বলি হ'লি?"

ঘৰখনত আত্মীয়-স্বজন আহি কান্দোনত ভাঙি পৰিছে, কিছুমানে কৈছে--

"ঘটনাটো মনে মনে ৰাখক নহ'লে বিপদ বাঢ়িব।"

টিভিত breaking News চলিল।

নেতাসকলে মাইক ধৰি ক'লে -- "দোষীৰ শাস্তি হ'ব।"

দল-সংগঠনে হাতে হাতে candle লৈ প্ৰতিবাদ কৰিলে।

Facebook ত post দিলে 'Justice লাগে

"অলংকিতাৰ, 'Justice লাগে অলংকিতাৰ।"

ছাত্ৰ-ছাত্ৰীসকলে শ্ল'গান গালে---

"অলংকিতাৰ ন্যায় লাগে, সঁচাটো বিচাৰ কৰিব লাগে?"

●●●

# অনুগল্প

## সম্পৰ্কৰ ওজন

**বিস্মৃতা বৈশ্য**
প্ৰাক্তন ছাত্ৰী

চহৰৰ আটাইতকৈ দামী বৃদ্ধাশ্ৰমখনত মাকক থৈ আহি গাড়ীখনত উঠিব লওঁতেই পুতেকৰ ফোনটো বাজি উঠিল। সিপাৰৰ পৰা সাত বছৰীয়া পুত্ৰৰ কোমল মাত "দেউতা, আইতা থকা ঠাইখনৰ নামটো আৰু ফোন নম্বৰটো ডায়েৰীত লিখি ৰাখিছোঁ দেই!"
দেউতাকে সুধিলে ঃ 'কিয় অ' সোণ?'
উত্তৰ আহিল ঃ মই ডাঙৰ হ'লে তোমাক বিচাৰি পাবলৈ যাতে অসুবিধা নহয়। গাড়ীৰ ষ্টাৰ্টটো দিওঁতে দেউতাকৰ হাতখন কঁপি উঠিল।

●●●






## সময়ৰ পাকচক্ৰ

**সাগৰিকা ডেকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

ওঠৰ বছৰৰ মূৰত আজি ৰাজ আৰু নন্দিনী মুখামুখি হ'ল। সম্ভ্ৰান্ত ঘৰৰ ছোৱালী নন্দিনী আজি সময়ৰ পাকচক্ৰত পৰি ৰাজ কোম্পানীৰ এক সাধাৰণ কৰ্মচাৰী হিচাপে নিযুক্তি পালে। ৰাজে তাইক বিশেষ একো নকৈ অতীতক মনত পেলাই হুমুনিয়াহ কাঢ়ি আঁতৰি গ'ল। সেই অতীতক, য'ত ওঠৰ বছৰ আগতে নন্দিনীয়ে ৰাজক সকলোৰে আগত ভিকহু বুলি অপমান কৰি তাৰ প্ৰেমৰ প্ৰস্তাৱক প্ৰত্যাখান কৰিছিল।

●●●

# মই কোন আছিলোঁ ?

⏭ **নিশিতা দাস**
প্ৰাক্তন ছাত্ৰী

একজন মানুহে জীৱনৰ শেষ মুহূৰ্তত নিজৰ নাম পাহৰি গ'ল। ল'ৰা-ছোৱালীয়ে ক'লে- 'আপুনি অমুক।'

সমাজে ক'লে- 'আপুনি অমুক পদত আছিল।' কিন্তু তেওঁ সুধিলে-'এইবোৰ নহয়, মই আচলতে কোন আছিলোঁ ?' কোনেও উত্তৰ দিব নোৱাৰিলে। শেষ নিশাটিত তেওঁ এষাৰী বাক্য লিখিলে-'মই যেতিয়া সকলোৰে বাবে কিবা আছিলোঁ, তেতিয়াই মই আছিলোঁ।'

নাম মৰি যায়,
কিন্তু অস্তিত্ব বাচি থাকে।

●●●



# অন্ধকাৰ

⏭ **প্ৰণৱ জ্যোতি দাস**
প্ৰাক্তন ছাত্ৰ

এন্ধাৰ কোঠাটিৰ একোণত ৰমেশ ককা বহি আছিল। তেনেতে হাতত চাহ একাপ লৈ ৰমলাই কোঠাটিৰ ভিতৰলৈ প্ৰৱেশ কৰে। চাহ কাপ ককাক দিয়েই তাই যাবলৈ লওঁতে ককাই ক'লে, 'হেৰা ৰমলা, খিৰিকিৰ পৰ্দাখন উঠাই দিয়াচোন কোঠাটো বৰ অন্ধকাৰ হৈ পৰিছে।'

উত্তৰত তাই ক'লে- 'দেউতা..গোটেই পৃথিৱীখনেইচোন অন্ধকাৰে আৱৰি ধৰিছে, খিৰিকিৰ পৰ্দাখনি গুচাই দিলে জানো পোহৰ দেখিব।'

●●●



# সিদ্ধান্ত

⏭ **ধ্ৰিৰু পৱন বৰদলৈ**
স্নাতক ষষ্ঠ ষাণ্মাসিক

মা, তুমি নিজৰ বাবে এজন সংগী বিচাৰি ল'ব নোৱাৰা নে ?

কি কৈছ এইবোৰ মাইনু, এবাৰ ভাবি চাইছ নে ?

ভয় কালৈ কৰিছা মা ? ঘৰৰ মানুহবোৰলৈ নে সমাজলৈ ? যিবোৰ মানুহে তুমি জীয়াই আছে নে নাই তাৰ খবৰ এটা লোৱাৰ প্ৰয়োজনবোধ নকৰে, তেনেস্থলত ভয় কালৈ কৰিছা মা? কথাষাৰত যেন মাক নিস্তব্ধ হৈ পৰিল। হয়তো মাইনুৱে ঠিকে কৈছে চাগে তাই পেটত থাকোঁতেই দেউতাক নোহোৱা হৈ গৈছিল এই পৃথিৱীৰ পৰা। জন্ম হোৱাৰে পৰা দেখি আহিছে তাই এইখন ঘৰত মাকে কোনোদিনে শান্তিত থকা নাই। শাৰীৰিক অত্যাচাৰে মানুহজনীক কোঙা কৰি পেলাইছে। তেনেস্থলত কিয় থাকিব, কাৰ বাবে থাকিব। নে পুনৰ বিয়া হোৱাৰ তেওঁৰ অধিকাৰ নাই। তেওঁ আচৰিত হৈ ভাবি থাকিলে 'তাই মোৰ ছোৱালী নে বন্ধু ? কোনোবা সন্তানে মাকক ক'ব পাৰে জানো বিয়াৰ কথা ?'

●●●



# কৱিতা



কবিতা সৃষ্টিশীল মনৰ সুকুমাৰ প্ৰকাশ। কবিতা জীৱন বিদ্বেষী নহয়, জীৱন অন্বেষীহে। লোক জীৱনৰ ভাব-ভাষা কবিতাৰ আত্মা। জনজীৱনৰ ভৌগোলিক অৱস্থান, ভাষা-সংস্কৃতিৰ স্থানীয় বৈশিষ্ট্যৰ শিল্পসুলভ প্ৰতিফলন কবিতাৰ কায়িক ৰূপ। শব্দ-অৰ্থ, চিন্তা-চেতনা, ব্যঞ্জনাৰে কবিয়ে কবিতা সৃষ্টি কৰে।

কবি নীলমণি ফুকনৰ ভাষাৰে-

“যি সকলে কবিতা নপঢ়ে
কবিতা তেওঁলোকৰ কাৰণেই...।”








প্ৰাক্তন ছাত্ৰ তথা চিত্ৰশিল্পী ধনজিৎ বড়োৰ
ৰং আৰু তুলিকাত জুবিন গাৰ্গৰ তিনিখন আলোক চিত্ৰ

- জুবিন গাৰ্গৰ প্ৰথমটো সংগীত এলবামৰ নাম কি আছিল?
  ঃ অনামিকা
- জুবিন গাৰ্গে পৰিচালনা কৰা প্ৰথমখন অসমীয়া ছবিৰ নাম কি?
  ঃ তুমি মোৰ মাথোঁ মোৰ
- বলীউডৰ কোনখন চিনেমাৰ 'য়া আলী' (Ya Ali) গীতটোৰ বাবে জুবিন গাৰ্গে গোলকীয় খ্যাতি অৰ্জন কৰিছিল?
  ঃ গেংষ্টাৰ
- জুবিন গাৰ্গৰ জন্ম ক'ত হৈছিল?
  ঃ তুৰাত (মেঘালয়)
- জুবিন গাৰ্গৰ পিতৃৰ নাম কি, যি এজন প্ৰখ্যাত কবি আৰু গীতিকাৰ আছিল?
  ঃ কপিল ঠাকুৰ

# জুবিন গাৰ্গক সুঁৱৰি...



## জুবিন গাৰ্গৰ তিনিটা স্তৱক

⏭ **ওম প্ৰকাশ ডেকা,** বিভাগীয় প্ৰধান
হিন্দী বিভাগ

(১)

!! Will endure eternally !!
উকা-উদাস সাগৰখন...
ঢৌবোৰ আজি মৌন...!
পাৰলৈ সিহঁতে নাহে...
সুধিবা বুজি...বালিমাহি চৰাইজাকে বালিত...
খুঁচৰি বিচাৰিছে নিজৰে আত্মাটো...
পশ্চমৰ সেন্দুৰীয়া আকাশখন আজি শেঁতা
শৌৰ্য্যৰ চিন আজি নাই...
লহিওৱা বেলিটি যাবগৈ...
বহু দূৰলৈ...উভতি অহাৰ প্ৰতিশ্ৰুতি নিদিয়ে;
আমি মূক হৈ চাই আছোঁ...
অস্তাচললৈ...কাৰণ...
পূৰ্বাকাশ আজি মৃত...
অপেক্ষা আমাৰ বহু যুগলৈ!
'তুমি সিদিনা উলটি আহিবা
আমাক আগতীয়াকৈ জনাবা দেই...!!!

(২)

!! An unspoken truth !!
পূৰ্ণিমাৰ মাদকতাহীন...
শেঁতা জোন...।
লাজতে জোনাকীবোৰ কৰ'বাত লুকাল...কাৰণ..
সিহঁতৰ জ্যোতিত নাই জিল-মিল জোনাকৰ সপোন;
লুঙ্‌লুঙীয়া বাটচোৰাত এৰি আহিছোঁ...
অপৰাহ্নৰ বেলিটি...!
পুৱাৰ সন্ধানত...
এটি যাযাবৰী নিশা...!
নীল-শংখবোৰ আকাশত উজলিলে...
পৃথিৱীখন হেঁচুকি দিম বহু দূৰলৈ...!
শূন্যত উলমি তৰা গণিম...
মেঘৰ টিঙত শুই গাম
এৰি অহা...
মায়াবিনী ৰাতিৰ গান...!!!

(৩)

!! An unspoken truth !!
বুৰঞ্জী.. তোমাৰ প্ৰাসংগিকতা আজি নাই...
অতীত এতিয়া মৰহা ফুলৰ পাপৰি হ'ল...
তোমাৰ অবৰ্তমানত...
আমি প্ৰাণৱন্ত... দানৱীয় শক্তিৰে...!
ক্ষয় হোৱা হেংদাং...
আমাৰ শৌৰ্য্য...(পলিটিক্স নাই কৰা বন্ধু)
আমাৰ মস্তিস্ক বন্ধকত ৰাখিছোঁ...কৃত্ৰিম বুদ্ধিমত্তাৰে...
জুখিছোঁ...ভৱিষ্যৎ
দুৰ্বল দুবাহুৰ শক্তিৰে হেঁচুকি ধৰিছোঁ
প্ৰবহমান ব্ৰহ্মপুত্ৰক...
তুমি নাহাঁহিবা আমাৰ ক্লীৱত্বক...!
সোৱাদহীন জিহ্বাত সুৰৰ স্বাদ-সন্ধান...অজীৰ...!!
ভাৱিছোঁ... সেয়ে...
জিভাৰ ৰসেৰে জীপাল নহ'ব
মায়াবিনী নিশাৰ গান!!!!
ক্ৰমশঃ...।

●

# মোৰ মৃত্যুত কোনে কান্দিব ?

⏭ ড° লভিতা শৰ্মা
সহযোগী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ

জুবিনা দা
তুমি নুসুধিবা
মোৰ মৃত্যুত কোনে কান্দিব ?

এয়া হেজাৰজনে সমস্বৰে
চিঞৰি উঠিছে
মই মই মই ...

সকলোৰে হৃদয়ত
ছিঙা বীণৰ তাঁৰডালত ঝংকাৰ উঠিছে
কিয় ইমান সোনকালে আঁতৰি গ'লা!

আমি বাট চাই আছিলোঁ তোমাৰ মুখলৈ
আৰু এটা শতাব্দীৰ
নতুন সৃষ্টিৰ আশাত।
তুমি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সুৰীয়া সুৰেৰে
বান্ধি ৰাখিছিলা আমাক!
হঠাতে এটা জাতি থমকি ৰ'ল।
সুৰ থমকি ৰ'ল।
কণ্ঠ থমকি ৰ'ল।
সৃষ্টি থমকি ৰ'ল।
থমকি নৰ'ল মাথোঁ এটি প্ৰশ্ন
জুবিন দাই কেতিয়া সাগৰৰ পৰা নৈলৈকে
পুনৰ উভতি ব'ব !!!

●



# জুবিন দাৰ স্মৃতিত

⏭ টুনু জ্যোতি মেধি
স্নাতক ষষ্ঠ ষাণ্মাষিক (কলা শাখা)

প্ৰেমত "জুবিন"
দুখত "জুবিন"
ফূৰ্তিত "জুবিন"
হাঁহিত "জুবিন"
গানৰ নিচা মানেই "জুবিন"
যাৰ সুৰে উশাহ দিয়ে
হাজাৰ জীৱনক
সেই উশাহেই ৰৈ গ'ল
বৰ কষ্ট হয়
বৰ কষ্ট
সোণেৰে সজোৱা পঁজাটো
আৰু নাই
এটা যেন ধ্ৰুৱতৰা নাইকিয়া হৈ গ'ল
ধুমুহাৰ লগত খেলা মানুহজন, সাগৰৰ লগত হাৰি গ'ল।
তেওঁৰ গানত সাগৰ আছিল
তেওঁৰ গানত নদী আছিল
তেওঁ পানী হ'ব খুজিছিল
তেওঁৰ আশা পূৰণ হ'ল।
হে সংগীত সম্ৰাট
বৰ নিষ্ঠুৰ নিয়তি
নিষ্ঠুৰ এই সময়
প্ৰতিজন অসমীয়াৰ হৃদয়ত একুৰা বিষাদৰ জুই
কায়িকভাৱে বোলে তুমি নাই
কিন্তু
অসম থকালৈ, অসমীয়া থকালৈ
তুমি থাকিবা আমাৰ হৃদয়ত।
জয় জুবিন দা।।

●

# প্ৰাণৰ জুবিন দা

⏭ **পৰিস্মিতা ডেকা**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

প্ৰাণৰ জুবিন দা,
তুমি আকৌ এবাৰ ঘূৰি আহা।
অসমবাসীৰ প্ৰতি থকা অভিমানবোৰ,
একাষৰীয়া কৰি থোৱা।
ৰাইজৰ সমালোচনাক,
তুমিটো কটাক্ষ নকৰা।
তুমি বিন্দাছ মানুহ।
আহানা এবাৰ ঘূৰি।
কিয় তুমি সাগৰতলিত
অলসভাৱে শুই পৰিলা?
কাৰ ওপৰত অভিমান কৰিলা?
তোমাৰ অনুৰাগীবোৰৰ
হৃদয় কিয় চুৰমাৰ কৰিলা?
প্ৰতিটো পুৰাই তোমাৰ
কথাকে সোঁৱৰাই।
তোমাৰ গানে সকলোকে
আজি কন্দুৱাই।
তুমি জাতিৰ কথা ভাবা
আকৌ এবাৰ উঠি আঁহা
সকলো ৰৈ আছোঁ আজিও
তোমাৰ অপেক্ষাত
তোমাৰ বহুতো কাম
বাকী আছে এতিয়াও,
তোমাৰ সুৰৰ মায়াত
উচুপিছে অসমবাসী।
উঠা টোপনিৰ পৰা
গোৱানা হৃদয় কঁপোৱা গীত
মাত্ৰ এবাৰ।

●

# জুবিন দা

⏭ **দীক্ষিতা ডেকা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

তোমাক যদি কোনোবাই সোধে
অসমক তুমি কি দিলা
তুমি ক'বা মোৰ গোটেই
জীৱনটোৱেই দি দিছোঁ।
প্ৰেম-বিচ্ছেদ, সুখ-দুখ, ভক্তি
জন্ম-মৃত্যু, খেল, বিহুত গাব পৰা
শুনিব পৰাকৈ অসমীয়া জাতিটোক
অজস্ৰ গীত উপহাৰ দিছোঁ
মই বুকু ফিন্দাই ক'ব পাৰোঁ
মই নাথাকিলেও সংগীতৰ জগতত
অসমৰ ৰাইজে হাবাথুৰি খাব নালাগে।
মই সকলো দিলোঁ
এতিয়া দায়িত্ব তোমালোকৰ
মোৰ সৃষ্টিক এটা প্ৰজন্মৰ পৰা
আন এটা প্ৰজন্মলৈ আগবঢ়াই নিয়াৰ
এটা কথা মনত ৰাখিবা,
কৰ্মই মানুহক দেৱতাৰ
শাৰীলৈ নিব পাৰে।
সদায় আনক বিপদত সাধ্যানুসাৰে
সহায় কৰিবা, প্ৰকৃতিক ভাল পাবা
দেখিবা তোমাৰ চাৰিওফালে বেয়া
বোলা একো শব্দই নাথাকিব
মোৰ কাৰণে চিন্তা নকৰিবি
সকলোৱে মিলি মই বিচৰা
অসমখন গঢ়িবি
মোৰ গানবোৰ শুনিবি, তাতে মোক বিচাৰি চাবি।
আহোঁ দেই ভালে থাক তহঁত।

●

# তুমি বিহীন

⏭ **পম্পী বৰা**
প্ৰাক্তন ছাত্ৰী

তোমাক এনেদৰে দেখিম বুলি
ভাবিছিলোঁ নেকি কেতিয়াবা !
আজি চোৱা তোমাৰ অবিহনে
আমি কেনেকৈ আছোঁ।
তুমিও চাগে দূৰৰ পৰা
আমাক চাই চকুলো টুকিছা
সিদিনাখনলৈকে আছিলা
তুমি বসন্তৰ আনন্দ।
আজি সকলোকে কন্দুৱাই
সিপাৰলৈ গুছি গ'লা
আজিও সাহস গোটাব পৰা নাই
তোমাৰ সেই ফুলৰ মালাৰে আবৃত
ফটোখন চাবলৈ
ৰাখিম তোমাক সদায় ৰাখিম
আমাৰ মনৰ মাজত।

●

# মৰমৰ জুবিন দা

⏭ **চামিনা খাতুন**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা শাখা)

অ' জুবিন দা জুবিন দা অ'
তোমাক বৰকৈ পৰিছে মনত।
তোমাৰ সেই মধুৰ সুৰ
আমাৰ হৃদয়ত এতিয়াও
শিৰে শিৰে বৈ যায়।
তোমাৰ মধুৰ সুৰ আমি জানো
আকৌ পাম শুনিব!
অ' জুবিন দা, জুবিন দা অ'...
তুমি জানো আহিবা
উভতি?

●



# জুবিনৰ মৃত্যু

⏭ **দিশা মণি বৰা**
প্ৰাক্তন ছাত্ৰী

যিদিনা সুৰবোৰ নীৰৱ হ'ব
আকাশে থমকি শুনিব লুইতৰ কাণে
তেতিয়াও বাজি থাকিব তোমাৰ গান।
মানুহৰ মনৰ ভিতৰখনো।

মৃত্যু আহে সেইটো নিয়ম,
কিন্তু সুৰ কেতিয়াবা মৰে নে?
মাটিৰ বুকুত সিঁচা সপোনবোৰ
চিৰদিনে জীৱন্তই ৰয়।

●

# ইতি আমাৰ জুবিন দা


**দীপশিখা বৰা**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)


আপুনি চাগে বুজি নাপালে
আমাৰ চকুৰ শব্দ
আপোনাৰ সুৰে হয়টো দেখা নাপালে
নিঃশব্দ নিশাত গোপনে শুনা
আকাশে গাতে ল'বলৈ মন
সাগৰ তলিত শুবৰে মন
মনৰ চিলা উৰুৱাই
জীৱনে
আপুনিও কেতিয়াও নক'লে
এই গানটোত লুকাই থকা সাগৰখনৰ অৰ্থ।

এই বিশাল ব্যস্তময় চহৰত মোৰ
আপোনাৰ গান আৰু আপুনিয়ে আছিল সাৰথি
তুমি বিহীন উশাহবোৰক কেনেকৈ বুজাওঁ
চিৰদিনৰ বাবে বহাগৰ ৰঙীন পলাশক লৈ যে



গুচি গ'ল আপুনি
জ্যোতি-বিষ্ণু-খগেন দা-ভূপেন দা-জংকী বাৰ কাষত
দুপাখি মেলি কোনোবা অজান দেশলৈ
অলপ কষ্ট পাওঁতে আপুনি লৈ অহা
মধুসূদন গাৰ্গ নামৰ বান্দৰটোও যেন আজি নিমাত
উদাসিনী গাৰ্গ নামৰ বগলীজনীৰ
আজি উৰিব হেনো মন যোৱা নাই
তাই উদাস

আপুনি ধুমুহাৰ সৈতে বহুত নাচিলে
মনৰ চিলা উৰুৱাই
আকৌ ঘূৰি আহক...
আমাৰ শুকান মনত, নিয়ৰৰ চেঁচা টোপাল হৈ
নামি আঁহক না অসমীয়াৰ সুৰীয়া মাত হৈ
এটি যুগৰ অনুভূতিৰ অনুৰাগ হৈ
কেতিয়াও শেষ নোহোৱা এটি কণ্ঠ হৈ
কোনেও মচিব নোৱাৰা এক অন্তহীন আৱেগ হৈ
আমাৰ সকলোৰে মৰমৰ জুবিন দা হৈ...

●

# মৰমৰ জুবিন দা

⏭ মৃদুস্মিতা চৰকাৰ
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা শাখা)

তোমালৈ পৰিছে মনত
তোমাৰ সেই মধুৰ সুৰ
এতিয়াও বাজি উঠিছে
আমাৰ কাণত।
আকৌ জানো শুনিব
পাম সেই মধুৰ সুৰ!
তুমি জানো উভতি আমাৰ
মাজলৈ আহিবা?

●

# জুবিন এক অনুভৱ

⏭ চয়নিকা মেধী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

অসমীয়া প্ৰাণৰ তুমি এক মিঠা সুৰ,
তোমাৰ গীতত হেৰাই আমাৰ দুখ
অনামিকাৰ পৰা আৰম্ভ কৰি মায়া লৈকে যাত্ৰা
তোমাৰ কণ্ঠত বিচাৰি পাওঁ আবেগৰ পূৰ্ণ মাত্ৰা।
মঞ্চ কঁপাই যেতিয়া তুমি গোৱা গান,
প্ৰতিজন অসমীয়াৰ বাঢ়ি যায় মান।
কেতিয়াবা যদি বিহুৰ সুৰত মতলীয়া কৰা,
কেতিয়াবা আকৌ বিৰহৰ দুখত চকুলো সৰা।
তুমি আমাৰ সাহস, তুমি অসমৰ গৌৰৱ,
তোমাৰ সুৰত বিয়পি থাকক শান্তিৰ অনুভৱ।

●

# মৰমৰ গ'ল্ডী (জুবিন দাৰ স্মৃতিত)

⏭ চুমি ডেকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

গ'ল্ডী,
মই গৰিমাই কৈছোঁ-
তোমাৰ জাপানী পুতলাজনী
ভালে আছানে তুমি?
জানা!
চৌদিশে অসমত ফুলিছে
তোমাৰ প্ৰিয় নাহৰৰ কলি
তুমি বিহীন মোৰ জীৱনৰ প্ৰথমটি
ভোগালী বিহু।
অনুভৱ মোৰ উৰুঙা-উৰুঙা
মাঘৰে বিহু।
জান গ'ল্ডী,
নাহৰবোৰে বৰকৈ কান্দিছে,
জানমণিৰো চকুলো বাগৰিছে
অঞ্জনাইও তোমাক বৰকৈ মাতিছে।
মাতিছে তোমাক বিশাল লুইতে, গ'ল্ডী।

●



# তুমি বিহীন জীৱন

▸▸ **ভৰেশ ডেকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)



ফাগুনী মনৰ সৰি পৰা আৱেগবোৰে
তোমাৰ কোলাত ঠাই বিচাৰিছিল।
বহাগত ফুলি উঠা হেঁপাহবোৰেও
তোমাৰ গীতৰ পৰশ বিচাৰিছিল।
তুমি গালেই যেন, বহাগ আহে।
তুমি গালেই যেন, পলাশে হাঁহে।
তুমি নহ'লেই চোন
উকা হৈ পৰে আকাশখন।
তুমি নহ'লেইচোন শুকাই পৰে
চকুৰ সিপাৰৰ সাগৰখন।
তুমি নহ'লেই যেন, একোৱেই নাই।
তোমাৰ অবিহনে
জীৱনেও বিভীষিকা গাই।
সময়  পালে যাবাহি চোন চাই
কিদৰে তুমি বিহীন জীৱনত আছোঁ জীয়াই।
তুমি যে নাই সেই কথা ভাবিলেই
উশাহবোৰ হেৰাই।
তুমি বিনে কোনে গাব ফাগুনৰ গান
কোনে দিব পাৰিব
সৰাপাতবোৰতো প্ৰাণ।
তুমি বিনে সোণালী হৈও
আধৰুৱা হৈ ৰ'ব আঘোণৰ পকা ধান।
তুমি বিনে, কোনে গাব পপীয়া তৰা
কোনে দিব পাৰিব, ৰ'দৰ ৰঙীন বতৰা
তুমি বিনে পোহৰৰ ঠিকনাবোৰতো
এন্ধাৰে আৱৰা।

তুমি হাঁহিলেই যেন, জোনাকে হাঁহে
তুমি কান্দিলেই, এন্ধাৰেও কান্দে।
তুমি বিহীন জীৱনত
কল্পনাও কৰিব নোৱাৰোঁ এটি পল।
তোমাৰ অবিহনে
ভাগৰি পৰিছে এক বৃহৎ সমদল।
তোমাক হেৰুৱাব অনুভৱক দিব পৰা
এনে কোনো সান্ত্বনা নাই।
তুমি, তুমি হয় দাদা
তোমাৰ বাহিৰে এই জনমত
তোমাৰ স্থান ল'ব পৰা
কাৰোৱেই ক্ষমতা নাই।
অহাটো জনমলৈও
তুমি জুবিন হৈয়ে আহিবা
মানুহক মানৱতাৰ এনাজৰীৰে বান্ধি ৰাখিবা।
তোমাৰ ব্যক্তিত্বৰ বিশালতা
কলমেৰে আঁজুৰি আনিবলৈ
মোৰ সাহস নাই।
তোমাৰ বাবেই, উশাহে উশাহৰ ঠিকনা পাই,
তুমি বিহীন জীৱনত,
জীৱনেও বিভীষিকা গাই।
●



# জুবিনদালৈ মোৰ অনুভৱ

**ৰূপা ঘোষ**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা শাখা)

জুবিনদা তুমি আমাৰ অতি মৰমৰ। তোমাৰ গানবোৰ আমাৰ হৃদয়ত সদায় স্পৰ্শ কৰে। তুমি আমাৰ মনত সদায় জিলিকি থাকিবা। তোমাৰ অবিহনে সংগীতজগত যেন আধৰুৱা হৈ পৰিছে। এইবাৰ মাঘবিহু তোমাৰ গান অবিহনে কটাবলগীয়া হৈছে। তুমি আমাৰ সকলোৰে গৰ্ব। তুমি যেন এতিয়াও আমাৰ মাজত আছা এনেকুৱা অনুভৱ হয়। তোমাৰ গানৰ মধুৰ সুৰেৰে তুমি সদায় আমাৰ মাজত জীয়াই থাকিবা। তোমাৰ কথা সদায় মনত পৰি থাকে। তুমি যদি এবাৰ আহিলা হয় আমাৰ মাজলৈ! কিয়নো গ'লা উভতি নহা বাটেৰে।

●●●

**জুবিন দাৰ বাণী**

১. মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰক সেৱা কৰা হয়।
২. গছজোপা দেখিবলৈ বৰ ধুনীয়া, কিন্তু শিপাই হে জানে বগাবলৈ কিমান টান।
৩. বেছি ধনী মানুহৰ লগত থাকি লাভ নাই, সঁচা কথা-ধনীয়ে দুখীয়াৰ দুখ নুবুজে।
৪. মই ইটাবোৰক বিশ্বাস কৰোঁ, অট্টালিকাক নহয়।
৫. কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে।
৬. ফুলবোৰ নিছিঙিবা গছে কষ্ট পায়।

# কবিতা

## তুমি মোক এটা সপোন উপহাৰ দিয়াৰ কথা আছিল

**ড° হাবীবুৰ ৰহমান**
মুৰব্বী, অসমীয়া বিভাগ



তুমি মোক এটা সপোন উপহাৰ দিয়াৰ কথা আছিল
এটি পূৰ্ণাঙ্গ নোদোকা সপোন।
তুমি আৰু মই হাতে হাতে হাত ধৰি
বন-উপবনত জীৱনৰ বহুৰঙী
সপোন ৰচাৰ সপোন মই বিচৰা নাছিলোঁ।
নাইবা ঐশ্বৰ্যৰ মালা গাঁথি
জীৱন ধন্য কৰাৰ সপোনো তোমাৰ পৰা বিচৰা নাছিলোঁ।
তুমি মোক এখনি সুন্দৰ পৃথিৱী চোৱাৰ সপোন
উপহাৰ দিয়াৰ কথা আছিল
মানুহৰ বাবে উপেযাগী এখনি
অনিন্দ্য পৃথিৱী চোৱাৰ সপোন।
জাতে-পাতে হাতত হাত থৈ সৰগ ৰচিব পৰা
এখনি নতুন পৃথিৱী চোৱাৰ সপোন।
আইতাই এদিন কোৱা মনত পৰে
সেই পৃথিৱীত হেনো কোনো হিন্দু নাথাকে
নাথাকে কোনো মুছলমান
নাথাকে বৌদ্ধ-খৃষ্টান
কেৱল মানুহ থকা এখনি চিৰন্তন পৃথিৱী।



মানুহে মানুহক ঘৃণা কৰাৰ সপোন মই চাব নোৱাৰোঁ
মানুহে মানুহৰ ৰক্তপান কৰাৰ ইতিহাস মই পঢ়িব নোৱাৰোঁ
ৰাজনীতিকৰ ভাষণৰ ফুলজাৰিত মই হাত চাপৰি বজাই
হিতাধিকাৰীৰ তালিকাত নাম লিখাব নোৱাৰোঁ মই।
নাইবা বিবেকক বন্ধকত থৈ
নাম-যশ,বঁটা-বাহনৰ পিছে পিছে
ঘোঁৱা চেঁকুৰাই যোৱা বুদ্ধিজীৱীক চোৱাৰ হেঁপাহ সমূলি নাই
ধৰ্মৰ অৰ্থ বুজি নোপোৱা ধৰ্মগুৰুৰ
চৰণত শৰণ লোৱাৰ আখৰাত ভাগ ল'বলৈ কেতিয়াও
চেষ্টা কৰিব নোৱাৰোঁ।
দিয়া যদি
মানুহৰ বাবে উপযোগী
কেৱল মানুহৰ বাবে উপযোগী
এখন নতুন পৃথিৱী চোৱাৰ সপোনকেই
তুমি মোক উপহাৰ দিয়া।
এনেকুৱা এটা সপোন চোৱাৰ উপহাৰেইতো
তুমি মোক দিয়াৰ কথা আছিল।

●

# স্তৱকত স্তব্ধ সময়

⏭ ওম প্ৰকাশ ডেকা
মুৰব্বী, হিন্দী বিভাগ

(১)
!!! Intuition!!!
মই এটি কবিতা লিখিম বুলি বহিছোঁ
শব্দৰ সন্ধানত মই ব্যস্ত সমদলৰ প্ৰথম শব্দটি প্ৰয়োগ কৰি
চাইছোঁ
অভিব্যক্তি
পিচে অভিব্যক্তিহীন জীৱনৰ দোমোজাত তাক কাটিছোঁ
পুনৰ লিখিছোঁ
সংবেদন
জীৱনৰ ছন্দত মিলাই চাইছোঁ
নাই, ই খাপ নাখায়
উপলুঙা কৰি মোকেই সি প্ৰশ্ন কৰে?
সংবেদনশীল জীৱনত তাৰ মূল্য কি?
সহনশীল
এৰা, ইয়াক এবাৰ প্ৰয়োগ কৰি চাব পাৰি
কিয়নো, প্ৰচেষ্টাৰ অন্তত মই সহনশীল হ'ব পাৰিছোঁ
হৃদয়ৰ বৰফ টুকুৰাই উচাপ্ খাই উঠে
নাই গলিত বাস্পলৈ মই ৰূপান্তৰিত হ'ব নোৱাৰোঁ
নিস্প্ৰাণ হৃদয়ত মাথোঁ বাজি উঠে এটি অব্যক্ত শব্দ
চুপ, চুপ, চুপ!!!

(২)
!!! Longing!!!
আকাশ... মোৰ হৃদয় বিশালতাৰে পূৰ্ণ কৰা...
উদাৰতাখিনি মোক দিয়া...
জন্মান্তৰৰ কাহিনী আছে তোমাৰ হৃদয়ত সাধুকথা হৈ...
মোক কোৱা ৰ'দৰ কথা, শুভ্ৰ আস্বাদন তোমাৰেই গান...
তোমাৰ গীতে শ্যামলীমাক শুব নিদিয়ে...
মইও বহু নিশা উজাগৰে আছোঁ...
তোমাৰ বিশালতাৰ গীত শুনিবলৈ...
অপেক্ষা...
মই জানো, এদিন তুমি আহিবা মন্বন্তৰৰ কাহিনী হৈ...

(৩)
!!! Ingenuity!!!
মই এদিন সপোনৰ ৰাজ্যলৈ যামগৈ
য'ত মোৰ ৰাজ চলিব।
তুমি তাত স্থান নাপাবা, কাৰণ তুমি ফল্গু ধাৰা
তোমাৰ বেদনাক কাহানিও প্লাৱনৰ ৰূপ তুমি দিব নোৱাৰিলা
নিষ্প্ৰভ ফল্গুৰ স্থান নাই বিশালতাৰে পূৰ্ণ সাগৰৰ গভীৰ
অন্তৰ্ভাগত
এদিন নিষ্প্ৰাণ শংখই তোমাৰ বুৰঞ্জী লিখিব
তুমি হয়তো চিটিকি আহিবা উপকূল বুকুলৈ ...আৰু!!!
তুমি লিপিবদ্ধ হৈ থাকিবা
ইতিহাসৰ বুকুত মৃত শঙ্খৰূপে...!!!

(৪)
!!! Contemplation!!!
কেঁকুৰিটোৰ সিপাৰে তাৰ মুক্তি নিশ্চিত
শৈশৱৰ উন্মাদনাৰ হেঙুলীবৰণ
সি উভতি চাই, ভৰ দুপৰীয়া জীৱনৰ ছন্দ বিচাৰি
অলিয়ে গলিয়ে পদস্পৰ্শ তাৰ
আজি এক সাঁথৰ!!!
গলিত মস্তিষ্কত শিহৰণ জাগে
আজি সি ক্লান্ত, অথচ অফুৰন্ত কান্তিৰ সন্ধানত বিচৰণ কৰে
অহৰ্নিশে।
মই জানো, তাৰ মুক্তি নিশ্চিত
সেয়ে হাতত কলম সামৰি মই ৰৈ আছোঁ লিখিবলৈ তাৰ
এপিটাফ!!

(৫)
!!! Nostalgia !!!
চৰাইৰ মাতত সাৰ পাই গাঁওখন
প্ৰতিটো কেঁকুৰিত কৃষকৰ গাঁথা ৰ'দ-বৰষুণবোৰ তেওঁলোকৰ নিজৰ
তেজগোড়া কৃষকৰ কৰ্মঠ হাতৰ পৰশত পথাৰখনে প্ৰাণ পাই উঠিব..
নানা ৰঙী সপোনৰ মেলা বহিব..
পুৱাকাশৰপৰা শুভ্ৰ ৰেখা টানি বগুলাৰ শাৰী...
সিহঁতে কঢ়িয়াই নিছে 'সৰলতা' দিগন্তলৈ বুলি...
জীৱনাভুতিৰ ছন্দ বিচাৰি বট বৃক্ষৰ ছাঁত জিৰাইছোঁ...
তলসৰা পাতত হৃদয়ৰ কবিতা...

নিশা আকাশৰ তৰাবোৰে গোৰা মতলীয়া গীতৰ কলিবোৰ সৰি পৰে...
শুকান পথাৰে প্ৰাণ   পাই উঠে
অপৰূপ সান্নিধ্যত
আকৌ আহিম অনুভৱৰ কবিতা লৈ তোমাৰ কাষলে
শ্যামলীমা, তুমি ৰৈ থাকিবা সদায়... মই অহাৰ বাটত...

(৬)
!!! Realistic saga !!!
ফৰিং-ফুটা জোনাকত
চোতালত বহি অনেক সাধুকথা আমি শুনিছোঁ
নিস্প্ৰভ তৰাবোৰ হেনো জোনাকৰ বন্ধু...
সিহঁতে সদায় যায় হাতীপটীৰ দেশলৈ
তাতে হাট বহে
তৰাখচিত গহনাবোৰ ধৰালৈ নমাই আনে পপীয়াই
দিঠক হয়... কণমাণিহঁতৰ সপোনবোৰ
অ'তদিনে উচুপি থকা মেঘৰ চপৰাবোৰেও আনন্দত নাচি উঠে
বন্যা বোৱাই ডাৱৰবোৰ উভতি যায়গৈ সপোন ৰাজ্যলৈ
প্ৰজন্মৰ গাঁথাবোৰ বুকুত সাবটি এদিন যামগৈ
দিগন্তৰে বাটবুলি জোনবাইৰ দেশলৈ..!!!

(৭)
!!! Never Let Me Down !!!
সময় নিৰবধি... জীৱনক  জোখাৰ প্ৰয়াসত
নীলাভ জলৰাশিৰ পাৰে পাৰে ঘূৰিছোঁ
দূৰ দিগন্তৰ পৰা উঠি অহা অশান্ত উৰ্মিমালাত নিজকে বিচাৰি চাইছোঁ
মৃত বালিচৰত দুভৰিৰ খোজ
পৰিহাস্পৃষ্ট...
হৃদয়ৰ গোপন কোঠাত বন্দী শব্দবোৰে কথা পাতে
জীৱনক জোখাৰ প্ৰয়াস অন্তহীন...!!!
●





## শব্দ ব্ৰহ্ম

**বিপুল পাটৰ**
প্ৰাক্তন ছাত্ৰ

একোৱেই লিখা নাই-- লেখা হয় অলংকৃত উপমাৰে স্থিৰ।
জ্ঞানশূন্য মোৰ ক'বলৈ একোৱেই নাই,
শব্দ কি সঁচাকৈ ব্ৰহ্ম!
শব্দৰ ধ্বনি প্ৰতীয়মান সোণৰ হৰিণা
অপাত সাৰশূন্য। সময়ৰ অনুৰাগত ভ্ৰম আৰু ভ্ৰমণ।
একেবাৰে শেষ দৃশ্যত উপনীত মই
তাৰ আগেয়ে  হাজাৰ মহান্তৰ, নীৰৱতা, প্ৰণয়
প্ৰণয়ৰ বাবে সমৰসজ্জা, কলাকৌশল
কৌশলৰ বাবে আখৰা আৰু শেষত বিজয়ৰ অভিষেক
অথবা সন্ধি আৰু প্ৰতি নমস্কাৰ ---বানপ্ৰস্থ ....
কৰতালিৰ সৈতে আঁৰ কাপোৰ পৰিল
সকলো চৰিত্ৰ ক্লান্ত, দৰ্শক উভতিছে ঘৰলৈ
কাক ক'ম, কি ক'ম, কোনেইবা শুনিব!
এই যে কৈছোঁ অথবা লিখিছোঁ -- নিজেই নাজানো
মই কোন, কেনেকৈ গঢ়ি উঠে সৰল ৰেখাৰ
খণ্ড সমকালৰ জীৱনবৃত্ত।
কেৱল জানো “ব্ৰহ্ম সত্য জগত মিথ্যা।”
●

## প্ৰত্যাশা

▸▸। **অবন্তি কুমাৰ বৰা**
প্ৰাক্তন ছাত্ৰ

প্ৰত্যুষতে উঠি অহা
ৰাঙলী  সূৰুযে
নতুনত্বক আদৰি ল'বলৈ
প্ৰতিটো দিনতে
আকুলতা বিচাৰি
উন্মাদ হৈ পৰে।

উপত্যকাৰ প্ৰাচীৰবোৰেও
হাত বাউল দি মাতে
আমিও আছোঁ বৈ
আত্মজৰ আশাত।

ভাববোৰ তেনেকৈয়ে
প্ৰতিফলিত হয়
সুৰংগৰ বেহুত থকা
পাৰহীন বাসনাৰ
সীমাহীন অন্তৰত।
●



## জীৱনৰ আলিদোমোজা

▸▸। **বৰ্ণা শৰ্মা,** প্ৰাক্তন ছাত্ৰী

জীৱনৰ আলিদোমোজাত
আজি যেন মই
ক্ষত-বিক্ষত...
হেজাৰ আশাৰ
অলেখ সপোনৰ
মৰিশালি বুকুত বান্ধি,
আগবাঢ়ি আছোঁ
এক তিমিৰাচ্ছন্ন
যাত্ৰা পথত...
নিৰৱে অকলশৰে...
পোৰা-নোপোৰাৰ অলেখ প্ৰশ্নই
বুকুখন মাজে মাজে জোকাৰি যায়,
বিনিময়ত উত্তৰ মাথোঁ এটাই
নিৰৱতা...
পাৰাপাৰহীন এই জীৱনযাত্ৰাত
পাম নে বাৰু বিচাৰি মই
এজাক আশাভৰা জোনাকৰ
নিঃস্বাৰ্থ সান্নিধ্য!!
●

## সময়

▸▸। **বিষ্ণু ডেকা**
প্ৰাক্তন ছাত্ৰ

১
একক অনন্য হৈ
তেওঁ যুঁজ দিছিল,
সোঁতৰ বিপৰীতে খোজ দি
গঢ়িছিল বিপ্লৱ,
কিন্তু আমি তেওঁক হত্যা কৰিলোঁ
২
যোৰাবেলি পথাৰখন নদন বদন হৈ
শস্য শ্যামলা হৈ পৰিছিল,
এইবাৰ আৰু পথাৰখন নাই,
ওখ ওখ অট্টালিকাই গ্ৰাস কৰিলে সপোনবোৰ
৩
চিনাকি মুখৰ আঁৰত
লুকাই থকা আজিৰ মানুহবোৰ
আমি হেৰুৱাই পেলাইছোঁ
তাহানিৰ সেই বাস্তৱ জীৱনৰ সৈতে
মিলি যোৰা ক্ষণবোৰ ....
●

# জোনাক

⏭ নন্দিতা গোস্বামী
সহকাৰী গ্ৰন্থাগাৰিক



নিৰিবিলি সন্ধিয়াত
কথা পাতোঁ তোমাৰ স'তে
অস্ত আকাশৰ হেঙুলীয়া
ৰং বোৰেও যে
নিসংগতাই মোৰ মনত
দোলা দি যায়
শৈশৱৰ মধুৰ স্মৃতি
কবিতাৰ দস্তাৱেজত
বিচাৰি পাওঁ
তোমাৰ ঠিকনা
ফৰিংফুটা জোনাকত
জীৱনৰ সাতোৰঙী ৰঙে
মোৰ মন জীপাল কৰি তোলে,
ক'ত যে হেৰাই যায়।
ক্ৰন্দসী আকাশৰ জোন।
●

# প্ৰকৃতি

⏭ সুব্ৰত দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

সেউজীয়া পাতৰ মাজত
নিঃশ্বাস লয় জীৱনে।
পাহাৰৰ বুকুত সুৰ
নদীৰ কোলাত শান্ত মন।
আকাশে লিখে নীলা কবিতা
বতাহে গায় নীৰৱ গান।
সূৰ্য্যৰ হাঁহিত জাগে দিন
চন্দ্ৰৰ পোহৰতে নিশা নিৰ্মল প্ৰাণ।
প্ৰকৃতি মা-মমতাৰ ছাঁ
নীৰৱে দিয়ে সকলো।
আমি যদি বুজোঁ, সন্মান দিওঁ।
তেতিয়া জীৱনো হ'ব সেউজ।
●

# মনৰ নিজানত তই

⏭ সাগৰিকা ডেকা
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

কি যে ধুনীয়া সময় আছিল।

তোৰ লগত পাৰ হোৱা দিনবোৰ,
জীৱনত সকলো পোৱা যেন লাগিছিল।
এদিন দুদিনকৈ গ'ল বছৰ বাগৰি,
কেৱল তোৰ কথা ভাবি ভাবি,
হৃদয়ৰ কথাবোৰ ক'ব খুজিও
থমকি ৰৈ যায়।
বন্ধুত্ব ভাঙি যায় বুলি।
তোক এবাৰ দেখিবলৈ মই
হাবাথুৰি খাই ফুৰিছিলোঁ।
তোক এদিন নেদেখিলে
দিনটো পাৰ হোৱা নাছিল।
আজি বহুত দূৰত তই
তথাপিও থাকিবি তই মোৰ
হৃদয়ৰ দলিচাৰ মাজত।
●



# বিনাশ

⏭ ৰিকু বৰদলৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

এদিনাখন ৰাতি
এজাক ধুমুহাই কৰিছিল আমনি
লগত আনিছিল ভয়ানক
বিজুলী ঢেৰেকনি
হঠাৎ সাৰ পাই উঠি বহিছিলোঁ
মোৰ বিছনাৰ ঢামডালত
খিৰিকীৰ ফাঁকেৰে চাই ৰলোঁ
দেখিলোঁ বাহিৰত
প্ৰকৃতিয়ে ৰং কৰি থকা
জগতৰ লগত
ৰং ধেমালিত মগ্ন হৈ থকা
প্ৰকৃতিৰ এই বিনাশ
কঢ়িয়াই আনিছিল পৃথিৱীত
বহু মানৱতাৰ নাশ
হঠাৎ! আকৌ সাম কাটিল
এই ধুমুহা জাক
প্ৰকৃতিয়ে হাঁহি মাৰি ক'লে জগতক
চোৱা মোৰ এই বিনাশ।
●



# দেউতা

⏭ সাগৰিকা ডেকা
স্নাতক চতুৰ্থ যাণ্মাসিক (কলা শাখা)

মোৰ জীৱনৰ উপহাৰ তুমি
নিস্বাৰ্থ মনে ভাল পোৱা।
মোৰ নিস্বাৰ্থ বন্ধু তুমি
সাহস শক্তি মোৰ ভগৱান।
পৰিয়ালৰ সকলোকে সুখী কৰা
মানুহ জনেই মোৰ দেউতা।
মোৰ জীৱন যুদ্ধত যুঁজিবলৈ
শিকোৱা মানুহ জনেই মোৰ দেউতা।
সৰুৰেপৰা প্ৰতিটো খোজৰ
লগৰী তুমি মৰমৰ দেউতা।
মোৰ দুখত দুখী হোৱা
মানুহজনেই হ'লা তুমি।
মোৰ প্ৰতিটো ঠেহত ঠেহ
ভঙা তুমি মোৰ দেউতা।
জীৱন সংগ্ৰামত যুঁজি যুঁজি
আজি তুমি ভাগৰুৱা দেউতা।
তথাপিও তুমি হাঁহি আছা
হাঁহিৰে চকুলো ঢাকি আছা।
চকুলোৰে সংসাৰখন চলাই নিছা।
●

# গুৰু

⏭ বৰষা সেনাপতি
স্নাতক ষষ্ঠ যাণ্মাসিক (কলা শাখা)

আপুনি এক শুদ্ধ শলিতা
যিয়ে নিজক পুৰি
পোহৰালে শতকুৰি শিষ্যৰ জীৱন।
আপুনিয়েই এক শুদ্ধ
সোণালী ফলক।
যিয়ে দেখুৱাই শুদ্ধ পথ জীৱনৰ।
আপুনিয়েই বৃহৎ
জ্ঞানৰ ভাণ্ডাৰ
বিলোৱা অন্ত নাই শুদ্ধ জ্ঞানৰ।
শিক্ষাতো গুৰু কৰ্মটো গুৰু
গুৰু অবিহনে নোৱাৰি একো সাফল্য
লভিব অৰ্জুন।
হে গুৰু আপুনিয়েই
ভগৱন্তৰ সম
আমাৰ চকুত।
হে গুৰু মমবাতি হৈ
আৰু কিমান গলিব
আমাৰ কাৰণে
শিষ্য হৈ একো দিব নোৱাৰিলোঁ
এই অধমে।
হে গুৰু শতকোটি প্ৰণাম
আপোনাৰ শ্ৰীচৰণত।
হে গুৰু আপুনি
চিৰ নমস্য ।
হে গুৰু আপুনি
চিৰ নমস্য।।
●

# সোণালী সময়

⏭ **অনিষা চৌধুৰী**
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

সৌ সিদিনা
মা-দেউতাৰ আঙুলিত ধৰি
থুপুক-থাপাক কৈ খোজ দি
কান্ধত বেগ
ডিঙিত ফ্লাস্ক লৈ
সোমাইছিলোঁ পঢ়াশালিৰ বুকুত...
কেতিয়ানো পাৰ কৰিলোঁ পঢ়াশালি
জীৱনৰ বাৰটি বসন্ত  গমকে নাপালোঁ...

অকণি অকণি হাতেৰে জীৱনৰ প্ৰথম আদিপাঠ
অ-আ, ক-খ ৰ শিকা সময়ৰ পৰা
কেতিয়ানো আলফা বিতা গামা শিকা ৰ সময় আহিল
গমকে নাপালোঁ।।
বৰকৈ মনত পৰে সেই দিনবোৰ...
হয়তো সময় এনেকুৱাই
চকুৰ পলকতেই জীৱনে বাট সলাই...
●



# স্মৃতিৰ এখিলা পাত

⏭ **লিজা ডেকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

আজি অতীতলৈ উভতি যাওঁ
চাওঁ এবাৰ বিচাৰি নিজে নিজক
সীমাহীন বেদনাৰ মাজত
আকৌ বিচাৰি যাওঁ ল'ৰালিক
কি যে বিনন্দীয়া মৰম
ধূলি-বালিৰে  খেলিছিলোঁ
কিৰীলি মাৰি হাঁহিছিলোঁ গাইছিলোঁ
কিবা অচিনাকি সুৰত
অ! কি মধুৰ স্মৃতি
জেউতি জীৱন
নাছিল ক'তো ভয়, ভাগৰ
চেং গুটি, লুকা-ভাকু
ৰজা-ৰাণী খেল
খেলি খেলি পাহৰিছিলোঁ
সমস্ত দুখ কষ্ট আৰু যে ভাগৰ
প্ৰফুল্লিত মন আৰু
মুখত মিঠা হাঁহি
সঘনে বৈ আহিছিল
চকুৰ পানী
এতিয়া মোৰ হাতত কেৱল
কিতাপ, বহী আৰু কলম
চাৰিবেৰৰ মাজত নীৰৱতাসহ
নেদেখা ভৱিষ্যতৰ সপোন
পাহৰিব  নোখোজা ল'ৰালিক
সময় বুলি মনত কৰিছোঁ
পাৰ হৈ যোৱা ল'ৰালিৰ প্ৰতিচ্ছবি।
●

# অভাগিনী

⏭ অমৃতা ডেকা
প্ৰাক্তন ছাত্ৰী

কিমান নিৰ্লজ্জ এই সমাজ
যাকে সৃষ্টিকৰ্তা বুলি গণ্য কৰি
যাকে শাৰদীয় পূজা কৰি
শত শত পুষ্প বৰষাই
তেওঁকে নিৰ্যাতন কৰি চকুৰে অশ্ৰু নিগৰাই
পুত্ৰ সন্তানৰ অভাৱত
নাৰীক অভাগিনী কৰি
পিছত সেই পুত্ৰই কিয়
পিতৃ-মাতৃক আশ্ৰমৰ পথ দেখুৱায়।
●



# প্ৰকৃতি ৰাণী

⏭ জিনি মেধী
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

প্ৰকৃতিয়ে উলাহত গান গায়
প্ৰভাকৰৰ সোণালী পোহৰৰ মাজেৰে
প্ৰকৃতিয়ে নিৰৱে গান গায়
শশাংকৰ ৰূপালী পোহৰৰ মাজেৰে

তৰঙ্গিনীৰ তৰংগত বাজে সুৰ
পক্ষীৰ কণ্ঠস্বৰত বিয়পে গান
প্ৰকৃতিৰ মনোৰম গান
মন্ত্ৰমুগ্ধ হৈ শুনে বনস্পতিয়ে

গানত নৃত্য কৰে প্ৰজাপতিয়ে
পুষ্পৰ দলিচাৰ ওপৰত
তাকে দেখি পৱনে সহাৰি
জনায় দলিচাৰ সুগন্ধি বিলায়।
●

# নিৰোগী

⏭ পিন্টু শীল
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

পুৱাৰ বতাহ যদি গাত লাগে।
সকলো ৰোগ দৌৰি ভাগে।
যদি পান কৰে স্বচ্ছ পানী
সুস্থ হৈ থাকিব সদায় আপুনি।।

সময়ৰ শাক-পাচলি, সময়ৰ ফল
দেহা নিৰোগী ৰাখে বাঢ়ে শক্তি-বল।
সঁচা সদাচাৰত বাঢ়ে মনৰ বল
মন শুদ্ধ হ'লে স্বাস্থ্যও সবল।

যাৰ আগচোতালত নিম-তুলসী থাকে
বেজ নোহোৱাকৈ ঘৰ সদায় সুস্থ ৰাখে।
●

# আত্মবিশ্বাস

⏭ মাধৱ পাতৰ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

মই পাৰিম বুলি ভাবোঁ মনত,
ভয় নাথাকে মোৰ পথত।
ভুল হ'লেও নাথাকোঁ দুখী,
আকৌ চেষ্টা কৰিম বুলি সুখী।
নিজক বিশ্বাস কৰিলেই জানো,
আগুৱাই যাব পাৰিম আমি সকলো।
পৰিশ্ৰমে সপোন সঁচা হয়
আশাই মনত পোহৰ লয়।
হেৰাই গ'লেও উঠিম পুনৰ
হাত এৰি নাযাওঁ কেতিয়াও পথৰ।
আত্মবিশ্বাস থাকিলে সদায়।
জীৱনৰ জয় নিশ্চিত হয়।
●

# শৈশৱ


⏭ বিতু পাঠক
প্ৰাক্তন ছাত্ৰ




এতিয়া বুকুৰ মঙহেও ঠেহ ধৰিছে
হৃদয়খনো ভাগৰি পৰিছে
সপোনবোৰেও আমনি কৰিছে
সেয়ে শৈশৱলৈ মনত পৰিছে।

এতিয়া সময়ে ফল দিয়া নাই
সেয়ে হয়তো সমাধানো পোৱা নাই
মনৰো কাৰো মিল পোৱা নাই
সেয়ে, শৈশৱলৈ মনত পৰিছে।

ল'ৰালিলৈ ঘূৰি যাব পৰা নাই
ডাঙৰ হৈ আগুৱাই যাব পৰা নাই
শান্তিৰে শুই, নিজকে লুকুৱাই ৰাখিবও পৰা নাই
সেয়ে শৈশৱলৈ মনত পৰিছে

●

# সময়


⏭ সমীৰ দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক




আহিছে সময় গৈছে সময়,
সময় উৰণীয়া পক্ষী।
জানিবা নিশ্চয় সময় ক্ষন্তেকে,
নাথাকে কাকো ৰখি।

যিজনে সময়ক কামত নখটাই,
ঘূৰি-ফুৰে অকাৰণত।
জানিবা নিশ্চয় সেইজন লোকৰ
উন্নতি নাই জীৱনত।

কালচক্ৰৰ দৰে সময় ঘূৰি ফুৰে,
নাই কোনো হীন-পৰ।
সকলোৰে বাবে সময় আছে,
কৰা সৎ ব্যৱহাৰ।

●

# তুমি


⏭ সুস্মিতা সূত্ৰধৰ
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)


বাৰে বাৰে প্ৰতাৰিত হৈ ভাবা
আৰু নালাগে আপোনাৰ
এই মাদকতা,
কিন্তু আগুৱাই গৈ
কিয় পাহৰি যোৱা
নিজক দিয়া প্ৰতিশ্ৰুতিৰ
কথা।
প্ৰতিবাৰে বিফল হৈ ভাবা
আৰু এবাৰ নতুনকৈ
ভালদৰে কৰিম চেষ্টা
কিন্তু কিয় পিছপৰি
ৰোৱা
সময়ে সুযোগ দিয়ে

যেতিয়া।
প্ৰতিটো ৰাতিয়ে ভাবা
নিজক সলনি কৰিম
কাইলৈৰ পৰা
কিন্তু কিয় তুমি
প্ৰতিটো পুৱাই
পাহৰি যোৱা
প্ৰতিটো ৰাতিৰ
কথা।
এয়াই নেকি
তোমাৰ জীৱনৰ যাত্ৰা।

●

# জীৱন

⏭ কাজল সৰকাৰ
স্নাতক প্ৰথম ষাণ্মাসিক (কলা শাখা)

জীৱন হৈছে আমাৰ জন্মভূমি
সেই ৰণভূমিৰ তেজী ঘোঁৰা আমি।
ৰণভূমিৰ ৰণ আৰু জীৱনৰ জন একে
ৰণত যোদ্ধাৰ প্ৰয়াসত আশা থাকে
সেই আশাই যোদ্ধাৰ হেঁপাহৰ বাট মোকলায়।
জীৱন ৰণত যোদ্ধাৰ আশা নিৰাশো হয়
যেনেকৈ কুঁৱলীত বাট হেৰুওৱাৰ ভয়
জীৱনৰ আশাইও কেতিয়াবা বাট হেৰুৱায়।
জীৱন মানে সংগ্ৰাম, সকলোৰে কয়
কিন্তু থমকি নৰয় কোনেও।
সকলোৰে যুঁজে, যুঁজিব, যুঁজিব লাগিব।
জীৱন যুদ্ধত যুঁজাৰু হৈ জয়ী হ'ব লাগিব
ঠিক ৰণভূমিৰ যুঁজাৰুৰ দৰে, নিজৰ বাবে...
জীৱন বাটত সেউজ সিঁচিব হ'লে যুদ্ধ কৰিব লাগিব
জীৱনৰ বাটত ভাগৰিলে, জীৱনৰ গভীৰতা কেনেকৈ বুজিব।
জীৱনত নিজক যুঁজাৰু হিচাপে সাজু কৰাৰ বাহিৰে
আমি যে উপায়হীন
জীৱন আমাৰ, এই ৰণভূমিৰ যুঁজাৰু আমিয়ে
যুঁজি আছোঁ, যুঁজি থাকিম, যুঁজিবই লাগিব।
●



# নিসংগতা

⏭ চেলিনা চুলতানা
প্ৰাক্তন ছাত্ৰী

নিসংগতাই হৈছে জীৱন
নিসংগতাই আনি দিয়ে
জীৱনৰ এক নতুন বাট
সেই বাটত নানা ঘাত-প্ৰতিঘাতৰ
সন্মুখীন হৈয়ে জীৱন গঢ় লৈ উঠে।
নিসংগতাই জীৱনত দুখৰ জোৱাৰ
নমাই আনে,
সেই জোৱাৰৰপৰাই জীৱন গঢ়ি তোলাৰ
এক নতুন বাট দেখুৱাই।
জীৱনৰ আন এটা নামে নিসংগতা।
●

# সপোনবোৰ

⏭ হিমাশ্ৰী বসুমতাৰী
স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান শাখা)

নীৰৱ বতাহৰ সৈতে উৰি অহা
মোৰ সপোনবোৰ
ৰঙীন পখিলাৰ দৰে
হৃদয়ৰ একোণত থিতাপি লৈ
মুকুতা মণিৰ দৰে জিলিকে
আকৌ নীৰৱ বতাহৰ সৈতে উৰি গৈ
দূৰৈৰ কোনোৱা সাগৰ পাৰত হেৰাই যায়।

সপোনবোৰ বৰ ঠুনুকা
হৃদয়ৰ ঘাটত ই এক আশাৰ কিৰণ।
কিন্তু কেতিয়াবা ক'ৰবাৰ পৰা অহা
দিঠকৰ এজাক প্ৰবল ধুমুহাই
হৃদয়ত খুন্দা মাৰি সপোনবোৰক
সময়ৰ সোঁতত যেন ম্লান কৰি পেলায়
হয়তো তেতিয়াই আশাৰ সৰু নাওখন
দুখৰ সাগৰত ডুবি যায় আৰু
বিষাদৰ সুৰেৰে হৃদয় উচুপি উঠে।
●

## আজি হৃদয়ৰ চুকে-কোণে

⏭ **প্ৰাঞ্জল ক্ৰ**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

আজি হৃদয়ৰ চুকে-কোণে
বজ্ৰপাতৰ ঢেৰেকনি মাৰে
দেহৰ অংগই অংগই তোমাৰেই শব্দ চালে
জীৱনৰ স্বপ্নটোও যেন সাৰ পাই উঠে
তোমাৰ মতেই যেন পুনৰ জিলিকিবলৈ ধৰে
আকাশত চাং পতাও যেন পলাবলৈ ধৰে
আজি হৃদয়ৰ চুকে-কোণে মাথোঁ তোমাকে বিচাৰে
দুহাতেও যেন আজি কিবা ক'বলৈ খোজে
তোমাৰ শব্দই যেন পুনৰ প্ৰাণ পাই উঠে
আজি হৃদয়ৰ চুকে-কোণে
বজ্ৰপাতৰ ঢেৰেকনি মাৰে।
●

## আকৌ লগ পাম

⏭ **গায়ত্ৰী দাস**
প্ৰাক্তন ছাত্ৰী

আকৌ লগ পাম
বিদায় বুলি নকওঁ
ঘূৰ্ণীয়মান এই অস্থিৰ অশান্ত বিশ্ব
এই পৃথিৱীত ময়ো যে এক যাযাবৰ স্বপ্ন
যেতিয়ালৈকে দেখি থাকিম
তোমাৰ দুচকুত অপেক্ষাৰ উছাহ
যেতিয়ালৈ তোমাৰ হাঁহিবোৰ হৈ থাকিব
বিশুদ্ধ উশাহ
বিদাই বুলি নকওঁ
কাইলৈ কি হ'ব যদিও নাজানো
তথাপিটো প্লেটফৰ্মত ৰৈ থাকিম তোমাক
খিৰিকিৰে চুই চাই,
দীঘলীয়া উকিকো আওকাণ কৰি ক'ম
আকৌ লগ পাম আকৌ।
●

## বতাহ জাকি

⏭ **উপাসনা দেউৰী**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

এই বতাহ জাকিয়ে কিবা কথা কৈ যায়
জীয়াই থাকিবলৈ আশীৰ্বাদ দি যায়
এটা সময়ত বতাহ আহে আৰু
মোক চুই যায়, কিছু মৰম সানি যায়
এই বতাহ জাকিয়ে কিবা কথা কৈ যায়
প্ৰকৃতিৰো যে কি সুন্দৰ সৃষ্টি 'উদ্ভিদ'
তাৰে এটা ফল মোৰ হিচাপে বতাহ
বহুত কৰিলা কাম।
উপভোগ কৰা বতাহ কিছু সময় ৰৈ যোৱা
নিজক বিচাৰি লোৱা
এটি হাঁহি মাৰি সুখী হোৱা।
●

## জোন তুমি ঠিকনা বিহীন

⏭ **চুমি ডেকা**
উচ্চতম মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

তুমিচোন ঠিকনা বিহীন হ'লা
জাৰৰত লুকুৱা জোনৰ দৰে
মোৰ পৰা আঁতৰি গ'লা।
সন্ধ্যা মেঘৰ আঁৰত থাকি,
মোৰ মুখনি তুমি
জুমি জুমি চোৱা।
ডাৱৰৰ আঁৰত থাকিও
মোৰ খোজত খোজ
মিলাই যোৱা
বিশাল আকাশত তুমিয়েই এক নক্ষত্ৰ
যি সকলো তৰাক এৰি মোলৈহে চোৱা।
●

# ৰঙীন পখিলা

⏭ **সুদিপ্তা বৰা**
উচ্চতম মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

এটি পখিলা! কি যে ৰূপ তাৰ,
ডেউকায় কঢ়িয়ায় সাতোৰঙী ফাগুনৰ ভাৰ।
এটি কোমলতা, এটি মায়াৰ বৰণ,
জোনাকী বাটেৰে যেন কৰিছে বিচৰণ।
বতাহত নাচি ফুৰে লঘু গতিৰে,
কোনোবা ৰঙীন সপোন দেখিছে সেয়েহে।
ফুলা ফুলপাহীত তাৰ সামান্য জিৰণি,
প্ৰতি পাহি স্পৰ্শত আছে এক মোহন বাণী।
প্ৰথম প্ৰণামত কাৰোবাৰ মনত বহে আশা,
ক্ষন্তেকতে সলাই দিয়ে আন্ধাৰ পৃথিৱীৰ ভাষা।
প্ৰতিটো উৰণ তাৰ, এক জীৱনৰ পাঠ,
মুক্ত মনেৰে যেন দেখুৱাই যায় প্ৰকাশ।
কিমাননো দিন তাৰ এই মুক্ত বিচৰণ?
ক্ষণিকৰ অতিথি সি, জানে তাৰ জীৱন।
তথাপি নুশুনে কোনো দুখৰ কাহিনী,
সুখেৰে উৰুৱাই দিয়ে জীৱনৰ পাহিটি।
●





# আমাৰ জন্মভূমি

⏭ **শিল্পা বৰা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
(কলা শাখা)

আমাৰ এই জন্মভূমি
আমাৰ এই ভাষা
আমাৰ এই জাতিটো
জীয়াই ৰাখোঁ আহা
তেজেৰ বলিদান দি
জীয়াই ৰাখিম বুলি
সকলোৰে মিলি
প্ৰতিশ্ৰুতি দিওঁ আহা
হে মোৰ জন্মভূমি
নিচিন্ত হৈ থাকা তুমি
তোমাৰ বুকুত খোজ থ'বলৈ
শত্ৰুৱে আৰু নাহে ঘূৰি।
●

# শেৱালি

⏭ **লিজা ডেকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

তুমি শাৰদীয় দুৱৰি বনত
সৰিচা নিয়ৰ গৰকি,
দলিচা হৈ পাৰিছা শীতৰ
কিহেৰে বান্ধিছা এনাজৰী
আলসুৱা জেউতি সাজোন
অতি বিতোপন,
বুটলি হাতেৰে সাজো আমি
মনৰ কাঁচিয়লী ঘৰ।
তুমি লাৱণ্যময় নিশিগন্ধা
জীৱন্ত ফুলনিৰ
দিপ্ত হিয়াত সুবাস বিলোৱা
নিয়তিৰ দুহিতা।
নিয়ৰে ভিজোৱা দুৱৰি বনৰ
প্ৰকৃত বান্ধৱী
প্ৰতি শৰতৰ উজ্বল মণি
তুমিয়েতো শেৱালি।
●

# নাৰী মহান

⏭ নৱনীতা দাস
প্ৰাক্তন ছাত্ৰী



নাৰী হওক আলোক পথৰ অভিযাত্ৰী
পুৰুষৰ সমানেই আগবাঢ়ি যাওক কান্ধত কান্ধ ৰাখি।
নাৰীও পুৰুষৰ সমানেই হওক জীৱন যুদ্ধৰ বীৰ সেনানী,
জয় হওক নাৰী, জয় নাৰী শক্তি।
নাৰীয়েই দিব লাগিব নৰপথৰ দিক্‌দৰ্শন
নাৰীয়ে হাতত তুলিব লাগিব সশস্ত্ৰ প্ৰশাসন।
নাৰী হওক ৰাণী, নাৰী মহান শক্তি,
নাৰী হওক পথ প্ৰদৰ্শকৰ দৰে মা জননী।
নাৰীয়ে দেশৰ বাবে গাব লাগিব জয়গান
নাৰীয়ে আনিব লাগিব জাতিৰ হকে কল্যাণ।
মুখে মুখে গাব লাগিব নাৰীৰ শ্ল'গান,
যাতে নাথাকে নাৰী-পুৰুষৰ মাজৰ কোনো ব্যৱধান।
অন্ধকাৰ নিশাবোৰ নিদ্ৰাত যাওঁক,
নিৰ্ভয়াৰ দৰে কাণ্ডৰ পৰা নাৰী শক্তিয়ে মুক্তি পাওঁক।
জয় মহীয়সী নাৰী, জয় নাৰী শক্তি।

●

# মা মোৰ মৰমৰ

⏭ মুনমী ডেকা
স্নাতক চতুৰ্থ যাণ্মাসিক (কলা শাখা)

মা মোৰ জীৱনৰ এক বিৰাট অনুপম তুমি
মোৰ জীৱনৰ নদীৰ দুয়োকাষে তুমি
মই বৈ যাম জীৱন সাগৰত
তোমাৰ সঁহাৰিবোৰ বোকোচাত বান্ধি।
মা! মোৰ ওপৰত থকা বিশ্বাসৰ বন্তি জ্বলিব সদায়
তোমাৰ হৃদয়ৰ প্ৰতি অগণন কোণত,
যিয়ে মোৰ অন্তৰত দিছে সংগ্ৰাম পথত ধৈৰ্য্যৰ জেউতি
মা! সুৰুযৰ ৰশ্মিবোৰৰ দৰে তুমি এক নিৰলা জ্যোতি
তোমাৰ মৰমৰ দলিছাখনে মোক দিছে,
জীয়াই থকাৰ অসীম অনুভূতি
তোমাৰ আমাৰ সেই উকা গামোছাখনিত
মই ৰচিম সান্ত্বনাৰ অনেক ফুলৰ চানেকি।

●

# তল সৰা শেৱালি

⏭ চয়নিকা বড়ো
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

শৰৎ আহিব যেতিয়া
মই শুভ্ৰ সাজ পৰিধান কৰি
এখনি দৰদী হিয়া লৈ
এপাহি শেৱালি হৈ
জোনাকৰ লগত খেলিম
আন্ধাৰৰ লগত খেলিম
অপেক্ষা কৰিম তোমাৰ বাবে
ওৰে ৰাতি হাঁহি ৰ'ম মই
তোমাক পোৱাৰ আশাত।
বুকুৰ শত-সহস্ৰ বেদনা আৰু
হিয়াৰ উচুপনিবোৰ লুকুৱাই ৰাখিম।
তল সৰা শেৱালি হৈ
আশাৰে বাট চাম
তুমি দুহাতেৰে বুটলি লোৱাঁলে
তুমি মোক কাহানিও নুসুধিবা
নিশাবোৰত মই হাঁহো নে কান্দো।
হে প্ৰিয়তম,
মই একোকে ক'ব নোৱাৰিম।
কেৱল পৰি ৰ'ম মই
সমাধিস্থলত
এপাহি তলসৰা শেৱালি হৈ।।

●

# আন্ধাৰ ৰাতিৰ নীৰৱতা

**⏭ পৰিস্মিতা ডেকা**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

এই আন্ধাৰ ৰাতিৰ নীৰৱতা
মোৰ বৰ প্ৰিয়।
আন্ধাৰ ৰাতিৰ
নীৰৱতাতে ৰচে
বহুজনে নিজৰ জীৱন বাটৰ কাহিনী।।

এই আন্ধাৰ ৰাতিৰ নীৰৱতাত
যেন মৰুভূমিৰ
কেকটাছ গছৰ কাঁইটেৰে আৱৰি থকা
মোৰ হৃদয়খন।
মাজ নিশাৰ ভাৱনাত
তুমি অহাৰ অনুভৱে
মোক শুবলৈ নিদিয়ে
মাথোঁ তোমাৰ কথাই
মনলৈ আহি মোক
বাৰুকৈ আমনি কৰে।।

আন্ধাৰ ৰাতিৰ নীৰৱতাত
যেতিয়া মই মুকলি আকাশৰ তলত বহি
তোমাৰ কথা ভাবোঁ।
তেতিয়া জোনাকৰ পোহৰত যেন তোমাৰ
প্ৰতিচ্ছবি চকুৰ পলকতে ভাহি উঠে।।
●

# वीरों की शान

**⏭ प्रस्तुति कुवंर**
स्नातक छठी छमाही

नाज है हमें उन वीरों पर
जो जान देते है देश के नाम पर
सबकी फिक्र है अपनी अपनी जिंदगी की
पर उनकी फिक्र है अपने देश की
कोइ रावण घुस ना पाए अपने देश में
इसी की फिक्र रहती है हर क्षण में
चाहे घुप हौ, चाहै बरसात
खड़े रहते है बँडाँर पर दिन-रात
जिने की तो मौके है ढेर
पर देश के नाम पर मरना
नहीं कोइ आसान खेल
जान दैकर भी जौ देश के लिए काम आए
वही सच्चे वीर कहलाए।
●

# पिता

**⏭ निकु काकती**
प्राक्तन छात्र



आँखें नम हैं, दिल में है याद तुम्हारी,
अभी कल की बात, तुम थे साथ हमारे।
वो स्नेह भरा हाथ, ममता थी प्यारी,
अब ढूंदती नज़रें, तुमको हर द्वारे।

हर बात में तेरी, प्यार की थी छाया,
परिवार का सुख, जीवन का था गहना।
कैसे भुला दूँ मैं, तूने जो सिखाया,
हर मुश्किल में भी, हौसला न खोना।

तुम चले गए हो, दूर कहीं सबसे,
पर दिल में बसे हो, बनकर एक तारा।
शांति से रहना, तुम जहाँ भी अब से,
यही दुआ है, पिता, तुम्हारा ये प्यारा।
●

যদি কাৰোবাৰ সাধাৰণ
হাতৰ স্পৰ্শত তোমাৰ
শৰীৰত জুই জ্বলি উঠিছে,
ৰাতিৰ টোপনিত কাৰোবাৰ
এহালি চকুৰে আহি যদি
দুচকুত ঢৌ খেলি গৈছে
সেয়াই প্ৰেম।'



# আৰোহী


**গীতাৰ্থ প্ৰিয়ম**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)


খণ্ড (১)

আকাশৰ বুকুৰ পৰা কুঁচি-মুচি হৈ পুৱাৰ ৰ'দজাক যেন লাহেকৈ ওলাই আহিছে। আজি উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ৰিজাল্ট দিব। মানে আৰোহীহঁতৰ ৰিজাল্ট দিব। ৰিজাল্ট দিব বুলি জানি গোটেই আগ ৰাতিটো তাই টোপনি নোযোৱাকৈ পাৰ কৰিলে। ৰাতিপুৱা দুই এটা ফোনো আহিছে। মোমায়েকে কৰিছিল। এনেতে মাক-দেউতাকে পাতি থকা কথাবোৰ তাইৰ কাণত পৰিল।

ঃ হেৰা মিনতি আজি মাজনীৰ ৰিজাল্ট দিব নহয়!

ঃ দিবটো। সেইকাৰণে মই গোঁসাই ঘৰতে শৰাই এভাগ দিছোঁ।

ঃ ভালেই কৰিলা বুইছা। ভালেই কৰিলা।

ঃ জানো পাই কি হয় আৰু... সেইবোৰ চিন্তাতে মোৰ গোটেই ৰাতিটো টোপনিয়েই নহ'ল বুজিছে।

ঃ হেৰা আমাৰ মাজনীৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে মোৰ। তাইৰ ৰিজাল্ট ভাল হ'বই। পিছে এটা কথা নহয় তাইৰ ৰিজাল্টৰ খবৰ ল'বলৈ গাঁৱৰ মানুহবোৰ আহিব নহয়।

ঃ আহিবটো। কিয় নাহিব! গাঁৱৰ মানুহবোৰে তাইক ইমান মৰম কৰে। তাইৰ ৰিজাল্টৰ খবৰটো ল'বলৈ নাহিবনে আৰু!

ঃ এতিয়া কথা হ'ল তেওঁলোককটো কিবা এট খুওৱাব লাগিব।

ঃ তাকেই।

ঃ এটা কাম কৰা। শিতানতে মোৰ পইচা কেইটামান থৈছোঁ লৈ আহাগৈ। মই সাউৎকৈ বজাৰৰ পৰা আহোঁগৈ।

ঃ ৰ'ব মই আনি দিছোঁ।

'মাজনী উঠ আকৌ। সোনকালে গাটো ধুই ল।'

মাকৰ মাতত তাই একেজাঁপে উঠি বিছনাখন চাফা কৰি গা-ধুবলৈ ওলাই গ'ল। গাটো ধুয়েই তাই তিতা চুলিখিনিত গামোছা এখন মেৰিয়াই খোপা এটা বান্ধি লৈছে। গোঁসাই ঘৰত সোমাই চাকি এগছি দি, দুডাল ধূপ জ্বলাই লৈ প্ৰাৰ্থনা এভাগ গাইছে। সৰুতে তাইক এই প্ৰাৰ্থনাটো আইতাকে শিকাইছিল। সেইটোকে তাই গাবলৈ ধৰিলে।

'ব্ৰহ্মা আদি কৰি জীৱ যত



ৰাম ৰাম ৰাম ৰাম ৰাম
মায়াশয্যা মাজে আছয় ঘুমটি যাই
তুমিসে চৈতন্য সনাতন
ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাথ জগাই...’

পুৱাৰ এই প্ৰাৰ্থনাৰ গুণগুণনি আৰু ধূপৰ গোন্ধটোৱে চৌপাশত এক শান্তিময় পৰিৱেশ এটাই বিৰাজ কৰিলে। গোঁসাই ঘৰৰ পৰা ওলাই আহি তাই ৰিজাল্টটো চাই দিবলৈ ককায়েকক কৈছেহি। ইফালে তাইৰ বান্ধৱী নিৰ্মালিও সিহঁতৰ ঘৰতে আছেহি। তাইৰ ৰিজাল্টটোও ককায়েকক চাই দিবলৈ দিছে। নিৰ্মালি আৰু আৰোহী সৰুৰে পৰা খুব ভাল বান্ধৱী। দুয়োজনী একেলগে ডাঙৰ হৈছে। একেখন স্কুলতে পঢ়ি আহিছে। আৰোহীহঁতৰ ঘৰৰ পৰা দুঘৰমান চেৰাই নিৰ্মালিহঁতৰ ঘৰ।

ঃ তই উঠাই নাই এতিয়ালৈ গৰু। চা ঘড়ীটোলৈ এবাৰ আঠ বাজিবৰে হ’ল। অলপ পিছত ৰিজাল্ট দিবই আৰু। আৰোহীয়ে কথাষাৰ কৈ চিঞৰি উঠিল।

ঃ হেৰৌ চাই দিম নহয়। মিছাতে ইমান টেঁটুফালি মৰিছ কিয়? শুই থকা বিছনাৰ পৰাই ককায়েক কল্যাণে মাত লগালে।

সিহঁতৰ এই চিঞৰ-বাখৰত নিৰ্মালিয়ে হাঁহি এটা মাৰি ক’লে-

ঃ তহঁত দুইটা ইমান কুকুৰ-মেকুৰীৰ দৰে লাগি থাকনে?

ঃ এইচব বাদ দে। অ’ নিৰ্মালি মোৰ বৰ ভয় লাগিছে অ’ ভয় ভয় ভাৱ এটাৰে আৰোহীয়ে ক’লে-

ঃ ভয় আৰু তই? ভয় কৰিব লাগে কোনে আৰু কৰিছে কোনে?

ঃ ভয় নকৰিম নেকি? জীৱনৰ ইমান ডাঙৰ পৰীক্ষা এটাৰ ৰিজাল্ট দিব।

ঃ তোৰ এনেও ভাল হ’ব দে। মোৰহে জানো কি হয়? ইংৰাজীটো পাছ কৰিলে যেনে তেনে হাই ছেকেণ্ডাৰী ডেওনাখন পাৰ কৰিব পাৰিম। মুঠতে পাছ কৰিলে হ’ল। ‘হে প্ৰভু চকু মেলি চাবা আৰু তুমি।’

তাইৰ কথাত আৰোহীয়ে অলপ পাতলকৈ হাঁহিল।

ঃ হাঁহিছ... মায়ে কৈছে ফেইল কৰিলে আৰু পঢ়োৱাত নাই। ল’ৰা এটা চাই বিয়া দি দিব বোলে।

ঃ সেইকাৰণে পঢ় আকৌ। আৰু এতিয়াই এই বিয়া বাৰু বান্ধোনত নপৰিবি দেই। নিজকে প্ৰতিষ্ঠা কৰি লচোন আগত। তাৰ পাছত ভাবিবি এইবোৰ কথা।

ঃ নিজকে প্ৰতিষ্ঠা হ’বলৈ কিছুমান গুণ লাগিব নহয় আৰু সেইবোৰ গুণ তোৰ আছে মোৰ নাই।

ঃ নিজৰ ওপৰত বিশ্বাস ৰাখ। এই আত্মবিশ্বাসে এজন ব্যক্তিক জীৱনটোত আগুৱাই যাবলৈ বহুত সহায় কৰে। তইও স্বাৱলম্বী হ যাতে বিয়াৰ পাছত সৰু সৰু বস্তুৰ বাবে স্বামীৰ ওচৰত হাত পাতিব লগা নহয়।

ঃ আচলতে তোৰ বৰ আত্মবিশ্বাস আছে। জাননে তই কাষত থাকিলে মই বহুত প্ৰেৰণা আৰু উৎসাহ পাওঁ।

ঃ বান্ধৱী হৈ যদি মই তোক অকণমান সাহসেই দিব নোৱাৰোঁ তেন্তে মই কিহৰ বান্ধৱী কচোন।

এনেতে দুয়োজনী কথা পাতি থাকোঁতে ভিতৰৰ পৰা কল্যাণে চিঞৰি উঠিল অ’ মা, মা অ’ মা... মাজনীহঁতৰ ৰিজাল্ট ওলাল। সোনকালে আহ। মাজনী অ’ মাজনী তোৰ ৰিজাল্ট দিলে। এইফালে আহ সোনকালে। ককায়েকৰ মাতত আৰোহীৰ বুকুখন দুৰু দুৰুকৈ কঁপিবলৈ ধৰিলে। ভাল হ’ব দে ব’ল চাওঁগে নিৰ্মালিয়ে ক’লে।

ঃ কি হ’ল ৰিজাল্ট ধন কচোন? মাকে সুধিলে।

ডিষ্টিংচন পাইছে মাজনীয়ে মা বুলি কৈ চিঞৰি উঠিল। ৰিজাল্টটো শুনিয়ে মাকে আৰোহীৰ ফালে চাই ৰ’ল। একেথৰে। সুখৰ নে আৱেগৰ ভৰত মানুহজনীৰ চকু দুটা পানীৰে উপচি পৰিল। গাৰ চাদৰৰ আঁচল এটাৰে চকুৰকোণ দুটা মচি গাৰ সমস্ত জোৰেৰে বুকুৰ মাজলৈ আৰোহীক টানি নি মাকে সাবটি ধৰি

চুমা এটা খাইছে। মাকৰ এনে সুখ দেখি আৰোহীৰ দুচকুৰেও এটোপাল সুখৰ চকুপানী বৈ আহিল। কল্যাণে ভনীয়েকৰ খবৰটো লগৰ সকলোকে ফোনেৰে জনালে। আৰু যে কিমানক খবৰ দিবলৈ আছে! দুই এজনে নিজেও ফোন কৰি খবৰ ল'লে। আৰোহীৰ দেউতাকে মিঠাইৰ দোকানতে হেনো খবৰটো পালে। খবৰটো শুনিয়ে মানুহজন যিমান সোনকালে পাৰে সিমান সোনকালে আহিছে। এনেতে দেউতাক আহি পাই বজাৰৰ মোনাটো মাকৰ হাতত তুলি দিছে।

ইতিমধ্যে ওচৰৰ চুবুৰীয়া মানুহ আহি ভিৰ কৰিছে। আৰোহীক লগ পাবলৈ সিহঁতৰ ঘৰখনলৈ মানুহৰ সোঁত বৈছে। সন্ধিয়া মানুহৰ ভিৰ কমি কমি নোহোৱা হৈ গ'ল।

ঃ মই কোৱা নাছিলোঁ তোৰ ৰিজাল্ট ভাল হ'ব বুলি। দেখিলি মোৰ কথা কেনেকৈ আখৰে আখৰে ফলিয়ালে। উছাহত নিৰ্মালিয়ে কৈ উঠিলে।

ঃ তই অকল ফাৰ্ষ্ট ডিভিজন পোৱা বাবে মনটো বেয়া লাগিছে নেকি?

ঃ ধুৰ মই ভবাও নাছিলোঁ ফাৰ্ষ্ট ডিভিজন পাম বুলি। ভগৱানে চকু মেলি চালে চাগে।

ঃ যদি মোৰ পৰাই তোক দুটামান লেটাৰ দি দিব পৰা হয় দি দিলোঁ হয়!

তাইৰ এনে মৰমলগা কথাত নিৰ্মালিয়ে সাবটি ধৰি কৈ উঠিল তই যে ইমান পাগলী নহয়!

খণ্ড (২)

ক'ত পঢ়িব?

CU ?

GU ?

ওহোঁ ইয়াৰ এখনতো তাই নপঢ়ে! ঘৰৰ পৰা ওচৰৰে ঠিক দহ কিলোমিটাৰমান হ'ব। জাগীৰোড মহাবিদ্যালয়। হয়। অসমৰে মৰিগাঁও জিলাৰ জাগীৰোডত অৱস্থিত এখন স্নাতক শিক্ষাৰ মহাবিদ্যালয়। যাৰ নাম পূৰ্বতে আছিল কপিলী আঞ্চলিক মহাবিদ্যালয় য'ত কলা, বিজ্ঞান, বাণিজ্য, অভিনয়, তথ্য প্ৰযুক্তি, পৰ্যটন আদি বিভিন্ন শাখাত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়ায়। জাগীৰোড মহাবিদ্যালয়তে তাই এডমিশ্যনটো কৰিলে। আগৰ পৰাই তাই শুনি আহিছে মহাবিদ্যালয়খনৰ কথা। খুব ভাল। সেয়ে তাই তাতে পঢ়াৰ মন এটা আছিল। এডমিশ্যনৰ দিনাই প্ৰথম কলেজখনলৈ গৈছিল আৰোহী। দেউতাকৰ স'তে। শুনা মতেই কলেজখন সঁচাকৈ তাইৰ ভাল লাগিছিল।

আগষ্ট মাহৰ পুৱা। আজি আৰোহীৰ কলেজীয়া জীৱনৰ প্ৰথমটো দিন। অৱশ্যে তাইৰহে প্ৰথম, চুৰিদাৰজোৰ চিলাই নোহোৱাত প্ৰথমদিনা তাই যাব নোৱাৰিলে। পুৱাই সোনকালে উঠি গাটো ধুই তাই কলেজলৈ যাবলৈ নিজকে সাঁজু কৰিলে। ক'লা ৰঙৰ ফোঁট এটা লগাই, ওঁঠত পাতলকৈ গুলপীয়া ৰঙৰ অলপ লিপষ্টিক লৈছে। তিতি থকা বাবে চুলিখিনি মেলিয়েই ল'লে। কলেজৰ ঘেঁহু ৰঙৰ চুৰিদাৰৰ সৈতে পাতল চূৰ্ণীখন ডিঙিত লৈ আইনাখনৰ সন্মুখত বাৰে বাৰে নিজকে চাইছে। ধুনীয়া। ভাল লাগিছে। কিমান বেছি নিজক ভাল পালে নিজৰ চকুতে নিজক ধুনীয়া দেখিব পাৰি। যি মানুহে নিজৰ চকুত নিজক ধুনীয়া দেখিব পাৰে তেৱেঁই পৃথিৱীৰ সমস্ত বস্তুকে ভাল পাব পাৰে।

ঃ মা মোৰ হ'ল। মই যাওঁ দিয়া।

ঃ মাজনী, তই ওলালি। চাওঁ, পায়স অকণ খাই যাচোন।

ঃ দিয়া। তোমাৰ হাতেৰে খুওৱাই দিয়া। শুভ দিনটোৰ আৰম্ভণি তোমাৰ পৰাই হওক।

ঃ হু ল'। তোৰ জীৱনটো সুন্দৰ হওঁক। কেনেকুৱা হৈছে অ' মা?

ঃ তুমি ইমান মৰমত বনাই দিয়া বস্তু বেয়া হ'ব পাৰে জানো! মই আহোঁ দিয়া মা। আশীৰ্বাদ কৰিবা।

ঃ যা মা। ঈশ্বৰে তোৰ মঙ্গল কৰক।

ঃ ভালকৈ যাবি অ' মাজনী। দেউতাকে ভিতৰৰ পৰাই চিঞৰি ক'লে।



মাক আৰু দেউতাকৰ পৰা বিদায় লৈ আৰোহী কলেজলৈ যাবলৈ গাড়ীত উঠিল। মনত অলপ ভয়, অলপ সংকোচ, নহ'বনো কিয়, নতুন কলেজ, নতুন ঠাই। গে'টৰ সন্মুখত অলপ ৰৈ এবাৰ আকাশখনৰ ওপৰলৈ চাই সৰুকৈ ক'লে নিজে শুনাকৈ কৃষ্ণ প্ৰভু। অলেখ চিন্তাৰ জোৱাৰ আৰু ভয়, সংকোচেৰে ভৰি পৰা গধূৰ মনটোক কঢ়িয়াই লৈ কলেজৰ চৌহদত ভৰি দিয়ে তাই। গেটৰ ভিতৰলৈ সোমায়েই কাষে কাষে বকুলৰ গছবোৰ। এবাৰ অকলে গোটেই কেম্পাচটো ঘূৰি চালে। ভাল লাগিল। ধুনীয়া। চাৰিওফালে সেউজীয়া আৰু সেউজীয়া। মন ভাল লগাব পৰাকৈ কাষে কাষে ভিন্ন ৰঙী ফুলবোৰ। গোটেই কলেজখন সেউজীয়াৰে আবৰি আছে। তাইৰ এনে লাগিছিল যেন কলেজখন সেউজীয়াখিনিৰ বুকুত শুই পৰিছে।

এনেতে ঘড়ীটোলৈ চাই দেখিলে ৯ বাজেই। প্ৰথম ক্লাছটোতে অসমীয়া আছে। কিন্তু ক্লাছৰুম বা ক'ত! ইমান ডাঙৰ কলেজখনত ক্লাছৰুম বা ক'ত? নতুন হিচাপে সকলোবোৰ অচিনাকি তাইৰ। এতিয়া তাই কোনফালে যায় বাৰু? নিজকে বৰ অসহায় যেন লাগিছিল আৰোহীৰ। হঠাতে তাই কাৰোবাৰ মাত শুনিল। BDB 2 ত অসমীয়াৰ মেজৰ ক্লাছ হ'ব। তাৰ পিছে পিছে আৰোহীয়ে গৈছে।

ঃ ঐ শুনাচোন। আৰোহীয়ে ক'লে।

ঃ এ, ঐ নহয় হা... মা দেউতাই গণকৰ হতুৱাই মোৰো এটা নাম ৰাখিছে। গতিকে নাম কাঢ়ি মাতিবা।

কি পাগল ল'ৰা এইটো! তাক মই চিনিয়েই নাপাওঁ কেনেকৈ তাৰ নামটো জানিম বাৰু! মনতে তাই ভোৰভোৰালে।

ঃ কিবা কৈছিলা?

ঃ নাই নাই। তোমাৰ নামটো?

ঃ অনুৰাগ ডেকা। তোমাৰ?

ঃ আৰোহী বৰদলৈ।

তাইৰ নামটো শুনিল কি নুশুনিল সি দৌৰি গৈ তাৰ ঠাইত বহিলগৈ। তাইও হাঁহি এটা মাৰি ক্লাছটোলৈ সোমাই গ'ল। ৰুমটো বহুত ডাঙৰ। প্ৰায় ২০০ ৰো অধিক ল'ৰা- ছোৱালীয়ে ভৰি আছে। তাই এবাৰ ইফালে সিফালে চালে। ক'ত বহিম নবহিম ভাবি থাকোঁতে কাষৰ ছোৱালী এজনীয়ে মাত লগালে।

ঃ নতুনকৈ আহিছা?

ঃ হয়।

ঃ আহা, ইয়াতে বহিব পাৰিবা।

ৰক্ষা! অৱশেষত যে বহিবলৈ ঠাই অলপ পালে। Thanks বুলি কৈ আৰোহী তাইৰ ওচৰতে বহিল। লগত আৰু দুজনী আছে। দুয়োজনী কথা পতাত ব্যস্ত। সিহঁত দুয়োজনী HS হেনো ইয়াতে পঢ়া।

মই হিমাস্মিতা আৰু এই নয়না। দুয়োজনীয়ে মুখত হাঁহি এটা লৈ তাইক সিহঁতে নিজৰ পৰিচয় দিলে।

ঃ ঐ, ৰহমান ছাৰ আহিছে।

দুজনীমান বাহিৰতে আছিল বাবে HOD ড° ৰহমান ছাৰক দেখা পাই সকলোকে ক'লে। ইমান ভিৰৰ মাজত মাত্ৰ প্ৰথমত বহাবোৰে শুনা পালে। এনেতে ছাৰ সোমাই আহে।

ঃ গুড মৰ্ণিং ছাৰ!

সকলোৱে থিয় হৈ একেলগে ক'লে।

ঃ মৰ্ণিং! মৰ্ণিং! বহা বহা!

আজিয়ে ক্লাছ আৰম্ভ নকৰোঁ। প্ৰথমতে তোমালোকৰ সৈতে চা-চিনাকি হৈ লওঁ। আৰু ইতিমধ্যে তোমালোকে গম পাইছা চাগে তোমালোকৰ Subject কি কি আছে? নতুন শিক্ষা নীতি NEP ৰ ছেকেণ্ড বেট্‌ছ তোমালোকে হয়। FYUGP ৰ Under ত তোমালোকে পঢ়িব লাগিব। মুঠ সাতোটা বিষয়ৰ। মেজৰ এখন, মাইনৰ দুখন প্লাছ কমন পেপাৰ হিচাপে থাকিব চাৰিখন পেপাৰ। এ. ই. চি, ভি. এ. চি, এম. ডি. চি, এছ.ই.চি। বিষয় কেইটাত অপশ্যন হিচাপে বহুতো থাকিব তোমালোকৰ নিজৰ সুবিধা মতে নিজে নিজে চিলেক্ট কৰি ল'বা সকলোৱে। গতিকে ভালকৈ পঢ়িবা। গোটেই কথাখিনি তেওঁ ভালকৈ বুজাই মেলি আমাৰ নামবোৰ এফালৰ পৰা সুধি যায়।

ঃ কি নাম?

ঃ নীৰৰ বৰদলৈ।

ঃ পাৰ্চেন্টেজ কিমান?

ঃ চেভেণ্টি ফ'ৰ!

ঃ লেটাৰ পাইছা?

ঃ হয় ছাৰ। অসমীয়া আৰু ইকনমিক্সত।

ঃ নেক্সট্ তুমি কোৱা, তোমাৰ নাম?

ঃ কৃষ্ণা ডেকা।

ঃ ঘৰ?

ঃ ভকতগাঁও ছাৰ।

ঃ পাৰ্চেন্টেজ?

ঃ ছেভেণ্টি ছাৰ।

ঃ নেক্সট্?

ঃ অনুৰাগ ডেকা। পাৰ্চেন্টেজ ফিফটি নাইন ছাৰ।

ঃ মই পাৰ্চেন্টেজৰ কথা সুধিছিলোঁ জানো!

ঃ নাই ছাৰ কিন্তু জানিছোঁৱেই সুধিব বুলি আৰু সকলোকে সুধিয়েই আহিছে। সি এইবাৰ হাঁহি হাঁহি ক'লে।

ঃ ভেৰী স্মাৰ্ট। গুড এনেকুৱাই হ'ব লাগে।

ঃ নেক্সট্?

এইবাৰ আৰোহীৰ পাল আহি পৰিল। ইছ তাইৰ যে লাজে লাগিছে। ইমানবোৰ ষ্টুডেণ্টৰ মাজত থিয় হৈ নিজৰ পৰিচয় দিব লাগিব। উঠিবইতো লাগিব। আকৌ এবাৰ ৰহমান ছাৰে ক'লে তোমাকে কৈছোঁ। তেতিয়া হে তাই থিয় হ'ল।

ঃ কি নাম?

ঃ আৰোহী।

ঃ উপাধি নাই চাগে তোমাৰ?

ঃ ধেমালিৰ সুৰতে ছাৰে কৈ উঠিল। ছাৰৰ এনে কথাত সমস্বৰে হাঁহি পেলালে।

ঃ আৰোহী বৰদলৈ ছাৰ।

তাইৰ নামটো শুনিয়ে যেন ছাৰজনে একপ্ৰকাৰে উচ্চস্বৰত কৈ উঠিল।

'তুমিয়েই মানে আৰোহী বৰদলৈ।'

তাই একো বুজিব নোৱাৰি ভেবা লাগি চাই থাকিল। এইবাৰ ছাৰজনে সকলোকে উদ্দেশ্যি ক'লে--

এওঁৰ নাম আৰোহী বৰদলৈ। ডিষ্টিংচন সহ নম্বৰ লৈ মুঠ গোটেই কেইটা বিষয়তে লেটাৰ পাইছে। তাৰ পিছতো তেওঁ এই অসমীয়া বিষয়টোতে অনাৰ্চ হিচাপে চিলেক্ট কৰিছে। ভাল লাগিছে। ভাল হওক তোমাৰ। আগুৱাই যোৱা। ছাৰৰ এই মন্তব্যত মুহূৰ্ততে গোটেই ৰুমটো কাঁহ পৰি জীণ যোৱাৰ দৰে হৈ পৰিল। তাই নিজৰ পৰিচয় দিবলৈ নাপালেই ছাৰজনে সকলো কৈ পেলালে। সকলোৰে চকু কেৱল আৰোহীৰ ওপৰত। লাজ লাগি গৈছিল তাইৰ এনে পৰিস্থিতিত। এখন্তেকো পলম নকৰি ছাৰ ওলাই গৈছিল। আৰোহীয়ে বহা বেঞ্চখনত আধা সংখ্যক ল'ৰা-ছোৱালীয়ে আহি তাইক ঘেৰি ধৰিছিল। তাইও সকলোৰে লগত চা-চিনাকি হ'ল।

নেক্সট ক্লাছটো নহ'ল। ক্লাছ নোহোৱাত গোটেই ষ্টুডেণ্টবোৰে হাই-উৰুমিখন কৰি আছে। যেন শ্ৰেণীকোঠা নহয় এখন মাছৰ বজাৰহে। এনে হুলস্থুলীয়া পৰিৱেশটোত থাকি অসহ্যকৰ লাগি সেয়ে কৃষ্ণাই ক'লে -

ঃ ব'লা,আৰোহী কেণ্টিনৰ পৰা আহোঁগৈ। যাবা নে?

আৰোহীৰ যাব মন নাছিল যদিও ইমান মৰমত লগ ধৰিছে। তাই বাৰু কেনেকৈ নোযোৱাকৈ থাকে? সেয়ে তাইও ক'লে -

ঃ ব'লা, অলপ এইখিনিৰ পৰা আঁতৰি যাওঁ। ইমান হুলস্থুল কৰি আছে।

ক্লাছ ৰুমৰ পৰা ওলাই দুয়োজনীয়ে উত্তৰ ফালে খোজ ল'লে। হয়, কলেজৰ চেণ্ট্ৰেল লাইব্ৰেৰীৰ লগতে কেণ্টিন। কাষত বাস্কেট বলৰ প্লে' গ্ৰাউণ্ড খনৰ লগতে লাগি আছে কেণ্টিনখন।

ঃ দাদা কফি হ'ব নেকি?

ঃ কিমান লাগে?

ঃ দুকাপ দিব আৰু লগত ব্ৰেড চপ দুটা দি দিব। তুমি খাবা নহয় আৰোহী।

ঃ হ'ব দিয়া। তুমি দেখোন অৰ্ডাৰ দিলাই। আৰোহীয়ে ক'লে।

আৰোহীৰ ফালে চাই মিচিককৈ হাঁহি এটা মাৰি কৃষ্ণাই ক'লে সেই একে বাৰে লাষ্টলৈ ব'লা। তাতে বহি ভাল লাগে। কাষৰ খিৰিকিৰে এজাক ৰ'দে আহি ঠাইডোখৰ পোহৰ কৰি ৰাখিছে। দুয়োজনীয়ে গৈ তাতে বহিল।

ঃ আৰোহী তুমি কি কি চাবজেক্ট লৈছা?

ঃ মেজৰ অসমীয়া আৰু মাইনৰ ইংলিছ আৰু ইকনমিক্স। তোমাৰ?

ঃ মেজৰটো একে বাৰু। মাইনৰ হিচাপে এডুকেশ্যন আৰু পল চাইন্স।

এইবোৰ এতিয়া বাদ দিয়া। বাকী কোৱাচোন তোমাৰ ঘৰত কোন কোন আছে?

কৃষ্ণাই সুধিলে।

ঃ মা, দেউতা, দাদা আৰু মই। তোমাৰ?

ঃ মা আৰু মই। দেউতা নাই। ঢুকাল। হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ আগে আগে। হঠাতে কৃষ্ণাৰ চকু দুটা পানীৰে উপচি পৰিল। মুখখন লুকুৱাবলৈ তাই আনফালে ঘূৰাই দিয়াত আৰোহীয়ে বুজি পাই লগে লগে তাইৰ চকুপানী মচি দিলে।

ঃ লোৱা, কফি খোৱা।

ঃ ও বুলি কৈ কৃষ্ণাই মূৰ দুপিয়ালে।

ধেৎ তেৰি ইমান ধুনীয়াকৈ ছোৱালীজনী আহিছিল। আৰু এতিয়া তাইৰ মনটো মুহূৰ্ততে সলনি হৈ গ'ল। আৰোহীয়ে বুজি পাইছে তাইৰ দুখখিনি। যেতিয়া জীৱনৰ পৰা দেউতা নামটো নোহোৱা হৈ যায় আচলতে তেতিয়াই জীৱনটোৱে সলনি হৈ যায়।

কেণ্টিনৰ পৰা দুয়োজনী ওলাই আহিছিল। এঘাৰ বজাৰ পৰা ইকনমিক্সৰ ক্লাছ আছে তাইৰ। আৰু কৃষ্ণাৰ এডুকেশ্যন। কৃষ্ণাই তাইক মাত লগাই গুচি গ'ল। এতিয়া ক্লাছটো ক'ত হ'ব নাজানে আৰোহীয়ে। এডমিশ্যনৰ দিনা আহোঁতে ক্লাছৰ ৰুটিনখন পাইছিল। কিন্তু এতিয়া কথা হ'ল ক্লাছ ৰুমটো ক'ত আৰু কোনফালে যাব লাগিব তাই জানিবও লাগিব নহয়। তাইৰ কাষেৰে পাৰ হ'বলৈ লওঁতেই হঠাতে ল'ৰা এজনে মাত লগালে।

ঃ হাই আৰোহী!

ঃ মই নীৰৱ!

ঃ অহ, তেতিয়া অসমীয়াৰ ক্লাছত পাইছোঁ।

ঃ পিছে ইয়াত এনেকৈ কালৈ বৈ আছা?

ঃ নহয় মানে মোৰ ইকনমিক্সৰ ক্লাছ আছে এতিয়া। কিন্তু ক'ত ক্লাছ হ'ব নাজানো।

ঃ অহ! আহা, আহা। মোৰো আছে। PTB 202 ত হ'ব।

ঃ ঠিক আছে। ব'লা।

বৰ শান্ত ল'ৰাজন। দেখিলে কোনোৱে নক'ব B.A ৰ ষ্টুডেণ্ট বুলি। খুব সৰু ল'ৰাৰ দৰেই। ক্ষীণকৈ বগাকৈ। চকুত এযোৰ হাই পাৱাৰৰ চশমা।

ক্লাছলৈ গৈ পালে হয়, কিন্তু আজি আৰু ক্লাছ নহয়। সেয়ে উভতি আহিল। ঘৰলৈ যোৱাৰ আগে আগে দুয়ো গৈ লাইব্ৰেৰীত সোমাইছিল। ভিতৰত ষ্টুডেণ্টবোৰে বেগবোৰ ৰাখিব পৰাকৈ সন্মুখৰ বাঁওহাতৰ ফালে ৰেক এখন আছে। বেগ কেইটা তাত ৰাখিয়ে এণ্ট্ৰি কৰি চিধাই কিতাপবোৰৰ ওচৰলৈ গৈছিল। অলপ সময়ৰ বাবে মনটো ভাল লাগি গৈছিল তাইৰ। চাৰিওফালে কিতাপৰ গোন্ধ এটাই বিয়পি আছিল। এফালৰ পৰা তাই চুই গৈছিল সজাই ৰখা কিতাপবোৰ। এনেতে ঘপক্কৈ এখন হাতৰ স্পৰ্শ হৈছিল আন এখন হাতৰ। কাৰ হাত বুলি চোৱাতহে তাই গম পাইছিল তাইৰ কাষত এজন ল'ৰাই থিয় দি আছে। লাজত নে ভয়ত তাই দুখোজ পিছুৱাই গ'ল।

ঃ কৃষ্ণ প্ৰভু। ল'ৰাজনে তাইক হাঁহি এটা মাৰি ক'লে।

পুৱাই আৰোহীয়ে কলেজৰ গেটৰ সন্মুখত কৃষ্ণ বুলি কোৱা ল'ৰাজনে শুনিছিল। সেয়ে তাইক জোকাবলৈকে সি এনেকৈ ক'লে। লাজতে আৰোহী আঁতৰি আহিল। ল'ৰাজনে চাই থাকিল আৰোহীলৈ আঁৰ নোহোৱালৈকে। লাজত ৰঙা হৈ লাইব্ৰেৰীৰ পৰা ওলায়ে তাই নীৰৱক দেখি ক'লে।

ঃ তুমি কেতিয়া ওলাই আহিলা?

ঃ তুমি ওলাই অহাৰ আগে আগে।

ঃ অহ! লগ পাই ভাল লাগিল নীৰৱ তোমাক।

ঃ মোৰো, ঠিক আছে দিয়া। লগ পাম পিছত!

কথাকেইটা কৈ আঁতৰি গ'ল ল'ৰাটো।

ইতিমধ্যে এক বাজি গ'ল। যিহেতু এতিয়া তাইৰ আৰু ক্লাছ নাই সেয়ে কৃষ্ণা আৰু হিমাস্মিতাৰ পৰা বিদায় লৈ ঘৰলৈ আহিবৰ বাবে গেটৰ দিশে খোজ লয়। গেটৰ কাষেৰে পাৰ হৈ যাবলৈ অলপ তাইৰ নিজৰে লাজ লাগিল। কাৰণ গেটৰ সন্মুখত সেই ল'ৰাজনো আছে যিজনক অঠনি লাইব্ৰেৰীত লগ পাইছিল। তথাপিও আগুৱাই গ'ল তাই। ল'ৰাজনৰ কাষেৰে পাৰ হৈ যাবলৈ লওঁতেই সি নিজে মাত লগালে।

ঃ হাই! চিনি পাইছা নে? সেই যে লাই.. ল'ৰাজনে কথাটো সম্পূৰ্ণ কৰিবলৈ নাপাওঁতেই

ঃ উম্ বুলি কৈ মূৰ দুপিয়াই তাই।

ঃ মই অধীৰ বৰুৱা, ইয়াতেই থাকোঁ। জাগীৰোডতে।

'কোনে বা তেওঁৰ পৰিচয় সুধি আছে!' বুলি মনতে ভোৰভোৰাই উঠিল আৰোহী।

ঃ পিছে তোমাৰ নামটো?

ঃ আৰোহী, আৰোহী বৰদলৈ।

ঃ নতুন চাগে ন!

ঃ হয়। BA 1st sem.

ঃ দিয়া। গৈ থাকিবা।

প্ৰথম দিন হিচাপে দিনটো ঠিকেই গ'ল আৰোহীৰ। লগৰবোৰৰ লগত চিনাকি হ'ল। ভাল লাগিল। ভাগৰে জোগৰে আহি তাই বেগটো টেবুলত ৰাখি ফেনৰ ছুইচটো অন কৰি কাষতে থকা বিছনা খনতেই লাহেকৈ বাগৰিল। অসহ্যকৰ গৰম এটা লাগি আহিছিল আৰোহীৰ। বাগৰ দি থাকোঁতে কেনেকৈনো টোপনি গ'ল তাই গমকে নাপালে।

লাহে লাহে সন্ধ্যা নামি আহিছিল। মেলি ৰখা খিৰিকিখনেৰে সোমাই আহি এজাক পাতল বতাহে তাইক চুই গৈছে।

ঃ কেনেকুৱা লাগিল আজি কলেজত? মাকে আহি ওচৰতে বহি ল'লে।

ঃ ভালেই লাগিল দিয়া মা।

ঃ ক্লাছ হৈছে নে?

ঃ তেনেকৈ নহ'ল। প্ৰথম দিন হিচাপে চা-চিনাকিয়েই হ'ল। আৰু আমাৰ FYUGP পাঠ্যক্ৰমৰ বিষয়ে বুজালে ছাৰ এজনে সেইবোৰে।

ঃ পিছে কাৰোবাৰ লগত চিনাকি হ'লিনে?

ঃ অ'। কেবাজনীও চিনাকি হ'ল। কিন্তু কৃষ্ণা আৰু নীৰৱ নামৰ ল'ৰা এটাৰ লগত ভালকৈয়ে চিনাকি হ'ল। ল'ৰাজন খুব ভাল মা।

ঃ সকলোৰে লগত মিলিজুলি থাকিবি আক'।

ঃ হ'ব দিয়া। তুমি চিন্তাই নকৰিবা।

ঃ আৰু কিতাপ কিনিব লাগিব নহয়। মাকে কৈ আছে।

ঃ ও কিন্তু দোকানবোৰত দেৰিকৈ আহি পাই তেতিয়ালৈ কলেজত sessional Exam এ দিবৰ হয়।

ঃ কোনোবা চিনাকি থাকিলে তোৰ ওপৰৰ ক্লাছৰ কাৰোবাৰ পৰাই ল'ব পাৰ দেখোন।

ঃ বাৰু মই বিচাৰিম দিয়া।

ঃ দুপৰীয়াও ভাত নাখালি কলেজৰ পৰা আহি। আহ মই

ভাত বাঢ়ি দিওঁ গৈ।

ৰাতি শুব লওঁতে ঘপককৈ সেই হাতখন তাইৰ মনলৈ আহিল। কি আছিল সেই স্পৰ্শ। চকুযুৰি মুদি দিলে। চকুযুৰি মুদিয়েই সেই এদিন দেখা ল'ৰাজনৰ মুখখনে আহি আমনি কৰিছেহি তাইক। আজিলৈকে আগে পিছে এনে অনুভৱ কেতিয়াও হোৱা নাই। তেন্তে আজি কিয়? নিজে নিজক কোৱাৰ দৰে মনতে তাই ক'লে এয়াই প্ৰেম নেকি বাৰু? ধেৎ নাই নাই। কিখন যে ভাবিছে তাই। এটা সাধাৰণ স্পৰ্শত প্ৰেম জানো সম্ভৱ? তাকো খন্তেক দেখা ল'ৰা এজনক! নাই এয়া কেতিয়াও প্ৰেম নহয় মিছ আৰোহী বৰদলৈ।

'এয়াই প্ৰেম আৰোহী। যদি কাৰোবাৰ সাধাৰণ হাতৰ স্পৰ্শত তোমাৰ শৰীৰত জুই জ্বলি উঠিছে, ৰাতিৰ টোপনিত কাৰোবাৰ এহালি চকুৱে আহি যদি দুচকুত টো খেলি গৈছে সেয়াই প্ৰেম।' কোনোবাই যেন তাইক কথাখিনি কোৱাৰ দৰে লাগিল।

কম ভলিউমত তাই জুবিন দাৰ গান এটা লগাই শুবলৈ চেষ্টা কৰিলে। মিহি মিহিকৈ তাইৰ কাণৰ ওচৰতে বাজি আছিল

'তুমি চোৱা যেতিয়া দুচকু তুলি
মোৰ আকাশ ভাঙি নামে বিজুলী
ৰ'দে হাঁহে... ফুল ফুলে
কথা ক'লে
তুমি চুলেই বসন্ত
ধুমুহাও যে প্ৰশান্ত...'

খণ্ড (৩)

ঃ আৰোহী, ৰ'বাচোন!

কাৰোবাৰ মাতত তাই যেন অলপ ৰৈ গ'ল। পিছফালে ঘূৰি চাওঁতেহে দেখিছে নিকিতা নামৰ ছোৱালীজনী দৌৰি দৌৰি কৈ আহিছে।

ঃ কি হ'ল, ইমান দৌৰি আহিছা যে ?

ঃ আৰে ৯ বজাৰ পৰা ইকনমিক্সৰ ক্লাছ আছিল। এই গাড়ীলৈ ৰৈ থাকোঁতে দেৰি হৈ গ'ল।

হয়তো। এতিয়াহে আৰোহীয়ে হাতৰ ঘড়ীটোলৈ চাই দেখে যে ইতিমধ্যে ৯ বাজি পাৰ হৈ গ'ল। দুয়োজনী যিমান পাৰে খৰধৰকৈ কলেজৰ গেটৰ ভিতৰলৈ সোমাই গ'ল।

ঃ লাহে লাহে গ'লেও পাবা অ' ছোৱালী।

কোনোবাই যেন সিহঁত দুয়োজনীক উদ্দেশ্যি কৈছে সেইটো গ'ম পাইছে। কিন্তু সেইবোৰ চাই থাকিবলৈ এতিয়া যেন অলপো সময় নাই। কেনেকৈ ক্লাছত উপস্থিত হৈ গৈ সেয়াহে



সিহঁতৰ এই মুহূৰ্তত লক্ষ্য। যিহেতু ৭৫ পাৰ্চেণ্ট Attendance বাধ্যতামূলক। ৭৫ পাৰ্চেণ্ট নহ'লে হেনো কলেজৰ কৰ্তৃপক্ষই পৰীক্ষাত বহিবলৈ নিদিয়ে। সেয়ে ক্লাছটো নাপালেও যেন Attendance টো মেইন হৈ পৰিছে সকলোৰে বাবে।

ঃ May I come in Sir?

দৰ্জাখনৰ সন্মুখত ৰৈ মুখখন সেমেকা সেমেকি কৰি আৰোহীয়ে ক'লে -

ঃ আহা। ইমান লেট যে কিয়?

ঃ মানে ছাৰ এই আৰোহীৰ বাবে। তাইক ৰৈ থাকোঁতে দেৰি হৈ গ'ল।

হঠাৎ যেন আৰোহীৰ খং উঠি গ'ল নিকিতাৰ ওপৰত। ইমান মিছা কথা এটা কৈ পেলালে তাই।

ঃ কিয় তাই সৰু ছোৱালী! অকলে আহিব নোৱাৰে। আহা আহা সোমাই আহা এতিয়া।

নেক্সট্ টাইম যাতে এনেকৈ মোৰ ক্লাছত দেৰিকৈ নাহা। মই অহাৰ আগেয়ে যেন সকলো ক্লাছত সোমোৱা।

বিশ্বজিৎ বৰা নামৰ ছাৰজনে অৰ্থনীতিৰ বিষয়বস্তু সম্পৰ্কত সুন্দৰকৈ ক্লাছটো কৰিলে। ক্লাছটো শেষ কৰিয়েই ছাৰ যাবলৈ লওঁতেই লগে লগে নিকিতাই ক'লে --

ঃ ছাৰ Attendance!

ঃ অহ, ৰৈয়ে গৈছিল ন তোমালোকৰ! কোৱা ৰ'ল নম্বৰ কেইটা কোৱা?

ঃ ৩৫ ছাৰ নিকিতা দাস।

ঃ ২৭৭ ছাৰ। আৰোহী বৰদলৈ।

থেংক ইউ ছাৰ! সমস্বৰে একেলগে কৈ উঠিল।

ক্লাছটো শেষ হৈছিল মাত্ৰ। অৰ্থনীতিৰ বিষয়বস্তু সম্পৰ্কত ক্লাছটো কৰি ছাৰ ওলাই গৈছিল। লগে লগে ৰূমটোত চিঞৰ বাখৰ। তাৰ পিছৰ ক্লাছটো অফ্। আৰোহী বহাৰ পৰা উঠি যাবলৈ লওঁতেই আকৌ কোনোবাই মাত লগালে।

ঃ আৰোহী! লাইব্ৰেৰীলৈ যাবা নেকি?

লাহেকৈ নীৰৱে কৈছিল।

ঃ ব'লা, নহ'লে।

ঃ ক্লাছলৈ আহোঁতে কিয় দেৰি কৰিলা?

ঃ মই আহিয়ে আছিলোঁ জানানে! এই নিকিতাই ৰ'বলৈ কোৱাত ৰৈ দিলোঁ অলপ।

ঃ কি?

আৰোহীৰ কথাটোত যেন নীৰৱ আচৰিত হোৱাৰ দৰে কৈ উঠিল। কিয়নো তেতিয়া ক্লাছত ছাৰে সোধাত নিকিতাই আৰোহীৰ বাবে দেৰি হোৱা বুলি কৈছিল।

ঃ আচ্ছা বুজিছোঁ। 'নিজক বচাবলৈ গৈ আনক দোষ জাপি দিয়া এই শ্ৰেণীৰ মানুহখিনিয়ে কেনেকৈ পাৰে এনে কাম কৰিবলৈ?' প্ৰায় খঙত কোৱাৰ দৰে কথাখিনি নীৰৱে কৈ গ'ল। আৰোহীৰ নহয় যেন নীৰৱৰহে বেছি খং উঠিছিল। নীৰৱৰ এনে কথাত আৰোহীৰ যেন তাঁলৈ কিবা এটা মৰম লাগি গ'ল।

ঃ হ'ব দিয়া। এইবোৰ বাদ দিয়া।

লাইব্ৰেৰীলৈ বুলি যাবলৈ আহি থাকোঁতেই এনেতে পাছফালৰ পৰা কোনোবাই মাত লগালে।

ঃ ইমান খৰধৰকৈ ক'লৈ যোৱা?

ঘূৰি চাওঁতে হে দেখিল। KLB 201 ৰূমটোৰ দৰ্জাখনত গা আউজি থিয় দি আছে। হয়, সেইজন ল'ৰাই। যাক আৰোহীয়ে প্ৰথম দিনাই লাইব্ৰেৰীত লগ পাইছিল। লগত তিনিজনমান ল'ৰা আৰু দুজনী ছোৱালী।

ঃ লাইব্ৰেৰীলৈ।

তাই তলমূৰকৈ উত্তৰ দিলে।

ঃ ধুৰ। লাইব্ৰেৰীলৈ যায় নেকি কাষত ইমান ধুনীয়া ধুনীয়া ল'ৰা থাকোঁতে।

নিকুমণিবাৰ কথাত গোটেই কেইটাই হাঁহি পেলালে। যথেষ্ট লাজ লাগিছিল আৰোহীৰ। তাই দেখি নোপোৱাকৈ এবাৰ অধীৰেও তাইলৈ চালে।

ঃ নতুনকৈ আহিছা?

উত্তৰত তাই মূৰ দুপিয়ায়।

ঃ কি নাম দুয়োটাৰে?

কাষতে থিয় হৈ থকা ঋতুপৰ্ণাবা গৰাকীয়ে সুধিলে।

ঃ মোৰ নাম নীৰৱ বৰদলৈ।

ঃ আৰু তোমাৰ?

ঃ আৰোহী বৰদলৈ।

ঃ অহ হৌ! বৰদলৈ বৰদলৈ মানে। দুই বৰদলৈ এক হৈ আছে একদম।

ঃ বা আমি গৈ থাকোঁ নেকি? বিৰক্তি পাই নীৰৱে কৈ উঠিল।

ঃ অহ যোৱা যোৱা। বেয়া নাপাবা দেই!

ক্ৰমে আঁতৰি যোৱা আৰোহীলৈ একেথৰে চাই ৰৈছিল অধীৰ। ঋতুপৰ্ণা চকুত ধৰা পৰাত তাই তাৰ গাত ঠেলা এটা দি 'ঐ পতাই ল' ছোৱালী জনী খুব ভাল কিন্তু' বুলি কৈ সিহঁত আঁতৰি গৈছিল।

পিছৰ মেজৰ ক্লাছটো এঘাৰটাৰ পৰা আছিল। BDB-2 ৰূমটোলৈ সকলোৰে দৌৰাদৌৰি চলিল। খুব ধুনীয়া মে'ম এগৰাকী সোমাই আহিল।

গাৰ্গী মে'ম!

ডিপাৰ্টমেণ্টৰ আটাইকেইগৰাকী মে'মে ধুনীয়া। কিন্তু তাৰ মাজতো গাৰ্গী মে'ম অলপ বেলেগ ধৰণে জিলিকি থাকে। তেওঁৰ পিন্ধিলৈ বৈ পৰা হেয়াৰ ষ্টাইল, দেহৰ বৰণ আৰু ড্ৰেচ আপৰ বাবেই তেওঁ জিলিকি থাকে। আৰোহী যেন থৰ লাগি চাই থাকিল মে'মলৈ। যেন ড্ৰয়িং ৰূমত সজোৱাই থোৱা এজনী মৰমলগা পুতলা হে।

ফুলৰ দৰে কোমল মাতটোৰে বৰ সৰলভাৱে শেষ হৈ গ'ল ক্লাছটো। তাৰ পিছৰ ক্লাছটো অফ্। সকলোৱে বাহিৰলৈ ওলাই আহিবৰ বাবে কিতাপ - বহী সামৰি লৈছিলহে। তেনেতে 3rd আৰু 5th sem ৰ এজাক ল'ৰা - ছোৱালী সোমাই আহিল। লগত সেই চশমা পিন্ধা ওখ ল'ৰাজন আৰু অলপ আগতে লগ পাই অহা সেই বা দুগৰাকী। নিকুমণি আৰু ঋতুপৰ্ণা। ভয়ত যেন আৰোহী কঁপি উঠিল। কিন্তু কিয় আৰু কাৰ বাবে? ভয় কৰিবলগাটো একো নাছিল গোটেই জাকৰ মুখে মুখে এটা এটা প্ৰাণচঞ্চল হাঁহি।

তেন্তে এই ভয় কিহৰ?

ওহোঁ নাজানে তাই।

ঃ হাই! আমি তোমালোকৰ ছিনিয়ৰ। একে ডিপাৰ্টমেণ্ট

যেতিয়া সেয়ে চিনাকি হ'বলৈ আহিলোঁ। বেয়া পাবা নেকি আকৌ?

সোমাই আহিয়ে 5th sem ৰ ছোৱালী এজনীয়ে কৈছিল।

ঃ ঐ! উজ্জ্বল দৰ্জাখন অলপ মাৰি দে! মনজিতে ক'লে।

ঃ ভয় নকৰিবা। আমি একো নকৰোঁ তোমালোকক। জাষ্ট চিনাকি হ'ম।

চিনাকি হওঁতে কি দৰ্জাখন মাৰি ল'ব লাগে! মনতে আৰোহীয়ে ভোৰভোৰালে যদিও কাষতে থিয় হৈ থকা অধীৰে কিন্তু ঠিকে শুনা পালে। তাইলৈ চাওঁ নাচাওঁকৈ চাই হাঁহি এটা মাৰি দিলে সি।

ঃ ফাৰ্ষ্ট কথা। তোমালোকে অসমীয়াত মেজৰ লৈছা। আমাৰ অসমীয়া ডিপাৰ্টমেণ্টটোৰ কলেজৰ ভিতৰতে এটা নাম আছে। গতিকে আমি বিচাৰোঁ যাতে ডিপাৰ্টমেণ্টৰ কথা ক'ৰবাত কোনোবাই বেয়াকৈ ক'লেও যাতে তাত থিয় হৈ প্ৰত্যুত্তৰ দিব পৰা। 3rd sem ৰ সবিতা নামৰ ছোৱালী এজনীয়ে কৈ গ'ল।

ঃ এতিয়া এজন এজনকৈ নিজৰ নিজৰ পৰিচয় দি যোৱা। পিছফালৰ পৰা কৈ যোৱা।

ঃ মোৰ নাম অভিজিৎ কোঁৱৰ। ঘৰ জাগী ভকতগাঁও।

এনেদৰে সকলোৱে বহাৰ পৰা উঠি নিজৰ পৰিচয় সমূহ কৈ গ'ল। তেনেকৈ চিনাকি - পৰ্ব শেষ হৈ গৈছিল। ঘপকৈ ৰালৰ কাষত লাগি থকা আৰোহীলৈ চকু গ'ল। ইমান সময়ে তাইক দেখিয়ে পোৱা নাছিল।

ঃ বাঘ হোৱা হ'লে খাই পেলালে হয় বে! অহ sorry বাঘ নহয় বাঘিনী।

বিশেষ ভংগীত আৰিফ নামৰ ল'ৰা এজনে ক'লে। লগে লগেই ৰুমটো চিঞৰ আৰু হাঁহিৰে ভৰি পৰিল।

ঃ মই বাঘিনী নহয়। সৰু সৰু মাতটোৰে তাই ক'লে।

ঃ বাঃ! মাতটো কিন্তু বৰ মিঠা দেই কুলি চৰাইৰ দৰে!

লগে লগে আকৌ হাঁহিৰ জোৱাৰ।

ঃ কি নাম পিছে?

ঃ আৰোহী।

ঃ উপাধিটো ঘৰত থৈ আহিলা নেকি? অধীৰে হাঁহি হাঁহি ক'লে।

ঃ কি কৰি ভালপোৱা?

ঃ পঢ়ি।

ঃ পঢ়াৰ বাদে!

ঃ গান গাই ভাল পাওঁ।

দেন বঢ়িয়া। আমাৰ আৰিফে কোৱাৰ দৰে তোমাৰ কুলি যেন মাতটোৰে আমি এটা গান শুনি যাওঁ ন! নে কি কয় ৰাইজ? প্ৰণৱৰ লগে লগে সকলোৱে হয়ভৰ দি তাইক গাবলৈ দিলে।

ঃ আৰোহী, গোৱা। ঋতুপৰ্ণা বা গৰাকীয়ে তাইলৈ চাই গাবলৈ ক'লে -

গান গাবলৈ এইবাৰ আৰোহী থিয় হ'ল। কাষত অধীৰ বৰ আগ্ৰহেৰে চাই ৰৈছে তাইৰ ফালে। কোনো কোনোৱে দেখিছেও আৰোহীলৈ একেথৰে চাই থকা। লাহে লাহে এক মৃদু সুৰত আৰম্ভ কৰিছিল তাইৰ আটাইতকৈ প্ৰিয় গীতটিৰ মাজৰ কলি এটি--

'তুমি সোণ বুকুৰে তুমি শোণিতৰে
তুমি সপোনৰে তুমি দিঠকৰে
নীলা নীলা চকুযুৰিত এন্ধাৰে কথা ক'লে
আলফুল দুবাহুত আকৌ জীৱনে উশাহ পালে
অ...এতিয়া হিয়া মোৰ বৰষে তোমালে
এতিয়া বুকু মোৰ উলাহে নধৰে
ওঁঠে ওঁঠে দিলা কিনো মনৰে ঠিকনা
চকুতে চকু থৈ বোৱালা কামনা...'

গানটো গাই শেষ হোৱাৰ লগে লগে সকলোৱে হাত চাপৰি বজালে। কোনো কোনোৱে চিঞৰিও ক'লে কি ৰোমাণ্টিক গান অ'... এনেকৈ গাই শুনালে দেখোন প্ৰেমত ডুবি মৰিব। আৰোহীলৈ এতিয়াও চাই আছে সি। এইবাৰ কিন্তু অধীৰ আৰোহীৰ চকুত নিজে ধৰা পৰিল। দুয়ো দুয়োৰে চকুৰ মিল হোৱাত আৰোহীৰ যথেষ্ট লাজ লাগিল।

ঃ ৰাও ছোৱালী ইমান ধুনীয়া লাগিল শুনি... কলেজ ফ্ৰেচাৰ্ছত গাব লাগিব কিন্তু দেই! ঋতুপৰ্ণাই আহি আৰোহীৰ বাহু এটাত ধৰি ক'লে।

ঃ Thank You baa! হ'ব দিয়া গাম বাৰু!

খণ্ড (৪)

এনেকৈয়ে দিনবোৰ গৈ থাকিল। দুদিন পিছত জাগীৰোড কলেজৰ নৱাগত আদৰণি সভা। মহাবিদ্যালয়ৰ অধ্যক্ষ ভবেন চন্দ্ৰ নেওগ ছাৰে কালি ৰাতিয়ে গ্ৰুপত মেছেজ দি পিন কৰি ৰাখিছিল। এই নৱাগত আদৰণি সভা নবীন ছাত্ৰ - ছাত্ৰীসকলৰ বাবে এক আনন্দৰ উল্লাসৰ দিন। য'ত নতুন পৰিৱেশৰ সৈতে পৰিচয়, সাংস্কৃতিক সন্ধিয়াৰ আনন্দ আৰু ভৱিষ্যতৰ সপোন পূৰণৰ প্ৰেৰণা লাভ কৰে। আজি ১৯ আগষ্ট। অৰ্থাৎ মাজত মাথোঁ দুদিন। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনন্দৰ সীমা নাই। যিমানেই ফ্ৰেচাৰ্ছৰ দিন চমু চাপি আহিছে সিমানেই কলেজৰ




পৰিৱেশ উখল - মাখল হৈ পৰিছে। কোনে কি কৰিব, তাকে লৈ আলোচনা। কি কেণ্টিন, কি ক্লাছ ৰূম সকলোতে কেৱল ফ্ৰেচাৰ্ছৰ ঢৌ।

কলেজৰ ইউনিয়ন বডিৰ মেম্বাৰসকলৰ যেন ব্যস্ততাৰ শেষ নাই। সকলো ব্যস্ত কেৱল আৰোহীৰ বাদে। তাইৰ বান্ধৱী কৃষ্ণা, হিমস্মিতাহঁতো ব্যস্ত। ফ্ৰেচাৰ্ছত নাচিব। গতিকে গাৰ্লছ কমন ৰূমলৈ প্ৰেক্টিছ কৰিব গ'লগৈ। এনেতে কাষেৰে পাৰ হৈ যাবলৈ লওঁতেই আৰোহীক অকলে অকলে বহি থকা দেখি অধীৰ তাইৰ ওচৰলৈ আহিল।

ঃ ঐ, কি কৰিছা অকলে ইয়াত?

হয়, এই মাতটো তাইৰ খুব কম দিনতে চিনাকি হৈ পৰিছে। নিশ্চয় অধীৰৰ মাত। চিনিব পাৰিছে তাই।

ঃ নাই, এনেই! অধীৰলৈ নোচোৱাকৈ কঁপা কঁপা মাতেৰে উত্তৰ দিলে তাই।

ঃ 'পিছ দি কিয় আছা, মোলৈ চোৱা।' কাষতে থিয় হৈ অধীৰে ক'লে।

ঃ পানী আনিছা নেকি?

ঃ উম। ৰ'বা, এইটো লোৱা।

বটলটো অধীৰলৈ আগবঢ়াই দিয়াত অধীৰৰ হাতৰ আঙুলিত স্পৰ্শ হৈছিল আৰোহীৰ আঙুলি। গাটো কঁপি উঠিল তাইৰ। ৰঙা পৰিছিল তাইৰ দুগাল।

ঃ অহ, ছ্ৰী!

বটলৰ সাঁফৰখন তলত পৰি গৈছিল। আৰোহীয়ে বুটলিবলৈ লওঁতেই সমানে অধীৰেও হাউলি হৈ বেঞ্চৰ তলত পৰি থকা সাঁফৰখন বুটলিবলৈ লৈছিল।

ঃ আয়ে হায়ে.... ক্যা চিন থা য়ে

এনেতে বাহিৰৰ পৰা গৰমত ভাগৰি জিগৰি অহা কৃষ্ণাই ৰূমত সোমায় সেই দৃশ্যটো দেখি এক দুষ্টালি সুৰত জোকাই ক'লে।

ঃ ধেৎ, তোমাৰো যে কথা আৰু কৃষ্ণা।

ঃ হ'ব! মই দেখিছোঁ সকলো। বাই দা ৰে যোৰা মিলিছে কিন্তু!

কাষতে বহি থকা অধীৰে এবাৰ চকু তুলি আৰোহীলৈ চালে। সেই মুহূৰ্তত তাইৰ যথেষ্ট লাজ লাগিল।

ঃ 'মই যাওঁ ভাই... ডিষ্টাৰ্ব হ'ব ইয়াত থাকিলে।' কথাটো কৈয়ে হাঁহি হাঁহি ওলাই গ'ল কৃষ্ণা।

ঃ বেয়া নাপাবা অধীৰ দা কৃষ্ণাৰ কথাত।

ঃ 'কি ক'লা আৰু এবাৰ কোৱাচোন।' হাঁহি হাঁহি অধীৰে ক'লে।

ঃ অ... ধীৰ দা। কঁপা কঁপা মাতেৰে আকৌ এবাৰ আৰোহীয়ে কৈ উঠিল।

আচৰিত হৈছিল আৰোহী। অধীৰ ছিনিয়ৰ যেতিয়া তাক দাদা বুলি মতাটো তেনেই স্বাভাৱিক।

ঃ মই যাওঁ দিয়া।

ঃ অডিচন আছে।

ঃ কোনটো ৰূমত?

ঃ PTB ত।

ক্লাছ ৰূমটোৰ পৰা আৰোহী ওলাই গৈছিল। এয়াই যে নিয়ম। কি কলেজ, কি বিশ্ববিদ্যালয়। কলেজত কিবা এটা প্ৰ'গ্ৰেম হ'লে অডিচন দিয়াটো একপ্ৰকাৰে বাধ্যতামূলক। ইতিমধ্যে আৰোহী গৈ পোৱাৰ অলপ আগে আগে অডিচন আৰম্ভ হৈছিল। তাই বাহিৰৰ পৰা ল'ৰা এজনক গান গাই থকা দেখিছিল।

ঃ মে আই কাম ইন মে'ম!

ঃ 'আহা, সোমাই আহা। আমি ষ্টাৰ্ট কৰিয়ে দিলোঁ।' দীপ্তি মে'মগৰাকীয়ে ক'লে।

দীপ্তি নাৰ্জাৰী। তেওঁ কম্পিউটাৰ ডিপাৰ্টমেণ্টৰ। দেখিবলৈ খুব ধুনীয়া মে'মগৰাকী। পিন্ধনত এযোৰ নীলা চুৰিদাৰ আৰু পাতল বগা দোপাট্টা এখনেৰে ধুনীয়া কৰি ৰাখিছে। হাতত

কলম আৰু বহী এখন। হয়তো ছিলেকচন কৰি নামবোৰ লিখি গৈছে। লগত একেলগে বহি আছে ছাৰ এজন। পাৰ্থ প্ৰতিম ডেকা ছাৰ। তেওঁ ইংৰাজী বিভাগৰ।

অডিচন শেষ হ'ল। ১০ জন মানে দিছিল অডিচন কিন্তু তাৰ ভিতৰতে মাত্ৰ ৬ জনক চিলেক্ট কৰিল তাৰ মাজতে আৰোহীও।

ঃ 'প্লিজ, অলপ মনে মনে থাকাচোন সকলোৱে।' বহাৰ পৰা উঠি আহি পাৰ্থ ছাৰে ক'লে।

ছাৰৰ মাতত লগে লগে সকলো শান্ত হ'ল।

ঃ যি কেইজন ছিলেক্টেড নহ'লা তোমালোকে মন বেয়া নকৰিবা। সকলোৱে আহিবা সেইদিনা, একেলগে স্ফুৰ্তি কৰিবা। সাংস্কৃতিক সম্পাদিকা ৰিমঝিম বায়ে ক'লে। শেষত ছাৰ আৰু মেম ওলাই গৈছিল। লগে লগে ষ্টুডেন্টবোৰেও। বেছি ভিৰ হৈ থকা বাবে আৰোহী অলপ ৰৈ দিলে। এনেতে পিছফালৰ পৰা কোনোবাই মাত লগালে,

ঃ কংগ্ৰেচুলেচন, মিছ আৰোহী বৰদলৈ।

পিছফালে ঘূৰি দিওঁতে একেবাৰে ঠিক বুকুৰ কাষত ৰৈ আছে অধীৰ বৰুৱা। আকৌ এবাৰ বুকুখন কঁপি উঠিল তাইৰ।

ঃ তুমি ইয়াত কেতিয়া আৰু কেনেকৈ?

ঃ তুমি অহাৰ আগে আগে। এক দুষ্টালিৰ হাঁহি মাৰি অধীৰে ক'লে।

ঃ কিন্তু আছিলা ক'ত?

ঃ সৌ একে লাষ্টত। চেলাউৰি কোঁচাই চকুৰ ইংগিতেৰে দেখুৱাই ক'লে।

কথা পাতি পাতি দুয়ো ওলাই আহিছিল। সময় তেতিয়া ৪ বাজি পাৰ হৈছিল। আবেলি বেলিটিও পশ্চিম আকাশত ডুব যাওঁ যাওঁ হৈছিল।

ঃ এতিয়া ঘৰলৈ যাবা চাগে?

ঃ উম।

ঃ দিয়া গৈ থাকিবা, লগ পাম পিছত।

পিছ দি ঘৰ অভিমুখে যাবলৈ লওঁতেই আকৌ অধীৰৰ মাতত তাই ঘূৰি চালে,

ঃ শুনানা, তোমাৰ নম্বৰটো দিবা নেকি?

ঃ অহ, লোৱা।

ঃ অকে' মই সন্ধিয়া মানে হোৱাটচএপ কৰিম।

পিছফালে ঘূৰি চাওঁ বুলিও ঘূৰি চাব নোৱাৰিলে তাই। কিন্তু অধীৰে তাইলৈ চায়েই থাকিল গেট পাৰ নোহোৱালৈকে।

ঘৰ আহি পায়েই ম'বাইলটো চাৰ্জত লগাই অলপ ফ্ৰেছ হৈ ল'লে। গাঁৱৰে চাৰিটামান ল'ৰা - ছোৱালীক আবেলি আবেলি টিউচন কৰাই আৰোহীয়ে। টিউচন কৰি পোৱা টকা কেইটাৰে ম'বাইল ৰিচাৰ্জটোৰ লগতে নিজৰ লাগতিয়াল দুই এটা বস্তু তাই নিজে লয়। দেউতাক আনৰ দৰে ঐশ্বৰ্য-ধন-সম্পত্তিৰ মালিক নহয় যদিও খেতি কৰিয়েই ঘৰখন কোনোমতে চলাই আছে। তথাপি এই ভদ্ৰেশ্বৰ বৰদলৈয়ে ল'ৰা - ছোৱালীহালক মানুহ গঢ়াৰ সপোন দেখিছে। পুতেক কল্যাণেও স্নাতক ডিগ্ৰীৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছে। বৰ্তমান ঘৰখনত মানুহ বুলিবলৈ তাই, দেউতাক আৰু মাক মিনতি।

লাহে লাহে আন্ধাৰ হৈছিল। আৰোহীৰ মনলৈ আহি থাকিল অধীৰে মেচেজ দিম বুলি কোৱা কথাটো। ইতিমধ্যে ৰাতি ৮ বাজি পাৰ হৈ গ'ল। অপেক্ষা কৰি কৰি আমনি লাগি খং এটাও উঠিছিল হ'বলা।

এই অপেক্ষাৰ নাম কি?

এই খং কৰাৰ অধিকাৰ কি?

এনেতে পঢ়িবলৈ বুলি টেবুলত বহোঁতে মেছেজৰ টনটো বাজি উঠিল,

ঃ Hey, ki korisa?

এটা অচিনাকি নম্বৰৰ পৰা মেচেজ আহিছে। তাই দেখিও যেন জানি বুজিয়ে অলপ দেৰিকৈ ৰিপ্লাই কৰিল,

ঃ kun ?

ঃ Bah suwali mane domu dibo jane?

ঃ kun hoi moi dhoribo pora nai..

ঃ Dp khon sua

মেচেজটো পঢ়ি ৰৈ গ'ল আৰোহী। হয়তো, এতিয়া চোৱাতহে দেখিল Dp খনত লাগি আছিল অধীৰৰ এখন মৰমলগা ফটো। লগে লগে মেছেজ টাইপ কৰিলে তাই,

ঃ Oh Adhir daa... Sorry haa ekdom sini pua nasilu.

ঃ It's ok eku nai dia.

ঠিক লগে লগে ৰিপ্লাই আহিল।

ঃ Tumi msg dim buli kua babe roi asilu jana tetiar pora...

ঃ I'm really sorry, plz beya napaba... Moi mne Gym goisilu goi Soo

ঃ Anekoi manuhok rokhai thoi neki kiba? আৰোহীৰ মেছেজত যেন অভিমান।

ঃ Hobo diya, ajir pora roi thakibo logia nhoi

ok. অধীৰে ক'লে।

ভাতকেইটা খাই উঠি শোৱাৰ আগে আগে অধীৰৰ লগত কৰা মেছেজখিনি এনেই এবাৰ তাই পঢ়ি চালে। নজনা নুবুজাকৈয়ে আৰোহীৰ ওঁঠত হাঁহি নামৰ ফুল এপাহ নিজে নিজে ফুলি উঠিল।

এৰা, হয়তো ভালপোৱা এনেকুৱাই এই যে কাৰোবাৰ মেছেজ নাইবা ফোন আহিব বুলি অপেক্ষা কৰাতে জানো লুকাই থকা নাই ভালপোৱা..!

আজি জাগীৰোড কলেজত ফ্ৰেচাৰ্ছ। পুৱাৰ পৰা অলপ ভয় ভয় ভাব এটা লাগি আছিল আৰোহীৰ। সকলো ফালেই আনন্দৰ সোঁত। পাৰ্ফৰমেঞ্চ কৰা সকলৰ বাদে বাকী সকলো ষ্টুডেণ্ট ইউনিফৰ্মত অহাটো বাধ্যতামূলক। পাৰফৰ্মেঞ্চ কৰা সকলে সেই অনুসৰি সাজি-কাচি আহিছে। গোটেই পৰিৱেশটো কিবা বিয়াৰ পৰিৱেশ এটাৰ দৰে লাগি গ'ল আৰোহীৰ। সকলোফালে দৌৰাদৌৰি।

২ টা বজাৰ পৰা ফ্ৰেচাৰ্ছৰ কালচাৰেল প্ৰ'গ্ৰেম আৰম্ভ হোৱাৰ কথা। কিন্তু এতিয়ালৈকে ভাষণেই শেষ হোৱা নাই। নীৰৱ, অনুৰাগ, আৰোহী, কৃষ্ণা আটাইকেইটা গৈ অডিট'ৰিয়াম হলত বহিলগৈ।

ঃ ধেই, ইমান লেলাব পাৰে নহয়! কোনে এইবোৰ শুনি থাকে। কোনোবা ছোৱালী এজনীয়ে ভোৰভোৰাই উঠি গ'ল।

ৰক্ষা! অৱশেষত প্ৰ'গ্ৰেম আৰম্ভ হ'ল। অভিনয় বিভাগৰ অৰিন্দমে এংকৰিং কৰিছিল। প্ৰথমে 3rd sem r ছোৱালী এজনীৰ সত্ৰীয়া নৃত্যৰে আৰম্ভ হৈছিল অনুষ্ঠান। গীত পৰিৱেশনৰ বাবে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষু শৰ্মাক আমন্ত্ৰণ কৰা হৈছে। বহি লোৱা ঠাইতে উপভোগ কৰি গৈ থাকিল অনুষ্ঠানসমূহ। আৰু এটা ডেন্সৰ প্ৰ'গ্ৰেমৰ পাছতেই আৰোহীৰ গান। অৰিন্দমে তাইৰ নামটো এনাউন্স কৰি মাতিলেই,

ঃ এই শেষৰটো নৃত্যৰ পিছতে সাঁজু হৈ থাকিব আৰোহী বৰদলৈ।

নিজৰ নামটো শুনি নিজৰ বুকুৰ ধপ্‌ধপনি নিজে শুনা পালে আৰোহীয়ে।

ঃ অল দা বেষ্ট আৰোহী। ওচৰতে বহি থকা নীৰৱে ক'লে।

ঃ ভয় লাগিছে ৰহ!

ঃ ধেৎ, একো নাই। ভাল হ'ব।

ঃ তয়ো ব'লনা নীৰৱ, মোক ভিডিঅ' এটা ৰেকৰ্ড কৰি দিবি।

ঃ মই নোৱাৰোঁ দেই, লাজ লাগে মোৰ অকলে। এই অনুৰাগকে লৈ যা, তাৰ ম'বাইলৰ কেমেৰাটোও বহুত ধুনীয়া।

ঃ যাবি নে অণু ? অনুৰাগলৈ চাই মাতিলে।

ঃ যাম কিন্তু এটা চৰ্তত!

ঃ কি ?

ঃ কিবা খোৱাবি যদি ক, ভিডিঅ' কৰি দিম।

তাৰ কথা শুনি ওচৰত বহী থকা দুজনীমান ছোৱালীয়ে হাঁহি পেলালে।

ঃ হ'ব দে, খুৱাম। এতিয়া ব'ল।

নীৰৱ, হিমাস্মিতাহঁতক তাতে এৰি থৈ বহাৰ পৰা উঠি দুয়ো একেলগে আগবাঢ়িল। সকলোৱে ঘূৰি ঘূৰি চালে তাইলৈ। সঁচাকৈ খুব ধুনীয়া লাগিছে আজি আৰোহীক। বৰ বেছি ষ্টাইল কৰা নাই যদিও চিম্প'ল লুক্‌ছ এটাত সাজি-কাচি আহিছিল। পিন্ধনত এযোৰ বগা চুৰিদাৰ আৰু হাতৰ বাঁওফালে আকাশী নীলা ৰঙৰ দোপাট্টাৰে মেলি ৰখা চুলিখিনিৰ সৈতে বৰ ধুনীয়া লাগিছে তাইক। ইতিমধ্যে সিহঁত ষ্টেজৰ পিছফালে ৰৈ আছিল। চাউণ্ড বক্সটোৰ ওচৰতে অনুৰাগক এৰি আহিছিল। ষ্টেজত কৃষ্ণাই ধুনীয়াকৈ বিহু নাচি আছে। এনেকৈ কৃষ্ণাক ষ্টেজৰ কাষৰ পৰা চাই থাকোঁতে মাকলৈ মনত পৰিল আৰোহীৰ। সৰুতে আৰোহীয়ে নাচি থাকোঁতে মাকে চাগে এনেকৈয়ে জুমি জুমি চাই থাকে। চাৰিওফালে ইমান মানুহ, কিন্তু সকলো অচিনাকি দুই এজনৰ বাদে। নিজকে অলপ সময়ৰ বাবে অকলশৰীয়াৰ দৰে লাগিল তাইৰ। সেই ভিৰৰ মাজতো কিন্তু তাইৰ চকুৱে আন কাৰোবাক বিচাৰি ফুৰিছিল। আজিৰ দিনটোত এবাৰলৈও অধীৰক দেখা নাই।

ঃ 'ঐ, অল দা বেষ্ট দেই।' কথাবোৰ ভাবি থাকোঁতেই কোনোবাই মাতিলে। ঘূৰি চাওঁতে দেখে তাইৰ পিছফালে ঋতুপৰ্ণাবা।

ঃ থেংক ইউ বা। কিন্তু বৰ ভয় লাগিছে জানানে। কাষলৈ আহি আৰোহীয়ে ক'লে।

ঃ হেই, ভয় কৰিছা কিয়? এতিয়া নাৰ্ভাচ ফিল নানিবা মনলৈ। কমফৰ্ট হৈ গাবা, চাবা তোমাৰ গান খুব ধুনীয়া হ'ব। নিজৰ হাতখন আৰোহীৰ হাতত ৰাখি ক'লে ঋতুপৰ্ণাই।

ভাল লাগি গ'ল আৰোহীৰ। ঋতুপৰ্ণা বাৰ কথাখিনিয়ে কিছু সাহস দিলে তাইক।

ঃ এইবাৰ আমাৰ মাজত সংগীত পৰিৱেশন কৰিব মিছ আৰোহী বৰদলৈয়ে। তেওঁক আমি আমাৰ মঞ্চলৈ আহি গীত পৰিৱেশন কৰিবলৈ অনুৰোধ জনালোঁ।

অৰিন্দমৰ এন্নাউন্সমেণ্টৰ পাছতেই মঞ্চলৈ উঠি গ'ল আৰোহী। সমুখৰ পৰা ভাহি আহিছে অসংখ্য চিঞৰ আৰু সুঁহুৰি।

অলপ ভয় লাগিছে তাইৰ। হয়তো অলপ কঁপিছেও। এবাৰ চকুযুৰি মুদি ল'লে তাই। কৃষ্ণ প্ৰভু বুলি কোৰাত আকৌ চিঞৰ আৰু উকি। হয় তাই নাৰ্ভাচ হৈ আছিল বাবে স্পীকাৰটো অন হৈ থকা মনে নকৰিলে। লাহেকৈ কৈছিল যদিও সকলোৱে শুনা পালে। ধেৎ তেৰি বৰ লাজ লাগিল তাইৰ। তথাপিও লাজ মান কাটি কৰি সাঁজু হ'ল তাই। বাদ্য সংযোগত থকা দিঠক দা৲ৈ চকুৰ ইংগিত দি মৃদু সুৰত আৰম্ভ কৰিছিল তাই গাবলৈ লোৱা গীতটিৰ মাজৰ কলি এটি,

'ফুলিব দিয়া তুমি মোৰে
অময়া মৰমক...
নাচিব দিয়া দুচকুতে
তৰুণী হেঁপাহক...'

যেন তাইৰ কণ্ঠত কাঁহ পৰি জীণ গৈছিল অডিটৰিয়াম হল। অলপ আগেয়ে হৈ থকা চিঞৰ আৰু উকিবোৰ যেন নিস্তব্ধ হৈ পৰিল। চাৰিওফালে ইমান নীৰৱ। কলেজৰ উৎপতীয়া থিয় হৈ থকা ল'ৰা কেইটাও নিজৰ আসনত বহি মৌন হৈ শুনি গ'ল আৰোহীৰ গান। অধীৰে বেক ষ্টেজৰ পৰা চাই আছিল তাই গান গোৱা। ষ্টেজত নীলা ফুল থকা বগা চুৰিদাৰ আৰু আকাশী নীলা ৰঙৰ দোপাট্টাৰে আৰোহীক কোনোবা সৰগৰ পৰী এজনীৰ দৰে লাগিছিল। ঠিক এটা উশাহৰ ব্যৱধানৰ পিছতেই স্বাভাৱিক সুৰত আৰোহীয়ে গানটো মিউজিকৰ তালে তালে আৰম্ভ কৰিলে,

'বিচাৰিছোঁ কাষৰতে সদায়ে তোমাক
হ'লাহি কি বুকুৰ আপোন নকওঁ মই আনক...'

গানটো শেষ হোৱাৰ লগে লগে সকলোৱে চিঞৰি উঠিল। এজাউৰি হাত চাপৰি আৰু চঞ্চল ডেকাৰ চিঞৰ আৰু উকিৰ মাজেৰে ষ্টেজৰপৰা নামি আহিছিল আৰোহী। নামি আহোঁতে কাষৰ পৰা কোনোবাই মাত লগালে,

ঃ কৃষ্ণ প্ৰভু! এক দুষ্টালি হাঁহি মাৰি অধীৰে ক'লে।

হঠাৎ ৰৈ যায় তাই অধীৰৰ মাতত। কোনো নাই ষ্টেজৰ পিছফালে। আকৌ এবাৰ কঁপি উঠিল তাই। তাৰ মানে অধীৰে তাইৰ গান শুনিলে? কিন্তু কেতিয়া? ইমান সময়ে তাইটো দেখা নাপালে।

ঃ বাই দা ৱে গানটোত গোৱাৰ দৰে কাষত কাৰোবাক বিচাৰা নে?

নাই নিমাত। এই উত্তৰ নাই তাইৰ ওচৰত।

ঃ 'ক'ত আছিলা ইমান সময়?' কথা সলনি কৰি আৰোহীয়ে এইবাৰ সুধিলে।

ঃ কিয় বিচাৰি আছিলা? তাইৰ দুচকুলৈ চাই লাহেকৈ অধীৰে কয়।

আকৌ এবাৰ বুকুখন কঁপি উঠিল তাইৰ। কেনে অনুভূতি এয়া। নিজৰ বুকুৰ ধপ্‌ধপনি নিজে শুনা পাইছে আৰোহীয়ে।

ঃ নাই, মানে দেখা নাছিলোঁ সেয়ে সুধিলোঁ।

ঃ ইমান ধুনীয়া হৈ কিয় আহিছা প্ৰেমত পৰি যাব চাবা কোনোবা?

ঃ মই এতিয়াই প্ৰেমত নপৰোঁ। আৰোহীৰ উত্তৰ।

ঃ তুমিহে নপৰা, তোমাৰ প্ৰেমতটো পৰিব ন!

ঃ চাওঁ, আঁতৰি দিয়া। মই যাওঁ।

তাৰ পৰা আহিবলৈ লওঁতেই হঠাৎ ভিৰ হৈ থকাৰ বাবে পৰি যাব লওঁতেই অধীৰে কঁকালত ধৰি টানি আনিলে তাইক বুকুৰ কাষলৈ। আকৌ এবাৰ কঁপি উঠিল তাই। অধীৰৰ হাত এইবাৰ তাইৰ কঁকালত স্পৰ্শ। কি আছিল এয়া, কেনে ধৰণৰ অনুভূতি এয়া।

সিহঁতৰ এই দৃশ্য কোনো কোনোৱে দেখি সুঁহুৰি বজাই জোকাইছিল।

ঃ কি মাল পতাইছ ব্ৰ'

আঁতৰি আহিল আৰোহী তাৰ পৰা। লগে লগে তাই কৃষ্ণাহঁতৰ ওচৰ পালেগৈ। 'ৱাও, কি ধুনীয়া গাইছ, দেটছ মাই গাৰ্ল!' বুলি কৈ কৃষ্ণাই সাবটি ধৰিল তাইক।

ঃ 'যি দেখিছোঁ ল'ৰাবোৰক বলিয়া কৰিহে এৰিবি তই' কাষত থকা হিমাস্মিতাই হাঁহি হাঁহি ক'লে।

তাৰ পিছৰ প্ৰ'গ্ৰেমবোৰ সুন্দৰকৈ হৈ গ'ল। শেষৰফালে 3rd sem ৰ দাদা এজনে মায়া মাথোঁ মায়া গানটো গালে। গানটোৰ তালে তালে সকলোৱে বহাৰ পৰাই চিঞৰি চিঞৰি নাচি আছিল। গানৰ লগে লগে আৰোহীহঁতেও চিঞৰি গালে,

'দূৰণিৰে জোনাকী হৈ ৰ'লা কিয়...
মায়া মায়া মাথোঁ মায়া...'

ঃ ইতিমধ্যে আমাৰ মাজত উপস্থিত হৈছেহি অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষু শৰ্মা। আৰু কিছু সময়ৰ পিছতে তেওঁৰ গীতৰ অনুষ্ঠান আৰম্ভ হ'ব। অৰিন্দমে এনাউন্স কৰি ক'লে।

লগে লগে অসংখ্য চিঞৰে ভৰি পৰিল অডিট'ৰিয়াম হল।

ইউনিয়নবডিৰ মেম্বাৰসকলে আমন্ত্ৰিত শিল্পী দীক্ষু শৰ্মাক দৰা আদৰা দি মঞ্চলৈ লৈ আহিল। মঞ্চত উপস্থিত হৈছিল গৈ অধ্যক্ষ মহোদয়। সাধাৰণ সম্পাদক দিজু দায়ে এখন ফুলাম গামোচাৰ সৈতে এটা ফুলাম জাপিৰে মৰম যাচিলে।

ঃ প্ৰথমে প্ৰিন্সিপাল ছাৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে আমাৰ খুব মৰমৰ অপূৰ্ব ডেকা দাকো বহুত বহুত ধন্যবাদ

জ্ঞাপন কৰিছোঁ। আজি এইখন মহাবিদ্যালয়ত আহি আপোনালোকৰ সন্মুখত গীত গোৱাৰ কাৰণে যে সুযোগ দিছে তাৰ বাবে আকৌ এবাৰ ধন্যবাদ জনাইছোঁ।

ভাল নে সকলোৰে?

ভাল..... উচ্চস্বৰে কৈ উঠিল একেলগে।

পলম নকৰি এতিয়া আৰম্ভ কৰিছোঁ এটি গীতিৰে,

'অ যাযাবৰী প্ৰিয়া মোৰ বুকুতে ৰোৱানা
প্ৰতিপল প্ৰতিক্ষণ হৈ ৰ'ম তোমাৰে ছায়া
সপোনতো ৰ'ম দিঠকতো ৰ'ম
তোমাতে বিলীন হ'ম
জোনাকতো ৰ'ম আন্ধাৰতো ৰ'ম
হিয়া ফালি দিম মৰম...'

এনেকৈ এটাৰ পিছত আন এটা কৰি বহু কেইটা জনপ্ৰিয় গান গাই গ'ল। শেষৰ গানটোত সকলোৰে একেলগে হেঁপাহ পলুৱাই বিহু নাচিল। লাজতে বহি থকা নীৰৱকো আৰোহীয়ে হাতত ধৰি আগলৈ আনি নচুৱাইহে এৰিলে।

শেষ হৈছিল প্ৰ'গ্ৰেম। লাহে লাহে সন্ধ্যা নামি আহিল। তেতিয়া আকাশত তৰা নাছিল, খুব ধীৰে ধীৰে পাতলকৈ বতাহ এজাক বৈছিল। বতাহজাকে যেন সকলোকে চুই গৈছে। দিনটোৰ কষ্ট আৰু ভাগৰত এই বতাহজাকে সকলোৰে দেহা-মন শাঁত পেলাই গ'ল।

খণ্ড (৫)

কলেজৰ পৰা আহি ফ্ৰেছ হৈ বিছনাতে বাগৰ দি আছিল। দুই এখন ফটোও ষ্টেটাছত লগাইছে। মাত্ৰ তাই গোৱা গানটোহে ষ্টেটাছ দিব পৰা নাই। অনুৰাগৰ পৰা ভিডিঅ'টো বিচাৰিছিল। কিন্তু সি মেছেজে চোৱা নাই। তথাপিও তাই আকৌ এবাৰ তালৈ মেছেজ টাইপ কৰিলে,

ঃ Oi

লগালগ তেতিয়া দিয়া মেছেজবোৰ ব্লু-টিক হৈ গৈছিল।

ঃ Ki kori asili, Eman Time haa..

ঃ De video tu xunkale

একেৰাহে মেছেজবোৰ টাইপ কৰি গৈছিল তাই। তাইৰ মেছেজত খং ভৰি আছিল।

ঃ Fakibaj, Dhokha dili toi muk.

অনুৰাগে ৰিপ্লাই কৰিলে।

ঃ Ki Dhokha dilu Tuk moi! সুধিলে তাই।

ঃ Video kri Diya babe je kiba khuam koi polai dili, atia nidiu jaa...

মেছেজটো পঢ়ি তাইৰ হাঁহি আৰু খং দুয়োটাই উঠিছিল। যদিও হঠাতে অধীৰৰ ষ্টেটাছত তাইৰ ভিডিঅ'ৰ ক্লিপ এটা দেখা পালে। ৰৈ গৈছিল আৰোহী। আকৌ এবাৰ বুকুখন কঁপি উঠিল তাইৰ। মানে মোৰ ভিডিঅ' ৰেকৰ্ড কৰিছিল সি। অনুৰাগৰ ওপৰত উঠি থকা খংটো যেন মুহূৰ্ততে সলনি হৈ গ'ল। অধীৰৰ ষ্টেটাছটো দেখি। প্ৰায় এক মিনিটমান ভাবি দিওঁ নিদিওঁকৈ মেছেজ এটা টাইপ কৰিলে তাই।

ঃ Video tu send kora na plz...

দুঘণ্টা পাৰ হৈ গ'ল। অধীৰ অনলাইন নাই যদিও মেছেজটো ডেলিভাৰ হৈছিল। কিন্তু তেতিয়ালৈ কোনোধৰণৰ চিন হোৱা নাছিল। মেছেজ ৰিপ্লাই অহাৰ কোনো সম্ভাৱনা নেদেখি শুবলৈ লওঁতেই মেছেজ ট'নটো বাজি উঠিল।

ঃ Roba di asu ? অধীৰৰ মেছেজ।

মেছেজটো দেখিয়ে হাঁহি এটি ওলমি ৰৈছিল আৰোহীৰ মুখত। লগে লগে তাই ৰিপ্লাই দিলে।

ঃ Thanks a lot...

ঃ Welcome



লাভ ৰিয়েক্ট এটা দি ভিডিঅ'টো চাবলৈ ল'লে তাই। একদম প্ৰথমৰ পৰা কৰিছে ভিডিঅ'টো। কৃষ্ণ প্ৰভু বুলি কোৱাখিনি শুনি তাই অকলে এবাৰ হাঁহি ল'লে। ষ্টেজলৈ উঠি যাওঁতে উফৰি অহা চিঞৰবোৰ শুনি আকৌ এবাৰ ভাল লাগি গ'ল তাইৰ। এনেতে ভিডিঅ'টো ষ্টেটাছত দি ডাটাটো অফ কৰিবলৈ লওঁতেই আকৌ বাজি উঠিল মেছেজ ট'নটো,

ঃ Xula neki ? অধীৰে দিছে।

ঃ Nai, Asu kua.

ঃ Gaan tu dhuniya gaisila aji, tate gaantu mur fvrt hoi.

আকৌ এবাৰ তাইৰ মুখত হাঁহি নামৰ ফুল এপাহ ফুলি উঠিল নিজে নিজে ক'ব নোৱাৰাকৈ। গান গাই অহাৰে পৰা বহুতে ভাল লাগিছে বুলি কৈছে তাইক। কিন্তু ক'তা এতিয়াৰ দৰেটো তেতিয়া মনটো ভৰি উঠা নাছিল। যিমান বেছি অধীৰে কওঁতে ভাল লাগিছে তাইৰ।

ঃ Thank you Adhir Daa বুলি ৰিপ্লাই কৰিলে তাই। বুকুত ভাললগাবোৰ সাবটি ধৰি টোপনিত ঢলি পৰিল আৰোহী।

ক্লাছ আৰু এটেন্দেন্স।

এই দুটা শব্দই যেন এতিয়া ছাত্ৰ-ছাত্ৰী সকলৰ দৈনন্দিন ৰুটিন হৈ পৰিছে। ফ্ৰেচাৰ্চ পাৰ হৈ যোৱাৰ পিছতে ক্লাছৰ পৰা মূৰ দাঙিব নোৱাৰা অৱস্থা। যিহেতু ৭৫ পাৰ্চেণ্ট এটেন্দেন্স থকাটো বাধ্যতামূলক। গতিকে যিমান পাৰে সকলোৱে ক্লাছবোৰ কৰিবলৈ চেষ্টা কৰে।

আৰোহীয়ে কেতিয়াও ভবা নাছিল অসমীয়া সাহিত্য যে ইমান বেছি সমৃদ্ধিশালী। আগতে এটা অধ্যায়ৰ প্ৰশ্ন উত্তৰ কৰিবলৈ কেৱল মেইন বুকখনকে পঢ়িছিল। কিন্তু এতিয়া তাৰ সম্পূৰ্ণ বিপৰীত; এতিয়া এটা প্ৰশ্নৰ উত্তৰ কৰিবলৈ হ'লে নাই কমেও দুই তিনিখন কিতাপ পঢ়ি ল'ব লগা হয়। অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, অসমীয়া নাট্য সাহিত্য আদি গ্ৰন্থ সমূহৰ সৈতে পৰিচয় হৈছিল আৰোহীহঁত।

ঃ কোনফালে আছ' তই ?

আৰোহীলৈ ফোনটো লগাই অনুৰাগে সুধিলে।

ঃ চাইন্স ব্লকৰ ফালে আছোঁ। আৰোহীয়ে ক'লে।

ঃ অকলে নে লগত কোনোবা আছে?

ঃ কৃষ্ণা।

ঃ অহঃ, বৃন্দাবনলে আহ সোনকালে। আমি ইয়াতে আছোঁ। খাবলৈ কিবা লৈ আহিবিচোন।

ভাল কামোৰ দিব পাৰে এইডালে মানে। অ' বুলি কৈ দুয়োজনী বৃন্দাবনৰ ফালে আগবাঢ়িল। এতিয়া অফ ক্লাছ। গতিকে বৃন্দাবনতকৈ ভাল আড্ডাৰ ঠাই কি হ'ব পাৰে। চাৰিওফালে ষ্টুডেণ্টৰ অহা যোৱা চলিয়েই আছে। ঠাইডোখৰৰ চাৰিওকাষে সেউজীয়াৰে ভৰি আছে। তাৰ মাজে মাজে ভিন্ন ৰঙী ফুলবোৰ। কৃষ্ণচূড়াৰ গছৰ ছাঁৰ আঁৰে আঁৰে ৰ'দৰ জিলিকনি পৰিছে। ক্লাছ অফ থাকিলে বেছিভাগ ষ্টুডেণ্টে ইয়াত আহি ভিৰ কৰে। কোনোবাই ম'বাইলটোকে চাই আছে অকলে বহি। কোনোবাটো গ্ৰুপত হাঁহিৰ জোৱাৰ উঠিছে। কিমান গোপন কথাৰ নীৰৱ সাক্ষী এই বৃন্দাবন। এটা সতেজ পুৰা। বৃন্দাবনলৈ আহিয়েই এটা কোণত ঘূৰণীয়া হৈ বহি আছিল অনুৰাগহঁত। লগত ছিনিয়ৰ সকল। ঋতুপৰ্ণা, আৰিফ, নিকুমণি লগতে প্ৰায়বোৰ ছিনিয়ৰৰ লগতেই ফাৰ্ষ্ট ছেমৰ ল'ৰা-ছোৱালীবোৰ সহজ হৈ উঠিছিল। তাৰ ভিতৰতে অনুৰাগহঁত বেছি আপোন হৈ পৰিছে সিহঁতৰ। একেলগে বহি আড্ডা দিব পৰা হৈছে। অৱশ্যে লগত অধীৰো থাকে। অনুৰাগ, আৰোহীহঁতে সহজে সকলোৰে লগত মিলি যাব পাৰে, কিন্তু এই নীৰৱটো যে অলপ বেলেগ। নোৱাৰে, ইচ্ছা কৰিও সকলোৰে লগত মিলিব নোৱাৰে সি। ল'ৰাটো যদিও হাঁহি থাকে তথাপি সি মনত কঢ়িয়াই লয় দুখৰ ভাব এটা। কিছুমানেটো তাক তাৰ নামটো লৈ ঠাট্টাও কৰে। ঠাট্টা নে ধেমালি সি বুজে সকলো। কিন্তু এই আৰোহী আৰু অনুৰাগে তাক যেন বুজি উঠিছে। সি নিজেও খুব হাঁহি থাকে আৰু আনকো খুব হাঁহিৰ খোৰাক যোগাব পাৰে। কেতিয়াবা তাৰ কথাবোৰ বুজা টান হৈ পৰে। সৰু সৰু কথা অথচ তাত লুকাই থাকে আনে বুজি নোপোৱা এক সাঁথৰ। ঠিক নীৰৱো এক সাঁথৰ সাঁথৰ যেন লগা তাৰ কথাবোৰৰ দৰে। সকলো থাকিও যাৰ একো নাথাকে বুকুৰ আপোন বুলি ক'ব পৰাকৈ, তেৱেঁই চাগে পৃথিৱীত আটাইতকৈ অকলশৰীয়া।

ঃ হেই আৰোহী, আহা আহা। আৰোহীক দেখি এমোকোৱা হাঁহিৰে মাতিলে ঋতুপৰ্ণাই।

ঃ বহা, বহা মাইনা। কাষতে বহি থকা আৰিফে ক'লে।

দুয়োজনী বহিছিল গৈ ঋতুপৰ্ণাৰ ওচৰত। ঠিক চকুৰ পোনে পোনে বহি আছে অধীৰ। আৰিফে অধীৰলৈ চাই চকুৰ ইংগিতেৰে জোকাবলৈ ধৰিছে। অধীৰে হাঁহি ৰয় মাত্ৰ। অধীৰে আঁৰ চকুৰে এবাৰ তাইলৈ চাইছিল। নাই, আৰোহীয়ে এবাৰলৈও তাৰ ফালে চোৱা নাই। তলমূৰ কৰিয়েই বহি আছে তাই। মাজে মাজে আৰিফে ধেমেলীয়া কথা কিছুমান কৈ জমাই আছে সকলোকে।

ঃ এই History ক্লাছটো কৰিবি নে এতিয়া? ঘড়ীটোলৈ চাই অনুৰাগে ক'লে।

ঃ কৰিবই লাগিব। ছাৰজন যিহে, attendance ঠিক চাই। কাষতে বহি থকা হিমাস্মিতাই কৈ উঠিল।

ঃ History পঢ়া মানে একদম হৰ'স্কপ চোৱা যেনহে লাগে জান! যিহে জন্ম, মৃত্যু এইবোৰহে কথা থাকে। হাত জোকাৰি জোকাৰি অনুৰাগে ক'লে।

ঃ নীৰৱ, আমিও যাওঁ ব'ল। চুহেইল ছাৰ আহিবই এতিয়া। বহাৰ পৰা থিয় হৈ আৰোহীয়ে ক'লে।

ঃ অ' ব'ল ব'ল।

ঃ বাই, লগ পাম দিয়া পিছত। ক্লাছৰ অভিমুখে খোজ ল'লে নীৰৱৰ লগত।

ক্ৰমে আঁতৰি যোৱা আৰোহীলৈ চাই ৰয় অধীৰ।

ভাল জমনি কৰি কৰি পঢ়াই গ'ল ছাৰে। প্ৰথম কেইদিন খুব ব'ৰিং লাগিছিল কিন্তু এতিয়া ভাললগা হৈ আহিছে ছাৰৰ ক্লাছবোৰ। মিছ কৰিবলৈ মন নাযায়। কেনেকৈ যে শেষ হৈ গৈছিল ক্লাছটো গমেই নাপালে। ইয়াৰ পিছৰ ক্লাছটোত SEC আছে। এক্টিং ডিপাৰ্টমেণ্টলৈ আগবাঢ়িল।

জিঅ'গ্ৰফী ডিপাৰ্টমেণ্টৰ লগত এক্টিং ডিপাৰ্টমেণ্টটো আছে। ভাগৰ লাগি যায় বহুতৰ। যিহেতু ডিপাৰ্টমেণ্টটো ওপৰৰ মহলাত আছে, গতিকে উঠি যাওঁতে অলপ ভাগৰ লাগে। SEC এক্টিং আছে গোটেই কেইটাৰে। আকৌ লগ হ'ল সিহঁত। ৰুমটোত সোমাই গৈ কিবা এটা ভাল লাগি গৈছিল আৰোহীৰ। চাৰিওফালে ক'লা কাপোৰে সজ্জিত এখন মঞ্চ। তাৰ কাষে কাষে সৰু সৰু ফুলাম জাপি। অভিনয়ৰ বাবে যেনেকুৱা এখন মঞ্চৰ প্ৰয়োজন ঠিক তেনেকৈ ৰখা হৈছে। একাষে বেঞ্চ এখনত অলসভাৱে পৰি আছে অভিনয়ৰ মুখাবোৰ। এক্টিং ডিপাৰ্টমেণ্টৰ ছিনিয়ৰ সকলে ক্লাছটো কৰালে। Theory ক্লাছবোৰৰ বাদে প্ৰেক্টিকেল ক্লাছবোৰ ছিনিয়ৰসকলে কৰে। প্ৰথমে ভিন্ন ধৰণৰ এক্সাৰচাইজবোৰ কৰালে। ৰাউণ্ড হৈ সকলোৱে কৰি গৈছিল। ক্লাছটো আৰম্ভ কৰাৰ আগে আগে মৃদু সুৰত সৰু চাউণ্ড বক্স এটাত মিহি মিহিকৈ মিউজিক বাজি থাকে। অৱশ্যে দুই এজনে ক্লাছৰ মাজতে ফাংফুং কৰে। কিন্তু খুব ধুনীয়াকৈ দাদা বাইদেউসকলে শিকাই।

ঃ নেক্সট্ উইকলৈ তোমালোক সকলোৱে এটা এটা কবিতা চাই আহিবা আৰু সেই কবিতাটো নোচোৱাকৈ মাতি মাতি এক্সপ্ৰেছন কৰি দেখাব লাগিব।

ছিনিয়ৰ দাদা এজনে ক'লে।

ভোমোৰাৰ দৰে গুণগুণনি আৰম্ভ হৈছিল ক্লাছটোত। পাৰিম, নোৱাৰিম। যিহেতু এক্টিং শিকিব লৈছে গতিকে কৰিবটো লাগিবই ভাল হয় নহয় সেয়া পিছৰ কথা।

ঃ ঠিক আছে। সমস্বৰে একেলগে চিঞৰি ক'লে।

পে'জ এখনত সকলোৱে নিজৰ নিজৰ এটেন্দেঞ্চ সমূহ দি ওলাই আহিছিল। ইয়াৰ পিছৰ ক্লাছটো অফ। সেয়ে গোটেইজাক কেণ্টিনৰ দিশে খোজ ল'লে।

ঃ দাদা, ৫ টা চিঙৰা আৰু ৫ টা কফি দিব। অনুৰাগে অৰ্ডাৰ দিলে।

গোটেই কেইটা শেষৰ টেবুল এখনত বহিছিলগৈ। ঠিক ৫ মিনিট মানৰ পাছতে টেবুলত হাজিৰ হৈছিলহি অৰ্ডাৰ। গৰম গৰম চিঙৰা। বেছি গৰম হৈ থকা বাবে কফি কাপকেইটাৰ পৰা ওপৰলৈ ভাব হৈ উৰি গৈছে। খাই থকাৰ মাজতে অনুৰাগে আৰোহীলৈ চাই সুধিলে,

ঃ তই এটা কথা কচোন?

ঃ কি? অনুৰাগলৈ মূৰ তুলি ক'লে।

ঃ ফ্ৰেচাৰ্ছৰ দিনা মইটো তোক ভিডিঅ'টো নিদিলোঁ, তেন্তে ভিডিঅ'টো কোনে দিলে তোক?

নভবা-নিচিন্তাকৈয়েই উত্তৰ দিছিল তাই

ঃ অধীৰ দাই।

ঃ ৱাহ মনে মনে মানে এইবোৰ চলি আছে

ঃ কি চলি থকা দেখিলি তই?

ঃ হ'ব, আইজনী তই মুখ ফুটাই নক'লেও হ'ব; আমি বুজি পাওঁটো।

ঃ হ'ল নে তোৰ কথা কোৱা আৰু কিবা আছে?

ঃ এতিয়াই শেষ নকৰোঁ দে, নহ'লে পিছলৈ একোৱেই নাথাকিব। কৃষ্ণালৈ চকু টিপ এটা মাৰি অনুৰাগে হাঁহি হাঁহি ক'লে।

আটাইকেইটাৰ মাজত হাঁহিৰ জোৱাৰ উঠিল।

ঃ তোক যে মই কেতিয়াবা ভাল চৰিয়া...

আৰোহীৰ কথা শেষ নহওঁতেই নীৰৱে কৈ উঠিল,

ঃ হ'ব হ'ব, ইয়াতে কাজিয়াখন শেষ কৰি ক্লাছলৈ যাওঁ ব'ল।

গোটেইজাক বহাৰ পৰা থিয় হৈ ওলাই আহিল।

কেণ্টিনত কোনোবাই বজাই থকা গানটো আৰোহীৰ কাণত পৰিছিল,

“আজৰি সেই আবেলি,
উৰি, পাখি মেলি যা উৰি”

খণ্ড (৬)

ঃ গুড নাইট

মেছেজটোৰ সৈতে জিলিকি আছিল অধীৰৰ নামটো। ৰাতি সোনকালে শুই যোৱাৰ বাবে আৰোহীয়ে গ'মকে নাপালে। পুৱাই উঠি ম'বাইলটো চাওঁতেহে মেছেজটো দেখিল তাই। সেয়ে ৰিপ্লাই এটা কৰিল,

ঃ Good Morning

Beya napaba actually kali xunkale xui golu

লগে লগেই অধীৰৰ পৰা ৰিপ্লাই আহিল

ঃ Good Morning to you too

Hobo diya eku nai

অধীৰে টাইপ কৰিলে।

ঃ Bye, college t log pam.

ডাটাটো অফ কৰিয়ে তাই মুখ হাত ধুই অলপ পঢ়ি ল'লে। কলেজ যোৱাৰ সময়খিনিলৈ। এনেতে পাকঘৰৰ পৰা চিঞৰ। আৰোহীৰ মাকে মাতিলে,

ঃ মাজনী, কলেজলৈ নাযাৰ নেকি?

ঃ যাম মা।

ঃ ৯ টা বাজে দেখোন। যা আকৌ সোনকালে গা-পা ধুই ওলাই ল'।

এই কলেজলৈ নোযোৱালৈ মাক যেন তাইৰ লগতে ব্যস্ত হৈ থাকে। যদিও তেওঁ কলেজৰ বাৰাণ্ডাত ভৰি দি নাপালে, তথাপি যেন মানুহগৰাকীয়ে সকলো বুজে। ভাতকেইটা খায়েই খৰখেদাকৈ ওলাই গ'ল আৰোহী। এনেতে মাকে হাত মচি মচি খৰখেদাকৈ ওলাই আহি দুৱাৰৰ কাষত ৰৈ পিছফালৰ পৰাই মাত লগালে,

ঃ মাজনী, গাড়ী ভাৰাটো?

মাকৰ মুখলৈ নোচোৱাকৈ উত্তৰ দিলে তাই

ঃ আছে দিয়া মা মোৰ লগত।



ঃ হে'ৰা, কিয়নো পিছফালৰ পৰা মাত লগোৱা।

আগ চোতালত বহি বাঁহৰ কামি ফালি থকাৰ পৰাই দেউতাকে মাত লগালে।

ঃ ছোৱালীজনী ভাৰাটো নিনিয়াকৈ গৈছে। সেইবাবেহে মাত লগাব লগা হ'ল।

ঃ এফালে ওলাই যোৱা মানুহক পিছফালৰ পৰা মাত লগাব নাপায়।

ঃ আহক, আপুনিও ভাতকেইটা খাই লওঁকহি। আজৰি কৰি দিয়ক মোক। মুখ ওফোন্দাই ভিতৰলৈ সোমাই গ'ল মিনতি।

ঃ ঐ ক'ত পালি?

ঃ এয়া পাম আৰু। কৃষ্ণাৰ ফোনটো ৰিচিভ কৰি ক'লে।

ঃ ঠিক আছে। সিফালৰৰ পৰা কৃষ্ণাৰ মাত। ফোনটো ৰাখিলে।

ঃ অ' দেহা

কোন হয় বাৰু? এনেকৈ দেহা বুলি মাতিল যে তাইক। আজিলৈকে কলেজত কোনেও এনেকৈ মাতি পোৱা নাই। মাতটো চিনাকি যেন লাগিল তাইৰ।

পিছফালে ঘূৰি চাই দেখে কলেজ গে'টৰ সন্মুখত হাতত হেলমেট এটা লৈ থিয় হৈ আছিল ল'ৰা এটা। দেখাত ওখকৈ, বগাকৈ। দীঘল কৰি ৰখা চুলিখিনিৰে চকু মুখ দেখি নোপোৱা কৰি ৰাখিছে।

ঃ কৌশিক দা তই? মানে ইমান দিনৰ পিছত

ঃ তই মানে মোকো বিচাৰি ফুৰ' নেকি? দুষ্টালি হাঁহি এটাৰে কৌশিকে ক'লে।

ঃ ইচ! গৰজ পৰিছে মোৰ? মুখখন বিকতাই চেলাউৰি কোচাই ক'লে।

ঃ ঐ ককায়েৰে হওঁ, কথা ভালকৈ ক'বি নহ'লে!

ঃ নহ'লে, নহ'লে কি?

ঃ ব'লা, এতিয়া। কৌশিকক উদ্দেশ্যি ছোৱালী এজনীয়ে মাতিলে। লগে লগে কলেজলৈ সোমাই গৈছিল কৌশিক সেই ছোৱালীজনীৰ লগত।

কোন হয় এইজনী আকৌ ইয়াৰ। আৰোহীয়ে ভাবিলে।

অ' দুমুনী বেছি ভাবিব নালাগে যা আই, তই ভবাটোৱে হয়।

আৰোহীলৈ চাই চিঞৰি চিঞৰি কৈ গ'ল।

মইবা কি ভাবিলোঁ তাৰ কথা। মনতে ভোৰভোৰালে। কৃত্রিম খং এটা দেখুৱাই আৰোহীও কলেজৰ ভিতৰলৈ সোমাই গ'ল। কিমান দিনৰ পাছত যে লগ পাইছে আৰোহীয়ে কৌশিকক। হয়, কৌশিক তাইৰ জেঠায়েকৰ ল'ৰা। মানে আৰোহীৰ ককায়েক। ডাঙৰ ঠিকে হ'ল কিন্তু সেই উৎপতীয়া স্বভাৱটো তাৰ একে থাকিল। বি বৰুৱাৰ পৰা BA কম্প্লিট কৰি এতিয়া জাগীৰোড মহাবিদ্যালয়তে অভিনয় বিভাগত পঢ়ি আছে। 3rd sem।

ঃ ঐ, ম'বাইলটো পেলাই নিদিঅ' কিয়? এবাৰ চাচোন কেইটা মিছ ক'ল হৈ আছে।

ৰূমলৈ সোমাই অহা আৰোহীক দেখি কৃষ্ণাই ক'লে।

ঃ এই পাগল এটাক লগ পালোঁ বাটতে তাৰ লগত কথা পাতি থাকোঁতে দেৰি হৈ গ'ল। বেঞ্চত বেগটো থৈ পানীৰ বটলটো উলিয়াই আৰোহীয়ে ক'লে।

ঃ পাগল, তই আক' পাগলৰ লগত কিয় কথা পাতিছিলি? নাক মুখ কোচাই কৃষ্ণা প্রায় আচৰিত হৈ সুধিলে।

ঃ এহ ৰহ তোৰ নিচিনাই পাগল সিও। কৃষ্ণালৈ চাই হাঁহি এটা মাৰি ক'লে তাই। মোৰ জেঠাইৰ ল'ৰা সি। কৌশিক দা। বি বৰুৱাৰ পৰা BA কম্প্লিট কৰি এতিয়া ইয়াতে এক্টিঙৰ 3rd sem ত পঢ়ি আছে।

ঃ ঐ, হেণ্ডচামনে ? আৰোহীৰ চকুলৈ চাই কৃষ্ণাই সুধিল।

ঃ দেখাতটো ধুনীয়াই সি। কিন্তু কোনো দৰকাৰ নাই দেই সেইডাললৈ চোৱাৰ। যি চেনিৰাম।

ঃ মই জানো অলপ। পেলাম নহয় মোৰ জালত। তই চিন্তাই নকৰিবি।

বিশেষ ভাঁজ এটাৰে কোৱা দেখি আৰোহীয়ে এইবাৰ হাঁহি পেলালে জোৰকৈ। ইমান বেছি জোৰকৈ হাঁহিছিল সকলোৱে তাইলৈ চাইছিল। লাজ লাগি গৈছিল তাইৰ তেতিয়া।

এনেতে ধুনীয়া মে'ম এগৰাকী সোমাই আহিল ক্লাছলৈ। চাদৰ মেখেলা এযোৰ পিন্ধি আহিছে। বেঙুনীয়া ৰঙৰ পিঠি ঢাক খাই থকা ব্লাউজ, চেম কালাৰৰ মেখেলাৰ লগত বেঙুনীয়া পাৰী থকা বগা চাদৰখনৰ সৈতে বৰ ধুনীয়া লাগিছে মে'মগৰাকীক। ড° কণিমা পাঠক মে'ম।

ঃ গুড মর্নিং মে'ম! সমস্বৰে একেলগে থিয় হৈ ক'লে।

ঃ বহা, বহা। সুন্দৰ হাঁহি এটাৰে বহিবলৈ ক'লে তেওঁ।

ঃ অলপ মনে মনে থাকা সকলোৱে। নিজৰ হুলস্থুলত নিজৰে নাম শুনা নাপাবা। পিছত Attendance বিচাৰি চিঞৰি থাকিবা।

মে'মৰ কথাত মুহূর্ততে সকলো চুপচাপ হৈ পৰিল।

ঃ Response Roll no. 1,2,3,4,7,12,...

ৰেজিষ্টাৰ বুকখনৰ ওপৰতে কলমটো থৈ তেওঁ বহাৰ পৰা থিয় হৈ আগুৱাই আহি ক'লে,

ঃ সকলোৱে সাহিত্যৰ বুৰঞ্জীখন আনিছা নে?

ঃ আনিছোঁ মে'ম। কেইজনমানে একেলগে ক'লে।

ঃ যিসকলে এতিয়াও কিনা নাই লৈ ল'বা। এইখন তোমালোকক M.A লৈ দৰকাৰ হ'ব।

খুব সুন্দৰকৈ অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পর্কে ক্লাছটো শেষ কৰি মে'ম ওলাই গ'ল। ফাৰ্ষ্ট ক্লাছটো হৈ গ'ল। ইয়াৰ পিছত ক্লাছ নাই। একেবাৰে ১২ বজাৰ পৰাহে আছে। এতিয়াও দুঘণ্টা আছেই।

ঃ আৰোহী! পিছফালৰ মাতটো শুনি ঘূৰি চালে তাই। নীৰৱৰ মাত।

ঃ ক্লাছ নকৰিলি তই?

ঃ নাই। আহি পাওঁতে দেৰি হৈ গ'ল।

ঃ অলপ সোনকালে আহিব লাগে।

ঃ কি পঢ়ালে মে'মে?

ঃ যুগ বিভাজন সম্পৰ্কত নোট্‌ছ লিখাইছিল।

ঃ মোক ফটো মাৰি দি দিবি দেই।

ঃ হ'ব দে।

ঃ লাইব্ৰেৰীলৈ যাবি নেকি? এতিয়াটো ক্লাছো নাই।

আৰোহীয়ে ক'বলৈ নাপাওঁতেই হিমাস্মিতাই মাত দিলে

ঃ কিনো লাইব্ৰেৰী লাইব্ৰেৰী কৈ থাক। ইমান গৰমখনত পঢ়িব মন যায় নে?

ঃ ব'ল তয়ো নহ'লে! নীৰৱে ক'লে।

ঃ লাইব্ৰেৰী আৰু মই? অ' ভাই ভাবিছ যে তই! তাইৰ বিশেষ ভাঁজত কোৱা কথাৰ সুৰত গিৰ্জনি মাৰি হাঁহিল আটায়ে।

ঃ সৌ বৃন্দাবনলৈ যাওঁ ব'ল। ধুনীয়া বতাহ দি আছে তাত।

হিমাস্মিতাৰ কথামতে সিহঁত বৃন্দাবনৰ অভিমুখে খোজ ল'লে। বৃন্দাবনৰ কাষতে লাগি আছে NR1 ৰূমটো। য'ত অসমীয়াৰ মেজৰৰ ক্লাছবোৰ হয়। FYUGP ৰ মতে সিহঁত 3rd sem ৰ পৰাহে মেজৰ হ'ব। এতিয়া কেৱল সকলোকে পঢ়াই গৈ আছে সমানে। মেজৰ মাইনৰ বুলি কোনো কথা নাই। সকলো সমান। আৰোহীহঁত বহিছিলগৈ বৃন্দাবনৰ চুক এটাত। কাষৰ NR1 ত ক্লাছ হৈ আছে অধীৰহঁতৰ। অপৰ্ণা মে'মে ক্লাছটো কৰি আছিল। এই মে'ম গৰাকীক সকলো ষ্টুডেণ্টে ভয় কৰি চলে। কলেজৰ ২০ শতাংশই বেয়া পালেও ৮০ শতাংশই ভালে পাই তেওঁক। তেওঁ যেনেকৈ কঠোৰ ঠিক তেনেকৈ মৰমিয়ালো। গানো খুব ধুনীয়া গাব জানে। বাহিৰত আৰোহীহঁতৰ কথাৰ মহলা চলি আছিল। এনেতে কিবা হাঁহি উঠা কথা এটা কওঁতে জোৰকৈ হাঁহিছিল সিহঁতে। নীৰৱে হুঁহুৰাই আছিল। কৃষ্ণাই পেটত ধৰি ধৰি হাঁহিছিল। হিমাস্মিতা হাঁহিত বাগৰি দিছিল। খিৰিকীৰ কাষত বহি থকা অধীৰে চাই ৰৈছিল বাহিৰত হাঁহি থকা আৰোহীলৈ। তাৰ যেন মৰম লাগি গৈছিল। ঠিক সৰু ছোৱালী এজনীৰ দৰে লাগিছিল তাইক। ইমানেই বেছি চিএৰি হাঁহিছিল যে সিহঁতৰ মাত ক্লাছৰূম গৈ পাইছিল। খঙত মে'ম বাহিৰলৈ ওলাই আহিল। সিহঁতৰ ওচৰত মে'ম গৈ যে থিয় হৈ আছিল সিহঁত কোনোৱে গমেই পোৱা নাছিল।

দৃশ্যটো দেখি 3rd sem ৰ খিনিয়ে ভাল ৰস পাইছিল।

ঃ ইয়াত এনেকৈ আড্ডা দিবলৈ আহিছা? কাষত যে ক্লাছ কৰি আছোঁ দেখিছানে নাই?

মে'মৰ ৰূপ দেখি গোটেই কেইটা মৌন হৈ গ'ল। তলমূৰ কৰি শুনি আছে। তাৰ পিছতো কিন্তু এই হিমাস্মিতাই মুখ টিপি টিপি হাঁহি আছিল।

ঃ এতিয়াই মোৰ চকুৰ আগতে আঁতৰ হোৱা ইয়াৰ পৰা।

গোটেই কেইটা খপ্‌জপ্‌কৈ তাৰ পৰা ছেকেণ্ডত আঁতৰি আহিল।

ঃ মই কৈছিলোঁ নে লাইব্ৰেৰীলৈ যাওঁ বুলি তইহে, এতিয়া শুনিলি নে গালিটো? নীৰৱে ক'লে।

ঃ দে হ'ব দে। এইটোকনো আৰু গালি বুলি কয় নে?

তাৰ সুৰতে সুৰ লগাই হিমাস্মিতাই কৈ উঠিল।

ঃ গৰম লাগিছে বহুত। ব'লচোন, দোকানৰ পৰা ঠাণ্ডা পানী বটল এটা লৈ আহোঁ।

কথাৰ পাক সলনি কৰি আৰোহীয়ে ক'লে।

ঃ দে পইচাটো মোকে, ময়ে আনোগৈ।

আৰোহীৰ পৰা দহ টকাটো লৈয়ে অনুৰাগ পানীৰ বটল আনিবলৈ গ'ল। অনুৰাগে খাবলৈ পানী আৰু চিপছ্ লৈ আহিল। গোটেই কেইটাই খাই লৈ ১২ বজাৰ ক্লাছটো কৰিবলৈ গ'ল। নীৰৱ আৰু আৰোহী ইংলিছ ক্লাছলৈ গ'ল। বাকী সিহঁত তিনিওটাই এডুকেশ্যনৰ ক্লাছলৈ খোজ ল'লে। মাজত অফ নথকাকৈ একেৰাহে তিনিটা ক্লাছ হৈ গ'ল। শেষৰ ইকনমিক্সৰ ক্লাছটো কৰি ঘৰমুৱা হৈছিল তাই।

ঃ ক্লাছ শেষ? পিছফালৰ মাতটো শুনি ঘূৰি চালে তাই। অধীৰ আহি আছিল।

ঃ অ', শেষ হ'ল অধীৰ দা। সুজল দাৰ দোকানৰ পৰা আহোঁ কিতাপ এখন ল'বলগা আছে। তাই ক'লে।

ঃ অহ, ময়ো যাওঁ ব'লা। জেৰ'ক্স এটা কৰিবলৈ আছে।

অধীৰৰ সৈতে আগবাঢ়িল আৰোহী।

ঃ নতুনকৈ আহিয়েই চিনাকি হৈ গ'লা আৰু ন সকলোৰে লগত?

অধীৰৰ কথাত আৰোহী হাঁহি ৰৈ মাথোঁন। গৈ থাকোঁতে মাজে মাজে অধীৰৰ আঙুলিত স্পৰ্শ হৈ আৰোহীৰ আঙুলি।

ইকনমিক্সৰ কিতাপখন লৈয়ে ঘৰলৈ যাবলৈ বাছ ষ্টেণ্ডলৈ গ'ল। অধীৰো তাইৰ লগতে খোজ মিলালে। যিহেতু পুলিচ পইণ্টৰ আগলৈ যাব লাগে সেয়ে বাছ ষ্টেণ্ডলৈ দুয়ো একেলগে

আহিল।

ঃ বাই, গৈ থাকিবা। অধীৰে তাইৰ চকুলৈ চাই ক'লে।

উত্তৰত আৰোহীয়ে মূৰ দুপিয়ালে। অধীৰ গৈ থাকিল আগুৱাই। আৰোহী চাই ৰৈছে গাড়ীৰ ভিতৰৰ পৰাই অধীৰলৈ। এবাৰ ঘপ্‌কৈ পিছলৈ অধীৰে চাওঁতে দুয়োৰে চকুৰে চকুৰে পৰাত আৰোহীৰ মুখত লাজ নামৰ ঢৌ জাকে খেলি থৈ গ'ল।

গাড়ীখনত কম ভলিউমত গীতালি দেৱীৰ এটি গান বাজি আছিল,

"ধীৰে ধীৰে ঘূৰি চোৱানা এবাৰ
দুচকুতে কিনো যাদু তোমাৰ
এধানি এধানি মৰম অভিমানী সাগৰ এখন
পলকতে মৰোঁ মৰোঁ তোমাৰ মৰমত..."

(আগলৈ...)

●●●



Art by Dr. Gargi Phukon



মোৰো মন যায় তোমাৰ প্ৰেমত কবি হ'বলৈ
জোন, তৰা, বেলিৰ সৈতে তোমাৰ তুলনা কৰি ভাৱনাৰ উত্তাল তৰংগত হেৰাই যাবলৈ
তাৰ পিছত ...
তুমি আকাশ হ'বা মই চুব নোৱাৰিম
তুমি সাগৰ হ'বা মই জুখিব নোৱাৰিম
তুমি বতাহ হ'বা মই শ্বাসৰুদ্ধ হৈ পৰিম
এনে বিশৃঙ্খল ভাৱনাৰে শিপাই পৰা লতাডাল লহপহকৈ মন-মগজুৰ চোতালত বাঢ়ি আহে
আৰু এটা কবিতা লিখাৰ বিফল চেষ্টাৰ ইমানতেই অন্ত পৰে।

**ড° গাৰ্গী ফুকন**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

# অনুভৱ



মনত লালন পালন কৰি ৰখা কিছুমান ডুখৰীয়া ছবি
য'ত নিহিত হৈ আছে প্ৰেম, ভালপোৱা আৰু গভীৰ আস্থা...



Art by Anamika Sikdar 4th Semester (Science)



# মৰমৰ পিংকু কুশলে থাকা

ড° গাৰ্গী ফুকন
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

মই কেতিয়াও ভবা নাছিলোঁ জীৱনত এদিন শিক্ষক হ'ম বুলি। নিসন্দেহে এই প্ৰফেছ্নটোৰ প্ৰতি এটা বেলেগ ধৰণৰ শ্ৰদ্ধা সদায়ে আছিল কিন্তু নিজকে কেতিয়াও সেই স্থানত কল্পনা কৰা নাছিলোঁ যে সেইটো সঁচা। কিন্তু এতিয়া মোৰ ভাবিয়েই ভাল লাগে যে মই এজন শিক্ষক আৰু এই যে ভাল লাগে তাৰ প্ৰথম কাৰণটোৱেই হৈছে মোৰ হৃদয়ত থকা মৰমৰ ছাত্ৰ-ছাত্ৰীসকল। যোৱা পাঁচটা বছৰৰ বহু স্মৃতি বহু অভিজ্ঞতা জড়িত হৈ আছে, কিন্তু আজি মই এটা বিশেষ অভিজ্ঞতাৰ বিষয়ে ক'ম।

২০২২ বৰ্ষৰ এটা দিন। ৩য় ষাণ্মাসিকৰ এম আই এলৰ ক্লাচ কৰি আছিলোঁ। এজন অতি বিনম্ৰ ছাত্ৰ, সদায় প্ৰথম বেঞ্চ ৰ প্ৰথম চিটত বহে, কেতিয়াবা মই কিতাপখন নিনিলে সেই ছাত্ৰজনেই আগুৱাই দিয়ে। স্বাভাৱিকতেই দুশ/আঢ়ৈশ ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ শ্ৰেণীবোৰৰ মাজত তেনেকুৱা দুই তিনিখন মুখ মনত ৰৈ যায়। তেনেকৈ বহু কেইটা ক্লাছ যোৱাৰ পিছত এদিন কি কথাত ভালকৈ মনত নাই কিন্তু কিবা পৰীক্ষা সংক্ৰান্তীয় কথা আলোচনা হওঁতে ল'ৰাজনে ক'লে 'বেছিকৈ মই পঢ়িব নোৱাৰোঁ যে মেম।' মই বোলো 'পঢ়িব নোৱাৰিবলৈ কি হ'ল? 'মেম মোৰ বেমাৰ আছে যে'। তাৰ পিছত সেইদিনা মই কিবা সুধিলোঁ নে নাই মোৰ মনত নাই। কিন্তু কিছুদিন পিছত ছাত্ৰজনক লগ পায় সুধিলোঁ সেইদিনা যে কৈছিলা তোমাৰ বেমাৰ বুলি কি বেমাৰ? সি ক'লে- '2nd stage Cancer'। হয়, কথাটো দুখ লগায়ে, এটা ১৯/২০ বছৰীয়া সৰু ল'ৰা, যাৰ এইটো সপোন দেখাৰহে সময়, সপোনৰ পৃথিৱীত মন পাখি ঘোঁৰাৰ ডেউকা মেলি উৰি ফুৰাৰ বয়স, তেনে বয়সত এই ল'ৰাটোৱে জীৱনৰ সৈতে যুঁজি আছে। তাকো এই যুঁজখন কিহৰ? জীয়াই থকাৰ যুঁজ। কিন্তু কথাখিনি সি পুতৌৰ পাত্ৰ হওঁক বুলি বা তাৰ প্ৰতি সহানুভূতিৰে মন ভৰি পৰক বুলি লিখা নাই। হয়তো এনেদৰে জীৱনৰ বাটত যুঁজি থকা মানুহ অজস্ৰ আছে। কোনোবাই জীয়াই থাকিবলৈ যুঁজ দিছে কোনোবাই এমুঠি অন্নৰ বাবে, কোনোবাই হয়তো নেদেখাজনাৰ সৈতে যুঁজিছে আৰু কোনোবাই নিজৰ সৈতে। কিন্তু মোৰ বোধেৰে আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে ভিন্নজনে ভিন্নভাৱে যুঁজি থকা এই যুঁজবোৰৰ মাজতো জীৱনটোক কেনেদৰে চাইছে।

আচৰিত এই ল'ৰাজনৰ মাজত থকা positivity । বেমাৰৰ বাবে হাতত কঁপনি উঠে বাবে অনাৰ্চ এৰি দিবলগীয়া হৈছে অথচ পঢ়াৰ প্ৰতি ইমানেই দুৰ্বাদল হেঁপাহ যে ৰেগুলাৰ ক'ৰ্চ লৈ হ'লেও

পঢ়িবলৈ এৰা নাই। সাধাৰণ এটা পৰিয়ালৰ ল'ৰা, আৰ্থিকভাৱেও কিছু দুৰ্বল, দেউতাকে অৰ্জন কৰা সেই পইচাকেইটাৰেই পৰিয়ালটো কোনোমতে খাই বৈ চলি থাকে, তাতে বেমাৰৰ খৰচ, দৰব পাতিৰ খৰচৰ কথা আছেই। সেইবাবে সি নিজৰ পঢ়াৰ বাবে খৰচ উলিওৱাৰ ব্যৱস্থা নিজেই কৰি লৈছে, কণ কণ ল'ৰা-ছোৱালী কেইটামানক টিউচন কৰি। তথাপি তাৰ মুখখন দেখিলে এই অভাৱবোৰ অনুভৱ কৰিব নোৱাৰি অলপো। বৰঞ্চ অনবৰতে মুখত কঢ়িয়াই ফুৰা হাঁহিটোৰ আঁৰত থাকে কেৱল আৰু কেৱল positivity। আচৰিত নহয়নে আমি কিমান সৰু সৰু কথাতে হতাশ হৈ যাওঁ, জীৱনটোক অৰ্থহীন বুলি ভাবিবলৈ লওঁ।

ভাল লাগে ভাবি জীৱনৰ প্ৰতি ইমান ধনাত্মক দৃষ্টিভংগী থকা এইজন ছাত্ৰৰ মই শিক্ষয়িত্ৰী। কেৱল এইজন ছাত্ৰ বুলিয়েই নহয়, এনে আৰু মোৰ মৰমৰ বহু ছাত্ৰ-ছাত্ৰী আছে যিসকলৰ পৰা মই বহু সময়ত বহু কথা শিকিছোঁ, উপলব্ধি কৰিছোঁ আৰু আগলৈও শিকি যাম। আচলতে জীৱনৰ বাটত লগ পোৱা নিজতকৈ সৰু-ডাঙৰ বহু লোকৰ পৰা শিকিবলগীয়া বহু কথাই থাকে।

পিঙ্কুৰ বিষয়ে এইখিনি কথা এদিন ফেচবুকত লিখিছিলোঁ, কিন্তু পিঙ্কু গ'লগৈ। যোৱা বছৰৰ ৬ ফেব্ৰুৱাৰী, ২০২৪ তে ল'ৰাটো ঢুকাল। মৃত্যু এটা স্বাভাৱিক আৰু চিৰন্তন সত্য প্ৰক্ৰিয়া। আমি তাক মানি লওঁ বা নলওঁ, এই সত্যৰ সন্মুখীন আমি হ'বই লাগিব। হয়তো কোনোবা আগে যায় আৰু কোনোবা পিছত। সহজে ল'বলৈ তথাপি কষ্টকৰ। পিঙ্কুৰে বহু কথা শিকাই গ'ল। মোৰ মৰমৰ এজন ছাত্ৰ ঢুকুৱা বাবে মই এই কথাখিনি লিখা নাই, লিখিছোঁ দুটা কাৰণত, প্ৰথম হ'ল ল'ৰাটো বৰ উৎসাহী আছিল, শিকিবলগীয়া বহু কথা আছিল পিঙ্কুৰ মাজত। কৰ্কট ৰোগত ভুগি আছিল বহু বছৰ ধৰি, কিন্তু যেতিয়াই দেখিছিলোঁ মুখত এটা উজ্জ্বল হাঁহি আছিল। ইমান উদ্যম, ইমান হেঁপাহ ক'ৰ পৰা যে আনিছিল সেই সৰু ল'ৰাটোৱে অথচ আমি কিমান সৰু সৰু কথাতে নিৰাশ হওঁ, depression ত গুচি যাওঁ। সন্মুখত এটা আগন্তুক মৃত্যুক লৈওঁ কোনো দিনে সপোন দেখিবলৈ এৰা নাছিলে পিঙ্কুৱে, পৰীক্ষা হলত হাত কঁপি ভালকৈ লিখিব নোৱাৰিছিলে পিঙ্কুৱে অথচ সেই ল'ৰাজনেই বি. এ. পৰীক্ষা দি উঠি মোক ফোন কৰি সুধিছিলে 'মেম মই ভাবিছোঁ এম.এ.টো কৰি পেলাম এইবাৰ, লগতে মই চাকৰিৰ বিভিন্ন পৰীক্ষাৰ বাবেও পঢ়ি যাম।' নিজৰ গাত কিমাননো তেজ আছিল সেইজন ল'ৰাৰ অথচ ৰক্তদান শিবিৰত ৰক্ত দান কৰিবলৈ তাৰ হাতখন আগেয়ে দাং খাইছিল। বহু দিন বহু বাৰ পিঙ্কুৰ ঘৰলৈ গৈছিলোঁ মই, মোৰ সাধ্য অনুসৰি যিখিনি পাৰোঁ সহায় কৰাৰ লগতে সময় দিবলৈ চেষ্টা কৰি গৈছিলোঁ। লাহে লাহে ল'ৰাটো ভালহৈ অহা দেখি বৰ সুখী হৈছিলোঁ মই, কিন্তু পিঙ্কু এদিন গ'লগৈ, অথচ বহু কথা শিকাই গ'ল। জীৱনক ভাল পাবলৈ আৰু সদায় পজিটিভ হৈ আগুৱাই যাবলৈ। পিঙ্কুৱে তাৰ ২০/২১ বছৰীয়া জীৱনেৰে যি শিকাই গ'ল সেই কথা হয়তো আমি কেতিয়াবা উপলব্ধি কৰোঁতেই ওৰেটো জীৱন লগাই দিওঁ।

দ্বিতীয় কথাটো হ'ল জীৱনত আমি কেতিয়াও কৰিবলগীয়া কাম পেলাই থ'ব যে নালাগে এই কথাটো সৰুৰে পৰাই পঢ়ি আহিছোঁ, শুনি আহিছোঁ অথচ বহু অজুহাতত আমি তাক অবহেলা কৰি পেলাই থওঁ। পিঙ্কু যেতিয়া শেষবাৰ হাস্পতালত আছিল বহু দিন ফোন কৰিছিল মোক। ময়ো যাম যাম বুলি নিজৰ ব্যস্ততাৰ বাবে হওক, ইটো সিটো কাম অথবা কেতিয়াবা ভাগৰৰ বাবেই হওক যোৱা মোৰ নহ'ল। পিঙ্কুৱে প্ৰায়ে মোক ফোন কৰিছিল, ময়ো ব্যস্ততাৰ মাজত লগতে নিজৰো কিছু শাৰীৰিক অসুস্থতাৰ বাবে পাহৰি গৈছিলোঁ যে চাৰিমাহ মান হ'ল ল'ৰাটোৰ পৰা ফোন এটা নাই অহা, এদিন ম'বাইলটো এনেয়ে চুই আছিলোঁ, হঠাৎ পিঙ্কুক অনলাইন দেখি মেছেজ দিছিলোঁ এটা 'অ' পিঙ্কু কি খবৰ?'। সিফালৰ পৰা উত্তৰ আহিছিল 'দাদা নাই, ঢুকালে।' আজিও কাণত পিঙ্কুৰ মাকৰ মাতটো স্পষ্টকৈ বাজি উঠে কান্দি কান্দি কৈছিল- 'পিঙ্কুৱে তোমাক চাবলৈ বৰ আগ্ৰহ কৰিছিল, তুমি কিয় নাহিলা?' কি ক'ম মই, একো উত্তৰ নাছিল মোৰ। মোলৈ আগ্ৰহ কৰা মৰমৰ সেই ছাত্ৰজনক মোৰ আৰু দেখাৰ সুযোগ এই জীৱন কালত মই হেৰুৱাই পেলালোঁ। কি অনুশোচনাত আজি মোৰ অন্তৰখন দগ্ধ হৈছে সেইয়া কেৱল মইহে জানো। আচলতে আমি কোনো মানুহেই হয়তো জীৱনত ইমান ব্যস্ত নহয় যে কৰিবলগীয়া কামবোৰ পিছত অনুতাপ কৰাকৈ পেলাই থওঁ। শেষত মাথোঁ এইটোয়েই বিচাৰিম তোমাৰ আত্মাই চিৰশান্তি লাভ কৰক। মৰমৰ পিংকু, তুমি য'তেই আছা কুশলে থাকা।

●●●




# মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয়

⏭ **ধিৰু পৱন বৰদলৈ**
স্নাতক ষষ্ঠ যাণ্মাসিক (কলা শাখা)

জাগীৰোড মহাবিদ্যালয় অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডত অৱস্থিত এখন স্নাতক শিক্ষাৰ মহাবিদ্যালয়। পূৰ্বতে 'কপিলী আঞ্চলিক মহাবিদ্যালয়' নামেৰে জনাজাত এই প্ৰতিষ্ঠানখন ১৯৭৯ চনৰ ৮ আগষ্টত প্ৰতিষ্ঠা কৰা হৈছিল। বিজ্ঞান, ক'লা আৰু বাণিজ্য শাখাৰ বিভিন্ন পাঠ্যক্ৰম প্ৰদান কৰা মহাবিদ্যালয়খন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত। ৰাষ্ট্ৰীয় ঘাইপথ ৩৭ৰ পৰা মাত্ৰ এশ মিটাৰ দূৰত্বত অসমৰ মৰিগাঁও জিলাৰ ক্ৰমান্বয়ে বিকাশশীল অৰ্দ্ধনগৰীয়া সংঘবদ্ধ জাগীৰোডত অৱস্থিত। পঁচিশ বিঘা মাটিৰ বিশাল এলেকাত বিস্তৃত এই নিস্তদ্ধ চৌহদটো, চিত্ৰময়, সোণাইকুছি পাহাৰৰ কাষত অৱস্থিত। সাংস্কৃতিকভাৱে ই নখোলাৰ অতি ওচৰত অৱস্থিত প্ৰাচীন তিৱা ৰাজ্যৰ প্ৰিন্স ৰিজেণ্টৰ বাসস্থান ৰাজ্যখনৰ অন্যতম জনগোষ্ঠী যিটো ইয়াৰ স্বকীয় থলুৱা জীৱন জগতৰে সমৃদ্ধ অঞ্চলটোৰ দূৰদৰ্শী আৰু দায়বদ্ধ সমাজকৰ্মীৰ এটা দলে জাগীৰোড মহাবিদ্যালয় স্থাপন কৰিছিল।

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোম তেওঁৰ উদ্যম উজ্জ্বল মনোভাৱ আৰু উদাৰ দৃষ্টিভংগীৰে মহাবিদ্যালয়খনৰ উন্নয়নত সোতৰ বছৰ ধৰি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ মহাবিদ্যালয়খনৰ শৈক্ষিক আৰু আন্তঃগাঁথনিত নিজা চাপৰ ভেটি স্থাপৰ কৰাৰ সমান্তৰালভাৱে শিক্ষকসকলক গুণগত পৰিমাপসমূহৰ প্ৰতি দৃষ্টি হেৰুৱাই নিদিয়াকৈ সৰ্বাংগীণতা আৰু সমতাৰ লালন-পালন কৰা মূল্যবোধসমূহক প্ৰসাৰিত কৰিবলৈ অনুপ্ৰাণিত কৰে। পঢ়া-শুনা আৰু লিখাৰ দক্ষতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে টিউটৰিয়েলৰ দৰে উদ্ভাৱনামূলক পাঠদান শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাত তেওঁ পাকৈত আছিল। তেওঁৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ কলা আৰু বিজ্ঞানৰ দুয়োটা ধাৰাকে অসম চৰকাৰৰ মাটি অনুদান সাহাৰ্য্য ব্যৱস্থাৰ অধীনলৈ অনা হয় আৰু ইয়াৰ কাৰ্যসূচী আৰু পাঠ্যক্ৰমসমূহ গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা সংযুক্ত হৈ পৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা অহা যুৱ আৰু প্ৰতিভাৱান শিক্ষকৰ মানদণ্ড আৰু স্বচ্ছ নিযুক্তি নীতিৰ ওপৰত অধ্যাপক আহোমে গুৰুত্ব প্ৰদান কৰিছিল।

ড° আলতাফুৰ ৰহমানে ২০০০চনৰ পৰ ২০০৮ চনৰ ভিতৰত আঠ বছৰ ধৰি অধ্যক্ষ হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। ড° ৰহমানৰ কাৰ্যকালত মহাবিদ্যালয়খনক এন এ এ চিৰ দ্বাৰা স্বাকৃতি আৰু মূল্যায়ন কৰা হয়। আৰু আৰ এম টি এম আৰু পি জি ডিচি এ । গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত কেৰিয়াৰমুখী পেছাদাৰী কাৰ্যসূচী, উদ্যোগীকৰণৰ প্ৰসাৰৰ বাবে এন বি আই আৰ টিৰ সৈতে টাইআপ আৰম্ভ কৰা হয়। হোষ্টেল নিৰ্মাণ, পুঁথিভৰাল আৰু কম্পিউটাৰ চেণ্টাৰ সম্প্ৰসাৰণৰ দৰে আন্তঃগাঁথনিতগত সুবিধাসমূহ অধিক সম্প্ৰসাৰণৰ দিশতো তেওঁ কাম কৰিছিল। ড° ৰহমানৰ কাৰ্যকালত মহাবিদ্যালয়খনে ২০০৫ চনত বহু সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সমন্বয়ৰ উদ্যম আৰু উল্লাসেৰে ৰূপালী জয়ন্তীও উদ্‌যাপন কৰে। সেই বছৰতে মহাবিদ্যালয়খন অসম মহাবিদ্যালয় কৰ্মচাৰী আইন, ২০০৫ ৰ পৰিসৰৰ অধীনলৈ আহোম ডাঃ ৰহমানৰ উপৰি প্ৰাক্তন উপাধ্যক্ষ উৎপল মণি ফুকনে দুটা পৰ্যায়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মহাবিদ্যালখনৰ বৰ্তমানৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে বাণিজ্যত স্নাতক (মেজৰ আৰু জেনেৰেল দুয়োটা পাঠ্যক্ৰমৰ সৈতে বি.কম.), কনষ্ট্ৰাকচন ৱৰ্কছত এডভান্স ডিপ্লমা (এডিচিডব্লিউ) আদি কাৰ্যসূচী আৰু পাঠ্যক্ৰম আৰম্ভ কৰিছে। দক্ষ মানৱ সম্পদ বৃদ্ধিৰ ব্যৱস্থা হিচাপে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ আৰ্থিক সহযোগত কেইটামান উদ্ভাৱনীমূলক নিয়োগ সৃষ্টিকাৰী পাঠ্যক্ৰমৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত ড° নেওগে মুখ্য ভূমিকা পালন কৰিছে। এই পাঠ্যক্ৰমসমূহ ইউ.জি.চি.ৰ দুখন ভিন্ন আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰে এখন পাল্প এণ্ড পেপাৰ আৰু টেকন'লজী (পিপিটি) আৰু ফেশ্বন টেকন'লজী আহিল আৰু খুচুৰা ব্যৱস্থাপনা, মনোৰঞ্জন (অভিনয়) আৰু পৰ্যটন আৰু আতিথ্য ব্যৱস্থাপনা স্নাতক বৃত্তি (বি. ভক.) আঁচনিৰ অধীনত, গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা যথাযথ অনুমতি লৈ আৰম্ভ কৰা হয়। মহাবিদ্যালয়খনে হিন্দুস্তান, কাগজ নিগমৰ নগাঁও কাগজ কল, ইণ্ডিয়ান ইনষ্টিটিউট অৱ ফেশ্বন এণ্ড টেক্সটাইল টেকন'লজী, গুৱাহাটী, জেভিয়াৰ ইনষ্টিটিউট অব ইনফ'ৰ্মেশ্যন টেকন'লজী, গুৱাহাটী, ড° ভবেন্দ্ৰনাথ শইকীয়া শিশু কল্যাণ ট্ৰাষ্ট, জনমভূমি গ্ৰুপছ অৱ হোটেল এণ্ড ৰিজ'ৰ্টছ, কোয়েলাৰ দৰে উদ্যোগৰ অংশীদাৰৰ সৈতে বুজাবুজিৰ চুক্তিপত্ৰত স্বাক্ষৰ কৰিছে, ট্যুৰ এণ্ড ট্ৰেভেল, এক্সেল কনষ্ট্ৰাকচন, অ এছিছ কনষ্ট্ৰাকচন আদিৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক দক্ষতা আৰু আনুষংগিক কাম-কাজত সৰলীকৰণ কৰা হয়। আঞ্চলিক চৰকাৰী অসমৰ পৰ্যটন সঞ্চালকায়ৰ কাহিলীপাৰাত অৱস্থিত ফিল্ম এণ্ড টেলিভিছন ইনষ্টিটিউট আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি অতিৰিক্ত সহায় আগবঢ়াইছে। সমাজৰ বাবে দক্ষ মানৱ সম্পদ সৃষ্টিৰ বাবে পাঠ্যক্ৰম ৰূপায়ণৰ ক্ষেত্ৰত আমাৰ প্ৰচেষ্টাক উৎসাহিত কৰিবলৈ তেওঁলোক আমাৰ লগত আছে।

যোৱা চাৰি বছৰৰ ভিতৰত মহাবিদ্যালয়খনত শৈক্ষিকৰ লগতে আন্তঃগাঁথনিগত দিশতো বহু নতুন সংযোজন দেখিবলৈ পোৱা যায়। নিয়মীয়া পাঠ্যক্ৰমৰ প্ৰৱৰ্তনো কৰা হৈছে। যিসকলে সময়মতে উচ্চ শিক্ষাৰ সুবিধা ল'ব নোৱাৰিলে তেওঁলোকে এতিয়া মহাবিদ্যালয়ত অৱস্থিত GU-IDOL study Cum exam Centre ৰ জৰিয়তে নিজৰ সপোন বাস্তৱায়িত কৰিব পাৰিব। GU-IDOL ৰ পৰা প্ৰায় ৫০০ ছাত্ৰ-ছাত্ৰীয়ে পিঃ জি পাঠ্যক্ৰম গ্ৰহণ কৰি ইতিমধ্যে দুটা বেটচে ইনিংছ সম্পূৰ্ণ কৰিছে। তদুপি বহু বাধাৰ বাবে নিয়মীয়া ছাত্ৰ হিচাপে ইউ জি পাঠ্যক্ৰমত নামভৰ্তি কৰিব নোৱাৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলক মনত ৰাখি এতিয়া তেওঁলোকে যোৱা বছৰ মহাবিদ্যালয়খনত মুকলি কৰা ষ্টাডি কাম পৰীক্ষা কেন্দ্ৰ কে. কে. এইচ. এচ. অ' ইড (KKHSOU) ৰ জৰিয়তে নিজৰ সপোন পূৰণ কৰে। অত্যাধুনিক আন্তঃগাঁথনিত সুবিধা সংযাজনৰ বাবেও এক এজেণ্ডা আছে। তেওঁৰ উদ্যোগত মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাসমূহৰ ডিজিটেলাইজেচন প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ইয়াৰে তিনিটাক ইতিমধ্যে ডিজিটেল শ্ৰেণীকোঠা হিচাপে উন্নতি কৰা হৈছে। কলেজৰ কম্পিউটাৰ বিভাগত ছাত্ৰ-ছাত্ৰীৰ বাবে এটা ডিজিটেল। ভাষা পৰীক্ষাগাৰ স্থাপন কৰা হৈছে। শৈক্ষিক আৰু অন্যান্য দৈনন্দিন কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে বিদ্যুৎ যোগানৰ নাটনি পূৰণৰ বাবে মহাবিদ্যালয়খনত ৫০ কিলোৱাট শক্তিৰ সৌৰশক্তি কেন্দ্ৰ স্থাপন কৰা হৈছে। অতি শেহতীয়াকৈ মহাবিদ্যালয়খনে ডিজিটেল পুথিভঁৰাল ভৱন প্ৰতিষ্ঠাও সম্পূৰ্ণ কৰিছে।

জাগীৰোড কলেজে প্ৰাৰম্ভিক দিনৰে পৰাই সৰ্বাংগীণতা আৰু সমতাক প্ৰসাৰিত, শিক্ষাৰ্থীৰ অনুকূল পাঠদান শিক্ষণ ব্যৱস্থা গ্ৰহণ, শৈক্ষিক বিনিময় আৰু আলোচনা চক্ৰ আৰু সন্মিলনৰ আয়োজনৰ ক্ষেত্ৰত আগৰণুৱা হৈ আহিছে। বিগত সময়ত মহাবিদ্যালয়খনে আলোচনা চক্ৰ মঞ্চৰ দ্বাৰা নিয়মীয়াকৈ

আলোচনা চক্ৰৰ কেলেণ্ডাৰ থকাৰ উপৰি বিভিন্ন বিষয়ৰ ওপৰত ৰাজ্যিক আৰু আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰা উপৰি NEIHA, NEIGS আৰু AACEA ৰ বাৰ্ষিক অধিৱেশন সফলতাৰে আয়োজন কৰিছিল। ইতিহাস বিভাগৰ অধ্যাপক ড° সুভাষ সাহাই বহুমুখী পণ্ডিত কবি-সামাজিক কৰ্মী হিচাপে নিজৰ বাবে এটা নিজৰ পৰিচয় খোদিত কৰিছিল আৰু ১৯৯৪ চনত অকাল মৃত্যুৰ আগলৈকে পোষ্ট ডক্টৰেট গৱেষণাত নিয়োজিত আছিল। ৰাষ্ট্ৰীয় চলচ্চিত্ৰৰ বঁটাৰ বাবেও তিনিবাৰকৈ সন্মানীয় জুৰীৰ সদস্য হিচাপে মনোনীত হৈছে। মহাবিদ্যালয়খনৰ শিক্ষকসকলে পি. এইচ. ডি ডিগ্ৰী লাভ কৰাৰ উপৰি ডি এছ টি, ইউ. জি. চি আদিৰ পুঁজিৰ মেজৰ আৰু আমি মাইনৰ গৱেষণা প্ৰকল্পত নিয়োজিত হৈ আছে। মহাবিদ্যালয়খনে সম্প্ৰদায়ভিত্তিক সংস্থাসমূহক সহায় আৰু পৰামৰ্শ আগবঢ়োৱাৰ উপৰি স্থানীয় সাহিত্য, সাংস্কৃতিক আৰু ক্ৰীড়াৰ সংস্থাসমূহতে সক্ৰিয়ভাৱে জড়িত হৈ আছে।

ইয়াৰ প্ৰায় দুহেজাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে যিসকলৰ এটা বৃহৎ অংশ এতিয়াও আৰ্থ-সামাজিকভাৱে বঞ্চিত সম্প্ৰদায়ৰ অন্তৰ্গত, এটা সুখদায়ক আৰু শান্তিপূৰ্ণ পাঠদান শিক্ষণ পৰিৱেশ, এটা প্ৰতিশ্ৰুতিবদ্ধ শিক্ষক, কৰ্মচাৰী যিসকলৰ কিছুমানে শৈক্ষিক আৰু অন্যান্য বঁটা লাভ কৰিছে। এজন সহায়কাৰী প্ৰাক্তনছাত্ৰ যাৰ বহুতেই সফলতাৰে গঢ় দিছে আৰু শিল্পকৰ্ম কৰিছে। তেওঁলোকৰ কেৰিয়াৰ, উৎকৃষ্ট আন্তঃ গাঁথনিত সুবিধা, উচ্চতৰ মাধ্যমিকৰপৰা পৰ্যটন ব্যৱস্থাপনাত স্নাতকোত্তৰলৈকে পূৰ্ণ কালীন শৈক্ষিক কাৰ্য্যসূচী আৰু পাঠ্যক্ৰমৰ বিস্তৃত শৃংখল, প্ৰায় ৩৫ হাজাৰ কিতাপৰ সৈতে এটা ভালদৰে ষ্টক কৰা আৰু আপডেট কৰা পুথিভঁৰাল। বৃত্তৰ বিভিন্ন আঁচনি শিক্ষাৰ্থী, আলোচনা চক্ৰ আৰু সন্মিলন, অভিযোগ নিৰাময় ব্যৱস্থাৰ কাৰ্যকলাপ জাগীৰোড মহাবিদ্যালয় অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত উচ্চ স্কেল কৰিবলৈ অনন্যভাৱে সাজু হৈছে। তাৰোপৰি এতিয়া মহাবিদ্যালয়খনে স্বায়ত্তশাসিত মৰ্যাদা লাভ কৰাত মহাবিদ্যালয়খনে নিজৰ পাঠ্যক্ৰম আৰু শৈক্ষিক কাৰ্যকলাপবোৰ নিজাববীয়াকৈ পৰিচালনা কৰিব পাৰিব। জাগীৰোড মহাবিদ্যালয়ৰ ভৱিষ্যতৰ প্ৰত্যাশা যথেষ্ট উজ্জ্বল। লগতে, মহাবিদ্যালয়খনৰ প্লেচমেণ্ট হাৰ বৃদ্ধি পাইছে, যিয়ে শিক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ বাবে এক ভাল সম্ভাৱনা সৃষ্টি কৰিছে। তদুপৰি, মহাবিদ্যালয়খনৰ অত্যাধুনিক আন্তঃগাঁথনি আৰু ডিজিটেল ক্লাছৰুম, কেন্দ্ৰীয় লাইব্ৰেৰী, সু-সজ্জিত লেব'ৰেটৰী আদি সুবিধাৰ বাবে শিক্ষাৰ্থীসকলে এক উন্নত শৈক্ষিক পৰিৱেশ লাভ কৰিব।

ভৱিষ্যতে, জাগীৰোড মহাবিদ্যালয়ে শিক্ষাৰ্থীসকলক উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান কৰি আৰু তেওঁলোকৰ দক্ষতা বিকাশ কৰি এক উজ্জ্বল ভৱিষ্যতৰ পথ মুকলি কৰিব বুলি আশা কৰা হৈছে।

●●●

- ভাল খাদ্যবস্তুৱে পেট ভৰে, কিন্তু ভাল কিতাপে মানুহৰ আত্মাক পৰিতৃপ্ত কৰে।

  — স্পিনোজা

- সাগৰৰ পাৰত বৈ পানীত উঠা ঢৌ চাই বহি থাকিলেই তুমি কেতিয়াও সাগৰ পাৰ হ'ব নোৱাৰা। সাগৰ পাৰ হ'বলৈ তুমি পানীত নামিবই লাগিব।

  — ৰবীন্দ্ৰনাথ ঠাকুৰ

জীৱনৰ প্ৰতিটো পথত কিছুমান বিশেষ স্থান থাকে যিবোৰ আমাৰ হৃদয়ৰ লগত গভীৰভাৱে জড়িত হৈ পৰে। মোৰ বাবে সেই স্থানবোৰৰ ভিতৰত আটাইতকৈ বিশেষ হৈছে জাগীৰোড কলেজ।

# মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় ঃ এক প্ৰত্যাশা

**নৰোত্তম দাস**
স্নাতক পঞ্চম ষাণ্মাষিক (বাণিজ্য শাখা)

মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় মানুহৰ জীৱনত সপোন হৈছে সেইটো শক্তি, যিয়ে আগবাঢ়িবলৈ প্ৰেৰণা যোগায়। সপোনহীন জীৱন হৈছে বন্তি নথকা এক দেৱালয়ৰ দৰে - অন্ধকাৰত পথ পোৱা অসম্ভৱ। মোৰ জীৱনৰ সপোনৰ অন্যতম উৎস আৰু পথ প্ৰদৰ্শক হৈছে জাগীৰোড মহাবিদ্যালয় এক শিক্ষা মন্দিৰ, যিয়ে মোৰ জ্ঞানৰ পোহৰ উজ্জ্বল কৰিছে আৰু ব্যক্তিত্ব গঠনত অনন্য ভূমিকা পালন কৰিছে।

মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল যে এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ মূল লক্ষ্য হৈছে জনতাৰ সেৱক হিচাপে প্ৰতিজন শিক্ষাৰ্থীক গঢ় দিয়া। যিয়ে দেশৰ স্বাধীনতাৰ বাবে তৎপৰ থাকে আৰু নিজৰ প্ৰাণ দান দিবলৈও কুণ্ঠাবোধ নকৰে। স্বাধীনতাৰ আগৰ সময় বাবে তেওঁ দেশৰ স্বাধীনতাৰ ওপৰত গুৰুত্ব দিছিল। আজিৰ দিনত উচ্চ শিক্ষানুষ্ঠানৰ মূল লক্ষ্য বুলিবলৈ হ'লে জনতাৰ হকে কাম কৰাৰ সদিচ্ছা থকা নাগৰিক গঢ় দিয়াটোকে বুজাব যিয়ে ভাৰতবৰ্ষ আৰু ইয়াৰ জনতাৰ বাবে কাম কৰি যাবলৈ তৎপৰ হৈ থাকিব।

আমাৰ জাগীৰোড মহাবিদ্যালয়ে প্ৰতিষ্ঠা কালৰে পৰাই দেশৰ হকে কাম কৰা সৎ নাগৰিক গঢ় দিয়াৰ মহৎ কাৰ্য্যত ব্ৰতী আছিল আৰু মানুহক আগবাঢ়িবলৈ প্ৰেৰণা যোগায় আহিছে।

জীৱনৰ প্ৰতিটো পথত কিছুমান বিশেষ স্থান থাকে যিবোৰ আমাৰ হৃদয়ৰ লগত গভীৰভাৱে জড়িত হৈ পৰে। মোৰ বাবে সেই স্থানবোৰৰ ভিতৰত আটাইতকৈ বিশেষ হৈছে জাগীৰোড কলেজ। কেৱল এটা শিক্ষানুষ্ঠান নহয় ই মোৰ স্বপ্ন আশা-আকাঙ্খাৰ গৃহ। কলেজ সম্বন্ধে (অতীতত জাগীৰোড মহাবিদ্যালয়) জাগীৰোড কলেজ (পূৰ্বতে কপিলী আঞ্চলিক মহাবিদ্যালয় আছিল) ৮-আগষ্ট ১৯৭৯ চনত প্ৰতিষ্ঠা কৰা হৈছিল। জাগীৰোডত অৱস্থিত এই কলেজখন লাহে লাহে বিকাশ হৈ থকা মৰিগাঁও জিলাৰ এক আধা-নগৰী এলেকাত অৱস্থিত, যি ৰাষ্ট্ৰীয় পথ ৩৭ৰ পৰা মাত্ৰ এশ মিটাৰ দূৰত্বত অৱস্থিত। চৌপাশে শান্ত পৰিৱেশটো ২৫ বিঘাৰো অধিক ভূমিত বিস্তৃত সোণাইকুচি পাহাৰৰ কাযত অৱস্থিত। সাংস্কৃতিক দিশত নখোলা প্ৰাচীন তিৱা ৰাজ্যৰ ৰাজপুত্ৰৰ আৱাসস্থলীৰ অত্যন্ত ওচৰত অৱস্থিত। তিৱা জনজাতি অসমৰ অন্যতম জনজাতি, যাৰ নিজস্ব

স্বতন্ত্ৰ সংস্কৃতি আৰু জীৱনধাৰা আছে। জাগীৰোড কলেজ অঞ্চলৰ দূৰদৰ্শী আৰু সমাজসেৱাত প্ৰতিশ্ৰুতিবদ্ধ কিছুমান লোকৰ উদ্যোগত প্ৰতিষ্ঠিত হৈছিল।

শ্ৰীমহেন্দ্ৰ আহোম প্ৰতিষ্ঠাপক অধ্যক্ষ ড° আলতাফুৰ ৰহমানে ২০০০চনৰ পৰা ২০০৮ চনৰ ভিতৰত আঠ বছৰ ধৰি অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু পাঁচ বছৰৰ বাবে গভৰ্নিং বডীৰ সভাপতি হিচাপে সেৱা আগবঢ়াইছিল। ড° ৰহমান অধ্যক্ষ থাকোঁতে কলেজখনে NAAC ৰ স্বীকৃতি আৰু মূল্যায়ন লাভ কৰিছিল আৰু পেছাগত দিশৰ লগতে পেছা মুখী পাঠ্যক্ৰম যোগে MTM আৰু PGDCA ৰ অধীনত দূৰশিক্ষা পাঠ্যক্ৰম, আৰু উদ্যোগিতা উন্নয়ণৰ বাবে NBIRF ৰ সৈতে অংশীদাৰিত্ব আৰম্ভ হৈছিল। ইয়াৰ উপৰি তেওঁৰ অধীনত হোষ্টেল নিৰ্মাণ, পুঠিভঁৰাল আৰু কম্পিউটাৰ চেণ্টাৰ সম্প্ৰসাৰণৰ দৰে আন্তঃগাঁথনিৰ সুবিধাসমূহ অধিক সম্পসাৰণৰ কাম সম্পাদন হৈছিল। ড° ৰহমানৰ কাৰ্যকালত মহাবিদ্যালয়খনে ২০০৫ চনত বহু সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সমন্বয়ৰ উদ্যম আৰু উল্লাসেৰে ৰূপালী জয়ন্তীও উদ্‌যাপন কৰে। সেই বছৰতে মহাবিদ্যালয়ৰ অসম মহাবিদ্যালয় কৰ্মচাৰী (প্ৰাদেশীকৰণ) আইন, ২০০৫ ৰ পৰিসৰৰ অধীনলৈ আহে। ড° ৰহমানৰ উপৰি প্ৰাক্তন উপাধ্যক্ষ শ্ৰীউৎপল মণি ফুকনে দুটা পৰ্যায়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

বৰ্তমান সময়ৰ জাগীৰোড মহাবিদ্যালয়ৰ ড° ভবেন চন্দ্ৰ নেওগ, যি বৰ্তমানৰ কলেজৰ অধ্যক্ষ তেওঁ বাণিজ্যত স্নাতক (বি. কম আৰু সাধাৰণ দুই ধৰণৰ পাঠ্যক্ৰম) নিৰ্মাণ কাৰ্যত অগ্ৰসৰ ডিপ্ল'মা (ADCW) আদিৰ দৰে বিভিন্ন পাঠ্যক্ৰম আৰু অনুষ্ঠান আৰম্ভ কৰিছে। দক্ষ মানৱ সম্পদ বৃদ্ধি কৰাৰ উদ্দেশ্য, ড° নেওগে বিশ্ববিদ্যালয় অনুদান আয়োগৰ (UGC) আৰ্থিক সহায়তাৰ কেইটামান নৱীন উদ্ভাৱনীমূলক, ৰোজগাৰ সৃষ্টিকাৰী পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ মুখ্য ভূমিকা গ্ৰহণ কৰিছে। এই পাথ্যক্ৰমবোৰ ইউ.জি.চি ৰ দুটা পৃথক আঁচনিৰ অন্তৰ্গত। ইয়াৰ ভিতৰত পাল্প আৰু পেপাৰ টেকন'ল'জী (পি.পি.টি) আৰু ফোন টেকন'ল'জী কমিউনিটি কলেজ আঁচনিৰ অধীনত আৰম্ভ কৰা হয় আৰু খুচুৰা ব্যৱস্থাপনা, বিনোদন (অভিনয়) আৰু পৰ্যটন আৰু আতিথ্য ব্যৱস্থাপনাৰ পাঠ্যক্ৰবোৰ স্নাতক ভকেচন (বি.ভক) আঁচনিৰ অধীনত (গুৱাহাটী বিশ্ববিদ্যালয়ৰ যথাযথ অনুমতিৰে আৰম্ভ কৰা হয়।

বুজা পৰাৰ চুক্তি (Mou) নথিপত্ৰসমূহ শিল্প ক্ষেত্ৰৰ সহভাগী প্ৰতিষ্ঠাসমূহ যেনে নগাঁও পেপাৰ থিল, হিন্দুস্তান পেপাৰ কৰ্প'ৰেশ্বন ভাৰতীয় ... আৰু বস্ত্ৰ প্ৰযুক্তি প্ৰতিষ্ঠান গুৱাহাটী জেভিয়াৰ ইনষ্টিটিউট অৱ ইনফৰ্মেচন টেক'ন'লজী (এক্সিমিট), গুৱাহাটী ড° ভবেন্দ্ৰনাথ শইকীয়া চিল্ড্ৰেন ৱেলফেয়াৰ ষ্ট্ৰাষ্ট (আকহন) জনমভূমি গ্ৰুপ অৱ হুটেলছ এণ্ড ৰিছাৰ্চ কনষ্ট্ৰাকশ্যন আদি প্ৰতিষ্ঠানৰ সৈতে কলেজ স্বাক্ষৰ কৰিছে যাতে শিক্ষাৰ্থীসকলক দক্ষতা আৰু সংশ্লিষ্ট কাৰ্যকলাপত সক্ষম কৰি তুলিব পাৰি।

ৰিজিঅ'নৈল গভৰ্নমেণ্ট ফিল্ম এণ্ড টেলিভিছ্ন ইনষ্টিটিউট (আৰ.জি.এফ.টি. আই) যি কাহিলীপাৰাত অৱস্থিত আৰু অসমৰ পৰ্যটন নিৰ্দেশালয়ৰ অধীনত শিক্ষাৰ্থীসকলৰ বাবে এক অতিৰিক্ত সহায় হিচাপে কাম কৰি আছে। তেওঁলোকে দক্ষ মানৱ সম্পদ গঢ়ি তুলিবলৈ প্ৰয়োজনীয় পাঠ্যক্ৰম বাস্তৱায়নৰ ক্ষেত্ৰত আমাৰ প্ৰচেষ্টাক উৎসাহিত কৰিছে। যোৱা চাৰিবছৰ ধৰি কলেজত শিক্ষামূলক তথা পাঠ্যক্ৰমসমূহৰ ক্ষেত্ৰত বহুতো নতুন সংযোজন দেখা হৈছে। নিয়মিত পাঠ্যক্ৰম আৰু দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ উপৰি দূৰশিক্ষা পাঠ্যক্ৰমো অৰ্থহীন তথা প্ৰয়োজনীয় শিক্ষাৰ্থীৰ বাবে আৰম্ভ কৰা হৈছে। যিসকল শিক্ষাৰ্থীয়ে সময়মতে উচ্চশিক্ষা লাভ কৰিব নোৱাৰিলে তেওঁলোকে এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইডল (GU-IDOC) অধ্যয়ন-সহ-পৰীক্ষা কেন্দ্ৰ, যি কলেজতেই অৱস্থিত, তাৰ মাধ্যমেৰে নিজৰ স্বপ্ন পূৰণ কৰিবলৈ সক্ষম হৈছে। প্ৰায় ৫০০ শিক্ষাৰ্থীয়ে GU-IDOL ৰপৰা স্নাতকোত্তৰ পাঠ্যক্ৰম অব্যাহত ৰাখিছে আৰু দুটা শ্ৰেণীয়ে ইতিমধ্যে নিজৰ পাঠ সমাপ্ত কৰিছে। ইয়াৰ উপৰি বহু সীমাবদ্ধতাৰ বাবে যিসকল বঞ্চিত শিক্ষাৰ্থীয়ে নিয়মিত স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিব নোৱাৰে, সেইসকলৰ স্বপ্ন পূৰণৰ বাবে গুৱাহাটীৰ কে কে এইচ এছ অ' ইউ (KKHSOU) অধ্যয়ন -সহ পৰীক্ষা কেন্দ্ৰও যোৱা বছৰে কলেজত আৰম্ভ কৰা হৈছে।

জাগীৰোড কলেজে আৰম্ভণিৰ দিনৰ পৰা সমাৰেশিকা আৰু সমতা বৃদ্ধিৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে, শিক্ষাৰ্থীবান্ধৱ, শিক্ষণ-অধিগম পদ্ধতিগ্ৰহণ, ছেমিনাৰ আৰু আলোচনা আয়োজন কৰি আহিছে। অতীতত কলেজ NEIHA NEIGS আৰু AACEA ৰ বাৰ্ষিক। দ্বি বাৰ্ষিক অধিৱেশন সফলতাৰে আয়োজন কৰিছে, পাঠ্যত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় স্তৰৰ ছেমিনাৰ অনুষ্ঠান কৰিছে। ইতিহাস বিভাগৰ অধ্যাপক ড° সুভাস সাহাই এক বহুমুখী গৱেষক কবি-সামাজিক কৰ্মী হিচাপে প্ৰতিষ্ঠিত কৰিছিল আৰু তেওঁৰ অকাল মৃত্যুৰ পূৰ্বে ১৯৯৪ চনলৈকে পোষ্ট ডক্টৰেট গৱেষণাত নিয়োজিত আছিল। শিক্ষা অধ্যাপক মলয়া গোস্বামীয়ে ১৯৯২ চনৰ ৩৭ তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পুৰস্কাৰিত জাহ্নু বৰুৱাৰ পৰিচালিত **ফিৰিঙতি** (A spark) চলচ্চিত্ৰত তেওঁৰ উৎকৃষ্ট অভিনয়ৰ বাবে সৰ্বশ্ৰেষ্ঠ

অভিনেত্ৰীৰ বঁটা লাভ কৰিছিল। তেওঁ তিনিবাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পুৰস্কাৰেৰে প্ৰতিষ্ঠিত বিচাৰক মণ্ডলীৰ সাক্ষাৎ হিচাপেও মনোনীত হৈছিল ইতিহাস বিভাগৰ অধ্যাপক তথা পূৰ্বৰ তিৱা মৰোনলাই চোখা। (তিৱা সাহিত্য সভা)ৰ সভাপতি প্ৰফেছাৰ তুলসী বৰদলৈয়ে তিৱাসকলৰ সাহিত্য আৰু সাংস্কৃতিক ঐতিহ্য অধ্যয়নৰ ক্ষেত্ৰত মুখ্য সম্পদ ব্যক্তিৰূপে ভূমিকা পালন কৰিছে।

প্ৰায় দুহেজাৰ শিক্ষাৰ্থীৰে সমৃদ্ধ-যাৰ এক বৃহৎ অংশ সামাজিক -আৰ্থিকভাৱে পিছপৰা সম্প্ৰদায়ৰ অন্তৰ্গত যথেষ্ট উচ্চ লিংগ সমতা হাৰ, মুখাময় আৰু শান্ত শিক্ষণ অধিগম পৰিৱেশ এক নিবত শিক্ষকমণ্ডলী যাৰ কিছুমানে একাডেমিক আৰু অন্যান্য গৌৰৱ অৰ্জন কৰিছে, সহায়ভাৱাপন্ন প্ৰাক্তন শিক্ষাৰ্থী যাৰ বহুতে নিজৰ জীৱন সফলতাৰে গঢ়ি তুলিবলৈ সক্ষম হৈছে। উৎকৃষ্ট সুবিধা উচ্চতৰ মাধ্যমিকৰ পৰা পৰ্যটন ব্যৱস্থাপনাত স্নাতকোত্তৰলৈ বিস্তৃত পূৰ্ণকালীন একাডেমিক পাঠ্যক্ৰম সংযোজন কৰাৰ বাবে।

ইয়াৰ উপৰি ২০২৩ চনৰ NAAC এ জাগীৰোড মহাবিদ্যালয়ক A+ গ্ৰেড প্ৰদান কৰে, যিয়ে এই প্ৰতিষ্ঠানৰ শিক্ষাগত মান, পৰিচালনাগত দক্ষতা আৰু সমগ্ৰ বিকাশৰ এক গৌৰৱময় স্বীকৃতি। ইয়াৰ উপৰি এই বৰ্ষত (২০২৫) চনত মহাবিদ্যালয়খনে স্বায়ত্বশাসিত (Autonomus) প্ৰতিষ্ঠানৰ মৰ্যাদা লাভ কৰে, যিয়ে ইয়াক পাঠ্যক্ৰম নিৰ্মাণ গৱেষণা আৰু উদ্ভাৱণী শিক্ষাৰ ক্ষেত্ৰত অধিক স্বাধীনতা প্ৰদান কৰিছে।

তদুপৰি এন. এছ.এছ (NSS) আৰু এন.চি.চি (NCC) ৰ জৰিয়তে গ্ৰামাঞ্চলত স্বাস্থ্য শিৱিৰ পৰিচ্ছন্নতা অভিযান আৰু শিক্ষামূলক সচেতনতা কাৰ্যসূচী চলাই। আনহাতে এই বৰ্ষত (২০২৫) চনত Jagiroad College ৰ স্থান সমগ্ৰ ভাৰতীয় স্তৰৰ স্থানত ১৩৮ তম India Today ৰ সমীক্ষাৰ মতে ঃ

| Stream/overnal | All India Rank | Year |
|---|---|---|
| Science stream | 138 India | Today |
| Arts Stream | 159 | India Today 2025 July |
| Overall Jagiroad College | 162 | India Today 2025 Best College |

যোৱা বৰ্ষত হৈ যোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত বহুকেইটা শিতানত পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। জাগীৰোড মহাবিদ্যালয়ে তাৰ ভিতৰত কুইজত তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছিল, তদুপৰি অভিনয় শাখাতো বহুকেইটা শিতানত পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। আনহাতে যোৱা বছৰত অনুষ্ঠিত হৈ যোৱা আন্তঃ মহাবিদ্যালয় ভিত্তিত ফুটবল প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰি প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছিল। সেয়েহে জাগীৰোড কলেজ সদায় স্মৰণীয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আৱেগ ভৱিষ্যতাৰ প্ৰত্যাশা।

মোৰ সপোন আৰু প্ৰত্যাশা হৈছে জাগীৰোড মহাবিদ্যালয়ে ভৱিষ্যতে কেৱল অসমতে নহয়, ভাৰতবৰ্ষ তথা আন্তঃৰাষ্ট্ৰীয় মঞ্চতো নিজৰ স্থান দখল কৰক। ইয়াত যেন গৱেষণাৰ ক্ষেত্ৰত বিশ্বয়ানৰ সুবিধা থাকে, প্ৰতিটো শাখাত প্ৰতিভাৱান আৰু অৰ্থনৈতিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰ্যাপ্ত বিত্তীয় ব্যৱস্থা থাকে।

মই আশা কৰোঁ এদিন ইয়াত আন্তঃৰাষ্ট্ৰীয় মানৰ গৱেষণা কেন্দ্ৰ অনলাইন আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ শিক্ষা, আৰু বিশ্ববিদ্যালয়সমূহৰ সৈতে একাডেমিক হৈছে এডাল বটবৃক্ষ দৰে, য'ত কপিলী আৰু কলঙ নদীৰ সুৰেৰে জ্ঞানৰ কলকল ধ্বনি বৈ থাকিব।

জাগীৰোড মহাবিদ্যালয় মোৰ বাবে কেৱল এখন শিক্ষা প্ৰতিষ্ঠান নহয় - ই হৈছে মোৰ আত্ম-গঠনৰ ক্ষেত্ৰ, মোৰ আশা আৰু সপোনৰ ৰেঙণি। ইয়াৰ অতীত ত্যাগ আৰু সংগ্ৰামৰ গাঁথাৰ পূৰ্ণ ভৱিষ্যত অসংখ্য সম্ভাৱনাৰ পাখি মেলি বৈ আছে।

এদিন আমি গৌৰৱেৰে ক'ব পাৰিম -

"জাগীৰোড মহবিদ্যালয় জ্ঞানৰ পৱিত্ৰ মন্দিৰ, যিয়ে মাটিৰ গোন্ধ, নদী সুৰ আৰু শিক্ষাৰ দীপশিখাৰে জীৱনৰ পথ উজ্জ্বল কৰি তোলে।"

Long live Jagiroad College.

●●●




জাগীৰোড মহাবিদ্যালয়ৰ নাম কপিলী আঞ্চলিক মহাবিদ্যালয় আছিল। এই মহাবিদ্যালয়খন ১৯৭৯ চনৰ ৮ আগষ্ট তাৰিখে অঞ্চলটোৰ দূৰদৰ্শী আৰু দায়বদ্ধশীল সমাজকৰ্মী সকলৰ এটা দলে স্থাপন কৰিছিল।

# মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় ঃ এক গভীৰ অনুভৱ

**ছয়নিকা মেধি**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

পোন প্ৰথমে মই ঐতিহ্যমণ্ডিত জাগীৰোড মহাবিদ্যালয়খন স্থাপন কৰাৰ ক্ষেত্ৰত যিসকল মহান ব্যক্তিয়ে তেওঁলোকৰ বহুমূলীয়া অৱদান আগবঢ়াই গ'ল সেইসকল ব্যক্তিলৈ সহস্ৰ প্ৰণাম যাচিলোঁ। জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে মই গৰ্ব অনুভৱ কৰোঁ। মধ্য অসমৰ আগশাৰী শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অন্যতম কলং, কপিলী, কিলিঙৰ ত্ৰিবেণী সংগমত গঢ় লোৱা সকলোৰে প্ৰিয় জাগীৰোড মহাবিদ্যালয়।

আশা আৰু সপোন প্ৰত্যেক ব্যক্তিৰে থাকে। ঠিক তেনেদৰে সৰুৰে পৰা মোৰো এটা ডাঙৰ সপোন আছিল উচ্চমানদণ্ড বিশিষ্ট জাগীৰোড মহাবিদ্যালয়ত অধ্যয়ন কৰা। সেই সপোন পূৰ কৰিবলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পাছতে মই মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয়ত ২০২৫বৰ্ষৰ ২মে' তাৰিখে একাদশ শ্ৰেণীত নামভৰ্ত্তি কৰি সপোনটো দিঠকত পৰিণত কৰিলোঁ। বিদ্যাৰ্থী জীৱনৰ আটাইতকৈ ৰঙে-ৰসে ভৰা বৈচিত্ৰ্যময় সময়খিনিয়েই হৈছে মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়ছোৱা। সকলোখিনি নতুন-নতুন বন্ধু, নতুন পৰিৱেশ এক নতুন অভিজ্ঞতা। মহাবিদ্যালয়ৰ চাৰিওফালৰ সেই সুন্দৰ পৰিৱেশে মন মুগ্ধ কৰি নিয়ে। প্ৰৱেশ দুৱাৰ খন চেৱায়েই সেই শাৰী-শাৰী কৈ থকা বকুল গছ কেইজুপী তাৰ লগতে থকা পুথিভঁৰালটো এখন সুন্দৰ বাগিচা, চাৰিওফালৰ নীৰৱতায়ে যেন সকলোকে আপ্লুত কৰি পেলাই।

পূৰ্বতে এই বিকাশশীল জাগীৰোড মহাবিদ্যালয়ৰ নাম কপিলী আঞ্চলিক মহাবিদ্যালয় আছিল। এই মহাবিদ্যালয়খন ১৯৭৯ চনৰ ৮ আগষ্ট তাৰিখে অঞ্চলটোৰ দূৰদৰ্শী আৰু

দায়বদ্ধশীল সমাজকৰ্মী সকলৰ এটা দলে স্থাপন কৰিছিল। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় ১০০ মিটাৰ নিলগত ২৫ বিঘা মাটিৰ বিশাল একেলাকত বিস্তৃত নিস্তব্ধ চৌহদটোত এই মহাবিদ্যালয় খন অৱস্থিত। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক, অধ্যক্ষ তথা বৰ্তমান মহাবিদ্যালয় শাসক মণ্ডলী সকলৰ উদ্যম, উজ্জ্বল মনোভাৱ আৰু উদাৰ দৃষ্টিভংগীৰে মহাবিদ্যালখনৰ উন্নয়নত ৪৬ বছৰ ধৰি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মহাবিদ্যালয়খনৰ সুন্দৰ পৰিচালনাই ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিছিল, কৰি আছে আৰু কৰি যাব। এনেকুৱা এক জীপাল মনোমোহা, সজীৱ পৰিৱেশত বাৰু অধ্যয়ন কৰিবলৈ কাৰ মন নাজাব! জাগীৰোড মহাবিদ্যালয়ৰ সৈতে মোৰ বিশেষ এটা আবেগ জড়িত হৈ আছে কিয়নো মোৰ ককাও একালত এই মহাবিদ্যালয়ৰে ছাত্ৰ আছিল আৰু ক'বলৈ পাই সুখী হৈছোঁ আজি মইও সেই মহাবিদ্যালয়ৰে এগৰাকী ছাত্ৰী।

বৰ্তমান জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰৰ তত্ত্বাৱধানত মহাবিদ্যালয়খনে যথেষ্ট উন্নতি সাধন কৰিছে। সকলো ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব আৰু দক্ষতা বৃদ্ধিৰ বাবে (Skill) পেপাৰ ৰ সুবিধা কৰি দিছে। আমাৰ সপোনৰ জাগীৰোড মহাবিদ্যালয়খনে ৰাষ্ট্ৰীয় মূল্যাংকন NAAC- ৰ তৃতীয় চক্ৰৰ পৰিদৰ্শনত $A^+$ গ্ৰেড লাভ কৰে। ইয়াৰ লগতে ইণ্ডিয়া টুডেৰ সমীক্ষাত বিগত পাঁচটাকৈ বৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ মহাবিদ্যালয়সমূহৰ ভিতৰত স্থান দখল কৰিবলৈ সক্ষম হৈছে। আৰু ক'বলৈ পাই সুখী হৈছোঁ আমাৰ মহাবিদ্যালয়খনে ২০২৫ বৰ্ষৰ ৯জুন তাৰিখে সেই শুভ দিনটোত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বায়ত্তশাসিত মহাবিদ্যালয় (Autonomous) হিচাপে স্বীকৃতি লাভ কৰে। বৰ্তমান মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰৰ অত্যন্ত কষ্ট, আপ্ৰাণ চেষ্টা, উদ্যম আৰু উদাৰ দৃষ্টিভংগীৰ প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়খনে এই সন্মান পাবলৈ সক্ষম হৈছে। সেয়েহে তেওঁৰ লগতে কৰ্মচাৰী, শিক্ষকমণ্ডলী, ছাত্ৰ-ছাত্ৰীসকল শলাগ ল'বলগীয়া। জাগীৰোড মহাবিদ্যালয়খনৰ শৈক্ষিক মানদণ্ডৰ লগতে চৌহদটোৰো যথেষ্ট উন্নতি হোৱা দেখা যায়। নতুন-নতুন শ্ৰেণীকোঠা, দুই-তিনি মহলীয়া অট্টালিকা আৰু চৌপাশৰ অৱয়বটোৱে যেন সকলোৰে মন মুগ্ধ কৰি নিয়ে।

অনাগত দিনবোৰত জাগীৰোড মহাবিদ্যালয়খন আয়ুষ্মান হৈ উঠক। যিদৰে মহাবিদ্যালয়খনে কপিলী আঞ্চলিক মহাবিদ্যালয়ৰপৰা জাগীৰোড মহাবিদ্যালয় আৰু জাগীৰোড মহাবিদ্যালয়ৰ পৰা জাগীৰোড মহাবিদ্যালয় স্বতন্ত্ৰলৈ উন্নীত হ'ল। অনাগত দিনবোৰত যেন ই জাগীৰোড বিশ্ববিদ্যালয়ৰ মৰ্যদা লাভ কৰে তাৰে কামনা কৰিলোঁ। উচ্চমানদণ্ডবিশিষ্ট এই মহাবিদ্যালয়ৰ বুকুত শিক্ষাৰ্থীসকলৰ জীৱন সুৰক্ষিত আৰু প্ৰতিভাশীল হওক তাকে নেদেখা জনৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ।

Long Live Jagiroad College.
জয়তু জাগীৰোড মহাবিদ্যালয়।

●●●

## কুইজ

- প্ৰশ্ন ঃ প্ৰথম অসমীয়া কথা কবিতাৰ ৰচক কোন?
  উত্তৰ ঃ যতীন্দ্ৰনাথ দুৱৰা।
- প্ৰশ্ন ঃ অসম সাহিত্য সভাৰ প্ৰথম মহিলা সভানেত্ৰী গৰাকীৰ নাম কি?
  উত্তৰ ঃ নলিনীবালা দেৱী।
- প্ৰশ্ন ঃ 'জোনাকী'ৰ প্ৰথম সম্পাদক কোন?
  উত্তৰ ঃ চন্দ্ৰকুমাৰ আগৰৱালা।
- প্ৰশ্ন ঃ প্ৰথম অসমীয়া চলচিত্ৰ পৰিচালক কোন?
  উত্তৰ ঃ জ্যোতিপ্ৰসাদ আগৰৱালা।

# জাগীৰোড মহাবিদ্যালয় মোৰ প্ৰিয় শিক্ষানুষ্ঠান


**জেবিন চুলতানা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, কলা শাখা


**সংক্ষেপে, জাগীৰোড মহাবিদ্যালয় হৈছে উচ্চ শিক্ষাৰ এক প্ৰয়োজনীয় কেন্দ্ৰ, যি গুণগত শিক্ষা, উন্নত সুবিধা আৰু এক ইতিবাচক শিক্ষণ পৰিৱেশ প্ৰদান কৰে।**

জাগীৰোড মহাবিদ্যালয় হৈছে অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডত অৱস্থিত এখন প্ৰখ্যাত মহাবিদ্যালয় যি ১৯৭৯ চনত প্ৰতিষ্ঠা লাভ কৰিছিল আৰু বৰ্তমান UGC ৰ দ্বাৰা স্বায়ত্তশাসিত মৰ্যাদা পাবলৈ সক্ষম হৈছে।

জাগীৰোড মহাবিদ্যালয় এখন উল্লেখযোগ্য শিক্ষা প্ৰতিষ্ঠান যিয়ে শৈক্ষিক উৎকৰ্ষতা, সামাজিক দায়বদ্ধতা আৰু সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াত শিক্ষকসকলে কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ বিভিন্ন পাঠ্যক্ৰম আগবঢ়োৱাৰ লগতে ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ বিভিন্ন আঁচনি যেনে স্কলাৰশ্বিপ আৰু পাঠ্যক্ৰমৰ বাহিৰৰ কাৰ্যসূচীৰ যোগান ধৰে। এইখন মহাবিদ্যালয়ে NAAC ৰ দ্বাৰা ৩য় মূল্যায়নত ৩.২৬ CGPA ৰে "A+" গ্ৰেড লাভ কৰিছে। ই এক গৌৰৱময় ইতিহাস, যিয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সৰুৰে পৰাই জাগীৰোড মহাবিদ্যালয়ৰ বিষয়ে শুনি আহিছোঁ, নৱম শ্ৰেণীত পঢ়ি থকাৰ পৰাই এইখন মহাবিদ্যালয়ত পঢ়িবলৈ উৎসুকতা বেছিকৈ বাঢ়িব ধৰিলে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছতে নতুন বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকৰ নামভৰ্তি আৰম্ভ হ'ল, সৌভাগ্য হিচাপে মই এই মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ সোণালী সুযোগ পালোঁ।

জাগীৰোড মহাবিদ্যালয়ত আধুনিক বিজ্ঞানগাৰ চেমিনাৰ হ'ল, কমন ৰুম আৰু উন্নত পুথিভঁৰাল আছে। ইয়াত আধুনিক শ্ৰেণীকোঠা, ৱাই-ফাই থকা কম্পিউটাৰ লেব, হোষ্টেল আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশ আছে, যি শিক্ষাৰ বাবে অনুকূল।

ইয়াত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত কলা, বিজ্ঞান, আৰু বাণিজ্য ব্যৱস্থাপনা আদি বিভিন্ন বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়ায়, য'ত উন্নত শিক্ষাদান পদ্ধতি আৰু প্ৰায়োগিক জ্ঞানৰ ওপৰত গুৰুত্ব দিয়া হয়।

ইয়াত শিক্ষকৰ ভূমিকা গুৰুত্বপূৰ্ণ। তেওঁলোক ডেডিকেটেড শিক্ষক। ইয়াত বিভিন্ন স্কলাৰশ্বিপৰ সুবিধা আছে। শিক্ষকসকলে শিক্ষাৰ্থীসকলক বুদ্ধিবৃত্তিৰ বিকাশৰ বাবে উৎসাহিত কৰে। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক পূৰ্ণ সহযোগিতা কৰে আৰু তেওঁলোকে গৱেষণা আৰু সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো অৰিহণা যোগায়।

বানপীড়িতসকলক সহায়, স্বাস্থ্য শিবিৰ, গ্ৰামাঞ্চলৰ উন্নয়ন আৰু গছপুলিৰোপণৰ দৰে সামূহিক কামত জাগীৰোড মহাবিদ্যালয়খন সক্ৰিয়ভাৱে সামাজিক দিশত দায়বদ্ধ।

জাগীৰোড মহাবিদ্যালয়ত পঢ়িবলৈ সুযোগ পাই মই নিজকে বহুত গৌৰৱ অনুভৱ কৰোঁ।

●●●

# জাগীৰোড মহাবিদ্যালয় ঃ এটি অনুভৱ



⏭ সুব্রত দাস
উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ

জাগীৰোড কলেজ অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডত অৱস্থিত এখন প্ৰতিষ্ঠিত ডিগ্ৰী কলেজ। এই কলেজখন ১৯৭৯ চনৰ ৮ আগষ্টত স্থাপন কৰা হৈছিল আৰু ই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৈতে সংযুক্ত। কলেজখন এখন চৰকাৰী/পাব্লিক শিক্ষা অনুষ্ঠান হিচাপে পৰিচিত। ইয়াত কলা (Arts), বিজ্ঞান (Science) আৰু বাণিজ্য (Commerce) শাখাৰ স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰম পঢ়োৱা হয়। কলেজখনত অভিজ্ঞ আৰু যোগ্য শিক্ষক-শিক্ষয়িত্ৰী আছে, যিয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নতিত সহায় কৰে।

কলেজখনত লাইব্ৰেৰী, বিজ্ঞানাগাৰ, খেল-পথাৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন সুবিধা উপলব্ধ। শৈক্ষিক পৰিৱেশ, শান্ত আৰু অনুকূল হোৱাৰ বাবে পঢ়া-শুনা সহায়ক। লগতে সাংস্কৃতিক অনুষ্ঠান, খেলাধূলা, ছাত্ৰ-সংগঠন আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশত কলেজখনে গুৰুত্ব দিয়ে। জাগীৰোড কলেজে বহু বছৰ ধৰি স্থানীয় অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আজি আপোনালোকৰ আগত জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে নিজকে চিনাকি দিয়াৰ যি সপোন আৰু মহাবিদ্যালয়খনত অহাৰ পিছত মোৰ যি অনুভৱ এই সকলোবোৰ দাঙি ধৰিব বিচাৰিছোঁ।

স্কুলীয়া জীৱনৰ পৰাই মোৰ সপোন আছিল নিজকে জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে চিনাকি দিয়া। মাধ্যমিক পৰীক্ষা দিয়াৰ পিছৰ পৰাই মোৰ এটাই চিন্তা যে কেতিয়া মাধ্যমিক পৰীক্ষাৰ ফলাফল পাওঁ আৰু কেতিয়া নামভৰ্তিৰ কাৰণে জাগীৰোড মহাবিদ্যালয়লৈ যাওঁ। নাম ভৰ্তি হোৱাৰ পিছত এনেকুৱা অনুভৱ হৈছে যে মোৰ মনৰ এটা ডাঙৰ আশা পূৰণ হৈছে। বহুতো লোকে বহু কথা কৈছিল কোনোৱাই কৈছিল মহাবিদ্যালয়খন ভাল আৰু আন কোনোৱাই কৈছিল মহাবিদ্যালয়খন ভাল নহয়। কিন্তু মই কোনো ফালে কাণ নিদি এটা কথাতেই লাগি আছিলোঁ যে মই জাগীৰোড মহাবিদ্যালয়লৈ যাম।

জাগীৰোড মহাবিদ্যালয়খনত যেতিয়া প্ৰথম ভূমুকি মাৰিছোঁ, মহাবিদ্যালয়ৰ গেটখন দেখিয়েই এনেকুৱা অনুভৱ হৈছিল যেন এখন পৱিত্ৰ মন্দিৰত প্ৰৱেশ কৰিছোঁ। মহাবিদ্যালয়ৰ ভিতৰত থকা মনোমোহা দৃশ্যই মোৰ মনত অতিকৈ আনন্দ দিছে। ইয়াত থকা গছ-গছনি, নানা ধৰণৰ ফুলে মোৰ মন প্ৰফুল্লিত কৰি তুলিছে।

মহাবিদ্যালয়ত খেলিব পৰাকৈ এখন ডাঙৰ খেল পথাৰ আছে। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা মৰম আৰু বন্ধুত্বপূৰ্ণ ব্যৱহাৰৰ লগতে ছাত্ৰ- ছাত্ৰীসকলৰ চাফ-চিকুণতা, শিষ্টাচাৰ আদি দেখিবলৈ বহু ধুনীয়া।

মহাবিদ্যালয়খনত চাবলগীয়া বস্তুৰ লগতে, জানিবলগীয়া কথা বহুতো আছে। মোৰ মনত বিশেষকৈ প্ৰকৃতিৰ যিবোৰ সৌন্দৰ্য্য সেইবোৰ অতিকৈ ভাল লাগিছে। মহাবিদ্যালয়খনত শিক্ষক-শিক্ষয়িত্ৰীসকলে অতি মৰমেৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰে। মই ক'বলৈ পাই সুখী হৈছোঁ যে এইখন মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে মই নিজকে চিনাকি দিব পাৰিছোঁ।

প্ৰকৃতিৰ যি সৌন্দৰ্য্য, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা যি মৰম এই সকলোবোৰ আন আন মহাবিদ্যালয়বোৰতো থকাটো প্ৰয়োজনীয়।

●●●

# মহাবিদ্যালয়ৰ অনুভৱ স্মৃতিৰ টুকুৰা

মন্দিৰা (হৰ্ষিতা) ডেকা
প্ৰাক্তন ছাত্ৰী

জাগীৰোড কলেজ মোৰ বাবে কেৱল এখন শিক্ষানুষ্ঠানেই নহয়; মোৰ বাবে জীৱনৰ অবিচ্ছেদ্য অংশ। এই কলেজখনে মোক জ্ঞান দিছে, আত্মবিশ্বাস গঢ়ি তুলিছে আৰু জীৱনৰ পথত আগবাঢ়ি যাবলৈ সাহস দিছে।



কলেজ জীৱনৰ দুৱাৰত ভৰি থোৱা সেই সময়ছোৱাত মোৰ মনটো আছিল নতুন সপোন আৰু আনন্দেৰে ভৰা।

প্ৰথমবাৰৰ বাবে কলেজত ভৰি থোৱা সেই দিনটো মোৰ জীৱনৰ এটা বিশেষ দিন আছিল।

নতুন পথ, নতুন মানুহ,
নতুন এক পৃথিৱী
কলেজ নামৰ সেই সেউজীয়া জগতখন।

সেই দিনটোত মনত আছিল অলপ ভয়, অলপ আশা আৰু অগণন প্ৰশ্নৰ কোলাহল -- নতুন পৰিৱেশত মই নিজকে খাপ খুৱাব পাৰিমনে? নতুন বন্ধুত্বৰ সুতাৰে হৃদয় জুৰিবনে? নতুন শিক্ষা, নতুন পাঠ্যসূচী আৰু নতুন দায়িত্বৰ সৈতে মই সামঞ্জস্য ৰাখিব পাৰিম নে? এই সকলো প্ৰশ্নৰে মনটো ভৰি থাকিলেও হৃদয়ৰ গভীৰত কোনো এক অদৃশ্য আশাই মোক আগবঢ়াই নিছিল।

মোৰ কলেজ আছিল জাগীৰোড কলেজ, প্ৰকৃতিৰ আঁচলত ডাঙৰ হোৱা এক শান্ত আশ্ৰম যেন। চাৰিওফালে সেউজীয়া গছ-গছনিৰে আবৰা কলেজ চৌহদত ভৰি দিয়াৰ লগে লগে মনটো আপোনা-আপুনি প্ৰসন্ন হৈ উঠিছিল। সতেজ বতাহৰ কোমল স্পৰ্শ, চৰাইৰ কিচিৰ-মিচিৰ শব্দ আৰু প্ৰকৃতিৰ সান্নিধ্যই কলেজখনক এক অনন্য সৌন্দৰ্য্য প্ৰদান কৰিছিল। "Greenery greeny feel" বুলি ক'লে একেবাৰে ভুল নহ'ব।

এই পৰিৱেশে আমাক পঢ়া-শুনাত মনোযোগী হ'বলৈ সহায় কৰাৰ লগতে জীৱনটো সৰলভাৱে অনুভৱ কৰিবলৈ শিকাইছিল। গছৰ ছাঁত বহি ক্লাছৰ আগত বা পাছত দুই এটা মুহূৰ্তৰ আলাপ, নিঃশব্দে বতাহৰ শব্দ শুনি মনত উদ্ভৱ হোৱা চিন্তা- এই সকলোবোৰ কলেজ জীৱনক অধিক গভীৰ আৰু অৰ্থপূৰ্ণ কৰি তুলিছিল।

ক্লাছৰ পাছত আমি প্ৰায়েই কলেজৰ লাইব্ৰেৰীত বহি পঢ়া কৰিছিলোঁ। সেই লাইব্ৰেৰীটো কেৱল পঢ়াৰ স্থানেই নহয়, জ্ঞান আহৰণ আৰু স্বপ্ন গঢ়াৰ এক পৱিত্ৰ ঠাই আছিল। কলেজৰ পাৰ্কখন আছিল আমাৰ বন্ধু-বান্ধৱৰ সৈতে আলাপৰ আটাইতকৈ প্ৰিয়স্থান। তাতেই আমি হাঁহিছিলোঁ, কথা পাতিছিলোঁ আৰু জীৱনৰ সৰু-সুৰা স্বপ্নবোৰ ভাগ-বতৰা কৰিছিলোঁ। কোনো বিশেষ কাৰণ নাথাকিলেও আমি তাত বহি থাকিবলৈ ভাল পাইছিলোঁ, কিয়নো সেই স্থানে আমাৰ বন্ধুত্বৰ বন্ধনক অধিক দৃঢ় কৰি তুলিছিল। আজিও যেতিয়া পুৰণি বন্ধু এজনক লগ পাওঁ, কথাৰ মাজতে হঠাতে কলেজৰ সেই পাৰ্কখনৰ কথা ওলাই আহে।

আমাৰ কলেজৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰ এজন অতি দক্ষ শিক্ষক আৰু মৰমিয়াল মানুহ। বৰ্তমান তেখেত অধ্যক্ষ পদত অধিষ্ঠিত হ'লেও আমাৰ সময়ছোৱাত তেখেত গণিত বিষয়ৰ শিক্ষক আছিল আৰু মোৰ টিউশ্যন শিক্ষকো আছিল। গণিত যেনেকৈ বহু ছাত্ৰ-ছাত্ৰীৰ বাবে ভয়ৰ বিষয়, নেওগ ছাৰে সেই ভয়ক সহজে দূৰ কৰিব পাৰিছিল। তেওঁৰ মুখত সদায় থকা স্নেহভৰা হাঁহিটোৱে আমাক সাহস আৰু আত্মবিশ্বাস দিছিল। ভুল কৰিলে কেতিয়াও অপমান নকৰিছিল; বৰঞ্চ ভুলৰ পৰা শিকিবলৈ উৎসাহ দিছিল। আজিও যেতিয়া মই ছাৰক লগ পাওঁ, তেখেতে আগৰ দৰেই সেই একেই মৰমেৰে কথা পাতে। তেতিয়া ভাব হয়, যেন সময় থমকি গৈছে আৰু এতিয়াও আমি সেই কলেজৰ দিনবোৰতেই আছোঁ।

উদ্ভিদ বিজ্ঞান বিভাগৰ শ্ৰীমান বিস্বছাৰো মোৰ অতি প্ৰিয় শিক্ষক আছিল। তেওঁ এজন ভাল শিক্ষকেই নহয়, এজন ভাল মানুহ। তেওঁ সকলো ছাত্ৰ-ছাত্ৰীকে সমানভাৱে সহায় কৰিছিল। বিশেষকৈ মোৰ জীৱনৰ সেই সময়ছোৱাত তেওঁ মোক যথেষ্ট সহায় কৰিছিল, যাৰ বাবে মই আজিও তেওঁৰ প্ৰতি কৃতজ্ঞ। তদুপৰি শ্ৰী পবন গগৈ ছাৰ, বুঢ়াগোঁহাই ছাৰ, চৰকাৰ ছাৰ তেওঁলোকে মোক বহুত মৰম কৰিছিল। তেওঁলোকৰ পাঠদান আৰু ব্যৱহাৰে আমাক গভীৰভাৱে প্ৰভাৱিত কৰিছিল।

কলেজৰ দৈনন্দিন জীৱনত শিক্ষকৰ উপৰি কৰ্মচাৰী সকলৰ অৱদানো স্বীকাৰ্য। কলেজ গেটত কৰ্তব্যৰত এজন পৰিশ্ৰমী আৰু নিষ্ঠাৱান লোক আছিল। তেওঁক আমি 'বৰা দা' বুলি সম্বোধন কৰিছিলোঁ। তেওঁ নিজৰ দায়িত্ব সততা আৰু আন্তৰিকতাৰে পালন কৰিছিল। তেওঁ সকলো ছাত্ৰ-ছাত্ৰীকে চিনি পাইছিল আৰু সকলোৰে সৈতে বন্ধুত্বসুলভ ব্যৱহাৰ কৰিছিল। তেওঁৰ উপস্থিতিয়ে কলেজখনক এক সুৰক্ষিত আৰু শৃংখলাবদ্ধ পৰিৱেশ প্ৰদান কৰিছিল। এই নীৰৱ কৰ্মযোদ্ধাসকলেই কলেজ জীৱনটো অধিক আপোন কৰি তুলিছিল, যদিও তেওঁলোকৰ কথা বহু সময়ত আলোচনা আড়ালতেই ৰৈ যায়।

বৰ্তমান সময়ত জাগীৰোড কলেজ আগৰ তুলনাত যথেষ্ট উন্নত হৈছে। নতুন বিল্ডিং, উন্নত শ্ৰেণীকক্ষ, আধুনিক লেব'ৰেটৰী আৰু বিভিন্ন সা-সুবিধাসমূহে কলেজখনক অধিক সমৃদ্ধ কৰি তুলিছে। এই উন্নয়ন দেখি মন গৌৰৱেৰে ভৰি পৰে। সময়ৰ সৈতে খাপ খুৱাই আগবাঢ়ি যোৱাটো প্ৰয়োজনীয় আৰু এই দিশত কলেজখনৰ অগ্ৰগতি প্ৰশংসনীয়। তথাপিও আমাৰ সময়ছোৱাত সেই সৰলতা, আন্তৰিকতা আৰু শিক্ষক-ছাত্ৰীসকলৰ মাজৰ মৰমৰ সম্পৰ্কবোৰে আজিও মোৰ মনত বিশেষ স্থান দখল কৰি আছে।

জাগীৰোড কলেজ মোৰ বাবে কেৱল এখন শিক্ষানুষ্ঠানেই নহয়; মোৰ বাবে জীৱনৰ অবিচ্ছেদ্য অংশ। এই কলেজখনে মোক জ্ঞান দিছে, আত্মবিশ্বাস গঢ়ি তুলিছে আৰু জীৱনৰ পথত আগবাঢ়ি যাবলৈ সাহস দিছে। ইয়াতেই মই শিকিছিলোঁ কেনেকৈ মানুহ হ'ব লাগে, কেনেকৈ সপোন দেখিব লাগে আৰু কেনেকৈ দায়িত্ব লৈ আগবাঢ়িব লাগে। সেই দিনবোৰ কেতিয়াও উভতি নাহিলেও, সেই স্মৃতিবোৰ মোৰ হৃদয়ত সদায় জীয়াই থাকিব।

জাগীৰোড কলেজে মোক যি দিছে, তাৰ বাবে মই সদায় কৃতজ্ঞ। সময়ৰ সোঁতত বহু কিছু সলনি হ'লেও, মোৰ মনৰ ভিতৰত কলেজ জীৱনৰ সেই সেউজীয়া দিনবোৰ সদায় একে দৰেই উজ্জ্বল হৈ থাকিব।

সময় আগবাঢ়ে,
জীৱন আগুৱাই যায়,
কিন্তু হৃদয়ৰ এক কোণত
আজিও জীয়াই থাকে
জাগীৰোড কলেজ।

●●●

# জাগীৰোড মহাবিদ্যালয় ঃ মোৰ অনুভৱৰ সপোন যাত্ৰা

⏭ **মৌচম কোঁৱৰ**
স্নাতক তৃতীয় ষাণ্মাসিক

জাগীৰোড মহাবিদ্যালয় মোৰ জীৱনৰ গৌৰৱময় অধ্যায়ৰ অন্যতম। কলেজখনৰ সেউজীয়া পৰিৱেশ, বকুল গছৰ মিঠা সুৱাস, আৰু সেউজীয়া শান্ত ঘাঁহনিখিনিয়ে প্ৰথম দিনটোৰ পৰা মোৰ মনত এক বিশেষ অনুভৱ জগাই তুলিছিল। কলেজত প্ৰৱেশ কৰোঁতেই যেন নতুন আশা, নতুন পথ আৰু নতুন চেলেঞ্জৰ এক যাত্ৰা আৰম্ভ হ'ল।

প্ৰতিদিনৰ ক্লাছ, বন্ধু-বান্ধৱীৰ হাঁহি-ধেমালি আৰু BDB-PTB ত বহি কৰা কথা-বাৰ্তাই কলেজ জীৱনৰ মাধুৰ্য্য আৰু সত্তাক পূৰ্ণতা দিছিল। ২০২২-২৩ শৈক্ষিক বৰ্ষত (HS) উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ শ্ৰেণীৰ Class Representative (CR) হিচাপে কলেজ নিৰ্বাচনত জয়ী হোৱা মোৰ বাবে এক অবিস্মৰণীয় অভিজ্ঞতা। সেই দিনটোৱে মোৰ বুকুত দায়িত্ব, নেতৃত্ব আৰু আত্মবিশ্বাসৰ এক নতুন স্ফূৰণ জগাই তুলিছিল। সহপাঠীসকলৰ দায়িত্ব, শিক্ষক-শিক্ষাৰ্থীৰ মাজত যোগাযোগ স্থাপন, অনুষ্ঠানসমূহত আগভাগ লোৱাই মোৰ পৰিচয়ক নতুন ৰূপ দিছিল।

কলেজৰ সৈতে মোৰ বন্ধনো দিনে-দিনে আৰু দৃঢ় হ'বলৈ ধৰিছিল। বিভিন্ন অনুষ্ঠান, পৰিৱেশ সচেতনতা অভিযান, স্বেচ্ছাসেৱামূলক কাৰ্যসূচী আৰু সন্মিলিত কাম-কৰ্মই মোক এক সজাগ, সামাজিক আৰু দায়িত্বশীল ব্যক্তিত পৰিণত কৰি তুলিছিল।

তেনে সময়তে ২০২৪-২৫ বৰ্ষত BA স্নাতক তৃতীয় ষাণ্মাসিক শ্ৰেণীৰ Social Service Secretary হিচাপে পুনৰ কলেজ নিৰ্বাচনত জয়ী হোৱাৰ সৌভাগ্য লাভ কৰিলোঁ। দুবাৰ দায়িত্ব লাভ কৰাটো কেৱল গৌৰৱৰ বিষয় নহয়, ই মোৰ ওপৰত



ছাত্ৰসমূহে ৰখা আস্থা আৰু ভালপোৱাৰ প্ৰতিফলন। সমাজ-সেৱা, স্বাস্থ্য-জাগৃতি, পৰিচ্ছন্নতা অভিযান, সহায়-সহযোগ কাৰ্যসূচী আদি কাৰ্যত নেতৃত্ব দিয়া বাবে কলেজ জীৱনক অধিক অৰ্থৱহ কৰি তুলিছে।

কলেজৰ সাংস্কৃতিক ক্ষেত্ৰও মোৰ বাবে এক অনন্য মঞ্চ। নাচ-গান আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত অংশ গ্ৰহণৰ ফলত মোৰ মঞ্চভীতি দূৰ হোৱাই নহয়, আত্মপ্ৰকাশৰ পথো খুলিছিল। কলেজ সপ্তাহ, সাংস্কৃতিক প্ৰতিযোগিতাৰ-প্ৰতিটো অনুষ্ঠানতেই মই নাচৰ মঞ্চত মোৰ জীৱনমণিকূট উজলাই তুলিছিলোঁ। সেই মুহূৰ্তবোৰ এতিয়া মোৰ জীৱনৰ অমূল্য ধন।

জাগীৰোড মহাবিদ্যালয় মাথোঁ শিক্ষা দিয়া এটা স্থান নহয়। ই মোৰ চিন্তা, মন, অনুভৱ আৰু ব্যক্তিত্ব গঠনৰ বিশেষ ঠাই। বকুলৰ সুৱাস, পথৰ সেউজীয়া চহৰুৱা, বন্ধু-বান্ধৱীৰ কোলাহল, পাঠশালা অভিজ্ঞতা, নেতৃত্বৰ গৰ্ব, দায়িত্ব এই সকলোবোৰে লগ ল'লে জাগে একেইটো অনুভৱ।

এই মহাবিদ্যালয়েই মোক আজিৰ মই হিচাপে গঢ়ি তুলিছে।

●●●

জাগীৰোড মহাবিদ্যালয় মোৰ চকুত কেৱল এটা পাঠশালা নহয়- ই হৈছে সপোনৰ গৃহ, জ্ঞানৰ মন্দিৰ আৰু সমাজৰ আলোকস্তম্ভ। অতীতৰ ত্যাগ, বৰ্তমানৰ সাফল্য আৰু ভৱিষ্যতৰ দীপ্তি- এই প্ৰক্ৰিয়াৰে ইয়াৰ মাত্ৰা আগলৈ ধৰি ৰাখিব লাগে। মোৰ বিশ্বাস এদিন এই মহাবিদ্যালয় শিক্ষাৰ আকাশত সৰ্বাধিক উজ্জ্বল নক্ষত্ৰ ৰূপে জ্বলি উঠিব।

# মোৰ সপোনৰ জাগীৰোড মহাবিদ্যালয় ঃ মোৰ অনুভৱ প্ৰত্যাশা

**দেৱজানী খাছাৰ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, কলা শাখা

জাগীৰোড মহাবিদ্যালয় মোৰ জীৱনৰ লগত জড়িত এক গভীৰ অনুভৱ। শিক্ষাৰ সপোন লৈ গঢ়া এই প্ৰতিষ্ঠানে ১৯৭৯ চনৰ ৮ আগষ্ট তাৰিখে অঞ্চলৰ শিক্ষাপ্ৰেমী সমাজকৰ্মীসকলৰ দূৰদৰ্শী চিন্তাধাৰাৰ ফলত প্ৰতিষ্ঠা লাভ কৰে। সেই সময়ত উচ্চ শিক্ষাৰ ব্যৱস্থা গাঁও-চহৰৰ সাধাৰণ মানুহৰ বাবে বিশেষ সহজলভ্য নাছিল। এজন কৃষক বা দিন মজদুৰ পিতৃ-মাতৃৰ সন্তানৰ বাবে গুৱাহাটী বা অন্য চহৰলৈ পঢ়িবলৈ যোৱা মানে আছিল বিপুল খৰচ আৰু অশেষ অসুবিধা। সেইসময়ত জাগীৰোড মহাবিদ্যালয়ৰ জন্ম এক শিক্ষাৰ আলোকদ্বাৰ খোলাৰ সমান আছিল।

প্ৰাৰম্ভিক দিনত মহাবিদ্যালয়ৰ পৰিসৰ আছিল সৰু, সংস্থাপন সীমিত, শিক্ষকৰ সংখ্যাও কম। তেতিয়াৰ দৌল-দেৱালয় বৰঙণি নাছিল, কিন্তু শিক্ষকসকলৰ অন্তৰত আছিল শিক্ষাৰ দীপ্তি আৰু শিক্ষাৰ্থীৰ হৃদয়ত আছিল আগ্ৰহৰ জুই। কেতিয়াবা ডেস্ক-বেঞ্চৰ অভাৱ, কেতিয়াবা প্ৰয়োজনীয় কিতাপ-পত্ৰৰ অভাৱ, কিন্তু সেইবোৰে কেতিয়াও মনোবল ভাঙি দিব পৰা নাছিল। লাহে লাহে ছাত্ৰ-ছাত্ৰীসকলৰ সংখ্যা বৃদ্ধি পাইছিল আৰু স্থানীয় লোকসকলৰ সহায়ত কক্ষ আৰু ভৱনৰো সংখ্যা বৃদ্ধি পায়।

Shyamala entered the house and within seconds could be seen no more. Like someone possessed by an evil force, I too unlatched the gate and followed her tread. Even on seeing me enter, no one came forward to greet me. Once inside, I felt the presence of a few other men in the house. A window in the veranda was left open. In the room inside, I could see two men

drinking something. Shyamala was not in this room; perhaps she was further inside. Although I could not guess it from the outside, I could now understand that the house was reasonably large, and had many rooms in it. I pushed the door open and peeped inside. The ears picked up subtle notes of the *antara* of a song. Its words were improperly bold. No one seemed to be bothered by my presence. The two men were chattering loudly. There was no place for a third person, that too a stranger, in that discussion. I wanted to ask them about Shyamala but stopped myself.

The two men were talking about prostitution. How the horror of the AIDS epidemic, by discouraging many a fainthearted potential customer, has given a big blow to the business was a part of the discussion. They lamented the sorry state of affairs, but immediately afterward, whispered something into one another's ears and broke into indecent laughter. Emotions vacillating like a pendulum! I wasn't so stupid as to not understand what was actually happening there. When I imagined my situation, I couldn't but laugh wryly at my own condition. Run for your life now, or you are dead!—I said to myself.

Meanwhile, as the scene was unfolding, I found myself a place to sit. On the wall was a poster of a Bollywood heroine. On her face, I deduced a look of contempt for a society fraught with Grundyism. Her figure indicated a beauty of exact geometric proportions and extroversion. What if Angelina Jolie's nose, as is asked of Cleopatra's nose, had been shorter by half a centimeter? No, this beauty too did not have to worry about her nose. With just one flick of her eyes, she could make the sanest person lose his mind. And what was this thing framed by her side? I walked toward it to look closely. What a strange thing! Beautifully bound in a wooden frame was a certificate! I was already overtaken by anger, despair, and intense curiosity when I read the certificate. A mere blood report was bestowed with such dignity! The report proudly declared one thing—Ye, men of the earth looking for the bluebird, come here. Shyamala is not AIDS-infected. Her blood is pure. Ye, the pleasure-seeking male race, make love to her without any fear. She is a miraculous potion with no side effects.

The handwriting in there was familiar to me. Even its language. To get that certificate, Shyamala had concocted a tragic story of her past, or was it a true story? Or was it the story itself that marked a point of departure for her life's journey and has now culminated in the present situation? How many more such stories will Shyamala concoct? What can an idiot like me do in this matter? Yes, I can be a silent spectator and watch these stories unfold, the only role I can play.

In this world, there are so many kinds of class divisions. We, from the department of public health, however, divide people on a different basis. According to that, the world has two kinds of people—HIV positive and HIV negative. And no one in between. It would have been nice if the same law applied to life. Either you live, or you take the accelerated and definite path to death. No middle path. But the world is full of the living dead!

In the midst of all these, I suddenly remember Bouti. This woman is unable to grasp things properly. To her, the value of a living dead is worth so much more than that of the dead. It now seems to me that with her kind of expertise in making up a story on the spot, Shyamala could have become a good writer. But then, she opted for the easiest, the most tried and tested path.

I have run out of all curiosity for Shyamala. Now there is no need to go and meet her. Once I reach home I'll say to my mother, "Bouti, come, let's adopt an orphan. It will keep you company, and for the rest of my life, it will make me live in constant fear in this kingdom of toadstools. Isn't that a necessary precondition for becoming a good human? I just said 'live in constant fear' because he or she will be the orphaned child of parents who died of AIDS. Won't you fulfill my request, Bouti?"

*Notes:*

*Gunda tax*: exhortation or a percentage of earnings collected by the local mafia.

*SULFA tax*: SULFA refers to a surrendered ULFA (United Liberation Front of Assam) militant outfit. Members of the militant outfit extorted money from businessmen, etc. during their active years, threatening them with life if they refused to cooperate.

*Sulai*: Sulai, often termed "poor man's liquor", is a conditioned spirit brewed from fermented molasses or rice in Assam.

●●●

# The Great WhatsApp Birthday Blunder : A Case Study in Nephewly Diplomacy

⏭ **Dr Sangeeta Sarma**
Assistant Professor
Department of Botany




History was made—not in politics, not in science, but in the hallowed halls of my family WhatsApp group. It was my birthday, and like every respectable millennial, I awaited the avalanche of emojis, GIFs, and recycled "Happy Birthday" stickers that would flood my screen.

Enter my nephew. With the confidence of a Shakespearean hero and the typing speed of a caffeinated squirrel, he posted:

**"Happy Birthday Majoni!"**- That's my nick name

No "*Pehi*." (**Paternal aunt in Assamese**) No honorifics. Just my bare name, tossed into the digital void like a casual ping to a college buddy.

The group gasped. Okay, maybe they didn't literally gasp, but I could *feel* the collective eyebrow raise through the pixels. In family WhatsApp etiquette, titles matter. "***Pehi***" is not just a word—it's a badge of generational respect, a verbal tiara. And here I was, stripped of mine.

But wait—the plot thickens. Within minutes, the message vanished. Deleted. Erased like a scandalous tweet from a politician's account. And in its place appeared a carefully

Corrected version:

**"Happy Birthday Majoni Pehi!"**

Ah, redemption! The digital equivalent of bowing deeply after accidentally stepping on royalty's gown.

Most likely corrected by his father.

**Father**: The judge, slamming the gavel with a stern "Correct it immediately!" The Aftermath

Naturally, I treated this incident with the seriousness it deserved. I considered calling a press conference. I drafted a thesis titled *"The Semiotics of Aunthood in WhatsApp Communication"* . I even imagined future historians poring over screenshots, debating whether the deletion was a sign of guilt, respect, or simply a panic attack.

Lessons Learned

**1. WhatsApp is forever.** Even deleted messages live on in family gossip.

**2. Titles are sacred.** "Pehi" is not optional—it's mandatory, like seatbelts or exam hall silence.

**3. Nephews are human.** They make mistakes, but they also know how to hit delete

**Conclusion**

So, dear readers, let this be a cautionary tale. In the age of instant messaging, one misplaced word can spark a saga worthy of a college magazine article. And as for me, I'll forever cherish my nephew's slip-up—it was the funniest birthday gift I could have asked for.

# My Experience as a Hostel Prefect

**Hanalisa Engtipi**
FYUGP 6th Semester

My name is Hanalisa Engtipi, a 5th semester student of English Literature and a boarder of Swapna Mazika Girls' Hostel, Jagiroad College. It has been a great privilege to serve as a prefect in the hostel.When the announcement was made that I would become the new prefect, I felt happy, curious and slightly nervous. I never expected to receive such an opportunity, nor did I imagine that my fellow boarders would trust me and vote for me. As an ordinary girl, I had never handled such a responsibility before. I soon realised that leadership in a hostel is not just about giving instructions, but about setting an example, being approachable, and supporting others whenever they need help.

Each day brought new duties. I helped in maintaining discipline, cleanliness and cooperation among the boarders. There were instances when we had to solve small misunderstandings, organise study hours, and ensure that everyone felt comfortable and safe. I realised that patience, listening, and clear communication are the most valuable qualities for a prefect.

Among the many experiences, the Freshers' Programme stands out as the most memorable. Welcoming the newly admitted boarders, preparing decorations, planning the event, helping juniors, and watching everyone enjoy themselves gave me immense happiness. On those days, our hostel truly felt like a big family, filled with laughter, joy and unity.

This role taught me many lessons such as responsibility, leadership, and the importance of teamwork. I had never been confident in speaking in front of others, and I was always worried about making mistakes before my mates and juniors. But through this journey, I have become more confident and independent. Being a prefect was not always easy, but every challenge helped me grow and shaped me into a better version of myself.

I am deeply grateful to our respected warden, teachers, and all my hostel mates for their constant support and cooperation. The memories made in Swapna Mazika Girls' Hostel will remain close to my heart, and I hope that the spirit of friendship, unity and discipline continues in the coming years.

●●●

# A Glimpse of Light

⏭ **Madhusmita Medhi**
FYUGP B.A 3rd Semester

The night was silent, the kind of silence that feels like a prayer. I closed my eyes only for a moment, and suddenly the world around me shifted, softened, until I found myself standing in a realm that felt both unknown and strangely familiar.

There was no sky, no ground, only an endless glow, like the inside of a blessing. It was silence, not emptiness, but a holy stillness where even the air felt alive with devotion.

And then, he appeared.

My Lord stepped out of the radiance as though He had been woven from the light itself. His attire glowed gently, each fold shimmering like dawn resting on still water.

My soul knew Him before my eyes did.

My body trembled not from fear, but from a peace so pure it felt as if the world had been cleansed in an instant.

When His hand rested gently upon my head, a warmth unfurled through me soft, vast, and healing reaching places within me I hadn't known were wounded. In that silent touch, every unanswered prayer found its voice. Every hidden ache found its cure.

As the dream receded, he turned once more toward me. A wordless yet unmistakable message rose within my heart:

"I am here. I have always been. I will always be."

I awoke with tears carving silent paths down my cheeks, and peace in my soul.

The dream ended with the night, but His presence remained a quiet light within me, guiding my steps gentle as dawn, certain as faith.

●●●



# ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন

জয়-জয়তে যিসকল হিতৈষী বৰেণ্য ব্যক্তিৰ মহান ত্যাগ আৰু কষ্টৰ বিনিময়ত জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ) ৰ দৰে পৱিত্ৰ জ্ঞান মন্দিৰ প্ৰতিষ্ঠা হৈছে, তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

২০২৪-২৫বৰ্ষৰ জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে মহাবিদ্যালয়খনক সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মোৰ পৰম শ্ৰদ্ধাৰ মাননীয় অধ্যক্ষ মহোদয় ড° ভবেন চন্দ্ৰ নেওগ ছাৰলৈ আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ একতা সভাৰ সমূহ তত্বাৱধায়ক আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

"কৰ্মই ধৰ্ম" এই বাণীটোকে অনুসৰণ কৰি নিজৰ দায়িত্বভাৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ অকণো কুণ্ঠাবোধ কৰা নাছিলোঁ। ২০২৫ চনৰ ৩০ জানুৱাৰী তাৰিখে জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মোৰ প্ৰথম পদক্ষেপেই আছিল ছাত্ৰ একতা সভাৰ সদস্যসকলক একত্ৰিত কৰি মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ সভাপতিত্বৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা। কিন্তু কিমানদূৰ সফলতাৰে পালন কৰিব পাৰিছোঁ, সেয়া আপোনালোকৰ বিচাৰ্য।

ছাত্ৰ একতা সভাৰ সদস্য হিচাপে আমাৰ প্ৰথম কাৰ্য্যসূচী বা অনুষ্ঠানটোৱে আছিল মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা। য'ত আমি সকলো ছাত্ৰ একতা সভাৰ সদস্যই আৰু অনুষ্ঠানটিৰ তত্বাৱধায়ক ড° লিণ্টন হাজৰিকা ছাৰ আৰু ড° ধনদা কাকতি বাইদেউৰ তত্বাৱধানত আৰু মাননীয় অধ্যক্ষ মহোদয়ৰ সহযোগত আমি আনন্দ-উল্লাসেৰে প্ৰথমটি অনুষ্ঠান পালন কৰিছিলোঁ। ইয়াৰ এদিন পিছৰেপৰা অৰ্থাৎ ৪ ফেব্ৰুৱাৰীৰ পৰা ১০ ফেব্ৰুৱাৰীলৈ আমাৰ মহাবিদ্যালয়ত আৰম্ভ হৈছিল "মহাবিদ্যালয় সপ্তাহ" য'ত সকলো সদস্যই নিজৰ নিজৰ তত্বাৱধায়কৰ সহযোগত বিভিন্ন ধৰণৰ কাৰ্য্যসূচী হাতত লৈছিল। আৰু ময়ো সভাপতি হিচাপে IQAC ৰ সমন্বয়ক ড° চিত্তৰঞ্জন চৰকাৰ ছাৰ আৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষ মৌলিক ছাৰৰ তত্বাৱধানত বিভিন্ন ধৰণৰ কাৰ্যসূচী তথা "মহাবিদ্যালয় সপ্তাহ" সুকলমে পৰিচালনা কৰিবলৈ বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছিলোঁ। ইয়াৰ পিছৰে পৰা মহাবিদ্যালয়ত বিভিন্ন সময়ত বিভিন্ন ধৰণৰ কাৰ্যসূচী তথা অনুষ্ঠান অনুষ্ঠিত কৰি আহিছোঁ। যদিও বহুসময়ত ছাত্ৰ একতা সভাৰ সদস্যসকলৰ মাজত বিভিন্ন কাৰণত মতভেদ হৈছিল তথাপিও ইউনিয়নৰ সভাপতি হিচাপে সকলোকে একত্ৰিত কৰি ৰাখিবলৈ সদায় চেষ্টা কৰিছিলোঁ। আমাৰ কাৰ্যকালৰ সময়ছোৱাত কোনোধৰণৰ বিভাগৰ বা কামৰ শ্ৰেণীবিভাজন নকৰি সকলো কামকেই নিজৰ কাম বা ইউনিয়নৰ কাম হিচাপে ভাবি বিভিন্নধৰণৰ অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলোঁ। বিশেষকৈ বিশ্ব কবিতা দিৱস, বিষ্ণুৰাভা দিৱস, ছাত্ৰ দিৱস, বিশ্ব পৰিৱেশ দিৱস, শংকৰদেৱৰ তিথি, নৱাগত আদৰণি সভা আদি অন্যতম। লগতে অতি আনন্দৰ বিষয়টো হ'ল যে ছাত্ৰ একতা সভাৰ সভাপতি হৈ থাকোঁতেই আমাৰ মহাবিদ্যালয়খনে ৯ জুন ২০২৫ তাৰিখে স্বতন্ত্ৰ (Autonomous) মৰ্যাদা লাভ কৰে। যিয়ে মহাবিদ্যালয় খনত এক নতুন যুগৰ সুচনা কৰিলে বুলি ক'ব পাৰি। আমাৰ কাৰ্যকালত অকল্পনীয়, অসহনীয় বিষয়টো হ'ল যে আমাৰ অসমৰ সম্পদ, সকলোৰে হাৰ্টথ্ৰব, প্ৰাণৰো প্ৰাণ, অসমী আইৰ সন্তান জুবিন গাৰ্গ নোহোৱা

খবৰটো, সেয়ে এই প্ৰতিবেদনৰ জৰিয়তে সেই মহান শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু তেখেতৰ আত্মাৰ সদ্‌গতিৰ কামনা কৰিছোঁ।

শেষত, বিগত সময়ছোৱাত আমাৰ দ্বাৰা হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। কাৰ্যকালত প্ৰতিটো পদক্ষেপত আন্তৰিকতাৰে দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱা অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰৰ লগতে IQAC ৰ সমন্বয়ক ড° চিত্তৰঞ্জন চৰকাৰ ছাৰ, অসমীয়া বিভাগৰ অধ্যাপিকা ড° মীৰা বৈশ্য বাইদেউ, ড° গাৰ্গী ফুকন বাইদেউ, ড° কণিমা পাঠক বাইদেউৰ লগতে সমূহ শিক্ষাগুৰু, ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ। জাগীৰোড মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি এই মহাবিদ্যালয়ৰ বুকুত ভৱিষ্যতেও ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা বিকাশেৰে সমাজলৈ অৱদান আগবঢ়াব পাৰিব বুলি তেওঁলোকলৈ হিয়া-ভৰা শুভেচ্ছা যাচিলোঁ।

জাগীৰোড মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে জ্ঞানৰ এই পৱিত্ৰ মন্দিৰখনে সৰ্বাংগীণ বিকাশৰ সৰ্বোচ্চখিনি মোক প্ৰদান কৰিছে বুলি ভাবোঁ। জাগীৰোড মহাবিদ্যালয়খন সদায় মোৰ বাবে জীৱনৰ এক মাইলৰ খুঁটি হৈ ৰ'ব। জাগীৰোড মহাবিদ্যালয়ৰ পৰিয়ালৰ সৈতে কটোৱা স্মৃতিবোৰে সদায় মোক আমনি কৰিব। ধন্যবাদেৰে...

জয়তু জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)

**প্ৰাঞ্জল ক্ৰ**
সভাপতি
ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)
২০২৪-২৫ বৰ্ষ



# ছাত্ৰ-একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ গৌৰৱ উজ্জ্বল এই জাগীৰোড মহাবিদ্যালয়(স্বতন্ত্ৰ)ৰ লগত জড়িত যিসকল মহান ব্যক্তিয়ে তেওঁলোকৰ বহুমূলীয়া অৱদান দি থৈ গৈছে, তেওঁলোকলৈ মোৰ শ্ৰদ্ধা আৰু প্ৰণাম জনাইছোঁ।

২০২৪-২৫ বৰ্ষৰ জাগীৰোড মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মহাবিদ্যালয়ত সেৱা আগবঢ়াবলৈ সুযোগ আৰু সুবিধা দিয়া বাবে সন্মানীয় অধ্যক্ষ মহোদয় ড° ভবেন চন্দ্ৰ নেওগ, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু মোৰ বন্ধু-বান্ধৱী তথা অনুজসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বৰ্ষত ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ দায়িত্ব লাভ কৰিয়ে প্ৰথমটো অনুষ্ঠান আমি আয়োজন কৰিছিলোঁ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ পূজা। তাৰ পিছতে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠান অনুষ্ঠিত কৰিছিলোঁ। ৯ জুন তাৰিখে আমাৰ মহাবিদ্যালয়খনে 'স্বতন্ত্ৰ' মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰাত আমি উৎফুল্লিত হৈ পৰিছিলোঁ। আমি সকলোৱে অধ্যক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত বিহুৰ কৰ্মশালা অনুষ্ঠান আয়োজিত কৰিলোঁ। তাৰ পাছত সকলোৱে হেঁপাহৰ নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হৈছিল। মহাপুৰুষ শংকৰদেৱৰ তিৰোভাৱ তিথি আমি সকলোৱে উলহ-মালহেৰে উদ্‌যাপন কৰিছিলোঁ। তাৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীণ বিকাশৰ বাবে অধ্যক্ষ মহোদয়ৰ প্ৰচেষ্টাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ মাজেৰে আমাৰ শেষৰটো অনুষ্ঠান দায়িত্ব সহকাৰে সম্পন্ন কৰিবলৈ সক্ষম হৈছিলোঁ।

মোৰ কাৰ্যকালত প্ৰতিটো পদক্ষেপতে অতি মূল্যবান দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ ড° নেওগ ছাৰ আৰু IQAC ৰ ড° চিত্তৰঞ্জন চৰকাৰ ছাৰক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদ

জয়তু জাগীৰোড মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

**পম্পী মণ্ডল**

উপ-সভাপতি

ছাত্ৰ-একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)

বৰ্ষ-২০২৪-২৫

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ, কষ্ট আৰু প্ৰচেষ্টাৰ ফলত জাগীৰোড মহাবিদ্যালয়ৰ দৰে মধ্য অসমৰ এক উন্নতমানৰ শিক্ষা প্ৰতিষ্ঠান গঢ় লৈ উঠিছে তেখেত সকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। ২০২৪-২০২৫বৰ্ষৰ জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনক সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়খনৰ ড° ভবেন চন্দ্ৰ নেওগ ছাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। লগতে মহাবিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকললৈও আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মনত অদম্য হেঁপাহ আৰু উৎসাহ লৈ মই মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ ৩০ জানুৱাৰী, ২০২৫ তাৰিখে। সাধাৰণ সম্পাদক হিচাপে মোৰ প্ৰধান দায়িত্বই আছিল মহাবিদ্যালয়ৰ বিভিন্ন কামত নিজে সক্ৰিয় অংশগ্ৰহণ কৰা আৰু নতুন চিন্তাধাৰাৰে মহাবিদ্যালয়খনৰ বিকাশত অৰিহণা যোগোৱা। ছাত্ৰ একতা সভাৰ সদস্যৰ লগতে অনুষ্ঠানটোৰ তত্বাৱধায়ক হিচাপে আছিল ড° ধনদা কাকতি বাইদেউ আৰু ড° লিণ্টন হাজৰিকাক ছাৰ আৰু ইয়াৰ এদিনৰ পিছৰে পৰা মহাবিদ্যালয়ত আৰম্ভ হৈছিলে মহাবিদ্যালয় সপ্তাহ য'ত মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে এই মহাবিদ্যালয় সপ্তাহ সুকলমে অনুষ্ঠিত কৰাত মোৰ গভীৰ দায়িত্ব আছিল। বিগত বছৰৰ দৰে মহাবিদ্যালয়ত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক অনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্যে ২০২৫ চনৰ ১৪ আগষ্ট তাৰিখে 'নৱাগত আদৰণি অনুষ্ঠান' আয়োজন কৰা হয়। য'ত মুখ্য অতিথি হিচাপে অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামী ছাৰ, মৰিগাঁও জিলাৰ সন্মানীয় জিলা আয়ুক্ত অনামিকা তিৰাৱী বাইদেউ তথা মৰিগাঁও জিলাৰ বিভিন্ন বিশিষ্ট ব্যক্তিসকল আৰু সাহিত্য অকাডেমি বঁটা প্ৰাপক জয়ন্ত মাধৱ বৰাদেৰৰ লগতে পৰিচালনা সমিতিৰ সভাপতি ডাঃ পুণিৰাম পাতৰ মহোদয় উপস্থিত আছিল। ইয়াৰ পিছৰে পৰা মহাবিদ্যালয়ত বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছোঁ, যেনে-বিশ্ব পৰিৱেশ দিৱস, বিশ্ব কবিতা দিৱস, ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস, শংকৰদেৱৰ তিথি ইত্যাদি।

সময়ৰ গতিত অতি সোনকালেই আমাৰ এবছৰীয়া কাৰ্যকালৰ অন্ত পৰিল, সময় উকলি যোৱা বাবে মনত আৰু বহু কাম কৰাৰ হেঁপাহ আৰু আশা থকা সত্বেও তাক বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলোঁ। বহু কাম আধৰুৱা হৈ থাকিল। আমাৰ এই আধৰুৱা কাম আৰু সপোনবোৰ সম্পূৰ্ণ কৰাৰ দায়িত্ব মই পৰৱৰ্তী ছাত্ৰ একতা সভাক অৰ্পণ কৰিলোঁ। মোৰ বিশ্বাস তেওঁলোকে এই দায়িত্ব সুচাৰুৰূপে পালন কৰি মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিত সহায় কৰিব।

শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰ, IQAC ৰ সমন্বয়ক ড° চিত্তৰঞ্জন চৰকাৰ ছাৰ, অসমীয়া বিভাগৰ অধ্যাপিকা ড° মীৰা বৈশ্য, ড°গাৰ্গী ফুকন আৰু ড° কণিমা পাঠক বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে বিভিন্ন কাৰ্যত মোক বিশেষভাৱে সহায় কৰা ছাত্ৰ একতাসভাৰ সদস্যসকল, মোৰ বন্ধু-বান্ধৱী সকললৈ আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি মোৰ কাৰ্যকালৰ সময়ছোৱাত অজ্ঞাতে যি ভুল-ভ্ৰান্তি হ'ল তাৰ বাবে এই সুযোগতে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত জাগীৰোড মহাবিদ্যালয়ৰ সুনাম তথা উন্নতিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে যাতে পৰৱৰ্তী সময়ত ছাত্ৰ একতা সভাৰ সদস্যসকলৰ সৈতে ঐক্যবদ্ধ হৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ বিকাশৰ বাবে কাম কৰে তাৰে কামনা কৰিলোঁ।

জয়তু জাগীৰোড মহাবিদ্যালয়
জয় আই অসম

**ৰক্তিম শইকীয়া**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)
বৰ্ষ-২০২৪-২৫



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

পোন প্ৰথমে জাগীৰোড মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ভবেন চন্দ্ৰ নেওগ ছাৰলৈ অলেখ ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে মোৰ শিক্ষক তত্ত্বাৱধায়ক ড° গোপী অধিকাৰী ছাৰ, ড° পল্লৱী দেৱী আৰু জ্ঞানশ্ৰী শইকীয়া বাইদেউলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ সহায়, সমৰ্থন আৰু পৰামৰ্শৰ বাবে মই অতি সৌভাগ্যৱান বুলি অনুভৱ কৰোঁ যাৰ অবিহনে ছাত্ৰ একতা সভাৰ কাম-কাজসমূহ সফল নহ'লহেঁতেন।

ছাত্ৰ নেতাসকলৰ ধৈৰ্য্য, সমৰ্থন আৰু মূল্যৱান সহযোগিতাৰ বাবে সহপাঠী ছাত্ৰ-ছাত্ৰীসকলকো মোৰ আন্তৰিক ধন্যবাদ আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অফিচৰ ষ্টাফসকলৰ বাবেও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জাগীৰোড মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ শৈক্ষিক বৰ্ষৰ কাৰ্যকলাপৰ প্ৰতিবেদন দাঙি ধৰি মই অতি আনন্দিত হৈছোঁ। মোৰ এক সৌভাগ্যজনক বিষয় যে মই এখন NAAC A+ গ্ৰেড থকা কলেজৰ সহকাৰী সাধাৰণ সম্পাদক আছিলোঁ। ২০২৪-২৫ বৰ্ষটো মোৰ বাবে সুন্দৰ অনুষ্ঠান আৰু সফলতাৰ কাহিনীৰে চিহ্নিত কৰা হৈছিল। সহকাৰী সাধাৰণ সম্পাদক আৰু ছাত্ৰী জিৰণী কোঠাৰ সম্পাদক দুয়োটা দায়িত্ব লাভ কৰি মই বহু আনন্দিত। এই দুয়ো দায়িত্বত মোৰ ভূমিকা আছিল বহুমুখী। আকৰ্ষণীয় অনুষ্ঠান আয়োজন কৰা, আৰু ছাত্ৰ-ছাত্ৰীৰ উদ্বেগক প্ৰতিনিধিত্ব কৰাৰ পৰা আৰম্ভ কৰি ভাতৃত্ববোধক লালন-পালন কৰা আৰু মসৃণ প্ৰশাসনিক পক্ৰিয়া নিশ্চিত কৰালৈকে প্ৰতিদিনে নতুন প্ৰত্যাহ্বান আৰু সুযোগ কঢ়িয়াই আনিছিল।

এই বছৰটোত মোৰ বাবে প্ৰতিটো দিনেই আছিল এক শিক্ষণৰ অভিজ্ঞতা। এই পদৰ এটা আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হৈছে ছাত্ৰ সমাজৰ বিভিন্ন অনুষ্ঠানত অধ্যক্ষ ছাৰৰ সৈতে প্ৰত্যক্ষভাৱে মত বিনিময় কৰাৰ সুযোগ। সেয়া ৰোমাঞ্চকৰ সাংস্কৃতিক উৎসৱৰ পৰিকল্পনা কৰাই হওক, কলেজ সপ্তাহ আৰু অন্তৰ্দৃষ্টিসম্পন্ন কৰ্মশালাৰ আয়োজন কৰাই হওঁক, সকলোৰে বাবে এক ইতিবাচক আৰু সমৃদ্ধিশালী পৰিৱেশ গঢ়ি তুলিবলৈ অধ্যক্ষ মহোদয়ে চেষ্টা কৰা পৰিলক্ষিত হৈছিল। গোটেই বছৰটোত মই সমূহীয়া কাম, যোগাযোগ আৰু স্থিতিস্থাপকতাৰ গুৰুত্ব শিকিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে সহযোগিতা কৰি অনুষ্ঠান আয়োজন কৰা, উদ্বেগসমূহৰ সমাধান কৰা আৰু কলেজৰ ভিতৰত ভাতৃত্ববোধ গঢ়ি তুলিলোঁ। এই বৰ্ষটোত সন্মুখীন হোৱা প্ৰতিটো প্ৰত্যাহ্বান আছিল মনঃ সংযোগ বৃদ্ধি আৰু শিকাৰ সুযোগ। ২০২৪-২৫ বৰ্ষটোৰ আন এক সুখী আৰু সৌভাগ্যজনক বিষয় আছিল যে আমাৰ 'জাগীৰোড মহাবিদ্যালয়ে' 'স্বতন্ত্ৰ' হিচাপে স্বীকৃতি লাভ কৰিছিল। ভগৱানে আমাৰ মৰমৰ কলেজখনক চিৰদিনৰ বাবে আশীৰ্বাদ কৰক আৰু অনাগত দিনত মহাবিদ্যালয়খনৰ অধিক বৃদ্ধিৰ বাবে আৰু আগুৱাই নিবলৈ সৰ্বশক্তিমানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

ধন্যবাদ

জয়তু জাগীৰোড মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

**শিল্পা বৰা**

সহকাৰী সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)

বৰ্ষ-২০২৪-২৫

# সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



এই প্ৰতিবেদনখন আৰম্ভ কৰাৰ আগেয়ে মই গভীৰ কৃতজ্ঞতাৰে স্মৰণ কৰিব বিচাৰোঁ আমাৰ সন্মনীয় অধ্যক্ষ মহোদয়ক। ছাত্ৰ সমাজৰ ওপৰত তেওঁৰ বিশ্বাস, শৃংখলাপূৰ্ণ চিন্তাধাৰা আৰু সদায় আগবঢ়োৱা নৈতিক সমৰ্থনেই আমাক নতুন কাম কৰিবলৈ সাহস যোগাইছিল।

সাহিত্য আৰু তৰ্ক বিভাগৰ তত্ত্বাবধায়িকা শ্ৰদ্ধাৰ ড° মীৰা বৈশ্য বাইদেউ আৰু ড° গাৰ্গী ফুকন বাইদেউক মই অন্তৰৰ পৰা ধন্যবাদ জনাব বিচাৰোঁ। তেওঁলোকৰ স্নেহ আৰু বিশ্বাস অবিহনে এই দায়িত্ব সফলভাৱে পালন কৰাটো মোৰ বাবে সম্ভৱ নহ'লহেঁতেন। শিক্ষকসকলৰ আশীৰ্বাদেই ছাত্ৰ সমাজৰ বাবে আটাইতকৈ ডাঙৰ শক্তি।

ছাত্ৰ জীৱন কেৱল পাঠ্যপুথিৰ পাতত সীমাবদ্ধ এক অধ্যায় নহয়, ই মানুহ হোৱাৰ এক প্ৰশিক্ষণকাল। এই সময়ছোৱাত পঢ়াৰ লগতে, ভাবিবলৈ শিকে, নেতৃত্ব ল'বলৈ শিকে আৰু সমাজৰ প্ৰতি দায়িত্ব অনুভৱ কৰিবলৈ আৰম্ভ কৰে। সাহিত্য আৰু তৰ্ক সম্পাদক হিচাপে মোৰ দায়িত্বকাল মোৰ জীৱনৰ এনে এক অধ্যায়, যিয়ে মোক কেৱল এজন ছাত্ৰ নহয়, বৰঞ্চ এজন সচেতন, দায়িত্বশীল আৰু সমাজমুখী ব্যক্তি হোৱাত অৰিহণা যোগাইছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ- একতা সভাৰ নিৰ্বাচন ২০২৫ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনে মোক প্ৰথমবাৰৰ বাবে গণতান্ত্ৰিক দায়িত্বৰ গভীৰ অৰ্থ বুজাই দিলে। সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ সমাজে মোক যি আস্থা প্ৰদান কৰিলে, সেয়া মোৰ বাবে এক গৌৰৱৰ লগতে এক বৃহৎ দায়িত্ব আছিল। নিৰ্বাচনৰ পাছত শপত গ্ৰহণ অনুষ্ঠানৰ দায়িত্ব গ্ৰহণ কৰাৰ সময়ত মই অনুভৱ কৰিছিলোঁ - এই পদ কেৱল নামৰ বাবে নহয়, ই সেৱাৰ বাবে। নিৰ্বাচনৰ পাছতেই আমাৰ ছাত্ৰ একতা সভাৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে আমি সৰস্বতী পূজা আয়োজন কৰোঁ। এই পূজাই ছাত্ৰ একতা সভাৰ মাজত একতা, সহভাগিতা আৰু শৃংখলাৰ এক নতুন অধ্যায় আৰম্ভ কৰে। সকলো ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাত এই পূজা সফলভাৱে সম্পন্ন হোৱাটো মোৰ বাবে এক গভীৰ আত্মসন্তুষ্টিৰ বিষয় আছিল। তাৰ পিছত মোৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব আছিল মহাবিদ্যালয় সপ্তাহত সাহিত্য আৰু তৰ্ক বিভাগৰ দায়িত্ব। এই অনুষ্ঠানত আমাৰ বিভাগৰ উদ্যোগত মুঠ তেৰটা প্ৰতিযোগিতা আয়োজন কৰা হৈছিল।

প্ৰতিযোগিতাসমূহ আছিল-

১। থিতাতে লিখা কবিতা প্ৰতিযোগিতা।
২। থিতাতে লিখা কাহিনী প্ৰতিযোগিতা।
৩। নীলা খামৰ চিঠি।
৪। চিত্ৰাংকন প্ৰতিযোগিতা।
৫। প'ষ্টাৰ বনোৱা প্ৰতিযোগিতা।
৬। আকস্মিক বক্তৃতা প্ৰতিযোগিতা।
৭। তৰ্ক প্ৰতিযোগিতা
৮। বাতৰি পৰিৱেশন প্ৰতিযোগিতা
৯। বক্তৃতা প্ৰতিযোগিতা
১০। মডেল নিৰ্মাণ প্ৰতিযোগিতা।
১১। কুইজ প্ৰতিযোগিতা।
১২। কবিতা আবৃত্তি প্ৰতিযোগিতা।
১৩। ফটোগ্ৰাফী প্ৰতিযোগিতা।

এই প্ৰতিযোগিতাসমূহৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ পুৰস্কাৰ এটি আছিল সাহিত্য আৰু তৰ্ক বিভাগৰ শ্ৰেষ্ঠ পুৰস্কাৰ, অসীম

ডেকাই এই পুৰস্কাৰ লাভ কৰিছিল।

মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ পাছতো সাহিত্য আৰু তৰ্ক বিভাগৰ কাৰ্যকলাপ থমকি নাথাকিল। বিভিন্ন উৎসৱ আৰু বিশেষ দিন উপলক্ষে আমি সাহিত্যিক আৰু বৌদ্ধিক প্ৰতিযোগিতা আয়োজন কৰিছিলোঁ। এই কাৰ্যসূচীসমূহে ছাত্ৰ-সমাজৰ মাজত চিন্তাশীলতা, যুক্তিবোধ আৰু সৃজনশীলতাৰ বিকাশ ঘটালে। আমাৰ মহাবিদ্যালয়ৰ চতুৰ্থ ষাণ্মাষিকৰ ছাত্ৰ নৰোত্তম দাস আৰু প্ৰসেনজিৎ দেবনাথক হাতীচোং মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম ভিত্তিক আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ নিৰ্বাচিত কৰা হয়। তেওঁলোকে তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক হিচাপে এই সফলতাই মোক অপাৰ আনন্দ আৰু গৌৰৱ প্ৰদান কৰে। মই এই দায়ত্বকালত কেৱল এজন সম্পাদক হিচাপে নহয়, নিজেও এজন প্ৰতিযোগী হিচাপে বিভিন্ন আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছোঁ। সোণাপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত উত্তৰ-পূব ভাৰত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা (North East India Inter College Debate Competition) আৰু গুৱাহাটী কমাৰ্চ মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাই মোৰ আত্মবিশ্বাস আৰু বক্তৃতা দক্ষতা অধিক দৃঢ় কৰিলে। মোৰ দায়িত্ব কালত ২০২৫ চনৰ আগষ্ট মাহত ছাত্ৰ একতা সভাৰ নেতৃত্বত নৱাগত আদৰণি সভাৰ অনুষ্ঠান সফলভাৱে আয়োজন কৰা হয়। এই অনুষ্ঠানৰ জৰিয়তে নতুন ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনত আত্মবিশ্বাসেৰে আগবাঢ়ি যোৱাৰ সুযোগ পায়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক হিচাপে নেতৃত্ব লৈ আমি মাণ্ডলিক পৰ্যায়ত "পোষ্টাৰ মেকিঙত প্ৰথম স্থান, "কাৰ্টুনিং"ত দ্বিতীয় স্থান "ক্লেমডেলিং"ত দ্বিতীয় পুৰস্কাৰ, "কবিতা আবৃত্তি"ত তৃতীয় স্থান, "কুইজ"ত দ্বিতীয় স্থান আৰু সাংস্কৃতিক বিভাগত পাশ্চাত্য সংগীত"ত তৃতীয় স্থান, "লোকনৃত্য"ত প্ৰথম স্থান আৰু 'সমৱেত সংগীত" ত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হওঁ। ইয়াৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ প্ৰতিযোগিতাত আমাৰ দলে অংশগ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত দলৰ পৰা লোক নৃত্য প্ৰতিযোগিতা কৰিবলৈ সক্ষম হওঁ। এই অভিজ্ঞতাই মোক দলগত জীৱন, শৃংখলা আৰু সহাৱস্থানৰ এক নতুন পাঠ শিকালে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা উভতি আহিয়েই জাগীৰোড মহাবিদ্যালয়ৰ এন এছ এছ (NSS) ইউনিটৰ প্ৰগ্ৰেম অফিচাৰ ড° গাৰ্গী ফুকন বাইদেউৰ, নেতৃত্বত গোটৰ ছাত্ৰ নেতা মৃদুল বৰা, আলোচনী সম্পাদক টুনুজ্যোতি মেধি, মই আৰু সকলো স্বেচ্ছাসেৱকক লগত লৈ জুবিন দাৰ সমাধি ক্ষেত্ৰত স্বচ্ছতা অভিযান হাতত লওঁ। তাৰ পাছত এন এছ এছ (NSS) ইউনিটৰ সৈতে মৰিগাঁও পদযাত্ৰাত অংশগ্ৰহণ কৰোঁ। এই কাৰ্যসূচীসমূহে মোক শিকালে সাহিত্য আৰু তৰ্কৰ উদ্দেশ্য কেৱল সাহিত্যৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয় ইয়াৰ উদ্দেশ্য সমাজসেৱাৰ সৈতেও জড়িত।

সাহিত্য আৰু তৰ্ক সম্পাদক হিচাপে মোৰ এই দায়িত্বকাল মোৰ জীৱনৰ এক অমূল্য অধ্যায়। এই যাত্ৰাই মোক নেতৃত্ব, ধৈৰ্য্য, দায়িত্ববোধ আৰু মানৱিকতাৰ পাঠ শিকালে। শেষত পুনৰ এবাৰ মই কৃতজ্ঞতা জনাইছোঁ- আমাৰ সন্মানীয় অধ্যক্ষ মহোদয়ক, সাহিত্য আৰু তৰ্ক বিভাগৰ তত্ত্বাৱধায়িকা দুইগৰাকী বাইদেউক, লগতে মোৰ সকলো সহপাঠী আৰু সহযোগীসকলক। এই অভিজ্ঞতাই মোৰ জীৱনত সদায় প্ৰেৰণা দিয়াৰ লগতে জীৱনজুৰি সংগী হৈ থাকিব।

ধন্যবাদেৰে...

**চন্দন চৰকাৰ**
সাহিত্য আৰু তৰ্ক সম্পাদক
ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)
২০২৪-২৫ বৰ্ষ



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে সেইসকল মহান শ্ৰদ্ধাভাজন ব্যক্তিক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ, যাৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত এই মহান অনুষ্ঠান জাগীৰোড মহাবিদ্যালয় গঢ় লৈ উঠিছিল। ২০২৪-২০২৫ বৰ্ষৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ সেৰা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰ, শিক্ষকসকল আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০২৪-২৫ বৰ্ষৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্ব লাভ কৰিয়েই প্ৰথমটো অনুষ্ঠান হিচাপে 'বিদ্যাৰ অধিষ্ঠাত্ৰী 'দেৱী' সৰস্বতী মাৰ পূজা ভাগৰ আয়োজন কৰোঁ। এই পূজাভাগ মাননীয় শিক্ষা গুৰুসকল আৰু ছাত্ৰ একতা সভাৰ সদস্যসকলৰ সহযোগত সুন্দৰভাৱে সম্পাদন কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত কৰিছিলোঁ ২০২৪-২৫ বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ'। সংগীত, নৃত্য, জাতীয় সাজ-পাৰ আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। প্ৰত্যেক অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ দেখি বিভাগীয় সম্পাদিকা হিচাপে যথেষ্ট গৌৰৱ অনুভৱ কৰিছিলোঁ। ইয়াৰ পাছতে সকলো ছাত্ৰ-ছাত্ৰীৰে আটাইতকৈ প্ৰিয় অনুষ্ঠান নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰিছিলোঁ। এই নৱাগত আদৰণি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ ড° বসন্ত কুমাৰ গোস্বামী ছাৰ। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিছিল অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী গীতাঞ্জলি দাসে। ইয়াৰ পাছত টাটাৰ Semiconductor প্ৰকল্পত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানসমূহ অনুষ্ঠিত কৰিছিলোঁ।

অতিকৈ গৌৰৱৰ কথা যে মোৰ কাৰ্যকালত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় মাণ্ডলিক যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে লোক নৃত্যত প্ৰথম স্থান আৰু লগতে সমৱেত সংগীত, কুইজ, কাৰ্টুন পোষ্টাৰ মেকিং, ক'লাজ, ক্লে ম'ডেলিং আদি সমূহ প্ৰতিযোগিতাতে বিশিষ্ট স্থান পাবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে মোক দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ ড° ভবেন চন্দ্ৰ নেওগ ছাৰক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ড° লভিতা শৰ্মা বাইদেউ, বিজিত কুমাৰ দাস ছাৰ, দিপ্তী নাৰ্জাৰী বাইদেউ, পাৰ্থ প্ৰতিম ডেকা ছাৰ আৰু ড° গাৰ্গী ফুকন বাইদেউ আটাইলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেনেদৰে, মোৰ প্ৰতিটো পদক্ষেপতে সহায়-সহযোগিতা আগবঢ়োৱা শিক্ষকমণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীসকলক মই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত জাগীৰোড মহাবিদ্যালয়ৰ সুনাম তথা উন্নতিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ছোৱাত নিজৰ প্ৰতিভা বিকাশৰ জৰিয়তে মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰিব বুলি আশা ৰাখিলোঁ।

**গৰিমা পাতৰ**
সাংস্কৃতিক সম্পাদিকা
ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)
বৰ্ষ-২০২৪-২৫



# Report of the Major Game Secretary

At the outset I offer my sincere thanks to our Hon'ble Principal Dr. B.C. Neog sir for entrusting me the responsibility Major Games Secretary.

Serving as the major game secretary of the Jagiroad College Student's Union was not merely a position of responsibility; it was a crucible that refined my leadership, discipline and vision. Entrusted with the stewardship of athletics, I stood at the intersection of strategy and execution, where every discision carried the weight of collective aspirations and institutional pride .

My tenure demanded more than administrative routine it required foresight, resilience and unwavering commitment. Coordinating with faculty advisers, mobilising volunteers, managing limited resources, and ensuring fair play instilled in me a profound respect for teamwork and ethical governance.

Beyond logistics I became a catalyst for sporting spirit motivating students to transcend hesitation and embrace physical excellence. I witnessed raw talent evolve into disciplined performance, and individual ambition merge into collective triumph. Each event was a testament to perseverance, meticulous planning and the silent labor behind visible success.

This role sculpted my character - sharpening my decision- making under pressure, strengthening my communication across diverse groups and embedding in me the values of accountability and service . My experience as major game secretary stands as the defining chapter in my academic journey, one that fortified my confidence and prepared me to shoulder greater responsibilities with integrity and resolve.

I bow to the Principal sir for trusting upon me despite seeing me as an ordinary student like others.

I love my college and so also my fellow student friends. God bless all of us with his divine power. I pray the almighty for the further growth of the college in the coming days .

I thank all the members associated with this event for their support.

Long live Jagiroad College!

Long live JCSU!

**Ashok Boro**
Major Game Secretary
Student Union, Jagiroad College (Autonomous)
(Session 2024-2025)

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই মই দেশমাতৃৰ চৰণত ভক্তিপূৰ্ণ প্ৰণিপাত জনাইছোঁ। যিসকল মহান মনিষীৰ ত্যাগ, একাগ্ৰতা আৰু দূৰদৰ্শী চিন্তাৰ ফচল স্বৰূপ এই পৱিত্ৰ শিক্ষানুষ্ঠানে আজি শিক্ষা আৰু ক্ৰীড়াৰ পোহৰ বিলাই জ্ঞানৰ জ্যোতি বিলাইছে, সেইসকল মহান লোকৰ চৰণত মই মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সৰ্বাংগীণ উন্নতিৰ যি সংকল্প লৈ মই ২০২৪-২৫ বৰ্ষৰ বাবে লঘু ক্ৰীড়া সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিলোঁ, সেই যাত্ৰাৰ এক চমু খতিয়ান দাঙি ধৰিবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ এজন দায়িত্বশীল ছাত্ৰ প্ৰতিনিধি হিচাপে মোৰ ওপৰত ন্যস্ত কৰা কৰ্তব্যখিনি নিষ্ঠা আৰু সততাৰে পালন কৰিবলৈ মই অহোপুৰুষাৰ্থ কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ ঐতিহ্যমণ্ডিত ইতিহাস সাক্ষী কৰি চলিত বৰ্ষত ক্ৰীড়া বিভাগে কেইবাটাও উল্লেখযোগ্য কাৰ্যসূচী ৰূপায়ণ কৰিছে। বাৰ্ষিক  মহাবিদ্যালয় সপ্তাহৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সুপ্ত প্ৰতিভাৰ যি বহিঃ প্ৰকাশ ঘটিছিল সেয়া সঁচাকৈয়ে শলাগিবলগীয়া। ওজন দলিওৱা, ডিছকাছ থ্ৰৌ, আৰু বিভিন্ন দলীয় খেলত ছাত্ৰ-ছাত্ৰীসকলে যি ক্ৰীড়াসুলভ মনোভাবৰ পৰিচয় দিলে, সি আমাৰ মহাবিদ্যালয়ৰ ঐক্য আৰু সংহতিক অধিক দৃঢ় কৰিলে। এই যাত্ৰা অতিক্ৰম কৰোঁতে মই লাভ কৰা মৰম আৰু সহযোগিতাই মোক সদায় উৎসাহিত কৰিছে। এই ছেগতে মই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, তেখেতৰ সঠিক নিৰ্দেশনা আৰু দিহা-পৰামৰ্শ অবিহনে এই কাৰ্যসূচীসমূহ সফল কৰা সম্ভৱ নহ'লহেঁতেন। লগতে মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ তত্ত্বাবধায়ক শ্ৰদ্ধাৰ ড° আনন্দৰাম বুঢ়াগোহাঁই ছাৰ আৰু মিণ্ডাৰ ইংতি ছাৰক। মোৰ সতীৰ্থ কৰ্মকৰ্তাসকলক তেওঁলোকৰ অকুণ্ঠ সহযোগিতাৰ বাবে ধন্যবাদ জনালোঁ।

শেষত মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ মোৰ অনুৰোধ আপোনালোকে কেৱল পাঠ্যপুথিতে আবদ্ধ নাথাকি ক্ৰীড়া আৰু সংস্কৃতিৰ জৰিয়তেও নিজৰ ব্যক্তিত্ব গঢ়ি তোলক। মোৰ কাৰ্যকালত যদি কিবা ভুল-ত্ৰুটী ৰৈ গৈছে, তাৰ বাবে মই ক্ষমা-মাৰ্জনা বিচাৰিছোঁ। আমাৰ এই মৰমৰ শিক্ষানুষ্ঠানখনিৰ জয়যাত্ৰা অব্যাহত থাকক তাৰে কামনা কৰিলোঁ।

ধন্যবাদ

জয়তু জাগীৰোড মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

**নয়নমণি বৰা**

লঘু ক্ৰীড়া বিভাগৰ সম্পাদক

ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)

বৰ্ষ-২০২৪-২৫



# Report of the
# Social Service Secretary

In the beginning of this report, I hereby pay my sincere respects to all the great people associated with Jagiroad College, who have contributed to its development. As the Social Service Secretary of the Jagiroad College Students' Union for the academic year 2024-2025, I sincerely thank the Hon'ble Principal Dr. Bhaben Chandra Neog, and all the students for giving me the opportunity to serve the College. After taking charge for the academic year 2024-2025, we started our work by organizing the worship of Goddess Saraswati. After that, we successfully organized College Week, during which with the help of NSS and NCC volunteers, we carried out activities such as clearing the college campus planting trees and placing dustbins. Later, we organized the Freshers' Social, which was eagerly awaited by the students.

We also participated in the Gauhati University Central Youth Festival held from 31st October to 4th November. Finally, we completed our last responsibility by organizing the Saraswati Puja in 2026.

Throughout the year, our respected teachers guided and supported us in every activity, for which we are deeply thankful.

**Maucham Konwar**
Social Service Secretary
Jagiroad College Student's Union
Session 2024-2025

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে,

মই সকলো শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা শিক্ষাকৰ্মী আৰু মোৰ প্ৰিয় সহপাঠীসকলক আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জনাইছোঁ। ২০২৪-২৫ বৰ্ষত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ সুযোগ লাভ কৰাটো মোৰ বাবে গৌৰৱৰ বিষয়।

এই বৰ্ষত কলেজ প্ৰশাসনৰ সহায়-সহযোগিতাত ছাত্ৰ জিৰণি কোঠাৰ বিভিন্ন কাৰ্যসূচী সফলভাৱে সম্পন্ন কৰিব পৰা গৈছে। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীণ বিকাশৰ লক্ষ্যৰে ছাত্ৰ জিৰণি কোঠাৰ জৰিয়তে বিভিন্ন সৃষ্টিশীল, শৈক্ষিক আৰু ক্ৰীড়ামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল। এই সকলো কাৰ্যসূচীত ছাত্ৰসকলৰ উৎসাহজনক অংশগ্ৰহণ লক্ষ্য কৰা গৈছে। ছাত্ৰ জিৰণি কোঠাৰ সুবিধাসমূহ উন্নত কৰাৰ ক্ষেত্ৰত কলেজৰ অধ্যক্ষ মহোদয়ে আগবঢ়োৱা সহায়ৰ বাবে মই বিশেষভাৱে তেখেতৰ ওচৰত কৃতজ্ঞ। ছাত্ৰসকলৰ মাজত একতা, শৃঙ্খলা আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তোলাত এই ছাত্ৰ জিৰণি কোঠাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

মোৰ এই কাৰ্যকালত মোক পথ প্ৰদৰ্শন আৰু সহায় আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, সহকাৰী সম্পাদকসকল আৰু মোৰ সহপাঠীসকলক আন্তৰিক ধন্যবাদ জনাইছোঁ। সকলোৰে সহযোগিতাত এই দায়িত্ব সুচাৰুৰূপে পালন কৰিব পৰা গৈছে। শেষত আগন্তুক দিনত কলেজৰ সুনাম অক্ষুণ্ণ ৰাখি ছাত্ৰ সমাজৰ উন্নত ভৱিষ্যৎ গঢ়ি তোলাৰ কামনাৰে মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

**গণেশ মণ্ডল**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)
বৰ্ষ-২০২৪-২৫



# Report of the B.A III Sem, Class Representative

I consider it a matter of great honour to have served as a member of the Students' Union of Jagiroad College, and I consider myself lucky enough to be a small part of the administration of the college from where my own father and uncle graduated. I express my sincere gratitude to the Honourable Principal (B. C. Neog) and the college administration for their constant guidance and support throughout the tenure. I was the Class Representative (TDC-III) for the year 2025-26, and along with the other members of the Students' Union, I have been able to dispose of the various tasks that were assigned to me as a Class Representative. To be very honest, there was not much work for me to do as a Class Representative. Although I was constantly involved and engaged in organising or conducting various events held by the college, my role as a Class Representative was very limited due to the fact that, most of the time, I was excluded from the decision-making processes of the Union. Despite this, I was able to learn a lot during my one-year journey. However, I must admit that the Union during that year was very ineffective and inefficient in the disposal of its duties due to many reasons, including a lack of cooperation among the members caused by poor leadership and communication.

Lastly, I am very grateful for what I have learned through all these months, which had an impact on and contributed to the development of my communication and teamwork skills. I hope for the best for the college and wish all its students a bright future ahead.

**Ritom Kumar Patar**
B.A III Sem, Class Representative
Student Union, Jagiroad College (Autonomous)
(Session 2024-2025)

# Report of the
# HS-ll Class Representative



I was honored to be selected as the class Representative (CR) of the Higher Secondary (HS) class of Jagiroad College (2024-25). This position gave me an opportunity to serve the Higher secondary classes and to develop important qualities such as leadership, responsibility and affective communication. It was a valuable and memorable experience in my academic life.

As a Class representative, my primary responsibility was to act as a link between the students and the teachers. I communicated important notices, class schedules, examination information and other academic instructions to my classmates and all the HS classes. I also collected student's problems and suggestions and pleaced them before the concerned teachers and the college administration.

I assisted teachers during examinations, internal assessments, and class activities by helping in maintaining discipline and also encouraged students to attend classes regularly and participate in academic as well as co-curricular activities.

While performing my duties, I faced several challenges. Managing students with different attitudes and opinions was not always easy. Sometimes, misunderstandings accurred between students and teachers, and I had to handle such situations from everyone.

Another major challenge was balancing my own studies with my responsiblities as a CR, especially during examination periods. However, with proper time management, I was able to fulfill both academic and leadership duties successfully.

This experience helped me become more confident, disciplined and responsible. I learned how to communicate clearly, listen to others, and solve problems peacefully. It also taught me the importance of teamwork, cooperation and mutual respect.

Being a CR improved my relationship with both teachers and classmates. I felt pround when I could help solve problems and create a better learning evnironment for everyones.

In conclusion, my experience as the HS class Representative of Jagiroad College Autonomous was extremely valuable and memorable. It helped to shape my personality and prepared me for future leadership roles. I am greateful to my teachers and classmates for trusting me with this responsibility. This role taught me that leadership is not about authority, but about service, resposibility and dedication.

**Biswas Konwar**
HS-ll, Class Representative
Student Union, Jagiroad College (Autonomous)
(Session 2024-2025)



# শ্ৰেণী প্ৰতিনিধিৰ প্ৰতিবেদন

জয় জয়তে সেইসকল মহান ব্যক্তি তথা বুদ্ধিজীৱীসকলক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ, যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত এই পবিত্ৰ অনুষ্ঠান 'জাগীৰোড মহাবিদ্যালয়' খনৰ গঢ়ি উঠিছে। মই ২০২৫-২৬ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত কলা শাখাৰ প্ৰথম যাণ্মাসিকৰ শ্ৰেণী প্ৰতিনিধিৰ দায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধা প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে শিক্ষাগুৰুসকল আৰু মৰমৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱী তথা অনুজসকলকো মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০২৫ বৰ্ষৰ ৩১ জানুৱাৰী তাৰিখে নিজৰ দায়িত্ব গ্ৰহণ কৰাৰ প্ৰথমটো কাৰ্য হিচাপে সৰস্বতী পূজা ভাগ আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, শিক্ষাগুৰুসকল আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ সহযোগত অতি উলহ-মালহেৰে মহাবিদ্যালয় প্ৰাঙ্গনত সুকলমে উদ্‌যাপন কৰা হয়।

দ্বিতীয়টো, কাৰ্য হিচাপে মহাবিদ্যালয় সপ্তাহ অৰ্থাৎ ইংৰাজী (৪-১০) তাৰিখলৈ খেলপ্ৰমুখ আৰু ছাত্ৰ জিৰণী কোঠাৰ উদ্যোগত অনুষ্ঠিত হোৱা খেলসমূহত নিজৰ উপস্থিতিৰে সহায় আগবঢ়াবলৈ সক্ষম হৈছোঁ।

মহাবিদ্যালয়ত মোৰ কাৰ্য্যকালত শ্ৰেণীকোঠাৰ কিছুমান সমস্যা সুকলমে সমাধান কৰাত শ্ৰদ্ধাৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰৰ দিহা-পৰামৰ্শই আমাক বিশেষভাৱে উপকৃত কৰে। শ্ৰেণীকোঠাৰ নতুন বাতৱৰণ সৃষ্টিৰ ক্ষেত্ৰত ছাৰৰ চিন্ত-চৰ্চা সদায় অতুলনীয়। এই ক্ষেত্ৰত আন আন শিক্ষাগুৰুসকলেও মোক সহায়-সহযোগ কৰিছিল।

মহাবিদ্যালয়ৰ আলোচনীখনৰ তত্বাৱধায়ক ড° কণিমা পাঠক, ড° ক্লিৰ্ণি টেৰাংপি বাইদেউ আৰু সম্পাদক টুনুজ্যোতি মেধিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত জাগীৰোড মহাবিদ্যালয়ৰ সুনাম তথা উন্নতিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

**পন্দিপন বিশ্বাস**
শ্ৰেণী প্ৰতিনিধি
প্ৰথম যাণ্মাসিক, ছাত্ৰ একতা সভা, জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)
বৰ্ষ-২০২৪-২৫






NORTH EAST
NSS Festival


NORTH EAST
NSS Festival


CLEANLINESS DRIVE



























Central Library













